শ্ৰীমন্ত শঙ্কৰদেৱৰ

# কীৰ্ত্তন-ঘোষা

ৰত্নাকৰ কন্দলিৰ সহস্ৰ-নাম-বৃত্তান্ত

আৰু

শ্ৰীশ্ৰীমাধৱদেৱৰ

# নাম-ঘোষা

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

KĪRTTANA-GHOṢĀ by Śrīmanta Śaṅkaradeva (c 15th. 16th. Cen. A.D.) with Sahasra-nām-vṛttānta by Ratnākara Kandali and NĀMA-GHOṢĀ by Śrī Śrī Mādhavadeva (c 15th. 16th. A.D.), critically edited by a Board of Editors (Gaveṣaka-maṇḍalī) and published by Sri Hariprasad Hazarika, General Secretary, for and on behalf of Srimanta Sankaradeva Sangha, a religio-cultural organisation, with its Head Office at Kalangpar, Nagaon, Assam.

**Seventh Edition : 2010**

---

প্ৰথম প্ৰকাশ ঃ ১৯৯১
দ্বিতীয় প্ৰকাশ ঃ ১৯৯৫
তৃতীয় প্ৰকাশ ঃ ১৯৯৯
চতুৰ্থ প্ৰকাশ ঃ ২০০২
পঞ্চম প্ৰকাশ ঃ ২০০৫
ষষ্ঠ প্ৰকাশ ঃ ২০০৭
সপ্তম প্ৰকাশ ঃ ২০১০

মূল্য ঃ ১২০.০০ মাত্ৰ

**বেটুপাতৰ শিল্পী ঃ**
শ্ৰীচন্দন চুতীয়া

**ছপা সংখ্যা ঃ ১০,০০০**

**মুদ্ৰক ঃ**
মাতৃ অফচেট প্ৰেছ
হেদায়েৎপুৰ, গুৱাহাটী - ৩

# কীর্ত্তন-ঘোষা

।। শ্ৰীকৃষ্ণায় নমঃ।।

## ।। শ্লোক।।

কৃষ্ণায় ৱাসুদেৱায় দেৱকীনন্দনায় চ।
নন্দগোপকুমাৰায় গোৱিন্দায় নমো নমঃ।।
নমঃ পঙ্কজনাভায় নমঃ পঙ্কজমালিনে।
নমঃ পঙ্কজনেত্ৰায় নমস্তে পঙ্কজাঙ্ঘ্ৰয়ে।।
ৱসুদেৱসুতং কৃষ্ণং কংসচাণূৰমৰ্দ্দনম্।
দেৱকীহৃদয়ানন্দং কৃষ্ণং ৱন্দে জগদ্‌গুৰুম্।।
হৰি ৰাম ৰাম।।
মূকং কৰোতি ৱাচালং পঙ্গুং লঙ্ঘয়তে গিৰিম্।
য়ৎকৃপা তমহং ৱন্দে পৰমানন্দ মাধৱম্।।

।। প্ৰথম খণ্ড ।।

# ।। চতুৰ্ব্বিংশতি অৱতাৰ ।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। জয় হৰি গোৱিন্দ নাৰায়ণ ৰাম কেশৱ হৰি।
ৰাম ৰাম কেশৱ হৰি ।। ১।।
পদ ।। প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
তযু নাভিকমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।১।।
মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা বেদ প্ৰভু[১] প্ৰলয়জলত।।
সত্যব্ৰত ৰাজাক দেখাইলা নিজ মায়া।
নধৰিলা[২] সমুদ্ৰে[৩] তোহ্মাৰ মৎস্যকায়া।।২।।
কূৰ্ম্ম অৱতাৰ ভৈলা ক্ষীৰোদধি তীৰে।
লক্ষ প্ৰহৰৰ পন্থ জুড়িলা শৰীৰে।।
কৰিলেক পৰি স্তুতি সুৰাসুৰ নাগে।
ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠভাগে।।৩।।

---

১। পা. চাৰিবেদ/বেদগণ; ২। পা. নুজুৰিলা/নুজুড়িলা;
৩। পা. সাগৰে

দিব্য যজ্ঞবৰাহ স্বৰূপ ভৈলা তুমি।
লীলায়ে দন্তৰ অগ্রে উদ্ধৰিলা ভূমি।।
তোহ্মাক কৰিলা যুদ্ধ হিৰণ্যাক্ষ বীৰি।
অপ্রয়াসে দৈত্যক মাৰিলা দন্তে ছিড়ি।।৪।।
আদি দৈত্য হিৰণ্যকশিপু বলিয়াৰ[৪]।
নৰসিংহ ৰূপে হিয়া বিদাৰিলা তাৰ।।
কৰিলা নিৰ্ভয় পাইলা ত্রিদশে উল্লাস।
ভক্ত প্রহ্লাদক প্রভু কৰিলা আশ্বাস।।৫।।
বামন স্বৰূপে অদিতিৰ বাক্য পালি।
ইন্দ্রক থাপিলা ছলে বলিক নিকালি।।
ত্রৈলোক্যক আক্রমিলা চৰণৰ গতি।
তযু পাদোদকে গঙ্গা ভৈলা উতপতি।।৬।।

।।দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। যদুমণি যাদৱ যাদৱ যাদৱানন্দ হৰি।।২।।
পদ ।। ভৈলাহা পৰশুৰাম নামে অৱতাৰ।
প্রদক্ষিণ কৰি ভূমি তিনি সাতবাৰ।।
ক্ষত্রিয়ক কাটিলা পৰশু কৰে ধৰি।
নিক্ষত্রিয় কৰিলা সমস্ত বসুন্ধৰী।।৭।।

৪। পা. বলীয়াৰ/ বলীআৰ



ছিৰীৰাম ৰূপে কৌশল্যাত অৱতৰি।
বনবাস খপিলা পিতৃৰ বাক্য ধৰি।।
বিৰাধ কবন্ধ মাৰীচৰ লৈলা প্রাণ।
খৰ দূষণক প্রভু কৰিলা নিৰ্য্যাণ।।৮।।
একপাট শৰে বালী সঙ্কলিলা জীৱ।
তোহ্মাৰ প্রসাদে ৰাজা ভৈলন্ত সুগ্রীৱ।।
লঙ্কাত পশিলা সাগৰত বান্ধি সেতু।
বধিলা ৰাৱণ সীতাহৰণৰ হেতু।।৯।।
বধিলা ৰণত আনো ৰাক্ষস অনেক।
ভক্ত বিভীষণক কৰিলা অভিষেক।।
অগ্নিত পৰীক্ষা আনি[৫] কৰিলা সীতাক।
ব্রহ্মাদেৱে স্তুতি বাণী বুলিলা তোহ্মাক।।১০।।
সম্বৰিলা সীতা দশৰথৰ বচনে।
অযোধ্যাক আসিলা সভাৰ্য্যে ৰঙ্গমনে।।
কৰিলাহা ৰাজ্য দশ হাজাৰ বৎসৰ।
লগে স্বৰ্গে নিলা সৱে অযোধ্যা নগৰ।।১১।।
ৰোহিণীত ভৈলা হলিৰাম অৱতাৰে।
দ্বিৱিদৰ প্ৰাণ লৈলা মুষ্টিৰ প্রহাৰে।।
প্রলম্ব মুষ্টিক ৰুক্মি দন্তবক্র বীৰ।
লীলায়ে মাৰিয়া ভাৰ হৰিলা ভূমিৰ।।১২।।

৫। পা. অগ্নিত পৰীক্ষা কৰি আনিলা সীতাক।

বুদ্ধ অৱতাৰে বেদপন্থ কৰি ছন্ন।
বামানয় শাস্ত্রে মুহি আছা অজ্ঞজন[৬]।।
নিচিন্তে চৰণ নাম নলৱে তোহ্মাৰ।
সদায়ে প্রমত্ত লোক পাষণ্ড আচাৰ।।১৩।।
কলিৰ শেষত হৈবা কল্কি অৱতাৰ।
কাটি মাৰি ম্লেচ্ছক কৰিবা বুন্দামাৰ।।
সৱাকো বধিবা বৌদ্ধগণ[৭] যত আছে।
কলিৰ শেষত সত্য প্রৱৰ্ত্তাইবা পাছে।।১৪।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।। নৰহৰি গোৱিন্দ গোৱিন্দ গোৱিন্দ ৰাম।।৩।।
সনতকুমাৰ অৱতাৰে তুমি হৰি।
ফুৰিলা দুষ্কৰ ব্রহ্মচৰ্য্য ব্রত ধৰি।।
পৃথু ৰাজা তোহ্মাত সুধিলা মহাজ্ঞান।
সমস্ত তত্ত্বক তুমি কৰিলা বাখ্যান।।১৫।।
ভৈলাহা নাৰদ ঋষি নামে অৱতাৰ।
পঞ্চৰাত্র নামে তন্ত্র কৰিলা প্রচাৰ।।

৬। পা. সৰ্ব্বজন
৭। পা. বোধ। ইয়াত ‘বৌদ্ধ’ পদে ‘বৌদ্ধ টাটকীয়া’ বা তন্ত্রবাদী বৌদ্ধসকলক বুজাইছে যেন বোধ হয়।



যাক আচৰিলে মহা মোক্ষ পদ পাই।
হৰিৰ কীৰ্ত্তন কৰি ফুৰা বীণা বাই।।১৬।।
ভৈলা অৱতাৰ আৰো নৰনাৰায়ণ।
কৰিলা দুষ্কৰ তপ চিত্তৰ শোধন।।
তোহ্মাক মুহিবে কামদেৱ আইলা সাজি।
দৰ্পচূৰ কৰিলা উলটি গৈলা লাজি।।১৭।।
কপিল স্বৰূপে আৰো ভৈলা অৱতাৰ।
লুপ্ত ভৈলা জ্ঞান তাক কৰিলা প্রচাৰ।।
তোহ্মাৰ প্রসাদে যোগ জানি দেৱহুতি।
তোহ্মাৰ চৰণ চিন্তি লভিলা মুকুতি।।১৮।।
দত্তাত্রেয় নামে ভৈলা অত্রিৰ তনয়।
পুছিলন্ত যোগ যদু অলৰ্ক হৈহয়।।
তিনিও ৰাজাত কৈলা যোগৰ যুগুতি।
তোহ্মাৰ প্রসাদে পাইলা পৰম মুকুতি।।১৯।।
যজ্ঞ অৱতাৰে ভৈলা দেৱতাৰ ৰায়।
যামা নামে দেৱগণ লগত সহায়।।
স্বায়ম্ভুৱ মনুৰ দিনত তুমি হৰি।
ইটো ত্রিজগতক আছিলা ৰক্ষা কৰি।।২০।।
পুত্র ভৈলা নাভিৰ ঋষভ নামে তুমি।
জড়যোগচৰ্য্যা ধৰি পৰ্য্যটিলা ভূমি।।

পৰম জ্ঞানৰ পথ দেখাইলা আপুনি।
পৰম পদক পাৱে যাক জানি শুনি।।২১।।
অৰাজক ভৈলা নষ্ট হোৱে সৱে প্ৰজা।
দেখি তুমি ভৈলা পৃথু নামে আদি ৰাজা।।
পৃথিৱীক ধৰিয়া দুহিলা সৰ্ব্ব ৰস।
জগততে ব্যাপিলা তোহ্মাৰ মহাযশ।।২২।।
সাগৰ মথন্তে অমৃতৰ ঘট ধৰি।
ধন্বন্তৰি নামে অৱতাৰ ভৈলা হৰি।।
যত বৈদ্যশাস্ত্ৰচয় কৰিলা প্ৰকাশ।
যাহাক জানিলে হয় ব্যাধিৰ বিনাশ।।২৩।।
ধৰিলাহা সংসাৰমোহিনী নাৰীৱেশ।
দুষ্ট দৈত্যগণক মুহিলা হৃষীকেশ।।
ভকত দেৱক পান কৰাইলা অমৃত।
তোহ্মাৰ প্ৰসাদে ইন্দ্ৰ ভৈলা কৃতকৃত্য।।২৪।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। মাধৱ ৰাম হৰি হে যাদৱ ৰাম হৰি[৮]।।৪।।
পদ ।। ব্যাস নামে ভৈলা সত্যৱতীৰ সন্ততি।
দেখিলাহা প্ৰজা ভৈল আতি অল্পমতি।।

৮। পা. মাধৱ ৰাম হৰি। মাধৱ ৰাম হৰি।।



কৰিলা অনেক শাখা চাৰিও বেদৰ।
পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্ম্মিলা বিস্তৰ।।২৫।।
গজেন্দ্ৰক গিলে ঘোৰ গ্ৰাহে বলে ধৰি।
তোহ্মাত শৰণ লৈলা আৰ্ত্তনাদ কৰি।।
শুণ্ডে মেহ্লাই[৯] পদ্মগোট উপৰক তুলি।
গজেন্দ্ৰে শৰণ লৈলা ত্ৰাহি হৰি বুলি।।২৬।।
শুনি শীঘ্ৰে চড়ি তুমি গৰুড়ৰ স্কন্ধে।
ভকতক ৰাখিবাক আসিলা প্ৰবন্ধে।।
গৰুড়ৰ নামি তুমি পৰম বিক্ৰমে।
শুণ্ডে ধৰি তৰক তুলিলা গ্ৰাহে সমে।।২৭।।
আথেবেথে চক্ৰে ছিঁড়িলাহা গ্ৰাহমুখ।
তোহ্মাৰ প্ৰসাদে গজেন্দ্ৰৰ গৈল দুঃখ।।
হস্তী গুচি তৈতে চতুৰ্ভুজ ৰূপ ভৈলা।
গলে বনমালা হাতে চাৰি অস্ত্ৰ লৈলা।।২৮।।
তোহ্মাক নমিলা গৈয়া দন্তৱতে পৰি।
পাৰিষদ হুয়া বৈকুণ্ঠক গৈলা লৰি।।
তযু পৰশনে গ্ৰাহে শাপক নিস্তৰি।
বিমানে স্বৰ্গক গৈলা দিব্য ৰূপ ধৰি।।২৯।।
হয়গ্ৰীৱ নামে আৰ ভৈলা অৱতাৰ।
তপ্ত সুৱৰ্ণৰ বৰ্ণ শৰীৰ তোহ্মাৰ।।

৯। পা. মেঢ়াই

তোহ্মাৰ সুন্দৰ সিটো নাসিকাৰ হন্তে।
বাজ ভৈলা বেদগণ[১০] নিশ্বাস কাঢ়ন্তে।।৩০।।
সপত্নী মাতৃৰ বাক্যে বিদাৰিল মন।
ধ্রুৱে আসি আৰাধিলা তোহ্মাৰ চৰণ।।
ত্রৈলোক্যৰ উপৰে তাহাঙ্ক থৈলা থাপি।
গোধিকাৰ পুচ্ছভাগে দেখিঅ অদ্যাপি।।৩১।।
দেৱে দৈত্যে আনিবাক নৱাৰে মন্দৰ।
অপ্রয়াসে আনি তুমি মথিলা সাগৰ।।
দানৱক যুজিলা দেৱৰ হুয়া ভিতি।
তোহ্মাৰ প্রসাদে ইন্দ্রে সাধিলা জয়তি।।৩২।।
কৃষ্ণৰ ৰহস্য জন্ম শুনা সৰ্ব্বজনে।
মোক্ষপদ সাধা আউৰ শ্রৱণ কীৰ্ত্তনে।।
কৃষ্ণৰ কিঙ্কৰ কহে শঙ্কৰে সম্প্রতি।
বোলা হৰি হৰি পাপ যাউক অধোগতি।।৩৩।।

১০। পা. চাৰিবেদ।

।। চতুৰ্ব্বিংশতি অৱতাৰ সমাপ্ত।।১।।

।। দ্বিতীয় খণ্ড ।।

# ।। নাম-অপৰাধ ।।

।। প্রথম কীৰ্ত্তন।।

ঘোষা ।। কৰিও হৰিৰ চৰণে ৰতি।
কলিত হৰিৰ নামেসে গতি।।৫।।

পদ ।। পদ্মপুৰাণৰ স্বৰ্গ খণ্ডত।
নিৰূপি আছে কলি ধৰ্ম্ম যত।।
তাক শুনা আৰে একান্ত চিতে।।
যাৰ ইচ্ছা আছে ভৱ তৰিতে।।৩৪।।
আছে চাৰিসিদ্ধ জ্ঞানী পৰম।
ব্রহ্মাৰ চাৰিও পুত্র প্রথম।।
তাসম্বাক পায়া নাৰদ ঋষি।
পুছিলা সংশয় কথা হৰিষি।।৩৫।।
ঈশ্বৰ ভগৱন্ত কৃপাময়।
কহিছা যিটো মহাপাপচয়।।
কেন মতে হোৱে বিনাশ তাৰ।
কলিত কোন পুণ্যে পাই পাৰ।।৩৬।।
কহিয়া ছেদিয়ো সংশয় যত।
চাৰিও তোৰা মহাভাগৱত।।

শুনিয়া সনত কুমাৰ মুনি।
দিলন্ত উত্তৰ মনত গুণি।।৩৭।।
গোৱিন্দৰ প্ৰিয় নাৰদ শুনা।
ভাগৱত ধৰ্ম্ম আপুনি জানা।।
হৌক মোক্ষ বুলি সৱে লোকৰ।
কৰিলা প্ৰশ্ন সংসাৰত সাৰ।।৩৮।।
যেন মতে পাৱে সংসাৰ পাৰ[১১]।
শুনা সাৱধানে উত্তৰ তাৰ।।
সদায়ে এড়িল আচাৰ ধৰ্ম্ম।
নভৈল যাৰ কিছু জাতকৰ্ম্ম।।৩৯।।
শঠবুদ্ধি যিটো জগত বঞ্চে।
দম্ভ অহঙ্কাৰ সদা নুগুচৈ।।
সুৰাপায়ী চাতুকাৰ চাণ্ডাল।
নিষ্ঠুৰ বাক্য বোলৈ সৰ্ব্বকাল।।৪০।।
পুত্ৰ দাৰা ধন আতেসে ৰতি।
সৱাতো অধম যি পাপমতি।।
সিসৱো পাপত হোৱৈ তৰণ।
যদি হৰি পদে লৱৈ শৰণ।।৪১।।
দেৱতো উত্তম কৰুণাকৰ।
মুকুতি পাৱৈ যাত চৰাচৰ।।

১১। পা. পাপৰ পাৰ



যিটো থাকৈ তান দ্ৰোহ আচৰি।
ভজিলে তাকো নিস্তাৰন্ত হৰি।।৪২।।
যিটো মন্দমতি অধম নৰে।
হৰিৰো মহা অপৰাধ কৰে।।
নামত শৰণ লৱে বাৰেক।
নামে হৰে তাৰ সৱে পাতেক।।৪৩।।
সুহৃদ হৰি নাম সমস্তৰে।
তাৰো অপৰাধ যি নৰে কৰে।।
তাহাৰ ৰক্ষাৰ নাহি উপায়।
অৱশ্যে সিটো অধোগতি যায়।।৪৪।।
হৰিয়ো ৰাখিবে নৱাৰে তাক।
শুনিয়া নাৰদে বুলিলা বাক।।
নামৰ কোন অপৰাধগণ।
লোকৰ যিটো পুণ্য কৰে ছন।।৪৫।।
পাপক সঞ্চি যায় অধোগতি।
কহিয়ো নামৰ দ্ৰোহ সম্প্ৰতি।।
শুনি মুনি বাক্য বুলিলা তথা।
পুছিলা পৰম ৰহস্য কথা।।৪৬।।
পূৰ্ব্বত কহিলা মোত শঙ্কৰে।
প্ৰকাশিবো আক তোহ্মাৰ তৰে।।
শুনা যেন যেন দ্ৰোহ নামৰ।
হৰি হৰি বোলা সমস্ত নৰ।।৪৭।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা ।। ঘুষিয়ো হৰি হৃদি ৰূপ ধৰি।
নাহি আন পুণ্য নামক সৰি।।৬।।

পদ ।। ভকতক নিন্দা কৰৈ অধম।
জানিবা নামৰ দ্ৰোহী পৰম।।
যাত হন্তে ভৈলা নামৰ খ্যাতি।
তাৰ কি নিন্দা নামে সহে আতি।।৪৮।।
গুণনাম যত বিষ্ণু শিৱৰ।
তাক ভিন্ন বুদ্ধি কৰৈ যিটো নৰ।।
নামৰ সিও মহা অপৰাধী।
নৰকত পৰৈ দৈৰে নবাধি।।৪৯।।
যিটো পাপী কৰৈ গুৰুক হেলা।
বেদকো নিন্দৈ যদি কোনো বেলা।।
নামৰ ইয়ো দুয়ো অপৰাধ।
ভুঞ্জিৰে যাতনা নাহিকে বাধ।।৫০।।
হৰিৰ নামে কৰৈ[১২] অৰ্থবাদ।
নামৰ মহিমা কৰৈ উচ্ছাদ।।
সিজনো নামৰ দ্ৰোহী পৰম।
নৰকে পচৈ নাহি তাৰ জন্ম।।৫১।।

১২। পা. কল্পে



নামত বলে কৰৈ পাপ বুদ্ধি।
অষ্টাঙ্গযোগে তাৰ নাহি শুদ্ধি।।
নাম অপৰাধী সিও পৰম।
ভুঞ্জিবে যাতনা অনেক জন্ম।।৫২।।
ধৰ্ম্ম হোম ব্ৰত তীৰ্থত স্নান।
যতেক আছে মহাযজ্ঞ দান।।
আক এৰে কৰে নামক সৰি।
কতনো যাতনা ভুঞ্জিবে মৰি।।৫৩।।
নামক কীৰ্ত্তন কৰন্তে আনে।
আন মন কৰি নুশুনে কাণে।।
অধক যাই সিয়ো হোৱৈ কলা।
বাইবেক কাণত তপত শলা।।৫৪।।
নাহিকে শ্ৰদ্ধা নপাতয় কাণ।
তাক যিটো দেয় নামক দান।।
নামৰ দ্ৰোহী নাহি তাত পৰে।
ভুঞ্জাইবে যাতনা যম কিঙ্কৰে।।৫৫।।
শুনিয়া নামৰ মহিমা নীতি।
তথাপি নামত নকৰৈ প্ৰীতি।।
নামৰ দ্ৰোহী সিও অহঙ্কাৰী।
ভুঞ্জিবেক কাকে জিহ্বা উভাৰি।।৫৬।।

এহি দশ অপৰাধী নামৰ।
আহ্মাত কৃপায়ে কহিলা হৰ।।
পূৰ্ব্বত সমস্ত মুনিৰ আগে।
তোহ্মাত আৰে কৈলো অনুৰাগে।।৫৭।।
নামৰ দ্ৰোহ নেৰৈ যিটো জানি।
পাপত পচে সিও মন্দ প্ৰাণী।।
মাতৃক ক্ৰোধে তেজৈ যেন অন্ন।
দুঃখ মাত্ৰ পাৱৈ বালকগণ।।৫৮।।
এৰিয়া অপৰাধ দেৱ ঋষি।
নামত যতন কৰা হৰিষি।।
নামেসে কৰিবে পৰম সিদ্ধি।
হৰিৰ নাম জগতৰে নিধি।।৫৯।।
পুছিলা নাৰদ মুনি দুনাই।
যাহাৰ বিজ্ঞান বৈৰাগ্য নাই।।
সদায়ে মজি আছে বিষয়তে।
এৰাইবে নামৰ দ্ৰোহ কিমতে।।৬০।।
সনত কুমাৰে দিলা উত্তৰ।
নামৰ দ্ৰোহী যিটো পাপী নৰ।।
সততে ফুৰৈ হৰি নাম গাই।
তেৱেসে নামৰ দ্ৰোহ এড়াই।।৬১।।
স্বৰূপ শুনা ঋষি উদাসীন।
যিজন নাম অপৰাধহীন।।



হৰিৰ তেৱে একে নামে তৰৈ।
শুনৈ বা ভণৈ বা মনত স্মৰৈ[১৩]।।৬২।।
কহিলা ৰহস্য মোত শঙ্কৰে।
আক যিটো নৰে কীৰ্ত্তন কৰে।।
মুকুতি পাৱৈ এৰাই অপৰাধ।
কহিলো নাৰদ নাহিকে বাধ।।৬৩।।
পৰম বান্ধৱ হৰিৰ নাম।
যিজনে আক লৱৈ অৱিশ্ৰাম।।
তাৰ সাত কাৰ্য্য সাধিবে দেখা।
প্ৰতি প্ৰতি লোৱা সাতৰো লেখা।।৬৪।।
প্ৰথমে দহিবে পাতকচয়।
কৰিবে মহাপুণ্য অভ্যুদয়।।
কৰাইবে বিষয়ত বিৰকতি।
কৃষ্ণত পৰাইবে[১৪] প্ৰেম ভকতি।।৬৫।।
উপজাইবে আতি বৈষ্ণৱ জ্ঞান।
মায়াকো দহিয়া কৰৈ নিৰ্য্যাণ।।
চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
থৈবন্ত তেন্তে এৰে একে কৰি।।৬৬।।
তেৱেসে নাম হৈব উপশান্ত।
কহিলো পৰম তত্ত্ব একান্ত।।

১৩। পা. শুনে বা বোলে বা মনত স্মৰে।
১৪। পা. পোৱাইবে

নাম বিনে নাহি কলিত গতি।
কলিৰ লোক হুইবে পাপমতি।।৬৭।।
অন্যত্র ধৰ্ম্মে নাহি অধিকাৰ।
জানিবা কলিত নামেসে সাৰ।।
কলিত সদা নুসুমৰৈ হৰি।
হেলাতে মৰৈ আত্মঘাত কৰি।।৬৮।।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
মনুষ্য জন্মক নপায় সেন্থৰে।।
আকো বৃথা কৰা কিনো অভাগী।
মাণিক্যক বিকা কাঞ্চক লাগি।।৬৯।।
কেতিক্ষণে কিবা মিলৈ বিঘাত।
তথাপি চেতন নাহিকে গাত।।
আজি কালি কিবা মিলৈ মৰণ।
হৰিৰ নামত লৈয়ো শৰণ।।৭০।।
নকৰিবা নিন্দা মোক মহন্তে।
আসিল শাস্ত্ৰ বাৰাণসী হন্তে।।
তাহাঙ্ক চাই নিবন্ধিলো পদ।
হৰি হৰি বুলি তৰা আপদ।।৭১।।

।।নাম-অপৰাধ সমাপ্ত।।২।।

।। তৃতীয় খণ্ড ।।

# ।। পাষণ্ড মৰ্দ্দন।।

### ।। প্ৰথম কীৰ্ত্তন।।

ঘোষা ।। কলিৰ ধৰ্ম্ম হৰি নাম জান।
পাপীৰ নিন্দাত নেদিবা কাণ।।৭।।

পদ ।। কহিলা শুকে বেদান্তৰ মৰ্ম্ম।
শুনা পৰীক্ষিত কলিৰ ধৰ্ম্ম।।
কলিসি শ্ৰেষ্ঠ চাৰিযুগ মাজে।
প্ৰশংসে কলিক জ্ঞানী সমাজে।।৭২।।
অপ্ৰয়াসে সিজে কলিত পুণ্য।
কলিৰ শুনা যেন মহাগুণ।।
কৰিয়া কীৰ্ত্তন কলিত আতি।
পাৱৈ বৈকুণ্ঠক চৌত্ৰিশ জাতি।।৭৩।।
সত্য যুগে কৰি ধ্যান সমাধি।
ত্ৰেতাত সমস্ত যজ্ঞে আৰাধি।।
দ্বাপৰে পূজি নানা ভক্তিভাৱে।
কলিত কীৰ্ত্তনে সি গতি পাৱে।।৭৪।।
সত্য যুগে যত আছিল প্ৰাণী।
কলিত জন্মিবো বোলে কৈসানি।।

হৰি নাম ঘুষি কলি যুগত।
নিছয়ে হুইবেক লোক ভকত।।৭৫।।
দোষৰ নিধি কলি যদি পাপী।
আছে মহাগুণ আত তথাপি।।
কেৱলে কীৰ্ত্তনে সংসাৰ তৰি।
বন্ধ ছিণ্ডি হোৱৈ আপুনি হৰি।।৭৬।।
কলিত কীৰ্ত্তনে হোৱৈ ভকত।
আত পৰে লাভ নাহি লোকত।।
আমাৰ বোলে চিত্ত নেদা ঠাৰি[১৫]।
একাদশ স্কন্ধে চাৱা বিচাৰি।।৭৭।।
কলিৰ লোক আতি পাপমতি।
নসাধৈ আন ধৰ্ম্মে আৰ গতি।।
ৰাম নাম যিটো সততে গাৱে।
সেহিসে হাততে মুকুতি পাৱে।।৭৮।।
দুষ্ট চিত্তো যদি হৰি সুমৰে।
তথাপিতো তাৰ পাতক হৰে।।
অনিচ্ছাতো যেন অগনি পোলে।
বিষ্ণুধৰ্ম্মোত্তৰ আগমে বোলে।।৭৯।।

১৫। পা. থাৰি



ঘোৰ সংসাৰৰ মুখ্য আষুধি।
হেন হৰি নাম এৰি বিবুধি।।
লভিবে মুকুতি কোন উপায়।
মিছাতে পণ্ডিত ফুৰে বোলাই।।৮০।।
নাৰদে কহন্ত মুনিক মাতি।
আশ্চৰ্য্য আশ্চৰ্য্য দেখিয়ো আতি।।
হৰি হেন নাম আছে বিয়াপি।
সংসাৰ তাপত মৰৈ তথাপি।।৮১।।
হৰি নামে নামে নামে নিশ্চয়।
মোহোৰ জীৱন নাৰদে কয়।।
কলিৰ কালে আউৰ আতপৰ।
নাহি নাহি নাহি গতি লোকৰ।।৮২।।
নাৰদে দিলন্ত তিনি কতপা।
আক নমানিবে কোননো লপা।।
নাৰদৰ বাণী শিলৰ ৰেখা।
বৃহত নাৰদী বিচাৰি দেখা।।৮৩।।
সমস্ত লোকৰ ধৰ্ম্মক এৰি।
বিষ্ণুৰ নামক সততে ৰড়ি।।
সিজনে যি গতি লভিবে সুখে।
সমস্ত ধাৰ্ম্মিকে নপাৱৈ দুঃখে।।৮৪।।
জানিয়া হৰিক সততে স্মৰ।
ক্ষণেকো নপাসৰিবাহা নৰ।।

যত মহাপুণ্য মহাপাতক।
ই দুয়ো কিঙ্কৰ জানা প্ৰত্যেক।।৮৫।।
তথাপি যদি চিত্ত নেদা ঠাৰি।
পদ্মপুৰাণত চায়ো বিচাৰি।।
বৃহৎ সহস্ৰ নামত আছে।
নপাইলে আমাক নিন্দিবা পাছে।।৮৬।।
কহিলা শুকে পৰমাৰ্থ বাণী।
মহাভাগৱত শাস্ত্ৰ প্ৰমাণি।।
নেৰিবা কীৰ্ত্তন দুষ্টৰ বোলে।
পৱিত্ৰ কৰা হৰি হৰি বোলে।।৮৭।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা ।। হৰি ও হৰি ৰাম মুৰাৰি।
কীৰ্ত্তনৰ নিন্দা সৈতে নপাৰি[১৬]।।৮।।
পদ ।। চাণ্ডালে কৰিছে হৰি কীৰ্ত্তন।
বুলিয়া নিন্দে যিটো অজ্ঞজন।।
তাক সম্ভাষণ যিজনে কৰৈ।
আজন্মৰ পুণ্য তেখনে হৰৈ।।৮৮।।
বিষ্ণুৰ গুণ নাম অলঙ্কৃত।
অন্ত্যজো যিবা কৰি আছে গীত।।

১৬। পা. সহিতে নাৰি



তাক নিন্দা কৰৈ যিটো কুমতি।
পুণ্যক নাশি যাইবে অধোগতি।।৮৯।।
আমাৰ বোলে পতিয়ন নাই।
দেখিয়ো সূতসংহিতাক চাই।
ৰজো গুণে কৰৈ কৰ্ম্মত প্ৰীতি।
কৰ্ম্মীৰ দম্ভ ভাৰ বাঢ়ে আতি।।৯০।।
কৰে হিংসা ধৰ্ম্ম নোপোজে বোধ।
নুগুচয় যেন সৰ্পৰ ক্ৰোধ।।
হাসে বৈষ্ণৱক যিটো নিষ্খল।
পাপত সমূলঞ্চে যায় তল।।৯১।।
স্ত্ৰী ধন জন যৌৱন মদে।
অন্ধ হোৱৈ বিদ্যা গৰ্ব্বৰ পদে।।
বিষ্ণু বৈষ্ণৱক ঝপায়া নিন্দে।
হৰি নামে তাৰ কাণত বিন্ধে।।৯২।।
হৰি ভকতক যিজনে হাঁসৈ।
নুবুজি বেদৰ অৰ্থ বিনাশৈ।।
জগতত বিষ্ণু আছন্ত ব্যাপি।
শুনিয়া তাক নুবুজয় পাপী।।৯৩।।
স্ত্ৰী মদ্য মাংস সেৱাৰ কথা।
কৈয়া মৰে কৰৈ জন্মক বৃথা।
নুবুজে বেদ অভিপায় গূঢ়।
কৰ্ম্মক কৰিবে নজানে[১৭] মূঢ়।।৯৪।।

১৭। পা. নোৱাৰে

মূৰ্খ হুয়া বোলৈ মঞি পণ্ডিত।
নষ্ট কৰি ফুৰৈ আনৰো চিত্ত।।
নিষ্কামে কৰিয়া সকলে কৰ্ম্ম।
বিষ্ণুত অৰ্পিব সিসব ধৰ্ম্ম।।৯৫।।
শ্ৰৱণ কীৰ্ত্তন তাহাৰ ফল।
মিছাত নজানি নিন্দে নিষ্খল।।
আমাৰ বোলে অপ্ৰত্যয় যাহা।
একাদশ স্কন্ধে বিচাৰি চাহা।।৯৬।।
বিষ্ণু বৈষ্ণৱৰ নিন্দা শুনিয়া
নুগুচৈ কৰ্ণত আঙ্গুলি দিয়া।।
সমস্ত পুণ্য নষ্ট হোৱৈ তাৰ।
নৰকত পড়ে নাহি নিস্তাৰ।।৯৭।।
বিষ্ণু বৈষ্ণৱক কৰৈ ধিক্কাৰ।
কাটিবে আণ্টিয়া জিহ্বাক তাৰ।।
শাস্তি কৰিবাক যেৱে নপাৰি।
গুচিৰে কাণত আঙ্গুলি গাৰি।।৯৮।।
নিন্দা শুনি যদি তৈৰ নুগুচৈ।
কল্পেক মান নৰকত পচৈ।।
যাইবাক যদি নাহি আন থান।
তথাতে এড়িবে আপুন প্ৰাণ।।৯৯।।



তেৱেসে হোৱৈ প্ৰায়শ্চিত্ত আতি।
দক্ষৰ যজ্ঞত কহিলা সতী।।
আমাৰ বোলে অপ্ৰত্যয় যাইবা।
চতুৰ্থ স্কন্ধত বিচাৰি পাইবা।।১০০।।
যত তপ ধৰ্ম্ম বেদ বেদাঙ্গ।।
হৰি নামে কৰে সৱে সুসাঙ্গ।।[১৮]
হেন হৰি নামে নাহি বিশ্বাস।
কিমতে এৰাইব মৃত্যুৰ ত্ৰাস।।১০১।।
দ্বাদশ স্কন্ধৰ তত্ত্ব উদ্ধাৰি।
কহিলন্ত শুকে উপসংহৰি।।
জ্ঞানতো কৰ্ম্মতো কৰি সম্প্ৰতি।
হৰি কীৰ্ত্তনেসে পৰম গতি।।১০২।।
উৰেষা বাৰাণসী ঠাৱে ঠাৱে।
কবীৰ[১৯] গীত শিষ্ট সৱে গাৱে।।
তথাপিতো আঁখি ফুটিল তাৰ।
হৰি কীৰ্ত্তনক কৰৈ ধিক্কাৰ।।১০৩।।
শুনা সৰ্ব্বজন কহোঁ সাক্ষাত।
মূঢ়ৰ বোলত নাহি সঞ্জাত।।

---

১৮। (ক) পা. হৰি নাম বিনা নাহি সুসাঙ্গ।।
(খ) হৰি নাম বিনে নুহি সুসাঙ্গ।।
১৯। পা. কবিৰ। কিন্তু ইয়াত ভক্ত কবীৰকহে সূচাইছে।

বোলোক আসি ভাগৱত চাই।
তেৰেসে বুজো তাৰ মুনিষাই।।১০৪।।
পুৰাণ সূৰ্য্য মহাভাগৱত।
বেদান্তৰো ইটো পৰম তত্ত্ব।।
আক নুবুজি ফুৰৈ নিন্দা কৰি।
তাৰ মুখ দেখি বুলিবা হৰি।।১০৫।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা ।। ত্ৰাহি হৰি ৰাম মোৰে।
মঞি মজিলো সংসাৰ ঘোৰে।।৯।।
পদ ।। কীৰ্ত্তন মহিমা শুনা উৎসুকে।
বাড়ৰ স্কন্ধত যি কৈলা শুকে।।
সকল ধৰ্ম্মতে কৰি বিশিষ্ট।
হৰি কীৰ্ত্তনেসে ধৰ্ম্ম গৰিষ্ঠ।।১০৬।।
অনাদৰি আন ধৰ্ম্ম সম্প্ৰতি।
দেওঁ উপদেশ হৰি ভকতি।।
ব্যাসৰ শুনি চিত্ত শান্ত ভৈল।
প্ৰথম স্কন্ধত নাৰদে কৈল।।১০৭।।
সমস্ত বেদক ব্ৰহ্মায়ে আনি।
বিচাৰিলা তিনিবাৰ প্ৰমাণি।।



এহিমানে মাত্ৰ কৰিলা সাৰ।
হৰি কীৰ্ত্তনেসে তৰৈ সংসাৰ।।১০৮।।
হেন জানি ৰাজা একান্ত মনে।
কৰিও যতন হৰি কীৰ্ত্তনে।।
ৰাজাত কহন্ত শুকে প্ৰবন্ধে।
বিচাৰি দেখিও দ্বিতীয় স্কন্ধে।।১০৯।।
আতি লৱলেশ বিষয় সুখ।
আকে লাগি ভৈল হৰি বিমুখ।।
নকৰে ৰতি হৰি কীৰ্ত্তনত।
আপুন কৰ্ম্মে সিও ভৈল হত।।১১০।।
সিটো চণ্ডালক গৰিষ্ঠ মানি।
যাৰ জিহ্বাগ্ৰে থাকে হৰি বাণী।।
সমস্তে তীৰ্থতে কৰিল স্নান।
কৰিল সৱ তপ হোম দান।।১১১।।
সেহিসে কুলীন বেদক বুজৈ।
যাহাৰ মুখত হৰি নাম সিজৈ।।
পৰম তত্ত্ব জানি দেৱহুতি।
তৃতীয় স্কন্ধত কৰিলা স্তুতি।।১১২।।
নলাগে লীন মুকুতিকো তথা।
নাহি হৰিপদ পঙ্কজ যথা।।

কৰ্ণৰ অমৃত হৰি চৰিত।
ভকতৰ মুখে শুনিবে নিত।।১১৩।।
হৰি কথামৃত কণাৰ বাৰে।
দুনাই আত্মজ্ঞান সুমৰাৰে।।
নলাগে বৰ নমাগোহো তাক।
চতুৰ্থ স্কন্ধত পৃথুৰ বাক।।১১৪।।
জ্বৰ[20] মৰণৰ সময়ে দুঃখে।
তযু গুণ নাম নেড়োক মুখে।।
মাগন্ত ঋত্বিজে[21] বৰ প্ৰবন্ধে।
নাভিৰ[22] যজ্ঞত পঞ্চম স্কন্ধে।।১১৫।।
পঞ্চম মহাপাপী যিটোজন।
তাৰো প্ৰায়শ্চিত্ত হৰি কীৰ্ত্তন।।
তাক লাগি ভৈল হৰিৰ মতি।
ইটো মোৰ ভৈল ৰাখো সম্প্ৰতি।।১১৬।।
ব্ৰহ্মবধী গুৰুবধী যতেক।
পিতৃ-মাতৃবধী পাপী অনেক।।
কুকুৰ খায় হেন ম্লেচ্ছগণে।
সিও শুদ্ধ হোৱে হৰি কীৰ্ত্তনে।।১১৭।।

২০। পা. জড়া
২১। ঋত্বিজ = যজ্ঞকৰোঁতা, পুৰোহিত
২২। নাভি = পৰমহংস ঋষভ মুনিৰ পিতৃ



চাণ্ডালো হৰি নাম লৱে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ।।
পাপৰ আলু উভাৰয় নামে।
আক তুচ্ছ কৰি মৰে কি কামে।।১১৮।।
নামৰ মহিমা জানি সমূলি।
জগতৰে মোক্ষ হৈৰেক বুলি।।
পূৰ্ব্বত আৰু গোপ্য কৰি থৈলা।
দেখিয়ো ষষ্ঠ স্কন্ধে শুকে কৈলা।।১১৯।।
নলাগে দেৱ দ্বিজ ঋষি হুইবে।
নলাগে সম্ভৃত শাস্ত্ৰ জানিবে।।
মিছাতে মৰে আন কৰ্ম্ম কৰি।
হোৱন্ত ভকতিতে তুষ্ট হৰি।।১২০।।
যক্ষ ৰক্ষ দৈত্য ব্ৰজৰ বাসী।
পক্ষী মৃগগণ চণ্ডালো আসি।।
একান্তে কৰিয়া হৰি ভকতি।
মহাসুখে পাৱৈ পৰম গতি।।১২১।।
সপ্তম স্কন্ধত প্ৰহ্লাদৰ বাণী।
দেখিয়ো বিচাৰ কৰি প্ৰমাণি।।
মূৰ্খৰ কথা সৱে পৰিহৰি।
সদায়ে ডাকিয়া ঘুষিয়ো হৰি।।১২২।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা ।। ৰামেসে জীৱন ৰামেসে প্ৰাণ।
ৰাম বিনা নাহি বান্ধৱ আন।।১০।।

পদ ।। তন্ত্ৰ মন্ত্ৰ আনো দ্ৰব্য অনেক।
দেশ কাল পাত্ৰ ছিদ্ৰ যতেক।।
পূৰ্ণ নুহি যত যজ্ঞৰ অঙ্গ।
হৰিনামে কৰে সৱে সুসাঙ্গ।।১২৩।।
বামনৰ আগে শুক্ৰৰ বাক।
অষ্টম স্কন্ধত দেখিয়ো তাক।।
ভকত জনেসে মোৰ হৃদয়।
ময়ো ভকতৰ হিয়া নিছয়।।১২৪।।
মঞিঃ বিনে ভক্তে নিচিন্তে আন।
ভকত বিনা মোৰো নাহি ধ্যান।।
দুৰ্ব্বাসাৰ আগে কৈলা মুৰাৰি।
নৱম স্কন্ধত দেখা বিচাৰি।।১২৫।।
মুকুতি ৰসকো স্ৰৱৈ ভকতি।
তাক এড়ি কৰৈ জ্ঞানত ৰতি।।
দুখ মাত্ৰ পাৱৈ পাছেসে জানৈ।
কাষ্ঠ পতানক যেহেন বানৈ।।১২৬।।



ব্ৰজৰ তৃণ হৈবো মহাভাগ।
পাইবো গোপিকাৰ ৰেণুক লাগ।।
যাৰ মিত্ৰ ভৈলা জগত পতি।
ব্ৰহ্মায়ে কৰিলা কৃষ্ণক তুতি।।১২৭।।
ব্যভিচাৰী দুষ্টা ব্ৰজ যুৱতী।।
তথাপি কৃষ্ণত ভৈলা ভকতি।।
জানিলো পাপীয়ো ভজোক মাত্ৰ।
এতেকে ভৈলা মুকুতিৰ পাত্ৰ।।১২৮।।
কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগৈ কিক।।
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি।
নবাছে ভকতি জাতি অজাতি।।১২৯।।
নন্দৰ ব্ৰজে যত গোপীজাক।
সদা বন্দো তান পদধূলাক।।
নুগুচৈ হৰি গীত দিনে ৰাতি।
জগতকে কৰৈ পৱিত্ৰ আতি।।১৩০।।
উদ্ধৱে বন্দিলা গোপীৰ ধূলি।
আৰে মূঢ়জনে নিন্দে কি বুলি।।
শৰীৰ শৱক মই বোলে চিত্তে।
মমত কৰৈ পুত্ৰ ভাৰ্য্যা বিত্তে।।১৩১।।
তীৰ্থ বুলি কৰৈ জলত শুদ্ধি।
প্ৰতিমাত কৰৈ দেৱতা বুদ্ধি।।

বৈষ্ণৱত নাই ইসৰ মতি।
গৰুতো অধম কৃষ্ণ বদতি।।১৩২।।
একান্তে মৰৈ কৰ্ম্ম মাত্ৰ কৰি।
হৃদয়ে থাকিয়া বিদূৰ হৰি।।
শ্ৰৱণ কীৰ্ত্তন যাৰ অভ্যাস।
নছাড়ন্ত হৰি তাহাৰ পাশ।।১৩৩।।
মিছা তৰ্কবাদে ভৈলোঁ আন্ধাৰ।
নপাওঁ জ্ঞান পন্থ কৰি বিচাৰ।।
মাধৱ বামন গোৱিন্দ বুলি।
কৈসানি মুকুত হৈবো সমূলি।।১৩৪।।
দশম স্কন্ধত বেদৰ স্তুতি।
আক নমানিবে কোন যুগুতি।।
পাষণ্ডেযে নিন্দে বেদৰ বাণী।
তাৰ সম্ভাষণ এড়িবা জানি।।১৩৫।।
কৰ্ম্ম তপ জ্ঞানে সাধে যি গতি।
দানে বা সন্ন্যাসে পাৱৈ সম্প্ৰতি।।
ভকতে সুখে বসি পাৱৈ তাক।
উদ্ধৱৰ আগে কৃষ্ণৰ বাক।।১৩৬।।
পৰম অহিংসা ধৰ্ম্ম সন্ন্যাসে।
নপাৱে যি মোক জ্ঞান অভ্যাসে।।
ভকতেসে কৰৈ আমাক বশ্য।
কহিলো উদ্ধৱ ইটো ৰহস্য।।১৩৭।।



গৰু গোপিকা পশু বৃক্ষবন।
নাহি জন্মান্তৰে কিছু সাধন।।
এহি জন্মে মাত্ৰ কৰি ভকতি।
পাইলেক সকলে মোহোৰ গতি।।১৩৮।।
অশুদ্ধ মনৰ কৰ্ম্মসকল।
স্ৰৱে যেন আৱাঁ[২৩] ঘটৰ জল।।
কৃষ্ণৰ বাক্য পাষাণৰ ৰেখা।
একাদশ স্কন্ধে বিচাৰি দেখা।।১৩৯।।
বোলন্ত শুকে কিনো ভৈল খেদ।
পাষণ্ডে কৰিবে বুদ্ধিক ভেদ।।
কলিত হৰিৰ কীৰ্ত্তন এড়ি।
ফুৰিবে লোকে আন কৰ্ম্ম কৰি।।১৪০।।
পাইবেক শ্ৰম তপ ব্ৰত কৰি।
একান্তে যিটো নুসুমৰৈ হৰি।।
জ্ঞানতো কৰ্ম্মতো কৰিয়া নৰ।
হৰি কীৰ্ত্তনত কৰা আদৰ।।১৪১।।
দ্বাদশ স্কন্ধত এহিসে কৈলা।
তথাপি মূঢ়ৰ বোধ নভৈলা।।
কৰৈ উপালম্ভ হৰি কীৰ্ত্তনে।
আত্মঘাত কৰি মৰৈ আপুনে।।১৪২।।

২৩। পা. এৰাঁ

বিষ্ণু ভকতক দেখিয়া হাঁসে।
আপুনিয়ো নষ্ট আনকো নাশে।।
কীৰ্ত্তন শুনিয়া সম্যকে মৰে।
জানিবা নিতে মহাপাপ কৰে।।১৪৩।।
হৰি ধ্বনি শুনি বিহ্বল হুই।
হিয়াত তাৰ লাগে যেন জুই।।
সমস্ত শাস্ত্ৰত কৰিয়া সাৰ।
পাষণ্ড-মৰ্দ্দন নাম ইহাৰ।।১৪৪।।
এহিসে মৰ্দ্দিবে পাষণ্ড মতি।
জানিবা কলিত নামেসে গতি।
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে।।১৪৫।।

।।পাষণ্ড মৰ্দ্দন সমাপ্ত।।৩।।

।। চতুৰ্থ খণ্ড।।

## ।। ধ্যান বৰ্ণন।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা ।। ত্ৰাহি গোপাল কৃপাল স্বামি।
মজিলো ভৱ জলধিত আমি।।১১।।

পদ ।। এক মনে শুনা হৰিৰ ধ্যান।
বৈকুণ্ঠ নামে আছে মহাথান।।
শাৰী শাৰী ৰঞ্জে বিমানচয়।
বৈদূৰ্য্য হীৰা মৰকতময়।।১৪৬।।
চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে আতি।
নজানি যাত পশি দিন ৰাতি।।
চাৰু সৰোবৰ নিৰ্ম্মল জল।
সুগন্ধি পদ্ম শোভে উতপল।।১৪৭।।
আছে ৰাজহংস সমূহে ৰঞ্জি।
লীলায়ে মৃণাল ভুঞ্জে উভঞ্জি।।
পাৰে পাৰিজাত মলয়া বাৱ।
চটকে ত্যজে সুললিত ৰাৱ।।১৪৮।।

ভ্ৰমৰগণে গাৱৈ হৰি গীত।
বৈষ্ণৱগণ শুনি আনন্দিত।।
হেন বৈকুণ্ঠৰ মাজত পাছে।
উচ্ছ্ৰিত ৰত্ন মন্দিৰেক আছে।।১৪৯।।
বৈদূৰ্য্য স্তম্ভ স্ফটিকৰ বাৰ।
মাণিক্য কপাট হীৰাৰ দ্বাৰ।।
কাটিলা জিঞ্জিৰি সুৱৰ্ণাৱলী।
বিচিত্ৰ মণি মৰকত স্থলী।।১৫০।।
পদ্মৰাগ ৰত্নে লগাইলা চৌতি।
কোটি সূৰ্য্য যেন গৃহৰ জৌতি।।
বিচিত্ৰ চন্দ্ৰাতপ আছে টানি।
আঁৰিলা মুৰাৰি মুকুতা মণি।।১৫১।।
হেন মন্দিৰে ৰত্ন সিংহাসনে।
আছন্ত বসি প্ৰভু নাৰায়ণে।।
চৌপাশে সেৱে পাৰিষদ যত।
মৌক্তিক ছত্ৰ ধৰি ওপৰত।।১৫২।।
ধৱল চামৰে দুপাশে বিঞ্চে।।
সঘনে সুৰভি কুসুম সিঞ্চে।।
চৰণে অনেক ভকতি ভাৱে।
উপাসন্ত লক্ষ্মী জগত মাৱে।।১৫৩।।
চৈতন্যময় শুদ্ধ ৰূপ ধৰি।
পৰম আনন্দে আছন্ত হৰি।।



আতি চমৎকাৰ ৰূপ বিপুল।
কন্দৰ্প কোটি যাক নোহে তুল।।১৫৪।।
কোটি ইন্দু সম আছৈ প্ৰকাশি।
স্মৰণে দহৱৈ পাতক ৰাশি।
ভকতৰ বন্ধু জগত বাপ।
বোলা হৰি হৰি হৰোক পাপ।।১৫৫।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা ।। কৰুণা সিন্ধু ভকত বন্ধু।
ৰূপে তুল নোহে কোটি ইন্দু।।১২।।
পদ ।। স্থিৰ বুদ্ধি কৰি ভকতজনে।
প্ৰত্যেক অঙ্গক চিন্তিবে মনে।।
চৰণ পদ্ম দেখি সুখী হুই।
অৰুণ আতি পদতল দুই।।১৫৬।।
অঙ্কুশ পদ্ম ধ্বজ বজ্ৰ যৱ।
দেখি চিহ্ন তাতে মিলৈ উৎসৱ।।
চৰণ পঙ্কজ আছে প্ৰকাশি।
আঙ্গুলি পান্তি তাৰ ভৈল পাসি।।১৫৭।।
দেখিয়া ৰত্নৰ পাকৰি নয়।
প্ৰকাশৈ তাতে নখচন্দ্ৰচয়।।

ৰতনে উজ্জ্বল উঝণ্টি যত।
নূপুৰ প্ৰকাশৈ পাদপৃষ্ঠত।।১৫৮।।
ৰত্নৰ হোড়ৰ জ্বলে জঙ্ঘাত।
উৰু কৰিকৰ সম সাক্ষাত।।
কটিত প্ৰকাশৈ বসন পীত।
বান্ধিছা মেখলা ৰত্নে ৰঞ্জিত।।১৫৯।।
নাভি সৰোৰুহ ৰুচিৰ কান্তি।
হৃদয়ে প্ৰকাশৈ শ্ৰীবৎস পান্তি।।
উৰঃস্থলে লক্ষ্মী দিলন্ত দেখা।
কষটিত যেন সোণাৰ ৰেখা।।১৬০।।
পীত বস্ত্ৰে শোভৈ শ্যামল কায়।
তড়িত-জড়িত জলদ প্ৰায়।
বহল হৃদয়ে মুকুতা হাৰ।
প্ৰকাশৈ জিলিমিলি পেচন্দাৰ।।১৬১।।
চিকিমিকি কৰৈ ৰত্ন উজ্জ্বলা[২৪]।
আপাদলম্বী গলে বনমালা।।
তাহাৰ মধুগন্ধে হুয়া ভোল।
বেঢ়িয়া মধুকৰে কৰে ৰোল।।১৬২।।
চাৰু চতুৰ্ভুজ শোভে সুঠান।
ললিত বলিত নীল মোলান।।

২৪। পা. ৰত্নৰ জালা



কেয়ূৰ কঙ্কণ বলয়া তাতে।
প্ৰকাশৈ নৱ কিশলয় হাতে।।১৬৩।।
ৰত্নৰ শলাকা আঙ্গুলি পান্তি।
আঙ্গুষ্ঠীচয় তাতে কৰে কান্তি।।
অৰুণ নখ চন্দ্ৰমাৰ শাৰী।
শঙ্খ চক্ৰ গদা পঙ্কজধাৰী।।১৬৪।।
গলত গলপতা সাতসৰি।
উৰে়ে নৱগুণ পীত উত্তৰী।।
শ্যামল শৰীৰে শোভৈ অধিক।
ময়ূৰ পুচ্ছ যেন চিকমিক।।১৬৫।।
কম্বুকণ্ঠে শোভৈ কৌস্তুভ মণি।
প্ৰভাতে উদিত আদিত্য যেনি।।
পূৰ্ণচন্দ্ৰ ৰুচি মুখমণ্ডল।
কৰ্ণত মকৰ দোলে কুণ্ডল।।১৬৬।।
তাৰ ৰশ্মি জ্বলৈ গণ্ড পাণ্ডুৰ।
ৰুচিৰ চিবুক চাৰু অধৰ।।
প্ৰৱাল ৰত্নে যেন কৰৈ কান্তি।
সুন্দৰ দন্ত মুকুতাৰ পান্তি।।১৬৭।।
সদায় নুগুছৈ ঈষত হাস।
নাসা তিলফুল সম প্ৰকাশ।।
অৰুণ লোচন পঙ্কজ পাশি।
ধনু সম আছে ভ্ৰূৰ প্ৰকাশি।।১৬৮।।

ৰত্নময় কৰৈ তিলকে কান্তি।
কপালে লম্বিত অলকা পান্তি।।
ৰঞ্জে শিৰে ৰত্নময় মুকুট।
চূড়ামণি ৰত্নে প্ৰকাশৈ জুট।।১৬৯।।
তাৰ মাজে ৰত্ন পঙ্গজ মালা।
উজ্জ্বল মুখ লাগি তাৰ জ্বালা।।
হেন মনোহৰ ৰূপ নিৰেখি।
থাকিব সমস্ত অঙ্গক দেখি।।১৭০।।
মস্তকৰ পৰা পাদ পৰ্য্যন্তে।
নমাইব মনক দুনাই দেখন্তে।।
ধ্বজ বজ্ৰ পদ্ম অঙ্কুশ যৰে।
প্ৰদক্ষিণে নমি পৰিব পাৰে।।১৭১।।
এতেকে হুইবেক পৰম সিদ্ধি।
হৰিসে জানা জগতৰ নিধি।।
হেলায়ে সংসাৰ তৰিবা পুনু।
নকৰা বিফল মনুষ্য তনু।।১৭২।।
দৃঢ় কৰি ধৰা হৰিৰ পাৰ।
পাপ সাগৰত এহিসে নাৱ।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
হৰি হৰি বোলা সমস্ত জনে।।১৭৩।।

।। ধ্যান বৰ্ণন সমাপ্ত।।৪।।

।। পঞ্চম খণ্ড।।

# ।। অজামিল উপাখ্যান।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা ।। জয় জগন্নাথ অনাথ বন্ধু
মাধৱ মুকুন্দ ৰাম।।১৩।।

পদ ।। হৰিৰ নামৰ শুনিয়ো মহিমা
সাৱধান কৰি চিত্ত।
অজামিল নামে আছিল ব্ৰাহ্মণ
বেশ্যাত ভৈলা পতিত।।
বিপ্ৰৰ ঔৰসে বেশ্যাৰ গৰ্ভত
দশ পুত্ৰ জাত ভৈল।
আতি দয়াতৰে কনিষ্ঠ পুত্ৰৰ
নাৰায়ণ নাম থৈল।।১৭৪।।
জাতি কুল ক্ৰিয়া সমস্তে তেজিল
মিলিল কৰ্ম্ম বিপাক।
যত মহাপাপ সমস্ত সিজিল
পোষন্তে পুত্ৰ ভাৰ্য্যাক।।

অনেক অধৰ্ম্ম কৰন্তে বিপ্ৰৰ
আয়ু ভৈল সমাপত।
ভয়ঙ্কৰ তিনি গোটা যমদূত
আগে ভৈল উপগত।।১৭৫।।
হাতে পাশজৰী চক্ষু টেৰ কৰি
থূলন্তৰ তাৰ জাঙ্গ।
কৃষ্ণবৰ্ণ কায় দেখি ধাতু যায়
হাতত লোহাৰ ডাঙ্গ।।
ব্ৰাহ্মণক ধৰি জীৱ বাজ কৰি
বান্ধিলেক হাত তুলি।
ভয়ে অজামিলে পুত্ৰক ডাকিল
আইস নাৰায়ণ বুলি।।১৭৬।।
মৰন্তে বিপ্ৰৰ মুখত শুনিয়া
হৰিৰ কীৰ্ত্তন বাণী।
প্ৰভুনাম লৰৈ বুলি খেদি আইল
বিষ্ণুদূত চাৰি প্ৰাণী।।
যমৰ দূতক খেদায়া বিপ্ৰৰ
কাটিল বান্ধ হাতৰ।
কোন তোম্ৰাসৰ বুলিয়া সোধয়
ডৰিয়া যম কিঙ্কৰ।।১৭৭।।
সৱাৰো সুন্দৰ শ্যাম কলেৱৰ
পীত বস্ত্ৰে আতি ৰঞ্জে।



চাৰিৰো প্ৰসন্ন বদন মণ্ডলে
পূৰ্ণ চন্দ্ৰমাকো গঞ্জে।।
পদ্মপত্ৰ সম আয়ত লোচন
ভ্ৰূৰযুগে কৰৈ কান্তি।
নাসা তিল ফুল অধৰ ৰাতুল
দশন মুকুতা পান্তি।।১৭৮।।
শিৰত ৰত্নৰ কিৰীটি কৰ্ণত
মকৰ কুণ্ডল জ্বলে।
চাৰিৰো আজানু লম্বিত পদ্মৰ
মালা শোভা কৰৈ গলে।।
হিয়াত বিচিত্ৰ ৰত্ন বিৰচিত
গজমুকুতাৰ হাৰ।
চাৰু চতুৰ্ভুজ কেয়ূৰ কঙ্কণে
কৰৈ আতি জাতিষ্কাৰ।।১৭৯।।
শঙ্খ চক্ৰ গদা পদ্ম শাৰ্ঙ্গ ধনু
সৱে ধৰি আছা হাতে।
ৰত্নৰ মেখলা কটি মাজে জ্বলৈ
সোণাৰ কিঙ্কিণী তাতে।।
কৰিকৰ সম উৰু নিৰুপম
পাৰ নৱ পদ্মকোষ।
সমান বয়স চাৰিৰো দেখন্তে
মনত মিলৈ সন্তোষ।।১৮০।।

সূৰ্য্য সম সৰে জ্বলন্তে আছাহা
সমস্ত দিশ প্ৰকাশি।
মহাপাপী ইটো বিপ্ৰক নেহন্তে
কিসক বাধিলা আসি।।
হেন শুনি হাসি চাৰি বিষ্ণুদূতে
দিলন্ত পাছে উত্তৰ।
কোন পাপ পুণ্য একো নজানস
শুনৰে যম কিঙ্কৰ।।১৮১।।
মৰিবাৰ বেলা ইটো অজামিলে
নাৰায়ণ নাম লৈল।
কোটি জনমৰ যত মহাপাপ
তাৰো প্ৰায়শ্চিত্ত ভৈল।।
ব্ৰহ্মবধ পিতৃ বধ সুৰাপান
অগম্যাগমন কৰৈ।
গৰু তিৰী মাৰৈ সুবৰ্ণক হৰৈ
মিত্ৰৰ দ্ৰোহ আচৰৈ।।১৮২।।
সংসাৰত যত আনো অসংখ্যাত
আছৈ মহা পাপীগণ।
সৱাৰো এহিসে মুখ্য প্ৰায়শ্চিত্ত
হৰিৰ নাম কীৰ্ত্তন।।
মাধৱৰো মতি হোৱৈ তাক প্ৰতি
যি ফুৰৈ নাম সুমৰি।



ইটো মোৰ দাস নছাড়ন্ত পাশ
ৰাখিয়া ফুৰন্ত হৰি।।১৮৩।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা ।। তাৰিয়া নিয়োক নাথ নাৰায়ণ
চৰণে শৰণ লৈলোঁ।।১৪।।[২৫]
পদ ।। হৰিৰ কীৰ্ত্তনে মহা পাতকক
যিমতে কৰৈ নিৰ্য্যাণ।
আন প্ৰায়শ্চিত্তে পৱিত্ৰ কৰিবে
নৱাৰৈ তাৰ সমান।।
যিটো পাতকৰ প্ৰায়শ্চিত্ত কৰৈ
দুনাই তাতে মন মজৈ।
চিত্তৰ শোধন হৰিৰ কীৰ্ত্তন
পাপৰ আলু উভজৈ।।১৮৪।।
পুত্ৰ নাম ধৰি উপহাস্য কৰি
হেলাতো যি বোলৈ হৰি।
তাহাৰো সমস্ত পাতক দহৈ
জানা আক নিষ্ঠ কৰি।।
পৰৈ বা পিছলৈ সৰ্পে বা দংশৈ
জ্বৰে তাপে পীড়া কৰৈ।

২৫। পা. কোনো কোনো পুথিত ঘোষাজনাৰ দ্বিতীয় কলি এটা পোৱা যায় ঃ "তোমাত ভকতি/ নকৰি কৃপাল/ জনম বিফল কৈলো।।" কিন্তু এই কলিটি যথাৰ্থতে ৯৪ সংখ্যক (কংসবধ) ঘোষাৰহে অন্তৰঙ্গ।

এতেকতে যদি হৰি নাম লবৈ
যম যাতনাতো তৰৈ।।১৮৫।।
হৰিনামে সৱ পাতক দহৰৈ
জ্ঞানে বা অজ্ঞানে বোলৈ।
যেন হুতাশনে শুকান কাষ্ঠক
আতি অপ্ৰয়াসে পোলৈ।।
প্ৰমাদত থাকি যিটো হৰি বোলৈ
সিও সৱ দুখ তৰৈ।
যেন মহৌষধি নজানি ভুঞ্জিলে
তাৰো গৰ্ভৰোগ হৰৈ।।১৮৬।।
প্ৰভুৰ নামৰ অনন্ত মহিমা
কতেক কহিবো আমি।
হেন হৰিনাম লৈলেও বান্ধস
কিনো তোৰা অধোগামী।।
ব্ৰাহ্মণক এৰি প্ৰাণ ৰক্ষা কৰি
সত্বৰে ঐৰ অন্তৰ।
শুনি দূতচয় হুয়া মহাভয়
পশিল যম নগৰ।।১৮৭।।
নাৰায়ণ নাম বুলিবাৰ পদে
নিস্তৰিল অজামিল।
বিষ্ণুক চিন্তিয়া চতুৰ্ভুজ ৰূপে
বৈকুণ্ঠত আৰোহিল।।



পাছে দূতগণে যমৰ আগত
দুঃখ সাক্ষী দেয় কান্দি।
কৈৰ চাৰি সিদ্ধে কাঢ়িয়া নিলেক
পাপীক আনন্তে বান্ধি।।১৮৮।।
সিটো অজামিলে বুলিলেক মাত্ৰ
আইস পুত্ৰ নাৰায়ণ।
এতেকতে আসি কাঢ়িয়া লৈলেক
তযু আজ্ঞা কৰি ছন্ন।।
আমাসাৰ পৰা কাঢ়িয়া লৈবেক
কৈত অধিকাৰী আছে।
হেন শুনি যমে বিষ্ণুক স্মৰিয়া
দূতক মাতিলা পাছে।।১৮৯।।
শুনা দূতগণ প্ৰভু নাৰায়ণ
আছন্ত জগত স্বামী।
তাহান আজ্ঞাক শিৰত ধৰিয়া
প্ৰজাক নিয়মো আমি।।
তানে দূতচয় সদায়ে ভ্ৰময়
বৈষ্ণৱক ৰক্ষা কৰি।
মাধৱৰ বেশ ভূষণে ভূষিত
হাতে চাৰি অস্ত্ৰ ধৰি।।১৯০।।

দেৱ ঋষি নৰ সিদ্ধ বিদ্যাধৰ
গন্ধৰ্ব্ব চাৰণগণে।
হৰিৰ নামৰ গুপ্ত মহিমাক
তেসম্বো কেহো নজানে।।
ব্ৰহ্মা মনু হৰ কপিল কুমাৰ
শুক ভীষ্ম বলিৰায়।
প্ৰহ্লাদ নাৰদ জনক আমিসি
বাহূজন সমুদায়।।১৯১।।
পৰম গুপুত হৰিনাম ধৰ্ম্ম
জানি আছো শুদ্ধভাৱে।
যাক আচৰিলে থাৱতে বসিয়া
দুৰ্ল্লভ মুকুতি পাৱে।।
হৰিত ভকতি কৰে সৰ্ব্বদায়
কৰিয়া কীৰ্ত্তন কৰ্ম্ম।
মনুষ্য লোকত এহিমানে মাত্ৰ
পুৰুষৰ শ্ৰেষ্ঠ ধৰ্ম্ম।।১৯২।।
হৰিনাম ধৰ্ম্ম স্মৰণ মহিমা
দেখিয়ো দূত সম্প্ৰতি।
পাপী অজামিলে নাৰায়ণ বুলি
পাইলে কেন সদ্‌গতি।।



হেন বিমৰিষি যিটো জ্ঞানীগণে
ফুৰৈ হৰিনাম গাই।
কুল উদ্ধাৰিল আপুনো তৰিল
এৰাইল আম্ধাৰ দায়।।১৯৩।।

।।তৃতীয় কীৰ্ত্তন।।

ঘোষা ।। হৰি বোল হৰি বোল আহে লোকাই
হৰি বিনে নাই গতি।।১৫।।
পদ ।। হৰিৰ চৰণ চিন্তিয়া বেড়াবৈ
হৰিনাম লবৈ ডাকি।
সিদ্ধ মুনিগণে তাৰ যশ গাবৈ
প্ৰশংসে স্বৰ্গত থাকি।
মাধৱৰ আসি কৌমুদকী গদা
ৰক্ষা কৰি ফুৰৈ তাক।
তাহাৰ ওচৰ নচাপিবি কেহো
দূতগণ মোৰ হাক।।১৯৪।।
বৈষ্ণৱক দেখি আন্তৰি পলাইবি
ভয়ে চপৰাইবি মুণ্ড।
নুহি মাধৱৰ গদাৰ কোবত
হুইবেক হাড় খুখুণ্ড।।

কীৰ্ত্তনৰ ধ্বনি যি থানত শুনি
তাৰ নচাপিবি পাশ।
বিষ্ণু দূতচয় তথাতে থাকয়
কৰিবেক সৰ্ব্বনাশ।।১৯৫।।
যাহাৰ জিহ্বায়ে নোবোলৈ বিষ্ণুৰ
গুণ নাম সৰ্ব্বক্ষণ।
যি জনৰ মনে হৃদয় পদ্মত
নিচিন্তৈ কৃষ্ণ চৰণ।।
যি জনৰ শিৰে নকৰৈ প্ৰণাম
কৃষ্ণৰ পদ কমলে।
তাত মোৰ দায় নেৰিবি সদায়
বান্ধি আন হাতে গলে।।১৯৬।।
হৰি চৰণত সদায় বিমুখ
নুশুনৈ কৃষ্ণৰ কথা।
মাধৱৰ একো কৃত্য নকৰয়
শ্ৰম কৰি ফুৰৈ বৃথা।।
কৃষ্ণৰ কীৰ্ত্তন নকৰি থাকয়
আনসে কথা চোবাই।
সিটো পাপীষ্ঠক ঝাণ্টে বান্ধি আন
লোহাৰ ডাঙ্গে কোবাই।।১৯৭।।



নৰকৰ পথ ইটো গৃহবাস
আতেসে যাহাৰ ৰতি।
ভাৰ্য্যাক পুত্ৰক পুষিবে যতনে
এড়ৈ ত্ৰিজগত পতি।।
বিষ্ণুৰ চৰণ নিচিন্তি সদায়ে
ধনকেসে কৰৈ ধ্যান।
সিটো পাতকীক সুধিবে নলাগে
যাতনাক লাগি আন।।১৯৮।।
কৃষ্ণকথা এড়ি সাতে পাঞ্চে বেঢ়ি
আন কথা কই থাকে।
অমৃতক এড়ি যেন বিষ্ঠা ভুঞ্জে
গাঁড়িশুকৰৰ জাকে।।
সিটো পাপীসৱ দৈৱে ভৈল হত
চিন্তে অপুনাৰ মাৰ।
উপজি মৰিবে যাতনা ভুঞ্জিবে
নাহিকে তাৰ নিস্তাৰ।।১৯৯।।
বিষ্ণুৰ নামৰ মহিমা শুনিয়া
দূতগণ গৈল ডৰি।
হৰি ভকতক দেখিবাক প্ৰতি
ডৰায় সেহি দিন ধৰি।।
শুক নিগদতি শুনা কুৰুপতি
কহিলো পৰম সাৰ।

হৰিনাম বিনা পাপ সাগৰত
কাহাৰো নাহি নিস্তাৰ।।২০০।।
মহা যোগীজনো ব্ৰহ্ম চিন্তে যদি
হৰিৰ নাম নলবৈ।
সিয়ো ভ্ৰষ্ট হুয়া সংসাৰত পৰৈ
চাৰি বেদে হেন কৰৈ।।
ধৰ্ম্ম অৰ্থ কাম যিটো অভিলাষে
যি চাবৈ মোক্ষৰ পথ।
সিও হৰি নাম কীৰ্ত্তন কৰিয়া
পাবৈ সব মনোৰথ।।২০১।।
নামৰ মহিমা নজানি ঋষিয়ে
আন প্ৰায়শ্চিত্ত বিহৈ।
মৃত সঞ্জীৱনী নজানিয়া বৈদ্যে
আন ঔষধক দিয়ৈ।।
জগতৰে মোক্ষ হৈবেক বুলিয়া
জানিয়া যিটো নকৰৈ।
সংসাৰ দুৰ্ল্লভ হেন হৰিনাম
হেলাতে কতো নলবৈ।।২০২।।
হৰিৰ নামৰ গোপ্য মহিমাক
পূৰ্ব্বত অগস্তি ঋষি।



মলয় গিৰিত বিষ্ণুক অৰ্চ্চন্তে
কহিলা মোত হৰিষি।।
নাহি কাল দেশ নিয়ম ইহাত
অশৌচতো নাহি দোষ।
শয়নে ভোজনে সদা হৰি বোলা
এড়িয়া আন আক্ৰোশ।।২০৩।।
হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বা অগ্ৰে থাকৈ যাৰ।
গঙ্গা গয়া কাশী প্ৰয়াগ সেতুক
যাইবাক নলাগৈ তাৰ।।
কৃষ্ণৰ কিঙ্কৰে ভণিল শঙ্কৰে
এড়া সৰে আন কাম।
আলজাল এড়ি পাপক সংহৰি
ডাকি বোলা ৰাম ৰাম।।২০৪।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা ।। জয় নিৰঞ্জন পাতক ভঞ্জন
মাধৱ মুকুন্দ ৰাম।।১৬।।
পদ ।। পৰম মঙ্গল হৰিনাম ধৰ্ম্ম
যাহাৰ থাকৈ মুখত।

তাৰ তেতিক্ষণে ভস্ম হুয়া যায়
মহাপাপ কোটি শত।।
তাৰদেকে মহা পাতক হস্তীৰ
থাকৈ মহা গৰ্ব্বমদ।
যাৰে ৰামনাম প্ৰমত্ত সিংহৰ
নুশুনৈ ধ্বনি শবদ।।২০৫।।
ৰাম হেন ইটো দুগুটি অক্ষৰ
সদায়ে আদৰি গাৱৈ।
সংসাৰ সাগৰ তৰি সিটো নৰে
দুৰ্ল্লভ মোক্ষক পাৱৈ।।
হুইবে মলমতি লোকৰ নিচয়
গুচিবে সৱে আচাৰ।
কলিযুগে আৰ অন্যত্ৰ ধৰ্ম্মত
কাৰো নাহি অধিকাৰ।।২০৬।।
আন ধৰ্ম্ম এড়ি হৰিনাম স্মৰি
সুখে পাৱৈ যেন গতি।
অনেক প্ৰবন্ধে সমস্ত ধাৰ্ম্মিকে
নপাৱৈ তাক সম্প্ৰতি।।
সদায় বিষ্ণুক স্মৰিবে ক্ষণিকো
নপাসৰিবাহা নৰ।
যত মহাপাপ যত মহাপুণ্য
ই দুইৰ সৱে কিঙ্কৰ।।২০৭।।



দোষৰ নিদান কলিযুগ আত
এক মহাগুণ আছে।
কেৱলে কীৰ্ত্তনে সংসাৰৰ বন্ধ
এড়াই মোক্ষ পাৱৈ পাছে।।
হৰিৰ নামেসে নামেসে নামেসে
জীৱন আৰে আত্মাৰ।
কলিযুগে আন গতি নাই নাই
নাই জানা সাৰে সাৰ।।২০৮।।
আউৰ বেদাগম বিস্তৰ শাস্ত্ৰত
নাহি কিছু প্ৰয়োজন।
ধৰ্ম্মক আশায়ে অনেক তীৰ্থক
কি কাৰ্য্যে কৰা গমন।।
যদি অভিলাষ কৰা সৰ্ব্বজন
আপুনি মোক্ষ কাৰণ।
গোৱিন্দ গোৱিন্দ বুলিয়া বেকতে
কৰিয়ো হৰিকীৰ্ত্তন।।২০৯।।
ইটো হৰিনামে লোকৰ যতেক
পাতক নিৰ্য্যাণ কৰে।
ততেক পাতক প্ৰবন্ধে কৰিবে
নৰাৱৈ পাতকী নৰে।।
ব্ৰহ্মচাৰী গৃহ- বাসী বনবাসী
সন্ন্যাসী যতেক যতি।

হৰিৰ কীৰ্ত্তন এড়ি কেহো নৰে
নপাৱৈ পৰম গতি।।২১০।।
সূৰ্য্যগ্ৰহণত এক কোটি ধেনু
ব্ৰাহ্মণক দেয় দান।
প্ৰয়াগ গঙ্গাৰ জলত নিৱাস
কৰৈ দশ কল্পমান।।
অযুতেক যজ্ঞ কৰৈ মেৰু সম
সুৱৰ্ণক দেয় দান।
এক শত ভাগ গোৱিন্দ নামৰ
ৰেণুকো নুহি সমান।।২১১।।
হৰি হেন ইটো দুগুটি অক্ষৰ
উচ্চৰিলে একবাৰ।
মোক্ষৰ পথক যাইবাক লাগিয়া
সিও ভৈল কাছপাৰ।।
হৰিৰ নামৰ অনন্ত মহিমা
কহিবে কাৰ শকতি।
যদি চাৰি মুখে ব্ৰহ্মায়ো কহন্ত
তভো নুহি সমাপতি।।২১২।।
কৃষ্ণৰ কিঙ্কৰে ভণিল শঙ্কৰে
শুনিয়োক সৰ্ব্বজন।
হেন জানি আন আলজাল এড়ি
কৰিয়ো হৰিকীৰ্ত্তন।।



কোন দিন ইটো শৰীৰ পৰয়
কেতিক্ষণে নেয় যম।
আউৰ কি সেন্থৰে ভাৰত ভূমিত
হুইবাহা মনুষ্য জন্ম।।২১৩।।
কোটি কোটি জন্ম অন্তৰে যাহাৰ
আছে মহা পুণ্যৰাশি।
সি সি কদাচিত মনুষ্য হোৱয়
ভাৰত ভূমিত আসি।।
দেৱৰো দুৰ্ল্লভ ইহেন জন্মক
ব্যৰ্থ কৰা কোন কামে।
গৃহতে থাকিয়া হৰিক স্মৰিয়া
মোক্ষ সাধা হৰিনামে।।২১৪।।
কোটি এক ৰাজ- সূয় অশ্বমেধ
যজ্ঞ আক নুহি সৰি।
হেন হৰিনাম নলৈয়া হেলাত
মৰৈ আত্মঘাত কৰি।।
হেন বেদবাণী তত্ত্বহেন জানি
আসনতে সুখে থাকি।
আপুনাকো তাৰা পুৰুষ উদ্ধাৰা
হৰি হৰি বোলা ডাকি।।২১৫।।

।। অজামিল উপাখ্যান সমাপ্ত।। ৫।।

।। ষষ্ঠ খণ্ড ।।

# ।। প্ৰহ্লাদ চৰিত ।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা ।। ৰাম মুৰাৰি প্ৰভু ৰঘুনাথ।
কৃষ্ণক প্ৰণামো দমায়া মাথ।।১৭।।

পদ ।। বোলন্ত শুকে শুনা পৰীক্ষিত।
ভক্ত প্ৰহ্লাদৰ কহো চৰিত।।
যুধিষ্ঠিৰ আগে নাৰদে কৈলা।
শুনিয়ো প্ৰহ্লাদৰ যেন ভৈলা।।২১৬।।
ব্ৰহ্মাৰ মানস চাৰি তনয়।
ভ্ৰমন্ত আকাশে আনন্দময়।।
পাঞ্চ বৰিষীয়া শিশু সঙ্কাশ।
নাহিকে বস্ত্ৰ সবে দিগৱাস।।২১৭।।
আনন্দে লোকক চাহন্তে ফুৰি।
দিনেক দেখিলা বৈকুণ্ঠপুৰী।।
আতি আনন্দিত বিষ্ণুৰ স্থানে।
সবে চতুৰ্ভুজ পুৰুষ মানে।।২১৮।।
যতেক ৰমণী লক্ষ্মী প্ৰত্যেক।
কল্পতৰু সম বৃক্ষ যতেক।।



বৈতালিকগণ পৰম ৰঙ্গে।
হাতত তাল নাৰীগণ সঙ্গে।।২১৯।।
গাৱন্ত কৃষ্ণৰ গুণ চৰিত।
আনন্দতে দ্ৰৱে সবাৰো চিত্ত।।
সুগন্ধি বায়ুক কৰৈ ধিক্কাৰ।
সিবেলা মনক মোহে আন্ধাৰ।।২২০।।
ভ্ৰমৰ ৰাজে গাৱৈ হৰিগীত।
যতেক পক্ষী তাতে দেয় চিত্ত।।
নকৰে আৰাৰ থাকৈ নিচুকি।
কৃষ্ণৰ কীৰ্ত্তন শুনৈ উৎসুকি।।২২১।।
চড়ি ৰত্নময় দিব্য বিমানে।
যতেক সুন্দৰী পদ্মিনী মানে।।
হাস লাস কৰি দৰ্শাৱৈ গাৱ।
বৈষ্ণৱ জনৰ নুপজৈ ভাৱ।।২২২।।
হৰিৰ গৃহে মহালক্ষ্মী মাৰে।
হাতে ফুৰাই পদ্ম ভ্ৰমন্ত পাৰে।।
দেখিয়া স্ফটিক বাৰৰ গুণি।
মাৰ্জ্জে গৃহ যেন লক্ষ্মী আপুনি।।২২৩।।
গোৱিন্দৰ গুণ চৰিত্ৰ বাজে।
শুনৈ গ্ৰাম্য কথা যিটো নিলাজে।।
বৈকুণ্ঠে নযাৱৈ সিটো ভাগ্যশূন্য।
কুকথায়ে হৰৈ সমস্তে পুণ্য।।২২৪।।

তমো নৰকে হোৱৈ চিৰবাস।
আপুনি চিন্তৈ আপুনাৰ নাশ।।
দেৱৰো বাঞ্ছনী মনুষ্য জন্ম।
উপজৈ আত যত জ্ঞান ধৰ্ম্ম।।২২৫।।
নকৰৈ কীৰ্ত্তন ইহাক পায়া।
জানিবা তাক বঞ্চৈ বিষ্ণুমায়া।।
হেন জানি আন আলাপ এড়ি।
বোলা হৰি হৰি সমাজে বেড়ি।।২২৬।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা ।। পুণ্ডৰীক্ষ! কৰা কৃপা ৰাম
কৰা দয়া কমললোচন।
নেড়ো যেন অৰুণ চৰণ।।১৮।।
পদ ।। দূৰতে ধৰ্ম্মক পৰিহৰি।
যিটো চিন্তৈ হৃদি ৰূপ ধৰি।।
নিতান্তে কীৰ্ত্তন মাত্ৰ কৰে।
বৈকুণ্ঠত থাকে সিটো নৰে।।২২৭।।
অন্যো অন্যে হৰিকথা গাৱে।
শিহৰে শৰীৰ প্ৰেম ভাৱে।।
আনন্দে লোতক পৰৈ ঝৰি।
গেৰি পাৰি বোলৈ ৰাম হৰি।।২২৮।।



বৈকুণ্ঠ নগৰী নিৰূপম।
নাহি যাত কালৰ বিক্ৰম।।
তাক পায়া ভকতসকলে।
মজিল আনন্দ সিন্ধুজলে।।২২৯।।
বৈকুণ্ঠত কেশৱ সাক্ষাত।
সুতি থাকা অনন্ত শয্যাত।।
লক্ষ্মীৰ কোলাত থৈয়া ভৰি।
লক্ষ্মীয়ো ঝাণ্টন্ত হাতে ধৰি।।২৩০।।
মূৰ্ত্তি ধৰি বেদ শাস্ত্ৰগণ।
কৰৈ বেড়ি মহিমা কীৰ্ত্তন।।
চৈধ্য ভুৱনৰ বন্দ্য স্থান।
যাক কৃষ্ণে কৰিলা নিৰ্ম্মাণ।।২৩১।।
হেন বৈকুণ্ঠত চাৰি মুনি।
ভ্ৰমন্ত কীৰ্ত্তন ধ্বনি শুনি।।
কৃষ্ণৰ আৱাস পাইলা পাছে।
ৰত্নময় দ্বাৰসৰ আছে।।২৩২।।
লগাই আছে হীৰাৰ কপাট।
ৰত্নে বিৰচিত যত বাট।।
হেন দ্বাৰচয় চড়াই পাছে।
দেখন্ত দুগোটা দ্বাৰী আছে।।২৩৩।।

সপ্তম দ্বাৰৰ দুই পাশে।
দুইৰো শিৰে কিৰীটি প্ৰকাশে।।
পদ্মনেত্ৰ বদন মণ্ডলে।
শোভৈ গণ্ড মকৰকুণ্ডলে।।২৩৪।।
সুন্দৰ নাসিকা অল্প হাস।
চাৰু শ্যাম তনু পীতবাস।।
যেন কুন্দকড়ি দন্তপান্তি।
কেয়ূৰ কঙ্কণে কৰৈ কান্তি।।২৩৫।।
দুইৰো চতুৰ্ভুজ আতি জ্বলে।
বনমালা শোভৈ বক্ষস্থলে।।
সেৱৈ তাক ভ্ৰমৰে গুঞ্জৰি।
দুয়ো দিব্য গদা আছে ধৰি।।২৩৬।।
দেখে পাছে হেন দুয়ো দ্বাৰী।
বিৰস্ত্ৰে আসন্ত সিদ্ধ চাৰি।।
নুসুধি পশন্ত অভ্যন্তৰ।
কোপে দুয়ো কম্পান্ত অধৰ।।২৩৭।।
মুখ কৰি ভ্ৰূকুটি কুটিল।
বেতে ঠেলি চাৰিকো খেদিল।।
কৃষ্ণৰ কিঙ্কৰে এভু ভণে।
হৰি হৰি বোলা সৰ্ব্বজনে ।।২৩৮।।



।।তৃতীয় কীৰ্ত্তন।।

ঘোষা ।। ৰাম কৃষ্ণ কহ নিতে।
ভাই ধৰি হৰিপদ চিত্তে।।১৯।।

পদ ।।দেখিয়া পাছে হেন চাৰি সিদ্ধ।
দেখন্তে শিশু বয়সত বৃদ্ধ।।
কৃষ্ণ দৰশন আশা ভঙ্গে।
কোপে চক্ষু পকাই মাতন্ত খঙ্গে।।১৩৯।।
বৈষ্ণৱ বোলা তোৰা দুইজন।
বৈকুণ্ঠবাসীৰ নাহি লক্ষণ।।
প্ৰশান্ত পুৰুষ আনন্দময়।
তাহান্তো তোমৰা কৰা সংশয়।।২৪০।।
পাৰিষদ বোলাই কৰস চটি।
নুহিকা বৈষ্ণৱ দুয়ো কপটী।।
বৈকুণ্ঠৰো আনা দুৰ্যশ বৰ।
ঐৰ পৰা তোৰা দুহান্তো পৰ।।২৪১।।
অসুৰ যোনিত উপজ মৰি।
হেন শুনি জয় বিজয় ডৰি।।
চৰণত ধৰি পড়ি ভূমিত।
কাতৰ কৰৈ হুয়া ভয়ভীত।।২৪২।।

তোমাসাক বাধি কৰিলো পাপ।
মিলোক দিলা যিবা চণ্ডশাপ।।
আপুন কৰ্ম্মে যাওঁ অধোগতি।
প্ৰভুৰ পাৰে নছাড়োক মতি।।২৪৩।।
তোমাসাত মাগো এতেক বৰ।
এহি বুলি দুয়ো কৰৈ কাতৰ।।
হেন অথন্তৰ শুনিয়া হৰি।
আসন্ত বজাই অভ্যন্তৰ এড়ি।।২৪৪।।
অনেক পৰিচ্ছদে লক্ষ্মী মাৰে।
পাছত চলি যান্ত ভূমি পাৰে।।
শুক্ল চামৰে বিঞ্চে দুই কাছে।
উপৰে শ্বেত ছত্ৰ ধৰি আছে।।২৪৫।।
তাতে চন্দ্ৰকান্তি স্ৰবৈ শিশিৰ।
চলি যান্ত হৰি গতি গম্ভীৰ।।
লক্ষ্মীৰ ছটা শ্যাম উৰঃস্থলে।
আপাদলম্বী বনমালা গলে।।২৪৬।।
গুঞ্জৰে মধুকৰে কৰি যত্ন।
শিৰত কিৰীটি অমূল্য ৰত্ন।
উন্নত নাসা সুপ্ৰসন্ন মুখ।
কমল নেত্ৰক দেখন্তে সুখ।।২৪৭।।
মকৰ কুণ্ডলে প্ৰকাশৈ গণ্ড।
শ্যামল চাৰু চাৰিভুজ দণ্ড।।



কেয়ূৰ কঙ্কণে প্ৰকাশে তাত।
শ্ৰীবৎস মুকুতা হাৰ হিয়াত।।২৪৮।।
পীত বস্ত্ৰে শোভৈ শ্যামল কায়।
নুগুচৈ ঈষত হাস্য সদায়।।
অমূল্য মেখলা কটিৰ মাজে।
চৰণে ৰত্নৰ পূনুৰ বাজে।।২৪৯।।
কৌস্তুভ মণি শোভৈ কণ্ঠমাজে।
দুপাশে নানা দিব্য যন্ত্ৰ বাজে।।
মিলাৰৈ সমাধি তাৰ শবদে।
ধৰিছা মূৰ্ত্তি ভকতৰ পদে।।২৫০।।
গৰুড়ৰ স্কন্ধে হস্তক থই।
ফুৰন্ত পদ্ম আউৰ হাতে লই।।
পাৰিষদগণ চলৈ উপাসি।
আসন্ত বৈকুণ্ঠপুৰ প্ৰকাশি।।২৫১।।
অদ্ভুত মূৰ্ত্তি চাৰি সিদ্ধে দেখি।
নাহিকে তৃপিতি চান্ত নিৰীক্ষি।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে।।২৫২।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।।পদ্মপাণি জীৱমোহন ৰাম।
সুখে দুঃখে মুখে যোনো ছাড়ে ৰাম নাম।।২০।।

পদ ।।পৰম আনন্দে চাৰি সিদ্ধে দেখি পাছে।
শিৰে প্ৰণামিয়া দণ্ডৱতে পড়ি আছে।।
কৃষ্ণপাদমিশ্ৰ[২৬] তুলসীৰ পায়া গন্ধ।
দ্ৰৱ ভৈল চিত্ত মহা মিলিল আনন্দ।।২৫৩।।
প্ৰেমভাৱ উপজি দ্ৰৱিল আতি চিত্ত।
হৰিষে লোতক ঝৰে তনু ৰোমাঞ্চিত।।
দেখিল কৃষ্ণৰ মুখ শ্যাম পদ্মকোষ।
সুন্দৰ অধৰ হাস্যে মিলাৱৈ সন্তোষ।।২৫৪।।
তাসম্বাৰ ভৈল মনোবাঞ্ছিত পূৰণ।
চাহিলা কৃষ্ণৰ দুনাই দুখানি চৰণ।।
আৰকত নখপান্তি আছে প্ৰকাশন্তে।
চিত্তত চিন্তিলা তাঙ্ক[২৭] বাহিৰৰ হন্তে।।২৫৫।।
আছিলন্ত ধৰি হৃদয়ত কতো বেলি।
কৃষ্ণক সন্মুখে দেখি পাছে চক্ষু মেলি।।

২৬। পা. কৃষ্ণপাদপদ্ম
২৭। পা. চিত্ততো চিন্তিলা দুনাই



কৰযোড়ে চাৰি সিদ্ধে আনন্দক পাই।
কৰিবে লাগিলা স্তুতি মাধৱক চাই।।২৫৬।।
সমস্ত ভূতৰে যদি তুমি হৃদিগত।
তথাপি কৰ্ম্মীৰ মনে নুহিকা বেকত।।
ভকতেসে পাৱৈ খুজি তুমি অন্তৰ্য্যামী।
কিনো ভাগ্যে তোহ্মাক নয়নে দেখো আমি।।২৫৭।।
পিতৃমুখে তযু গুণ শুনিলো যৈসানি।
সেহি দিনা হিয়াত পশিলা চক্ৰপাণি।।
তুমি পৰমাত্মা তত্ত্ব জানিলো সম্প্ৰতি।
সত্য মূৰ্ত্তি ধৰি সাধা ভকতৰ গতি।।২৫৮।।
তোহ্মাক নপাই অনুৰাগ বাঢ়ে যাৰ।
সেহিসে ভকতি যোগে ছিণ্ডে অহঙ্কাৰ।।
তাহাৰেসে গুচৈ বিষয়ত অনুৰাগ।
হৃদয়ত বিচাৰি তোহ্মাক পাৱৈ লাগ।।২৫৯।।
তোহ্মাৰ পাৱত লৈলে যিজনে শৰণ।
তযু গুণনাম কৰৈ শ্ৰৱণ কীৰ্ত্তন।।
মোক্ষ প্ৰসাদক প্ৰভু তোহ্মাত নমাগে।
ছাৰ স্বৰ্গসুখ কোন তাসম্বাৰ আগে।।২৬০।।
তযু গুণগণ যদি কৰ্ণে থাকে ভৰি।
সদায় বদনে যেৱে বোলৈ ৰাম হৰি।।

চৰণকো চিন্তে চিত্তে বিঘ্নিকো নগণি।
নাৰকী জন্মও তেৱে আহ্মাৰ বাঞ্ছনী।।২৬১।।
দেখাই দিব্য ৰূপ ইটো আতি চমৎকাৰ।
সাধিলা আনন্দ কিনো নেত্ৰৰ আহ্মাৰ।।
অজ্ঞজনে নলৱৈ তোহ্মাৰ গুণ নাম।
আমি হেৰা পড়ি প্ৰভু পৰিলো প্ৰণাম।।২৬২।।
তোহ্মাৰ পাৱত হৌক একান্ত ভকতি।
এতেক প্ৰসাদ দিয়ো আহ্মাক সম্প্ৰতি।।
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্ব্বলোক।
ডাকি হৰি হৰি বোলা পাতক ছাড়োক।।২৬৩।।

।।পঞ্চম কীৰ্ত্তন।।

ঘোষা ।। গতি মোৰ গতি মোৰ গোৱিন্দ দেৱ।
মাধৱ বিনা বন্ধু নাহি কেৱ।।২১।।
পদ ।। কৰিলা তুতি চাৰি মহামুনি।
চাৰিকো মাধৱে মাতন্ত গুণি।।
পাৰিষদ জয় বিজয় মোৰ।
কৰিল অপৰাধ ইটো ঘোৰ।।২৬৪।।
বিহিলা উচিত দণ্ড ইহাক।
কদৰ্থিলা দুয়ো আতি আহ্মাক।।



সেৱকে যদি কৰে অপকাৰ।
পাৱৈ অপযশে স্বামীক তাৰ।।২৬৫।।
ক্ষমিয়ো মোক চাৰি মহাশিষ্ট।
ব্ৰাহ্মণগণ মোৰ মহা ইষ্ট।।
বিপ্ৰ সেৱাতেসে আহ্মাৰ খ্যাতি।
চাণ্ডালকো কৰৈ পৱিত্ৰ আতি।।২৬৬।।
তোহ্মাৰ ইন্দ্ৰে কৰৈ অপৰাধ।
কাটিবো ইন্দ্ৰক নাহিকে বাধ।।
বিপ্ৰৰ মুখে ভুঞ্জো যেন কৰি।
বহ্নিৰ হোমো নোহে তাঙ্ক সৰি।।২৬৭।।
আহ্মাৰ তনু যত বিপ্ৰগণ।
তাসম্বাৰ দ্ৰোহ চিন্তে যি জন।।
যমৰ দূতে কৰৈ তাক দণ্ডি।
গৃধ্ৰগণে খায় মাংসক ছিণ্ডি।।২৬৮।।
পাৰন্ত গালি যদি বিপ্ৰে আসি।
প্ৰণাম কৰে যিটো তাঙ্ক হাসি।।
সম্বুধি প্ৰবোধে সাধু বচনে।
কৰিলেক বশ্য মোক সি জনে।।২৬৯।।
পাৰিষদ জয় বিজয় দুই।
তোমাসাৰ শাপে অসুৰ হুই।।
দুনাই বৈকুণ্ঠক ঝাণ্টে আসোক।
হেন অনুগ্ৰহ কৰিয়ো মোক।।২৭০।।

আছন্ত সবে যদি খেদ চিত্তি।
কৃষ্ণ বাক্যামৃতে ভৈল তৃপিতি।।
কৃষ্ণৰ বাক্যক কৰি বিচাৰ।
নুবুজিলা কিছু আশয় তাৰ।।২৭১।।
মিলিল আনন্দ দ্ৰৱিল চিত্ত।
লোতক স্ৰৱৈ তনু ৰোমাঞ্চিত।।
কৃতাঞ্জলি কৰি কৃষ্ণক চাই।
মাতন্ত চাৰিও মুনি দুনাই।।২৭২।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে কহে।
জানা চিৰকাল দেহা নৰহে।।
কৃষ্ণৰ কীৰ্ত্তনে সাধিয়ো গতি।
বোলা হৰি হৰি একান্ত মতি।।২৭৩।।

।। ষষ্ঠ কীৰ্ত্তন।।

ঘোষা ।। ৰাম ৰাম মুকুন্দ।
ত্ৰাহি ত্ৰাহি গোৱিন্দ[২৮]।।২২।।

পদ ।। তোহ্মাৰ বচন স্বামি।
নুবুজিলো কিছু আমি।।

২৮। পা. ৰাম ৰাম গোৱিন্দ।
ত্ৰাহি ত্ৰাহি মুকুন্দ।।



আপুনি ঈশ্বৰ হুয়া।
বোলাহো কৰিয়ো দায়া।।২৭৪।।
ত্ৰিজগতে কৰৈ সেৱ।
বোলা মোৰ বিপ্ৰে দেৱ।।
যত দেৱ দ্বিজ ভূমি।
সৱাৰো দেৱতা তুমি।।২৭৫।।
ধৰ্ম্মৰো পৰম গুহ্য।
তুমি জগতৰে পূজ্য।।
যাৰ ৰূপ হিয়ে ধৰি।
দুস্তৰ মৃত্যুক তৰি।।২৭৬।।
তাঙ্ক আনে কৰৈ দায়া।
কোনে বুজিবেক মায়া।।
মান্য কৰি ব্ৰাহ্মণক।
শিক্ষা দিয়া সামান্যক।।২৭৭।।
ধৰ্ম্ম পথ ৰক্ষা কৰি।
সৃষ্টি প্ৰৱৰ্ত্তাৱা হৰি।।
তযু পাৰিষদ দুই।
আঙ্কো শপো মুনি হুই।।২৭৮।।
কৰিলো দাৰুণ পাপ।
দণ্ডিয়ো জগতবাপ।।
এহি বুলি মৌন ভৈলা।
মাধৱে বুলিবে লৈলা।।২৭৯।।

মুনিগণ এৰা তাপ।
আমিসে দিয়াইলো শাপ।।
বৈৰভাৱে চিন্তি মোক।
দুনাই পাইবে এহি লোক।।২৮০।।
বোলো মহা মনতুষ্টি।
শুনি চাৰি সিদ্ধে উঠি।।
মাধৱক প্ৰদক্ষিণি।
প্ৰণামিলা বাৰ তিনি।।২৮২।।
লৈয়া তান্তে অনুমতি।
আকাশে কৰিলা গতি।।
বৈষ্ণৱৰ শ্ৰীক চাই।
মনে প্ৰশংসন্তে যাই।।২৮২।।
কৃষ্ণৰ কিঙ্কৰে ভণে।
শুনিয়োক সৰ্ব্বজনে।।
অন্তকে পাইলেক পৰা।
ৰাম হৰি বুলি তৰা।। ২৮৩।।



।। সপ্তম কীৰ্ত্তন।।

ঘোষা ।। পৰমানন্দ! কৰা কৃপা ভৃত্যক সম্প্ৰতি।
তুমি বিনা নাই আনগতি।।২৩।।
পদ ।। পাছে জয় বিজয়ক হৰি।
কৰিলা আশ্বাস দুইকো ধৰি।।
অসুৰ যোনিক যাহা তয়।
নকৰিবা মনে কিছু ভয়।।২৮৪।।
তোৰা দুয়ো থাকোক কল্যাণ।
মই দুঃখ কৰিবো নিৰ্য্যাণ।।
ব্ৰহ্মশাপ নকৰো উছন।
আছে পদে মোৰ প্ৰয়োজন।।২৮৫।।
সুমৰিও পুৰণি কথাক।
চিন্তি আছোঁ মই আপুনাক।।
আমাৰ পাশক আসে লক্ষ্মী।
তাঙ্ক নিবাৰিলা দুয়ো দেখি।।২৮৬।।
ক্ৰোধে বুলিলন্ত লক্ষ্মী শাপি।
হুয়োক অসুৰ দুয়ো পাপী।।
হেনজানি হুয়ো দুয়ো দৈত্য।
ভকতৰ ভয় আছে কৈত।।২৮৭।।

বৈৰভাৱে চিন্তিবাহা মোক।
অল্পকালে পাইবা এহিলোক।।
দুঃখৰ কৰিবো মই অন্ত।
এহিবুলি পাছে ভগৱন্ত।।২৮৮।।
লক্ষ্মীসমে গৈলা ধীৰে ধীৰে।
প্ৰৱেশিলা ৰত্নৰ মন্দিৰে।।
পাছে দুই মুখ্য পাৰিষদ।
এড়ি সৱে বৈকুণ্ঠ সম্পদ।।২৮৯।।
শ্ৰীহত হুয়া অধোমুখে।
বিমানৰ পৰা পৰে দুঃখে।।
হেন দেখি বৈকুণ্ঠক ছানি।
কৰে সৱে হাহাকাৰ ধ্বনি।।২৯০।।
পাছে দুয়ো এড়ি নিজ কায়।
কশ্যপৰ বীৰ্য্যে লৈলা ঠাই।
স্বামীৰ সংযোগে পাছে দিতি।
অনুক্ৰমে ভৈলা গৰ্ভৱতী।।২৯১।।
কৃষ্ণৰ কিঙ্কৰে এভো ভণে।
নেড়িবা কীৰ্ত্তন একোজনে।।
কেতিক্ষণে পৰে ইটো কায়।
হৰি হৰি ঘুষিয়ো সদায়।।২৯২।।



।।অষ্টম কীৰ্ত্তন।।

ঘোষা ।। হৰি ৰাম হৰি ৰাম এ মূল মন্ত্ৰ।
কলিত নাহি তপ যজ্ঞ যন্ত্ৰ।।২৪।।[২৯]

পদ ।। দিতিৰ গৰ্ভে দুয়ো ভৈলা জাত।
হিৰণ্যকশিপু নামে প্ৰখ্যাত।।
হিৰণ্যাক্ষ নামে কনিষ্ঠ তাৰ।
যুদ্ধত বৰাহে চিন্তিলা মাৰ।।২৯৩।।
শুনিয়া হিৰণ্যে ভ্ৰাতৃৰ বধ।
ক্ৰোধে আৰকত চক্ষু তৱধ।।
শূলক তুলি গৰ্জ্জে দৈত্যনাথ।
দশন কামুৰি ঝঙ্কাৰে মাথ।।২৯৪।।
দানৱগণক মাতে সম্মুখি।
মাৰিবো বৰাহক শূলে বিন্ধি।।
বধিলে আম্মাৰ ভ্ৰাতৃ কনিষ্ঠ।
দেৱ ব্ৰাহ্মণৰ চিন্তা অনিষ্ট।।২৯৫।।
পৃথিৱীক লাগি কৰা গমন।
তপ জপ যজ্ঞ কৰিয়ো ছন্ন।।
বিষ্ণুসে সৱাৰো জানা আশ্ৰয়।
গো ব্ৰাহ্মণৰ কৰা প্ৰলয়।।২৯৬।।

২৯। পা. তপ যজ্ঞ মন্ত্ৰ/জপ যজ্ঞ যন্ত্ৰ

হেনয় আজ্ঞা কৰি দৈত্যৰাজ।
ভ্ৰাতৃৰ পাছে কৰি প্ৰেতকাজ।।
কথায়ে আশ্বাস কৰি দিতিক।[30]
তপক মনে গৈলা মন্দৰক।।২৯৬।।
আকাশ চাই উৰ্দ্ধবাহু হুই।
থাকিলা অঙ্গুষ্ঠে ভূমিক ছুই।।
জঁটাৰ দীপিতি দেখন্তে ত্ৰাস।
প্ৰলয় সূৰ্য্যৰ যেন প্ৰকাশ।।২৯৮।।
ব্ৰহ্মাক চিন্তিয়া আছে মনত।
বহি গৈল দিব্য বৰিষ শত।।
ঢাকিল তনু উঁই মাটি তুলি।
শৰীৰৰ মাংস খাইলে সমূলি।।২৯৯।।
গজিল তাঙ্ক ঢাকি বেৰুঝাৰ।
তথাপি কটাক্ষ নাহিকে তাৰ।।
শিৰৰ বহ্নি বঝায় তপোময়।[31]
তাৰ তাপে ভৈল জগতে ভয়।।৩০০।।

৩০। পা. কথায়ে আস্বাসিয়া বান্ধৱক
৩১। পা. তমোময়
তুল ঃ তস্য মূৰ্দ্ধ্ন ঃ সমুদ্ভূতঃ সধূমো'গ্নিস্তপোময়ঃ।
তিৰ্য্যগূৰ্ধ্বমধোলোকানতপদ্বিষ্বগীৰিতঃ।।
—ভাগ. ৭।৩।৪



সঘনে ভূমি কাম্পে নিৰন্তৰ।
খলকিল জল সাতো সাগৰ।।
সঞ্চাৰৈ তাৰা গ্ৰহ অসংখ্যাত।
দশোদিশে ভৈল উলুকাপাত।।৩০১।।
হেন দেখি ভৈল ত্ৰিদশে ত্ৰাস।
স্বৰ্গ এড়ি গৈল ব্ৰহ্মাৰ পাশ।।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
বোলা হৰি হৰি সমস্ত নৰে।।৩০২।।

।।নৰম কীৰ্ত্তন।।

ঘোষা ।। কৃষ্ণ যদুপতি।
ৰামে মোৰ গতি।।২৫।।

পদ ।। ব্ৰহ্মাক প্ৰণামি বুলিলন্ত দেৱঝাক।
সৃষ্টি নষ্ট হোৱে কেনে নৰাখা আহ্মাক।।
দৈত্যেন্দ্ৰৰ দেখি ঘোৰ তপৰ দীপিতি।
স্বৰ্গত থাকিবে কাৰ বাপৰ শকতি।।৩০৩।।
ব্ৰহ্মপদ তোহ্মাৰ কৰিবে চাৰৈ ছন্ন।
ভিন্ন সৃষ্টি কৰিবাক দৈত্যৰ যতন।।
হেন জানি বিধি কৰিয়োক প্ৰতিকাৰ।
যাৱে নতু নষ্ট হোৱে সমস্ত সংসাৰ।।৩০৪।।

হেন শুনি ব্ৰহ্মা লড়ি গৈলা হংসযানে।
তপ কৰি আছে দৈত্যপতি যিটো থানে।।
তপৰ মহিমা দেখি ভৈলন্ত বিস্ময়।
বোলন্ত উঠিয়ো আৰে কশ্যপ তনয়।।৩০৫।।
শৰীৰৰ মাংসক খাইলেক তোৰ উঁই।
তথাপি আৰাধ মোক একচিত্ত হুই।।
হেন তপ কৰন্তা নাহিকে সংসাৰত।
যেহি লাগে বৰ আৰে লৈয়ো অভিমত।।৩০৬।।
এহি বুলি ব্ৰহ্মা জলে কৰিলন্ত শান্তি।
ভৈল অঙ্গ পূৰ্ণ তপ্ত সুৱৰ্ণৰ কান্তি।।
বজ্ৰসম সুদৃঢ় তৰুণ কলেৱৰ।
উঠিল মাটিৰ পৰা পাছে দৈত্যেশ্বৰ।।৩০৭।।
ব্ৰহ্মাক দেখিল হংসযানে আছে চড়ি।
মিলিল আনন্দ প্ৰণামিলা পাৱে পড়ি।।
হৰিসে লোতক ঝড়ে ৰোমাঞ্চিত গাৱে।
কৰিল অনেক তুতি আতি নম্ৰভাৱে।।৩০৮।।
বিধাতাক বোলে যদি মোক দিবা বৰ।
তুমি স্ৰজি আছা যত প্ৰাণী নিৰন্তৰ।।
কাতো হন্তে নুহিবেক মোহোৰ মৰণ।।
ত্ৰৈলোক্যৰ লোকে লৌক আমাত শৰণ।।৩০৯।।
নমৰিবো ৰাত্ৰিত দিনত মৃত্যু নৌক।
অস্ত্ৰে শস্ত্ৰে বধিবাক নৱাৰোক মোক।।



মিলোক মহিমা মোত তোহ্মাৰ সমান।
দিয়ো এহি বৰ ব্ৰহ্মা নমাগোহো আন।।৩১০।।
ব্ৰহ্মায়ে বোলন্ত হাসি শুনা দৈত্যেশ্বৰ।
যদ্যপি দুৰ্ল্লভ বাপ ইটো মহা বৰ।।
তথাপিতো দিলো বৰ বাঞ্ছা হৌক সিদ্ধি।।
এহি বুলি নিজ স্থানে চলি গৈলা বিধি।।৩১১।।
হেন বৰ পায়া বল বাঢ়িল অশেষ।
ভ্ৰাতৃবৈৰী বুলি কৰে মাধৱক দ্বেষ।।
তিনিও লোকক বশ্য কৰি দৈত্যপতি।
কাঢ়ি লৈল বলে মহেন্দ্ৰৰ অম্ৰাৱতী।।৩১২।।
ভয়ে দাৰুণক ত্ৰিজগতে কৰৈ সেৱ।
ব্ৰহ্মা বিষ্ণু ৰুদ্ৰ বিনে খাটে সৰ্ব্বদেৱ।।
এহি মতে দিব্য ভোগ ভুঞ্জিয়া অশেষ।[৩২]
বহি গৈল অসংখ্যাত সহস্ৰ বৰিষ।।৩১৩।।
দেৱতাগণৰ আৰ নাহি সুখ শান্তি।
নপান্ত উপায় একো মনে গুণি গান্থি।।
কৃষ্ণৰ চৰণে সৱে লৈলন্ত শৰণ।
হৰি বিনা নাহি আউৰ দুৰ্গতি তাৰণ।।৩১৪।।
এহি বুলি বায়ু ভক্ষি নিদ্ৰা পৰিহৰি।
মাধৱক আৰাধন্ত কষ্টব্ৰত ধৰি।।
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে কৃষ্ণকথা।
বোলা হৰি হৰি জন্ম নকৰিয়ো বৃথা।।৩১৫।।

৩২। পা. এহিমতে দিব্য ভোগ ভুঞ্জে আসৰিশ।

।। দশম কীৰ্ত্তন।।

ঘোষা ।। এ ৰাম হৰি নিৰঞ্জন।।২৬।।

পদ ।। দেৱে যেৱে উপাসন্তে আছে।
পড়িল আকাশীবাণী পাছে।।
দেৱগণ নকৰিবা ভয়।
কৰিবোহো দৈত্যৰ প্ৰলয়।।৩১৬।।
ইটো দুঃখ হৈব উপশান্তি।
শুনা তাৰ মৰণৰ খ্যান্তি।।
তানে পুত্ৰ বৈষ্ণৱ প্ৰহ্লাদ।
তাঙ্ক কৰে যৈসানি বিৱাদ।।৩১৭।।
তেৱে তাক কৰিবো নিৰ্য্যাণ।
ভকতেসে জানা মোৰ প্ৰাণ।।
তান পীড়া শৰীৰে নসহে।
ভকতৰ দুঃখে হৃদি দহে।।৩১৮।।
নিৰ্ভয়ে থাকিয়ো দেৱগণ।
অল্পতে সিজিবে প্ৰয়োজন।।
দেৱগণ নিৱৰ্ত্তিয়া গৈল।
দৈত্যেন্দ্ৰৰ চাৰিপুত্ৰ ভৈল।।৩১৯।।
প্ৰহ্লাদ বৈষ্ণৱ ভৈলা আতি।
বিষ্ণুক চিন্তন্ত দিনে ৰাতি।।



ইন্দ্ৰিয়ক কৰিলা নিয়ম।
প্ৰাণীক দেখন্ত আত্মসম।।৩২০।।
ৰূপে গুণে বিদ্যাত পাৰ্গত।
নাহি গৰ্ব্ব তথাপি মনত।।
দুঃখতো উদ্বেগ নুহি চিত্ত।
নাহি স্পৃহা সুখতো কিঞ্চিত।।৩২১।।
অসুৰ স্বভাৱ এড়িলন্ত।
কাম জিনি ভৈল উপশান্ত।।
মহাবৈৰী হুয়া দেৱজাক।
সাধু বুলি বখানন্ত তাক।।৩২২।।
পাঞ্চ বৰিষতে মহামতি।
ক্ৰীড়া এড়ি কৰন্ত ভকতি।।
নিতান্তে হৰিক কৰে ধ্যান।
হৰি বিনে নেদেখন্ত আন।।৩২৩।।
সদায়ে কৃষ্ণৰ গুণ কহে।
চিত্তত ধৰিল কৃষ্ণগ্ৰাহে।।
নেৰে়ে মনে গোৱিন্দৰ পাৱ।
কৃষ্ণত উপজৈ প্ৰেমভাৱ।।৩২৪।।
কৃষ্ণক চিন্তন্তে দ্ৰৱে মন।
কেহো বেলা কৰন্ত ক্ৰন্দন।।
কেহো বেলা হাসন্ত আহ্লাদে।
কতো গুণ গাৱন্ত প্ৰহ্লাদে।।৩২৫।।

গোৱিন্দক আনন্দে ডাকন্ত।
লাজ এড়ি কতোহো নাচন্ত।।
হৰিবুদ্ধি হোৱৈ আপুনাক।
কতো কৰৈ কৃষ্ণৰ চেষ্টাক।।৩২৬।।
আনন্দে লোতক যায় বহি।
নমাতি থাকন্ত কতো ৰহি।।
হৰিষতে তনু লোমাঞ্চিত।
কৃষ্ণতে একান্ত ভৈল চিত্ত।।৩২৭।।
এহিমতে কৰন্ত ভকতি।
আন বিষয়ত নাহি ৰতি।।
কৃষ্ণৰ কিঙ্কৰে এহু ভণে।
হৰি হৰি বোলা সৰ্ব্বজনে।।৩২৮।।

।।একাদশ কীৰ্ত্তন।।

ঘোষা ।। ৰাম হৰি ৰাম হৰি গোপাল গোপাল।।২৭।।
পদ ।। ষণ্ডামৰ্ক নামে দুয়ো শুক্ৰৰ তনয়।
প্ৰহ্লাদক পঢ়াৰন্ত শাস্ত্ৰ বামানয়।।
পঢ়ে আনো অসংখ্যাত দৈত্যৰ ছৱাল।
মনত প্ৰহ্লাদে তাক নমানন্ত ভাল।।৩২৯।।



একদিনা দৈত্যেন্দ্ৰে পুত্ৰক কোলে লই।
কিবা পঢ়ি আছা বুলি আনন্দে সোধয়।।
কাক ভাল মান বাপ কহিয়ো সত্বৰে।
বুলিলন্ত প্ৰহ্লাদে পিতৃক অনন্তৰে।।৩৩০।।
শুনা পিতৃ ইটো গৃহ অন্ধকূপ সৰি।
তপোবনে একচিত্তে আৰাধিয়ো হৰি।।
সংসাৰ সাগৰে ভাল নাহি আত পৰে।
হেন শুনি হাসি পাছে মাতে দৈত্যেশ্বৰে।।৩৩১।।
কোনবা বৈষ্ণৱে আক কৰে বুদ্ধি ভেদ।
ভালমতে শিশুক পঢ়ায়ো অৱিচ্ছেদ।।
শুনি ষণ্ডামৰ্কে প্ৰহ্লাদক ঘৰে আনি।
হাসিয়া পুছন্ত বাপ কহ সত্যবাণী।।৩৩২।।
কোনে তোক হেন বিপৰ্য্যয় বুদ্ধি দিল।
কিবা তোৰ মনত আপুনি সম্পজিল।।
শুনিবাক ইচ্ছা কহ কুলেৰ নন্দন।
প্ৰহ্লাদে কহিলা কৰি কৃষ্ণক বন্দন।।৩৩৩।।
ব্ৰহ্মা আদি কৰি যত দেৱতা পণ্ডিত।
যাহাৰ পন্থত হোন্ত মায়ায়ে মোহিত।।
যাৰ মায়া বিভৱৰ নাহি পৰিচ্ছেদ।
হেন হৰি কৰন্ত আম্ভাৰ বুদ্ধি ভেদ।।৩৩৪।।

চুম্বকৰ কাছে লোহা ভ্ৰমে যেন ঠানে।
ভিন্ন ভৈল বুদ্ধি মোৰ বিষ্ণু সন্নিধানে।।
এহি বুলি গুৰুক প্ৰহ্লাদ মৌন ভৈল।
শুনি ষণ্ডামৰ্কে তাক গৰ্জিবাক লৈল।।৩৩৫।।
আন বেত কোবাই মাৰো অৰে দুৰাচাৰ।
মন্দবুদ্ধি আমাৰো অনাইলি খিলিঙ্কাৰ।।
উপজিলি তই দৈত্য কুলৰ কণ্টক।
ভৈলি বিষ্ণুপক্ষ ক্ষয় কৰিলি কুলক।।৩৩৬।।
এহিমতে অনেক উপায়ে দেখাই ভয়।
প্ৰহ্লাদক পঢ়াৱন্ত শাস্ত্ৰ বামানয়।।
জানিলেক শাস্ত্ৰ গুৰু মনে হেন জানি।
দৈত্যেন্দ্ৰৰ আগে প্ৰহ্লাদক দিল আনি।।৩৩৭।।
পিতৃৰ চৰণে পড়ি আছে মহামতি।
দুই হাতে তুলি আশ্বাসিলা দৈত্যপতি।।
কোলাত বৈসাই ঘনে ঘনে ঘ্ৰাণি শিৰ।
হাসি প্ৰহ্লাদত কথা সোধে মহাবীৰ।।৩৩৮।।
কিবা সুশোভন পাঠ পঢ়ি আছা তাত।
গুৰুত শিখিলা কিবা কহিও আম্ভাত।।
শুনিয়া প্ৰহ্লাদে পাছে কহন্ত সাদৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি।।৩৩৯।।



।। দ্বাদশ কীৰ্ত্তন।।

ঘোষা।। ও হৰি চৰণে লাগো শৰণ মাগো
গোপাল গোৱিন্দ।
ভৱসিন্ধু মাজে মজিলো মাধৱ
সুমৰি নাসয় নিন্দ।।২৮।।
পদ ।। শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ।।
নৱবিধ ভক্তি বিষ্ণুত আচৰৈ
সেহিসে পাঠ উত্তম।
হেন শুনি পাছে হিৰণ্যকশিপু
কোপে কাম্পে যেন যম।।৩৪০।।
গুৰুৰ পুত্ৰক চাহি দৈত্যপতি
পাৰিবে লাগিলা গালি।
শুনৰে অধম ব্ৰাহ্মণ শিশুক
এহিসে পাঠ শিখাইলি।।
ষণ্ডামৰ্কে বোলে আন নিশিকাওঁ[৩৩]
ইটো নপঢ়াওঁ আমি।

৩৩। পা. আনে নিশিখাৱে / আনো নিশিখাওঁ

তোহ্মাৰ তনয় স্বভাৱে বোলয়
কোপ এড়া দৈত্যস্বামী।।৩৪১।।
শুনিয়া হিৰণ্য- কশিপু দুনাই
সোধয় কথা পুত্ৰত।
গুৰু নিশিখাইলে হেন বিমঙ্গল
বাণী বোল কেনমত।
প্ৰহ্লাদে বোলন্ত শুনিয়োক তাত
বিষয়ীৰ নাহি গতি।
গুৰু উপদেশে আপুনাত হন্তে
নুপজৈ কৃষ্ণত ৰতি।।৩৪২।।
আপুনি বিষয়ী হুয়া যিটো নৰে
বিষয়ীক গুৰু মানৈ।
যেন অন্ধলাক অন্ধে উপদেশে
বিষ্ণুক গুৰু নজানৈ।।
বৈষ্ণৱক যাৰে নকৰৈ উপাসা
মোহে অন্ধ মূঢ়মতি।
শুনা পিতৃ তেৱে কৃষ্ণৰ চৰণ
নোছোৱৈ তাহাৰ মতি।।৩৪৩।।
হেন শুনি মহা- ক্ৰোধে দৈত্যৰাজ
জ্বলি গৈল অহঙ্কাৰী।
মাটিক লাগিয়া পুত্ৰক পেল্লাইল
কোলাৰ পৰা আছাৰি।।



ৰাক্ষসগণক ক্ৰোধে আদেশয়
মাৰ পাপীষ্ঠক বেঢ়ি।
ভ্ৰাতৃবৈৰী বিষ্ণু তাকেসে সেৱয়
আহ্মাত সৌহৃদ্য এড়ি।।৩৪৪।।
প্ৰচণ্ড আদেশ শুনিয়া অশেষ
ৰাক্ষস উঠিল ৰাগি।
হাতে শূল ধৰি খেখট কৰিয়া
ধাইল প্ৰহ্লাদক লাগি।।
কাট মাৰ বুলি বেঢ়িয়া সন্ধানে
দিলেক শূলৰ ঝাক।
বিষ্ণুক সুমৰি প্ৰহ্লাদ কুমাৰে
কটাক্ষো নকৰে তাক।।৩৪৫।।
ভোটা হুইয়া শূল উফৰি পৰিল
দেখি আছে সৰ্ব্বজনে।
হেন অদভূত দেখি দৈত্যপতি
পৰম শঙ্কিত মনে।।
দিগ্‌গজগণক আদেশ কৰিল
দিগ্‌গজো ভিড়িল দান্তে।
জলত ডুবায়া পৰ্ব্বত উপৰে
পেলায়া কতোহো ঝাণ্টে।।৩৪৬।।
মহাসৰ্পগণে বেঢ়িয়া দংশয়
তাৰো দান্ত গৈল ভাগি।

পৰ্ব্বত শিখৰে তুলিয়া কতোহো
পেলাৱৈ মাটিক লাগি।।
গাত খানি কতো পোতে প্ৰহ্লাদক
কৰাৱৈ বিষক পান।
হাতে গলে বান্ধি অগ্নিত পেলাৱৈ
তথাপি নচাড়ে প্ৰাণ।।৩৪৭।।
বিষ্ণুৰ চৰণ চিন্তিয়া প্ৰহ্লাদে
আছন্ত নিৰ্ভয় ভাৱে।
দেখি দৈত্যপতি মনত চিন্তয়
শ্ৰুতি নাই তাৰ গাৱে।।
আছোক মৰিব ভয় নুপজয়
নেড়য় আহ্মাৰ পাশ।
ইহাৰ বিৰোধ জানিলো অৱশ্যে
মোহোৰ হৈব বিনাশ।।৩৪৮।।
দুৰন্ত চিন্তায়ে শ্ৰীহানি ভৈল
নমাইল মলিন মুখ।
পাছে ষণ্ডামৰ্কে বিৰলে বিনাৱৈ
দৈত্যেন্দ্ৰৰ দেখি দুঃখ।।
প্ৰহ্লাদ চৰিত ৰচিল শঙ্কৰে
কৃষ্ণৰ কিঙ্কৰে এৰে।
বোলা হৰি হৰি সংসাৰক তৰি
বৈকুণ্ঠক যাইবা যেৰে।।৩৪৯।।



।। ত্ৰয়োদশ কীৰ্ত্তন ।।

ঘোষা ।। কেশৱ শিৱ শিৱ ঘুষিও সদায়।
ৰামনাম বিনে বান্ধৱ নাই।।২৯।।

পদ ।। কিসক দৈত্যেন্দ্ৰ আছা মনত বিকলে।
তিনিয়ো লোকক তুমি জিনিলা একলে।।
তযু কটাক্ষতে কাম্পে দিকপালগণ।
তোমাৰ চিন্তাৰ কিছু নেদেখো কাৰণ।।৩৫০।।
হেন জানি হুয়ো ৰাজা মনত সন্তোষ।
শিশু ছৱালৰ কিছু নধৰিবা দোষ।।
বৰুণৰ পাশে বান্ধি থৈয়ো কত কাল।
আপুনি বয়স হৈলে বুদ্ধি হৈবে ভাল।।৩৫১।।
এহি হৌক বুলি পাছে মাতে দৈত্যেশ্বৰ।
শিখায়োক আক ৰাজনীতি নিৰন্তৰ।।
হেন শুনি গুৰুপুত্ৰে আনি প্ৰহ্লাদক।
মহাযত্নে পঢ়াইলন্ত দৈত্যৰ শাস্ত্ৰক।।৩৫২।।
তাক ভাল নমানয় প্ৰহ্লাদৰ মনে।
কৰিলা নিবিড় চিত্ত কৃষ্ণৰ চৰণে।।
পঢ়াই শুনাই গুৰু যেৰে গৃহকামে যান্ত।
দৈত্যশিশুসৱক মাতিয়া শিখাৱন্ত।।৩৫৩।।

দৈত্যশিশুসবো পাছে আন ক্ৰীড়া এড়ি।
প্ৰহ্লাদক গৌৰৱ কৰিয়া বসৈ বেঢ়ি।।
দয়ায়ে প্ৰহ্লাদে দেন্ত হিত-উপদেশ।
শুনিয়োক বাণী দৈত্য দানৱ নিঃশেষ।।৩৫৪।।
অসাৰ সংসাৰ নাই ইহাত বিশ্বাস।
জানি হৰি ভকতিক কৰিও অভ্যাস।।
মনুষ্যৰ আয়ু শত বৰিষ সংখ্যাত।
অৰ্দ্ধেক বিফলে যাই জানিবা নিদ্ৰাত।।৩৩৫।।
বিংশতি বৰিষ আৰ যায় ওমলন্তে।
নেয় দশ বৰিষ ধনক উপাৰ্জ্জন্তে।।
বৃদ্ধকালে যায় শেষ বৰিষ বিংশতি।
একো কাৰ্য্য সাধিবাক নাহিকে শকতি।।৩৫৬।।
শৰীৰকো পীড়ে ব্যাধি চক্ষুয়ে নাকলে।
আশা পাশে বান্ধিয়া গৃহত থাকি গলে।।
হেন জানি শিশুসৱ এড়া আন কৰ্ম।
ধৰিয়ো[৩৪] কুমাৰ কালে ভাগৱত ধৰ্ম্ম।।৩৫৭।।
দুৰ্ল্লভ মনুষ্য জন্ম নকৰা বিফল।
চিন্তা মনে মাধৱৰ চৰণ কমল।।
হৰিসে সবাৰো আত্মা বান্ধৱ ঈশ্বৰ।
মায়াময় ইটো পুত্ৰ ভাৰ্য্যা কলেৱৰ।।৩৫৮।।
আৰ অৰ্থে ব্যৰ্থে কেনে কৰা আয়ুপাত।
সবাৰো হৃদয়ে বিষ্ণু আছন্ত সাক্ষাত।।

৩৪। পা. কৰিয়ো



হেন জানি অসুৰ স্বভাৱ সৱে এড়ি।
সমস্ত প্ৰাণীক পূজা বিষ্ণু বুদ্ধি কৰি।।৩৫৯।।
তেৱেসে অল্পতে তুষ্ট হৈব নাৰায়ণে।
কোননো দুৰ্ল্লভ আছে হৰি সুপ্ৰসন্নে।।
হেন জানি বিষয়ত হুয়োক বিমুখ।
পশু শৰীৰতো পায় বিষয়ৰ সুখ।।৩৬০।।
বাল্যক্ৰীড়া এড়ি কৰা মাধৱক ধ্যান।
নাৰদৰ মুখত শুনিলো ইটো জ্ঞান।।
স্বৰূপ কহিলো নাহি ইহাত সংশয়।
বোলা হৰি হৰি হৌক পাপৰ প্ৰলয়।।৩৬১।।

।। চতুৰ্দশ কীৰ্ত্তন।।

ঘোষা ।। নমো মধু মুৰ মথন ৰাম।।
সংসাৰ তাপ কৰা উপশাম।। ৩০।।

পদ ।। শুনিয়া পাছে দৈত্য শিশুজাক।
প্ৰহ্লাদক হেন বুলিলা বাক।।
অন্তেষপুৰে থাকি মহাভাগ।
কিমতে পাইলা নাৰদক লাগ।।৩৬২।।
কহিলা কেনে ঋষি তত্ত্বভেদ।
কৰিয়ো আহ্মাৰ সংশয় ছেদ।।

বুলিলা প্ৰহ্লাদে হেন বচন।
শুনা পূৰ্ব্ব কথা বালকগণ।।৩৬৩।।
যৈসানি পিতৃ তপস্যাক গৈল।
দেখি দেৱগণ সংশয় ভৈল।।
জানিল পিতৃক খাইলেক উঁই।
নগৰ বেঢ়িয়া লগাইল জুই।।৩৬৪।।
দানৱগণ ভয় ভৈল বৰ।
পুত্ৰভাৰ্য্যা এড়ি দিলা লৰড়।।
মিলিল দৈত্যৰ আপদ ঘোড়।
ইন্দ্ৰে ধৰি নিলে মাতৃক মোৰ।।৩৬৫।।
আপুন স্থানক নেন্ত আজুৰি।
কান্দন্ত সতী মুখে বস্ত্ৰ জুৰি।।
কৰৈ আৰ্ত্তৰাৱ ৰাজমহিষী।
দেখিয়া বুলিলা নাৰদ ঋষি।।৩৬৬।।
ইহাঙ্ক এড়া এড়া সুৰপতি।
একে পৰস্ত্ৰী আৰো মহাসতী।।
মাতিল ইন্দ্ৰে নাৰদক পাছে।
এইৰ উদৰে শিশু এক আছে।।৩৬৭।।
তাক মাৰি দিবো এইক মেলানি।
শুনিয়া নাৰদে বুলিলা বাণী।।



নিষ্পাপ পুৰুষ আছে গৰ্ভত।
সাক্ষাতে ইটো মহাভাগৱত।।৩৬৮।।
তোহ্মাৰ মাৰিবে নাহি শকতি।
এড়িল হেন শুনি সুৰপতি।।
মাতৃক পাছে প্ৰদক্ষিণ কৰি।
স্বৰ্গক গৈলন্ত মোক সাদৰি।।৩৬৯।।
মাতৃক ঋষি আশ্ৰমত থৈলা।
আশ্বাস কৰিয়া বুলিবে লৈলা।।
যাৱদেকে নাসৈ তোহ্মাৰ স্বামী।
নিৰ্ভয়ে থাকিয়ো পালিবো আমি।।৩৭০।।
শুনিয়া মাৱে ভয় পৰিহৰি।
থাকিল ঋষিক শুশ্ৰূষা কৰি।।
দয়ালু নাৰদ পিতৃ সমান।
মাতৃক দিলন্ত পৰম জ্ঞান।।৩৭১।।
ভক্তিৰ লক্ষণ সৱে কহিল।
গৰ্ভতে মোক উপদেশ দিল।।
মাতৃ পাসৰিলে লভিয়া স্বামী।
ঋষিৰ প্ৰসাদে সুমৰো আমি।।৩৭২।।
কহিলো তোহ্মাত সৱে স্বৰূপ।
জানি হিয়ে চিন্তা কৃষ্ণৰ ৰূপ।।
আতপৰে ধৰ্ম্ম লোকত নাই।
কেতিক্ষণে পড়ে ক্ষণিক কায়।।৩৭৩।।

এড়িয়ো আত অহম্মম ভাৱ।
দৃঢ় কৰি ধৰা কৃষ্ণৰ পাৱ।।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
হৰি হৰি বোলা সমস্ত নৰে।।৩৭৪।।

।। পঞ্চদশ কীৰ্ত্তন।।

ঘোষা ।। দুৰাচাৰ মন মোৰ ৰাম হৰি বোল।।
ৰাম হৰি বোল মন ৰাম হৰি বোল।। ৩১।।
পদ ।। কৃষ্ণৰ চৰণে হৈৱে যিমতে ভকতি।
শুনা সাৱধানে তাক স্থিৰ কৰি মতি।।
বিষ্ণুভকতৰ সঙ্গ লৈব প্ৰথমতে।
গুৰু মানি শুশ্ৰূষা কৰিব ভালমতে ।।৩৭৫।।
লৈয়া উপদেশ মাধৱক আৰাধিব।
যতেক সুকৃতি মানে কৃষ্ণতে অৰ্পিব।।
কৃষ্ণকথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্ব্বদায়ে কৰিবেক কৃষ্ণৰ কীৰ্ত্তন।।৩৭৬।।
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্ত ভূতত।
হেনজানি প্ৰাণীক কৰিবা সতকাৰ।
তেৱেসে কৃষ্ণক ৰতি হৈবেক তোহ্মাৰ।।৩৭৭।।



হৰিৰ সেৱাত কিছু নাহিকে প্ৰয়াস।
আপুনি লৈবন্ত হৰি হৃদয়ত বাস।।
আপুনি জীৱৰ সাক্ষী কৃষ্ণ কৃপাময়।
তাঙ্ক এড়ি সামান্যক সেৱে দুৰাশয়।।৩৭৮।।
ধন জন প্ৰাণ পুত্ৰ যত পৰিবাৰ।
সমস্তে অবস্তু অণুমাত্ৰো নুহি সাৰ।।
হেন অনুমানি মাধৱত কৰা ৰতি।
ইহ পৰলোকে কৃষ্ণচৰণেসে গতি।।৩৭৯।।
নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে।
নলাগে সম্ভৃত শাস্ত্ৰ বিস্তৰ জানিবে।
তপ জপ যজ্ঞ দান সৱে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।৩৮০।।
যক্ষ ৰক্ষ স্ত্ৰী শূদ্ৰ যত ব্ৰজবাসী।
পক্ষী মৃগো বিষ্ণু ভৈল কৃষ্ণক উপাসি।।
জানি দৈত্যশিশুসৱ হুয়ো একমতি।
হৰিত কৰিও সৱে একান্ত ভকতি।।৩৮১।।
এহিমাত্ৰ মহাপুৰুষাৰ্থ পুৰুষৰ।
শ্ৰৱণ কীৰ্ত্তন কৰিবেক নিৰন্তৰ।।
সমস্ত ভূততে দেখিবেক নাৰায়ণ।
আতপৰে আন ধৰ্ম্ম সৱে বিড়ম্বন।।৩৮২।।
হেন শুনি নিৰন্তৰে দৈত্যশিশুগণ।
প্ৰহ্লাদৰ উপদেশে ভেদিলেক মন।।

গুৰুৰ শিক্ষাত আউৰ কেহো নেদে মতি।
ভাগৱত ধৰ্ম্মত সৱাৰ ভৈল ৰতি।।৩৮৩।।
শুনৈ কৃষ্ণকথাক মনত চিন্তৈ হৰি।
ৰামনাম গাৱৈ বাৱৈ বজাৱৈ চাপৰি।।
দেখি ক্ৰোধে ষণ্ডামৰ্কে দণ্ডি কৰৈ আনি।
তথাপি আটাস পাৰি বোলে ৰামবাণী।।৩৮৪।।
অদ্ভূত দেখিয়া দুয়ো গুৰু গৈলা ডৰি।
দিলেক লৰড় প্ৰহ্লাদৰ হাতে ধৰি।।
ৰাজাত বিনাৰে[৩৫] তযু পুত্ৰ ভৈল নষ্ট।
আনো সৱ শিশুক কৰিলে সৱে ভ্ৰষ্ট।।৩৮৫।।
নপঢ়য় শাস্ত্ৰ আৰো প্ৰভু একো ছাত্ৰ।
মাৰণকো নগণয় ৰাম বোলে মাত্ৰ।।
আমাক দণ্ডিবা পাছে দিলো আসি জান।
বোলা হৰি হৰি হৌক পাপৰ নিৰ্য্যাণ।।৩৮৬।।

।। ষোড়শ কীৰ্ত্তন।।

ঘোষা ।। ৰামপদে ভজ ভাই।
ঘুষিয়ো হৰি সদায়।। ৩২।।
পদ ।। হিৰণ্যকশিপু শুনিয়া হেন।
ক্ৰোধত আতি কাম্পে যম যেন।।

৩৫। পা. জনাৰে, জোগাৰে



ঝঙ্কাৰে মাথা কৰি আতি দৰ্প।
লাঠি পাই যেন ফোঙ্কাৰে সৰ্প।।৩৮৭।।
প্ৰহ্লাদ আছে অৱনত কায়।
কৃতাঞ্জলি কৰি পিতৃক চাই।।
অসুৰে গৰ্জ্জয় কটাক্ষে চাই।
খাইবো আজি তোৰ মুণ্ড পুতাই।।৩৮৮।।
শুন ৰে অধম নগণ মোক।
দেখাইবো আজি যমপুৰ তোক।।
ত্ৰিদশে কাম্পে দেখি মোৰ খঙ্গ।
কৰস কেনে তঞি আজ্ঞা ভঙ্গ।।৩৮৯।।
শুনিয়া প্ৰহ্লাদে বুলিলা বাণী।
সৱাতো বৰ প্ৰভু চক্ৰপাণি।।
আছোক তুমি আমি কোনজন।
ব্ৰহ্মা হৰে সেৱে যাৰ চৰণ।।৩৯০।।
তেহেন্তে পৰম ঈশ্বৰ দেৱ।
বিষ্ণুত পৰে আন নাহি কেৱ।।
আপুন মায়াৰ বলে অনন্তে।
স্ৰজন্ত পালন্ত সংহৰে অন্তে।।৩৯১।।
জানি পিতৃ এড়া অসুৰ কাম।
আপুন মন কৰা উপশাম।।

**শত্ৰু মিত্ৰ সৰ কৰিও সম।**
**এহিসে কৃষ্ণৰ ভক্তি উত্তম।।৩৯২।।**
**নিজিনি শৰীৰৰ শত্ৰুচয়।।**
**জিনিলো দশোদিশ হেন কয়।।**
**জানিয়া পিতৃ এড়া অহঙ্কাৰ।**
**ভজিয়ো হৰিক কহিলো সাৰ।।৩৯৩।।**
**শুনিয়া হিৰণ্যে বোলে বচন।**
**জানিলো তোৰ মৰিবাক মন।।**
**মোক বিকৰ্থস অৰে বৰ্ব্বৰ।**
**মোত পৰে আছে কোন ঈশ্বৰ।।৩৯৪।।**
**পেলাইবো কাটি তোক খাণ্ডা ধৰি।**
**দেখো কেনমতে ৰাখন্ত হৰি।।**
**হৰিসে যদি জগতৰ ঈশ।**
**কৈত আছে তাৰ কহ উদ্দিশ।।৩৯৫।।**
**শুনিয়া প্ৰহ্লাদে বোলয় বাণী।**
**ব্যাপক বিভু প্ৰভু চক্ৰপাণি।।**
**সৰাতো আছন্ত জগত স্বামী।**
**স্ফটিকৰ স্তম্ভে দেখোহো আমি।।৩৯৬।।**
**শুনি দৈত্যপতি দান্ত কামুৰি।**
**ডাৱৰ খড়্গাক[৩৬] লৈলা আঞ্জুৰি।।**

৩৬। পা. জবৰ খড়্গাক



**আসনৰ হন্তে আটোপে উঠি।**
**ভাঙ্গিলা স্তম্ভক হানিয়া মুঠি।।৩৯৭।।**
**স্তম্ভৰ ভিতৰে শুনিল নাদ।**
**প্ৰলয় মেঘৰ যেন শবদ[৩৭]।।**
**ফুটিল কটাহ ভৈল বিস্ময়।**
**ত্ৰিদশে বোলন্ত মিলে প্ৰলয়।।৩৯৮।।**
**যত বড়া দৈত্য আছে চৌপাশে।**
**কাম্পে পৃথিৱীত পৰিয়া ত্ৰাসে।।**
**কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।**
**বোলা হৰি হৰি সমস্ত নৰে।।৩৯৯।।**

।। সপ্তদশ কীৰ্ত্তন।।

**ঘোষা ।। ও হৰি[৩৮] নৰহৰি হৰিয়ো কুমতি।**
**অন্তকালে হৰিচৰণেসে[৩৯] গতি।।৩৩।।**
**পদ ।। শুনি দৈত্যেন্দ্ৰৰ অন্তৰীক্ষ ভৈল ধাতু।**
**কোনে দিলে আটাস নেদেখি তাৰ হেতু।।**
**সত্য কৰিবাক লাগি নিজ ভৃত্যবাণী।**
**তম্ভতে বেকত ভৈলা প্ৰভু চক্ৰপাণি।।৪০০।।**

৩৭। পা. সম্বাদ
৩৮। পা. এ হৰি
৩৯। পা. অন্তকালে মাধৱৰ চৰণে

অদ্ভুত দেখিয়া দৈত্যপতি ভৈল চুপ।
নুহি সিংহ নুহি ইটো মনুষ্যৰ ৰূপ।।
ঘোৰ মূৰ্ত্তি ধৰি নৰসিংহ ভৈলা বাজ।
মহাত্ৰাসে কাম্পে দেখি দানৱ সমাজ।।৪০১।।
তপ্ত সুৱৰ্ণৰ সম জ্বলে চক্ষু দুই।
পৰ্ব্বত সমান কায় আছে স্বৰ্গ ছুই।।
শৰীৰৰ ৰোম চন্দ্ৰসম শুক্লবৰ্ণ।
তুলি আছে উৰ্দ্ধক তৰধ দুই কৰ্ণ।।৪০২।।
বাইলা মুখ যেন গিৰি গহ্বৰ পৰায়।
প্ৰচণ্ড বতাস যেন নিশ্বাস বঝায়।।
প্ৰকাশয় কেশ শিৰে ৰবিৰ কিৰণ।
ভ্ৰূকুটি কুটিল মুখ বিকট দশন।।৪০৩।।
লহ লহ কৰৈ জিহ্বা যেন ক্ষুৰ ধাৰ।
জ্বলে বাহু শত তীক্ষ্ণ নখে চমৎকাৰ।।
বহল হৃদয় দীৰ্ঘ গ্ৰীৱা কৃশ কটি।
জিহ্বা মেলি আছা দুই দশন প্ৰকটি।।৪০৪।।
হেন দেখি দৈত্যেন্দ্ৰ মনত গুণৈ ডৰি।
আম্মাক বধিবে বিষ্ণু আইলা মায়া কৰি।।
মনে বিমৰিষি পাছে গদাক উচ্চাই।
দানৱ মাতঙ্গ গৈল নৃসিংহক ধাই।।৪০৫।।



নেদেখয় দৈত্যেন্দ্ৰক নৃসিংহৰ পাশে।
লুকায় পতঙ্গ যেন অগনিত ঝাসে।।
ছিদ্ৰ চাই পাক ফুৰৈ দৈত্য দুৰাচাৰ।
নৃসিংহক দিল ঘোৰ গদাৰ প্ৰহাৰ।।৪০৬।।
এড়াইলন্ত নৰসিংহ কাতি কৰি কায়।
পাঞ্জৰত ফুৰৈ দৈত্য পতঙ্গ পৰায়।।
গদায়ে সহিতে ধৰিলন্ত দিয়া চাম্প।
গৰুড়ৰ হাতত বাজিল যেন সৰ্প।।৪০৭।।
এড়াইল হাতৰ দৈত্য আৰিমুৰি কৰি।
লীলায়ে এড়িলা তাক আপুনি নৃহৰি।।
দেখি দেৱগণে আতি কৰৈ হৃদি খেদ।
হৰি হৰি নভৈল দুঃখৰ পৰিচ্ছেদ।।৪০৮।।
দৈত্যেশ্বৰে বোলে বল কটালিলো আৰ।
কৈক যাইবি নৰসিংহ কৰিবো দোহাৰ।।
এহি বুলি খাণ্ডা বাৰু ধৰি সেহি ছেগে।
শ্ৰম কৰি পক্ষী যেন ধাইল মহাবেগে।।৪০৯।।
ঘোৰ নাদ তেজি অধো উৰ্দ্ধে ফুৰৈ পাক।
বাৰুতে লুকায় কায় নাকলিয় তাক।।
প্ৰহাৰিৱে লাগি ছিদ্ৰ চাহে মহাসুৰ।
বোলা হৰি হৰি পাপ হৌক মষিমূৰ।।৪১০।।

।। অষ্টাদশ কীৰ্ত্তন।।

**ঘোষা ।। হৰি ৰাম মুকুন্দ মুৰাৰি মোৰ গতি।**
**কৃষ্ণ কৃপা কৰা প্ৰভু ৰঘুপতি[৪০]।।৩৪।।**

**পদ ।। দানৱ ফুৰন্তে যেৱে আছে।**
**দেখি খঙ্গে নৰসিংহে পাছে।।**
**কম্পাই শিৰ কেশৰ উল্লাসি।**
**তুলিলা আটাস ঘোৰ হাসি।।৪১১।।**
**স্বৰ্গকো ভেদিল ঘোৰ ৰিঙ্গে।**
**বেগে চাম্প দিলা নৰসিংহে।।**
**আলগতে দৈত্যক ধৰিল।**
**নাহি মাত চেতন হৰিল।।৪১২।।**
**সৰ্পে যেন ধৰিল ইন্দুৰ।**
**নিশৱদ দানৱ দ্বন্দুৰ।।**
**সাধিবাক লাগি দেৱকাজ।**
**দ্বাৰৰ কৰিলা তাক বাজ।।৪১৩।।**
**চিত কৰি উৰুত থাপিলা।**
**নখে তাৰ হিয়া বিদাৰিলা।।**

৪০। পা. কৃষ্ণ কৃপা কৰা প্ৰভু ত্ৰাহি ৰঘুপতি।।



**যেহেন সৰ্পক পাৱে ভিৰি।**
**গৰুড়ে পেল্লাইলা ঠোঁটে ছিৰি।।৪১৪।।**
**চক্ষু পকাই দৈত্য অন্তকাৰী।**
**চেলেকন্ত জিহ্বায়ে কৰাৰি।।**
**ৰুধিৰে দিগিধি দেহা হুই।**
**শিৰত মেঢ়াইলা আন্ত দুই।।৪১৫।।**
**দেখি দৈত্যকটক কিটাইল।**
**অস্ত্ৰ শস্ত্ৰ ধৰি ক্ৰোধে ধাইল।।**
**নৃসিংহে পেল্লাইলা দৈত্যেন্দ্ৰক।**
**গৈলা খেদি দানৱগণক।।৪১৬।।**
**কাকো নখে কৰি দুই ছিৰ।**
**টোকৰে ছিণ্ডিলা কাৰো শিৰ।।**
**কাকো গোড়ে মাৰি ঘৰাকতি।**
**সংহৰিল দানৱ পদাতি।।৪১৭।।**
**দৈত্য জিনি তেজিলা আটাস।**
**পলায় দিগ্গজ হুয়া ত্ৰাস।।**
**ঝঙ্কাৰন্তে শিৰৰ কেশৰ।**
**উড়ায় সৱে বিমান স্বৰ্গৰ।।৪১৮।।**
**খলকৈ সাগৰ শ্বাস লাগি।**
**বেগত পৰ্ব্বত পৰৈ ভাগি।।**

নৃসিংহৰ চৰণৰ গতি।
টলমল কৰে বসুমতী।।৪১৯।।
চক্ষুৰ ৰশ্মিত ভৈল ছন্ন।
নিষ্প্ৰভ সমস্তে গ্ৰহগণ।।
দৈত্যেন্দ্ৰৰ দিব্য সিংহাসনে।
বসিল নৃসিংহ কোপ মনে।।৪২০।।
খুজি আৰ নপান্ত যুজাৰ।
ক্ৰোধে মুখ দেখি অন্ধকাৰ।।
দেখি ত্ৰিজগতে ভৈল ভয়।
আজি যোনো মিলয় প্ৰলয়।।৪২১।।
শুনি পাছে দৈত্যৰ নিৰ্য্যাণ।
ৰঙ্গে আইল দেৱৰ বিমান।।
জোঙ্কাৰন্ত আকাশক ছানি।
কৰৈ দেৱে দুন্দুভিৰ ধ্বনি।।৪২২।।
দেৱৰ সুন্দৰীগণ আসি।
পুষ্প বৰিষন্ত হাসি হাসি।।
প্ৰধান গন্ধৰ্ব্বে গীত গাৱে।
বিদ্যাধৰে মৃদঙ্গ বজাৱে।।৪২৩।।
অপেস্বৰাগণে কৰৈ নৃত্য।
ভৈলন্ত ত্ৰিদশ কৃতকৃত্য।।
কহে কৃষ্ণ কিঙ্কৰ শঙ্কৰে।
বোলা হৰি হৰি সৱ নৰে।।৪২৪।।



।। ঊনৱিংশ কীৰ্ত্তন।।

ঘোষা ।। হৰি মাধৱ মধুৰিপু মুৰাৰি ৰাম।
কৃষ্ণৰ চৰণে কৰো পড়িয়া প্ৰণাম।।৩৫।।

পদ ।। অনন্তৰে শিৰত ধৰিয়া কৃতাঞ্জলি।
ব্ৰহ্মা ৰুদ্ৰ আদি দেৱগণ আইলা চলি।।
বৈকুণ্ঠৰ পৰা পাৰিষদগণ আসি।
থাকি গৈলা নৃসিংহৰ চৌপাশে উপাসি।।৪২৫।।
পৃথকে পৃথকে তুতি কৰিবাক লৈলা।
প্ৰথমতে ব্ৰহ্মা কৰযোড়ে আগ ভৈলা।।
প্ৰণামো অনন্ত তুমি দুৰন্ত শকতি।
লীলায়ে সংহৰি প্ৰভু কৰা সৃষ্টি স্থিতি।।৪২৬।।
কেমনে জানিবো তযু বীৰ্য্য পৰাক্ৰম।
এহিবুলি ব্ৰহ্মাদেৱ পড়িল নিজম।।
অনন্তৰে শঙ্কৰে বলিলা তুতি বাণী।
মাৰিলা অসুৰ ইটো আতি অল্প প্ৰাণী।।৪২৭।।
তোহ্মাৰ কোপত হোৱে জগতে প্ৰলয়।
ভক্ত প্ৰহ্লাদক প্ৰভু পালিবে লাগয়।
এহিবুলি মহাদেৱ থাকিলা নিচুকি।
আগবাঢ়ি ইন্দ্ৰে তুতি কৰিলা উৎসুকি।।৪২৮।।

দৈত্যে আক্ৰমিলে প্ৰভু আমাৰ হৃদয়।
সপনে সচিতে[৪১] আমি দেখো দৈত্যময়।।
দানৱক মাৰি আৰে গুচাইলা দুৰ্গতি।
কোননো নসাধে প্ৰভু তোহ্মাৰ ভকতি।।৪২৯।।
ঋষিগণে বোলৈ নমি ভৈল মহাৰঙ্গ।
কৰিলেক পাতকী আহ্মাৰ তপভঙ্গ।।
তাক বধি সাধিলা আহ্মাৰ মনোৰথ।
থাপিলা দুনাই জগন্নাথ ধৰ্ম্মপথ।।৪৩০।।
পিতৃগণে বোলৈ নমি নৃসিংহক বাক।
পুত্ৰগণে দেয় শ্ৰাদ্ধ যতেক আহ্মাক।।
দৈত্যেন্দ্ৰ আপুনি ভূঞ্জে সৱে কাঢ়ি নিয়া।
কিনো ৰঙ্গ ভৈল তাৰ বিদাৰিলা হিয়া।।৪৩১।।
নাগগণে বোলৈ নৃসিংহক আগবাঢ়ি।
ভাল ভাল স্ত্ৰীক মানে আনিলন্ত কাঢ়ি।।
সাধিলা আনন্দ তাৰ হৃদয় বিদাৰি।
প্ৰণামো অনন্ত ভকতৰ ভয়হাৰী।।৪৩২।।
বৈতালিকগণে বোলে শুনিয়ো গোসাঁই।
দেৱৰ সভাত ফুৰো তযু গুণ গাই।।

৪১। পা. সোপনে সচেতে/সপোনে সচিতে/স্বপনে সচিতে



তাকো নিষেধিল দুষ্ট দানৱ দুৰ্ব্বাৰ।
তাক মাৰি ব্যাধি যেন গুচাইলা আহ্মাৰ।।৪৩৩।।
পাৰিষদগণে বোলৈ চৰণে নমিলো।
তোহ্মাৰ নৃসিংহ ৰূপ আজিসে দেখিলো।।
তযু ভৃত্য ইটো দৈত্য ভৈল শাপ পায়া।
নমাৰিলা প্ৰভু আক কৰিলাহা দায়া।।৪৩৪।।
এহিমতে আনো দেৱে কৰিলন্ত তুতি।
যুধিষ্ঠিৰ ৰাজাত নাৰদ নিগদতি।।
তথাপি নুগুছে নৃসিংহৰ মহাক্ৰোধ।
দেখি দেৱগণে দেন্ত লক্ষ্মীক প্ৰবোধ।।৪৩৫।।
স্বামীৰ গুছায়ো কোপ জগতৰ মাৱ।
শুনি লক্ষ্মীদেৱী উঠি চালিলন্ত গাৱ।।
নৃসিংহৰ মহা ভয়ঙ্কৰ ৰূপ দেখি।
ডৰে উলটিলা দেৱী মুদি দুয়ো আখি।।৪৩৬।।
পাছে প্ৰহ্লাদক ব্ৰহ্মা লগাইলেক মাত।
নৃসিংহৰ কোপ বাপ কৰা উপশান্ত।
পৰম ভকত তঞি হিৰণ্য তনয়।
বোলা হৰি হৰি হৌক পাপৰ প্ৰলয়।।৪৩৭।।

।। বিংশ কীৰ্ত্তন।।

ঘোষা ।। ও হৰি ৰাম নাৰায়ণ যাদৱানন্দ
দূৰ কৰা মোৰ মায়া।
বিষয় ব্যাধিৰ ঔষধ[৪২] মাগো
ভকতি অমিয়া।।৩৬।।

পদ।। ব্ৰহ্মাৰ বচন সাদৰি প্ৰহ্লাদে
ধীৰে ধীৰে গৈলা চলি।
ভূমিত পড়িয়া বিষ্ণুক নমিয়া[৪৩]
শিৰে ধৰি কৃতাঞ্জলি।।
পাৰত পড়িয়া আছয় প্ৰহ্লাদ
দেখি নৰসিংহে হাসি।
স্নেহত স্ৰৱয় নয়নৰ নীৰ
তুলিলা হাতে উল্লাসি।।৪৩৮।।
হস্তপদ্মে তাৰ পৰশিলা শিৰ
পৰম নিৰ্ভয় দিয়া।
দেখি প্ৰহ্লাদৰ তনু ৰোমাঞ্চিত
আনন্দে দ্ৰৱিল হিয়া।।

৪২। পা. ওষধি
৪৩। পা. আছন্ত প্ৰহ্লাদ



হৰিষে লোতক ঝৰে প্ৰহ্লাদৰ
চৰণ চিন্তিয়া আছে।
যুড়ি দুয়ো হাত গদগদ মাত
তুতি কৰিলন্ত পাছে।।৪৩৯।।
ব্ৰহ্মা সিদ্ধ মুনি আদিও নজানে
পূজিৱে তোহ্মাৰ পাৰ।
কিবা তুতি নতি কৰিবোহো আমি
অসুৰ ক্ৰূৰ স্বভাৱ।।
ধন জন তপ প্ৰভাৱে তোহ্মাক
আৰাধিবে শক্য নাই।
গজেন্দ্ৰে কেৱলে ভকতি কৰিল
পৰম আপদ পাই।।৪৪০।।
যিটো চণ্ডালৰ কায় বাক্য মনে
সদায়ে সুমৰে হৰি।
আছে বাহ্লব্ৰত যিটো ব্ৰাহ্মণৰ
সি সি শ্ৰেষ্ঠ আত কৰি।।
সি সি মহাগৰ্ব্বী বিপ্ৰে আপোনাক
পৱিত্ৰ কৰিবে নাৰে।
ভকত চাণ্ডালে আপোনাকো তাৰে
সমস্ত কুল[৪৪] উদ্ধাৰে।।৪৪১।।

৪৪। পা. পুৰুষ কোটি/ পুৰুষ সৰে

তুমি জগজীৱ তোমাক পূজিলে
মিলৈ আপোনাত যাই।
যেন মুখ শ্ৰীক প্ৰতিবিম্ব মুখে
দেখয় দৰ্পণ চাই।।
হেন জানি মঞিঃ মতি অনুসাৰে
ভজিলো তোহ্মাৰ পাৰ।
ব্ৰহ্মা আদি দেৱ- গণ ডৰে মৰৈ
এড়িয়ো ক্ৰূদ্ধ স্বভাৱ।।৪৪২।।
ভয়ঙ্কৰ কোপ দেখিয়া তোহ্মাৰ
প্ৰভু মোৰ ভয় নাই।
সংসাৰ চক্ৰৰ নিকাৰ দেখন্তে
সদায় ধাতু উড়ায়।।
তোহ্মাৰ চৰণ ছত্ৰৰ ছায়াক
কৈসানিনো দিবা মোক।
কহিয়ো উপায় কিমতে এড়াঞো
নিদাৰুণ দুঃখ শোক।।৪৪৩।।
তযু হস্তপদ্ম শিৰে দিলা মোৰ
কি ভৈল মহা আহ্লাদ।
ব্ৰহ্মা হৰ লক্ষ্মী- দেৱী নতু পান্ত
তেসম্বে হেন প্ৰসাদ।।
সমস্ত ভূতৰে তুমিসি আতমা
হৃদয় পৰম গুৰু।



তথাপি সেৱাৰ অনুসাৰে কৃপা
কৰা যেন কল্পতৰু।।৪৪৪।।
কিমতে ভকতি কৰো পঞ্চেন্দ্ৰিয়ে
পঞ্চদিকে[৪৫] লাগি ধৰে।
যেন গৃহস্থক অনেক সপত্নী
সকলে আকুল কৰে।।
ভৱ বৈতৰণী মাজে মজিলোহো
নেড়ে মোক শোক ভয়।
তোহ্মাৰ চৰণে শৰণ পশিলো
কৃপা কৰা কৃপাময়।।৪৪৫।।
আৰো বহু বিধ স্তুতি কৰি আগে
প্ৰহ্লাদ পড়িয়া আছে।
ভৈলন্ত প্ৰসন্ন ক্ৰোধ ভাৱ এড়ি
হৰি হাসিলন্ত পাছে।।
প্ৰহ্লাদক চাই আনন্দে বোলন্ত
তিনিও লোকৰ স্বামী।
বোলা হৰি হৰি সংসাৰক তৰি
হুয়োক বৈকুণ্ঠগামী।।৪৪৬।।

৪৫। পা. পাঞ্চেন্দ্ৰিয়ে/পাঞ্চদিগি/পাঞ্চদিকি

।। একবিংশ কীৰ্ত্তন।।

ঘোষা ।। স্বামী ৰাম নেৰো আৰ চৰণ তোহ্মাৰ।
দূৰ কৰা সংসাৰ নিকাৰ।। ৩৭।।

পদ ।। বোলন্ত প্ৰহ্লাদ উঠ উঠ।
তোৰ ভক্তিত ভৈলো মঞি তুষ্ট।।
লৈয়ো বৰ তোৰ যেন মন।
বৃথা নোহে মোৰ দৰিশন।।৪৪৭।।
মোক দেখিলেক যিটোজন।
নাহি তাৰ পুনৰাগমন।।
ভকতৰ পূৰো মনোৰথ।
দেঞো কাম মোক্ষ ধৰ্ম্ম অৰ্থ।।৪৪৮।।
এহি বুলি প্ৰলোভন্ত বৰ।
নবাঞ্ছন্ত প্ৰহ্লাদ কুমাৰ।।
ভক্তিসে পৰম লাভ জানি।
বিষ্ণুক বোলন্ত হাসি বাণী।।৪৪৯।।
জানো প্ৰভু পৰীক্ষা আহ্মাক।
সিহেতু বুলিলা হেন বাক।।
বাঞ্ছে ফল কৰি তযু কৃত্য।
সিটো বাণিজাৰু নোহো ভৃত্য।।৪৫০।।



তোহ্মাৰ অকাম ভৃত্য আমি।
তুমিও নিষ্কাম মোৰ স্বামী।।
নাহি কাম আহ্মাৰ অন্যথা।
নুহি ৰাজসেৱকৰ যথা।।৪৫১।।
শুনি নৰসিংহে হাসিলন্ত।
জানো তঞি ভকত একান্ত।।
তথাপিতো ইটো মন্বন্তৰ।
হুয়া থাক দৈত্যৰ ঈশ্বৰ।।৪৫২।।
সদায়ে শুনিবি মোৰ কথা।
মোৰ ৰূপ চিন্তিবি সৰ্ব্বথা।।
কীৰ্ত্তনে পলাইবে পাপচয়।
ভোগ ভুঞ্জি পুণ্য কৰা ক্ষয়।।৪৫৩।।
তোৰ যশ ব্যাপিব জগতে।
ৰাত্ৰি দিনে মোক সুমৰন্তে।।
সৱে কৰ্ম্মবন্ধ হৈব ক্ষীণ।
অন্তকালে মোত যাইবি লীন।।৪৫৪।।
তোৰ মোৰ কথা যিটো নৰে।
তোক মোক সময়ত স্মৰে।।
সিও জনে মোক পাইবে আসি।
প্ৰহ্লাদে মাতন্ত পাছে হাসি।।৪৫৫।।
তযু পাৰে মাগো এক বৰ।
তুমি প্ৰভু জগত ঈশ্বৰ।।

তোহ্মাক নিন্দিলে পিতৃ মোৰ।
সিজিল পাতক মহাঘোৰ।।৪৫৬।।
তাত হন্তে পিতৃ নিস্তৰোক।
এতেক প্ৰসাদ দিয়ো মোক[৪৬]।।
তুমি দীন দয়াশীল দেৱ।
তোহ্মাৰ চৰণে কৰো সেৱ।।৪৫৭।।
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
নেড়িবা কীৰ্ত্তন একো নৰে।।
আজি কালি মিলিবে মৰণ।
হৰি হৰি বোলা সৰ্ব্বজন।।৪৫৮।।

।। দ্বাবিংশ কীৰ্ত্তন।।

ঘোষা ।। ও হৰি নমো দামোদৰ যাদৱানন্দ[৪৭]
দুঃখ নিৱেদিবো কত।
নভৈল ভকতি ইটো মনুষ্য জন্মত[৪৮]।।৩৮।।

পদ ।। নৃসিংহে বোলন্ত হাসি শুনিয়ো প্ৰহ্লাদ।
দিবাক নলাগে তোক ইসৱ প্ৰসাদ।।

৪৬। পা. হেন অনুগ্ৰহ কৰিয়োক
৪৭। পা. ও হৰি নমো দামোদৰ যাদৱ
৪৮। পা. নভৈল ভকতি ইহ মনুষ্য জন্মত



পৰম বৈষ্ণৱ তই পুত্ৰ ভৈলি যাৰ।
একৈশ পুৰুষ তাৰ কৰিলি নিস্তাৰ।।৪৫৯।।
যৈত থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ।
কীট পতঙ্গকো তথা কৰয় পৱিত্ৰ।।
নকৰে প্ৰাণীক হিংসা নাহি একো স্পৃহা।
আমাত অৰ্পণা কৰে আপুনাৰ দেহা।।৪৬০।।
ভকততে শ্ৰেষ্ঠ তই পাইলি বাঞ্ছা সিদ্ধি।
কৰিয়ো পিতৃৰ প্ৰেতকাৰ্য্য যেন বিধি।।
মোতে চিত্ত দিয়া কাৰ্য্য কৰিও সন্তোষে।
তেৱে কি কৰিবে আৰ সংসাৰৰ দোষে।।৪৬১।।
নৃসিংহৰ আদেশে প্ৰহ্লাদ দৈত্যৰাজ।
কৰিলন্ত পিতৃৰ যতেক প্ৰেতকাজ।।
ব্ৰহ্মায়ে দেখন্ত পাছে নৃসিংহ প্ৰসন্ন।
ত্ৰিদশে সহিতে উঠি বুলিলা বচন।।৪৬২।।
দেৱ দেৱ জগন্নাথ কৰো নমস্কাৰ।
পাপীষ্ঠক মাৰি প্ৰীতি সাধিলা আহ্মাৰ।।
মোত বৰ পায়া কাকো কটাক্ষ নকৰে।
আচৰিল দ্ৰোহ মহা দৈত্যে জগতৰে।।৪৬৩।।
তাহান তনয় মহাবৈষ্ণৱ প্ৰহ্লাদ।
গুচাইলা তোহ্মাৰ ক্ৰোধ মিলাইলা আহ্লাদ।।
নৃসিংহে বোলন্ত ব্ৰহ্মা শুনিয়ো উত্তৰ।
আৰোবাৰ দৈত্যক নিদিবা হেন বৰ।।৪৬৪।।

স্বভাৱে দুৰ্জ্জন দৈত্য একোৱে নমানে।
যেন বিষ বাঢ়য় সৰ্পৰ দুগ্ধ পানে।।
এহি বুলি নৰসিংহ ভৈলা অন্তৰ্দ্ধান।
প্ৰহ্লাদে কৰিলা ত্ৰিদশক বহুমান।।৪৬৫।।
প্ৰথমতে ব্ৰহ্মাক নমিলা দৈত্যেশ্বৰ।
শঙ্কৰকো প্ৰণামিলা আত অনন্তৰ।।
জানন্ত বিষ্ণুৰ অংশ আনো যত দেৱ।
একে থানে সৱাক কৰিলা পড়ি সেৱ।।৪৬৬।।
পাছে শুক্ৰ আদি কৰি মুনিগণ যত।
উঠিলন্ত ব্ৰহ্মা লৈয়া সৱাকো লগত।।
প্ৰহ্লাদক কৰাইলন্ত ৰাজ্য অভিষেক।
দিলা সৱে অধিকাৰ পিতৃৰ যতেক।।৪৬৭।।
দৈত্য দানৱৰ ৰাজা ভৈলন্ত প্ৰহ্লাদ।
স্বৰ্গে গৈলা দেৱগণ দিয়া আশীৰ্ব্বাদ।।
শুকমুনি বোলন্ত শুনিয়ো পৰীক্ষিত।
কহিলো তোহ্মাত সৱে প্ৰহ্লাদ চৰিত।।৪৬৮।।
নৃসিংহৰ লীলা ইটো বধ দৈত্যেন্দ্ৰৰ।
প্ৰহ্লাদৰ পুণ্য কথা শুনে যিটো নৰ।।
তাহাৰ মৃত্যুৰ হন্তে নাহি আৰ ত্ৰাস।
অপ্ৰয়াসে ছিণ্ডে সংসাৰৰ কৰ্ম্মপাশ।।৪৬৯।।
শুনা সৰ্ব্বজন কহে কৃষ্ণৰ কিঙ্কৰে।
নাহি আন ধৰ্ম্ম আউৰ কীৰ্ত্তনত পৰে।।



বৈকুণ্ঠক যাইবা যেৱে সংসাৰক তৰি।
নিৰন্তৰে ডাকি ঘুষিয়োক হৰি হৰি।।৪৭০।।
জয় জয় নাৰায়ণ সংসাৰ কাৰণ।
যোগীগণে সেৱা কৰে যাহাৰ চৰণ।।
যাহাৰ মায়াৰ গতি নজানন্ত কেৱ।
হেন হৰি চৰণে কৰিলো মঞি সেৱ।।৪৭১।।
হৰি পদ যুগল ধৰিয়া এক মনে।
কৃষ্ণৰ কীৰ্ত্তন কৰিয়োক সৰ্ব্বজনে।।
হেন জানিয়োক হৰি চৰণেসে গতি।
প্ৰহ্লাদ চৰিত্ৰ এহিমানে সমাপতি।।৪৭২।।

।। প্ৰহ্লাদ চৰিত্ৰ সমাপ্ত।। ৬।।

।। সপ্তম খণ্ড ।।

# ।। গজেন্দ্ৰ উপাখ্যান ।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা ।। ৰাম ৰাম ৰাম। হৰি ৰাম ৰাম।।৩৯।।

পদ ।। ৰাজাক সাদৰি মুনি বুলিলা বচন।
শুনা পৰীক্ষিত কুৰুকুলেৰ নন্দন।।
পৰম মধুৰ মাধৱৰ গুণচয়।
শুনা সাৱধানে হৌক পাপৰ প্ৰলয়।।৪৭৩।।
ক্ষীৰ সাগৰৰ মাজে ত্ৰিকূট পৰ্ব্বত।
প্ৰকাশন্তে আছে তিনি লোকত বেকত।।
সুবৰ্ণ ৰজত লোহা জ্বলৈ তিনি শৃঙ্গ।
চক্ষুত চমক লাগে দেখিতে বিৰিঙ্গ।।৪৭৪।।
আনো যত শৃঙ্গ ৰত্নে কৰৈ তিৰিমিৰি।
দশোদিশ প্ৰকাশিয়া শৌভৈ শুক্লগিৰি।।
অযুত যোজন জুৰি জ্বলৈ গিৰিবৰ।
উচ্ছ্ৰিত দেখিয় দশ হাজাৰ প্ৰহৰ।।৪৭৫।।
ক্ষীৰ সাগৰৰ ঢৌ চৌভিতি উথলে।
পখালে পৰ্ব্বত সুশীতল দুগ্ধজলে।।[৪৯]

৪৯। পা. গন্ধজলে



থানে থানে আছে ভূমি অনেক উদ্যান।
ফুলে জকমক গন্ধে নাহিকে সমান।।৪৭৬।।
নদী নদ অশেষ বিশেষ সৰোবৰ।
স্ফটিক নিৰ্ম্মল জল দেখি মনোহৰ।।
বিদ্যাধৰীসৱে তাতে নামি কৰৈ স্নান।
পখালে শৰীৰ বৰৈ সুগন্ধিত ঘ্ৰাণ।।৪৭৭।।
পৰম আমোদ গন্ধ উথলে সদায়।
দশোদিশ জুৰি তাৰ বায়ু বহি যায়।।
দেখি সুশোভন বৰুণৰ[৫০] উপবনে।
যাত নিতে ক্ৰীড়ে দেৱ দিব্য নাৰীগণে।।৪৭৮।।
শাল তাল তমাল মন্দাৰ পাৰিজাত।
চম্পক অশোক আনো পুষ্প অসংখ্যাত।।
আম জাম লেবু জৰা জামীৰ খাজুৰি।
বেল নাৰিকল তাল তাম্বূল পাকড়ি।।৪৭৯।।
অগৰু চন্দন পদ্ম সৰল সোণাৰু।
আনো যত তৰুতৃণ সৱে কল্পতৰু।।
ছয় ঋতু এক কালে বসন্ত উদয়।
ভ্ৰমৰে গুঞ্জৰে কুলি পঞ্চম পূৰয়।।৪৮০।।
বহয় মলয়া বায়ু আমোদিত মন।
নৃত্য গীত কৰৈ তৈতে অপেস্বৰাগণ।।
হৰি গুণ গীত গাৱৈ গন্ধৰ্ব্ব কিন্নৰে।
পাপ দূৰ হৌক হৰি বোলা নিৰন্তৰে।।৪৮১।।

৫০। পা. তৰু যত

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা ।। ৰাম দামোদৰ হৰে।
সেৱকে কাতৰ কৰে।।৪০।।
পদ ।। বনৰ সিটো বিতোপন নাম।
কহিতে যাহাৰ নাহি উপাম।।
তাহাৰ মাজে সৰোৱৰ এক।
সাগৰ সঙ্কাশ দেখি প্ৰত্যেক।।৪৮২।।
সৱৰ্ণময় পদ্ম আছে জুড়ি।
ভ্ৰমৰে মধু পিয়ে তাতে পৰি।।
ৰাজহংস আদি যতেক পক্ষী।
পৰি পৰি থাকৈ নযায় উপেক্ষি।।৪৮৩।।
কুমুদ ইন্দু উতপল ফুল।
ফুলি আছে গন্ধে নাহিকে তুল।।
চৌভিতি বেঢ়ি আছে তৰুবনে[৫১]।
কহিবে নাম তাৰ কোনজনে।।৪৮৪।।
কদম্ব ৰঘু নাগেশ্বৰ গাছে।
ফুলে ঝকমক বেঢ়িয়া আছে।।
মালতী মধাই জাঁই যূতি যত।
পাৰিজাত মুখ্য বৃক্ষ সমস্ত।।৪৮৫।।
বহবৈ বসন্ত মলয়া বাৰ।
কোকিলে তেজে সুললিত ৰাৱ।।

৫১। পা. উপবনে



সেহি বনমাজে গজেন্দ্ৰ আছে।
অনেক হস্তী ফুৰৈ আগে পাছে।।৪৮৬।।
যতেক বৃক্ষ বেত বাংশ খৰি।
ফুৰন্তে ভাঙ্গি নেয় মড়মড়ি।।
যাৰ গন্ধ পাইলে সিংহো পলায়।
যতেক পশু ডৰে জীৱ যায়।।৪৮৭।।
মদ জল ধাৰা বহিয়া যায়।
ভ্ৰমৰে তাক সেৱৈ সৰ্ব্বদায়।।
চৰন্তে ফুৰন্তে ক্ৰীড়ন্তে যাই।
ৰহিলা গজেন্দ্ৰ ভাগৰ পাই।।৪৮৮।।
দুগুণে পীড়িল ৰবি কিৰণে।
লড়িল দুনাই জলপান মনে।।
পৰ্ব্বত কাম্পে গজেন্দ্ৰৰ ভিৰে।
পদ্মগন্ধ পাইল জলৰ তীৰে।।৪৮৯।।
নামিল গৈয়া সৰোৱৰ মাজে।
চৌভিতি হস্তীসমে গজৰাজে।।
পদ্মৰ ধূলায়ে সুগন্ধি জল।
পিলেক তৃষ্ণায়ে হুয়া বিকল।।৪৯০।।
অগাধ জল আতিশয় জুৰ।
গজেন্দ্ৰ পাৰৈ ঘনে ঘনে বুৰ।।[৫২]

৫২। পা. গজেন্দ্ৰে ঘনে ঘনে পাৰৈ বুৰ।

হস্তিনী সমে কৰৈ জলক্ৰীড়া।
খণ্ডিল সমস্তে ৰৌদ্ৰৰ পীড়া।।৪৯১।।
হস্তী হস্তিনীক কৰাৰৈ স্নান।
পিয়াৰৈ জল গৃহস্থৰ ঠান।।
দায়ায়ে পুত্ৰ ভাৰ্য্যা সমে ৰঙ্গে।
গৰ্ব্বে জলক্ৰীড়া কৰৈ মাতঙ্গে।।৪৯২।।
বিষয় সুখত ভৈলেক ভোল।
নেদেখে মৃত্যু আসি পাইলে কোল।।
জলত গজেন্দ্ৰে ক্ৰীড়ে উল্লাসে।
দেখিল তাক পাছে মহাগ্ৰাসে।।৪৯৩।।
ক্ৰোধে ধায়া আসি দিলে কামোৰ।
সিবেলা দুহানো ভৈল আজোৰ।।[৫৩]
গজেন্দ্ৰক গ্ৰাহে আজুৰি টানে।
হস্তীয়ো গ্ৰাহক আজুৰি আনে।।৪৯৪।।
যতেক বল আছে মানে দিল।
গ্ৰাহ গজেন্দ্ৰৰ যুদ্ধ মিলিল।।
দুইৰো অদভূত যুদ্ধ দেখিত।
ত্ৰিদশ দেৱ ভৈলা ভয়ে ভীত।।৪৯৫।।
দেখন্তে আতিশয় অসদৃশ।
যুজন্তে সহস্ৰ গৈল বৰিষ।।

৫৩। পা. সিবেলা দুইৰো ভৈল যুদ্ধ ঘোৰ।



জগতে আছে এক দৃষ্টি কৰি।
শুনা সভাসদ ঘুৰিও হৰি।।৪৯৬।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা ।। কৃষ্ণ ৰাম জয় জগবন্ধু জগন্নাথ।
কৃষ্ণৰ চৰণে বন্দী ৰৌক মোৰ মাথ।।৪১।।

পদ ।। শুক নিগদতি কথা শুনা নৃপবৰ।
মিলিল অদ্ভূত যুদ্ধ গ্ৰাহ গজেন্দ্ৰৰ।।
আকাশত দেৱগণে দেখন্ত বিস্ময়।
গ্ৰাহ গজেন্দ্ৰৰ কাৰো নাহি ভঙ্গ জয়।।৪৯৭।।
কতো কালে গজেন্দ্ৰৰ বল ভৈল হানি।
গ্ৰাহৰ বাঢ়িল বল পিয়া স্বাদ পানী।।
শ্ৰান্ত ভৈল গজৰাজ যুজিতে নপাৰে।
চিহঁৰৈ হস্তিনীসৱে বেঢ়ি চাৰি পাৰে।।৪৯৮।।
আনো যত দন্তাল স্বামীৰ ঘোৰ দুঃখে।
ৰাখিত নপাৰি কাৰো বাক্য নাসৈ মুখে।।
দেখিয়া গজেন্দ্ৰে আপুনাৰ মৃত্যু ভয়।
ৰাখন্তা নাহিকে আৰ পুত্ৰ ভাৰ্য্যাচায়।।৪৯৯।।
সঙ্কট বেলাত তাৰ সদবুদ্ধি ভৈল।
কি ভৈল কি ভৈল বুলি গুণিবাক লৈল।।

আমি হেন গজেন্দ্ৰ জগতে যাক কহে।
মহাগৰ্বে ভ্ৰমন্তে পাইলেক জলগ্ৰাহে।।৫০০।।
সহস্ৰ বৎসৰ যিটো যুজো অপ্ৰয়াসে।
জানিলোহো বন্দী ভৈলো বিধাতাৰ পাশে।।
আমাক ৰাখিবে আৰে কমন বান্ধৱ।
অন্তকালে গতি মোৰ কেৱলে মাধৱ।।৫০১।।
মহাবলৱন্ত কাল ভূজঙ্গক ভয়ে।
যাক সেৱা কৰন্ত সদায়ে যোগীচয়ে।।[৫৪]
পলায় জগতৰে মৃত্যু যি প্ৰভুক ডৰে।
যাক ভয়ে চন্দ্ৰ-সূৰ্য্য পৱন সঞ্চৰে।।৫০২।।
হেন জগন্নাথ অনাথৰ ইষ্টদেৱ।
হৰি বিনে আৰৰ তাৰন্তা নাহি কেৱ।।
এহি বুলি মৰণত নভৈল বিকল।
শুণ্ডে মেহ্লাই ধৰিলন্ত সুৱৰ্ণ কমল।।৫০৩।।
পৰম আনন্দে মাধৱত দিয়া চিত্ত।
গজেন্দ্ৰে কৰিলা স্তুতি আতি বিপৰীত।।

৫৪। পা. মহাবলৱন্ত কাল ভূজঙ্গক ভয়ে।
যাক সেৱা কৰন্ত ব্ৰজৰ গোপীচয়ে।।



যাক শুনি তৰৈ সুখে ঘোৰ নৰকক।
অন্তকালে পাই হেন মাধৱ বন্ধুক[৫৫]।।৫০৪।।
শুণ্ডে মেহ্লাই পদ্মগোট উপৰক তুলি।
গজেন্দ্ৰে শৰণ লৈলা ত্ৰাহি হৰি বুলি।।
শুনি শীঘ্ৰে চৰি হৰি গৰুড়ৰ স্কন্ধে।
ভকতক ৰাখিবাক আসিলা প্ৰবন্ধে।।৫০৫।।
গৰুড়ৰ নামি হৰি পৰম বিক্ৰমে।
শুণ্ডে ধৰি তৰক তুলিলা গ্ৰাহে সমে।।
চক্ৰ ধৰি তেখনে ছিৰিলা গ্ৰাহ মুখ।
হৰিৰ প্ৰসাদে গজেন্দ্ৰৰ গৈল দুখ।।৫০৬।।
হস্তী গুচি তৈতে চতুৰ্ভূজ ৰূপ ভৈলা।
গলে বনমালা হাতে চাৰি অস্ত্ৰ লৈলা।
কৰিলা প্ৰণাম পাছে দণ্ডৱতে পৰি।
পাৰিষদ হুয়া বৈকুণ্ঠক গৈলা লড়ি।।৫০৭।।
কৃষ্ণ পৰশনে গ্ৰাহো শাপক নিস্তৰি।
দিব্য ৰূপ ধৰিয়া স্বৰ্গক গৈলা লড়ি।।
শুনা কৃষ্ণ কথা জন্ম নকৰিও বৃথা।
হৰিৰ চৰিত্ৰ আত নাহিকে অন্যথা।।৫০৮।।

৫৫। পা. যাক শুনি তৰি ভৱ ভয় অন্ধকূপ।
অন্তকালে পাই সেই মাধৱৰ ৰূপ।।

**দুৰ্ল্লভ মনুষ্য জন্ম পাইবা কত ভাগে।**
**সত্বৰে সংসাৰ সিন্ধু তৰিবাক লাগে।।**
**যত দেখা ধন জন সবে বিষ্ণুমায়া।**
**আকাশত সঞ্চৰে মেঘৰ যেন ছায়া[৫৬]।৫০৯।।**
**** ** **[৫৭]**
**কৃষ্ণ কথা শ্ৰৱণ কীৰ্ত্তনে ভৱ তৰি।**
**হেন জানি সদায়ে ঘুষিয়ো হৰি হৰি।।**
**কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্বলোক।।**
**বোলা হৰি হৰি সবে পাতক চাড়োক[৫৮]।।৫১০।।**

**।। গজেন্দ্ৰ উপাখ্যান সমাপ্ত।।৭।।**

---

৫৬। পা. আকাশত প্ৰকাশে মেঘৰ যেন ছায়া।।
পা. প্ৰকাশে সঞ্চাৰে মেঘৰ যেন ছায়া।।
৫৭। কোনো পুথিত নিম্নোক্ত শাৰী দুটি ৫১০ নং পদৰ প্ৰথমাৰ্দ্ধৰূপে পোৱা যায় ঃ
বিজুলী চমক যেন জীৱন অথিৰ।
পদ্মৰ পত্ৰৰ যেন জল নুহি থিৰ।।
৫৮। কোনো কোনো পুথিত পোৱা নগ'লেও প্ৰায়বিলাক পুথিতেই এই দুটি কলি পোৱা যায়, আৰু ই প্ৰাসঙ্গিক যেন ও লাগে।

।। অষ্টম খণ্ড ।।

# ।। হৰমোহন ।।

## ।। প্ৰথম কীৰ্ত্তন।।

**ঘোষা।। মুখে বোলা ৰাম কৃষ্ণ সনাতন হৰি।**
**হৰিহৰ লীলাকথা শুনা কৰ্ণভৰি।।৪২।।**
**পদ ।।পৰীক্ষিত ৰাজাত কহন্ত মুনি শুকে।**
**কহো কৃষ্ণ কথা শুনা পৰম উৎসুকে।।**
**বিপৰীত স্ত্ৰী-মায়া দেখি মাধৱৰ।**
**শুনা যেন মতে কামাতুৰ ভৈলা হৰ।।৫১১।।**
**শুনিলন্ত হৰে পাছে কথা বিপৰীত।**
**স্ত্ৰীৰূপ ধৰি হৰি হৰিলা অমৃত।।**
**দেৱক ভুঞ্জাইলা দানৱৰ আশা ভঙ্গ।**
**শুনি ত্ৰিনয়নৰ মনত মহা ৰঙ্গ।।৫১২।।**
**নয়নে দেখিবো বিষ্ণু ভৈলা যেন নাৰী।**
**এহি বুলি বৃষভত চড়ি ত্ৰিপুৰাৰী।।**
**লগ লাগি গৌৰীও বহিল স্বামী কাছে।**
**দেখি নন্দী আদি কৰি যত ভৃত্য আছে।।৫১৩।।**
**কৈলাস ছানিয়া সবে কোবাবৈ নিশান।**
**দণ্ডে ছত্ৰে বাদ্যে ভণ্ডে ধৰিল যোগান।।**

আকাশৰ পথে গৌৰীনাথ গৈলা লড়ি।
বিষ্ণুৰ পুৰীক আণ্টাইলেক দৰদৰি।।৫১৪।।
বৃষভৰ নামি হৰ আৰো গৌৰী মাৰ।
বিষ্ণুক সাদৰি দুয়ো ভৈলা ভূমিপাৰ।।
মাধৱৰ মন্দিৰক দূৰতে আকলি।
প্ৰণামিলা শঙ্কৰে কৰিয়া কৃতাঞ্জলি।।৫১৫।।
ৰত্নৰ মন্দিৰে সুৱৰ্ণৰ সিংহাসনে।
কৰন্ত প্ৰকাশ বহি প্ৰভু নাৰায়ণে।।
সুনন্দ কুমুদ নন্দ পাৰিষদগণ।
চতুৰ্ভিতি বেঢ়ি সেৱৈ কৃষ্ণৰ চৰণ।।৫১৬।।
জগতজননী লক্ষ্মী আছন্ত উপাসি।
শঙ্কৰক দেখি হৰি তুলিলন্ত হাসি।।
বসিবাক লাগি হৰি দিয়াইলা আসন।
সভাৰ্য্যে বসিল তাতে দেৱ ত্ৰিনয়ন।।৫১৭।।
আদৰিল হৰি যেন বিধি ব্যৱহাৰ।
কৰিলা পাৰ্ব্বতী সমে শিৱক সৎকাৰ।।
শঙ্কৰে কৰিলা হৃষীকেশক সেৱলি।
আৰম্ভিলা তুতি পাছে কৰি কৃতাঞ্জলি।।৫১৮।।



।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।।ত্ৰাহি ৰাম নিৰঞ্জন নিৰাকাৰ হৰি।
কৰা কৃপা নাথ সেৱকৰ মন পূৰি।।৪৩।।
পদ ।।নমো নমো মাধৱ বিধিৰ বিধিদাতা।
তুমি জগতৰ গতি মতি পিতা মাতা।।
তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোহ্মাত ব্যতিৰেক।।৫১৯।।
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ।।
তুমি পশুপক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখৈ ভিন্ন ভিন্ন।।৫২০।।
তোমাৰেসে মায়ায়ে মোহিত সৰ্ব্বক্ষণে।
তুমি আত্মা তোহ্মাক নজানে একোজনে।।[৫৯]
সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ত্ব নপাই তোহ্মাক বিচাৰে বাহিৰত।।৫২১।।
তুমিসে কেৱলে সত্য মিছা সৱে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান।।
নমাগোহো সুখভোগ নলাগে মুকুতি।
তোহ্মাৰ চৰণে মাত্ৰ থাকোক ভকতি।।৫২২।।

৫৯। পা. মূঢ়জনে

মুখে লৌক নাম মোৰ কৰ্ণে তৱ কথা।
হৃদয়ত পাদপদ্ম থাকোক সৰ্ব্বথা।।
সজ্জনৰ সঙ্গ নুগুচোক সৰ্ব্বক্ষণে।
এতেক প্ৰসাদ মাগো তোম্মাৰ চৰণে।।৫২৩।।
শুনা যি কাৰণে আইলো গোচৰ তোম্মাৰ।।
দেখি আছো তোম্মাৰ বিৱিধ অৱতাৰ।।
সম্প্ৰতি ধৰিলা প্ৰভু যিটো নাৰীৱেশ।
তাক দেখিবাক লাগি আইলো হৃষীকেশ।।৫২৪।।
যিটো নাৰীৱেশ ধৰি মুহিলা দানৱ।।
দেৱৰ অমৃত পান সাধিলা মাধৱ।।
সেহি নাৰীৱেশ দেখিবাক অভিলাষে।
কৌতূহলে সভাৰ্য্যে আসিলো তযু পাশে।।৫২৫।।
ভৃত্য হেন জানি যদি মোক আছে দায়া।
দেখায়ো আমাক কেনমত তিৰীমায়া।।
ভকতৰ মনোৰথ কৰিয়ো পূৰণ।
হেন শুনি হাসি মাতিলন্ত নাৰায়ণ।।৫২৬।।
দৈত্যে নিলে অমৃত দেৱৰ দেখি ক্লেশ।
সিকাৰণে শঙ্কৰ ধৰিলো নাৰীৱেশ।।
কামুকজনৰ তাত মহা কুতূহল।
তুমি মহাযোগীৰ দেখিবে কোন ফল।।৫২৭।।
ঘোৰ নাৰীমায়া সব মায়াতে কুৎসিত।
মহা সিদ্ধ মুনিৰো কটাক্ষে হৰৈ চিত্ত।।



দৰশনে কৰৈ তপ জপ যোগ ভঙ্গ।
জানি জ্ঞানীগণে এড়ে কামিনীৰ সঙ্গ।।৫২৮।।
সিটো স্ত্ৰী-ৰূপক দেখিবা কোন কাজে।
তুমি ভোল ভৈলে হাসিবেক সামৰাজে।।
এতেকেসে বোলো ক্ষমা কৰা পশুপতি।
হেন শুনি হাসি হৰে হৰিত বদতি।।৫২৯।।
মহাযোগবলে শুদ্ধ কৰি আছো কায়া।
ব্ৰহ্মময় দেখো কি কৰিবে পাৰৈ মায়া।।
দহি আছো মদনক আৰো শঙ্কা নাই।
মাধৱে মাতিলা হাসি শঙ্কৰক চাই।।৫৩০।।
দেখাইবো তোম্মাক আজি সেহি তিৰীৱেশ।
এহি বুলি অন্তৰ্দ্ধান ভৈলা হৃষীকেশ।।
আগত নাহিকে হৰি ভৈলা কোন ভিতি।
চতুৰ্ভিতি চান্ত হৰে পাৰ্ব্বতী সহিতি।।৫৩১।।
বিদূৰক লাগি হৰে চান্ত হুয়া থিয়।
চাপৰি চাহন্ত নেত্ৰ বলাই সদাশিৱ।।
উঠন্ত বৈসন্ত মাত্ৰ কৰে উসমিস।
কৈক গৈলা কৃষ্ণ একো নপান্ত উদ্দিশ।।৫৩২।।
এহিমতে চান্ত হৰে আকুলিত ভাৱে।
ভণিল শঙ্কৰে গোৱিন্দৰ দুই পাৱে।।
শুনা সৰ্ব্বজনে মহাভাগৱত পদ।
বোলা হৰি হৰি ডাকি খণ্ডোক আপদ।।৫৩৩।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।।জয় জয় ৰাম[৬০] জয় ছিৰীৰাম[৬১]
জয় সনাতন হৰি।।৪৪।।

পদ ।। পাছে ত্রিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান।
ফল ফুল ধৰি জকমক কৰি
আছে যত বৃক্ষমান।।
শিৰীষ সেউতী তমাল মালতী
লৱঙ্গ বাগী গুলাল।
কৰবীৰ বক কাঞ্চন চম্পক
ফুলভৰে ভাগে ডাল।।৫৩৪।।
শেৱালি নেৱালী পলাশ পাৰলি
পাৰিজাত যুতি জাই।
বকুল বন্দুলি আছে ফুলি ফুলি
তাৰো সীমা সংখ্যা নাই।।
কনৌৰ[৬২] কনাৰী কদম্ব বাবৰি
নাগেশ্বৰ সিংহচম্পা।[৬৩]

৬০। পা. জয় হৰি ৰায়; ৬১। পা. জয় শ্ৰীৰাম
৬২। পা. কনৌজ; ৬৩। পা. সুনিচম্পা



অশোক অপাৰ দৱনা[৬৪] মন্দাৰ
মণিৰাজ ৰাজচম্পা।।৫৩৫।।
কুন্দ কুৰুবক কেতেকী তগৰ
গন্ধে মোহে বহুদূৰ।
গুটিমালী ভেণ্টি ৰাঙ্গল ৰেৱতী
মৰুৱা মধাই ধুস্তুৰ।।
চন্দন অগৰু দিব্য কল্পতৰু
দেৱদাৰু পদ্মবচি[৬৫]।
প্রতি গাছে গাছে ভিণ্ডা বান্ধি আছে
সুৱৰ্ণ মাণিকে খচি।।৫৩৬।।
মণি মৰকত থলী নানা মত
দীপ্তি কৰৈ তাৰ কাছে।
মহা মনোহৰ দীঘি[৬৬] সৰোৱৰ
তাৰ মাজে মাজে আছে।।
চাৰিও কাষৰে পৱাল বাখৰে
বান্ধিছে বিচিত্র কৰি।
বৈদূৰ্য্যৰ বাট ফটিকৰ ঘাট
মৰকত খাটখৰি।।৫৩৭।।
সুৱৰ্ণ কমল ভেট উতপল
ফুলি ফুলি আছে ৰঞ্জি।

৬৪। পা. দেৱনা; ৬৫। পা. পদ্মবসি; ৬৬। পা. দিব্য

শোভে চক্ৰৱাক ৰাজহংস জাক
মৃণাল ভূঞ্জৈ উভঞ্জি।।
কোঢ়া[৬৭] কঙ্ক বক বিবিধ চটক
ভ্ৰমন্ত নিৰ্ভয় ভাৱ।
অমৃত সমান জল কৰি পান
তেজৈ সুললিত ৰাৱ।।৫৩৮।।
চাৰিও পাৰত দিব্য পুষ্প যত
গন্ধে দশোদিশ ভাসে।
অনেক ভ্ৰমৰে বেঢ়িয়া গুঞ্জৰে
মধুপান অভিলাষে।।
যত দিব্য পক্ষী ফল ফুল ভক্ষি
কাঢ়য় সুস্বৰ ৰাৱ।
কুহু কুহু ধ্বনি কোকিলৰ শুনি
বহয় মলয়া বাৱ।।৫৩৯।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। এ হৰি নাৰায়ণ।।৪৫।।
পদ ।। হেন দিব্য উপবন[৬৮] দেখিলন্ত ত্ৰিনয়ন
দিব্য কন্যা এক আছে তাতে।

৬৭। পা. কোণ্টা/ কোণ্ডা; ৬৮। পা. হেন মহা দিব্যবন



কোটি লক্ষ্মী সম নোহে কটাক্ষে ত্ৰৈলোক্য মোহে
ভণ্টাখেৰি খেলে দুয়ো হাতে।।
তপ্ত সুৱৰ্ণৰ সম জ্বলৈ দেহা নিৰুপম
ললিত বলিত হাতপাৱ।
চক্ষু কমলৰ পাসি মুখে মনোহৰ হাসি
সঘনে দৰশৈ কামভাৱ।।৫৪০।।
উৰ্দ্ধক ক্ষেপন্ত ভণ্টা কৰন্ত কটাক্ষ ছটা
লীলাগতি দেখাই ফুৰৈ পাক।
সোলকৈ উচ্চল খোপা খসৈ পাৰিজাত থোপা
বাম হাতে সম্বৰন্ত তাক।।
কৰ্ণত কুণ্ডল দোলৈ স্তন হলফল কৰৈ
গলে ৰত্নমালা ঝিকি পাৰে।
সুৱৰ্ণ কঙ্কণ ধ্বনি কৰৈ ৰুণঝুন শুনি[৬৯]
প্ৰকাশে হৃদয়ে হেমহাৰে।।৫৪১।।
কণ্ঠে লোলে সাতসৰী লয়লাসে কাঢ়ে ভৰি
আগবাঢ়ি পাছ গুচি যান্ত।
পিন্ধি শাড়ী খোণ্টাজালি[৭০] যেন মৈৰা কৰৈ চালি
হৰক কটাক্ষ কৰি চান্ত।।
দৰশান্ত কাষ পিঠি ক্ষণোহো সমুখ দৃষ্টি
চাহি লাজে যান্ত চক্ষু মুদি।

৬৯। পা. সুৱৰ্ণ কঙ্কণগণ সিও কৰে ৰুণঝুন
৭০। পা. খোণ্টজালি/ নেত ঘোণ্টাজালি/ ফোণ্টাজালি

ভ্ৰমন্ত অনেক ভাৱে উৰুৱাৰৈ বস্ত্ৰ বাৰে
উচ্চ কুচকুম্ভ[৭১] হোৰে উদি।।৫৪২।।
কঙ্কালে কিঙ্কিণী বাজে চৰণ কমল মাজে
ৰত্নৰ নূপুৰ ৰুণঝুন।
হালৈ অতি মধ্যদেশ সংসাৰ মোহিনী বেশ[৭২]
একো অঙ্গে নাহি খতিখুণ।।
মুখ চন্দ্ৰ সম শোভে পদ্মৰ সুৰভি লোভে
বেঢ়ি মধুকৰে কৰৈ ৰোল।
শৰীৰৰ লাস বেশ নেত্ৰৰ কটাক্ষ ঠেস
দেখি শম্ভু আতি ভৈলা ভোল।।৫৪৩।।
পূৰ্ব্ব শত্ৰু হেন জানি কামদেৱে বাণ হানি[৭৩]
মনক মৰ্দ্দিল মহেশৰ।
নাহি শ্ৰুতি বুদ্ধি জ্ঞান কামানলে দহে প্ৰাণ[৭৪]
লাজ কাজ এড়িলা শঙ্কৰ।।
সৱে যোগ ধ্যান গৈল কন্যাক মাতিবে লৈল
প্ৰাণেশ্বৰী চাপ মোৰ পাশ।।
আযাৰেক মাত মোক জন্মৰ সফল হৌক
দেখি থাকো তোৰ লয়লাস।।৫৪৪।।
আৰ কি তোহ্মাত বাজ মোক্ষতো নাহিকে কাজ
আৰ কোন ছাৰ স্বৰ্গসুখ।

৭১। পা. কুৎসস্তম্ভ; ৭২। পা. লাৱণ্যবেশ
৭৩। পা. কামদেৱে শৰ হানি; ৭৪। পা. শোষে প্ৰাণ



তুমি বিনা নাহি আন তুমি মোৰ যোগ ধ্যান
থাকিবো তোহ্মাৰ চাই মুখ।
নকৰ মানিনী মান মদনে দহৰে প্ৰাণ[৭৫]
বোল বান্ধৈ আশ্বাস আমাক।
বোলন্ত অনেক বোল কন্যাতেসে হুয়া ভোল
পাসৰিল পাশতে উমাক।।৫৪৫।।
যত আছে ভূতগণ কাহাতো নেদন্ত মন[৭৬]
কেৱল কন্যাত মাত্ৰ হিয়া।
স্বামীৰ দেখিয়া ভাৱ হাসন্ত পাৰ্ব্বতী মাৱ
চাপৰি মুখত বস্ত্ৰ দিয়া।।
আনো যত অনুচৰ বৈলখিল নিৰন্তৰ
শঙ্কৰৰ দেখি হেন কাম।
শুনা সমজ্যাৰ লোক[৭৭] কলিত সুমতি হোক
ডাক ছাড়ি বোলা ৰাম ৰাম।।৫৪৬।।

।। পঞ্চম কীৰ্ত্তন।।

ঘোষা।। দেহু দেখা ৰাম নয়ন ভৰি চাঞো[৭৮]।
অৰুণ পাৱৰ বালাই লৈয়া মৰি যাঞো[৭৯]।।৪৬।।
পদ ।। শুক নিগদতি শুনিয়োক ৰাজা পাছে।
হৰক নমাতি কন্যা এহিমতে আছে।।

৭৫। পা. দহয় প্ৰাণ; ৭৬। পা. কাহাতো নাহিকে মন;
৭৭। পা. শুনা সামাজিক লোক; ৭৮। পা. চাওঁ; ৭৯। পা. যাওঁ

ভণ্টা খেড়ি খেলন্তে হাতৰ পৰা উড়ি।[৮০]
গৈল বেগে গুটি কতো দূৰক উফৰি।।৫৪৭।।
তাক খেদি যান্তে কন্যা বেগ ধৰি ধাই।
কটিৰ বসন বায়ু নিলে উড়ুৱাই।।
ভৈল তনু উদাস বেকত গুপ্ত অঙ্গ।
লাজে আণ্ঠু সাৰটি কৰন্ত অঙ্গ ভঙ্গ।।৫৪৮।।
হুয়া কুজী জুমুৰী অঙ্কক হাতে ঢাকি।
লাজে চকু মুদি কতো অধোমুখে থাকি।।
আঁৰ হুইবে লাগি ওচৰত নাহি গাছ।
হাস্য কৰি কতো টেৰ কৰি চান্ত পাছ।।৫৪৯।।
দৰশান্ত ভাৰ শঙ্কৰৰ মোহ হেতু।
দেখিলা কন্যাৰ গুপ্ত অঙ্গ বৃষকেতু।।
ভৈলন্ত বিমোহ মন মদনে দহয়।
পাৰ্ব্বতীক লাগি এড়িলন্ত লাজ ভয়।।৫৫০।।
বহ্নিৰ সংযোগে যেন উথলিল ঘৃত।
দুঃসহ মদন শৰে জৰ্জ্জৰিত চিত্ত।।
একো নেদেখন্ত কামাতুৰ ভৈলা বৰ।
কন্যাক ধৰিবে লাগি দিলেক লৰৰ।।৫৫১।।
খটমট কৰি বাজে গলে মূণ্ডমাল।
কঙ্কালৰ সুলকি পৰিল বাঘছাল।।

৮০। পা. খেলাৰন্তে খেৰি হাতৰপৰা পৰি।



ভৈলন্ত উলঙ্গ তাকো নচান্ত চাপৰি।
দেখি পলাইবাক লৈলা কন্যায়ো লৰৰি।।৫৫২।।
হাসি লাজে আঁৰ হোন্ত ইগাছে সিগাছে।
ভোল হুয়া শঙ্কৰো খেদন্ত পাছে পাছে।।
হস্তিনীক যেন মত্ত হস্তী যায় খেদি।
পলান্ত সুন্দৰী শঙ্কৰক লাগ নেদি।।৫৫৩।।
প্ৰাণ যায় শঙ্কৰৰ কাম উতপাতে।
মহাবেগে খোপাত ধৰিলা বামহাতে।।
ৰহ প্ৰাণেশ্বৰী বুলি কৰি আলিঙ্গন।
মহাকাম ভোলে দিলা মুখত চুম্বন।।৫৫৪।।
আৰিমুৰি কৰৈ কন্যা নথাকৈ থমকি।
বাহুৰ মাজৰ পৰা পড়িল হুসকি।।
দুনাই লৰড় দিল বিমুকুত কেশে।
পাছত খেলন্ত হৰে উলঙ্গত বেশে।।৫৫৫।।
পাকত আন্তৰি যান্ত শৰীৰ দেখাই।
কতো আঁৰ হোন্ত কন্যা হাসি মুচুকাই।।
কতো ঘন তনভাৰ ছলে দেখাই যান্ত।
ৰহ প্ৰাণেশ্বৰী বুলি শঙ্কৰে চেণ্ডান্ত।।৫৫৬।।
নাহি শ্ৰুতি বুদ্ধি যেন বাতুল লক্ষণ।
নাৰীময় দেখন্ত সমস্তে বৃক্ষগণ।।
দাৰুণ মদন বাণে কৰৈ লটিঘটি।
কন্যা বুলি ধৰিলন্ত বৃক্ষক সাৰটি।।৫৫৭।।

### ।। ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।। ইবাৰ কৰুণাময় নকৰা নৈৰাশ।
ছোড়া মায়া[৮১] কৰা দয়া ভৈলো তয়ু দাস।।৪৭।।

পদ ।। ইবাৰ নেৰস প্ৰাণেশ্বৰী যাইবি কই।
চেঞ্চান্ত বিস্মৃতি[৮২] কামবাণে মূৰ্চ্ছা গই।।
হৰস বদনে বান্ধে দিয়ো মোক চুমা।
কৰা আলিঙ্গন কি কৰিতে পাৰে উমা।।৫৫৮।।
কিয়নো নেদস প্ৰাণেশ্বৰী মোক লাগ।
যেহি লাগে সেহি দিবে পাৰো মোত মাগ।।
কৈলাসৰ পাতিবো তোহোঁক[৮৩] অধিকাৰী।
সেৱা কৰি থাকিবে যতেক দিব্যনাৰী।।৫৫৯।।
নকৰিবো দ্বন্দ্ববাদ নপাৰিবো গালি।
ময়ো দাস তোহ্মাৰ থাকিবো আজ্ঞা পালি।।
তোহ্মাৰেসে কৰি দিবো পাৰ্ব্বতীক চেড়ী।
আউৰ যে নযাস প্ৰাণেশ্বৰী মোক এড়ি।।৫৬০।।
দেখিবে নৰাৰা যেৱে আহ্মাৰ কুৱেশ।
জটাকো মুণ্ডাঞো তেৱে কৰিয়ো আদেশ।।
সৰ্প গুচাই পিন্ধো আনি দিব্য অলঙ্কাৰ।
মুণ্ডমালা গুচাই আঁৰো গলে হেমহাৰ।।৫৬১।।

৮১। পা. ছোড়মায়া; ৮২। বিশ্ৰুত; ৮৩। পা. তোহ্মাক



বাঘছাল এড়ি পিন্ধো দেৱাঙ্গবসন।
ভষ্ম গুচাই গাৱে ঘষো অগৰু চন্দন।
যেহি লাগে বোল বান্ধে সৱে মঞি কৰো।
মুখ চাই নমাত সম্যকে আতে মৰো[৮৪]।।৫৬২।।
কতনো কৰিলো তোৰ ঘোৰ অপৰাধ।
এভো যেন কৰ বান্ধে বচন নবাধ।
দান্তে খেৰ কামোৰো সাৰট হাত মেলি।
তোৰ মোৰ হৌক ক্ৰীড়া কৌতুহল কেলি।।৫৬৩।।
স্ত্ৰী বুলি বৃক্ষক চুম্বন্ত আঙ্কোৱালি।
দেখিয়া হাসন্ত নাৰীৰূপে বনমালী।
অনন্তৰে হৰে চক্ষু মেলি চাইলা পাছে।
দেখন্ত নোহন্ত কন্যা ধৰি আছে গাছে।।৫৬৪।।
তাক এড়ি সুন্দৰীক খেদন্ত দুনাই।
যেন মত্ত হস্তী হস্তিনীক খেদি যায়।।
লাগ নেদি ৰমণীও পলান্ত লৰৰড়ি।
মহাবেগে শঙ্কৰে খেদন্ত ভৰি ভৰি।।৫৬৫।।
নযায় নুপুহায় মদনৰ উতপাতে।
পাইলো পাইলো বুলি কতো চাব দেন্ত হাতে।।
অঙ্গুলিৰ আগে যেন চোৰৈ উচ্চকুচ।
আন্তৰন্ত কন্যা হৰ পড়ি যান্ত মূছ[৮৫]।।৫৬৬।।

৮৪। পা. মুখ চাই নমাত আতেসে বৰ হাৰো।।
৮৫। পা. মূৰ্চ্ছা/ মূৎস/ মূৰ্চ্ছ

পুৰাতন শত্ৰু কামদেৱে ছিদ্ৰ পাই।
প্ৰহাৰন্ত পুষ্পবাণ দুনাই দুনাই।।
মদনৰ শৰে হৰ হৃদয়ত ফুটি।
মহাদুঃখে মাটিত পাড়ন্ত লোটা লুটি।।৫৬৭।।
কতো উঠি কন্যাক কৰন্ত কাউবাউ।
আঙ্গুলি মুখত কৰো পালটিয়া চাউ।।
তোৰেসে নিমিত্তে কৰে মদনে দগধ।
মই যেৱে মৰোঁ তোত লাগিবেক বধ।।৫৬৮।।
মহাপাপ প্ৰাণীবধ তাকো শঙ্কা নাই।
কোননো সাধিবি স্বৰ্গ আহ্মাক মৰাই।।
এভো পাশ চাপ আসি কৰো আলিঙ্গন।
তোহোৰ সফল হৌক এ নৱ যৌৱন।।৫৬৯।।
নেদেখয় কেৱে বান্ধৈ কিয় কৰ লাজ।
নাহি আন পুৰুষ নিৰ্জ্জন বন মাজ।
তই যেৱে নাসস আপুনি চাপো কোল।
এহি বুলি লাসে লাসে যান্ত হুয়া ভোল।।৫৭০।।

।। সপ্তম কীৰ্ত্তন।।

ঘোষা।। প্ৰাণ হৰি নেয় বুলি ডাক ছাড়ে ত্ৰিপুৰাৰি।
হৰক মুহিয়া যান্ত মোহন মুৰাৰি।।৪৮।।
পদ ।। দেখি হাসি সুন্দৰী পলান্ত লাগ নেদি।
নযা নযা বুলি বৃষধ্বজে যান্ত খেদি।।



গিৰি গুহা বন নদ নদী সৰোৱৰ।
খেদিয়া ফুৰন্ত হৰে দ্বীপ দ্বীপান্তৰ।।৫৭১।।
আছে ঋষিগণৰ আশ্ৰম যত যত[৮৬]।
পলান্তে খেদন্তে দুয়ো প্ৰৱেশিলা তাত।।
মদনৰ পীড়াত এড়িলা হৰে লাজ।
খেদিয়া ফুৰন্ত আশ্ৰমৰ মাজে মাজ।।৫৭২।।
আউল জাউল হুয়া চক্ষু ঢাকৈ জঁটে।
বিৰস্ত্ৰে কন্যাক হৰে খেদে উলঙ্গতে।।
দেখি ঋষি পত্নীগণে হাসৈ নিৰন্তৰে।
কেহো মুখে বস্ত্ৰ দিয়া পশৈ অভ্যন্তৰে।৫৭৩।।
উন্মত্ত পাগল কিনো ভৈলা মহাদেৱ।
কেনমতে আঙ্ক সুৰাসুৰে কৰে সেৱ।।
উলঙ্গতে খেদন্ত কাহাৰ বউ জীউ।
লাজ কাজ মৰ্য্যাদা এড়িল সদাশিউ।।৫৭৪।।
এহি বুলি জুমাজুমি হাসৈ সৱে সখী।
ঋষিগণো শঙ্কৰক কামাতুৰ দেখি।।
বিষ্ণু বিষ্ণু স্মৰি সৱে চপৰাইলা মাথ।
কিনো বিপৰ্য্যয় ভোল ভৈলা গৌৰীনাথ।।৫৭৫।।
কোহোঁ বোলে শঙ্কৰৰ কোনে মায়া বুজা।
পাদ্য অৰ্ঘ্য দিয়া আগবাঢ়ি কৰো পূজা।।

---
৮৬। পা. অসংখ্যাত

এহি বুলি উঠি যান্ত কতো ঋষিগণ।
লৰড়ন্তে কৰযোড়ে বোলন্ত বচন।।৫৭৬।।
তুমি চৰাচৰ গুৰু জগতৰ বাপ।
সৰ্ব্বজান হুয়া আৰে কৰা হেন পাপ।।
ক্ষেণেক বিশ্ৰাম কৰা আহ্মাৰ থানত।
যতেক বোলন্ত মানে নপশৈ কাণত।।৫৭৭।।
কামিনী হৰিলে চিত্ত কামে ভৈলা ভোল।
নুশুনন্ত শঙ্কৰে ঋষিৰ মাতবোল।।
ৰমণীৰ পাছে পাছে ফুৰন্ত লৰড়ি।
গাৱ দেখাই সুন্দৰী পলান্ত ভৰি ভৰি।।৫৭৮।।
নপাৰন্ত লাগ তান নাহি সুখ শান্তি।
খেদন্তে খেদন্তে হৰ ভৈলা হাৰাশান্তি।।
উগুল থুগুল মন মদনে বিকল।
বহিবে লাগিল শঙ্কৰৰ বিন্দুজল।।৫৭৯।।
হস্তিনীক খেদন্তে হস্তীৰ যেন স্ৰবৈ।
যেন গিৰি শিখৰৰ গেৰু ধাৰা ববৈ।।
এহিমতে শঙ্কৰৰ বিন্দু যাই পড়ি।
দেখি ঋষিগণো আন্তৰিল তাঙ্ক এড়ি।।৫৮০।।
পিঠি দিয়া কতো সুমৰন্ত হৰি ৰাম।
মহাযোগী শঙ্কৰ আহান হেন কাম।।
এহি বুলি ঋষিগণ গৈলা ঘৰাঘৰি।
সুমৰিয়া হৃষীকেশ ৰাম কৃষ্ণ হৰি।।৫৮১।।



### ।। অষ্টম কীৰ্ত্তন।।

ঘোষা।। এ হৰি কি প্ৰাণ হৰি পশিলো শৰণে।
কৰা কৃপা নাথ মোক অৰুণ চৰণে।।৪৯।।

পদ ।। যৈত যৈত শঙ্কৰৰ বিন্দু পৰি গৈল।
ভূমি গুচি তেখনে সুবৰ্ণময় ভৈল।।[৮৭]
যেহি বৃক্ষ লতাক বিন্দুৰ ছটা ছোৱে।
কাষ্ঠ গুচি তেখনে সুৱৰ্ণময় হোৱে।।৫৮২।।
তথাপি খেদন্ত হৰ হুইয়া উলঙ্গত।
পাক ফুৰি পাইল গৈয়া বৈকুণ্ঠ নিকট।।
পড়িয়া আণ্টাইল যেৱে বিন্দু আছে যত।
তেৰেসে চেতন ভৈল হৰৰ গাৱত।।৫৮৩।।
চাপৰি চাহন্ত ছাল নাহিকে কটিত।
লাজে অধোমুখ হুইয়া বসিল মাটিত।।
পাছে ব্ৰহ্মজ্ঞান চিন্তি চিত্ত স্থিৰ কৰি।
নাক কাণ ছুইয়া সুমৰন্ত ৰাম হৰি।।৫৮৪।।
মদনৰ পীড়াক এড়িয়া মহাযোগী।
ব্যাধিৰ সকাশ পাইলা যেন চিৰৰোগী।।
গ্ৰহ গুচি গৈলে যেন স্বস্থ হোৱে বাউল।[৮৮]
মনত গুণন্ত বসি জগতৰ ৰাউল[৮৯]।।৫৮৫।।

---
৮৭। পা. মাটি গুচি শুদ্ধ সুৱৰ্ণৰ ভূমি ভৈল।
৮৮। পা. সূৰ্য্য; ৮৯। পা. পূজ্য

মোৰ কাজে আজি হসুৱাইলো ত্ৰিভুৱন।
কেনমতে পতিয়াইবো পাৰ্ব্বতীৰ মন।।
বুলিবেক ফুৰিলা কাহাৰ নাৰী সঙ্গে।
গৃহত পশিৰে বান্ধে নেদিবন্ত খঙ্গে।।৫৮৬।।
লঘু ভৈলো মাধৱৰ নুশুনিলো হাক।
উমাৰ আগত চাটু বুলিলো কন্যাক।।
এৱে কেনমতে তান আগে হৈবো থিয়।
কৰন্ত অশেষ চিন্তা দেৱ সদাশিৱ।।৫৮৭।।
বিচাৰি চাহিলে দোষ নাহিকে আম্মাৰ।
যাৰ মায়া পাশে বদ্ধ সমস্ত সংসাৰ।।
হেন হৰি মুহিলা আপুনি নাৰী হুই।
আত অনুশোচ আৰে কৰো কোন মুই।।৫৮৮।।
কটাক্ষতে স্ৰজন্ত ব্ৰহ্মাণ্ড কোটি কোটি।
এগোটা ডিম্বৰ মঞি ৰুদ্ৰ এক গুটি।।
যাহাৰ অঙ্গত চৰাচৰ ভৈল বাজ।
হেন হৰি মুহিলা ইহাত কোন লাজ।।৫৮৯।।
বিষ্ণুৰ আগত মঞি পৰম অজ্ঞানী।
জিনিলো মায়াক বুলিলোহো গৰ্ব্ববাণী।।
ইসে অহঙ্কাৰে কৰে হৃদয়ত তাপ।
হৰি হৰি স্মৰণে খণ্ডোক ইটো পাপ।।৫৯০।।
এহি বুলি মৌন ভৈলা দেৱতা ঈশান।
কৰিবে লাগিলা মনে মাধৱক ধ্যান।।



শুনা সৰ্ব্বজন মন কৰা উপশাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম।।৫৯১।।

।। নৰম কীৰ্ত্তন।।

ঘোষা।।বান্ধৱ মাধৱ দেৱ হৰি।[৯০]
কৰা কৃপা দোষ ক্ষমা কৰি।।৫০।।

পদ ।।অনন্তৰে দেৱহৰি দুনাই নিজৰূপ ধৰি
শঙ্কৰৰ আগে উপসন।
মুখে কৰি অল্পহাসি হৰক সম্বোধি আসি
বুলিলন্ত প্ৰশংসা বচন।।
শুনা শুনা শূলপাণি জানো তুমি মহাজ্ঞানী
তৰিলা দুস্তৰ মায়া ঘোৰ।
তুমিসে তত্ত্বক জানা নাহি আৰ তুমি বিনা
আৰৰ পৰম প্ৰিয় মোৰ।।৫৯২।।
শুনা শুনা জ্ঞানশালী তোম্মাৰেসে বাক্যপালি
দেখাইলো দুস্তৰ স্ত্ৰী-মায়া।
আত নকৰিবা খেদ কিঞ্চিতো নাহিকে ভেদ
তোমাৰে আমাৰে একে কায়া।।
শুনা ভূতনাথ হৰ তুষ্ট হুয়া দেঞো বৰ
হৌক মায়া তোমাৰ অধীন।

৯০। পা. মাধৱ মাধৱ দেৱ হৰি।

সুখে থাকি নিজ থানে মহাকল্প অৱসানে
মোহোৰ শৰীৰে যাইবা লীন।।৫৯৩।।
এহি বুলি বনমালী শঙ্কৰক আঙ্কোৱালি
সমজ্যাক নিলন্ত সাদৰি।
কৰিলন্ত সতকাৰ দিব্য বস্ত্ৰ অলঙ্কাৰ
পাৰ্ব্বতীক দিলা মান্য কৰি।।
আনো যত ভূতগণ তুষিয়া সৱাৰো মন
কৰিলন্ত যথোচিত কাম।
পাছে হৰে মহাতুষ্টি পাৰ্ব্বতী সহিতে উঠি
দণ্ডৱতে কৰিলা প্ৰণাম।।৫৯৪।।
বিষ্ণুত মেলানি মাগি লড়িলা গৃহক লাগি
ভাৰ্য্যায়ে সহিতে শূলধৰ।
চড়িয়া বৃষভ ৰথে শীঘ্ৰে আকাশৰ পথে
আৰোহিলা কৈলাস শিখৰ।।
বসিল সমাজ পাতি বোলন্ত উমাক মাতি
আপুনি দেখিলা প্ৰাণজায়া।
ভৈলোহো বাতুল প্ৰায় মোৰ শ্ৰুতি বুদ্ধি নাই
কিনো নকৰিলে বিষ্ণুমায়া।।৫৯৫।।
মঞি জগতৰ পতি মোৰে হেন ভৈলা গতি
আন কোন থিৰ হৈবে আত।
হেন জানা স্বৰূপত চৰাচৰ আছে যত
সৱে বন্দী বিষ্ণুৰ মায়াত।।



সহস্ৰ বৎসৰ মানে আছিলোহো যোগধ্যানে
দেখি তুমি পুছিলা আহ্মাক।।
গাৱে ভস্ম জঁটা ধৰি অনেক তপস্যা কৰি
আউৰ তুমি আৰাধাহা কাক।।৫৯৬।।
এড়ি লোভ ক্ৰোধ কাম কাহাৰ জপাহা নাম
আৰৱ আছন্ত কোন দেৱ।
তোহ্মাক কহিলো আমি আছন্ত জগত স্বামী
সুৰাসুৰে যাক কৰৈ সেৱ।।
প্ৰত্যক্ষে দেখিলা আজি যাহাৰ মায়াত বাজি
মোহ হুইয়া এড়িলোহো লাজ।
কামবাণে ভৈলো আউল চেঞ্চাই ফুৰো যেন বাউল
হসুৱাইলো বৈকুণ্ঠ সমাজ।।৫৯৭।।
কপট যুৱতী বেশে মুহিলন্ত হৃষীকেশে
পাসৰিলো তোহ্মাক পাশত।
কন্যাক ফুৰিলো খেদি গিৰি গুহা বন নদী
অনেক ঋষিৰ আশ্ৰমত।।
নেদেখিলে কৈৰ লোক কোনে নহাসিলে মোক
লঘু হুইবে নথাকিলে ঠাই।
এভো মোৰ কাম্পে হিয়া হেন জানি প্ৰাণপ্ৰিয়া
হৰিৰ মায়াত বড়া[৯১] নাই।।৫৮৯।।

৯১। পা. বৰ।

যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ
হৰিত পৃথক কেহো নোহে।
যিজন ভকতিহীন সি দেখে হৰিক ভিন্ন
হৰিৰ মায়ায়ে তাক মোহে।।
হৰিসে পৰম দেৱ হৰিকেসে কৰো সেৱ
স্রজন্তা পালন্তা দেৱ হৰি।
হৰিনাম হিয়ে ধৰি হৰিনাম সদা স্মৰি
তেৰেসে হৰিৰ মায়া তৰি।।৫৯৯।।
হেন জানি তুমি দেৱী হৰিৰ চৰণ সেৱি
এৰা লোভ মোহ ক্রোধ কাম।
নকৰিয়ো জন্ম বৃথা শুনা সদা হৰিকথা
কৰিয়ো কীৰ্ত্তন হৰিনাম।।
হৰিৰ চৰণ মনে চিন্তিয়োক সৰ্ব্বক্ষণে
কৰিয়ো ভকতি ভালমতে।
তেৰেসে সংসাৰ তৰি হৰিৰ প্রসাদে গৌৰী
পাইবা গতি মোহোৰ লগতে।।৬০০।।



।। দশম কীৰ্ত্তন।।

ঘোষা।। জয় কৃষ্ণ বোল নৰ মুখে।
বৈকুণ্ঠে প্রয়াণ কৰ সুখে।।৫১।।[৯২]
পদ ।। শঙ্কৰ হেন বাণী পাৰ্ব্বতী গোসানী শুনি
আনন্দতে শিহৰাইলা গাৱ।
উঠি কৰযোড়ে গৌৰী ফুৰি প্রদক্ষিণ কৰি
নমিলা শিৱৰ দুই পাৱ।।
তুমি প্রভু সৰ্ব্বজান দিলা মোক দিব্যজ্ঞান
সাৰ্থক তোমাৰ মঞি জায়া।
কিনো ভাগ্যৱতী আমি তোহ্মাৰ প্রসাদে স্বামি
তৰিবো দুস্তৰ ঘোৰ মায়া।।৬০১।।
আৰেসে জানিলো সাৰ ভকতিত পৰে আৰ
নিস্তাৰ কৰন্তা আন নাই।
মিছাতেসে মূঢ়জনে খপে আলজাল মনে
হৰিনামে মোক্ষপদ পাই।।
আৰ চিন্তা নাই মোৰ তৰিবো সংসাৰ ঘোৰ
কৌতূহলে হৰিনাম নাৱে[৯৩]।

৯২। পা. (১) ৰাম ৰাম ৰঘুনাথ এ। ৰাম নাম নছাৰোক মুখে।।
(২) জয় কৃষ্ণ বোল নৰ সুখে। ৰাম নাম নছাড়োক মুখে।।৫১।।
৯৩। পা. ...হৰিনাম গাৱে/... হৰি বোলে মনে

এহি বুলি পাছে গৌৰী হৰিত ভকতি কৰি
থাকিলন্ত কতোদিন মাৰে[৯৪]।।৬০২।।
শুক মুনি নিগদতি শুনিয়োক কুৰুপতি
কহিলোহো হৰিৰ চৰিত।
কপট যুৱতী বেশে যেনমতে হৃষীকেশে
মুহিলন্ত শঙ্কৰৰ চিত্ত।
দৈত্যৰ মুহিয়া মন যেন মতে নাৰায়ণ
ভুঞ্জাইলা অমৃত দেৱতাক।
পুছিলা যতেক মানে কহিলো তোমাৰ থানে
সাৰশেষে কৃষ্ণৰ কথাক।।৬০৩।।
অকপটে যিটোজনে শুনে ভণে একমনে
শুনিয়োক তাৰ যেন ফল।
খণ্ডয় চৌষষ্ঠি ৰোগ মিলৈ আসি যত ভোগ
মনোৰথ পূৰয় সকল।।
সমস্ত পাপক বাধি আপুনাৰ মোক্ষ সাধি
এক কোটি পুৰুষ উদ্ধাৰে।
কহো মঞি স্বৰূপত নাহি আন সংসাৰত
হৰিকথা শ্ৰৱণত পৰে।।৬০৪।।
পৰীক্ষিত হেন জানি চিন্তিয়োক চক্ৰপাণি
হৰিৰ কথাত কৰা ৰতি।

৯৪। পা. জগতৰ মাৰে



সংহৰিয়ো আন কাম জপিয়ো হৰিৰ নাম
ইহ পৰলোকে হৰি গতি।।
অশ্বাশ্বত মৰ্ত্ত্য লোক জন্মৰ সফল হোক
কৰিয়োক হৰিত ভকতি।
আৰ যেহি মানে লাগে পুছিয়োক মোৰ আগে
কহোঁ কৃষ্ণ কথাক সম্প্ৰতি।।৬০৫।।
নমো নমো দামোদৰ সংসাৰৰ বিঘ্নহৰ
ভকত অভয় দাতা দেৱ।
ভাগৱত পদ ছৰি ৰচিল শঙ্কৰ কবি
কৃষ্ণৰ চৰণে কৰি সেৱ।।
শুনিয়োক সাধুলোক নিন্দা নুবুলিবা মোক
যদি দেখা পদত দূষণ।
আমি জগতৰে শিষ্য জানি কৰা বিমৰিষ
মহন্তৰ ক্ষমাসে ভূষণ।।৬০৬।।
কৃষ্ণে দিল যেন মতি যেন ৰড়ে সৰস্বতী
বিৰচিলো সেহি অভিপ্ৰায়।
যতেক চটক দেখা যাৰ যেনমত পাখা
তাৰ অনুৰূপেসে উড়ায়।।
শুনা সৰ্ব্বজন তত্ত্ব ইটো মহাভাগৱত
তিনিও লোকত সাৰোত্তৰ।

যত মহাযজ্ঞ দান কোটি কোটি তীৰ্থস্নান
কেহো আৰ নপাৰে ওচৰ।।৬০৭।।
কৃষ্ণকথা যিবা ভণে যিবা শুনে এক মনে
যমৰ ভাৱনা কৰৈ চূৰি।
পুৰুষ উদ্ধাৰ কৰি সংসাৰ সাগৰে তৰি
অন্তকালে যাইবে বিষ্ণুপুৰী।।
শঙ্কৰে ৰচিলা গীত আপুনাৰ চিন্তা হিত
শুনা সমজ্যাৰ যত জন।
এড়ি আলজাল কাম ডাকি বোলা ৰাম ৰাম
সমাপত মহেশমোহন।।৬০৮।।

।। হৰমোহন সমাপ্ত।।৮।।

।। নৱম খণ্ড ।।

# ।। বলিছলন ।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। বোলা ৰাম ৰাম ভাৱিয়ো ৰাম ৰাম।[৯৫]
পৰম মধুৰ বাণী লৈতে অনুপাম।।৫২।।
পদ ।।শুক মুনি বদতি শুনিয়ো পৰীক্ষিত।
বামনৰ বাক্যে বলি সুতল পুৰীত।।
নিয়মিলা দানৱক বিষ্ণুধৰ্ম্ম কই।
আপুনি থাকিলা পাছে মুখ্য গৃহ লই।।৬০৯।।
দিব্য ভোগ যতেক আপুনি লৰৈ লাগ।
বৈষ্ণৱ বলিৰ তাত নাহি অনুৰাগ।।
এড়িয়া বিষয় ভোগ প্ৰহ্লাদৰ নাতি।
সদায় থাকন্ত দিব্যসভা এক পাতি।।৬১০।।
মাধৱৰ চক্ৰে আসি ভৈলা সভাসদ।
যাহাৰ ভয়ত দৈত্যগণ নিশবদ।।
প্ৰহ্লাদে কহন্তে শুনি থাকে কৃষ্ণ কথা।
দ্বাৰত আপুনি হৰি থাকন্ত সৰ্ব্বথা।।৬১১।।

৯৫। পা. বোলা ৰাম ভাৱিয়ো ৰাম ৰাম।

শ্যামল শৰীৰ শিৰে কিৰীটি উজ্জ্বল।
কমললোচন চাৰু মকৰ কুণ্ডল।।
কণ্ঠত কৌস্তুভ কৰে কঙ্কণ কেয়ূৰ।
কটিত মেখলা পাদপঙ্কজে নূপুৰ।।৬১২।।
গাৱে পীতবস্ত্র যেন অগনিৰ জ্বালা।
আপাদলম্বিত গলে জ্বলে বনমালা।।
প্রসন্ন বদনে হৰি কৰে ধৰি গদা।
বলিৰ সন্মুখ হুয়া থাকন্ত সৰ্ব্বদা।।৬১৩।।
হৰি দৰশনত নিৰ্ম্মল ভৈলা মতি।
কৃষ্ণৰ চৰণে অনুক্ষণে বাঢ়ে ৰতি।।
ভৈলন্ত বিমুখ বলি বিষয় সুখত।
সদায়ে কৃষ্ণৰ নাম নুগুচৈ মুখত।।৬১৪।।
উঠি কতো কীৰ্ত্তন কৰন্ত তাল ধৰি।
দৈত্যগণে বেঢ়ি বাৱৈ চৌপাশে চাপৰি।।
প্রহ্লাদে শিখান্ত গাৱৈ গোৱিন্দৰ গীত।
পৰম আনন্দে দৈত্যপতি কৰে নৃত্য।।৬১৫।।
গোৱিন্দক দেখিয়া আনন্দে দ্রৱৈ চিত্ত।
হৰিষে লোতক স্রৱৈ তনু লোমাঞ্চিত।।
হোন্ত নিশবদ গদগদ কৰৈ মাত।
প্রেম ভাৱ উপজি পড়ন্ত ঢাত ঢাত।।৬১৬।।
ভকতৰ বশ্য হৰি আকলিয়া বলি।
কতো আতি হৰিষে হাসন্ত খলখলি।।



কতো হুকহুক কৰি কৰন্ত ক্রন্দন।
কতো গীত গান্ত বিৰোচনৰ নন্দন।।৬১৭।।
কতো হৰি বুলি গেৰিয়ান্ত ইন্দ্রসেন।
উঠি উঠি পড়ন্ত নাচন্ত[৯৬] বাউল যেন।।
কতো মৌন হুয়া পৃথিৱীত পড়ি থাকে।
কৰয় কীৰ্ত্তন তাক বেঢ়ি দৈত্যজাকে।।৬১৮।।
হেন ভক্তিভাৱে দৈত্যেন্দ্রৰ দিন যায়।
বলি সম ভাগ্যৱন্ত ত্রৈলোক্যত নাই।।
জগতকে পৱিত্র কৰন্ত দৈত্যপতি।
হৰিয়ো বিস্ময় দেখি বলিৰ ভকতি।।৬১৯।।
অন্তৰীক্ষে মহিমা বখানে সিদ্ধ মুনি।
হেনতো বৈষ্ণৱ কৈতো দেখি নতু শুনি।।
সদায় থাকন্ত দামোদৰ যাৰ কাছে।
বলিসম ভাগ্যৱন্ত আন কোন আছে।।৬২০।।
মাধৱৰ পাৰত অৰ্পিলা আপুনাক।
বলিসে জিনিলে ইটো দুৰ্জ্জয় মায়াক।।
এহি বুলি পুষ্প বৰিষন্ত ঘনে ঘনে।
বোলা হৰি হৰি সৱে সভাসদগণে।।৬২১।।

৯৬। পা. নাচন্ত বসন্ত

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। ত্ৰাহি হৰি পড়িলো পায়
উপায় পৰমানন্দ দিয়া।
নসহে সংসাৰ তাপে আৰ মোৰ হিয়া।।৫৩।।

পদ ।। শুকমুনি নিগদতি শুনিয়োক কুৰুপতি
বৈষ্ণৱ বলিৰ দেখি কৰ্ম্ম।
বড় বড় দৈত্যগণ কৰৈ হেন আলোচন
কিনো বিপৰীত ভৈল ধৰ্ম্ম।।
ইটো মূৰ্খ দৈত্যৰাজ এড়িলেক ৰাজকাজ[৯৭]
শত্ৰুৰ সদায় লৱৈ নাম।
আন নাহি হৰি বিনে নাচৈ গাৱৈ ৰাত্ৰি দিনে
কৰৈ কিনো গৰিহিত কাম।।৬২২।।
ছাড়িল দৈত্যৰ নীতি ভৈল বিষ্ণুৰেসে ভিতি
জানা আক পাইলেক বিবুদ্ধি।
হৰি বুলি মৰৈ মাত্ৰ নভৈল একোৰে পাত্ৰ
যেন ভৈল শোৰৰ আযুধি।।
আটাসতে গল ফাড়ে যেন কাণে সূচি তাড়ে
সৰ্ব্বদায়ে শুনে হৰি কথা।

৯৭। পা. লাজ কাজ



কিবা কদৰ্থনা চাঞো আসা উঠি ঘৰে যাঞো
হৰিনাম নুশুনোহো যথা।।৬২৩।।
কুলধৰ্ম্মে ভৈল হীন হেন বাতুলৰ চিহ্ন
আহান সেৱাত নাহি ফল।
হেন কণাকণি কৰি উঠি গৈল ঘৰাঘৰি
কতো কতো দানৱ নিষ্খল।।
শ্ৰৱণে আনন্দ কৰৈ কীৰ্ত্তনে পাতক হৰৈ
হৰিনাম মুকুতিদায়ক।
পাতকে শুনিবে নেদৈ যেন কিলাই কোবাই খেদৈ
দুষ্ট শঠ অধৰ্ম্মী জনক।।৬২৪।।
পৰম মঙ্গল ৰাম নাম ইটো অনুপাম
বৈষ্ণৱৰ যাক শুনি তুষ্টি।
দৈত্যগণ দুৰাচাৰে তাক কি শুনিতে পাৰে
উচপিচ কৰি গৈল উঠি।।
বলিৰ নুশুনৈ হাক দানৱৰ বিচেষ্টাক
মাধৱৰ চক্ৰে দেখি আছে।
জ্বলে যেন সূৰ্য্য কোটি বিস্বাদ শবদে উঠি
ক্ৰোধে খেদি গৈলা পাছে পাছে।।৬২৫।।
কৃষ্ণৰ কিঙ্কৰে ভণে শুনিয়োক সৰ্ব্বজনে
স্থিৰ বুদ্ধি কৰি গুণা মনে।

আজি কালি কৰি দিন গৈল আয়ু ভৈল ক্ষীণ
যাইবে লাগে যমৰ কৰণে।।
যতেক সংসাৰ নয় সৱে স্বপ্ন মায়াময়
অন্তকে কেশত আছে ধৰি।
ভাৰতত জন্ম পাই বিলম্বক নুযুৱাই
সদায় ঘুষিয়ো হৰি হৰি।।৬২৬।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।। ও হৰি দেহু দৰিশন শিৰ সনাতন
তোহ্মাৰ চৰণে ধৰো।
তুৱা গুণনাম ছাড়ি আন কাম
কৰিয়া মিছাতে মৰো।।৫৪।।
পদ ।। দৈত্যৰ পুৰীত পশিল ত্বৰিত
বাঘে যেন ধৰে খেদি।
যত দ্ৰোহিয়াৰ ৰক্ষা নাহি তাৰ
পেল্লাৱৈ মাথাক ছেদি।
কাৰো নাক কাণ কৰে খান খান
কাৰো কঙ্কালক কাটে।
হাত ভৰি টাঙ্গি কৰয় চৌৰাঙ্গী
পড়ি গড়াগড়ি বাটে[৯৮]।।৬২৭।।

৯৮। পা. (১) হাত ভৰি টিঙ্গি কৰয় চৌৰঙ্গি
পৰি গেৰাগেৰি বাটে।
(২) হাত ভৰি ভাঙ্গি কৰয় চৌৰঙ্গী
পৰি গৰাগৰি বাটে।



কাৰো জিহ্বা আনি কাটে টানি টানি
ধৰি দুই চক্ষু কাঢ়ে।
কাৰো দান্ত সাৰে কদৰ্থিয়া মাৰে
দৈত্যৰ লাগ নছাড়ে।
কাৰো বুকু ছিৰি তপত ৰুধিৰি
ভুঞ্জাৱৈ গৃধ্র শৃগাল।
অধৰ্ম্মে গ্ৰাসিল ক্ষণেকে নাশিল
দৈত্য ভৈল বুন্দামাল[৯৯]।।৬২৮।।
বিষ্ণুৰ চক্ৰৰ নভৈল ভাগৰ
হস্তী যেন মাৰৈ মাখি।
পুত্ৰ ভাৰ্য্যা এৰি মৰো জীএগ্ৰো কৰি
কতো পলায় প্ৰাণ ৰাখি।।
ই তিনি লোকত ভ্ৰময় ভয়ত
চক্ৰো পাছে পাছে ফুৰৈ।
হেৰ পাইলে বুলি মৰয় সমূলি
দানৱে দান্ত নুঘূৰৈ[১০০]।।৬২৯।।
ব্ৰহ্মাক লাগিল শৰণ মাগিল
হাতে দান্তে খেৰ তুলি।
চক্ৰক ডৰাই কেহো নেদে ঠাই
বলিৰ দ্ৰোহিয়া বুলি।।
বুদ্ধি ভৈল চুৰি পলাইবাৰ পুৰী
কহিতো নাপাইল খুজি।

৯৯। পা. বুন্দমাৰ ১০০। পা. দানৱে বেন্ত নুঘূৰে

বলিৰ চৰণে পশিল শৰণে
দুনাই সৱে মান্য বুজি।।৬৩০।।
ভণিল শঙ্কৰে শুনা সৱ নৰে
যতেক বিষয় ভোগ।
পুত্ৰ দাৰা ধন শৰীৰ স্বজন
সবাৰ আছে বিয়োগ।।
তাৰ চিন্তা এড়ি চিন্তিয়োক হৰি
অন্তকে পাইলেক পৰা।
এড়ি আন কাম বোলা ৰাম ৰাম
সুখে ভৱনদী তৰা।।৬৩১।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। গৰুড়কেতু ত্ৰাণহেতু ৰাম তুমি নাৰায়ণ।
জানি লৈলো তোমাত শৰণ[১০১]।।৫৫।।
পদ ।। এহিমতে চক্ৰে ধৰি কাটি মাৰি বশ্য কৰি
কতো দানৱক দিলে আনি।
দৈত্যগণো ত্ৰাস হুয়া কাণ-মুণ্ড নলাড়িয়া
থাকিল বলিৰ বাক্য মানি।।

১০১। পা. ৰাম নিৰঞ্জন ঃ নিৰঞ্জন ঃ নিৰঞ্জন হৰি।
হৰি ৰাম নিৰঞ্জন নিৰঞ্জন হৰি।।



কৃপাময় দৈত্যপতি শিক্ষা দেন্ত প্ৰতি প্ৰতি
শুনিয়োক সমস্ত দানৱ।
যিটো হৰিকথা কৰৈ হৰিনাম সদা লৰৈ
সিসে মোৰ পৰম বান্ধৱ।।৬৩২।।
কৰযোৰে বোলো হেৰা অসুৰ স্বভাৱ এৰা
হৰি ভকতিত দিয়া চিত্ত।
মুখে হৰিনাম স্মৰৈ হৃদয়ত ৰূপ ধৰৈ
তাহাৰ ভৃত্যৰো মঞি ভৃত্য।।
শুনিয়োক জ্ঞাতিলোক সৱে কৃপা কৰা মোক
হৰি স্মৰি হুয়ো পৰিত্ৰাণ।
নুহি তেৱে পাইবা ফল এহি বুলি মহাবল
ভকতৰ পাতিলা দেৱান।।৬৩৩।।
কোনে হৰিকথা কৰৈ কোনে কৈত নাম লৰৈ
নিতে কৰৈ ওৱাচিল বাঙ্কী।
যাহাৰ নুপজে ভাৱ তাহাৰ জীৱন নাৱ[১০২]
চেঙ্গি দিয়া মাৰৈ প্ৰাণ টাঙ্কি।।
ফুৰৈ পাইক ঘৰে ঘৰে সবংশকে বেঢ়ি ধৰে
যাহাৰা নলৰৈ হৰিনাম।

১০২। পা. (১) যাহাৰা নুপূৰে ভাই তাহাৰা জীৱন নাই
(২) যাহাৰ নোপজে টাই

সৰ্ব্বস্ব আগ্ৰহি লবৈ জীয়ে মানে সাঞ্চ থবৈ
গলাত লগাবৈ বৰ চাম।।৬৩৪।।
কীৰ্ত্তনত চিত্ত নেদি গ্ৰাম্যকথা কৰৈ যদি
তাহাৰ কাণত সূচি তাড়ে।
হৰি ভকতিক এড়ি হাসৈ উপহাস্য কৰি
চৰৰতে তাৰো গাল ফাড়ে।।
সুমৰিবে নাহি ইচ্ছা ডৰতে ভটকে মিছা
জানি তাৰ জিহ্বা বিন্ধে টানি।
যিবা থাকে মৌন হুই তাৰ গলে দেই জুই
কেনে নোবোলস হৰি বাণী।।৬৩৫।।
অৱসৰ নাই ৰাতি প্ৰতি ঘৰে ঘৰে মাতি
ফুৰৈ কটোৱাল বাটে ঘাটে।
কটকে বজাবৈ ভেৰী জাগ জাগ নিদ্ৰা এড়ি
হৰি বোল হৰি বোল ঝাণ্টে।।
ৰাজাৰ দণ্ডিত থাকি সুতলপুৰীক ঢাকি
নিৰন্তৰে কৰৈ হৰি ঘোষ।
আন গৃহকৃত্য এৰি হৰি বুলি পাবৈ গেড়ি
শুনি মিলৈ বলিৰ সন্তোষ।।৬৩৬।।



।। পঞ্চম কীৰ্ত্তন।।

ঘোষা।। হৰিৰাম হৰিৰাম ঘোষিও ভাই
সংসাৰ সাগৰে তৰ।
ৰামপাৰনাৰ কাছতে আছয়
মিছাতে ডুবিয়া মৰ।।৫৬।।

পদ ।। এহিমতে তৈত আছে যত দৈত্য
এড়িল আন আলাপ।
কৰৈ হৰিধ্বনি হৰিকথা শুনি
শৰীৰ ভৈল নিষ্পাপ।।
কৃষ্ণৰ চৰণ সেৱৈ অনুক্ষণ
অক্ষয় পুণ্যক সাঞ্চৈ।।
বলিৰ প্ৰসাদে অতি অপ্ৰমাদে
সুতলপুৰীত বঞ্চৈ।।৬৩৭।।
সিটো দৈত্যেশ্বৰে মাধৱত পৰে
নিচিন্তিলা আন কাম।
শয়নে ভোজনে সচিতে সপোনে
নেড়িলা হৰিৰ নাম।।
সুদৃঢ় ভকতি ভাৱে দৈত্যপতি
কৰিলা কৰ্ম্ম নিৰ্মূল।

সংসাৰক তৰি পুৰুষ উদ্ধাৰি
নিস্তাৰিলা দৈত্যকুল।।৬৩৮।।
বলিৰ সদৃশ নাহি সুপুৰুষ
বৈষ্ণৱতে সাৰতৰ।
যাৰ যশোৰাশি থাকিল প্ৰকাশি
যাৱে চন্দ্ৰ দিৱাকৰ।।
শুক নিগদতি কহিলো সম্প্ৰতি
বলিৰ চৰিত্ৰ যত।
যিবা শুনৈ পঢ়ে তাকো পাপে এৰে়
সুখে তৰৈ সংসাৰত।।৬৩৯।।
নমো নাৰায়ণ জগত কাৰণ
খণ্ডিয়ো সংসাৰ ভয়।
কৃষ্ণৰ কিঙ্কৰে ভণিল শঙ্কৰে
ভাগৱত পদচয়।।
শুনা বুধলোক ক্ষমিয়োক মোক
পদত দূষণ দেখি।
যাৰ জ্ঞান নাই যিমতে চেষ্টায়
মূৰ্খৰ দোষ নেলেখি।।৬৪০।।
মোৰ পদ বুলি নেৰিবা সমূলি
বিচাৰি দেখিবা পাছে।



মোক্ষৰ নিদান অমৃত সমান
কৃষ্ণকথা আতে আছে।।
হেন অনুমানি কৃষ্ণৰ কাহিনী
শুনিয়া হুয়ো সন্তোষ।
আন কাম এৰি সমজ্যায়ে বেঢ়ি
কৰিয়োক হৰি ঘোষ।।৬৪১।।

।। বলিছলন সমাপ্ত।।৯।।

।। দশম খণ্ড ।।

# ।। শিশুলীলা।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।।কৃষ্ণ গোপাল কৰুণাময় ৰাম ৰাম হৰি।।৫৭।।

পদ ।।কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।
শঙ্খ চক্ৰ গদা পদ্ম কৰত তোহ্মাৰ।।
পীত বস্ত্ৰে শোভে আতি শ্যাম কলেৱৰ।
কমললোচন চাৰু অৰুণ অধৰ।।৬৪২।।
সুন্দৰ নাসিকা কৰ্ণে মকৰকুণ্ডল।
কণ্ঠত কৌস্তুভ শিৰে কিৰীটি উজ্জ্বল।।
আপাদলম্বিত বনমালা জ্বলে গলে।
শোভে আতি শ্ৰীবৎস বহল বক্ষস্থলে।।৬৪৩।।
চাৰু চাৰি ভুজ জ্বলে আজানুলম্বিত।
কৰিকৰ সম উৰু বৰ্ত্তুল বলিত।।
চৰণ কমল যেন নৱ পদ্মকোষ।
যাক দেখি ভকতৰ পৰম সন্তোষ।।৬৪৪।।
প্ৰসন্ন বদনে জ্বলে অলকা তিলক।
বসুদেৱে দেখিলন্ত অদ্ভুত বালক।।



পড়ি দুয়ো প্ৰাণী পাছে কৰিলন্ত স্তুতি।
পিতৃত কহিলা প্ৰভু সমস্তে যুগুতি।।৬৪৫।।
ভৈলা শিশুৰূপ তৈতে প্ৰভু নাৰায়ণ।
কোলে লৈয়া বসুদেৱ লড়িল তেখন।।
ভাগিল নিহল ভৈল মেলান কপাট।
দেখি ভয়ে যমুনা আপুনি দিলা বাট।।৬৪৬।।
বৰিষে কণিকা মেঘে ওপৰত গাজে।
ফণায়ে ধৰিলা ছত্ৰ আসি সৰ্পৰাজে।।
যশোদাৰ তৈতে উপজিলা যোগমায়া।
অতি অচেতনে নিদ্ৰা গৈলা নন্দজায়া।।৬৪৭।।
তাহানে শয্যাত নিয়া থৈলন্ত তোহ্মাক।
বসুদেৱে আনিলন্ত নন্দৰ কন্যাক।।
শিশুভাৱে গোকুলত ক্ৰীড়িলা অপাৰ।
সাধিলা অনেক প্ৰীতি নন্দ যশোদাৰ।।৬৪৮।।
অচিন্ত্য মহিমা হৰি পুৰুষ পুৰাণ।
লীলা কৰি অনেক দৈত্যৰ লৈলা প্ৰাণ।।
কংসৰ পাঞ্চনি পাই যত দৈত্য আসে।
তুমি অগনিত যেন পুৰি মৰে জাসে।।৬৪৯।।
আসিলেক পূতনা মোহিনী নাৰীৱেশে।
তন দিয়া শিশু মাৰি ফুৰে দেশে দেশে।।

কোলে ধৰি তোহ্মাক দিলেক তনদান।
তনপানে পূতনাৰ শুষিলাহা প্ৰাণ।।৬৫০।।
শকটৰ তলে থৈলা যশোদা শুৱাই।
লাথি হানি পেল্লাইলা শকট ওভোতাই।।
হেন দেখি যশোদা সুন্দৰী মহা দুঃখে।
আথেবেথে কোলে লৈয়া তন দিলা মুখে।।৬৫১।।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে যুগুতি।
ৰামনাম বিনে নাহি কাহাৰো মুকুতি।।
হেন জানি নিৰন্তৰে এড়ি আন কাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম।।৬৫২।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।।পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে[১০৩]।।৫৮।।
পদ ।।চক্ৰবাত অসুৰে কৃষ্ণক নিলা হৰি।
আকাশত মাৰিলা গলত চেপি ধৰি।।
কৃষ্ণক হিয়াত লৈয়া পড়িল ভূমিত।
জুড়াইল তোহ্মাক পায়া যশোদাৰ চিত্ত।।৬৫৩।।
ছলে হামি তুলি তুমি দেখাইলা মাৱত।
গৰ্ভৰ ভিতৰে আছে সমস্ত জগত।।

১০৩। পা. ৰাম পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে।।



কম্পিল শৰীৰ যশোদাৰ হেন দেখি।
পৰম বিস্ময় হুয়া মুদিলন্ত আখি।।৬৫৪।।
বসুদেৱে পঠাইলা আসিল গৰ্গ ঋষি।
গোপ্য কৰি জাতকৰ্ম্ম কৰিলা হৰিষি।।
কহিলা নন্দৰ আগে যত গুণগ্ৰাম।
বিধিৰতে তোহ্মাৰ থৈলন্ত কৃষ্ণ নাম।।৬৫৫।।
আণ্ঠুকাঢ়ি ৰিঙ্গ পাৰি ফুৰা ব্ৰজ মাঝে।
সোণাৰ ঘাঘৰাচয় কঙ্কালত বাজে।।
বৃষৰ শুনিয়া নাদ চমকি উলটি।
আথেবেথে ধৰা গৈয়া মাৱক সাৱটি।।৬৫৬।।
থিয়দঙ্গা দিয়া পাছে তুমি দামোদৰ।
অনৰ্থ[১০৪] কৰিয়া ফুৰা গোৱালীৰ ঘৰ।।
আনন্দতে সমস্ত গোৱালীসৱ আসি।
কৃষ্ণৰ অকীৰ্ত্তি যশোদাত দেন্ত হাসি।।৬৫৭।।
কি ভৈল তোহ্মাৰ ইটো তনয় দুৰ্জ্জন।
কৃষ্ণৰ নিমিত্তে আউৰ নৰহে জীৱন।।
গাই নতু দোহন্তে দামুৰি মেলে গই।
গৃহ পশি চুৰি কৰি খান্ত দুগ্ধ দই।।৬৫৮।।
বানৰকো খুৱাৱৈ গোৱিন্দ কিনো চাণ্ড।
বানৰে নখাই যেবে কোবাই ভাঙ্গে ভাণ্ড।।

১০৪। পা. আনাট, অনাট

ঢুকিঙ্কি যেৱে নপাৱৈ মনত নাহি তুষ্টি।
সিকিয়াৰ পৰা আনে উড়লত উঠি।।৬৫৯।।
শৰীৰৰ ৰত্নগণে ফুৰে পসৰাই।[১০৫]
আন্ধাৰতো খুজি পান্ত লুকান নযায়।।
বস্তুক নপালে খুজি মাৰন্ত ছৰালি।
গৃহত ভৰ্চ্ছিয়া পলাই যান্ত বনমালী।।৬৬০।।
মাৱৰ কোলাত আছা তুমি জগন্নাথ।
সভয় নয়ন হুয়া চপৰাইলা মাথ।।
হেন দেখি যশোদা পুত্ৰক নোবোলয়।
আনন্দে ৰহিলা হাসি পুত্ৰ মুখ চায়।।৬৬১।।
ডৰিবাক দেখিয়া পুত্ৰক বৰনাৰী।
বুকুত সাৱটি ধৰিলন্ত চুমা পাৰি।।
মাধৱৰ শিশুলীলা শুনা সৰ্ব্বলোক।
বোলা হৰি হৰি যত পাতক ছাড়োক।।৬৬২।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।।কেশৱ কৃষ্ণ কৰুণাসিন্ধু।
ত্ৰাহি জগন্নাথ অনাথ বন্ধু।।৫৯।।
পদ ।। এহিমতে ব্ৰজে আনন্দে হৰি।
কৰন্ত ক্ৰীড়া শিশুৰূপ ধৰি।।

১০৫। পা. পসৰাই = পোহৰাই



যত গোপশিশু বলাই আদি।
সৱে ভৈল গৈয়া কৃষ্ণৰ বাদী।।৬৬৩।।
যশোদাৰ আগে দিলেক খল।
খাইলেক কৃষ্ণে মাটি একদল।।
শুনিয়া যশোদা সুন্দৰী হাসি।
পুত্ৰৰ হাতত ধৰিলা আসি।।৬৬৪।।
কেনে মাটি খাইলি অৰে গোপাল।
কোবাই আজি তোৰ ফাড়িবো ছাল।।
শুনিয়া কৃষ্ণৰ হৰিল মাত।
চক্ষু টেৰ কৰি মাৱক চান্ত।।৬৬৫।।
ভয়তে যেন কাম্পে হাত ভৰি।
যশোদা দেখে পুত্ৰ গৈলা ডৰি।।
মুখক চাহন্তে লাগয় বেথা।
কিয় মাটি খাইলি সোধন্ত কথা।।৬৬৬।।
লগৰ শিশু বোলে সমুদায়।
বলায়ো বোলে তোৰ জ্যেষ্ঠ ভাই।।
মাতন্ত কৃষ্ণে যশোদাক চাই।
মিছা মাতৈ সৱে শুনিও আই।।৬৬৭।।
কদাচিতো মঞি নখাওঁ মাটি।
দাদা বলভদ্ৰে বোলন্ত[১০৬] ঘাটি।।
পতিয়ান নাই চৰা বিচাৰি।
হেনশুনি মাতে যশোদা নাৰী।।৬৬৮।।

১০৬। পা. মাতন্ত

বায়ো বেন্ত যেৰে মাটি নখাইলি।
শুনিয়া শিশুৰূপী বনমালী।।
চৰা মুখ বুলি মাৰক মাতি।
বাইলন্ত বেন্ত প্ৰকাশিয়া আতি।।৬৬৯।।
যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভতে আছে।।
সাতোখন দ্বীপ সাতো সাগৰ।
গিৰি বন নদী গ্ৰাম নগৰ।।৬৭০।।
বায়ু সূৰ্য্য শশী দিশ আকাশ।
তাৰাগণো তৈতে কৰে প্ৰকাশ।।
সমস্ত জীৱ জ্যোতিস্তেজ জল।
সত্ব ৰজস্তম ইন্দ্ৰিয় বল।।৬৭১।।
মন বুদ্ধি কাল কৰ্ম্ম যতেক।
সৱাকো গৰ্ভতে দেখে প্ৰত্যেক।।
যতেক ধেনু গোপ গোপীঝাক।
যশোদা দেখে তৈতে আপুনাক।।৬৭২।।
পৰম শঙ্কাক পাইলন্ত সতী।
অদ্ভুত দেখিয়া বোলন্ত মাতি।।
কিবা ভ্ৰম ভৈলো মোহক পায়া।
দেখিলো স্বপ্ন কিবা দেৱমায়া।।৬৭৩।।
কিবা জানে মায়া মোৰ তনয়।
কৰিবে নোৱাৰো একো নিশ্চয়।।



নুহিকন্ত মোৰ পুত্ৰ মানুষ।
এহেন্তেসে বিষ্ণু আদি পুৰুষ।।৬৭৪।।
এহি বুলি চিত্ত দঢ়ায়া সতী।
কৰযোড়ে কৰৈ কৃষ্ণক স্তুতি।।
যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ।
নপাৰে বচনে মনে ওচৰ।।৬৭৫।।
নাহি উতপতি নাহি মৰণ।
সদায়ে প্ৰণামো তান চৰণ।।
মঞি যশোদা মোৰ পুত্ৰ স্বামী।
ব্ৰজৰ সৱে অধিকাৰী আমি।।৬৭৬।।
হেন অহম্মম সদায়ে কৰো।
যাহাৰ মায়াত উপজো মৰো।।
হেন জগন্নাথ হুয়োক গতি।
খণ্ডিয়োক আৰে মোৰ কুমতি।।৬৭৭।।
গুণন্ত শুনি ত্ৰিজগত পতি।
বিষ্ণু হেন মোক জানিলা সতী।।
কৰিলা বৈষ্ণৱী মায়া বিস্তাৰ।
গুচিল বিষ্ণুজ্ঞান যশোদাৰ।।৬৭৮।।
কৃষ্ণত পুত্ৰবুদ্ধি ভৈল জাত।
ধূলা জাৰি তুলি লৈলা কোলাত।।
পাড়ন্ত চুমা মুখে স্তন দিয়া।
মোৰ আয়ু লই পুতাই জীয়া।।৬৭৯।।

ব্ৰহ্মায়ো নজানে যাৰ মহিমা।
চাৰি বেদে কহি নাপাৰৈ সীমা।
হেন মাধৱক তনয় পাইল।
যশোদা নন্দে কিনো তপসাইল।।৬৮০।।
সুনন্দ আদি যত যোগীগণ।
চিন্তিয়ো নেদেখৈ যাৰ চৰণ।।
হেন পৰব্ৰহ্ম যশোদা সুত।
ভৈলন্ত কিনো আতি অদভূত।।৬৮১।।
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে।
শুনা শিশুলীলা সমস্ত জনে।।
যেৰে সুখে যাইবা বৈকুণ্ঠপুৰী।
সদায় ডাকিয়া ঘুষিয়ো হৰি।।৬৮২।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।।হে কৰুণাময়
ৰাম কৃষ্ণ প্ৰভু ৰঘুপতি[১০৭]।।৬০।।
পদ ।। দিনেক যশোদা নন্দজায়া।
আপুনি মথন্ত দধি গৈয়া।।
কৃষ্ণৰ শৈশৱ লীলা স্মৰি।
কৃষ্ণগীত গাৰন্ত সুন্দৰী।।৬৮৩।।

১০৭। পা. হে কৰুণাময় ৰাম কৃষ্ণ হৰি।
ৰাম কৃষ্ণ প্ৰভু ৰঘুপতি।।



ক্ষৌম বস্ত্ৰ[১০৮] পিন্ধি দিব্য কাছে।
কটিত মেখলা বান্ধি আছে।।
পুত্ৰ স্নেহে স্ৰবৈ দুয়ো স্তন।
আজোড়ন্তে লড়ে ঘনে ঘন।।৬৮৪।।
ৰুণ ঝুণ কেয়ূৰ কঙ্কণ।
শ্ৰমজলে উজ্জ্বল বদন।।
কৰ্ণত কুণ্ডল দোলে আতি।
খসি পড়ে খোপাৰ মালতী।।৬৮৫।।
এহিমতে মথন্তে প্ৰয়াসি।
মাৰক ধৰিলা কৃষ্ণে আসি।।
মথনিত ধৰিয়া নিষেধি।
মথিবাক নেদে আউৰ দধি।।৬৮৬।।
হাসি কোলে লৈলা নন্দজায়া।
দিলা স্তন পুত্ৰমুখ চায়া।।
দেখন্তে উথলি দুগ্ধ পড়ে।
পুত্ৰ এড়ি গৈলন্ত লৰড়ে।।৬৮৬।।
স্তন পিবে নপায়া কৃষ্ণৰ।
কাম্পে কোপে অৰুণ অধৰ।।

১০৮। পা. খৌণি বস্ত্ৰ

দশন কামুৰি আতি চাণ্ড।
শিলায়ে ভাঙ্গিলা দধিভাণ্ড।।৬৮৮।।
মহাকোপে কোঠা পশিলন্ত।
সিঞ্চৰাই লৱনু ভুঞ্জন্ত।।
আসিলা যশোদা নমাই ক্ষীৰ।
দেখে হাণ্ডি ভাঙ্গিলা দধিৰ।।৬৮৯।।
জানিলা পুত্ৰৰ কৰ্ম্ম গোপী।
হাসিয়া দেখিলা পশি খুপি।।
উড়ল ওপৰে বসি হৰি।
ভুঞ্জন্ত লৱনু চুৰি কৰি।।৬৯০।।
শিকিয়াৰ পৰা নমাই আনি।
বানৰকো দেন্ত দলি হানি।।
শঙ্কিত নয়নে নাহি সাৰি।
দেখিয়া যশোদা লৈলা বাড়ি।।৬৯১।।
মাৰিবে আসন্ত জানি ডৰে।
দিলা লৰ নামি উড়লৰে।।
পাছে পাছে যশোদা খেদন্ত।
ভয়ে লাগ মাৰক নেদন্ত।।৬৯২।।
যাক যোগী নপাৰৈ ধ্যানত।
হেন হৰি পলান্ত ভয়ত।।
পুত্ৰক খেদন্ত মহাসতী।
শ্ৰোণী ভৰে আক্ৰমিল গতি।।৬৯০।।



বেগত মেলান ভৈল খোপা।
খসি পৰৈ মালতীৰ থোপা।
গোৱিন্দে মাৰৰ শ্ৰম দেখি।
ৰহিল কান্দন্তে মুদি আখি।।৬৯৪।।
সভয় নয়নে চান্ত ডৰে।
যশোদা ধৰিলা আসি কৰে।।
ভাণ্ড ভাঙ্গি আৰে যাইবি কোথা।
খাইবো আজি কৃষ্ণ তোৰ মাথা।।৬৯৫।।
সকল লৱনু কৈলি নাশ।
শুনি প্ৰভু ভৈলা মহাত্ৰাস।।
দেখি বাড়ি এড়িলন্ত সতী।
কৃষ্ণক বান্ধিবে ভৈলা মতি।।৬৯৬।।
নাহি আদি অন্ত পূৰ্ব্বাপৰ।
পূৰ্ণব্ৰহ্ম জগত ঈশ্বৰ।।
তাহাঙ্ক তনয় মানি বলে।
যশোদা বান্ধন্ত উডুখলে।।৬৯৭।।
বান্ধন্ত কৃষ্ণক আনি ধৰি।
নোজোৰে আঙ্গুল দুই জৰী।।
আৰ জৰী আনি জোৰা দিলা।
সিয়ো দুই আঙ্গুলি নাটিলা।।৬৯৮।।
হেন দেখি আৰো জৰী আনি।
যশোদা বান্ধন্ত টানি টানি।।

শৰীৰৰ বল দিয়া আটে।
তথাপি আঙ্গুল দুই নাটে।।৬৯৯।।
গৃহত পাইলেক যত জৰী।
এহিমতে জুৰিয়া সুন্দৰী।।
উডুখলে এৰে বান্ধে চাপি।
নাটে দুই আঙ্গুল তথাপি।।৭০০।।
হেন দেখি হাসৈ গোপীগণে।
যশোদা বিস্ময় ভৈলা মনে।।
শৰীৰৰ ঘৰ্ম্ম যায় বহি।
হাসিয়া থাকিলা শ্ৰমে ৰহি।।৭০১।।
হেন দেখি প্ৰভু নাৰায়ণ।
স্নেহে লৈলা আপুনি বন্ধন।।
জগতৰে আপুনি ঈশ্বৰ।
তুমি বশ্য ভৈলা ভকতৰ।।৭০২।।
ব্ৰহ্মা লক্ষ্মীদেৱী মহাদেৱে।
নপাইলা আনন্দ হেন কেৱে।।
যশোদা প্ৰসাদ যেন পাইলা।
ইটো গোপী কিনো তপসাইলা।।৭০৩।।
ভকতৰ বশ্য তুমি হৰি।
সুখে পাৰে গৃহতে সুমৰি।।
ভণিলা শঙ্কৰে কৃষ্ণপদে।
হৰি হৰি বোলা সভাসদে।।৭০৪।।



।। পঞ্চম কীৰ্ত্তন।।

ঘোষা।।ৰাম গোপাল হৰি।
কৃষ্ণ গোৱিন্দ হৰি ৰাম[১০৯]।।৬১।।

পদ ।। কৃষ্ণে দেখিলন্ত মাৱ গৃহকৰ্ম্মে গৈলা।
আণ্ঠুকাঢ়ি উডুখল টানিবাক লৈলা।।
অৰ্জ্জুনত লাগি ভৈল উড়ল পথালি।
কঙ্কাল ফান্দিয়া বল দিলা বনমালী।।৭০৫।।
কাম্পে দুয়ো গোটা বৃক্ষ উডুখলে লাগি।
উভৰি পৰিল মচ মচ কৰি ভাগি।।
শাপ এড়াই দুয়ো পাছে কুবেৰ তনয়।
তোম্মাক নমিয়া গৈলা আপুন নিলয়।।৭০৬।।
নিৰ্ঘাত শঙ্কিয়া খেদি আইলা গোপঝাক।
বন্দী হুয়া আছা নন্দে দেখিলা তোম্মাক।।
হাসিলেক কোনে হেন কৰিলেক বুলি।
বান্ধ মেলি কৃষ্ণক কোলাত লৈলা তুলি।।৭০৭।।
কিনো আতি নন্দ যশোদাৰ মহাভাগ।
পূৰ্ণব্ৰহ্ম তোম্মাক গৃহতে পাইলা লাগ।।

১০৯। (১) পা. ৰাম গোপাল হৰি। কৃষ্ণ গোৱিন্দ হৰি।।
(২) পা. গোপাল হৰি কৃষ্ণ। গোৱিন্দ হৰি ৰাম।।

ভকতৰ আনন্দ বঢ়ায়া সৰ্ব্বক্ষণে।
শিশুলীলা অনেক কৰিলা নাৰায়ণে।।৭০৮।।
কেহো বেলা গোপীগণে পাঞ্চে গাৱা গীত।
তাসম্বাৰ প্ৰীতি সাধি কতো কৰা নৃত্য।।
মালড়ি কৰাহা কতো গোপীৰ বচনে।
ছায়া পুতলাক যেন নচাৱৈ যতনে।।৭০৯।।
কেহো বেলা গোপীকাৰ শুনি আজ্ঞাবাণী।
পাদুকা পীহ্ৰাক প্ৰভু ধৰি থাকা আনি।।
কোন কৰ্ম্ম নকৰিলা হৰি গোকুলত।
ভকতৰ বশ্য হেন দেখায়া লোকত।।৭১০।।
কোনে ফল লৈবে বুলি ডাকিলা পসাৰী।
ধান্য দিয়া ফল তুমি খুজিলা মুৰাৰি।।
তোহ্মাৰ হস্তক ভৰি দিল ফল বাছি।
সুৱৰ্ণ ৰতনে তাইৰ উপচিল পাচি।।৭১১।।
আসিল দানৱ গোট বৎসৰূপ ধৰি।
লাঙ্গুলে সহিতে তাৰ ধৰি পাছ ভৰি।।
আলগতে ফুৰাই পাক হানিলাহা দলি।
কপিত্থত পড়ি যমপুৰে গৈল চলি।।৭১২।।

।। ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।।ৰাম চৰণে ধৰো।
স্বামী আমি যেন তৰো[110]।।৬২।।
পদ ।।বকাসুৰে কৃষ্ণক গিলিলা ঠোঁটে ধৰি।
দেখি গোপ শিশুগণ যেন গৈলা মৰি।।

১১০। পা. ৰামৰ চৰণে ধৰো। স্বামী যেনমতে তৰো।।
পা. ৰাম চৰণে ধৰো স্বামী। আমি যেন তৰো।।



পাছে তাৰ তালুত লাগিল যেন জুই।
ছাদিলা[111] কৃষ্ণক বকে বিমূৰ্চ্ছিত হুই।।৭১৩।।
দুনাই ঠোঁটে গিলিবাক আসৈ দেখি তাক।
লীলায়ে ছিৰিলা যেন বিৰিণা পোথাক।।
সবান্ধৱে ধেনুকাক নিলা ৰসাতল।
গোপশিশুগণক ভুঞ্জাইলা তালফল।।৭১৪।।
ময়ৰ তনয় ব্যোম গোপৰূপ ধৰি।
গোপশিশুগণক নিলেক চুৰি কৰি।।
গহ্বৰত থৈলা নিয়া ঢাকিয়া শিলায়ে।
তাক মাৰি শিশুসৱ আনিলা লীলায়ে।।৭১৫।।
গোপ গৰুজাকক বেঢ়িলে বনজুই।
কৃষ্ণত শৰণ সৱে লৈলে ত্ৰাস হুই।।
চক্ষু মুদাই সৱাকো ক্ষণেকে যোগবলে।
গোকুলক লাগিয়া আনিলা অৰিকলে।।৭১৬।।
নন্দক গিলন্তে সৰ্পে ৰাখিলাহা হৰি।
তোহ্মাৰ পৰশে সৰ্পে দিব্য ৰূপ ধৰি।।
শাপ এড়াই গৈলা বিদ্যাধৰৰ নিলয়।
দেখি গোপগণ ভৈলা পৰম বিস্ময়।।১১৭।।
শয়ন সময়ে সৱ গোপ গোপীগণ।
যোগবলে বৈকুণ্ঠক নিলা নাৰায়ণ।।

১১১। পা. চাড়িলে

বৈকুণ্ঠবাসীৰ সৱে মহিমা দেখাই।
গোকুলক লাগি প্ৰভু আনিলা দুনাই।।৭১৮।।
নন্দক নিলেক বৰুণৰ দূতে ধৰি।
বৰুণৰ পৰা তাঙ্ক আনিলা উদ্ধাৰি।।
তোহ্মাৰ মহিমা[112] নন্দে কহিলা ব্ৰজত।
শুনিয়া বিস্ময়[113] ভৈলা সৱাৰো মনত।।৭১৯।।
ইন্দ্ৰে কৰিলন্ত সাতদিন বৰিষণ।
এক হাতে উভাৰি ধৰিলা গোৱৰ্দ্ধন।।
দুৰ্ঘোৰ ভয়ত নিস্তাৰিলা গোপপুৰ।
লীলায়ে কৰিলা মহেন্দ্ৰৰ দৰ্পচূৰ।।৭২০।।
সুৰভি সহিতে ইন্দ্ৰে আসিলা প্ৰত্যেক।
গোৰ ইন্দ্ৰ পাতিয়া কৰিলা অভিযেক।।
অনেক ভকতি কৰি দুয়ো স্বৰ্গে গৈলা।
সেহিদিনা তোহ্মাৰ গোৱিন্দ নাম থৈলা।।৭২১।।
গোপকুমাৰিকা সৱে বস্ত্ৰ থৈয়া তীৰে।
বিৱস্ত্ৰে নামিলা গৈয়া যমুনাৰ নীৰে।।
বস্ত্ৰ লৈয়া উঠিলাহা কদম্বৰ গাছে।
নানা উপহাস কৰি বস্ত্ৰ দিলা পাছে।।৭২২।।
কৃষ্ণৰ কিঙ্কৰে গীত ভণিল শঙ্কৰে।
নাহি আন ধৰ্ম্ম আউৰ কীৰ্ত্তনত পৰে।।
শুনা সৰ্ব্বজন ঐত কেদিন জীৱন।
বোলা হৰি হৰি আছে যাৱত চেতন।।৭২৩।।

১১২। পা. কৃষ্ণৰ মহিমা ১১৩। পা. শুনিয়া আনন্দ



।। সপ্তম কীৰ্ত্তন।।

ঘোষা।।ও কৃষ্ণ নমো ৰাম নিৰঞ্জন হৰি[114]।।৬৩।।

পদ ।। দুষ্ট অঘে পাতিলেক কাপ।
বাট ভেণ্টি ভৈল ঘোৰ সাপ।।
পৰ্ব্বত সমান কলেৱৰ।
বাইল বেন্ত সম্যকে গহ্বৰ।।৭২৪।।
তল ওঁঠ মাটিত থাপিল।
উৰ্দ্ধ ওঁঠ মেঘত লাগিল।।
জিহ্বাখান যেন ৰাজ আলি।
বৎস লৈয়া আইলা বনমালী।।৭২৫।।
গোৰক্ষ দামুৰি নিৰন্তৰ।
নজানি পশিল অভ্যন্তৰ।।
দেখি তুমি ভক্তৰ স্নেহত।
পশিলাহা অঘৰ গৰ্ভত।।৭২৬।।
দেখি আঁটি ধৰিল দশনে।
তুলিলেক হাসি দৈত্যগণে।।
দেৱগণে কৰে হাহাকাৰ।
গল চুঙ্গি ভেণ্টি ৰৈলা তাৰ।।৭২৭।।

১১৪। পা. কৃষ্ণ নমো ৰাম নিৰঞ্জন হৰি।
কৃষ্ণ ৰাম গোপাল গোৱিন্দ ৰাম হৰি।।

পেট ফিঙ্কি বায়ু দিলা টান।
মূৰ্দ্ধা স্ফুটি বাঝ ভৈল প্ৰাণ।।
তযু পৰশনে কৰ্ম্ম ক্ষীণ।
অসুৰ কৃষ্ণতে গৈল লীন।।৭২৮।।
দেখি নিশবদ দৈত্যকুল।
হৰিষে বৰিষে দেৱে ফুল।।
অমৃত নয়নে চাইলা হৰি।
জীলা সৱে গোৰক্ষ দামুৰি।।৭২৯।।
ৰঙ্গে বাজ ভৈলা বাংশী বাই।
ফুৰা সৱে দামুৰি চৰাই।।
ব্ৰহ্মা আসি কৰিলন্ত চুৰি।
নিলা সৱ গোৰক্ষ দামুৰি।।৭৩০।।
মায়া কৰি থৈলেক গহ্বৰে।
কাহাকো নেদেখি দামোদৰে।।
ব্ৰহ্মা নিলা জানিলাহা গুণি।
ভৈলা গৰু গোৰক্ষ আপুনি।।৭৩১।।
নিচিনিলা গোৱালী গোৱালে।
এদিনাতো কৰি প্ৰতিপালে।
ব্ৰহ্মা আসি দেখিলন্ত পাছে।
গোৰক্ষ দামুৰি সৱো আছে।।৭৩২।।



পৰম বিস্ময়ে আছে চায়া।
কৰিলাহা প্ৰভু পাছে মায়া।।
গোৰক্ষ দামুৰি ৰূপ এৰি।
ভৈলা সৱে চতুৰ্ভুজ হৰি।।৭৩৩।।
সজল জলদ যেন শ্যাম।
সৱে পীত বস্ত্ৰে অনুপাম।।
কেয়ূৰ কঙ্কণে কৰৈ কান্তি।
হৃদয়ত শ্ৰীবৎসৰ পান্তি।।৭৩৪।।
কম্বুকণ্ঠ কৌস্তুভে শোভিত।
বনমালা আপাদলম্বিত।।
জিলিমিলি জ্বলৈ বক্ষস্থলে।
শোভৈ কৰ্ণ মকৰ কুণ্ডলে।।৭৩৫।।
শঙ্খ চক্ৰ গদা পদ্ম ধৰি।
আছা সৱে চতুৰ্ভুজ হৰি।।
গাৱে গাৱে এক সৃষ্টি কৰে।
চৰাচৰ সমে সেৱা কৰে।।৭৩৬।।
মোহ হুয়া ব্ৰহ্মা ভৈলা চুপ।
দেখন্ত গুচিল সৱে ৰূপ।।
পূৰ্ব্বৱতে আছা মাত্ৰ হৰি।
হংসৰ নামিলা ব্ৰহ্মা ডৰি।।৭৩৭।।

যেন সুৰ্ব্বৰ্ণৰ দণ্ড প্ৰায়।
ভূমিত পেল্লায়া নিজ কায়।।
মাধৱৰ পাদপদ্ম দুই।
চাৰি মুকুটৰ আগে ছুই।।৭৩৮।।
আনন্দতে নয়নৰ জলে।
সিঞ্চিলন্ত চৰণ কমলে।।
উঠি উঠি দুয়ো পাৰে ধৰি।
প্ৰণামন্ত মহিমা সুমৰি।।৭৩৯।।
মুকুন্দক চাই কথমপি।
মাথা দোঁৱাই কৃষ্ণ কৃষ্ণ জপি।।
প্ৰণামিয়া অনেক ভকতি।
কৰিবে লাগিলা ব্ৰহ্মা স্তুতি।।৭৪০।।
কৃষ্ণ কথা শুনিয়ো সমাজে।
জন্ম লভি ভাৰতৰ মাজে।।
আক বৃথা কৰা কোন কামে।
সাধিয়ো মুকুতি হৰিনামে।।৭৪১।।

।। অষ্টম কীৰ্ত্তন।।

ঘোষা।।ৰাম নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন হৰি।
নমো ৰাম নিৰঞ্জন নিৰঞ্জন হৰি।।৬৪।।
পদ ।।নমো গোপৰূপী মেঘ সম শ্যাম তনু।
গাৱে পীত বস্ত্ৰ হাতে শিঙ্গা বেত বেণু।।



কৰ্ণত গুঞ্জাৰ থোকা মাথে মৈৰা পাখি।
বন্যপুষ্পমালা পিন্ধি ধেনু আছা ৰাখি।।৭৪২।।
এহি শৰীৰতে আছে যতেক মহিমা।
মনেও কৰিবে পাৰৈ কোনে তাৰ সীমা।।
আছোক পৰম ব্ৰহ্ম স্বৰূপ তোহ্মাৰ।
তাঙ্ক জানিবাক আছে শকতি কাহাৰ।।৭৪৩।।
জ্ঞানপথ এড়ি প্ৰভু তোহ্মাৰ কথাক।
কায়বাক্যমনে সেৱৈ যিটো সাধুঝাক।।
যদ্যপি অজিত তুমি তিনিও জগতে।
তথাপি তোহ্মাক জিনৈ সেহিসে ভকতে।।৭৪৪।।
মুকুতি ৰসকো স্ৰৱৈ তোহ্মাৰ ভকতি।
তাঙ্ক এড়ি জ্ঞানপথে যিটো কৰৈ ৰতি।।
ক্লেশ মাত্ৰ পাৱৈ সিটো নিষ্ফল প্ৰয়াসে।
বাহানে পতান যেন তণ্ডুলক আশে।।৭৪৫।।
যিটোজনে ভুঞ্জে নিজ কৰ্ম্মৰ বিপাক।।
আপেক্ষিয়া থাকৈ প্ৰভু তোহ্মাৰ কৃপাক।।
কায়বাক্যমনে নমে চৰণ তোহ্মাৰ।
সি সি জন মুকুতি পদৰ অধিকাৰ।।৭৪৬।।
মই কেনে দুৰ্ব্বোধ দেখিয়ো ভগৱন্ত।
মায়াদিৰো ঈশ তুমি অনাদি অনন্ত।।

তোহ্মাক পৰীক্ষো মঞি মায়াক প্ৰকটি।
অগনিৰ আগে যেন ক্ষুদ্ৰ ফিৰিঙ্গতি।।৭৪৭।।
অন্ধ ভৈল চক্ষু হেলা কৰিলো তোহ্মাক।
মঞি ভিন্ন ঈশ্বৰ মানিলো আপুনাক।।
অজ্ঞৰ ক্ষমিয়ো দোষ জগতনিৱাস।
এহি কৃপা কৰা যেন বোলাওঁ তযু দাস।।৭৪৮।।
গৰ্ভত থাকন্তে উদৰত ঘাৱৈ পাৰে।
তাৰ অপৰাধক নধৰৈ যেন মাৰে।।
তোহ্মাৰ কুক্ষিত আমি আছো চৰাচৰ।
হেন জানি ক্ষমিয়োক দোষ দামোদৰ।।৭৪৯।।
ইটো ব্ৰহ্মপদ প্ৰভু আহ্মাক নলাগে।
কীট পতঙ্গত জন্ম হৌক কৰ্ম্মভাগে।।
তোহ্মাৰ ভক্তৰ মাঝে হুয়া একজন।
সেৱা কৰি থাকো প্ৰভু তোহ্মাৰ চৰণ।।৭৫০।।
কিনো ধন্য ধেনু গোপী ইটো গোকুলৰ।
যাৰ স্তনপানে তৃপ্ত ভৈলা দামোদৰ।।
অশ্বমেধ আদি কৰি মহাযজ্ঞ যত।
তোহ্মাক তুষিবে প্ৰভু নুহিকে শকত।।৭৫১।।
কিনো ভাগ্য কিনো ভাগ্য ব্ৰজৰ প্ৰজাৰ।
তুমি পূৰ্ণব্ৰহ্ম হৰি মিত্ৰ ভৈলা যাৰ।।



কিনো পুণ্য কৈলে গোকুলৰ বৃক্ষ তৃণে।
তোহ্মাৰ চৰণ ৰেণু পাৱৈ ৰাত্ৰি দিনে।।৭৫২।।
দেখা সৰ্ব্বলোকে কেনে অজ্ঞানী বৰ্ব্বৰ।
তুমি অন্তৰ্য্যামী তোমাকেসে বোলৈ পৰ।।
শৰীৰক মঞি বুলি বুদ্ধি ভৈল হত।
হিয়াতে হৰাইলা তুমি খোজে বাহিৰত।।৭৫৩।।
বৃন্দাবনে তৃণ হৈবো তেৱে মহাভাগ।
পাইবো ব্ৰজবাসীৰ চৰণৰেণু লাগ।।
আজিও বিচাৰৈ পদৰজ বেদগণ[১১৫]।
হেন হৰি ভৈলা ব্ৰজবাসীৰ জীৱন।।৭৫৪।।
মাৰিবাক দিল তন পূতনা পাপিষ্ঠী।
দিলাহা মুকুতি তাইতো পড়িল সুদৃষ্টি।।
ব্ৰজবাসী তোহ্মাতে অৰ্পিলা প্ৰাণ বিত্ত।
আক আৰে কিবা দিবো খেদ কৰে চিত্ত।।৭৫৫।।
তাৱে ৰাগ লোভ ক্ৰোধ পুৰুষৰ চোৰ।
তাৱে গৃহবাস বন্দীশাল মহাঘোৰ।
মোহচয় ভৰিৰ নিহল হোৱৈ তাৱে।
তোহ্মাত ভকতি নৰে নতু কৰৈ যাৱে।।৭৫৬।।
তোহ্মাৰ আগত কিবা বোলো বহুবাক।
যিটো বোলে জানো প্ৰভু নজানে তোহ্মাক।।

১১৫। পা. দেৱগণ

কায়বাক্যমনে মঞিঃ কৰিলোহো সাৰ।
তযু মায়া বিভৱৰ নপাওঁ কিছু পাৰ।।৭৫৭।।
জানিবাহা ভৈলো প্ৰভু তোহ্মাৰ কিঙ্কৰ।
তযু চৰণত সমৰ্পিলো কলেৱৰ।।
সমস্তৰে বুদ্ধি সাক্ষী সৱে তুমি জানা।
আজি ধৰি প্ৰভু মোক দাস বুলি মানা।।৭৫৮।।
নমো কৃষ্ণ বৃষ্ণিকুল প্ৰকাশ নায়ক।
দেৱ দ্বিজ পৃথিৱীৰ বুদ্ধি প্ৰদায়ক।।
দুষ্ট দৈত্য দানৱ ৰাক্ষস ক্ষয়ঙ্কাৰ।
তোহ্মাৰ চৰণে প্ৰভু প্ৰণাম আহ্মাৰ।।৭৫৯।।
কৰিল অনেক স্তুতি আৰু সৃষ্টিকৰে।
তাক নকহিলো পদ বাহুল্যক ডৰে।।
এহি বুলি প্ৰজাপতি ভৈলা মোহহীন।
কৃষ্ণক কৰিলা তিনিবাৰ প্ৰদক্ষিণ।।৭৬০।।
প্ৰণাম কৰিলা চৰণত পৰি পৰি।
মেলানি মাগিয়া নিজ স্থানে গৈলা লড়ি।।
ভণিল শঙ্কৰে কৃষ্ণ চৰণত ধৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি।।৭৬১।।

।। অনুখণ্ড ।।

## ।। কালিয়-দমন।।

।। নৰম কীৰ্ত্তন।।

ঘোষা।। গোপাল ৰাম কৃষ্ণ বনমালী।
মাৰিলা অসুৰ দমিলা কালি[116]।।৬৫।।
পদ ।। গোপশিশু সঙ্গে গৈলা বঝাই।
আগত গোধন বাংশী বজাই।।
চাৰন্তে ফুৰন্তে গৰু গোৰক্ষ।
পাইলা যমুনাৰ তীৰৰ লক্ষ্য।।৭৬২।।
কালিৰ হ্ৰদক তাক নজানি।
তৃষাত সৱে পিলা বিষপানী।।
দাৰুণ বিষৰ লাগিল জ্বাল।
মৰিল সৱে বৎস বৎসপাল।।৭৬৩।।
দেখিয়া কৃষ্ণে অসন্তোষ পাইলা।
অমৃত নয়নে চায়া জীয়াইলা।।
কালিক দমিবে কৰি যতন।
কটিত বান্ধিলা পীত বসন।।৭৬৪।।

১১৬। কোনো কোনো ছপা পুথিত ঘোষা যোকাৰ “গোপাল ৰাম কৃষ্ণ বনমালী” অংশহে আছে।

উঠিলা উচ্চ কদম্বৰ গাছে।
হ্রদৰ মাঝে জাম্প দিলা পাছে।।
ঢউ উঠলিল খলকি হ্রদ।
দশোদিশে গৈল তাৰ শবদ।।৭৬৫।।
জলক্রীড়া কৰা বাহু আস্ফালি।
ক্রোধে খেদি আসি দেখিল কালি।।
তনু সুকুমাৰ জলদ শ্যাম।
প্রকাশৈ পীত বস্ত্রে অনুপাম।।৭৬৬।।
কমললোচন মুখ প্রসন্ন।
মুকুতাৰ শাৰী সম দশন।।
উন্নত নাসা মুখে মন্দ হাস।
কণ্ঠত কৌস্তুভ কৰৈ প্রকাশ।।৭৬৭।।
হিয়াত জিলিমিলি কৰৈ কান্তি।
মধ্যতে জ্বলৈ শ্রীবৎসৰ পান্তি।।
আজানুলম্বিত বাহু দুখান।
চাৰু উৰু কৰ কটি সুঠাম।।৭৬৮।।
জঙঘা দুইক দেখি মিলৈ সন্তোষ।
দুখানি পাৱ নৱ পদ্মকোষ।।
আনন্দে জলক ফুৰা আস্ফালি।
মৰ্ম্মস্থলে আসি দংশিল কালি।।৭৬৯।।



নজানি তোহ্মাৰ বল প্ৰভাৱ।
লাঞ্জে মেহ্রাইলেক সমস্ত গাৱ।।
বিষ লাগি পড়ি থাকিলা ঘুমি।
মনুষ্য চেষ্টাক দেখায়া তুমি।।৭৭০।।
দেখি শিশুসৱ মৰিল প্রায়।
ধেনুগণে আউৰ তৃণ নখায়।।
কৃষ্ণক চাহিয়া থাকিল বহি।
চক্ষুৰ লোহ ধাৰে যায় বহি।।৭৭১।।
আতি উতপাত দেখি গোকুলে।
গোপগোপীজাক সমস্তে বোলে।।
জ্যেষ্ঠ বলভদ্র লগে নগৈল।
কৃষ্ণৰ আজি তৈতে কিবা ভৈল।।৭৭২।।
নন্দ যশোদা বিয়াকুল মনে।
কৃষ্ণক চাহিবে পশিলা বনে।।
লগতে চলৈ গোপগোপীজাক।
হা কৃষ্ণ বুলি চাড়ন্তে ডাক।।৭৭৩।।
ধ্বজ বজ্র যৱ অঙ্কুশ চাই।
কৃষ্ণৰ খোজ নিহালন্তে যায়।।
পুত্র পুত্র বুলি যশোদা চান্ত।।
কৃষ্ণৰ খোজত পড়ন্তে যান্ত।।৭৭৪।।

বেঢ়িয়া গোপগোপী নেয় ধৰি।
দেখিল পাচে পড়ি আছা হৰি।।
জলৰ মাজে মৃতকৰ বেশ।
নকৰন্ত আৰ চক্ষু নিমেষ।।৭৭৫।।
দেখি গোপ গোপী সম্যকে মৰিল।
প্ৰাণ অন্তৰীক্ষ চেতন হৰিল।।
কৃষ্ণ কৃষ্ণ বুলি দিলেক গেড়ি।
কান্দে যমুনাৰ তীৰক বেঢ়ি।।৭৭৬।।
যশোদা সুন্দৰী নন্দ গোৱালে।
পড়ন্ত লোটাৰি পড়ি নিঢালে।।
কি ভৈল পুত্ৰ বুলি উকি দিয়া।
দুহাতে ঝাৰলে[১১৭] ঢাকুৰে হিয়া।।৭৭৭।।
কৃষ্ণৰ সুন্দৰ বদন চাই।
যশোদা কান্দন্ত গুণ বৰ্ণাই।।
গোধুলি কোনে যাইবে বাংশী বাই।
কোনে মোক গৈয়া বুলিবে আই।।৭৭৮।।
ধূলাজাৰি কাক কৰাইবো স্নান।
কোনে কৰিবেক গোৰস পান।।
কাক বিছাই দিবো শীতল তুলী।
ডাকিবো কাক জাগ কৃষ্ণ বুলি।।৭৭৯।।

১১৭। পা. জাঞ্জলে



সুন্দৰ বদনে বজায়া বেণু।
প্ৰভাতে কোনে চাৰিবেক ধেনু।।
কি ভৈল আজি কৃষ্ণ মোৰ বাপ।।
মড়িও নেড়াইবো তোৰ সন্তাপ।।৭৮০।।
এহি বুলি কান্দে কৃষ্ণক চাই।
যশোদা নন্দে জাম্প দিবে যায়।।
দেখি বলভদ্ৰে বাধিলে হাসি।
এখনে আসিব কালিক নাশি।।৭৮১।।
কৃষ্ণক লাগিয়া এড়া ক্ৰন্দন।
হেন শুনি সৱে জুড়াইল মন।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে।।৭৮২।।

।। দশম কীৰ্ত্তন।।

ঘোষা।।প্ৰণামো ৰাম দেৱ দয়াশীল।
আৰেসে কৃষ্ণৰ কৃপা মিলিল।।৬৬।।
পদ ।।ভকতৰ দুখ দেখি গোপাল।
আস্ফোট কৰি দিলা উৰুফাল।।
সৰ্পৰ বন্ধ এড়াই জগন্নাথে।
ডেৰে চড়িলন্ত কালিৰ মাথে।।৭৮৩।।

শতেক শিৰত নাচন্ত হৰি।
বাৰৈ বিদ্যাধৰে মৃদঙ্গ ধৰি।।
গন্ধৰ্ব্বে গীত গায়া বাৰৈ তাল।
পৰম আনন্দে নাচা গোপাল।।৭৮৪।।
জগত আধাৰ তোহ্মাৰ ভিৰে।
নাকে মুখে সিটো ছাদে ৰুধিৰে।।
স্বামী মৰে দেখি নাগিনী লোকে।
শিশু আগ কৰি আসিল শোকে।।৭৮৫।।
পড়িল ভূমিত কৃষ্ণৰ আগে।
কৰিয়া তুতি স্বামীদান মাগে।।
কৰিল দোষ স্বামী ইটো চণ্ড।
বিহিলা ইহাৰ উচিত দণ্ড।।৭৮৬।।
দুৰ্জ্জন জনৰ চিন্তিবা মাৰ।
সেহিসে কাৰ্য্যে তযু অৱতাৰ।।
পাতকী সৰ্পজাতি দুৰাশয়।
তোহ্মাৰ দণ্ডে পাপ ভৈল ক্ষয়।।৭৮৭।।
কৰিলা দায়া দয়াশীল হৰি।
তোহ্মাৰ ক্ৰোধ বৰএৰে সৰি।।
পূৰ্ব্বত কিনো তপ আছে কৰি।
যাহাত তুমি তুষ্ট ভৈলা হৰি।।৭৮৮।।



যিহেতু হেন ভৈল ভাগ্যোদয়।
তোহ্মাৰ পাইলে পদধূলাচয়।।
যাহাক লক্ষ্মীদেৱী বাঞ্ছা কৰি।
আচৰিলা তপ ব্ৰতক ধৰি।।৭৮৯।।
যিটো পদৰজ ভকতে পাই।
এড়ে সাৰ্ব্বভৌম পদতো দায়।।
স্বৰ্গ ব্ৰহ্মপদে নকৰৈ বাঞ্ছা।
নকৰন্ত যোগ সিদ্ধিকো ইচ্ছা।।৭৯০।।
মোক্ষতো অভিলাষ নাহি হৰি।
তোমাৰ চৰণ ৰেণুক এড়ি।।
পৰম ক্ৰোধী হুয়া ক্ৰূৰমতি।
হেন পদধূলা পাইলেক পতি।।৭৯১।।
নপান্ত ব্ৰহ্মা আদি দেৱে যাক।
হেন জানি নাথ ৰাখা ইহাক।।
চৰণে প্ৰণামো হুয়ো সন্তোষ।
বাৰেক আৰ মৰষিয়ো দোষ।।৮৯২।।
কৰিয়ো দায়া প্ৰভু এড়ে প্ৰাণ।
অনাথ স্ত্ৰীক দিয়ো স্বামীদান।।
কৰিলা অনেক স্তুতি ভকতি।
শুনি তুষ্ট ভৈলা জগতপতি।।৭৯৩।।

প্ৰাণে নমাৰিলা তাতেসে থাকি।
কালিক খেদাইলা হ্ৰদৰ ডাকি।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
হৰি হৰি বোলা সমস্তজনে।।৭৯৪।।

।। একাদশ কীৰ্ত্তন।।

ঘোষা।।ৰাম গোৱিন্দ মুকুন্দ মুৰাৰি।।৬৭।।
পদ ।।ভৈল হ্ৰদ সিটো নিৰ্ম্মল জল।
দেখিয়া সৱে ভৈল কৌতূহল।।
সপুত্ৰ বান্ধৱে গুচাইলা কালি।
তীৰক পাছে গৈলা বনমালী।।৭৯৫।।
দেখিয়া যশোদা ধৰিলা গলে।
পুত্ৰ পুত্ৰ বুলি নেত্ৰৰ জলে।।
তিয়াইলা কৃষ্ণৰ সৱে শৰীৰ।
নন্দো ধৰি আসি ঘ্ৰাণিলা শিৰ।।৭৯৬।।
কৃষ্ণক আলিঙ্গি আনন্দ পাইল।
নাছিল প্ৰাণ দুনাই যেন আইল।।
বেঢ়ি গোপগোপী চাৱে নিৰেখি।
জুৰাইলা শৰীৰ কৃষ্ণক দেখি।।৭৯৭।।
ভাই বুলি বলো সাৱটি আসি।
প্ৰভাৱ জানিয়া তুলিলা হাসি।।



এহিমতে সৱে এড়ায়া শোক।
ৰজনী ভৈল জানি সৱে লোক।।৭৯৮।।
যমুনা তীৰত বঞ্চিলা ৰাতি।
ক্ষুধায়ে তৃষায়ে আতি।।
ঘুমটি গৈলা হাৰাশাস্তি হুই।
বেঢ়িয়া বনত লাগিল জুই।।৭৯৯।।
অগনিৰ তাপে পাইলেক গাক।
জাগিলা সৱে গোপগোপী জাক।।
বহ্নিক দেখি ভৈলা সৱে ত্ৰাস।
ত্ৰাহি কৃষ্ণ বুলি পাড়ে আটাস।।৮০০।।
বহ্নিত সৱে পুৰি মৰো আমি।
প্ৰাণদান দিয়া জগত স্বামি।।
তুমি বিনা আন নাই বান্ধৱ।
ভকতজনক ৰাখা মাধৱ।।৮০১।।
এহি বুলি সৱে কৰৈ কোঢ়াল।
বান্ধৱৰ দুঃখ দেখি গোপাল।।
ভয় নাই বুলি আপুন মুখে।
পিলা বনাগ্নিক পৰম সুখে।।৮০২।।
এড়াইলা সমস্তে দুৰ্ঘোৰ ভয়।
অনন্তৰে ভৈলা সূৰ্য্য উদয়।।

কৃষ্ণৰ কৰ্ম্ম আতি আচৰিত।
বিস্ময় দেখি সমস্তৰে চিত্ত।।৮০৩।।
নোহন্ত মানুষ নন্দ তনয়।
পৰম পুৰুষ জানি নিশ্চয়।।
পাছে গোপগোপী কৃষ্ণক বেঢ়ি।
গোষ্ঠক লড়িল কৰন্তে খেড়ি।।৮০৪।।
কৃষ্ণগীত গান্ত বজায়া বেণু।
কৰিলেক আগ যতেক ধেনু।।
গোপীসৱে কৃষ্ণ চৰিত্ৰ গাইল।
পৰম আনন্দে ব্ৰজক পাইল।।৮০৫।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে গায়।
কেতিক্ষণে পড়ে ক্ষণিক কায়।।
জানিয়া কৃষ্ণৰ চৰণে ধৰি।
সমস্ত সমাজে ঘুষিয়ো হৰি।।৮০৬।।

।। কালিয়-দমন অনুখণ্ড সমাপ্ত।।

।। শিশুলীলা সমাপ্ত।।১০।।

।। একাদশ খণ্ড ।।

## ।। ৰাস-ক্ৰীড়া।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা ।। বোল হৰি ৰাম মুকুন্দ মুৰাৰি[১১৮]।
বিনা হৰিনামে ভৱ তৰিতে নপাৰি।।৬৮।।

পদ ।। শুকমুনি বদতি শুনিয়ো পৰীক্ষিত।
কহো ৰাসক্ৰীড়া কথা কৃষ্ণৰ চৰিত।।
শৰত কালৰ ৰাত্ৰি আতি বিতোপন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।।৮০৭।।
ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব্ব দিশ হন্তে।
কামাতুৰা স্ত্ৰীৰ যেন সন্তাপ মাৰ্জ্জন্তে।।
অখণ্ডমণ্ডল চন্দ্ৰ দেখিলন্ত হৰি।
কুঙ্কমে অৰুণ লক্ষ্মী মুখপদ্ম সৰি।।৮০৮।।
বনকো দেখিলা চন্দ্ৰ ৰশ্মিয়ে ৰঞ্জিত।
সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত।।
শুনি কামে উত্ৰাৱল হুয়া গোপীগণে।
দিলেক লৰড় গীত ধ্বনি নিৰীক্ষণে।।৮০৯।।
কৰ্ণত কুণ্ডল দোলে বেগত হাণ্ঠিতে।
চিত্তত ধৰিলা কৃষ্ণে চলে অলক্ষিতে।।

---

১১৮। পা. (১) বোলা হৰি নাম মুকুন্দ মুৰাৰি।
(২) বোলা হৰি হৰি ৰাম মুকুন্দ মুৰাৰি।

কতো গোপী যায় গাই দোহনক এড়ি।
আখাতে থাকিল দুগ্ধ চৰু সৈতে পড়ি।।৮১০।।
পীয়ন্তে আছিল শিশু তাহাকো নগণি।
পতি শুশ্রূষাকো এড়ি যায় কতোজনী।।
কতো গোপী আছিল স্বামীক পৰশন্তে।
আধা ভুঞ্জা হুয়া কতো যায় লৰড়ন্তে।।৮১১।।
কৃষ্ণৰ শ্ৰৱণে যেন হৰিদাসগণে।
এড়ে কাম্য কৰ্ম্ম সৱে তদগত মনে।।
কৃষ্ণে হৰিলন্ত চিত্ত হৰাইল চেতন।
পিন্ধয় পাৰত নিয়া ৰত্নৰ কঙ্কণ।।৮১২।।
হাতত নূপুৰ আড়ে কঙ্কালত হাৰ।
কৰি বিপৰ্য্যয় পিন্ধে বস্ত্ৰ অলঙ্কাৰ।।
তথাপি কৃষ্ণক পাইলা গোপিকাসকল।
ভকতৰ কৰ্ম্ম যেন নভৈল বিফল।।৮১৩।।
নিবাৰয় পতি পিতৃ[১১৯] ভ্ৰাতৃ আগ ভেণ্টে।
গোৱিন্দে হৰিল চিত্ত তথাপি নুলটে।।
বিমোহিত হুয়া সৱে লৰড়ে গোপিনী।
হৰি ভকতক যেন নলঙ্ঘে বিঘিনি।।৮১৪।।
যাইবে নপাই গৃহমধ্যে কতো গোপীগণ।।
মনে ধৰি কৃষ্ণক কৰিল আলিঙ্গন।।

১১৯। পা. পুত্ৰ



অনেক জন্মৰ কৰ্ম্মবন্ধ কৰি ক্ষীণ।
এড়ি তনু তেখনে কৃষ্ণত গৈল লীন।।৮১৫।।
পুছে পৰীক্ষিতে শুনি মিলিল সংশয়।
জাৰ বুদ্ধি মাধৱক সেৱৈ গোপীচয়।।
তথাপি মোক্ষক পাইলে কিনো বিপৰ্য্যয়।
বোলা হৰি হৰি হৌক পাপৰ প্ৰলয়।।৮১৬।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।।ভৱহাৰী হৰি[১২০] তাৰহু মুকুন্দ মুৰাৰি।
জনম মৰণ ক্লেশ[১২১] সহিতে নপাৰি।।৬৯।।

পদ ।।শুক নিগদতি ৰাজা শুনা মহাশয়।
গোপিকাৰ মোক্ষ দেখি নুহিবা বিস্ময়।।
দ্বেষ কৰি শিশুপালে লভিল মুকুতি।
বুদ্ধিক নাপেক্ষে মহৌষধিৰ শকতি।।৮১৭।।
বিষ বুলি অমৃতক পিলে যিটো নৰ।
নুহিবেক হেন জানা অজৰ অমৰ।।
যেন তেন মতে মাত্ৰ স্মৰোক সতত।
এতেকে মুকুতি পাৱে কহিলো বেকত।।৮১৮।।

১২০। পা. ভৱভয়হাৰী ১২১। পা. দুঃখ

ব্ৰহ্মাদিৰো ঈশ কৃষ্ণ প্ৰভু ভগৱন্ত।
যাত হন্তে পাৱৈ মোক্ষ স্থাৱৰ পৰ্য্যন্ত।।
নিৰপাৰ হৰিৰ ভকতি নুহি বৃথা।
গোপী গোপালৰ আৰে শুনা পাছ কথা।।৮১৯।।
যেৰে সৱে সমীপ পাইলেক গোপনাৰী।
তাসম্বাক বাক্যে মোহি বুলিলা মুৰাৰি।।
কুশলে কি আইলা কৈয়ো ব্ৰজৰ কল্যাণ।
প্ৰিয় কৰ্ম্ম কৰো কিবা কহিয়ো নিদান।।৮২০।।
দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নথাকিবা তোৰা সৱ তিৰীমতি।
তোমাসাক নেদেখিয়া পিতৃমাতৃচয়।
তাসম্বাৰ মনে মহা মিলিব সংশয়।।৮২১।।
দেখিলাহা ইটো বিকশিত বৃন্দাবন।
শশাঙ্কে ধৱল নৱ পল্লৱে শোভন।।
উলটি ব্ৰজক যাহা কান্দে শিশুগণ।
তাসম্বাক প্ৰতিপালি পিয়ায়োক স্তন।।৮২২।।
উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম।
স্বামীৰ শুশ্ৰূষা কুলস্ত্ৰীৰ মহাধৰ্ম্ম।।
যদিবা আহ্মাক স্নেহে আইলা গোপীগণ।
মোক আৰে দেখিলা সিজিল প্ৰয়োজন।।৮২৩।।



বিদূৰতে থাকি কৰৈ শ্ৰৱণ কীৰ্ত্তন।
বাঢ়ে মোত ভকতি নিৰ্ম্মল হোৱে মন।।
দেখন্তে শুনন্তে সদা হেলা হোৱে মতি।
জানিয়া গৃহতে থাকি কৰিও ভকতি।।৮২৪।।
কৃষ্ণৰ বিপ্ৰিয় বাণী শুনি গোপীগণ।
পাইলন্ত দুৰন্ত চিন্তা বিষণ্ণ[১২২] বদন।।
ওলমাইল মুখ আতি পাইয়া দুঃখ বৰ।
সঘনে নিশ্বাস কাঢ়ে শুখাইল অধৰ।।৮২৫।।
কুচৰ কুঙ্কুম মানে লোতকে তিতিল।
থাকিল নিচুকি মুখে বচন হৰিল।।
চৰণে ভূমিক লেখে দেখে তমোময়।
বোলা হৰি হৰি হৌক পাপৰ প্ৰলয়।।৮২৬।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।।গোপাল কৃষ্ণ কৰহু ত্ৰাণ।।
তোহ্মাক নেদেখি নসহে প্ৰাণ।।৭০।।
পদ ।।শোকক তন্তায়া গোপীসকলে।
মলচিলা মুখ আখি আঞ্চলে।।
গদগদ মাত মুখে নোহ্লায়।
বুলিবে লাগিলা কৃষ্ণক চাই।।৮২৭।।

---
১২২। পা. বিৱৰ্ণ

ভকত বৎসল তোহ্মাক জানি।
কেনে বোলা হেন ঘাতুক বাণী।।
সমস্ত বিষয় এড়িয়া স্বামি।
ভজিলো তোহ্মাৰ চৰণে আমি।।৮২৮।।
ভজিয়ো আহ্মাক মিলোক ভাগ।
নকৰা নাথ ভকতক ত্যাগ।।
কহিলা যিটো কুলস্ত্রীৰ কৰ্ম্ম।
তোহ্মাতে থাকোক সিসব ধৰ্ম্ম।।৮২৯।।
জগতৰে বন্ধু আতমা তুমি।
সমস্ত ধৰ্ম্মৰ আপুনি ভূমি।।
তুমি আত্মা হেন জানি সম্প্ৰতি।
তোমাতেসে কৰে ভকতে ৰতি।।৮৩০।।
নলাগৈ পতি পুত্ৰ দুঃখহেতু।
হুয়োক প্ৰসন্ন গৰুড়কেতু।।
কৰিছো আশা যিটো চিৰকাল।
নকৰিও তাক ভঙ্গ গোপাল।।৮৩১।।
হৰিলা চিত্ত নথাকয় ঘৰে।
হস্ত দুই গৃহকৃত্য নকৰে।।
তোহ্মাক এড়িয়া নচলৈ ভৰি।
ব্ৰজক গৈয়া কি কৰিবো হৰি।।৮৩২।।



জ্বলৈ কামানল তোহ্মাৰ গীতে।
নুমায়োক তাক অধৰামৃতে।।
নুহি বিৰহতে দহিয়া তনু।
লভিবো তোমাৰ সমীপ পুনু।।৮৩৩।।
হুয়োক প্ৰসন্ন জগনিৱাস।
সব তেজি কৈলো তোহ্মাতে আশ।।
নমাৰা পুৰিয়া ঈষত হাসি।
পুৰুষভূষণ কৰিয়ো দাসী।।৮৩৪।।
অলকা আবৃত তোহ্মাৰ মুখ।
অধৰ সুধাক দেখন্তে সুখ।।
ভ্ৰুৰযুগ তযু ঈষত হাসি।
দেখি তাক প্ৰভু ভৈলোহো দাসী।।৮৩৫।।
তোহ্মাৰ শুনিয়া অমৃত গীত।
নুহিবে মোহ কোন স্ত্রীৰ চিত্ত।।
আছোক আন বৃক্ষ পশু পক্ষী।
প্ৰেমে পুলকিত তোহ্মাক দেখি।।৮৩৬।।
দেৱৰ ৰক্ষক যেন মুৰাৰি।
ব্ৰজৰো তুমি দুঃখ ভয়হাৰী।।
জানিয়া জুৰায়ো আহ্মাৰ প্ৰাণ।
শিৰত হস্তপদ্ম দিয়া দান।।৮৩৭।।

কামে বশ্য হুয়া গোপী যতেক।
বুলিলা বিহ্বল বাক অনেক।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে।।৮৩৮।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।।গোৱিন্দ দেৱ বিনে নাহি কেৱ।
গোৱিন্দ দেৱ গোৱিন্দ দেৱ[১২৩]।।৭১।।
পদ ।।গোপীৰ শুনিয়া আকুল বাণী।
ভৈলন্ত সদয় সাৰঙ্গপাণি।।
হাসিয়া বোলন্ত এৰিয়ো তাপ।
গোপীক ক্ৰীড়িলা জগত বাপ।।৮৩৯।।
কৃষ্ণৰ সদয় দৃষ্টিক দেখি।।
প্ৰফুল্লমুখী ভৈলা সৰে সখী।।
দৰশাই লীলা ভাৱ ভ্ৰূভঙ্গে।
কৃষ্ণক চৌভিতি বেঢ়িলা ৰঙ্গে।।৮৪০।।
গোপীৰ মধ্যে শোভে দামোদৰ।
তাৰাৰ মধ্যে যেন শশধৰ।।
গলত অম্লান পঙ্কজমালা।
বেঢ়িয়া গুণ গাৱৈ গোপবালা।।৮৪১।।

১২৩। পা. গোৱিন্দ দেৱ বিনে নাহি কেৱ। গোৱিন্দ দেৱ।।



আপুনি গাৱন্ত গীত মোহন।
ফুৰন্ত ৰঞ্জি দিব্য বৃন্দাবন।।
যমুনা বালি দেখি সুকোমল।
পদ্মগন্ধি বাত আতি শীতল।।৮৪২।।
গোপীগণ লৈয়া নামিলা তাত।
কৰিলা ক্ৰীড়া কৃষ্ণে অসংখ্যাত।।
বাহুমেলি কাকো আলিঙ্গি ধৰি।
কাৰো স্তন নখে পৰশৈ হৰি।।৮৪৩।।
মুখ চায়া কাৰো তোলন্ত হাস।
মাতন্ত কাকো কৰি পৰিহাস।।
লন্ত বস্ত্ৰ কাঢ়ি বঢ়ায়া ৰঙ্গ।
বেকত কৰন্ত গুপুত অঙ্গ।।৮৪৪।।
ধৰিয়া কাৰো কণ্ঠে বাহু মেলি।
কৰিলা অনেক অনঙ্গ কেলি।।
আনন্দে গোপীৰ বঢ়ায়া কাম।
ৰমিলা গোপীনাথ আৱিশ্ৰাম।।৮৪৫।।
কৃষ্ণত হন্তে মহামান পায়া।
বুলিলা গৰ্ব্বে সৰে গোপজায়া।।
আমাৰ সম সুভাগিনী নাই।
ভৈলন্ত অধীন যাদৱৰায়।।৮৪৬।।

গোপীৰ মহা অহম্মম ভাৱ।
দেখি নসহিলা কৃষ্ণৰ গাৱ।।
তাসম্বাৰ দৰ্প্প হৰিবে মনে।
ভৈলা অন্তৰ্দ্ধান তৈতে তেখনে।।৮৪৭।।
কৃষ্ণক নপাই পাছে গোপীচয়।
মিলিল সন্তাপ ভৈলন্ত ভয়।।
যেন যূথপক নেদেখি বনে।
কান্দে আৰ্তৰাৱে হস্তিনীগণে।।৮৪৮।।
কৃষ্ণৰ সদয় কটাক্ষ হাসে।
মোহন আলাপ গতি বিলাসে।।
হৰিল চিত্ত পাসৰিল মৰ্ম্ম।
কৰিবে লাগিলা কৃষ্ণৰ কৰ্ম্ম।।৮৪৯।।
কৃষ্ণৰ ঠানে কৰৈ লীলাগতি।
সদয় হাস্যে চাৱৈ কাকো প্ৰতি।।
মঞিসে কৃষ্ণ দেখ গোপীগণ।
অন্যোঅন্যে গোপী বোলৈ বচন।।৮৫০।।
একত্ৰ হুয়া মহাপ্ৰেমভাৱে।
গোৱিন্দ গুণ গাৱৈ আৰ্ত্তৰাৱে।।
বিচাৰি ফুৰৈ সিটো বৃন্দাবনে।
কৃষ্ণ কৃষ্ণ বুলি উন্মত্ত মনে।।৮৫১।।



যিটো হৰি আছা জগত ব্যাপি।
বৃক্ষত তাঙ্ক সোধে পাশ চাপি।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্তজনে।।৮৫২।।

।। পঞ্চম কীৰ্ত্তন।।

ঘোষা।।কৈত পাইবো প্ৰাণ গোপাল আমি।
হৰাইল অৰুণলোচন স্বামী।।৭২।।

পদ ।।উচ্চ বৃক্ষ দেখি সোধৈ সাদৰি।
শুনিয়ো অশ্বত্থ বট পাকড়ি।।
যাহন্তে দেখিলা নন্দকুমাৰ।
নেন্ত চুৰি কৰি চিত্ত আমাৰ।।৮৫৩।।
হে কুৰুবক অশোক চম্পা।
কহিয়ো কথা কৰা অনুকম্পা।।
মানিনীৰ দৰ্প কৰিয়া চূড়।
জানাহা কৃষ্ণ যান্ত কত দূৰ।।৮৫৪।।
ওবা তুলসী সমিধান দিয়া।
তুমি গোৱিন্দৰ চৰণপ্ৰিয়া।।
যাহন্তে দেখিলা নন্দকুমাৰ।
প্ৰাণতো অধিক প্ৰিয় আম্মাৰ।।৮৫৫।।

হে জাই যূথী সখী মালতী।
কৃষ্ণ পৰশে কি লভিলা গতি।।
সমস্তে গোপীৰ জীৱন ধন।
দেখিলা যাহন্তে নন্দনন্দন।।৮৫৬।।
হে আম জাম বেল বকুল।
নাহি উপকাৰী তোহ্মাৰ তুল।।
কৃষ্ণৰ বিৰহে দেখো আন্ধাৰ।
কোৱা কৈক গৈল প্ৰাণ আহ্মাৰ।।৮৫৭।।
কিনো তপ ওবা কৰিলা ভূমি।
কৃষ্ণৰ চৰণ পৰশি তুমি।।
মিলি আছে আতি আনন্দ ভাৰ।
দেখো ৰোমাঞ্চিত তোহ্মাৰ গাৰ।।৮৫৮।।
পূৰ্ব্বতো বৰাহে আছে আলিঙ্গি।
তুমি সৰ্ব্বকালে কৃষ্ণৰ সঙ্গী।।
দেখিছা কৃষ্ণক জানো নিশ্চয়।
কহিয়ো আহ্মাত হুয়া সদয়।।৮৫৯।।
মৃগপত্নী সখী দেখিলা হৰি।
তোহ্মাৰ নেত্ৰৰ আনন্দকাৰী।।
যান্ত প্ৰিয়া সমে গতি বিলাসে।
হেৰ কুন্দ গন্ধ কুঙ্কুম বাসে।।৮৬০।।



কতো গোপী বোলৈ শুনিয়ো ৰাণী।
লতাত কৃষ্ণৰ পুছা কাহিনী।।
কৃষ্ণৰ নখৰ পৰশ পাই।
দেখো পুলকিত সমস্তে কায়।।৮৬১।।
বোলৈ বাক্য সবে উন্মত্তভাৱে।
কৃষ্ণক বনত বিচাৰি চাৱে।।
কৃষ্ণগুণ গান্তে প্ৰেম উপজৈ।
কৃষ্ণতে মন সমুদায় মজৈ।।৮৬২।।
সমস্তে বিহ্বল হুয়া গোপিনী।
কৰৈ কৃষ্ণলীলা কতো আপুনি।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে।।৮৬৩।।

।। ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।। বন্দো মন্দৰধাৰী।
গতি মতি মোৰ তুমি মুৰাৰি[১২৪]।।৭৩।।
পদ ।।পূতনাৰ বেশে কতোজনী দেয় স্তন।
কতো শিশুকৃষ্ণ হুয়া শোষয় জীৱন।।
কতোগোপী থাকৈ হেন শকট আকাৰে।
কৃষ্ণ হুয়া ওভতাৱৈ চৰণ প্ৰহাৰে।।৮৬৪।।

১২৪। পা. বন্দো মন্দৰধাৰী। গতি মতি মোৰ মুৰাৰি।।

কতো গোপী বসৈ শিশুকৃষ্ণৰূপ ধৰি।
তৃণাৱৰ্ত্ত হুয়া কতো গোপী নেয় হৰি।।
কৃষ্ণ হুয়া কেহোজনী ফুৰৈ আথুঁকাঢ়ি।
কঙ্কালত ঘাঘৰ-ঘুঘুৰা কৰৈ শাৰী।।৮৬৫।।
কতো কতো হুই ৰাম কৃষ্ণ দুই ভাই।
কতো বৎস হুই তাকে ফুৰন্ত চৰাই।।
কতো গোপী বক যেন চুম্পি থাকৈ ভিৰি।
কৃষ্ণ হুয়া কতোজনী তাঙ্ক মাৰৈ ছিৰি।।৮৬৫।।
কতোজনী কৃষ্ণ হুয়া বাৰৈ বাংশী তুলি।
বেঢ়িয়া প্ৰশংসে কতো ধন্য ধন্য বুলি।।
বাংশীৰ নিসানে গাই ডাকৈ নাম ধৰি।
কতো গোপীগণ আসৈ হাম্বাৰাৱ কৰি।।৮৬৭।।
কতোজনী বাহু থৈয়া গোপিকাৰ গলে।
কৃষ্ণময় হুয়া কতো আনন্দতে চলে।।
জান গোপীগণ মই কৃষ্ণ যদুপতি।
দেখ দেখ ইটো মোৰ কেন লীলাগতি।।৮৬৮।।
নকৰিবা ভয় বুলি কতো গোপী মাতে।
মই কৃষ্ণ আছো কি কৰিবে বৃষ্টি বাতে।।
গাঁৱৰ আঞ্চল তুলি থাকৈ এক কৰে।
ধৰিলো মন্দৰ হেৰ চাপ নিৰন্তৰে।।৮৬৯।।



কেহো বোলে কালি দমো মই যদুনাথে।
ভৰি দিয়া উঠে কতো গোপিকাৰ মাথে।।
সত্তৱে অন্তৰ ঐৰ সৰ্প দুৰাচাৰ।
দুষ্টক দণ্ডিবে লাগি মোৰ অৱতাৰ।।৮৭০।।
কেহোজনী বোলৈ আৰে দেখা গোপীচয়।
বনজুই বেঢ়িলেক মিলিল সংশয়।।
চক্ষু মুদি থাকা সৱে সাধিবো কল্যাণ।
মঞি কৃষ্ণে এতিক্ষণে নিবো নিজস্থান।।৮৭১।।
কেহো বোলৈ দেখ দেখ দধিৰ বিলাই।
ভাণ্ড ভঙ্গা কৃষ্ণক ধৰিলো খেদি পাই।
আউৰ যেন নখাস লৱণু চুৰি কৰি।
উডুখলে বান্ধে কেহো গোপিকাক ধৰি।।৮৭২।।
এহিমতে কৃষ্ণচেষ্টা কৰৈ গোপীগণে।
কৃষ্ণক খোজন্তে ফুৰৈ পশি বৃন্দাবনে।।
দেখিল কৃষ্ণৰ খোজচয় পৃথিৱীত।
ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে অলঙ্কৃত।।৮৭৩।।
পাছে সৱে গোপিকা পঞ্জাল নেয় গুড়ি।
দেখৈ কৃষ্ণখোজে স্ত্ৰীৰ খোজ আছে পৰি।।[১২৫]
দেখি দুঃখে অধিক আকুল ভৈল মন।
বোলা হৰি হৰি আছে যাৱত চেতন।।৮৭৪।।

১২৫। পা. (ক) দেখৈ কৃষ্ণখোজ স্ত্ৰীৰ খোজে আছে পৰি।
(খ) দেখি স্ত্ৰীৰ খোজ কৃষ্ণখোজে আছে পৰি।

## ।। সপ্তম কীৰ্ত্তন।।

ঘোষা।। আৰ নেদেখিবো ৰে জীৱেৰ জীৱন বনমালী।
কোথা গৈল[১২৬] গোপাল হৃদয়ে অগ্নি জালি।।৭৪।।

পদ ।।দেখ সখী খোজে কোন জনী যায় সঙ্গে।
কৃষ্ণৰ কান্ধত হাত দিয়া লীলা ৰঙ্গে।।
নিশ্চয়ে জানিলো আৰাধিলে দেৱ হৰি।
তাইক লগে নেন্ত আমি সমস্তকে এড়ি।।৮৭৫।।
দেখা সখীসৱ ধন্য কৃষ্ণপদধূলি।
ব্ৰহ্মা হৰে শিৰে ধৰৈ শুদ্ধ হঞো বুলি।।
আসা আমি কৰো এহি ধূলা অভিষেক।
দেখিবো পৱিত্ৰ হুয়া কৃষ্ণক প্ৰত্যেক।।৮৭৬।।
আউৰ জনী বোলৈ কিবা কহ গোপীগণ।
তাইৰ খোজ দেখিয়া আকুল কৰৈ মন।।
কৃষ্ণৰ অধৰামৃত সৰ্ব্বস্ব সবাৰে।
চুৰি কৰি নিয়া তাই ভুঞ্জে একেশ্বৰে।।৮৭৭।।
আৰে ঐত তাইৰ খোজ নাকলিয়া ভালে।
তৃণে বিন্ধিলেক সুকোমল ভৰিতলে।।

১২৬। পা. কথা গৈল



প্ৰাণতো অধিক প্ৰিয়া দুঃখ পাৱৈ বুলি।
কোলাত লইয়া যান্ত আলগাই তুলি।।৮৭৮।।
গোপীক বহন্ত কিনো কামাতুৰ হৰি।
দেখা দেখা ঐত পোত গৈয়া আছে ভৰি।।
ঐত নমাই থৈলন্ত প্ৰিয়াক মহাশয়।
দেখা তাইৰ অৰ্থে আনিলন্ত পুষ্পচয়।।৮৭৯।।
পাড়িল গেড়ুৱা চড়াই[১২৭] ফুল ভৰি ফান্দি।
অৰ্দ্ধেক ভৰিৰ খোজ হেৰা আছে বান্ধি।।
হেৰা দেখা তাইক ঐত উৰুত বৈসাই।
বান্ধিলন্ত খোপা কামাতুৰ যদুৰায়।।৮৮০।।
আঁৰিল খোপাত তাইৰ ফুল চতুৰ্ভিতি।
দেখা আছিলন্ত বসি গোপিকা সহিতি।।
শুক নিগদতি ৰাজা শুনিও শ্ৰৱণে।
পূৰ্ণকাম হৰি ক্ৰীড়িলন্ত যি কাৰণে।।৮৮১।।
দেখাইলন্ত দুঃখ কামাতুৰ পুৰুষৰ।
স্ত্ৰীৰো দুৰ্জ্জন ভাৱ শুনা আতপৰ।।
চলি যায় যিটো গোপী কৃষ্ণৰ লগত।
মহাগৰ্ব্বভাৱ তাইৰ বাঢ়িল মনত।।৮৮২।।

১২৭। পা. (১) পৰিলা গড়ুৱা চৰাই
(২) পৰিলা গড়ুয়া চড়াই

কৃষ্ণক আশায়ে আইলা যত গোপীজাক।
সৱাকো এড়িয়া কৃষ্ণে ভজিলা আহ্মাক।।
সমস্তে নাৰীত শ্ৰেষ্ঠ আপুনাক মানি।
মহাদৰ্পে কৃষ্ণক বুলিলা হেন বাণী।।৮৮৩।।
চলিতে নপাৰো আউৰ মই এক ভৰি।
যৈকে মন নিয়া আৰে যেন লাগে কৰি।।
শুনি হেন হৰিয়ো বুলিলা তাইক হাসি।
যাইবে যেৱে নপাৰা কান্ধত উঠা আসি।।৮৮৪।।
শুনি উঠিবাক তাই গৈল কাছিপাৰি।
দেখি অন্তৰ্দ্ধান ভৈলা তথাতে মুৰাৰি।।
কান্দে আৰ্ত্তৰাৱে গোপী কৃষ্ণক নেদেখি।
হা নাথ কৈক গৈলা হামাক উপেক্ষি।।৮৮৫।।
তোমাৰেসে দাসী মই জানা নাৰায়ণ।
অনাথৰ নাথ মোক দিয়া দৰিশন।।
গোপীগণে গোবিন্দৰ খোজ নেয় গুড়ি।
সমীপতে দেখৈ স্ত্ৰী কান্দে দুঃখে পড়ি।।৮৮৬।।
সমস্তে সখীতে তাই কহিল বৃত্তান্ত।
যেন মতে তাইক এড়িলন্ত কৃষ্ণকান্ত।।
শুনিয়া বিস্ময় আতি ভৈলা যত সখী।
নিৱৰ্ত্তিলা সৱে ঘোৰ অন্ধকাৰ দেখি।।৮৮৭।।
কৃষ্ণতে অৰ্পিলি মন কৃষ্ণৰে আলাপ।
কৃষ্ণগুণ গায়া কৰৈ কৃষ্ণৰে বিলাপ।।



পতি পুত্ৰ গৃহ শৰীৰকো নুসুমৰৈ।
কৃষ্ণময় হুয়া কৃষ্ণচেষ্টা মাত্ৰ কৰৈ।।৮৮৮।।
কৃষ্ণপদ পঙ্কজে নিবিড় কৰি চিত্ত।
দুনাই যমুনাৰ সৱে নামিলা বালিত।।
কৃষ্ণক প্ৰাৰ্থয় গোপী এক ঠাই হুই।
বোলা হৰি লাগোক পাপৰ মুণ্ডে জুই।।৮৮৯।।

।। অষ্টম কীৰ্ত্তন।।

ঘোষা।। মোহন দেহু দৰিশন গোপাল প্ৰাণ
পেখো মুখ কমল।
সংসাৰ তাৰণ তোহ্মাৰ চৰণ[১২৮]
নভজি জনম বিফল।।৭৫।।

পদ ।। কৃষ্ণত নৈৰাশ হুয়া গোপীচয়
বালিত নামি দুনাই।
কৃষ্ণ দৰশন মনে গীত গাৱৈ
কৃষ্ণৰ গুণ বৰ্ণাই।।
তোহ্মাৰ জনম নিমিত্তে অধিক
গোকুল বাঢ়ে সম্পূৰ্ণে।
লক্ষ্মীয়ো সাক্ষাতে ব্ৰজত বঞ্চন্ত
সুখে আছে সৰ্ব্বজনে।।৮৯০।।

---

১২৮। পা. সংসাৰ তৰণ তেৰি চৰণ

তোহ্মাতেসে প্ৰাণ সুম্পি গোপীচয়
চাই ফুৰো দশোদিশ।
গুচোক নিকাৰ প্ৰাণৰ বল্লভ
দেখা দিয়া জগদীশ।।
শৰত কালৰ বিকাশ পদ্মৰ
উদৰৰ শ্ৰীক নিন্দে।
হেনয় নেত্ৰৰ কটাক্ষে আহ্মাক
মাৰিছা তুমি গোৱিন্দে।।৮৯১।।
নিকিনিলা দাসী ভজিলোহো আসি
গীততে হুয়া দগধ।
কটাক্ষে মাৰিলে বধ কি নলাগে
অস্ত্ৰে কাটিলেসে বধ।।
বিষময় জল অঘ পূতনাত
ৰাখিলা বৃষ্টিতো হন্তে।
চক্ৰবাত বন- বহ্নি আনো ভয়ে
তাৰিলা তুমি অনন্তে।।৮৯২।।
আৰে কেনে মন- মথৰ হাতত
আহ্মাক মৰাৱা স্বামি।
তোহ্মাৰ চৰণ যেৱে দেখা পাওঁ
পুনৰপি জীওঁ আমি।।
নুহিকা যশোদা নন্দন গোৱিন্দ
নিশ্চয়ে বুলিলো বাক।



তুমি সমস্তৰে বুদ্ধি সাক্ষী সখি
প্ৰাৰ্থিলা ব্ৰহ্মা তোহ্মাক।।৮৯৩।।
জগত ৰাখিবে লাগি যদুকুলে
আপুনি ভৈলা উদিত।
শুনা মহাভাগ ভকতক ত্যাগ
কৰিবে নুহি উচিত।।
বিনাশৈ সংসাৰ ভয় ভকতৰ
পূৰৈ মনোৰথ যত।
হেন হস্তপদ্ম আনি প্ৰাণনাথ
দিয়োক আসি শিৰত।।৮৯৪।।
হে ব্ৰজধন দুখহাৰী হৰি
আমি কিঙ্কৰীক ভজ।
মোহন হসিত কটাক্ষে সহিত
দেখায়ো মুখ পঙ্কজ।।
সমস্ত প্ৰাণীৰ পাপ হৰে যিটো
আছিলা কালিৰ ফণে।
কামক মৰ্দ্দিয়া হেন পাদপদ্ম
অৰ্পিয়ো আমাৰ তনে।।৮৯৫।।
পঙ্কজলোচন নেদেখি তোহ্মাৰ
মৰো হেৰা সৰে দাসী।
মধুৰ বচনে অধৰ অমৃতে
আহ্মাক জীয়ায়ো আসি।।

তযু কথামৃতে দগ্ধকো জীয়াৱৈ
শ্ৰৱণে দেয় মুকুতি।
সকাম কৰ্ম্মীক আত তুচ্ছ কৰৈ
জ্ঞানী কৰৈ তাকে তুতি।।৮৯৬।।
যিটোজনে সদা হেন কথা কৰৈ
সি সি দান দেয় জীৱ।
ভৈলোহো হেনয় সুহৃদে বঞ্চিত
দেখা দিয়া সদাশিৱ।।
শুনিয়ো কপটী সংঙ্কেত আলাপ
নুগুচৈ আৰ হিয়াৰ।
তোমাৰ সদয় হাস্য দৰশনে
মুহিল মন আহ্মাৰ।।৮৯৭।।
তোহ্মাকেসে লাগি সৱ গোপীচয়
স্নেহে বিয়াকুল মতি।
তুমি পুনু প্ৰভু কপট আচৰা
আহ্মাত কোন যুগুতি।।
ব্ৰজ হন্তে ধেনু চাৰিবাক যাহা
আহ্মাৰ মনে আসুখ।
জোনো পাদপদ্মে তৃণ শিলা লাগি
প্ৰাণনাথে পান্ত দুঃখ।।৮৯৮।।
তোহ্মাৰ চিন্তায়ে দিন বহি যায়
গধুলি গোপাল আসি।



অলকা আবৃত গো-ৰজে ৰঞ্জিত
দেখাৱা মুখ প্ৰকাশি।।
পুনু পুনু দেখাই বদন পঙ্কজ
মনত অৰ্পা মদন।
তোহ্মাৰ সঙ্গতি নপাই দুঃখে ৰাতি
জাগিয়া চিন্তো চৰণ।।৮৯৯।।
আহ্মাৰ হৃদয় জানি কৃপাময়
এড়িয়ো কপট মতি।
দিয়া দৰিশন আহ্মাৰ জীৱন
ৰাখিয়োক যদুপতি।।
কৃষ্ণৰ কিঙ্কৰে ভণিলা শঙ্কৰে
হৰিপাৱে কৰা ৰতি।
শুনা সৰ্ব্বজন এড়া আন মন
ঘুষিয়ো হৰি সম্প্ৰতি।।৯০০।।

।। নৱম কীৰ্ত্তন।।

ঘোষা।। পদ্মপাণি হামি কাহা যাওঁ কৃষ্ণ কৈত পাওঁ।
গোৱিন্দ বিনে বৃথা জনম গোৱাওঁ।।৭৬।।
পদ ।। ভকত কামদ পাদপদ্ম মনোৰম।
সেৱা সময়ত যিটো আতি সুখতম।।

হৰয় বিপদ যাক কৰিলে স্মৰণ।
আহ্মাৰ তনত হেন অৰ্পিয়ো চৰণ।।৯০১।।
বিনাশে সমস্তে শোক সুৰতি বঢ়াৱে।
সাৰ্ব্বভৌম ৰাজাৰ সুখকো পাসৰাৱে।।
সুললিত বাংশী আতি চুম্বি আছে যাক।
হেনয় অধৰামৃত দিয়োক আহ্মাক।।৯০২।।
তোহ্মাৰ সংযোগে মনে মিলৈ মহাসুখ।
ক্ষণেকে নেদেখি পাঞো আতি চিন্তা দুঃখ।।
এতেকে সৱাকে তেজি ভজিলো তোহ্মাক।
এড়িলা কোননো সতে তুমি আমাসাক।।৯০৩।।
যেৱে দিৱসত তুমি ফুৰা বৃন্দাৱনে।
তোহ্মাক নেদেখি যুগ যাই অৰ্দ্ধক্ষণে।।
সন্ধ্যাত তোহ্মাৰ মুখ দেখি এড়াঞো ক্লেশ।
কিনো মন্দ ব্ৰহ্মা তাতো স্ৰজিলা নিমেষ।।৮০৪।।
তযু গীতে আতি মন মুহিল আহ্মাৰ।
পতি পুত্ৰ ভ্ৰাতৃকো কৰিলো পৰিহাৰ।।
আমাৰ সাধিবা গতি মনে হেন মানি।
তোহ্মাৰ সমীপ পাইলো প্ৰভু চক্ৰপাণি।।৯০৫।।
তুমি বিনা আছে আৰ ধূৰ্ত্ত কোনজন।
মাতি আনি নিশাত এড়িলা নাৰীগণ।।

কাহাক দুষিবো ইসি অভাগ্য কপাল।
আমাৰ হৃদয় ৰোগ গুচায়ো গোপাল।।৯০৬।।
তোহ্মাৰ সুমৰি সিটো ৰহস্য আলাপ।
কৰে কামানলে আতি হৃদয়ত তাপ।।
লক্ষ্মীৰ নিৱাস সিটো দেখি উৰঃস্থল।
দুনাই দুনাই হোৱে মন আমাৰ বিহ্বল।।৯০৭।।
ব্ৰজৰ জনৰ দুঃখ হৰিবাক প্ৰতি।
ভৈলা অৱতাৰ হৰি তোহ্মাৰ সম্প্ৰতি।।
হেনজানি ক্ষণেকো নেড়িবা যদুৰায়।
তোমাক নেদেখি হেৰা প্ৰভু প্ৰাণ যায়।।৯০৮।।
হে প্ৰভু তযু পাদপদ্ম সুকুমাৰ।
লাসে লাসে ধৰো যাক তনত আহ্মাৰ।।
সিটো পাৱে বিজুবনে ফুৰা কেন কৰি।
শিলা খোলা লাগি জোনো পীড়া কৰে ভৰি।।৯০৯।।
ইহাকেসে সুমৰন্তে প্ৰভু প্ৰাণ যায়।
তুমিসি আমাৰ জীৱ প্ৰাণ সমুদায়।।
এতেক বোলন্তে উপজিল প্ৰেমভাৱ।
কান্দে কৃষ্ণ বুলিয়া পাৰয় দীৰ্ঘৰাৱ।।৯১০।।
গাৱৈ গীত কতো নয়নৰ বহে নীৰ।
হা কৃষ্ণ কৃষ্ণ ৰড়ি চিত্ত নোহে থিৰ।।



কৃষ্ণক নেদেখি গোপী সমস্তে বিহ্বল।
বোলা হৰি হৰি পাপ যাওক ৰসাতল।।৯১১।।

।। দশম কীৰ্ত্তন।।

ঘোষা।। হেৰ’ পাইলো[১২৯] পাইলো ৰে প্ৰাণধন মুকুন্দ মুৰাৰি।
দিয়া দেখা দামোদৰ জীৱন হামাৰি।।৭৭।।

পদ ।। গোপিকাৰ দেখি প্ৰেমভাৱ বিপৰীত।
ভৈলন্ত গোপাল আতি আকুলিত চিত্ত।।
আনন্দ বঢ়ায়া গোপীগণৰ মধ্যত।
পৰম মধুৰ মূৰ্ত্তি ভৈলন্ত বেকত।।৯১২।।
হাসো হাসো কৰৈ আতি বদন কমল।
শ্যামতনু পীত বস্ত্ৰে দেখিতে উজ্জ্বল।।
চিকিমিকি কৰৈ অলঙ্কাৰৰ দীপিতি।
গলত পদ্মৰ মালা দেখন্তে তৃপিতি।।৯১৩।।
দেখি ৰূপ মদনৰো মোহন সাক্ষাত।
উঠিল আনন্দে সৱে গোপী অসংখ্যাত।।
গুচিল বিৰহ দুঃখ দ্ৰৱ ভৈল চিত্ত।
প্ৰাণকো দেখিয়া যেন তনু উল্লসিত।।৯১৪।।

১২৯। পা. হেৰা পাইলো.............

কতো গোপীগণ গৈয়া কৃতাঞ্জলি কৰি।
থাকিল কৃষ্ণৰ হস্তপঙ্কজত ধৰি।।
কতো আথেবেথে গৈয়া ধৰৈ বাহু কান্ধে।
কতো গোপী গৈয়া মোহ হুয়া গলে বান্ধে।।৯১৫।।
আগ হুয়া কেহো চোবা লবৈ হাত পাতি।
চক্ষু পকাই চাবৈ কতো কৰি মুখ কাতি।।
মদনে মৰ্দ্দয় কতো গোপিকাৰ মন।
স্তনত অৰ্পয় নিয়া কৃষ্ণৰ চৰণ।।৯১৬।।
এক দৃষ্টি কৰি কতো কতো গোপীগণে।
মুখ পঙ্কজক পিবৈ তৰধ নয়নে।।
নাহিকে তৃপিতি যদি পিয়ন্ত সততে।
কৃষ্ণৰ চৰণ যেন চিন্তন্ত ভকতে।।৯১৭।।
নেত্ৰে চাই কেহোজনী নেয় হৃদয়ক।
কৃষ্ণক আলিঙ্গি ভৈল সৰ্ব্বাঙ্গে পুলক।।
বহৱৈ আনন্দে নয়নৰ নীৰ ঝৰি।
মহাযোগী জনে যেন থাকৈ ধ্যান কৰি।।৯১৮।।
এহি মতে কৃষ্ণক চাহন্তে গোপীগণ।
মিলি গৈল উৎসৱ শীতল তনু মন।।
এড়াইল বিৰহ তাপ আনন্দে ভৰিল।
ভকতক পায় যেন সংসাৰী তৰিল।।৯১৯।।



শোক এড়ি গোপীগণে বেঢ়িলে চৌভিতি।
মধ্যত কৰন্ত কৃষ্ণে অধিকে দীপিতি।।
পাছে সৱে গোপিকাক লৈয়া বনমালী।
আনন্দে নামিলা গৈয়া যমুনাৰ বালি।।৯২০।।
পুষ্পিত মন্দাৰ কুন্দ গন্ধে হুয়া ভোল।
মধুমত্ত অনেক ভ্ৰমৰে কৰৈ ৰোল।।
শৰত চন্দ্ৰৰ কান্তি আতি সুকোমল।
দেখি মহা সন্তোষিত গোপিকাসকল।।৯২১।।
তথাতে বসিয়া মাধৱক মধ্য কৰি।
ভৈল পূৰ্ণকাম সৱে সন্তাপ নিস্তৰি।।
প্ৰাণবন্ধু মাধৱক কৰিয়া সন্মান।
আঞ্চল পাতিয়া দিলা বসিবাৰ স্থান।।৯২২।।
বসিলন্ত তাতে অন্তৰ্য্যামী দেৱ হৰি।
ত্ৰিভুৱন মোহন মধুৰ ৰূপ ধৰি।।
কৰিলা শুশ্ৰূষা গোপীগণে মান্য কৰি।
কতো লৈয়া কোলাত কৃষ্ণৰ জান্তে ভৰি।।৯২৩।।
কান্ধত বাহুক থৈয়া কতোজনী ঘসে।
কতো লীলা কটাক্ষে চাহৱে প্ৰেমৰসে।।
কতোহো প্ৰণয় কোপে দেয় সমিধান।
বোলা হৰি হৰি হৌক পাপৰ নিৰ্য্যাণ।।৯২৪।।

।।একাদশ কীৰ্ত্তন।।

ঘোষা।। শাৰঙ্গপাণি প্ৰভু ভগৱন্ত।
নজানো তোহ্মাৰ মায়াৰ অন্ত[১৩০]।।৭৮।।

পদ ।। পাছে গোপীগণে আতি সাদৰি।
কৃষ্ণৰ ৰঙ্গে জান্তে হাত ভৰি।।
ছলে পৰিহাস কৰিয়া তথা।
প্ৰণয় কোপে সোধে সৰে কথা।।৯২৫।।
কতো মনুষ্যে ভজে ভজন্তাক।
নভজে যিবা কেহো ভজে তাক।।
ভজন্তা নভজন্তা দুইকো আসি।
নভজয় কোনে কৈয়ো প্ৰকাশি।।৯২৬।।
গোপীৰ শুনি গূঢ় অভিপ্ৰায়।
দিলন্ত উত্তৰ যাদৱৰায়।।
শুনা সখীসৱ আহ্মাৰ বাক।
যিজনে মাত্ৰ ভজে ভজন্তাক।।৯২৭।।
সুহৃদ নুহি নাহি তাৰ ধৰ্ম্ম।
আপুন অৰ্থে মাত্ৰ কৰৈ কৰ্ম্ম।।
যিজনে ভজে নচাই উপকাৰ।
সুহৃদ সেহি ধৰ্ম্ম সিজৈ তাৰ।।৯২৮।।

---

১৩০। পা. নজানি তোমাৰ মায়াৰ অন্ত।



ভজৈ নভজৈ দুইটো নেদৈ মন।
আছৈ চাৰি বিধ শুনা লক্ষণ।।
যিটো ব্ৰহ্মজ্ঞানী দেখৈ সৱে মিছা।
যিজন পূৰ্ণ ভোগে নাহি ইচ্ছা।।৯২৯।।
গুৰুদ্ৰোহী যিটো একো নমানৈ।
যিটো মহামূৰ্খ কিছু নজানৈ।।
নভজৈ দুইকো এহি চাৰিজন।
কহিলো নিষ্ঠে মই গোপীগণ।।৯৩০।।
কৃষ্ণৰ বাক্য শুনি সৱে সখী।
কৰৈ হাস্য অন্যোঅন্যে নিৰেখি।।
বোলন্ত দুনাই কৃষ্ণে বুজি কাজ।
সখীসৱ আমি চাৰিতো বাজ।।৯৩১।।
ভকতেসে মোৰ সুহৃদ প্ৰাণ।
যিহেতু নভজো শুনা নিদান।।
সদায় চিন্তোক মোক নপাই।
বিহ্বল যেন ধন হৰুৱাই।।৯৩২।।
তোমৰা সৱে মোৰ অৰ্থে আতি।
এড়িলা বেদ ধৰ্ম্ম যত জ্ঞাতি।।
বাঢ়োক তোহ্মাৰ প্ৰেম ভকতি।
ভৈলো অন্দৰ্দ্ধান এহি যুগুতি।।৯৩৩।।

নকৰা অসূয়া স্বৰূপ জানি।
আছোক ইটো শুনা সত্যবাণী।।
দুস্ত্যজ গৃহৰো এড়িয়া পাশ।
ভজিলা মোক কৰি অভিলাষ।।৯৩৪।।
ভৈলোহো বশ্য মই তোমাসাৰ।
চিৰকালে শুজা নযায় ধাৰ।।[১৩১]
যেৱে সৱে এড়া আপুন দায়।
তেৱেসে মোৰ ঋণ শুজা যায়।।৯৩৫।।
অমৃত বৰিষে কৃষ্ণৰ বাক।
জুৰাইল শুনি সৱে গোপীজাক।।
এৰাইল সমস্তে বিৰহ তাপ।
বোলা হৰি হৰি হৰোক পাপ।।৯৩৬।।

।।দ্বাদশ কীৰ্ত্তন।।

ঘোষা।। ৰাম কৰে ৰাসকেলি গোপাল গোপীসঙ্গে।
হৰি বোল হৰি বোল নিৰন্তৰে ৰঙ্গে।।৭৯।।

পদ ।। শুক নিগদতি পাছে গোৱিন্দ তহিতে।
আৰম্ভিলা ৰাসক্ৰীড়া গোপিকা সহিতে।।
দুহোঁ গোপী মাজে এক ভৈলন্ত মাধৱ।
প্ৰৱৰ্ত্তিলা তথা ৰাসক্ৰীড়া মহোৎসৱ।।৯৩৭।।

১৩১। পা. সুচিৰকাল শুজা নযায় ধাৰ।।



ভৈলন্ত মণ্ডলাকাৰ হাতে গলে ধৰি।
সৱে বোলে মোকেসে আলিঙ্গি আছে হৰি।।
আসিলা সভাৰ্য্যে যত দেৱগণ মানে।
জুৰিয়া আকাশ আতি অসংখ্য বিমানে।।৯৩৮।।
মাধৱৰ ৰাসক্ৰীড়া চাৱৈ এক দৃষ্টি।
বাৱৈ দেৱে দুন্দুভি কৰিয়া পুষ্পবৃষ্টি।।
প্ৰধান গন্ধৰ্ব্ব অপেস্বৰায়ে সহিত।
মহাৰঙ্গে গাৱৈ গোৱিন্দৰ গুণ গীত।।৯৩৯।।
কৃষ্ণ সমে নাচে সৱে সন্তোষে গোপিনী।
বলয়া নূপুৰ বাঝৈ ঝণকে কিঙ্কিণী।।
প্ৰকাশ কৰয় কৃষ্ণ গোপীৰ মধ্যত।
সুৱৰ্ণ মণিৰ মাজে যেন মৰকত।।৯৪০।।
কৃষ্ণ সমে ৰঙ্গে আতি নাচৈ গোপীজাক।
নানা ভঙ্গি চৰণ চলায়া ফুৰৈ পাক।।
হস্তকো নচাৱৈ তুলি কৰি লয়লাস।
ভ্ৰূৱযুগ ক্ষেপিয়া কটাক্ষে কৰৈ হাস।।৯৪১।।
ঝলমল কুণ্ডল গলত আসি পৰৈ।
হালৈ কৃশ কঙ্কাল তনৰো বস্ত্ৰ লৰৈ।।
শিথিল মেখলা খোপা মুখে ঘৰ্ম্মজল।
গাৱৈ কৃষ্ণগুণ গীত গোপিকাসকল।।৯৪২।।
কৃষ্ণৰ অসংখ্য মূৰ্ত্তি জলৈ মেঘনয়।
প্ৰকাশে বিজুলী যেন তাত গোপীচয়।।

ঘৰ্ম্মজলে কণিকা গৰ্জ্জনে ভৈল গীত।
আকাশৰ পৰা দেৱে দেখৈ বিপৰীত।।৯৪৩।।
কৃষ্ণ আলিঙ্গন পাই অশেষ হৰিষ।
কৃষ্ণগুণ গীতে পূৰিলেক দশোদিশ।।
এহিমতে নৃত্যগীতে কৃষ্ণক তুষিলা।
সাধু সাধু বুলিয়া মাধৱে প্ৰশংসিলা।।৯৪৪।।
তাসম্বাক বহুমান দিলন্ত মাধৱ।
আনন্দে আকুল মিলৈ মহা মহোৎসৱ।।
গোপীৰ বৃত্তান্ত কথা শুনা আতপৰে।
বোলা হৰি হৰি সামাজিকে নিৰন্তৰে।।৯৪৫।।

।। ত্ৰয়োদশ কীৰ্ত্তন।।

ঘোষা।।পদ্মপাণি গোপীৰঞ্জন দুঃখ ভঞ্জন দেৱ।
তোম্মাৰ চৰণ বিনে গতি নাহি কেৱ।।৮০।।
পদ ।।কতো গোপী ভৈল আতি ভাগৰে আকুল।
সোলকয় বলয়া খোপাৰ খসৈ ফুল।।
কৃষ্ণতে আউজি জিৰাৱয় কৰি কেলি।
আতি প্ৰীতি কন্ধত ধৰিয়া বাহু মেলি।।৯৪৬।।
উৎপল সুগন্ধি কৃষ্ণবাহু স্কন্ধে লই।
ঘনে ঘনে আনি গোপৰমণী সুঙ্গয়।।



ৰোমাঞ্চিত তনু আনন্দিত আতি মন।
ভোল হুয়া দেয় কৃষ্ণ বাহুত চুম্বন।।৯৪৭।।
নাচন্তে চলন্তে লৰৈ মকৰ কুণ্ডল।
তাৰে ৰশ্মি শোভিত কৃষ্ণৰ গণ্ডস্থল।।
তাতে লগাই কতো গোপী পাতৈ মুখ আনি।
নৃত্যৰ ভঙ্গীত চোবা দেন্ত চক্ৰপাণি।।৯৪৮।।
নাচন্তে শব্দ কৰে নূপুৰ মেখলা।
মহাশ্ৰান্ত হুয়া কতো কতো গোপবালা।।
কৃষ্ণ হস্তপঙ্কজ পৰম সুখকৰ।
তাক ধৰি থৱে নিয়া স্তনৰ ওপৰ।।৯৪৯।।
লক্ষ্মীৰ ৰমণ যিটো ঈশ্বৰ মুৰাৰি।
তাহাঙ্ক বল্লভ পাইলে যত গোপনাৰী।
কৃষ্ণে ধৰি আছে কণ্ঠে দুয়ো বাহু মেলি।
পৰম উৎসৱে আতি কৰে ৰাসকেলি।।৯৫০।।
অলকা পঙ্কতি চাৰু কৰ্ণ উতপলে।
শোভৈ সৱে বদন পঙ্কজ ঘৰ্ম্ম জলে।।
কৃষ্ণে সমে নাচৈ আতি উৎসৱে গোপিনী।
বাজয় বলয়া বাদ্য নূপুৰ কিঙ্কিণী।।৯৫১।।
গোপীৰ নৃত্যত ভৈল ভৰি কৰতাল।
বেঢ়িয়া গুঞ্জৰৈ যেন ভ্ৰমৰে গীতাল।।

শিৰকো কম্পাৰৈ খসে খোপাও আউল।
তুষ্ট হুয়া কেশে বৰিষয় যেন ফুল।।৯৫২।।
এহিমতে গোৱিন্দে নৃত্যৰ দেন্ত ভঙ্গি।
কতো গোপিকাক গৈয়া ধৰন্ত আলিঙ্গি।।
কতো গোপিকাৰ কৰে পৰশন্ত স্তন।
কটাক্ষে নিৰীক্ষি কাকো কৰন্ত চুম্বন।।৯৫৩।।
আপোন লাৱণ্য কলা কৌশল সুগন্ধি।
সমস্তে গোপীত অৰ্পি ক্ৰীড়িলা প্ৰবন্ধি।
নপাৰিলে গোপীগণে মোহিবে কৃষ্ণক।
ছায়ায়ে সহিতে যেন ওমলে বালক।।৯৫৪।।
কৃষ্ণৰ ক্ৰীড়াত বিমোহিত গোপবালা।
খসে অলঙ্কাৰ কাৰো ছিণ্ডি পৰৈ মালা।।
সোলকয় খোপা নবান্ধয় তাকো তুলি।
নসম্বৰে বস্ত্ৰ কতো কুচৰো কাঞ্চলি।।৯৫৫।।
দেৱনাৰীগণে দেখি কেশৱৰ কেলি।
মোহ হুৱা পৰে বিমানতে ঢলি ঢলি।।
ক্ৰীড়া দেখি চন্দ্ৰো কামে বিমোহিত আতি।
তম্ভাইলন্ত ৰথ নুপুহায় সিটো ৰাতি।।৯৫৬।।
যত গোপী তত কৃষ্ণ হুয়া কৰৈ ক্ৰীড়া।
সমস্তে গুচাইলা গোপিকাৰ কাম পীড়া।।



পূৰ্ণকাম হৰি ভৈলা ভকতৰ বশ্য।
হৰি হৰি বুলি তৰা কহিলো ৰহস্য।।৯৫৭।।

।। চতুৰ্দ্দশ কীৰ্ত্তন।।

ঘোষা।।যাদৱ জগজীৱন ৰাম।
আপুনি গোপীৰ পূৰিলা কাম।।৮১।।
পদ ।।ৰতিশ্ৰান্ত ভৈল যত গোপিনী।
দেখি হস্তপদ্মে হৰি আপুনি।।
কৃপায়ে সবাৰো মাৰ্জিলা মুখ।
মিলিল মনে মহোৎসৱ সুখ।।৯৫৮।।
কৃষ্ণকো বেড়ি আসৈ সৱে সখী।
অমৃত সমান হাস্যে নিৰেখি।।
কৰি পূজা ৰঙ্গে ৰঞ্জিয়া চিত্ত।
গাইলন্ত গোৱিন্দৰ গুণ গীত।।৯৫৯।।
তাসম্বাৰ শ্ৰম গুচাইবে প্ৰতি।
সঙ্গে লৈয়া সৱ ব্ৰজযুৱতী।।
যমুনা জলত নামিলা হৰি।
চৌভিতি ভ্ৰমৰে সেৱৈ গুঞ্জৰি।।৯৬০।।
শ্ৰান্ত হুয়া যেন মাতঙ্গ ৰাজে।
হস্তিনী সমে ক্ৰীড়ে জলমাজে।।

গোপালো লোক মৰ্য্যাদাক এড়ি।
কৰন্ত গোপী সমে জলখেড়ি।।৯৬১।।
কৃষ্ণক আৱৰি গোপীসকল।
হাসিয়া সিঞ্চে যমুনাৰ জল।।
বদনপদ্ম চায়া প্ৰেমদৃষ্টি।
কৰিলা দেৱে দেখি পুষ্প বৃষ্টি।।৯৬২।।
জলত গোপীক কৃষ্ণে ক্ৰীড়িলা।
ভ্ৰমন্ত যেন গজেন্দ্ৰৰ লীলা।।
গোপীগণ লৈয়া উঠিয়া পাছে।
ভ্ৰমন্ত বনে যমুনাৰ কাছে।।৯৬৩।।
জলে স্থলে পুষ্প সুৰভি বাসে।
চৌপাশে গোপী চলৈ লয়লাসে।।
ভ্ৰমৰে যোগান ধৰৈ গুঞ্জৰি।
কৰিলা ৰাসক্ৰীড়া দেৱ হৰি।।৯৬৪।।
এহিমতে যত শৰত ৰাতি।
শশাঙ্কে ধৱল শীতল আতি।।
সৱাতো ক্ৰীড়িলা গোপী সহিত।
বিস্ময় হুয়া পুছে পৰীক্ষিত।।৯৬৫।।
ধৰ্ম্মক ৰাখিবা অধৰ্ম্ম নাশি।
ইকাৰ্য্যে ভৈলা অৱতাৰ আসি।।



ধৰ্ম্মৰ ৰক্ষক হুয়া মুৰাৰি।
ক্ৰীড়িলা কেনে পৰ গোপনাৰী।।৯৬৬।।
হোৱন্ত হৰি যদি পূৰ্ণকাম।
কৰিলা কেনে গৰিহিত কাম।।
ছেদিয়ো সংশয় কৈয়া বৃত্তান্ত।
দিলন্ত শুনিয়া শুকে সিদ্ধান্ত।।৯৬৭।।
শুনিয়ো সৰ্ব্বজনে ৰাস ক্ৰীড়া।
বঞ্চিবা যেৱে সংসাৰৰ পীড়া।।
কৃষ্ণৰ কিঙ্কৰে কহে সম্প্ৰতি।
বোলা হৰি হৰি একান্ত মতি।।৯৬৮।।

।।পঞ্চদশ কীৰ্ত্তন।।

ঘোষা।।ৰাম ৰাম বুলি তৰা।
ভাই অন্তকে পাইলেক পৰা।।৮২।।
পদ　।।পৰম ঈশ্বৰে কৰৈ অকৰ্ম্ম।
তেজস্বীত কিছু নাহি অধৰ্ম্ম।।
সৰ্ব্বভক্ষ বহ্নি সৱাকো শোষে।
তথাপিতো কিছু নোচোৱৈ দোষে।।৯৬৯।।
ঈশ্বৰ নুহি যিটো মূঢ়মতি।
ই কৰ্ম্ম কৰি যাইৱে অধোগতি।।

হৰক দেখি বিষ খায় আনে।
সিজন জানা মৰি মায় প্ৰাণে।।৯৭০।।
দেহত যাৰ নাহি অহঙ্কাৰ।
তাৰেসে কৰ্ম্মত গুচৈ বিকাৰ।।[১৩২]
জগতৰে হৰি পৰম ঈশ।
ই কৰ্ম্মে তাঙ্ক কৰিবেক কিস।।৯৭১।।
যাৰ পাদপদ্ম চিন্তি সাম্প্ৰতে।
ছিণ্ডে কৰ্ম্মবন্ধ হেলে ভকতে।।
ধৰিছা লীলা তনু হেন হৰি।
শুনা কথা তাত সংশয় এড়ি।।৯৭২।।
জগত অন্তৰ্য্যামী নাৰায়ণ।
তান কোন পৰদাৰগমন।।
যাহাৰ স্মৰণে পাতক মোযে।
তাঙ্ক কি কৰিবে ইসৰ দোযে।৯৭৩।।
শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আকে শুনি হৌক নিৰ্ম্মল মতি।।
ভকতৰ পদে আপুনি হৰি।
ক্ৰীড়িলা ৰঙ্গে নৰদেহা ধৰি।।৯৭৪।।
মোহিলা গোপক কৃষ্ণৰ মায়া।
কাষতে আছে দেখে নিজ জায়া।।

১৩২। পা. তাহাৰ কৰ্ম্মত গুচে বিচাৰ।



নকৰৈ কৃষ্ণক অসূয়া কেৱ।
জগত ঈশ হেন কৃষ্ণ দেৱ[১৩৩]।।৯৭৫।।
যেৱে হৈবে খোজে প্ৰভাত ৰাতি।
বোলন্ত যায়োক গোপীক মাতি।।
কৃষ্ণক এড়িবে নাহিকৈ মন।
আসুখে গৃহক কৰৈ গমন।।৯৭৬।।
ইটো ৰাসক্ৰীড়া কথা কৃষ্ণৰ।
একান্ত চিত্তে শুনৈ যিটো নৰ।।
কৃষ্ণত ভকতি বাঢ়িবে তাৰ।
কামসাগৰে সুখে হৈব পাৰ।।৯৭৭।।
ইটো কাম জয় কৃষ্ণৰ কথা।
শুনা নৰদেহা নকৰা বৃথা।।
কৃষ্ণৰ কিঙ্কৰে কহে প্ৰলাপ।
বোলা হৰি হৰি হৰোক পাপ।।৯৭৮।।

।। ষোড়শ কীৰ্ত্তন।।

ঘোষা।।এ যাদৱ যাদৱ দীনদয়াল।[১৩৪]
তুমিসি আহ্মাৰ গতি মুকুতি গোপাল।।৮৩।।
পদ ।।এহিমতে ক্ৰীড়াতে ৰজনী যায় ক্ষয়।
দিন ভৈলে বিৰহে আকুল গোপীচয়।।

১৩৩। পা. কায়মনে সৱে কৰন্ত সেৱ।　১৩৪। পা. এ যাদৱ দীনদয়াল।

কৃষ্ণ যান্ত বনে তাঙ্ক নেদেখি আসুখে।
কৃষ্ণ গুণ গায়া দিন বঞ্চো মহাদুঃখে।।৯৭৯।।
নিস্তাৰ কাৰক নাহি হৰিনাম বিনা।
কতো গোপী বোলৈ সখী কৃষ্ণ কথা শুনা।।
বাম বাহুত বাম কপোল থাপিয়া।
মধুৰ বেণুক আনি অধৰে অৰ্পিয়া।৯৮০।।
ৰন্ধ্ৰমধ্যে কোমল আঙ্গুলিচয় চালি।
যেতিক্ষণে বাংশীডাক দেন্ত বনমালী।
তাক শুনি দেৱনাৰী সমস্তে মূৰ্চ্ছিত।
কামবাণে চিত্ত আতি হুয়া জৰ্জ্জৰিত।।৯৮১।।
বস্ত্ৰ নসম্বৰে মহামোহ হুয়া পৰে।
স্বামীৰ কাষতে পাছে লজ্জা হোৱৈ বৰে।।
হেন হৰি বিৰহ সহিবো কেন মতে।
আউৰ গোপী বোলৈ সৱে সখীৰ আগতে।।৯৮২।।
যাৰ উৰঃস্থলে ছটা দেখিয়া লক্ষ্মীৰ।
শ্যামল মেঘত যেন বিজুলী সুস্থিৰ।।
হেন হৰি যেখনে বাংশীক নাদ কৰৈ।
গৰু মৃগগণৰো তেখনে চিত্ত হৰৈ।।৯৮৩।।
দান্তে তৃণ ধৰি কৰ্ণ ওপৰক তুলি।
চক্ষু মুদি থাকৈ যেন চিত্ৰৰ পুতলী।।



আমি কেনে জীৱো হেন কৃষ্ণক নেদেখি।
আউৰ গোপী বোলৈ শুন শুন সৱে সখী।।৯৮৪।
মাথাত ময়ূৰপুচ্ছ পল্লৱ কৰ্ণত।
মল্লৱেশে হৰি গেৰু ঘষিয়া গাৱত।।
নাম ধৰি ধেনুক ডাকন্ত বাংশীৰাৱে।
নদীসৱো শুনি স্তম্ভি থাকৈ মৌনভাৱে।।৯৮৫।।
আমি যেন নপায়া কৃষ্ণৰ পদৰেণু।
কম্পাৱৈ তৰঙ্গ হস্ত প্ৰেমে পুনু পুনু।।
কতো গোপী বোলৈ সখীসৱ শুন শুন।
গোপগণে যেখনে বৰ্ণাৱৈ কৃষ্ণগুণ।।৯৮৬।।
বাংশীৰ নিস্বানে হৰি ডাকি আনা ধেনু।
শুনি তৰুলতা প্ৰেমে পুলকিত তনু।।
ফল ফুল ভৰে নম্ৰ হুয়া মধু স্ৰৱৈ।
ভৈলা আত্মা সাক্ষাতে বৃক্ষৰ ভাৱে কৰৈ।।৯৮৭।।
কিমতে বৰ্ত্তিবো হেন কৃষ্ণক নেদেখি।
আউৰ গোপী বোলৈ মোৰ কথা শুনা সখী।।
দিব্য গন্ধ তুলসীৰ কৰি মধুপান।
ভ্ৰমৰে গুঞ্জৰি ধৰৈ কৃষ্ণক যোগান।।৯৮৮।।
সুন্দৰ অধৰে যেৱে কৰে বাংশীধ্বনি।
মোহ হুয়া কমল বনৰো পক্ষী শুনি।।

হৰিক উপাসৈ আসি স্থিৰ কৰি চিত্ত।
চক্ষু মুদি আনন্দতে মৌনে শুনে গীত।।৯৮৯।।
পক্ষীয়ো মোহক যায় যাৰ বাংশী শুনি।
কিমতে ধৰিবো প্ৰাণ হেন হৰি বিনি।।
কেহো গোপী বোলৈ সখী শুনিয়ো কাহিনী।
ৰামে সমে পৰ্ব্বতত চড়ি চক্ৰপাণি।।৯৯০।।
সবাকো হৰিষ কৰাই পূৰি বাংশীনাদ।
মিত্ৰ বুলি কৰৈ মেঘে মধুৰ সম্বাদ।।
ছত্ৰ ধৰি উপৰে বৰিযে দিব্য ফুল।
হেন হৰি বিয়োগে কি নুহিবো আকুল।।৯৯১।।
কতো গোপী যশোদাত কহৰৈ অদ্ভুত।
বেণুবাদ্যে কুশল তোহ্মাৰ প্ৰিয় সুত।।
যেখনে বাংশীক চুম্বি তোলৈ স্বৰ জাতি।
ব্ৰহ্মা ৰুদ্ৰ আদি দেৱো মোহ হোৱৈ আতি।।৯৯২।।
শুনি থাকৈ একচিত্তে নমায়া কন্ধৰ।
নিশ্চয় কৰিবে নোৱাৰন্ত তাল স্বৰ।।
হেন হৰি বিয়োগে কিমতে ধৰো প্ৰাণ।
বোলা হৰি হৰি হৌক পাপৰ নিৰ্য্যাণ।।৯৯৩।।



।। সপ্তদশ কীৰ্ত্তন।।

ঘোষা।।ত্ৰাহি হৰি কি এ কৃষ্ণ
গোপাল কৃপাল পাৱে ধৰো।
কৰা হৰি কৰুণা ইবাৰ যেন তৰো।।৮৪।।
পদ ।।কেহো বোলৈ সখী মোৰ বাক্যে কৰা মতি।
ব্ৰজত ফুৰন্তে হৰি লীলা গজগতি।।
ধ্বজ বজ্ৰ পঙ্কজ খোজতে বান্ধি যায়।
কৰন্ত ভঙ্গিক যেৱে আমাসক চাই।।৯৯৪।।
কৃষ্ণৰ কটাক্ষ কামে মনক মৰ্দ্দয়।
থাকো থিয় হুয়া আমি যেন বৃক্ষচয়।।
খসে খোপা সম্বৰিবে বস্ত্ৰকো নোৱাৰি।
শুনা সখী বুলি মাতৈ আউৰ গোপনাৰী।।৯৯৫।।
এক প্ৰিয় গোপৰ কান্ধত হস্ত থই।
গৰুক গণন্ত কদাচিত মণি লই।।
পিন্ধিয়া লগত গন্ধ তুলসী মালাক।
যেৱে সেহি বেলাত বাংশীৰ দেন্ত ডাক।।৯৯৬।।
শুনি কৃষ্ণসাৰ হৰিণৰ ভাৰ্য্যাগণে।
কৃষ্ণৰ সমীপ চাপৈ উত্ৰাৱল মনে।।
গুণ সমুদ্ৰক পায়া নযায় পুনৰপি।
এড়িলো গৃহৰ আশা যেন আমি গোপী।।৯৯৭।।

হেন হৰি বিৰহে কিমতে প্ৰাণ ৰবৈ।
যশোদাক চাই কতো গোপী কথা কৰৈ।।
কুন্দ পুষ্পে ভূষি তনু মলয় চন্দনে।
গোধনে আবৃত হুয়া তোহ্মাৰ নন্দনে।।৯৯৮।।
হৰিষ বঢ়ায়া যেৱে ক্ৰীড়ৈ যমুনাত।
গাবৈ গীত গন্ধৰ্ব্বে মলয়া বহে বাত।।
পুষ্পচয় সিঞ্চৈ শিৰে কৰিয়া সন্মান।
হেন হৰি বিৰহে কিমতে ধৰো প্ৰাণ।।৯৯৯।।
আনন্দে কহয় কৃষ্ণ আসিবাক দেখি।
আমাৰ সুহৃদ হৰি হেৰা আসে সখী।।
গোধুলি গোধন সৱে কৰি এক ঠাই।
আইল প্ৰাণ গোৱিন্দ বাংশীত গীত গাই।।১০০০।।
পথত প্ৰণামৈ ব্ৰহ্মা আদি দেৱজাক।
আহ্মাক হিংসায়ে নেদে শীঘ্ৰে আসিৱাক।।
জুৰুৱাইবে লাগি পাছে আমাৰ হৃদয়।
দৈৱকী নন্দন চন্দ্ৰ ভৈলন্ত উদয়।।১০০১।।
কতো আথেবেথে বোলৈ গোপিকা বচন।
দেখ গোৱিন্দৰ মদে চঞ্চল লোচন।।
কুণ্ডলৰ কান্তি জ্বলৈ বদন পাণ্ডুৰ।
যেন সন্ধ্যা সময়ে উদিত শশধৰ।।১০০২।।



আহ্মাৰ দিনৰ তাপ হৰিবাক প্ৰতি।
আইলা বনমালী গজৰাজ লীলাগতি।।
এহিমতে ব্ৰজৰ যুৱতী প্ৰতি নিত।
একান্তে অৰ্পিল গোপালতে প্ৰাণ চিত্ত।।১০০৩।।
দিনসৱ বঞ্চৈ গোৱিন্দৰ গুণ গাই।
তাসম্বাৰ সম ভাগ্যৱতী আৰ নাই।।
পাইলে মহোদয় কৰ্ম্মবন্ধ ছেদ ভৈল।
মহামুনি গুৰু শুকে নৃপতিত কৈল।।১০০৪।।
ইটো ৰাসক্ৰীড়া কেলি নামে কামজয়।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়।।
আক শুনৈ ভণৈ যিটো জনে অৱিশ্ৰাম।
বাঢ়িবে ভকতি আতি জিনিবেক কাম।।১০০৫।।
কৃষ্ণৰ কিঙ্কৰে কহে শুনা নিৰন্তৰ।
কলিযুগে ভাগ্যে ভাৰতত ভৈলা নৰ।।
হৰি ভকতিত যেৱে কৰা দৃঢ়মতি।
ইজন্মত নিশ্চয়ে পৰম পাইবা গতি।।১০০৬।।
ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত।
চাৰিও বেদৰ জানা এহি সাৰতত্ত্ব।।
ৰাম নাম অমৃত সততে কৰা পান।
বোলা হৰি হৰি কেতিক্ষণে পৰে প্ৰাণ।।১০০৭।।

।।অষ্টাদশ কীৰ্ত্তন।।

ঘোষা।। যাদৱ জগমোহন ৰাম।
ভকত বৎসল তোহ্মাৰ নাম।।৮৫।।

পদ ।। শৰত কালে চন্দ্ৰাৱলী ৰাতি।
দিব্য ৰাসক্ৰীড়া কৰিলা আতি।।
পঞ্চম ৰাগে গাইলা গীত হৰি।
শুনি মোহ ভৈল গোপ সুন্দৰী।।১০০৮।।
ঘৰবাৰী এড়ি লৰবৈ ভোলে।
তন হলফল কুণ্ডল দোলে।।
বাইলাহা বাংশী পশি বৃন্দাবনে।
চৌপাশে বেঢ়ি নাচে গোপীগণে।।১০০৯।।
জয় কৃষ্ণ বুলি বাৰৈ চাপৰি।
গোপীৰ মধ্যে প্ৰকাশন্ত হৰি।।
যেহেন সুৱৰ্ণ মণি মাজত।
প্ৰকাশি আছে মহা মৰকত।।১০১০।।
দোহো গোপী মাজে এক গোপাল।
নূপুৰৰ বাদ্য ভৰি কৰতাল।।
হাতত হাতে ধৰি গোপনাৰী।
নাচিলা অনঙ্গ ৰঙ্গে মুৰাৰি।।১০১১।।



সজল মেঘ মাধৱৰ কায়।
গোপীগণ ভৈল বিজুলী প্ৰায়।।
অলঙ্কাৰে কৰৈ মধুৰ ঘোষ।
শুনিয়া মনত মিলৈ সন্তোষ।।১০১২।।
গোপীৰ গলে ধৰি বাহু মেলি।
কৰিলা অনেক অনঙ্গ কেলি।।
শ্ৰম দেখি কতো আঞ্চলে বিঞ্চে।
যমুনা জলে নামি জল সিঞ্চে।।১০১৩।।
পূৰিল গোপীগণ মনোৰথ।
ক্ৰীড়া দেখি চন্দ্ৰো ৰাখিল ৰথ।।
মোহিত ভৈল যত দিব্য নাৰী।
ৰাখিলা গোপীক যক্ষক মাৰি।।১০১৪।।
ধায়া আসিলেক অৰিষ্ট বীৰ।
মেদিনী নসহে খুড়াৰ ভিৰ।।
দেখি আস্ফালিলা শিঙত ধৰি।
তাৰো প্ৰাণ লৈলা ঘাৰ মুচৰি।।১০১৫।।
খেদি অসিলেক কেশী অসুৰ।
হ্ৰেষণি শুনি কাম্পে গোপপুৰ।।
লাঞ্জৰ ছাটিত মেঘ উড়াই।
দেখিয়া প্ৰভু তাক গৈলা ধাই।।১০১৬।।

**পাছে চণ্ড বেগে অসুৰ আসি।**
**হানিলেক লাঠি ভৰি উল্লাসি।।**
**এড়াইলা তাঙ্ক শ্ৰম কৰি হৰি।**
**আছাৰি পেল্লাইলা পাৰত ধৰি।।১০১৭।।**
**আসিল কেশী দুনাই বেন্ত বাই।**
**বাম বাহু তাৰ মুখে ভৰাই।।**
**বঢ়াইলা প্ৰভু আতি বৰ বেগে।**
**ভেণ্টিল গল যেন গৰ্ভৰোগে।।১০১৮।।**
**ভূমিত পড়িল চেতন হৰি।**
**চক্ষু ওলোটায়া আছাড়ে ভৰি।।**
**মৰিল অসুৰ ছাদি ৰুধিৰ।**
**বাজ ভৈল বাহু ফাটি শৰীৰ।।১০১৯।।**
**কেশী বধ দেখি হাসি হৰিষে।**
**ব্ৰহ্মা আদি দেৱে পুষ্প বৰিষে।।**
**কংসৰ বোলে যত দৈত্য আসে।**
**মৰৈ জুইত যেন পতঙ্গ ঝাসে[১৩৫]।।১০২০।।**
**এহিমতে সৱে অসুৰ মাৰি।**
**ফুৰিলা বৃন্দাবনে গৰু চাৰি।।**
**গোধূলি পড়ি ৰঞ্জে মুখ আখি।**
**মাথাত পিন্ধিলা মৈৰাৰ পাখি।।১০২১।।**

১৩৫। (ক) পা. সৱে অগনিত পতঙ্গ ঝাসে।। (খ) মৰৈ অগনিত পতঙ্গ ঝাসে



**গুঞ্জাৰ থোপাক কাণত আৰি[১৩৬]।**
**কাষত লৈয়া শিঙা বেত বাড়ি[১৩৭]।।**
**মোহন বাংশী বেৰটিত থই।**
**ব্যঞ্জন ভাত বাম হাতে লই।।১০২২।।**
**ভোজন কৰা তুমি যদুৰাজে।**
**বসিয়া ৰঙ্গে গোপশিশু মাজে।।**
**কোনে বুজিবেক তোহ্মাৰ লীলা।**
**কটাক্ষে ভূমিৰ ভাৰ হৰিলা।।১০২৩।।**
**কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।**
**গোপালকেলি শুনা সৰ্ব্বজনে।।**
**মোক্ষ পাইবা যেৱে সংসাৰ তৰি।**
**সঘনে ডাকি বোলা হৰি হৰি।।১০২৪।।**

**।। ৰাস-ক্ৰীড়া সমাপ্ত।।১১।।**

১৩৬। পা. গুঞ্জাৰ থোপা কৰ্ণত আড়ি/গুঞ্জাৰ থোকা ককালত আৰি।
১৩৭। পা. কক্ষত লৈলা শিঙ্গা বেত বাৰি।

## ।। দ্বাদশ খণ্ড।।

# ।। কংসবধ।।

### ।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। হৰিসে আতমা হৰিসে বন্ধু।
তৰি হৰিনামে সংসাৰ সিন্ধু।।৮৬।।

পদ ।। কেশীক বধিয়া আছন্ত হৰি।
বৰিষৈ পুষ্প দেৱে স্তুতি কৰি।।
সেহিবেলা আসি নাৰদ ঋষি।
কৃষ্ণক বুলিলা মহা হৰিষি।।১০২৫।।
হে কৃষ্ণ কৃষ্ণ প্ৰণামো আমি।
সমস্ত ভূতৰ আতমা স্বামী।।
পুৰাণ পুৰুষ ঈশ্বৰ সাক্ষী।
সমস্তে সৃষ্টিক আছাহা ৰাখি।।১০২৬।।
ভকতজনৰ ৰক্ষাৰ হেতু।
দুষ্টক নাশিবা গৰুড়কেতু।।
কেশীবধ শুনি মিলিল ৰঙ্গ।
হ্ৰেষণি শুনি দেৱে দেয় ভঙ্গ।।১০২৭।।
স্বৰ্গত থাকিবে নোৱাৰৈ কেৰ।
কেশীক বধিয়া তাৰিলা দেৱ।।



প্ৰভাতে কালি মথুৰাক যাইবা।
ধোবাক মাৰিয়া ধনু ভাঙ্গিবা।।১০২৮।।
চাণূৰ মুষ্টিক প্ৰমুখ্যে মাল।
কুৱলয়াপীড় হস্তী বিশাল।।
কংসক বধিবা জগত স্বামী।
পৰশুই দিনা দেখিবো আমি।।১০২৯।।
কালযৱনক নৰকাসুৰ।
মাৰিবাহা পঞ্চজন[১৩৮] অসুৰ।।
কৰিবা বিহা কন্যা ভগৱন্ত।
নৃগৰ শাপক কৰিবা অন্ত।।১০৩০।।
সত্যভামা সমে স্যমন্তমণি।
পাইবাহা প্ৰভু জাম্বৱন্ত জিনি।।
মৃতক পুত্ৰক দিয়া বিপ্ৰক।
লীলায়ে বধিবা নৃপ পৌণ্ড্ৰক।।১০৩১।।
কেশীক বধি কৰি বৃন্দামাল।
মাৰিবা দন্তবক্ৰ শিশুপাল।।
পাণ্ডৱৰ হাতে সমৰ জিনি।
মৰাইবা অষ্টাদশ অক্ষৌহিণী।।১০৩২।।
কৰিবা কৰ্ম্ম যত দ্বাৰকাত।
দেখিবো আনন্দে থাকি তথাত।

---

১৩৮। পা. পঞ্চজন, শঙ্খৰূপী এটা অসুৰৰ নাম। কোনো কোনো পুথিত ‘পাঞ্চজন’ পাঠ পোৱা যায়। কিন্তু ‘পঞ্চজন’হে শুদ্ধ। তুল.—ভাগ. ১০।৩৭।১৬

কেৱল জ্ঞানমূৰ্ত্তি তুমি স্বামি।
তোহ্মাত শৰণ পশিলো আমি।১০৩৩।।
পৰম পুৰুষ সন্তৰ গতি।
যদুশ্ৰেষ্ঠ হেৰা কৰো প্ৰণতি।।
আনন্দে নাৰদে এতেক কই।
গৈলন্ত কৃষ্ণত মেলানি লই।।১০৩৪।।
গোৱিন্দো কেশী অসুৰক মাৰি।
ব্ৰজৰ আনন্দ বঢ়ায়া হৰি।।
থাকিল কৃষ্ণে নানা লীলা কৰি।
সমস্ত সমাজে বুলিয়ো হৰি।।১০৩৫।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। ৰাম বনমালী গোপাল বনমালী।।৮৭।।

পদ ।। গৈলন্ত নাৰদ ঋষি কংসৰ সমাজ।
নিচিন্তি আছস কেনে এভু ভোজৰাজ।।
তোক মাৰিবাক লাগি দেৱৰ যতন।
দৈৱকীৰ গৰ্ভে উপজিলা নাৰায়ণ।।১০৩৬।।
বসুদেৱে গোকুলত থৈলা চুৰি কৰি।
নন্দঘৰে বাঢ়ন্ত তোহ্মাৰ প্ৰাণবৈৰী।।



কৃত্যা[১৩৯] কৰি আনি দিল নন্দৰ কন্যাক।
কহিলো সম্ভেদ কথা দঢ়াই আপোনাক।।১০৩৭।।
শুনি কংসে খাণ্ডা তুলি উঠি গৈল ৰাগি।
বসুদেৱ মহন্তক কাটিবাক লাগি।।
উঠি দেৱঋষি তাঙ্ক আনিলা নিবাৰি।
আঙ্ক নকাটিবি তই কৃষ্ণক নমাৰি।।১০৩৮।।
পিতৃ হত শুনি লাগ নেদিব তোহ্মাকে।
উলটি বসিল কংস নাৰদৰ হাকে।।
বসুদেৱ দেৱকীক বান্ধিয়া নিহলে।
কৰিলেক বন্দী উগ্ৰসেনক নিগড়লে।।১০৩৯।।
পাছে দেৱঋষি গোকুলক গৈলা বহি।
বুলিলা কৃষ্ণক তুতি আকাশত ৰহি।।
ভাৰ সংহাৰন্তা আউৰ নাহি তুমি বিনা।
কংসক বধিবা প্ৰভু পৰশুই দিনা।।১০৪০।।
দিবা উগ্ৰসেনক কংসৰ ৰাজ্যভাৰ।
বসুদেৱ দেৱকীৰ খণ্ডিবা নিকাৰ।।
তোহ্মাৰ মনুষ্য লীলা দেখিবো হৰিষি।
এহি বুলি স্বৰ্গক গৈলেক দেৱঋষি।।১০৪১।।
অক্ৰূৰক পাঞ্চিলা ভোজৰ নিজ নাহা।
কৃষ্ণক আনিবে তুমি গোকুলক যাহা।।

১৩৯। পা. ছল

শিশু ধৰি তোহ্মাৰে আহ্মাৰে মিত্ৰৰতি।
ইটো কাৰ্য্য সাধি মোক দিয়ো দানপতি।।১০৪২।।
শুনি দানপতিৰ আনন্দ ভৈল আতি।
প্ৰভাতে লড়িলা মথুৰাত বঞ্চি ৰাতি।।
কৃষ্ণক দেখিবো আজি কিনো সুপ্ৰভাত।
জানিলো প্ৰসন্ন ভৈলা বিধাতা আহ্মাত।।১০৪৩।।
নয়নে দেখিবো মই চৰণ কমল।
আজিসে জন্মৰ মোৰ হৈৰেক সাম্ফল।।
দণ্ডৱতে পৰিবোহো কৃষ্ণৰ চৰণে।
কৃষ্ণে মোক আশ্বাসিব মধুৰ বচনে।।১০৪৪।।
খুড়া বুলি কৃষ্ণে মোক কৰিবে আহ্লাদ।
ব্ৰহ্মাৰ দুৰ্ল্লভ তেৰে লভিবো প্ৰসাদ।
হেন মনে গুণি ৰথে লড়িলা অক্ৰূৰ।
গোধুলিকা বেলাত পশিলা গোপপুৰ।।১০৪৫।।
মাধৱৰ খোজচয় দেখিলা ভূমিত।
ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে সুশোভিত।।
ৰথৰ নামিয়া বেগে কৃষ্ণ কৃষ্ণ বুলি।
শিৰে আনি ঘষিলা খোজৰ যত ধূলি।।১০৪৬।।
পাছে গৈয়া কৃষ্ণক দেখিল আনন্দতে।
কৃষ্ণ কৃষ্ণ বুলিয়া পৰিল দণ্ডৱতে।।



কৃষ্ণে ধৰিলন্ত তাঙ্ক আঙ্কোৱালি তুলি।
সতকাৰ কৰিলা অক্ৰূৰ খুড়া বুলি।।১০৪৭।।
অক্ৰূৰে ভকতি পথে যতেক বাঞ্ছিলা।
কৃষ্ণো তান সৱে মনোৰথক পূৰিলা।।
কহিলন্ত অক্ৰূৰে কংসৰ বিচেষ্টাক।
মথুৰাক যাইবাক সাজিল গোপজাক।।১০৪৮।।
শকটে উঠিয়া লড়ি নন্দ গোপৰাজ।
ৰজনী প্ৰভাতে ৰাম কৃষ্ণ ভৈলা বাজ।।
কৃষ্ণক যাইবাৰ শুনি গোপী নিৰন্তৰ।
মিলিল বিষাদ সৱে বজাইল গৃহৰ।।১০৪৯।।
সলোতক নয়ন মনত মহাদুঃখে।
জুমাজুমি কৃষ্ণক চাহয় উৰ্দ্ধমুখে।।
কৃষ্ণৰ বিজয় কথা শুনা সাৱধানে।
বোলা হৰি হৰি যাৰে প্ৰাণ থাকে মানে।।১০৫০।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।। এ জয় হৰি জয় ৰাম।। ৮৭।।
পদ ।। গোপৰূপে নন্দৰ তনয়।
শুভক্ষণে কৰিলা বিজয়।।

বাজৈ শিঙ্গা বাংশীৰ নিস্বান।
কংস বধে কৰিলা পয়াণ।।১০৫১।।
ৰথে চড়ি লড়িলা মুৰাৰি।
পড়ি পড়ি কান্দে গোপনাৰী।।
হৰিৰ বিৰহে তনু তাৰে[১৪০]।
যেন ভৈল বাতুল স্বভাৱে।।১০৫২।।
কৃষ্ণ কৃষ্ণ বুলি গেড়ি দেয়।
আমাৰ প্ৰাণক কোনে নেয়।।
ক্ৰূৰ অক্ৰূৰ ভৈল বৈৰী।
জীৱ কাঢ়ি নেয় কেন কৰি।।১০৫৩।।
কিনো হৰি নিদাৰুণ ভৈলা।
গোকুল অনাথ কৰি গৈলা।।
কৃষ্ণ বিনে কি কৰৈ জীৱনে।
আউৰ কোনে যাইব বৃন্দাবনে।।১০৫৪।।
প্ৰভাতে ৰাখিবে কোনে ধেনু।
কোনে বাইবে সুললিত বেণু।।
কোনে চাইবে কটাক্ষে নিৰেখি।
জুড়াইবো হৃদয় কাক দেখি।।১০৫৫।।

১৪০। পা. দেহা তাৰে



কোনে দিবে বাংশীৰ নিস্বান।
কি দেখি ৰাখিবো আৰে প্ৰাণ।।
আহ্মাৰ জীৱনে নাই সুখ।
আউৰ নেদেখিবো কৃষ্ণমুখ।।১০৫৬।।
নীল আকুঞ্চিত যাৰ কেশ।
শিৰে ৰত্ন কিৰীটি সুৰেশ।।
ভ্ৰূৰযুগ মদনৰ চাপ।
দৰশনে হৰৈ হৃদি তাপ।।১০৫৭।।
ৰুচিকৰ কমল লোচন।
সুধা সম মধুৰ বচন।।
সুষম ললাট গণ্ডস্থল।
চাৰু কৰ্ণে মকৰ কুণ্ডল।।১০৫৮।।
নাসা তিল কুসুম সুন্দৰ।
শোভৈ আতি অৰুণ অধৰ।।
দশন দাড়িম্ব বীজ পান্তি।
হাস্যে নিন্দে চন্দ্ৰমাৰ কান্তি।।১০৫৯।।
কম্বু কণ্ঠে কৌস্তুভ প্ৰকাশে।
সূৰ্য্য যেন উদিত আকাশে।।
সিংহবন্ধ স্কন্ধ সুপ্ৰসন্ন।
ভুজযুগ ৰত্নৰ মোলান।।১০৬০।।

কেয়ূৰ কঙ্কণ তাতে জ্বলে।
ৰত্নৰ গুলিয়া শৌভে গলে।।
হিয়াত শ্ৰীবৎস কৰৈ কান্তি।
যেন মেঘে বলাকাৰ পান্তি।।১০৬১।।
পীতবস্ত্ৰে শোভে তনু কালা।
আপাদলম্বিত বনমালা।।
তাতে পড়ি অনেক ভ্ৰমৰে।
মধুলোভে বেঢ়িয়া গুঞ্জৰে।।১০৬২।।
বক্ষস্থলে মুকুতাৰ হাৰ।
আকাশী গঙ্গাৰ যেন ধাৰ।।
ৰত্নৰ মেখলা কটি মাজে।
সোণাৰ কিঙ্কিণী তাত বাজে।।১০৬৩।।
কৰীকৰ উৰু নিৰুপম।
চৰণ পঙ্কজ মনোৰম।।
ধ্বজ বজ্ৰ অঙ্কুশে অঙ্কিত।
ৰত্নময় নূপুৰে ৰঞ্জিত।।১০৬৪।।
ভকতৰ হৃদয় ৰঞ্জন।
নেদেখিবো সিহেন চৰণ।।
কন্দৰ্প কোটিকো ৰূপে জিনি।
গোকুলে প্ৰকাশৈ যদুমণি।।১০৬৫।।
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
নাহি গতি কীৰ্ত্তনত পৰে।।



জানিয়া কৰিয়ো একচিত্ত।
হৰি হৰি ঘোষা প্ৰতি নিত।।১০৬৬।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। এ প্ৰাণ হৰি গৈলা এড়ি।।৮৯।।
পদ ।। হেন হৰি ভৈলোহো বঞ্চিত।
কিমতে ধৰিবো আৰে চিত্ত।।
সুপ্ৰভাতে মথুৰা পুৰীৰ।
মুখপদ্ম দেখিবে স্বামীৰ।।১০৬৭।।
জীৱৰ জীৱন প্ৰাণপতি।
আজি পাইবে কোন ভাগ্যৱতী।।
কিনো সুপ্ৰসন্ন ভৈলা বিধি।
হাতে পাইলে গোকুলৰ নিধি।।১০৬৮।।
মুখপদ্ম চন্দ্ৰ নোহে সৰি।
আনন্দে দেখিবে নেত্ৰভৰি।।
পাইব গৈয়া নাগৰী সুন্দৰী।
আউৰ দুনাই নাসিবন্ত হৰি।।১০৬৯।।
সৌহৃদ্য ভাঙ্গিল ক্ষণেকতে।
উপাসন্ত লক্ষ্মী কেনমতে।।
কিনো নিদাৰুণ নাৰায়ণ।
নুবুলিলা প্ৰবোধ বচন।।১০৭০।।

পতি পুত্ৰ এড়ি ভৈলো চেড়ী।
কোন সতে প্ৰভু গৈলা এড়ি।।
কিনো বজ্ৰে বান্ধিলেক হিয়া।
ভকতক গৈলা দুঃখ দিয়া।।১০৭১।।
আমি মৰো তোহ্মাৰ বিৰহে।
জানি কেনমতে হৃদি সহে।।
এহি বুলি কান্দে গোপনাৰী।
ৰাম কৃষ্ণ বুলি গেড়ি পাৰি।।১০৭২।।
নেত্ৰৰ লোতক পড়ে ধাৰে।
ঘনে ঘনে নিশ্বাস ফোঁকাৰে।।
হৰি বিনে নভাযে বচনে।
নপাসৰে সচিতে সপোনে।।১০৭৩।।
ৰাত্ৰিদিনে গাৱৈ হৰিগীত।
কৃষ্ণতে অৰ্পিল প্ৰাণ চিত্ত।।
কায়স্থ শঙ্কৰে এভু ভণে।
হৰিকথা শুনা সৰ্ব্বজনে।।১০৭৪।।
হৰিৰ কীৰ্ত্তন মুখে কৰা।
মাধৱৰ ৰূপ হিয়ে ধৰা।।
অল্প পুণ্যে নপাই আক জানি।
সদা নছাৰিবা ৰাম বাণী।।১০৭৫।।



পাপীজনে হৰি নুসুমৰে।
পাতকে মুখত চেপি ধৰে।।
আনে সুমৰন্তে শুনি মৰৈ।
পাপে চিত্ত উচপিচ কৰৈ।।১০৭৬।।
হৰিধ্বনি শুনি কাণ ফাটে।
নিন্দা কৰি ফুৰৈ হাটে বাটে।।
হেন জানি পাতক সংহৰি।
সদায়ে ঘোষিয়ো হৰি হৰি।।১০৭৭।।

।। পঞ্চম কীৰ্ত্তন।।

ঘোষা।। হৰি বোল হৰি বোল মাধৱ ৰাম[১৪১]।।৯০।।
পদ ।। ৰথে তুলি ৰাম কৃষ্ণ দোভাই।
অক্ৰূৰে লৈ যান্ত ঘোড়া ডকাই।।
বায়ুৰ বেগে নোহে তাক তুল।
পাইল গৈয়া পাছে যমুনাকূল।।১০৭৮।।
মধ্যাহ্ন সন্ধ্যা কৰিবাক প্ৰতি।
ৰাখিলা ৰথ পাছে দানপতি।।
দোভাইক ৰথে থৈয়া তৰুতলে।
নামিলা গৈয়া যমুনাৰ জলে।।১০৭৯।।

১৪১। পা. হৰি বোলা হৰি বোলা মাধৱ ৰাম।।

বুড়দিয়া মন্ত্র জপিলা পাছে।
দেখন্ত ৰামকৃষ্ণ ঐত আছে।।
ৰথত নাহিকে বুলি উঠিলা।
দোভাইক ৰথতে দুনাই দেখিলা।।১০৮০।।
পূৰ্ব্বৰতে বসি আছন্ত দুই।
দুনাই বুড় দিলা বিস্ময় হুই।।
জলৰ মাজত দেখন্ত পাছে।
সহস্ৰেক ফণে অনন্ত আছে।।১০৮১।।
মৃণাল ধৱল যেন শৰীৰ।
নীল বস্ত্রে দেখি আতি ৰুচিৰ।।
ফণাৰ মণি কৰে তিৰিমিৰি।
শৃঙ্গে সমে যেন কৈলাস গিৰি।।১০৮২।।
চৌপাশে সৰ্পগণে বেঢ়ি আছে।
তাহান কোলাত দেখন্ত পাছে।।
পৰম পুৰুষ আছন্ত বসি।
প্ৰকাশৈ মুখ যেন পূৰ্ণ শশী।।১০৮৩।।
মেঘ সম শ্যাম বসন পীত।
ৰত্নৰ কিৰীটি শিৰে শোভিত।।
কৰ্ণত মকৰ দোলে কুণ্ডল।
ধনু সম শোভৈ ভ্ৰূৰ যুগল।।১০৮৪।।
অৰুণ নেত্ৰ কমলৰ পাসি।
নুগুচৈ মুখে সদা অল্প হাসি।।



নাসা তিল ফুল সম সুন্দৰ।
বৰ্ত্তুল ৰাতুল চাৰু অধৰ।।১০৮৫।।
প্ৰৱাল ৰত্নে যেন আছৈ গঢ়ি।
প্ৰকাশে দন্ত যেন কুন্দ কঁড়ি।।
কম্বুকণ্ঠে শোভৈ কৌস্তুভ মণি।
প্ৰকাশৈ প্ৰভাতৰ সূৰ্য্য জিনি।।১০৮৬।।
আজানুলম্বী স্থূল ভুজ চাৰি।
শঙ্খ চক্ৰ গদা পঙ্কজধাৰী।
কৰয় কেয়ূৰ কঙ্কণে কান্তি।
বক্ষস্থলে শোভৈ শ্ৰীবৎস পান্তি।।১০৮৭।।
আপাদলম্বী বনমালা গলে।
মুকুতাৰ হাৰ হিয়াত জ্বলে।।
ৰত্নৰ মেখলা কটিৰ মাজে।
তাতে সুৱৰ্ণৰ কিঙ্কিনী বাজে।।১০৮৮।।
চাৰু উৰু জানু জঙ্ঘা যুগল।
দুখানি চৰণ যেন কমল।।
আঙ্গুলি পান্তি তাৰ ভৈল পাসি।
আৰকত নখে আছে প্ৰকাশি।।১০৮৯।।
ৰত্নৰ নূপুৰে আতি ৰঞ্জিত।
যাত ভকতৰ সদায় চিত্ত।।
সুনন্দ নন্দ আদি কৰি পাছে।
চৌপাশে পাৰিষদে বেঢ়ি আছে।।১০৯০।।

শঙ্কৰ ব্ৰহ্মা যত প্ৰজাপতি।
কৰযোৰে সৱে কৰয় স্তুতি।।
আপুনি লক্ষ্মী আৰাধন্ত পাৱ।
অক্ৰূৰে দেখি শিহৰাইলা গাৱ।।১০৯১।।
আনন্দতে পৰৈ নেত্ৰৰ পানী।
কণ্ঠৰো নোহ্লায় গদগদ ৱাণী।।
পৰম ভক্তি কৰি মহাভাগে।
কৃতাঞ্জলি কৰি পৰিল আগে।।১০৯২।।

।। ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।। মাধৱ ৰাম মুকুন্দ মুৰাৰি।। ৯১।।
পদ ।। শিৰে প্ৰণামি পাছে দানপতি।
কৰিবে লাগিলা কৃষ্ণক স্তুতি।।
নমো নাৰায়ণ কৰোহো সেৱ।
স্ৰষ্টাৰো স্ৰষ্টা তুমি আদি দেৱ।।১০৯৩।।
তোহ্মাৰ নাভিত ভৈলন্ত বিধি।
যাত হন্তে ভৈল কাৰ্য্যৰ সিদ্ধি।
যত পঞ্চভূত ইন্দ্ৰিয় দেৱ।
তোহ্মাৰ ৰূপক নজানে কেৱ।।১০৯৪।।



নজানি লোকে আনদেৱ পূজৈ।
সিয়ো বিধিহীনে তোহ্মাক যজৈ।
যেহেন নদ নদী সমুদায়।
অনেক পথে সাগৰক যায়।।১০৯৫।।
মায়ায়ে মোহিত সবাৰো মন।
তোহ্মাৰ নিচিন্তৈ কেৱে চৰণ।।
যাৰ নষ্ট হুইবে সংসাৰ বন্ধ।
তোহ্মাৰ ভক্তিত তাৰ প্ৰৱন্ধ।।১০৯৬।।
ৰূপ দেখাই কিনো কৰিলা দায়া।
জানিলো এড়াইল সংসাৰ মায়া।।
নমো হৃষীকেশ জগতপতি।
তুমি বিনে নাই আহ্মাৰ গতি।।১০৯৭।।
কৰিলা অনেক স্তুতি বিনয়ে।
নকৈলো পদ বিস্তৰক ভয়ে।।
জলত পাছে দেখা দিয়া হৰি।
ভৈলা অন্তৰ্দ্ধান ৰূপ সংহৰি।।১০৯৮।।
বিষ্ণুক নেদেখি পাছে অক্ৰূৰে।
জলৰ উঠিল আতি সত্বৰে।।
মধ্যাহ্ন সন্ধ্যা কৰি মহাশয়।
গৈলন্ত ৰথক হুয়া বিস্ময়।।১০৯৯।।

অক্ৰূৰত হৰি সোধন্ত হাসি।
বিস্ময় ভৈলা কেনে তুমি আসি।।
দেখিলা কিবা কৈত অদভূত।
সত্বৰে কহিয়ো গান্দিনীসুত।।১১০০।।
অক্ৰূৰে কৃষ্ণক মাতিলা পাছে।
সৱে অদভূত তোহ্মাত আছে।
যিজনে নজানে তত্ত্ব তোহ্মাৰ।
সমস্ত জগত অদ্ভুত তাৰ।।১১০১।।
এহি বুলি বীৰে ৰথ ডকাইল।
দিনান্তে গৈয়া মথুৰাক পাইল।।
পথত যাহন্তে পথিকে দেখি।
আনন্দে কৃষ্ণক চাহে নিৰেখি।।১১০২।।
পাছে মথুৰাৰ সমীপ পাই।
নামিল ৰাম কৃষ্ণ দুই ভাই।।
অক্ৰূৰৰ হাতে ধৰিলা হৰি।
বুলিলা হেন বাণী হাস্য কৰি।।১১০৩।।
ৰথ লৈয়া আগে চলিয়ো ঘৰ।
পাছেসে পশিবো আমি নগৰ।।
ইঠাইতে জিৰাওঁ আমি গোপজাক।
শুনিয়া আক্ৰূৰে বুলিলা বাক।।১১০৪।।



তোমৰা দোভাইক এড়িয়া স্বামী।
নযাইবো নযাইবো গৃহক আমি।।
নকৰা প্ৰভু ভকতক ত্যাগ।
কোটি পুৰুষৰ মিলোক ভাগ।।১১০৫।।
গৃহক মোৰ চলা সমুদায়।
পৱিত্ৰ কৰিও পদ ধূলাই।।
শিৰত ধৰি তযু পাদোদক।
লভিলা বলি মহা ঐশ্বৰ্য্যক।।১১০৬।।
পাইলেক পৰম জ্ঞানীৰ গতি।
ভকতক দয়া কৰা সম্প্ৰতি।।
আমাক বিমুখ নকৰা স্বামি।
তোহ্মাক এড়িবে নৱাৰো আমি।।১১০৭।।
মাধৱে বোলন্ত শুনা অক্ৰূৰ।
তুমি আগে যায়ো মথুৰাপুৰ।।
জগতৰে বৈৰী মাৰি কংসক।
অৱশ্যে তোহ্মাৰ যাইবো গৃহক।।১১০৮।।
হেন শুনি পাছে অক্ৰূৰ বীৰে।
বিতুষ্ট মনে গৈল ধীৰে ধীৰে।
কৃষ্ণ আসিবাৰ কংসত কৈলা।
মেলানি মাগিয়া গৃহক গৈলা।।১১০৯।।

একমনে শুনা কৃষ্ণৰ কথা।
মনুষ্য জন্মক নকৰা বৃথা।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে।।১১১০।।

।। সপ্তম কীৰ্ত্তন।।

ঘোষা।। গোৱিন্দ যদুদেৱ দীন দয়াশীল।
তুমিসে বান্ধৱ কৃষ্ণ আৰেসে জানিল।।৯২।।

পদ ।।অক্রূৰক পঠায়া গৃহক আগ কৰি।
লৈয়া গোপগণ সঙ্গে ৰঙ্গে ৰাম হৰি।।
পৰম উৎসুকে প্ৰৱেশিলা মথুৰাত।
সিটো বিতোপন পুৰি দেখিলা সাক্ষাত।।১১১১।।
স্ফটিকে গঠিত পুৰ দ্বাৰ নুহি খাট।
লগাই আছে সুৱৰ্ণৰ বৃহত কপাট।।
হেমময় তোৰণ চিড়লে অলঙ্কৃত।
চতুৰ্ভিতি গড়খাই দেখি ভয়ভীত।।১১১২।।
বহুবিধ উদ্যান শোভিত কাছে কাছে।
শাৰী শাৰী গৃহসৰ প্ৰকাশন্তে আছে।।
হীৰা মৰকত ৰত্নে ৰঞ্জে ঠাৱে ঠাৱে।
শোভা কৰৈ পাৰাৱত ময়ূৰৰ ৰাৱে।।১১১৩।।



ৰাজপথ চৌপন্থাক সাঞ্জি মাঞ্জি আতি।
পদূলি পদূলি দীপঘট আছে পাতি।।
হেন নগৰত পশি গোপগণ সঙ্গে।
ৰাজপথে চলি যান্ত ৰাম কৃষ্ণ ৰঙ্গে।।১১১৪।।
মিলিল উৎসৱ[১৪২] শুনি নাৰীগণ যত।
চাহিবাক লাগি সৱে চড়িলা গৃহত।।
কৃষ্ণক দেখিবে কাৰো উত্ৰাৱল চিত্ত।
পিন্ধে বস্ত্ৰ অলঙ্কাৰ কৰি বিপৰীত।।১১১৫।।
এক কৰ্ণে কুণ্ডল কঙ্কণ এক কৰে।
বিমোহিত হুয়া আসৈ বস্ত্ৰো নসম্বৰে।।
অঞ্জনে ৰঞ্জিল মাত্ৰ এগোটা লোচন।
কতো কতো নাৰীগণে এড়িল ভোজন।।১১১৬।।
পিয়ন্তে আছিল তন শিশুক এড়িল।
কৃষ্ণক দেখিবে মনে গৃহত চড়িল।।
ৰাজপথে চলি যান্ত লীলায়ে মাধৱ।
তাসম্বাৰ নয়নৰ বঢ়ায়া উৎসৱ।।১১৭৭।।
কমললোচন হাসি কটাক্ষে চাহন্তে।
সমস্ত নাৰীৰ মন হৰিল একান্তে।।
যাৰ গুণ কথাক শ্ৰৱণে আছো শুনি।
নেত্ৰ ভৰি দেখো হেন কৃষ্ণক আপুনি।।১১১৮।।
কৃষ্ণৰ কটাক্ষ হাস্যে বৰিষে অমৃত।
পূৰি মনোৰথ সৱে ভৈল কৃতকৃত্য।।

১৪২। পা. ঔৎসুক্য [ভা. ১০/৪১/২৪]

নয়নৰ পথে নিয়া কৰি অভ্যন্তৰ।
আনন্দ মূৰ্ত্তিক আলিঙ্গয় নিৰন্তৰ।।১১১৯।।
মনৰ এড়াইল পীড়া আনন্দে ভৰিল।
তনু লোমাঞ্চিত নেত্রে লোতক ঝৰিল।।
প্রীতি প্রফুল্লিত মুখপদ্ম যত নাৰী।
গৃহৰ উপৰে চৰি হুয়া দুই শাৰী।।১১২০।।
ৰাম মাধৱৰ শিৰে পুষ্প বৰিষন্ত।
মুখ কমলক যেন নয়নে পিয়ন্ত।।
দধি দূৰ্ব্বাক্ষত উপায়ন পুষ্পগন্ধে।
পদূলি পদূলি দ্বিজে পূজিলা প্রবন্ধে।।১১২১।।
অন্যোঅন্যে নাৰীগণে সম্বোধি কহয়।
কিনো তপ কৰিলে ব্রজৰ গোপীচয়।।
দেখিয়ো আনন্দে যেন আছে মূৰ্ত্তি ধৰি।
হেন ৰাম মাধৱক দেখ নেত্র ভৰি।।১১২২।।
গোপীসম ভাগ্যৱতী আউৰ কেহো নাই।
কহে সৱে নাৰীগণে অন্যোঅন্যে চাই।।
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্ব্বজন।
বোলা হৰি হৰি আছে যাৱত চেতন।।১১২৩।।



।।অষ্টম কীৰ্ত্তন।।

ঘোষা।।প্রাণ বান্ধৱ মাধৱ ৰাম।
দেহু দেখা হৰি কৰো প্রণাম।।৯৩।।
পদ ।।পথত ৰাম কৃষ্ণ মহাভাগ।
যাহন্তে ধোবাক পাইলন্ত লাগ।।
খুজিলন্ত বস্ত্র মাতি ধোবাক।
দিয়ো ভাল বাছি বস্ত্র আম্মাক।।১১২৪।।
আজি যেৱে বস্ত্র কৰস দান।
হৈবেক পৰম তোৰ কল্যাণ।।
এহি বুলি বস্ত্র খোজন্ত হৰি।
দুৰ্ম্মুখ ধোৱা মাতে ক্রোধ কৰি।।১১২৫।।
কিনো মহামূঢ় তোৰা গোৱাল।
পৰ্ব্বত বনত খপস কাল।।
মৰিবাক লাগি নাহিকে ত্রাস।
ৰাজাৰ বস্ত্রক পিন্ধিবে চাস।।১১২৬।।
প্রাণ লৈয়া পলা ঐৰ অন্তৰি।
ৰাজদূতে পাইলে দণ্ডিবে ধৰি।।
দৈৱকীসুতে শুনি হেন বাণী।
মাৰিলা ধোবাক চৰৰ টানি।।১১২৭।।

ছিণ্ডিল মুণ্ড চৰৰতে তাৰ।
যতেক ধোবা লগৰীয়া আৰ।।
বস্ত্ৰ পেলাই সৱে দিলে লৰড়।
দেখিয়া কৃষ্ণে ৰঙ্গ ভৈলা বড়।।১১২৮।।
ভাল বাছি বস্ত্ৰ লৈলা দোভাই।
গোৱালসৱক দিলা পেল্লাই।।
বেশকাৰে আসি পিন্ধাই বস্ত্ৰক।
কছাইল ৰঙ্গে ৰাম মাধৱক।।১১২৯।।
তাত তুষ্ট ভৈলা কৃষ্ণ অধিক।
দিলন্ত পৰম ঐশ্বৰ্য্য শ্ৰীক।।
সাৰূপ্য মুকুতিকো দিলা তাক।
বুলিলা অনেক আশ্বাস বাক।।১১৩০।।
সুদামা নামে মালাকাৰ আছে।
তাহাৰ বাড়ীত পশিলা পাছে।।
দূৰতে দেখে আসে কৃষ্ণ ৰাম।
কৰিলা সুদামা পৰি প্ৰণাম।।১১৩১।।
আসন আনি দিল আথেবেথে।
বসিলা তাত ৰঙ্গে জগন্নাথে।।
পাদ্য অৰ্ঘে গন্ধধূপ লগাই।
কৰিলা পূজা লৈলা দুয়ো ভাই।।১১৩২।।



ভূমিত পৰি বোলে মালাকাৰ।
পিতৃ দেৱ ঋষি তুষ্ট আম্মাৰ।।
আজিসে জন্ম সাফলিলো আমি।
কুলকো পৱিত্ৰ কৰিলা স্বামি।।১১৩৩।।
জগতৰে মুখ্য কাৰণ হুই।
ভৈলা অৱতাৰ তোমৰা দুই।।
ভকতজনৰ ৰক্ষাৰ হেতু।
দুষ্টক নাশাহা গৰুড়কেতু।।১১৩৪।।
জগতৰে আত্মা ঈশ্বৰ দেৱ।
তোম্মাৰ শত্ৰু মিত্ৰ নাহি কেৱ।।
সমস্ত ভূততে আছা বিয়াপি।
ভজন্তাক প্ৰভু ভজা তথাপি।।১১৩৫।।
কৰিয়ো আজ্ঞা আমি তযু ভৃত্য।
তোমৰা দুইৰো কৰো কিবা কৃত্য।।
যাক পাঞ্চা তুমি কাৰ্য্যক লাগি।
প্ৰসাদ পাইলে সেহি মহাভাগী।।১১৩৬।।
এহি বুলি বুজি কৃষ্ণ ইঙ্গিত।
আনিয়া সৌৰভী[১৪৩] পুষ্পে ৰচিত।।
পিন্ধাইল দুইকো অঙ্গে মুঞ্জমালা।
পুষ্পে ভূষিলেক যত গোৱালা।।১১৩৭।।

---
১৪৩। পা. সুগন্ধি

ভকতি দেখি তাৰ কৃষ্ণ ৰাম।
বোলন্ত লৈয়োক বৰ সুদাম।।
শুনিয়া মালী বোলৈ যোড়ি হাত।
থাকোক অচলা ভক্তি তোহ্মাত।।১১৩৮।।
বিষ্ণু ভকতেসে হৈবে বান্ধৱ।
ভূত দায়া যোনো চাড়ে মাধৱ।।
এহি বুলি মৌন ভৈলা সুদাম।
দিলন্ত বৰ সৰে কৃষ্ণ ৰাম।।১১৩৯।।
বুলিলা আৰো তাৰ ভক্তি দেখি।
নেৰোক তোহ্মাক অচলা লক্ষ্মী।।
বল আয়ু যশ দিলো সমৃদ্ধি।
সৰ্ব্বকালে হৌক বংশৰ বৃদ্ধি।।১১৪০।।
সুদামাক দিয়া এতেক বৰ।
বজাইলা তৈৰ ৰাম দামোদৰ।।
আনন্দে বেঢ়ি যায় গোপগণে।
হৰি হৰি বোলা সমস্ত জনে।।১১৪১।।



।।নৰম কীৰ্ত্তন।।

ঘোষা।। সেৱক বুলিয়া পালিয়ো ৰাম
চৰণে শৰণ লৈলো।
তোহ্মাত ভকতি নকৰি কৃপাল
জনম বিফল কৈলো।।৯৪।।

পদ ।। সুদামাক বৰ দিয়া দামোদৰ
ৰাজপথে চলি যান্ত।
চন্দনৰ পাত্ৰ সহিতে যুৱতী
কুবুজাক দেখিলন্ত।।
ওচৰ চাপিয়া পুছন্ত হাসিয়া
সৰ্ব্ব সুখদাতা হৰি।
কোন তুমি কাৰ চন্দন লৈ যাহা
কৈয়ো কথা শীঘ্ৰ কৰি।।১১৪২।।
দোভাইক চন্দন দিয়ো আজি তোৰ
হৈবেক কল্যাণ আসি।
সৈৰিন্ধ্ৰী বোলয় শুনিয়ো সুন্দৰ
মই কংসৰায়ৰ দাসী।।
ভোজ নৃপতিৰ আতি প্ৰীতিকৰ
মোহোৰ চন্দন মাত্ৰ।

তোৰা দুই বিনে　　ইটো চন্দনৰ
আছৈ আন কোন পাত্ৰ।।১১৪৩।।
সুকুমাৰ ৰূপ　　দেখি মোহ ভৈল
কৃষ্ণৰ সুৰস মাতে।
দোভাইৰ শৰীৰ　　চন্দনে ৰঞ্জিল
যুৱতী আপুন হাতে।।
এতেকে প্ৰসন্ন　　ভৈলা ভগৱন্ত
যিটো ভকতৰ গতি।
কৰিলন্ত মতি　　সিটো কুবুজাক
ঋজু কৰিবাক প্ৰতি।।১১৪৪।।
তাইৰ দুই ভৰি　　দুপাৰে জান্তিয়া
চিবুকত ধৰি হাতে।
উপৰক তুলি　　চম্বু কৰিলন্ত
তিনিও লোকৰ নাথে।।
কৃষ্ণ পৰশনে　　তেতিক্ষণে তাই
ভৈ গৈল দিব্য সুন্দৰী।
কামাতুৰা হুয়া　　হাসিয়া মাতয়
কৃষ্ণৰ বস্ত্ৰত ধৰি।।১১৪৫।।
তুমি চিত্ত মোৰ　　মথিলা মাধৱ
এড়িবে নৰাৰো আমি।[১৪৪]

১৪৪। পা. কিমতে এৰিবো আমি/এৰিবে নপাৰো আমি



আসা গৃহে যাওঁ　　হুয়োক প্ৰসন্ন
তিনিও লোকৰ স্বামী।।
ৰামৰ আগত　　কৃষ্ণৰ বস্ত্ৰত
ধৰিয়া প্ৰাৰ্থন্তে আছে।
সমস্ত গোপৰ　　মুখ চায়া হৰি
হাসি মাতিলন্ত পাছে।।১১৪৬।।
আমি পথিকৰ　　তুমিসে আশ্ৰয়
যায়োক আজি গৃহক।
তোহ্মাৰ থানক　　অৱশ্যে আসিবো
বধিয়া দুষ্ট কংসক।।
এহি বুলি তাইক　　মধুৰ বচনে
আশ্বাসি পঠাইলা হৰি।
বাণিজাৰুগণে　　দোভাইক পূজিল
অনেক দ্ৰব্যে সাদৰি।।১১৪৭।।
কৃষ্ণ দৰশনে　　কামে বিমোহিত
সমস্তে পুৰ যুৱতী।
বসন বলয়া　　সুলকিল খোপা
তাতো নাহি কাৰো মতি।।
চিত্ৰৰ পুতলী　　আছে যেন ৰহি
কৃষ্ণত অৰ্পিয়া মন।
আনকাম এড়ি　　বোলা হৰি হৰি
সমজ্যাৰ যত জন।।১১৪৮।।

।। দশম কীৰ্ত্তন।।

ঘোষা।। জগন্নাথ অনাথক থাপিয়ো চৰণে।
তোহ্মাক বান্ধৱ মানি পশিলো শৰণে।।৯৫।।

পদ ।। এহি মতে ৰাম কৃষ্ণ ভ্ৰমন্তে পথত।
ধনুৰ্যাগশালা পাইলা পুছিয়া লোকত।।
দেখিলা কংসৰ দিব্য ধনু কৃষ্ণে পাছে।
যেন ইন্দ্ৰধনুখণ্ড প্ৰকাশন্তে আছে।।১১৪৯।।
আনন্দে গোৱিন্দে ধৰিবাক যান্ত তাক।
দেখিয়া ৰখীয়া সেনাগণে দেয় হাক।।
তথাপি লীলায়ে বাম হাতে তুলি ধৰি।
নিমিষেকে ধনুত লগাইলা গুণ হৰি।।১১৫০।।
অপ্ৰয়াসে টানিয়া ভাঙ্গিলা ধনুখণ্ড।
যেন মত্ত মাতঙ্গে ভাঙ্গিলে ইক্ষুদণ্ড।।
তাৰ ঘোৰ শবদে পূৰিল দিশপাশ।
শুনি কংসৰায়ৰ অদ্ভুত ভৈল ত্ৰাস।।১১৫১।।
দেখিয়া ৰখীয়াসৱ কটক কিটাইল।
অস্ত্ৰ শস্ত্ৰ ধৰি ক্ৰোধে মাধৱক ধাইল।।
বেঢ়িলেক চতুৰ্ভিতি ধৰ মাৰ বুলি।
খণ্ডে ভাঙ্গা ধনু ৰাম কৃষ্ণে লৈলা তুলি।।১১৫২।।
সমস্তে সেনাক মানে বধিলা দোভাই।
কংসে পঠাইলেক যিবা মাৰিলা কোবাই।



ধনুৰ শালাৰ হন্তে বাজ হুয়া দুই।
নগৰ চাহিয়া ফুৰে মহা হৃষ্ট হুই।।১১৫৩।।
প্ৰভাৱে প্ৰগল্ভ ৰূপ দেখি নিৰুপম।
সৱে বোলৈ ইটো দুই দেৱতো উত্তম।।
অনন্তৰে সূৰ্য্যে পাইলা অস্তগিৰি গই।
নিৱৰ্ত্তিলা ৰাম কৃষ্ণ গোপগণ লই।।১১৫৪।।
নগৰৰ বাজত ৰহিলা বাসা কৰি।
ৰঙ্গে ৰাম কৃষ্ণ দুই পখালিলা ভৰি।।
গোপগণ সঙ্গে লৈয়া ভুঞ্জি দধি ভাত।
বঞ্চিলা ৰজনী সুখে শুতিয়া শয্যাত।।১১৫৫।।
ধনুৰ্ভঙ্গ ৰখীয়া সেনাৰ শুনি বধ।
নাসৈ নিদ্ৰা কংস ভৈল ভয়তে তবধ।।
দেখৈ নানা বিমঙ্গল চিত্ত নোহে স্থিৰ।
ছায়াত নেদেখৈ সিটো আপুনাৰ শিৰ।।১১৫৬।।
ধূলি কৰ্দ্দমতো নিজ খোজক নাকলে।
আকাশত দেখে কতো দুই চন্দ্ৰ জ্বলে।।
স্বপ্নত মৃতকে আসি কৰৈ আলিঙ্গন।
গৰ্দ্দভত চড়ি কৰৈ বিষক ভোজন।।১১৫৭।।
ওৰ ফুলমালা পিন্ধি হুয়া দিগম্বৰ।
তৈল ঘসি দক্ষিণক যায় একেশ্বৰ।।
আনো নানা বিধ বিমঙ্গল দেখৈ আতি।
ভয়তে নপাইলে নিদ্ৰা কংসে সিটো ৰাতি।।১১৫৮।।

অনন্তৰে কংসৰায় উঠি প্ৰভাতত।
কৰাইলন্ত মল্লক্ৰীড়া মহোৎসৱ যত।।
সজাইলেক উচ্চ মঞ্চ ৰঙ্গশালা বেঢ়ি।
বাৰৈ ঢাক ঢোল ভেৰী কৰৈ নানা খেড়ি।।১১৫৯।।
মঞ্চে চড়ি বসিলা যতেক পুৰবাসী।
থান লৈয়া বসিলা নৃপতিগণো আসি।।
মন্ত্ৰীগণ সমে কংস চড়িল মঞ্চত।
নুগুচয় ভয় তাৰ ক্ষণেকো মনত।।১১৬০।।
মল্লবাদ্য শুনি কাছিপাৰি যত মাল।
মালগুৰু সমে প্ৰৱেশিলা ৰঙ্গশাল।।
চাণূৰ মুষ্টিক কূট তোশল অপৰ।
শল্ল নামে আইল আৰো মল্ল ভয়ঙ্কৰ।।১১৬১।।
কৰ দিয়া নন্দো গোপগণ সমন্বিতি।
মঞ্চে চড়ি বসিলন্ত হুয়া একভিতি।।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
বোলা হৰি হৰি সৱে হৌক সদগতি।।১১৬২।।

।। একাদশ কীৰ্ত্তন।।

ঘোষা।। গোপাল কৃপাল কৰুণাময়।
হৰিয়ো হৰিভকতৰ ভয়।।৯৬।।

পদ ।। কহন্ত নৃপতিত শুকমুনি।
ৰাম কৃষ্ণে মল্লদুন্দুভি শুনি।।



কৰিয়া শৌচ ভৈলা কাছপাৰ।
শুনিয়ো আৰে কেনে অৰ্থ তাৰ।।১১৬৩।।
ধনু ভাঙ্গি সেনা মাৰিলো তাৰ।
দেখাইলো নিজ বীৰ্য্য আপুনাৰ।।
তথাপি পিতৃৰ নোছোৰে বন্ধ।
আম্মাকো মাৰিবে কৰৈ প্ৰবন্ধ।।১১৬৪।।
মমাৰ বধে আউৰ দোষ নাই।
এহি বুলি লড়ি গৈলা দোভাই।।
ৰঙ্গৰ দ্বাৰ পাইলা গৈয়া পাছে।
কুৱলয়াপীড় বাটতে আছে।।১১৬৫।।
অম্বষ্ঠ হাতীয়াৰো আছৈ খুম্পি।
ৰহি আছৈ সিটো কৃষ্ণক চুম্পি।।
দেখি কৃষ্ণে তাৰ বুজি ইঙ্গিত।
মেহ্লাইলন্ত পীত বস্ত্ৰ কটিত।।১১৬৬।।
কুটিল অলকা বান্ধিল তুলি।
মাতিলা শুনৰে অম্বষ্ঠ বুলি।।
যাইবো ৰঙ্গশালা সত্বৰ কৰি।
পথ ছাড়ি দেস ঐৰ অন্তৰি।।১১৬৭।।
বাট নেদ যেৱে শুন দ্বন্দুৰ।
কুঞ্জৰ সমে নিবো যমপুৰ।।
হেন শুনি পাছে অম্বষ্ঠ ৰাগি।
খুম্পিল হাতীক কৃষ্ণক লাগি।।১১৬৮।।

ধায়া গৈল হস্তী কালান্ত প্ৰায়।
ধৰিল কৃষ্ণক শুণ্ডে মেহ্লাই।।
এৰাইল আস্ফোট কৰিয়া উঠি।
মাতঙ্গক কৃষ্ণে মাৰিলা মুঠি।।১১৬৯।।
ভৰিৰ মাঝতে লুকাইলা তাৰ।
ক্ৰোধিল কুঞ্জৰে পায়া প্ৰহাৰ।।
নেদেখি সিটো ফোফাই যেন নাগ।
শুঙ্গি শুঙ্গি পাইল কৃষ্ণক লাগ।।১১৭০।।
ধৰিল কৃষ্ণক শুণ্ডে মেহ্লাই।
বাজ ভৈলা কৃষ্ণ বলে এড়াই।।
লাঞ্জত তাৰ ধৰি চক্ৰপাণি।
একশত হাত নিলন্ত টানি।।১১৭১।।
সৰ্পক আঝোৰৈ যেন গৰুড়ে।
কৃষ্ণক ধৰিবে চাহয় শুড়ে।।
ইকাতি সিকাতি হোৰন্তে যাই।
টানি নেন্ত কৃষ্ণে শ্ৰমে এড়াই।।১১৭২।।
নপাৰে ধৰিবে সিটো কৃষ্ণক।
যেন দামুৰিক টানে বালক।।
অনন্তৰে তাৰ লাঞ্জৰ এড়ি।
ভৈলন্ত সন্মুখ হস্তীক হৰি।।১১৭৩।।



চাপৰ মাৰিয়া যান্ত লৰড়ে।
খেদি নেয় হস্তী গোড়ত গোড়ে।।
লীলায়ে পড়িয়া উঠিলা হৰি।
পড়িল বুলি হস্তী ক্ৰোধ কৰি।।১১৭৪।।
পৃথিৱীত সিটো ভিৰিল দান্তে।
গাৰৰ সৱ বল দিয়া ঝাণ্টে।।
নাহিকে কৃষ্ণ দেখি হস্তী কোপে।
ধাইলেক কৃষ্ণক দুনাই আটোপে।।১১৭৫।।
উপৰে হাতীয়াৰে খুম্পি যায়।
ধৰিলা শুণ্ডত মাধৱে পাই।।
প্ৰমত্ত সিংহে যেন লীলা কৰি।
পাড়িলা ভূমিত হস্তীক হৰি।।১১৭৬।।
পাৱে ভিৰি তাক কৰি আক্ৰান্ত।
লৈলন্ত উভাৰি হস্তীৰ দান্ত।।
হস্তী হস্তীয়াৰ দুইকো জপাই।
মাৰিলন্ত গজ দান্তে কোবাই।।১১৭৭।।
মৰা কুৱলয়াপীড়ক এড়ি।
পশিলা ৰঙ্গশালা ৰাম হৰি।।
চৌপাশে গোপগণে বেঢ়ি যান্ত।
দোভাইৰ কান্ধত হস্তীৰ দান্ত।।১১৭৮।।

প্ৰকাশে কৃষ্ণৰ মুখ কমল।
দেখিয় তাতে ঘৰ্ম্ম বিন্দুজল।।
ৰুধিৰ ছিটা তাৰ মাজে মাজে।
পদপঙ্কজত নূপুৰ বাজে।।১১৭৯।।
শ্যামল তনু তাতে পীত বাস।
কমল লোচনে নুগুচে হাস।।
ভুলিল সমাজে কৃষ্ণক চাই।
বোলা হৰি হৰি হৰি সদায়।।১১৮০।।

।।দ্বাদশ কীৰ্ত্তন।।

ঘোষা।।হে কৃষ্ণ কৰা কৃপা পৰমানন্দ।
নজানো ভকতি মঞি মলমতি মন্দ।।৯৭।।
পদ ।।কৰিলা প্ৰকাশ ৰামে সমে সমজ্যাত।
দেখৈ দশপ্ৰকাৰে কৃষ্ণক সিবেলাত।।
মালে বোলে কিনো বজ্ৰময় কলেৱৰ।
অন্যজনে বোলৈ এহেন্তেসে নৰবৰ।।১১৮১।।
নাৰীগণে বোলে মূৰ্ত্তি ধৰিছা মদনে।
আমাৰেসে বন্ধু বুলি মানে গোপগণে।।
আমাৰেসে শাস্তা বোলে দুষ্ট ৰাজাচয়।
বসুদেৱ দৈৱকীয়ে বোলয় তনয়।।১১৮২।।



কংসে বোলে এহি কৃষ্ণ অন্তক আহ্মাৰ।
অজ্ঞানীসকলে বোলে নন্দৰ কুমাৰ।।
যোগীগণে বোলে এহেন্তেসে ব্ৰহ্মতত্ত্ব।
বৃষ্ণিবংশে বোলে এন্তে কুলৰ দৈৱত।।১১৮৩।।
ধৰি মল্লবেশ পিন্ধি ৰত্ন আভৰণ।
ৰঙ্গ মধ্যে প্ৰকাশন্ত ৰাম নাৰায়ণ।।
কাছিয়া আছন্ত যেন নট দুই প্ৰায়।
নভৈল তৃপিতি লোক দুইৰো ৰূপ চাই।।১১৮৪।।
নয়নে পিৱয় যেন চেলেকে জিহ্বায়।
বাহুৱে আলিঙ্গে যেন শুঙ্গে নাসিকায়।।
অন্যোঅন্যে বোলে যেন কথা আছো শুনি।
সেহিটো কৃষ্ণক দেখো নয়নে আপুনি।।১১৮৫।।
নাৰায়ণ অংশ দুয়ো জানিবা সাক্ষাত।
বসুদেৱ গৃহে দৈৱকীত ভৈলা জাত।।
গোকুলত থৈলন্ত বাঢ়িলা নন্দ ঘৰে।
পুতনাক বধিলা এহেন্তে দামোদৰে।।১১৮৬।।
চক্ৰবাত দৈত্যক মাৰিলা চিপি গল।
ভাঙ্গিলা অৰ্জ্জুন মাজে টানি উডুখল।।
অঘ বক ধেনুক কেশীৰ লৈলা প্ৰাণ।
গোপ গৰু বনাগ্নিত কৰিলাহা ত্ৰাণ।।১১৮৭।।

**কালিক দমিলা গৰ্ব্ব গুচাইলা ইন্দ্ৰৰ।**
**সাতদিন একে হাতে তুলিয়া মন্দৰ।।**
**ৰাখিলা গোকুল মহা বাত বৃষ্টি হন্তে।**
**বঢ়াইবে যাদৱ বংশ এন্তে ভগৱন্তে।।১১৮৮।।**
**এহিতো হসিত মুখ দেখি অনুক্ষণে।**
**এড়াইলা বিৰহ তাপ সুখে গোপীগণে।।**
**আনে শ্ৰেষ্ঠ এন্তে ৰাম কমললোচন।**
**প্ৰলম্ব প্ৰমুখ্যে মাৰিলন্ত দৈত্যগণ।।১১৮৯।।**
**এহিমতে লোকে যেৱে কৰৈ গলাৰৱ।**
**বাৰন্তে আছন্ত বাদ্য বঢ়ায়া উৎসৱ।।**
**শুনি নসহিল তাক চাণূৰ বিবুদ্ধি।**
**বুলিবে লাগিল ৰাম কৃষ্ণক সম্বোধি।।১১৯০।।**
**শুনি বাহু যুদ্ধত কুশল দুই ভাই।**
**দেখিবাক লাগি ৰাজা আনিলা মতাই।।**
**মহা হৰষিত মনে সৱে গোপগণে।**
**মল্লযুদ্ধ কৰি গৰু চাৰি ফুৰা বনে।।১১৯১।।**
**হেনজানি তুমি আমি আসা বন্ধ ধৰো।**
**নৃপতিৰ প্ৰীতি সাধি মল্লযুদ্ধ কৰো।।**
**সৰ্ব্বভূতময় ৰাজা শাস্ত্ৰত কহয়।**
**ৰাজাতুষ্ট ভৈলে সৰ্ব্বজন তুষ্ট হয়।।১১৯২।।**



**শুনি কৃষ্ণে দিলা তাক উচিত উত্তৰ।**
**ভোজ নৃপতিৰ আমি প্ৰজা বনচৰ।।**
**তুল্যবল সহিতে ক্ৰীড়িবো যথোচিত।**
**সাধিবো ৰাজাৰ যেন প্ৰীতি মনোনীত।।১১৯৩।।**
**কৰিবোহো বাহুযুদ্ধ সমুচিত কৰ্ম্মে।**
**তেৱেঁসে নপাইব সভাসদক অধৰ্ম্মে।।**
**কৃষ্ণৰ কিঙ্কৰে কহে ছাড়া আন কাম।**
**পলাওক পাতক ডাকি বোলা ৰাম ৰাম।।১১৯৪।।**

।।ত্ৰয়োদশ কীৰ্ত্তন।।

ঘোষা।। ৰাম পাৱে কৰা ৰতি।
ভাই ৰামৰ চৰণে গতি[১৪৫]।।৯৮।।

পদ ।। শুনিয়া চাণূৰে বোলে কৃষ্ণক।
নুহিকা গোপাল তুমি বালক।।
গজ সহস্ৰৰ বলে অধিক।
**মাৰিলা লীলায়ে হেন হস্তীক।।১১৯৫।।**
এহেন্তে ৰাম মহা বলিয়াৰ।
মঞি সমে তুমি কৰা প্ৰহাৰ।।
মুষ্টিক সহিতে যুজোক বল।
**অন্যায় নুহি দুয়ো মহামল্ল।।১১৯৬।।**

---

১৪৫। পা. ৰাম পাৱে কৰা ৰতি। ভাই ৰামৰ নামেসে গতি।।

শুনি কৃষ্ণে কৰি নিশ্চিত মতি।
সমুখ ভৈলা চাণূৰক প্ৰতি।।
মুষ্টিককো ধাইলা ৰোহিণীসুত।
মিলিল মল্লযুদ্ধ অদভূত।।১১৯৭।।
হাতক হাতে মালবন্ধে বান্ধি।
দুই পাৰে দুই পাৰক ছান্দি।।
আজোৰে অন্যোঅন্যে বলে ধৰি।
মুষ্টিতে মুষ্টি মাৰে দৃঢ় কৰি।।১১৯৮।।
শ্ৰমে দুয়ো দুই জানুত হানে।
মুণ্ডত মুণ্ডে ঠেকা মাৰৈ টানে।।
হিয়াত হিয়া মাৰৈ ঠাট কৰি।
আজুৰি নেয় কতো হাতে ধৰি।।১১৯৯।।
মাৰৈ গলদঙ্গা হুঁহ্‌হ্‌ বুলি।
বাহুৰে আটিয়া আছাৰৈ তুলি।।
ছান্দিয়া হাতে পাৰে পৰি দুই।
বাগৰ পাৰৈ একপিণ্ড হুই।।১২০০।।
বান্ধৰ চোটে ভাঙ্গে কলেৱৰ।
এড়ায়া কতোহো হোৱে অন্তৰ।।
ক্ৰোধে চক্ষু পকাই সঘনে চান্ত।
তৰ্জ্জন্ত গৰ্জ্জন্ত কামুৰি দান্ত।।১২০১।।



বলী নিৰ্ব্বলীৰ যুদ্ধ দেখিয়া।
পুৰবাসী স্ত্ৰীৰ নসহৈ হিয়া।।
অন্যোঅন্যে বোলৈ ইটো অকৰ্ম্মে।
ৰাজসমাজক পাৰৈ অধৰ্ম্মে।।১২০২।।
ৰাজায়ো কৰাৱৈ অন্যায় যুদ্ধ।
তাকো চাই আছে সবে অবোধ।।
ইটো দুই মাল বজ্ৰৰ সাৰ।
মাধৱ ৰাম আতি সুকুমাৰ।।১২০৩।।
নতু প্ৰৱেশন্ত যৌৱন কাল।
আসম্বাক যুজে দুৰ্জ্জয় মাল।।
সভাৰো ধিক্কাৰ থাকোক আতি।
কহয় কথা অন্যোঅন্যে মাতি।।১২০৪।।
দেখিয়ো কৃষ্ণৰ বদন ইন্দু।
ব্যাপিয়া আছে ঘৰ্ম্মজল বিন্দু।।
জলে সমে যেন পঙ্কজ কোষ।
যুজন্ত শত্ৰুক কৰি আক্ৰোশ।।১২০৫।।
কেহোজনী বোলৈ কিনো আসুখ।
কিয়নো নচাৱা ৰামৰ মুখ।।
অৰুণ নেত্ৰ পঙ্কজৰ জৌতি।
কৰিছা ক্ৰোধ মুষ্টিকৰ প্ৰতি।।১২০৬।।

কেহো বোলৈ সখি দেখিয়ো তুমি।
ধন্য ধন্য যিটো ব্ৰজৰ ভূমি।।
পুৰাণ পুৰুষ এহেন্তে হৰি।
ফুৰন্ত যৈত নানা ক্ৰীড়া কৰি।।১২০৭।।
অৱতৰি বিষ্ণু আছা মহীত।
ইহাঙ্কো যুজাৱৈ মালে সহিত।।
ইটো সমাজক আছৈ ধিক্কাৰ।
বোলা হৰি হৰি তৰা সংসাৰ।।১২০৮।।

।। চতুৰ্দ্দশ কীৰ্ত্তন।।

ঘোষা।। ৰামেসে গতি ভজ মোৰ মতি।
ৰামেসে গতি ৰামেসে গতি[১৪৬]।।৯৯।।
পদ ।। অভাগী কিনো আমি সৱে সখী।
যুদ্ধ সময়ত কৃষ্ণক দেখি।।
কি পুণ্য কৰিলে ব্ৰজৰ নাৰী।
অনুক্ষণে দেখৈ হেন মুৰাৰি।।১২০৯।।
যাহাৰ ৰূপৰ নাহি সমান।
অনুদিনে কৰৈ নয়নে পান।।
মথন্তে দধিক দোহন্তে গাই।
কৰন্তে গৃহৰ কৃত্য সদায়।।১২১০।।

১৪৬। পা. ৰামেসে গতি ভজ মোৰ মতি। ৰামেসে গতি।।



কৃষ্ণৰ গাৱৈ গুণ নাম গীত।
সততে কৃষ্ণত অৰ্পিয়া চিত্ত।।
পৰৈ প্ৰেমভাৱে লোতক ঝড়ি।
ধন্য ধন্য কিনো ব্ৰজ সুন্দৰী।।১২১১।।
প্ৰভাতে যাহন্তে ব্ৰজৰ হন্তে।
গৰু সমে সন্ধ্যা বেলা আসন্তে।।
কৃষ্ণৰ বাংশীৰ শুনন্তে ৰাৱ।
বজায় গোপীসৱ আকুল ভাৱ।।১২১২।।
কৃষ্ণক দেখি মিলৈ মহা সুখ।
চাহয় ঈষত হসিত মুখ।।
সদয় দৃষ্টি চান্ত বনমালী।
কতনো কৰিলে পুণ্য গোৱালী।।১২১৩।।
শুনিয়া সৱে পুৰস্ত্ৰীৰ বাণী।
দৈৱকী বসুদেৱ দুয়ো প্ৰাণী।।
নজানি দুয়ো তনয়ৰ বল।
ভৈলা পুত্ৰ শোকে দুয়ো বিহ্বল।।১২১৪।।
ঝৰিয়া পৰৈ নয়নৰ নীৰ।
যমক দেখৈ চিত্ত নোহে স্থিৰ।।
পুত্ৰক চাই কৰৈ হাহাকাৰ।
দেখৈ দুয়ো দশোদিশে আন্ধাৰ।।১২১৫।।

দেখিয়া ভকতৰ ভয়হাৰী।
শত্ৰু বধিবাক মনে মুৰাৰি।।
কৰিলা নিষ্ঠুৰ প্ৰহাৰ ধাই।
মূৰ্চ্ছিত চাণূৰ চেতন নাই।।১২২৬।।
সন্ধুকি যেন শেন গোটে উঠি।
মাৰিলে কৃষ্ণক ঝাৰলে[১৪৭] মুঠি।।
নটলিলা হৰি পায়া প্ৰহাৰ।
ধৰিলন্ত দুই বাহুত তাৰ।।১২১৭।।
তুলি উপৰক ফুৰাইলা পাক।
আস্ফালিলা বলে মাটিত তাক।।
মুকুত কেশ হাড় বিহৰিল।
ইন্দ্ৰধ্বজ যেন চাণূৰ পড়িল।।১২১৮।।
মুষ্টিককো ৰামে দিলা চাপৰ।
ৰুধিৰ ছাদি পীড়া পাইল বৰ।।
ভূমিত পড়িল প্ৰাণক ছাড়ি।
পড়ে বৃক্ষযেন বায়ু উভাৰি।।১২১৯।।
আসিল খেদি আউৰ কূট নামে।
বাম মুষ্টি হানি মাৰিলা ৰামে।।
তোষল শল্ল ধাইল ক্ৰোধ কৰি।
লাথি হানি দুইকো বধিলা হৰি।।১২২০।।

১৪৭। পা. যাওঁলে



চাণূৰ মুষ্টিক কূট তোষল।
মাৰিলা শল্লকো দেখি বিহ্বল।।
আউৰ মল্ল ভয় হুয়া বৰ।
প্ৰাণ ৰাখি সৱে দিলা লৰড়।।১২২১।।
দেখিয়া পাছে ৰাম কৃষ্ণ ৰঙ্গে।
আনিয়া গোপগণ লৈয়া সঙ্গে।।
দেখায়া মল্লক্ৰীড়া বিপৰীত।
নাচন্ত লোকৰ ৰঞ্জিয়া চিত্ত।।১২২২।।
ৰুণ ঝুণ কৰি নূপুৰ পাৱে।
উৎসৱ কৰি মল্লবাদ্য বাৱে।।
অঙ্গিভঙ্গি কৰি তাহাৰ চেৱে।
কৰন্ত নৃত্য আতি আদিদেৱে।।১২২৩।।
দেখিয়া সমাজে তুলিল হাসি।
কৰে সাধুবাদ দান্ত প্ৰকাশি।।
সৱে ৰঙ্গ ভৈল কংসত বাজে।
হৰি চৰিত্ৰক শুনা সমাজে।।১২২৪।।
কেতিক্ষণ পৰা ধৰিল কালে।
মনুষ্য জন্ম নেনা আলজালে।।
শঙ্কৰে কহে এৰা আনকাম।
ঘুষিয়ো ঘনে ঘনে ৰাম ৰাম।।১২২৫।।

।। পঞ্চদশ কীৰ্ত্তন।।

ঘোষা।।এ হৰি ৰাম নিৰঞ্জন যদুপতি।
তুমিসে মাধৱ মোৰ অগতিৰ গতি।। ১০০।।

পদ ।।মাৰিলন্ত কৃষ্ণে যেৱে বৰ বৰ মাল।
মল্ল বাদ্য বাইবে নিষেধিল কংস কাল।।
বল্কিবে লাগিল মহাক্ৰোধে অন্ধ হুই।
কিনো অসজ্জন বসুদেৱ সুত দুই।।১২২৬।।
নগৰৰ বাজ কৰি খেদায়ো আন্ধাৰ।
দুষ্ট বসুদেৱক সত্বৰ কৰি মাৰ।।
গোৱালৰ ধনক আগ্ৰহি সৱে লৈয়ো।
দুৰ্ম্মতি নন্দক লোহা লগাই বান্ধি থৈয়ো।।১২২৭।।
পিতৃ উগ্ৰসেনক সত্বৰে মাৰ নিয়া।
নাৰাখিবি যত আৰ আছে লগৰীয়া।।
শুনি কদৰ্থনা বাণী কৃষ্ণ কৃপাময়।
জ্বলি গৈলা ক্ৰোধে অতি নসহে হৃদয়।।১২২৮।।
লঘিমা গুণক আশ্ৰয়িয়া কৃষ্ণদেৱে।
কংসৰ উচ্ছ্ৰিত চাঙে উঠিলন্ত ডেৱে।।
দেখি কংস আসনৰ উঠি অৱক্ষণে।
ধৰিলেক খাণ্ডা বাৰ্ধ যুজিবাক মনে।।১২২৯।।



বাৰ্ধক ঝঙ্কাৰে লুম্ফি ফিঙ্কাৰে খাণ্ডাক।
যেন শেন গোটে আকাশত ফুৰৈ পাক।।
অচিন্ত্য মহিমা হৰি লীলায়ে হাসিয়া।
আলগতে কংসক ধৰিলা চাম্প দিয়া।।১২৩০।।
গুচিল প্ৰভাৱ তাৰ হত ভৈল দৰ্প।
গৰুড়ৰ হাতে যেন বন্দী ভৈল সৰ্প।।
কিৰীটি সহিতে তাৰ ধৰিয়া চুলত।
ভূমিত পাড়িয়া উঠিলাহা উপৰত।।১২৩১।।
জগতৰ ভৰত মৰিল কংসৰায়।
চুলে ধৰি সমাজত ফুৰাইলা ঘসাই।।
হস্তীক আজোৰে যেন মত্ত সিংহৰাজে।
দেখি হাহাকাৰ কৰৈ সকল সমাজে।।১২৩২।।
পিয়ন্তে বোলন্তে সিটো পথত ভ্ৰমন্তে।
নিশ্বাস কাঢ়ন্তে নিশা শয়ন কৰন্তে।।
ভয়তে আগতে দেখৈ কৃষ্ণক সদায়।
সিহেতু কৃষ্ণৰ ৰূপ পাইলে কংসৰায়।।১২৩৩।।
কঙ্ক আদি কৰিয়া কংসৰ আঠ ভাই।
ভাইৰ মান সাধো বুলি ক্ৰোধে গৈলা ধাই।।
পৰিঘে মাৰিলা কোবাই ৰঙ্গে হলধৰে।
পূৰ্ব্বত পশুক যেন মাৰিলা শঙ্কৰে।।১২৩৪।।

আকাশক ছানি বাবৈ দেৱৰ দুন্দুভি।
ব্ৰহ্মা আদি দেৱে পুষ্প বৰিষে সুৰভি।।
বুলিলা প্ৰশংসা বাণী আকাশৰ পৰা।
উৎসৱে নাচিল কাছি মুখ্য অপেস্বৰা[১৪৮]।।১২৩৫ ।।
ৰাজনাৰী নিৰন্তৰে বজাইল কান্দন্তে।
হা স্বামী বুলি আতি হিয়া ধাকুৰন্তে।।
স্বকী স্বকী স্বামীক আলিঙ্গি কান্দে ধৰি।
নয়নৰ লোতক ধাৰায়ে পড়ে ঝৰি।।১২৩৬।।
তাসম্বাক কৃষ্ণে আশ্বাসিয়া পঠাই ঘৰে।
কৰাইলা কংসৰ প্ৰেতকাৰ্য্য নিৰন্তৰে।।
অনন্তৰে ভগৱন্ত ভকতৰ গতি।
পাতিলন্ত নিয়া উগ্ৰসেনক নৃপতি।।১২৩৭।।
ছোড়িলা বন্ধন হৰি পিতৃৰ মাতৃৰ।
কৰিলা বন্দন দুইকো পাৰে ছুইয়া শিৰ।।
ভকত বৎসল হেন লোকত দেখাই।
বোলা হৰি হৰি তৰা পাতক খেদাই।।১২৩৮।।

।। কংসবধ সমাপ্ত।।১২।।

১৪৮। পা. উৎসৱে নাচিবে লৈল যতেক অপ্সৰা

।। ত্ৰয়োদশ খণ্ড।।

## ।। গোপী-উদ্ধৱ সংবাদ।।

ঘোষা।। মাধৱ মধুসূদন ৰাম।
ভকত বৎসল কৰো প্ৰণাম।।১০১।।
পদ ।। বিৰহে আকুল গোপীক জানি।
উদ্ধৱক মাতি বুলিলা বাণী।।
আম্মাৰ পৰম তুমি ভকত।
যায়ো গোকুলক চড়ি ৰথত।।১২৩৯।।
বচন সন্দেশ গোপীত কই।
প্ৰবোধ দিবা কতো দিন ৰই।।
গৈলন্ত উদ্ধৱ গোপ নগৰী।
আদৰিলা নন্দে আতি সাদৰি।।১২৪০।।
যশোদা কান্দন্ত কৃষ্ণক স্মৰি।
চক্ষুৰ লোহ পড়ে সৰসৰি।।
সোধন্ত ৰাম মাধৱৰ কথা।
এড়িলন্ত কৃষ্ণে আমাৰ বেথা।।১২৪১।।
মাৰ বাপ পাই নাইলা দুনাই।
আম্মাক কৰিলা অনাথ প্ৰায়।।
এহি বুলি দুয়ো কান্দন্ত আতি।
উদ্ধৱে প্ৰবোধ দিলন্ত মাতি।।১২৪২।।

**দেখিবা কৃষ্ণক নকৰা খেদ।**
**কৰিব হৰি দুঃখ পৰিচ্ছেদ।।**
**উদ্ধৱৰ বোলে দুয়ো জুড়াইল।**
**কৃষ্ণৰ কথাতে ৰাতি পুহাইল।।১২৪৩।।**
**গোপীগণো আতি ব্যাকুল চিত্ত।**
**গাৱে উজাগৰে কৃষ্ণৰ গীত।।**
**কাহাৰো হৰি বিনা নাহি স্বস্থ।**
**ওলায়া দেখৈ সুৱৰ্ণৰ ৰথ।।১২৪৪।।**
**কোন আসি আছে নন্দৰ পুৰ।**
**জোনো কংসদূত আইল অক্ৰূৰ।।**
**নিলেক কমললোচন স্বামী।**
**যাহাৰ বিৰহে মৰোহো আমি।।১২৪৫।।**
**ইবাৰ কিবা মাংস নেয় কাটি।**
**মৰিল কংস দিবে পিণ্ড বাটি।।**
**ডাকিয়া পাৰৈ অক্ৰূৰক গালি।**
**হা কৃষ্ণ বুলি কান্দে গোৱালী।।১২৪৬।।**
**দেখিলা সৱে উদ্ধৱক পাছে।**
**ৰূপে মনোহৰ জ্বলন্তে আছে।।**
**আজানুলম্বিত বাহু দুখান।**
**নৱ পদ্ম যেন জ্বলৈ লোচন।।১২৪৭।।**



**গাৱে পীতবস্ত্র কৰ্ণে কুণ্ডল।**
**পদ্মসম শোভৈ মুখ মণ্ডল।।**
**গলত জ্বলৈ নৱপদ্মমালা।**
**বিস্ময় ভৈল যত গোপবালা।।১২৪৮।।**
**ইটো কোনজন কৃষ্ণৰ বেশ।**
**জোনো আনি আছে কৃষ্ণ সন্দেশ।।**
**বিৰলে নিয়া উদ্ধৱক মাতি।**
**বেঢ়িয়া বসিল সমাজ পাতি।।১২৪৯।।**
**জানিলো তুমি মুখ্য হৰিদাস।**
**পঠাইলা পিতৃৰ মাতৃৰ পাশ।।**
**মুনিৰো দুস্ত্যজ বন্ধুৰ স্নেহ।**
**জানো আনি আছা কৃষ্ণ সন্দেশ।।১২৫০।।**
**নুহি গোকুলক স্মৰিবা কেনে।**
**পুষ্প চুম্বি এড়ে ভ্ৰমৰ যেনে।।**
**স্ত্ৰীতো হেতু তেনে পুৰুষচিত্ত[১৪৯]।**
**বুজিলো কৃষ্ণৰ আমি ইঙ্গিত।।১২৫১।।**
**এড়িলা স্নেহ প্ৰভু সমুদায়।**
**মথুৰা নাগৰী সুন্দৰী পায়।।**
**এহি বুলি সৱে লজ্জাক এড়ি।**
**কান্দন্ত কৃষ্ণৰ গুণ সুমৰি।।১২৫২।।**

১৪৯। পা. স্ত্ৰীতো তেহ্ন পুৰুষৰ চিত্ত

কৃষ্ণক লাগি আতি প্ৰেমভাৱে।
কৃষ্ণৰ সৰে গুণগীত গাৱে।।
কৃষ্ণতে সৰে নিমজাইল মন।
কাহাৰো গাৰত নাহি চেতন।।১২৫৩।।
উদ্ধৱে গোপীৰ দেখিয়া ভাৱ।
বিস্ময় হুয়া শিহৰাইলা গাৱ।।
নন্দৰ ব্ৰজে যত গোপীজাক।
শিৰে বন্দো তান পদধূলাক।।১২৫৪।।
ৰাত্ৰি দিনে গাৱৈ হৰি চৰিত্ৰ।
তিনিয়ো লোকক কৰৈ পৱিত্ৰ।।
বোলন্ত অনেক প্ৰবোধ বাক।
ক্ৰন্দন এৰা আৰে গোপীজাক।।১২৫৫।।
কিনো তোৰাসৰে কৰিলা পুণ্য।
সদায়ে গোৱা গোৱিন্দৰ গুণ।।
হৰিত মঝিল আতি হৃদয়।
কিনো তোমাসাৰ ভাগ্য উদয়।।১২৫৬।।
হৰিৰ অৰ্থে পতি পুত্ৰ এড়ি।
কৰিলা পূজা যেন সৰে চেড়ী।।
জানিলো সংসাৰ তৰিলা সুখে।
বৰ্ণাইবো আৰ কতো মোৰ মুখে।।১২৫৭।।



কহিলা কৃষ্ণৰ সন্দেশ বাক।
জুৰাইল শুনি সৰে গোপীজাক।।
উদ্ধৱত কথা সোধে দুনাই।
সুখে কি আছন্ত কৃষ্ণ গোসাঞি।।১২৫৮।।
আহ্মাৰ কথা কি পৰে মনত।
যেন ক্ৰীড়া ভৈল ৰাত্ৰি বনত।।
আৰ কি আসিব নন্দৰ পুৰ।
কৈসানি দেখিবো মুখ প্ৰভুৰ।।১২৫৯।।
পৰৈ নকান্দন্তো চক্ষুৰ পানী[১৫০]।
উদ্ধৱে প্ৰবোধি বুলিলা বাণী।।
এড়া অনুশোচ দেখিবা হৰি।
ৰাম বুলি যায়ো সংসাৰ তৰি।।১২৬০।।
শুনা সৰ্ব্বজন কৃষ্ণৰ বাণী।
ভক্তক স্নেহ কৰা চক্ৰপাণি।।
কামাতুৰ ভাৱে ভজিয়া হৰি।
তৰিল এতেক গোপৰ নাৰী।।১২৬১।।
তাহাঙ্ক শান্ত কৰাইলন্ত পাছে।
ভক্তৰ ইষ্ট কোন দেৱ আছে।।
আলাস তেজিয়া ভজিয়ো হৰি।
সমস্ত নৰে ডাকি বোলা হৰি।।১২৬২।।

।। গোপী-উদ্ধৱ সংবাদ সমাপ্ত।।১৩।।

---

১৫০। পা. পৰিল কান্দন্তে চক্ষুৰ পানী

।। চতুৰ্দ্দশ খণ্ড।।

## ।। কুঁজীৰ বাঞ্ছা পূৰণ।।

ঘোষা।। ভকত বান্ধৱ মাধৱ ৰাম
তুমি অগতিৰ গতি।
ছাড়ে জোনো মোৰ মনে নাৰায়ণ[১৫১]
তোহ্মাৰ চৰণে ৰতি।।১০২।।

পদ ।। শুক নিগদতি শুনা কুৰুপতি
কৃষ্ণৰ মনুষ্য লীলা।
গোপিকাক শান্ত কৰি মথুৰাক
উদ্ধৱ যেৱে আসিলা।।
মদনে দগধ সৈৰিন্ধ্ৰীক দেখি
পাছে হৰি অন্তৰ্য্যামী।
উদ্ধৱ সহিতে তাইৰ মন্দিৰক
লড়িলা জগত স্বামী।।১২৬৩।।
সৈৰিন্ধ্ৰীৰ সিটো বিচিত্ৰ মন্দিৰ
সূৰ্য্য যেন কৰৈ কান্তি।
সুৱৰ্ণ আসনে ৰঞ্জিত ভাজনে
প্ৰকাশৈ প্ৰদীপ পান্তি।।

১৫১। পা. ছাড়ে জোনো মোৰ মুখে নাৰায়ণ



সুৱৰ্ণ খাটত বিছাই হংস তুলি
পুষ্প সিঞ্চি আছে ছানি।
মুৰালি মুকুতা[১৫২] থোপা আৰি চাৰু
চন্দ্ৰাতপ আছে টানি।।১২৬৪।।
মলয় চন্দন সুগন্ধিত ঘ্ৰাণ
মালতী চম্পা শিৰীষ।
অগৰু ধূপৰ ধূম্ৰে আমোদিত
বাসয় দিশ বিদিশ।।
চৌপাশে পুতলা লেখিছে বাৰত
কৰন্তে আছে সুৰত।
যাক দেখি হোৱৈ কামী পুৰুষৰ
কামে চিত্ত উনমত্ত।।১২৬৫।।
হেন মন্দিৰৰ মধ্যত সুন্দৰী
বসিয়া আছে আসনে।
চৌপাশে বেঢ়িয়া সেৱা কৰি আছে
সালঙ্কৃতা দাসীগণে।।
কৃষ্ণকেসে মনে চিন্তি আছে আতি
কেতিক্ষণে পাইবো বুলি।
সেহি বেলা আসি মাধৱো মিলিলা
দেখিলেক মাথা তুলি।।১২৬৬।।

১৫২। পা. মুকুতা মুৰালি

উল্লাসি উৎসৱে আগবাঢ়ি গৈল
সখীগণ লৈয়া সঙ্গে।
আসনে বৈসাই সাদৰে কৃষ্ণক
পূজিল যুৱতী ৰঙ্গে।।
উদ্ধৱক আতি সতকাৰ কৰি
আসন দিলা বঢ়াই।
আসনক মান্য- কৰি হাতে দিয়া
বসিল মাটিতে যাই।।১২৬৭।।
মনুষ্য চেষ্টাক দেখাই কৃষ্ণে পাছে
শয্যাত ভৈলা প্ৰৱেশ।
সৈৰন্ধ্ৰীয়ো স্নানি[১৫৩] দিব্য অলঙ্কাৰ
পিন্ধিলা বস্ত্ৰ বিশেষ।।
মধুপীয়া গন্ধে চন্দনে কুঙ্কুমে
ভূষিত কৰিয়া লাস।
কৰ্পূৰ তাম্বুল ভুঞ্জি অনুৰাগে
চাপিলা কৃষ্ণৰ পাশ।।১২৬৮।।
কটাক্ষ ছটায়ে কৃষ্ণক চাহিয়া
হাসিয়া লাজে নমাতে।
আইস বুলি কৃষ্ণে কঙ্কণে মণ্ডিত
কৰত ধৰিলা হাতে।।

১৫৩। পা. আনি



শয্যাক আনিয়া অশেষ ক্ৰীড়িলা
কৃষ্ণে পূৰি তাইৰ মতি।
চন্দন অৰ্পণ পুণ্য লেশে পাইলে
ঈশ্বৰ কৃষ্ণক পতি।।১২৬৯।।
কৃষ্ণৰ চৰণ ধৰি ঘনে ঘন
শুঙয় এড়িয়া ব্ৰীড়া।
হৃদয় তনক চক্ষুত ঘষিয়া
এড়াইল মদন পীড়া।।
আনন্দ মূৰ্ত্তিক দুইহাতে হিয়াত
আলিঙ্গি ভৈল নিষ্পাপ।
মোক্ষতো অধিক আনন্দ মিলিল
তৰিল সংসাৰ তাপ।।১২৭০।।
দুৰ্ল্লভ কৃষ্ণক পতি পাই তাই
আগত কৰৈ গোচৰ।
দিন কতিপয় থাকা নাথ আত
চৰণে কৰো কাতৰ।।
তযু অঙ্গ সঙ্গ এৰিবে নৰাৰো
আপুনি মোহিলা চিত্ত।
কৃষ্ণে তাইক পাছে সন্মান কৰিয়া
পূৰিলা মন বাঞ্ছিত।।১২৭১।।

বস্ত্ৰ অলঙ্কাৰ দিয়া মন তুষি
সৈৰিন্ধ্ৰীক হৰি ৰঙ্গে।
আপুন গৃহক চলি গৈলা পাছে
উদ্ধৱক লৈয়া সঙ্গে।।
কৃষ্ণৰ কিঙ্কৰে ৰচিল শঙ্কৰে
শুনিয়োক সৱে নৰ।
অতি অল্প সেৱা মাত্ৰতে সন্তোষ
হোৱয় কৃষ্ণ ঈশ্বৰ।।১২৭২।।
চন্দন অৰ্পণ বিনে কুবুজাৰ
আন কিছু পুণ্য নাই।
এতেকতে হেন দেখিয়ো পৰম
প্ৰসাদ পাইলেক তাই।
যিটো অনুক্ষণে শ্ৰৱণ কীৰ্ত্তনে
ভজে এক চিত্ত কৰি।
তাহাৰ ভাগ্যক কহন নযায়
ডাকি বোলা হৰি হৰি।।১২৭৩।।

।। কুঁজীৰ বাঞ্ছা পূৰণ সমাপ্ত।।১৪।।

।। পঞ্চদশ খণ্ড।।

## ।। অক্ৰূৰৰ বাঞ্ছাপূৰণ।।

ঘোষা।। গোপাল কৃপাল পালিয়ো বাপ
পাপ পয়োধিত মৰো।
ইজন্মত নাথ নভৈল ভকতি
পাতকী কিমতে তৰো।।১০৩।।

পদ ।। আত অনন্তৰে ৰাম উদ্ধৱক
কৃষ্ণে দুইকো লৈয়া সঙ্গে।
অক্ৰূৰৰ প্ৰীতি সাধিবাক প্ৰতি
লড়িলা মনত ৰঙ্গে।।
তিনি নৰোত্তম বান্ধৱ পৰম
আসন্ত দেখি অক্ৰূৰে।
পৰম আনন্দে আলিঙ্গিয়া আগ
বাঢ়িলা আতি সাদৰে।।১২৭৪।।
ৰামক কৃষ্ণক পৰি প্ৰণামিলা
তাঙ্কো প্ৰণামিলা দুই।
আসনে বৈসাই তিনিকো অৰ্চ্চিলা
অক্ৰূৰে বিস্ময় হুই।।

দোভাইৰ পাৰক　　পখালি শিৰত
　　লৈয়া পাদোদক জল।
গন্ধপুষ্পে ধূপে　　বসনে পূজিয়া
　　কৰিলা জন্ম সাফল।।১২৭৫।।
পৰম সাদৰে　　কৃষ্ণৰ চৰণ
　　কোলাত লৈয়া ঝান্তিল।
প্ৰণতি পূৰ্ব্বক　　তুতি কৰিবাক
　　অক্ৰূৰে পাছে লাগিল।।
সাধিলা আনন্দ　　কিনো নাৰায়ণ
　　সৱান্ধৱে বধি কংস।
দুঃখৰ উদ্ধাৰ　　কৰি পুনৰপি
　　বঢ়াইবাহা যদুবংশ।।১২৭৬।।
তোম্ভাৰ ভকতি　　পথক পাষণ্ডে
　　কৰয় যেৱে উচ্ছন্ন।
সন্তৰ ৰক্ষাৰ　　হেতু অৱতাৰ
　　হোৱা তেৱে নাৰায়ণ।।
সম্প্ৰতি আপুনি　　বসুদেৱ গৃহে
　　ৰাম সমে অৱতৰি।
দুৰ্জ্জন ৰাজাক　　বধিয়া মাধৱ
　　উদ্ধাৰিলা বসুন্ধৰী।।১২৭৭।।



আজি মোৰ গৃহ　　তীৰ্থতো অধিক
　　পৱিত্ৰ ভৈল অশেষ।
যিহেতু সাক্ষাতে　　জগতৰ গুৰু
　　আপুনি ভৈলা প্ৰৱেশ।।
কোননো পণ্ডিতে　　এড়িয়া তোম্ভাক
　　আনক ভজিবে যায়।
ভকত জনক　　আপুনাকো দিয়া
　　জানো ইটো অভিপ্ৰায়।।১২৭৮।।
ভকতেসে প্ৰভু　　তোম্ভাৰ বান্ধৱ
　　দিয়া মনোৰথ সিদ্ধি।
ব্ৰহ্মাৰ দুৰ্ল্লভ　　তোম্ভাক দেখিলো
　　কিনো সুপ্ৰসন্ন বিধি।।
সুত বিত্ত দাৰা　　বিষয় জঞ্জাল
　　চিণ্ডা মোৰ মোহজৰী।
তোম্ভাৰ চৰণ　　নিতান্তে চিন্তিয়া
　　ফুৰো কৃপা কৰা হৰি।।১২৭৯।।
অনেক ভকতি　　কৰিলন্ত স্তুতি
　　নয়নৰ পৰৈ পানী।
অক্ৰূৰৰ মন　　মোহি হৰি পাছে
　　হাসিয়া বুলিলা বাণী।

তুমি গুৰু পিতৃ    সুহৃদ আমাৰ
আমি তযু পুত্ৰচয়।
ৰক্ষণ পোষণ    কৰিবা সদায়
আত্মাত হুয়া সদয়।।১২৮০।।
যত নদ-নদী    সিয়ো তীৰ্থ হয়
শিলাৰ প্ৰতিমা দেৱ।
তেসম্বে পৱিত্ৰ    কৰৈ যেৱে পুনু
বহু কাল কৰি সেৱ।।
দেখিল মাত্ৰকে    ভকতে পৱিত্ৰ
কৰৈ লোক নিৰন্তৰ।
দেৱে তীৰ্থে জানা    ভকতজনৰ
অনেক হোৱে অন্তৰ।।১২৮১।।
হেনয় পৰম    বন্ধুজন তুমি
সুহৃদতে সাৰতৰ।
হস্তিনাপুৰৰ    পৰা পাণ্ডৱৰ
বাৰ্ত্তাক আনা সত্বৰ।।
মৰিলন্ত পাণ্ডু    পাঞ্চপুত্ৰ সমে
কুন্তী ভৈল দুঃখভাগী।
ধৃতৰাষ্ট্ৰে বোলে    আনিলা শুনিলো
হস্তিনাপুৰক লাগি।।১২৮২।।



পাণ্ডৱক পুনু    হিংসা কৰৈ ৰাজা
আপুন পুত্ৰ নিদান।
যেন ভাল মন্দ    জানি আসা খুড়া
সাধিবো মই কল্যাণ।।
অক্ৰূৰক হেন    প্ৰবোধ বুলিয়া
প্ৰণয়ে ৰঞ্জিয়া চিত্ত।
আপুন গৃহক    চলি গৈলা পাছে
উদ্ধৱ ৰাম সহিত।।১২৮৩।।
তাহান চৰণে    ভকতি কৰিলে
সিজিবে সমস্তে কাম।
হৰিসে পৰম    বান্ধৱ জানিয়া
লৈয়ো তান সদা নাম।।
শুনা সৰ্ব্বজন    কেদিন জীৱন
তথাপি নুগুণা মনে।
হেন জানি কৃষ্ণ    চৰণে শৰণ
লৈয়ো অকপট মনে।।১২৮৪।।
তান্ত বিনে আন    ব্ৰহ্মাণ্ড মধ্যত
তাৰন্তা নাহিকে কেৱ।
জানি তান সদা    গুণনাম গায়া
কৃষ্ণক কৰিয়ো সেৱ।।

**কৃষ্ণৰ কিঙ্কৰে কহয় শঙ্কৰে**
**নেড়িবা মুখত নাম।**
**আলাসক এৰি সমজ্যায়ে বেঢ়ি**
**ডাকি বোলা ৰাম ৰাম।।১২৮৫।।**

**।। অক্রূৰৰ বাঞ্ছাপূৰণ সমাপ্ত।।১৫।।**

।। ষোড়শ খণ্ড।।

## ।। জৰাসন্ধৰ যুদ্ধ।।

।। প্রথম কীৰ্ত্তন।।

**ঘোষা।। নমো দামোদৰ হৰি।**
**নিয়োক নাথ উদ্ধাৰি।।১০৪।।**

**পদ ।। বোলন্ত শুকে শুনা পৰীক্ষিত।**
**কহিবো কৃষ্ণৰ আৰো চৰিত।।**
**মৰিল কংস তাৰ ভাৰ্য্যা দুই।**
**পিতৃগৃহে গৈল বিধৱা হুই।।১২৮৬।।**
**শুনিয়ো পিতৃ কি কহিবো আমি।**
**মাৰিলন্ত কৃষ্ণে আহ্মাৰ স্বামী।।**
**শুনি জৰাসন্ধে ক্রোধিল আতি।**
**তেইশ অক্ষৌহিণী সাজৈ পদাতি।।১২৮৭।।**
**বেঢ়িল চতুৰ্ভিতি মথুৰাক।**
**দেখি ভয় ভৈলা যাদৱজাক।।**
**নৰনাৰীগণো আসি লৰৱি।**
**সেনাক চাৱে ৰণচাঙ্গে চড়ি।।১২৮৮।।**

**সাগৰ সঙ্কাশ দেখি পদাতি।**
**ত্ৰাসতে কম্পিল হৃদয় আতি।।**
**বুলিলা মাধৱে নিৰ্ভয় বাণী।**
**কৰিলা আলোচ জ্ঞাতিক আনি।।১২৮৯।।**
**কৃষ্ণৰ বাক্যে সৱে ভৈল স্বস্থ।**
**বৈকুণ্ঠৰ পৰা নামিল ৰথ।।**
**আইল অস্ত্ৰচয় চক্ৰ প্ৰমুখ্যে।**
**কৃষ্ণক নমিলা আসি দাৰুকে।।১২৯০।।**
**পৰিল লাঙ্গল মূষল বাণ।**
**কৰিলা দোভায়ে পাছে পয়ান।।**
**ৰথে চড়ি কৃষ্ণ বেগে বজাইলা।**
**শৰ কৰি শত্ৰুসেনা ভঙ্গাইলা।।১২৯১।।**
**কাটিলা ৰথ হস্তী পতিচয়।**
**শোণিতে নদী প্ৰৱহাইলা তয়।।**
**পৰম লীলায়ে শত্ৰু সংহৰি।**
**ফুঙ্কিলা পাঞ্চজন্য কৰে ধৰি।।১২৯২।।**
**পাছে বলো ঘোৰ সমৰ কৰি।**
**মাগধ ৰাজাক জীৱন্তে ধৰি।।**
**মাৰিবাক চান্ত কোবাই সমূলি।**
**বাধিলা কৃষ্ণে আক ৰাখা বুলি।।১২৯৩।।**



**কৃষ্ণৰ বচনে ৰাখিল কন্ধ।**
**দেশক পাছে গৈল জৰাসন্ধ।**
**নযায় নুপুহায় কৃষ্ণত হাৰি।**
**আনিলা সৱে ৰাজা হাঙ্কাৰি[১৫৪]।।১২৯৪।।**
**দঢ়াই আপুনাক মাস তিনি।**
**লড়িল সাজি তেইশ অক্ষৌহিণী।।**
**বেঢ়িল গৈয়া দুনাই মথুৰাক।**
**যমুনা তীৰে ৰৈল ৰাজাজাক।।১২৯৫।।**
**কাঠগড় বান্ধি বঞ্চিল ৰাতি।**
**নাচৈ গাৱৈ ৰঙ্গে যত পদাতি।।**
**মাধৱে পাচে সৱে ৰাৰ্ত্তা পাইলা।**
**দুনাই যুজিবাক মাগধ আইলা।।১২৯৬।।**
**যদুবীৰগণো আনিলা মাতি।**
**আলোচিলা কৃষ্ণে সমস্তে ৰাতি।।**
**আপুন সেনা তিনিভাগ কৰি।**
**নিয়োজিলা সৱে বীৰক হৰি।।১২৯৭।।**
**সাৰণ গদক বলো দদাক।**
**পঠাইলা বাম পাশে যুজিবাক।।**
**উদ্ধৱ সাত্যকি অনেক ৰথে।**
**বেঢ়িল সেনাক দক্ষিণ পথে।।১২৯৮।।**

১৫৪। পা. আনিলেক ৰাজাসৱ হাঙ্কাৰি।

কতো সেনা লৈয়া কৃষ্ণে আটোপে।
সমুখে মাগধক ধাইলা কোপে।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে।।১২৯৯।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।।এ হৰি নাৰায়ণ মাধৱে গতি।
কৃষ্ণৰ চৰণে মোৰ নছাড়োক মতি।।১০৫।।

পদ ।।মগধ ৰাজাৰ সেনা সাগৰ সঙ্কাশ।
সুখে ৰহি আছে পায়া পথতে প্ৰয়াস।।
কতো হাসৈ মাতৈ কতো আছে নিদ্ৰা পাৰি।
হয় হস্তী ৰথ বান্ধি আছে শাৰী শাৰী।।১৩০০।।
নাহি যুদ্ধ সাজ হয় হস্তীৰ পিঠিত।
নতু আনি জোৰে়ে ঘোৰা ৰথ যুঁৰলিত।।
সুদাহাতে বসি আছৈ যত ৰাজাচয়।
সিবেলাত নতু হোন্ত আদিত্য উদয়।।১৩০১।।
হেন ঊষা সময়ত পাছে যদুৰায়।
পশিলা সেনাৰ মাজে নিসান কোবাই।।
সিংহনাদ কৰি হৰি ধনুক টঙ্কাৰি।
বৰষিলা দিব্য অস্ত্ৰচয়ক মুৰাৰি।।১৩০২।।



কালান্তক সম দেখি কৃষ্ণক প্ৰত্যেক।
ধকবক কৰৈ আতি নৃপতি যতেক।।
নাহি শ্ৰুতি বুদ্ধি চাৰৈ উলটি পালটি।
মাধৱৰ শৰে আসি ফুটে চটচটি।।১৩০৩।।
বামপাশে খেদি আসি বলো মহাবলী।
শত্ৰুৰ সেনাক সৱে লৈ যান্ত নিদলি।।
সাত্যকি দক্ষিণ পথে দেখি দিলা ধাৰ।
কৰিবাক লাগিলা শত্ৰুক বুন্দামাৰ।।১৩০৪।।
কৰন্ত কন্দল ঘোৰ তিনি ভিতি বেঢ়ি।
মহাভয়ে কতো সেনা পলায় ৰণ এড়ি।।
কতো প্ৰাণ ছাড়ি পৰৈ পৃথিৱীত ঢলি।
শত্ৰুক সন্মুখ হুয়া ধাৱৈ কতো বলী।।১৩০৫।।
ৰাজাগণে দেখৈ সেনা বিভঙ্গে ভাগিল।
অনাযুদ্ধকাছে ৰণ কৰিবে লাগিল।।
কতো বাসা এড়ি পলাই পশিল বনত।
ত্ৰাহি বুলি পড়ে কতো কৃষ্ণৰ আগত।।১৩০৬।।
যিটো ৰাজাগণে আগবাঢ়ি দিলা ৰণ।
তাৰ স্কন্ধ ছেদ কৰিলন্ত নাৰায়ণ।।
মাগধৰ সেনাগণ সাগৰ সঙ্কাশ।
ক্ষণেকে ভাঙ্গিল সৱে হুয়া মহাত্ৰাস।।১৩০৭।।

বলভদ্র সাত্যকি মাধৱ মহাৰথ।
খেদিলা পাছত পাঞ্চ প্রহৰৰ পথ।।
হয় হস্তী ৰথ ৰত্ন লাগে মানে পাইলা।
মথুৰাত নিয়া মহাৰাজাত যোগাইলা।।১৩০৮।।
মাধৱত যুদ্ধ হাৰি জৰাসন্ধ নৃপ।
ৰাজাগণে সমে গৈলা বাণৰ সমীপ।।
প্রাণমিত্র বুলি বাণে কৰিলা সৎকাৰ।
জৰাসন্ধে নিৱেদিলা দুঃখ আপুনাৰ।।১৩০৯।।
শুনা দৈত্যপতি কিনো ভৈল বিসঙ্গতি।
ৰাত্রি চুৰি কৰি আসি গোপাল দুৰ্ম্মতি।।
জিনিয়া খেদিলা মোক বহুদূৰ পথ।
নিলেক মোহোৰ সৱে হয় হস্তী ৰথ।।১৩১০।।
তোম্মাৰ পাশক আইলো শুনা দৈত্যৰায়।
কৃষ্ণক যুজিবো মোৰ হুয়োক সহায়।।
তুমি সম প্রাণমিত্র নাহিকে আম্মাৰ।
কৃষ্ণশত্রুসাগৰত কৰা মোক পাৰ।।১৩১১।।
কৃষ্ণৰ কিঙ্কৰে গীত ভণিল শঙ্কৰে।
নাহি আন ধৰ্ম্ম আৰ কীৰ্ত্তনত পৰে।।
শুনা সৰ্ব্বজন আৰ কেদিন জীৱন।
বোলা হৰি হৰি আছে যাৱত চেতন।।১৩১২।।



।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।।ৰাম হৰি ৰাম হৰি ৰাম হৰি ৰাম।
নমো ৰাম হৃষীকেশ হৃষীকেশ হৰি।।১০৬।।
পদ ।।পাছে বলিসুত বাণ।
দিলা হেন সমিধান।।
মোৰ যত ৰাজ্যভাৰ।
তোম্মাৰেসে অধিকাৰ।।১৩১৩।।
এহি বুলি দৈত্যপতি।
অসংখ্যাত হয় হস্তী।।
দিলা দৈত্যসেনা ৰথ।
পূৰি তাৰ মনোৰথ।।১৩১৪।।
সিটো সেনা লৈয়া সঙ্গে।
মাগধ চলিলা ৰঙ্গে।।
ৰথ ধ্বজ গজ বাজী।
পৰম প্রাৰম্ভে সাজি।।১৩১৫।।
লগে লৈয়া সেনা ঝাক।
বেঢ়িলেক মথুৰাক।।
ধৰ মাৰ কৰৈ ৰোল।
বাৰৈ বেঢ়ি ঢাক ঢোল।।১৩১৬।।

**মথুৰাবাসীৰ ভয়।**
**দেখি কৃষ্ণ কৃপাময়।।**
**বীৰগণ কৰি সাজ।**
**নগৰৰ ভৈলা বাজ।।১৩১৭।।**
**বলভদ্ৰ ক্ৰোধে ৰাগি।**
**ধাইলা মাগধক লাগি।**
**কৰিলা দুৰ্ঘোৰ ৰণ।**
**সংহৰিলা বৈৰগণ।।১৩১৮।।**
**যত আইলা ৰাজাজাক।**
**একলে গোপালে তাক।।**
**মাৰিলা সমৰ সাজে।।**
**হত ভৈল সামৰাজে।।১৩১৯।।**
**বলভদ্ৰে জৰাসন্ধে।।**
**যুজিলন্ত মালবন্ধে।।**
**প্ৰহাৰে অনেক ভাৱে।**
**ছাণ্ডি ধৰি পাৱে পাৱে।।১৩২০।।**
**পাছে বলো সন্ধুকিয়া।**
**মাগধক আস্ফালিয়া।।**
**এড়াইলা উলটা বান্ধে।**
**লাঙ্গল ভেজইলা কান্ধে।।১৩২১।।**



**আঝুৰি আনিলা কাছে।**
**মূষল উচ্চায়া পাছে।।**
**মুণ্ড ভাঙ্গিবাক চান্ত।**
**সেহিবেলা শুনিলন্ত।।১৩২২।।**
**পড়িল আকাশী বাক।**
**নমাৰা নমাৰা আক।।**
**শুনি বলো সৰ্ব্বজান।**
**ৰাখি মাগধৰ প্ৰাণ।।১৩২৩।।**
**এড়িলা দাৰুণ যুদ্ধ।**
**ৰথে চড়ি হলায়ূধ।।**
**কৃষ্ণে সমে লড়ি গৈলা।**
**মথুৰা প্ৰৱেশ ভৈলা।।১২২৪।।**
**এহিমতে ৰাম হৰি।**
**বিপক্ষক ক্ষয় কৰি।।**
**যত পাইলা অলঙ্কাৰ।**
**কিৰীটি কুণ্ডল হাৰ।।১৩২৫।।**
**যাদৱ ৰাজাক দিলা।**
**মনুষ্যৰ দেখাই লীলা।।**
**কৰিলন্ত ক্ৰীড়া হৰি।**
**ভকতৰ প্ৰীতি কৰি।।১৩২৬।।**

পাছে জৰাসন্ধ ৰাজা।
যুদ্ধ হাৰি হুয়া লজ্জা।।
দেশে গৈল অধোমুখে।
নাযায় নপুহায় দুঃখে।।১৩২৭।।
দুনাই দুনাই দেয় ধাৰ।
হাৰিল সতেৰ বাৰ।।
তথাপি নভৈল লজ্জা।
আৰকা যোৰাৰে প্ৰজা।।১৩২৮।।
সাধিবো ইবাৰ জয়।
এহি বুলি দুৰাশয়।।
সাজে চতুৰঙ্গ দল।
নজানে কৃষ্ণৰ বল।।১৩২৯।।
কৃষ্ণৰ কিঙ্কৰে ভণে।
শুনিয়োক সৰ্ব্বজনে।।
মাধৱৰ জন্ম কৰ্ম্ম।
আতপৰে নাহি ধৰ্ম্ম।।১৩৩০।।
অদ্যাপি নুপজৈ বুদ্ধি।
কলিযুগে মহৌষধি।।
কৃষ্ণ ৰাম নাম বাণী।
কেনে হেলা কৰা জানি।।১৩৩১।।



যত মহা যজ্ঞ দান।
তপ জপ তীৰ্থ স্নান।
কেহো নোহে আক সৰি।
ডাকি বোলা হৰি হৰি।।১৩৩২।।

।।জৰাসন্ধৰ যুদ্ধ সমাপ্ত।। ১৬।।

।। সপ্তদশ খণ্ড।।

## ।। কালযৱন বধ।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। ৰঘুপতি হৌক গতি[১৫৫]
তোহ্মাৰ চৰণে নাৰায়ণ।
দাস বুলি দামোদৰ দিয়োক শৰণ।।১০৭।।

পদ ।।সেহি সময়ত যৱনৰ মহাৰাজা।
লগে লৈয়া সাজি ম্লেচ্ছ তিনি কোটি প্ৰজা।
নামে কালযৱন ৰণত অনিৰ্ব্বাৰ।
নাৰদে পঠাইলা মাধৱক দিলে ধাৰ।।১৩৩৩।।
তিনিকোটি ম্লেচ্ছে বেঢ়িলেক মথুৰাক।
দেখি সচকিত ভৈলা যত যদুজাক।।
দেখি বলো সমে আলোচন্ত দামোদৰ।
মিলিল প্ৰমাদ দাদা যাদৱ বংশৰ।।১৩৩৪।।
বেঢ়িল আমাক দেখা যৱন দুৰ্ব্বাৰ।
কিবা আজি কালি জৰাসন্ধে দেয় ধাৰ।।

১৫৫। পা. ৰঘুপতি কি হৌক গতি

যৱনক যুজন্তে মাগধ যেৱে আসৈ।
নেয় চোপে বাসে জোনো বংশক বিনাশৈ।।১৩৩৫।।
হেন জানি সাজিবোহো দুৰ্গ দ্বাৰকাক।
মনুষ্যে নপাৰে যেন তাক লঙ্ঘিবাক।।
এহি বুলি সাগৰ মধ্যত দামোদৰ।
বাহ্ন প্ৰহৰৰ পথ নিৰ্ম্মিলা নগৰ।।১৩৩৬।।
বিশ্বকৰ্ম্মে শিল্প কৰ্ম্ম জানে যতমানে।
দ্বাৰকাত সৱাকো দেখিয় বিদ্যমানে।।
বিৱিধ উদ্যান কল্পতৰু উপবন।
দিব্য সৰোৱৰ দীঘি দেখি বিতোপন।।১৩৩৭।।
আকাশ লঙ্ঘিয়া আছে গড়ৰ দুৱাৰ।
স্ফটিক কপাট তাৰ পাশত সোণাৰ।।
সুৱৰ্ণ ৰজত জ্বলৈ গৃহৰ আৰম্ভ।
স্ফটিক আটাল মৰকত দিল স্তম্ভ।।১৩৩৮।।
সুৱৰ্ণৰ ঘটচয় উপৰে প্ৰকাশৈ।
বিচিত্ৰ পতাকাচয় বতাসে উল্লাসৈ।।
সুধৰ্ম্মা সভাক পঠাই দিলা পুৰন্দৰ।
যাত আৰোহিলে হোৱে অজৰ অমৰ।।১৩৩৯।।

বৰুণে পঠাইলা হয়চয় শুক্ল বৰ্ণ।
মনোজৱ বেগ সৰে শ্যাম এক কৰ্ণ।।
কুবেৰে পঠাইল অষ্ট নিধিৰ ভাণ্ডাৰ।
কি কহিবো মহিমা কৃষ্ণৰ দ্বাৰকাৰ।।১৩৪০।।
দশদিগপালৰ বিভৱ আছে যত।
সিবেলা সমস্তে আনি অৰ্পিলা কৃষ্ণত।।
সেহি দ্বাৰকাক লাগি কৃষ্ণে অবিকলে।
মথুৰাৰ প্ৰজাক আনিলা যোগবলে।।১৩১৪।।
মথুৰাক আসি ৰামে সমে আলোচিলা।
সুগন্ধ পুষ্পৰ মালা গলত পিন্ধিলা।।
সুদাহাতে নগৰ দ্বাৰৰ ভৈলা বাজ।
যৱনক দেখাই চলি যান্ত যদুৰাজ।।১৩৪২।।
মাধৱৰ জন্মকৰ্ম্ম শুনা সৱ নৰে।
কলিযুগে নাহি গতি কীৰ্ত্তনত পৰে।।
দুৰ্ল্লভ মনুষ্য জন্ম নকৰিও বৃথা।
কৰা হৰি কীৰ্ত্তন এড়িয়া গ্ৰাম্য কথা।।১২৪৩।।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
ইহ পৰলোকে হৰি চৰণেসে গতি।।
গৈল প্ৰাণ প্ৰায় জানা যেন আছা মৰি।
আন চিন্তা এড়ি ডাকি বোলা হৰি হৰি।।১৩৪৪।।



।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। মাধৱ মধু- সূদন দেৱ
দাস উদ্ধাৰিয়া নিয়ো।
তুমিসি পৰম গুৰু নাৰায়ণ[১৫৬]
মোক উপদেশ দিয়ো।।১০৮।।

পদ ।। কাল যৱনৰ আগে লীলা কৰি
চলি যান্ত হৃষীকেশ।
দেখিল যৱনে পাছে মাধৱৰ
পৰম সুন্দৰ বেশ।।
শৰত কালত ভৈলন্ত উদিত
যেন পূৰ্ণিমাৰ চান্দ।
সুকুমাৰ শ্যাম তনু পীতবস্ত্ৰে
দেখিতে আতি সুচান্দ।।১৩৪৫।।
সদায়ে ঈষত হাসি নুগুচয়
প্ৰফুল্ল মুখকমলে।
নৱ পদ্ম সম আয়ত অৰুণ
লোচন যুগল জ্বলে।।
শিৰত কিৰীটি প্ৰকাশে অমূল্য
ৰত্ন গণে আছে গঢ়ি।

১৫৬। পা. গুৰু ভকতৰ

নাসা তিল ফুল　　অধৰ ৰাতুল
　　দন্ত পান্তি কুন্দ কড়ি।।১৩৪৬।।
কৰ্ণত মকৰ　　কুণ্ডল দোলয়
　　কপালে অলকা পান্তি।
কম্বুকণ্ঠ মাজে　　কৌস্তুভ শোভয়
　　নৱ আদিত্যৰ কান্তি।।
প্ৰলম্ব বৰ্ত্তুল　　স্থূল ভুজ চাৰি
　　কেয়ূৰ কঙ্কণে শোভে।
গলে বনমালা　　আপাদলম্বিত
　　ভ্ৰমৰ নছাড়ে লোভে।।১৩৪৭।।
সুন্দৰ হৃদয়ে　　প্ৰকাশৈ শ্ৰীবৎস
　　কঙ্কালে মেখলা জ্বলে।
কৰিকৰ সম　　উৰু নিৰুপম
　　নূপুৰ পদকমলে।।
সংসাৰ মোহন　　হেন ৰূপ দেখি
　　বোলয় কালযৱন।
এহিগোট কৃষ্ণ　　জানিলো নাৰদে
　　কহিল যেন লক্ষণ।।১৩৪৮।।
সুদা হাত ভৰি　　গতি চলি যায়
　　ময়ো যাওঁ অস্ত্ৰ এড়ি।



এহি বুলি উঠি　　ধাইলেক যৱনে
　　ৰহ বুলি পাৰৈ গেড়ি।।
জ্ঞানীগণে যাক　　ধ্যানতো নেদেখৈ
　　খেদৈ হেন মাধৱক।
হাতে পাৰে হেন　　দেখাই আপুনাক
　　নিলন্ত তাক দূৰক।।১৩৪৯।।
পাছত যৱনে　　আক্ষেপ কৰয়
　　যদুকুলে ভৈলি জাত।
পলায়ন ধৰ্ম্ম　　নুহিকে উচিত
　　পালটি আহ্মাক মাত।।
এতেকে বোলন্তে　　গিৰি গহ্বৰত
　　পশিলন্ত নাৰায়ণ।
পাছত যৱনে　　পশিয়া দেখয়
　　সুতি আছে একজন।।১৩৫০।।
আমাক দূৰক　　আনিয়া শয়ন
　　কৰিলি যেন সজ্জনে।
কৃষ্ণ হেন মানি　　মাৰিলেক লাথি
　　দুৰ্জ্জন কালযৱনে।।
চিৰকাল সুতি　　আছে মুচুকুন্দ
　　উঠিয়া বসিল জাগি।

কিছু কিছু কৰি　　চক্ষু মেলি চাইল
　চাৰিয়ো দিশক লাগি।।১৩৫১।।
যৱনক পাছে　　আগত দেখিয়া
　ক্রোধ দৃষ্টি কৰি চাইল।
তেতিক্ষণে তাৰ　　শৰীৰত লাগি
　অগনি কুণ্ড উধাইল।।
ক্ষণেকতে ভস্ম　　ভৈ গৈল যৱন
　আপুন গাৱৰ জুই।
পৰীক্ষিত ৰাজা　　শুকত সোধন্ত
　আতি অদভূত হুই।।১৩৫২।।
সিটো কোনজন　　যৱনক যিটো
　ভস্ম কৰিলেক তথা।
কিহেতু সুতিয়া　　আছে কিবা নাম
　কহিয়ো আহ্মাত কথা।।
কৃষ্ণৰ কিঙ্কৰে　　ভণিল শঙ্কৰে
　শুনা সৱে সভাসদে।
আন চিন্তা এৰি　　ডাকি বোলা হৰি
　বৈকুণ্ঠে যাইবাৰ পদে।।১৩৫৩।।

।।কালযৱন বধ সমাপ্ত।।১৭।।

।।অষ্টাদশ খণ্ড।।

## ।। মুচুকুন্দ স্তুতি।।

।।প্ৰথম কীৰ্ত্তন।।

ঘোষা ।। ৰামক নাম আতি অনুপাম।
　ৰামক নাম ৰামক নাম[১৫৭] ।।১০৯।।

পদ　।। ৰাজাত কহন্ত শুকে কথাক।
　মান্ধাতাৰ পুত্ৰ জানিবা তাক।।
　ইক্ষ্বাকু বংশত ভৈলন্ত জাত।
　মুচুকুন্দ নামে জগতে খ্যাত।।১৩৫৪।।
　অসুৰত ভয়ে দেৱতাজাক।
　ৰাজাক বোলন্ত ৰাখা আহ্মাক।।
　নৃপতি পাছে ভৈলা স্বৰ্গপাল।
　ৰাখিলা ত্ৰিদশক চিৰকাল।।১৩৫৫।।
　যেৱে সেনাপতি কাৰ্ত্তিক ভৈলা।
　ৰাজাক দেৱে বুলিবাক লৈলা।
　এৱে মুচুকুন্দ কৰা বিশ্ৰাম।
　কৰিলা আহ্মাৰ দুষ্কৰ কাম।।১৩৫৬।।

---

১৫৭।　পা. ৰাম নাম আতি অনুপম। ৰামক নাম।।

সমস্ত ৰাজ্যভোগ পৰিহৰি।
ৰাখিলা আহ্মাক নিদ্ৰাক এড়ি।।
তোহ্মাৰ আৰে পুত্ৰ পৌত্ৰগণ।
জ্ঞাতি মিত্ৰ আৰ সেৱক জন।।১৩৫৭।।
পৃথিৱীত কেহো নাহিকে ভালে।
সৱাকো সংহৰি নিলেক কালে।।
মোক্ষ ব্যতিৰেকে লৈয়োক বৰ।
বিষ্ণুসে মোক্ষৰ হোন্ত ঈশ্বৰ।।১৩৫৮।।
বুলিলা দেৱক ৰাজা প্ৰণামি।
নলাগে বৰ নিদ্ৰা কৰো আমি।।
বোলন্ত এহি হৌক দেৱগণে।
নিদ্ৰাত জগাৱৈ আসি যিজনে।।১৩৫৯।।
হৈৱেক ভস্ম তযু দৰশনে।
মৰিল যৱন এহি কাৰণে।।
পাছে মাধৱে কৰি অল্প হাসি।
নৃপতিক দেখা দিলন্ত আসি।।১৩৬০।।
ৰাজা মুচুকুন্দে কৃষ্ণক দেখি।
পৰম বিস্ময়ে চান্ত নিৰেখি।।
উদিত চন্দ্ৰৰ যেন প্ৰকাশ।
শ্যামল দেহে শোভে পীতৱাস।।১৩৬১।।



শ্ৰীৱৎস পান্তি শোভে বক্ষস্থলে।
সূৰ্য্য সম জ্বলে কৌস্তুভ গলে।।
কৰ্ণত মকৰ দোলে কুণ্ডল।
পদ্মসম শোভে মুখমণ্ডল।।১৩৬২।।
অৰুণ লোচন পঙ্কজ পাসি।
নুগুচে সদা মুখে অল্প হাসি।।
দশন পান্তি মুকুতাৰ শাৰী।
প্ৰলম্ব স্থূল জ্বলে ভুজ চাৰি।।১৩৬৩।।
প্ৰকাশে কণ্ঠত পদ্মৰ মালা।
কটিত ৰত্নৰ শোভে মেখলা।।
পদযুগ যেন পঙ্কজ কোষ।
শুনি সুৱৰ্ণৰ নূপুৰ ঘোষ।।১৩৬৪।।
ত্ৰৈলোক্যত ৰূপে নাহিকে সম।
মৃগেন্দ্ৰৰ যেন লীলা বিক্ৰম।।
শৰীৰৰ জৌতি লাগে আখিত।
দেখি মুচুকুন্দ ভৈলা শঙ্কিত।।১৩৬৫।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
কৃষ্ণকথা শুনা সমস্ত জনে।।
কৰিয়ো কীৰ্ত্তন আলাস এড়ি।
বোলা হৰি হৰি সমাজে বেঢ়ি।।১৩৬৬।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।।ৰাম কৃষ্ণ গোৱিন্দ।
ত্ৰাহি হৰি মুকুন্দ[১৫৮]।।১১০।।
পদ ।।পাছে মুচুকুন্দ ৰায়।
সোধে মাধৱক চাই।।
কোন তুমি থাকা কৈত।
কি কাৰ্য্যে ভ্ৰমিছা ঐত।।১৩৬৭।।
পদ্মপত্ৰ সম ভৰি।
কণ্টকত কেন কৰি।।
ফুৰা গিৰি গহ্বৰত
নুবুজো তোহ্মাৰ মত।।১৩৬৮।।
কিবা ইন্দ্ৰ সূৰ্য্য শশী।
মূৰ্ত্তি ধৰি আছা আসি।।
ব্ৰহ্মা বিষ্ণু ত্ৰিনয়ন।
তাসম্বাৰ একজন।।১৩৬৯।।
আসি আছা তুমি স্বামী।
মূৰ্ত্তি দেখি বোলো আমি।।
জন্ম কৰ্ম্ম গোত্ৰ নাম।
কৈয়ো যদি আছে কাম।।১৩৭০।।

১৫৮। পা. ৰাম কৃষ্ণ গোৱিন্দ। ত্ৰাহি ত্ৰাহি মুকুন্দ।।



আহ্মাৰ শুনিয়ো কথা।
ইক্ষ্বাকু বংশত তথা।।
মান্ধাতাত ভৈলো জাত।
মুচুকুন্দ নামে খ্যাত।।১৩৭১।।
উজাগৰে শ্ৰান্ত হুয়া।
গহ্বৰত আছো শুয়া।।
মোক জগাই কোন জনে।
ভস্ম ভৈল তাৰক্ষণে।।১৩৭২।।
তোহ্মাক দেখিলো পাছে।
দেহা প্ৰকাশন্তে আছে।।
তোহ্মাৰ দুঃসহ জৌতি।
নিষ্প্ৰভ কৰিলে আতি।।১৩৭৩।।
দেখি মহা চমৎকাৰ।
সুধিবে নৱাৰো আৰ।।
এহি বুলি মৌন ভৈলা।
মাধৱে কহিবে লৈলা।।১৩৭৪।।
মোৰ জন্ম কৰ্ম্ম যত।
কোনে কহি পাৰৈ অন্ত।।
তথাপিতো নৃপবৰ।
শুনা কথা ইজন্মৰ।।১৩৭৫।।

প্ৰাৰ্থিলন্ত প্ৰজাপতি।
ধৰ্ম্মক ৰাখিবে প্ৰতি।।
যদুকুলে ভৈলো জাত।
বসুদেৱ মোৰ তাত।।১৩৭৬।।
আতেসে পণ্ডিত লোকে।
বাসুদেৱ বোলে মোকে।।
কালনেমি দৈত্য বংশ।
ভৈল আসি ৰাজা কংস।।১৩৭৭।।
লীলায়ে মাৰিলো তাক।
আনো যত দৈত্যজাক।।
বধিলো সমৰে সৱে।
দুৰ্জ্জন যৱন এৱে।।১৩৭৮।।
তযু তেজে ভস্ম ভৈল।
মহাভাৰ দূৰ গৈল।।
তোমাকেসে দয়াতৰে।
আইলো ঐকে একেশ্বৰে।।১৩৭৯।।
তুমি মোৰ প্ৰিয়তৰ।
যেহি লাগে লৈয়ো বৰ।।
কহিয়োক অভিপ্ৰায়।
ভক্তৰ দুৰ্ল্লভ নাই।।১৩৮০।।



কৃষ্ণৰ কিঙ্কৰে ভণে।
শুনিয়োক সৰ্ব্বজনে।।
সমস্ত সমাজে ঢাকি।
হৰি হৰি বোলা ডাকি।।১৩৮১।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।। ও হৰি	নমো নাৰায়ণ
চৰণে মাগো তৰণ উপায়।
তোহ্মাৰ ভকতি	বিনে বাসুদেৱ
বৃথা আয়ু বহি যায়।।১১১।।

পদ ।। পাছে মুচুকুন্দে	কৃষ্ণক জানিলা
গৰ্গৰ বাক্য সুমৰি।
পৰি তুতি আতি	কৰিবে লাগিলা
চৰণে প্ৰণাম কৰি।।
মায়ায়ে মোহিত	হুয়া যিটোজন
নভজৈ প্ৰভু তোহ্মাক।
সুখক আশায়ে	গৃহবাসে থাকৈ
দৈৱে বঞ্চিলেক তাক।।১৩৮২।।
ভাৰতে দুৰ্ল্লভ	নৰদেহা পায়া
নভজৈ তোহ্মাৰ পাৰ।

গৃহ অন্ধকূপে পড়িয়া থাকয়
পশুৰ যেন স্বভাৱ।।
ৰাজ্য ছিৰী মদে ভৈলোহো প্ৰমত্ত
দেহে আত্মা বুদ্ধি ভৈল।
পুত্ৰ দাৰা ধন আহাৰ চিন্তায়ে
বিফলে জনম গৈল।।১৩৮৩।।
গৃহ ঘট সম দেহত নৃপতি
বোলাওঁ কৰি চটিমতি।
তোহ্মাক নগণি হয় হস্তী ৰথে
পৃথিৱী ফুৰো পৰ্য্যটি।।
বিষয় চিন্তায়ে পৰম প্ৰমত্ত
থাকে মহামোহ দৰ্পে।
তুমি অপ্ৰমত্ত হেলে মাৰা তাক
এন্দুৰক যেন সৰ্পে।।১৩৮৪।।
সুৱৰ্ণৰ ৰথে যিটো হস্তীস্কন্ধে
ফুৰয় ৰাজা বোলাই।
কালে প্ৰাণ গৈলে সেহিটো শৰীৰ
হোৱৈ বিষ্ঠাপলু ছাই।।
যিটো সাৰ্ব্বভৌম সিংহাসনে থাকে
সামৰাজে সেৱা কৰৈ।
স্ত্ৰীৰ অধীন হুয়া সিটো প্ৰভু
গৃহতে থাকিয়া মৰৈ।।১৩৮৫।।



দুনাই ইন্দ্ৰ হৈবো বুলিয়া অনেক
কৰৈ কায়ক্লেশ দুঃখ।
সিটো অভিলাষ ব্যৰ্থ হোৱৈ তাৰ
কহিতো নাহিকে সুখ।।
যাহাৰ সংসাৰ গুচিবেক তাৰ
মিলয় সাধু সঙ্গতি।
যেৱে সাধু সঙ্গ ভৈল তেৱে প্ৰভু
তোহ্মাত উপজৈ মতি।।১৩৮৬।।
কিনু অনুগ্ৰহ কৰিলা মাধৱ
গুচাই মোৰ ৰাজ্যভাৰ।
মহাজ্ঞানী গণে আকেসে বাঞ্ছয়
মনত বিৰেক যাৰ।।
নৱাঞ্ছোহো আন মাধৱ তোহ্মাৰ
চৰণ সেৱাত পৰে।
মুকুতিদাতাক আৰাধি খুজিবে
আন বৰ কোন নৰে।১৩৮৭।।
হেন জানি প্ৰভু যত সুখ ভোগ
দূৰতে তেজিয়া থৈলো।
পৰম পুৰুষ তোহ্মাৰ চৰণে
সদায়ে শৰণ লৈলো।।

সংসাৰ চক্ৰত চিৰকালে ভ্ৰমো
তোহ্মাত নভৈল বোধ।
একোৰে প্ৰকাৰে সুখ শান্তি নাই
নিজিনিলো কাম ক্ৰোধ।।১৩৮৮।।
প্ৰণতপালক তোহ্মাৰ চৰণে
লৈলোহো আৰে শৰণ।
ভয় শোক মৃত্যু গুচয় যিমতে
ৰক্ষা কৰা নাৰায়ণ।।
হেন তুতি কৰি মুচুকুন্দ ৰাজা
কৃষ্ণক প্ৰণামি আছে।
প্ৰণতপালক দেৱ সনাতন
ৰাজাক মাতিলা পাছে।।১৩৮৯।।
ভণিল শঙ্কৰে শুনা সৰ্ব্ব নৰে
নকৰিও জন্ম বৃথা।
শ্ৰৱণতে সুখে মোক্ষপদ পায়
শুনা হেন কৃষ্ণ কথা।
হৰিৰ কীৰ্ত্তন কৰিয়া পাপৰ
মুণ্ডত মাৰিয়ো বাড়ি।
আন কাম এড়ি বোলা হৰি হৰি
পলাওক পাতক ছাড়ি।।১৩৯০।।



।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা ।। মন ৰাম বোল ৰাম বোল ৰাম বোল ৰাম।
চিত্তে চিন্ত চতুৰ্ভুজ চতুৰ্ভুজ হৰি।।১১২।।

পদ ।। মাধৱে বোলন্ত শুনা মুচুকুন্দ ৰায়।[১৫৯]
তোহ্মাৰ নিৰ্ম্মল মতি ভৈল সমুদায়।।
প্ৰলোভিলো বৰ লোৱা বুলি বাৰম্বাৰ।
তথাপিতো কিছু বাঞ্ছা নভৈল তোহ্মাৰ।।১৩৯১।।
বৰ দিবে চাহিলো তোহ্মাক দায়া পদে।
ভকতক লঙ্ঘিবাক নপাৰে শ্ৰীমদে।।
যোগক অভ্যাসে যিটো ভকতিক এড়ে।
তাহাৰেসে মন দুনাই বিষয়ত পড়ে।।১৩৯২।।
মোত চিত্ত দিয়া পৰ্য্যটিয়ো বসুমতী।
তোহ্মাৰ আহ্মাত আছে একান্ত ভকতি।।
ক্ষত্ৰিয়ৰ ধৰ্ম্মত থাকিয়া নৃপবৰ।
কৰি আছা বধ তুমি জন্তু বহুতৰ।।১৩৯৩।।

১৫৯। পা. মাধৱে বোলন্ত শুনা সাৰ্ব্বভৌম ৰায়।

শ্ৰৱণে কীৰ্ত্তনে মোক কৰিয়া আশ্ৰয়।
তপ কৰি এৰে সিটো পাপ কৰা ক্ষয়।।
আউৰ জনমত তুমি হুইবা দ্বিজবৰ।
মোক পাইবা আসি ৰাজা তেজি কলেবৰ।।১৩৯৪।।
পূৰ্ব্বত অনেক যজ্ঞে যজি আছা মোক।
মই ৰক্ষা কৰিবো নিৰ্ভয়ে চলিয়োক।।
হেন অনুগ্ৰহ আজ্ঞা পায়া মাধৱৰ।
কৰিলা কৃষ্ণক প্ৰদক্ষিণ নৃপবৰ।।১৩৯৫।।
চৰণে প্ৰণামি ৰাজ ভৈলা গহ্বৰৰ।
দেখে ক্ষুদ্ৰ ভৈল সৱে বৃক্ষ পশু নৰ।।
পাইল কলি যুগে আসি মানি মহাৰথ।
ধৰিলন্ত উত্তৰ দিশক লাগি পথ।।১৩৯৬।।
ভৈলন্ত নিঃশঙ্ক তপ আচৰিবে মনে।
কৰিলা একান্ত চিত্ত কৃষ্ণৰ চৰণে।।
বদৰিকাশ্ৰমে গৈয়া ধৰিয়া সমাধি।
থাকিলন্ত মুচুকুন্দ কৃষ্ণক আৰাধি।।১৩৯৭।।
পাছে দুনাই আসিয়া মাধৱ মথুৰাক।
মাৰিলন্ত তিনিকোটি যৱন সেনাক।।
তাৰ ধন মানে সৱে বলদ জোড়াইল।
দ্বাৰকাত নিয়া যদুৰাজাত যোগাইল।।১৩৯৮।।



তেইশ অক্ষৌহিণী সেনা সাজিয়া প্ৰবন্ধে।
সেহি সময়ত খেদি আইল জৰাসন্ধে।।
পৰম আটোপে মহাকোপে আসে ধাই।
দেখি লৰ দিলা ৰাম কৃষ্ণ দুয়ো ভাই।।১৩৯৯।।
মনুষ্য চেষ্টাক দেখাই যেন ভয়াতুৰ।
ভৰিগতি দুয়ো পলাই গৈলা বহুদূৰ।।
হেন দেখি ৰঙ্গে আসি মাগধ নিঃখলে।
ধৰ বুলি পাছে পাছে খেদে সমদলে।।১৪০০।।
পলাইবে নপাৰি যেন ৰাম দামোদৰে।
আৰোহিলা পৰ্ব্বতৰ উচ্ছ্ৰিত শিখৰে।।
পৰ্ব্বতক বেড়িয়া সসৈন্যে জৰাসন্ধে।
লগাইলেক জুই তাত অনেক প্ৰবন্ধে।।১৪০১।।
এঘাৰ যোজন সিটো পৰ্ব্বত উচ্ছ্ৰিত।
তাৰপৰা ডেৰে দুয়ো নামিলা ভূমিত।।
নলক্ষিলে কেৰে শত্ৰু সেনা তাসম্বাক।
ৰঙ্গে ৰাম কৃষ্ণ দুয়ো গৈলা দ্বাৰকাক।।১৪০২।।
দগ্ধ ভৈলা ৰাম কৃষ্ণ মানি মহাবলী।
জৰাসন্ধো সসৈন্যে দেশক গৈল চলি।।

**নজানয় ঈশ্বৰৰ বলৰ প্ৰমাণ।**
**শত্ৰু বুদ্ধি খেদে সিটো পৰম অজ্ঞান।।১৪০৩।।**
**কৃষ্ণৰ কিঙ্কৰে গীত ভণিল শঙ্কৰে।**
**কৃষ্ণৰ কীৰ্ত্তন নছাড়িবা একো নৰে।।**
**পাপ সাগৰত ইসে কৰিবে নিস্তাৰ।**
**বোলা হৰি হৰি হৌক পুৰুষ উদ্ধাৰ।।১৪০৪।।**

**।। মুচুকুন্দ স্তুতি সমাপ্ত।।১৮।।**

।। ঊনৰিংশ খণ্ড।।
।। দ্বাৰকা লীলা।।

## ।। স্যমন্তক হৰণ।।

।। প্ৰথম কীৰ্ত্তন।।

**ঘোষা।। ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।**
**এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।১১৩।।**

**পদ ।। শুক মুনি বোলন্ত শুনিয়ো পৰীক্ষিত।**
**কৃষ্ণক কলঙ্ক দিয়া ডৰি সত্ৰাজিত।।**
**আপোনাৰ কন্যা আনি দিলেক কৃষ্ণক।**
**স্যমন্তক মণি দিলা লগত যৌতুক।।১৪০৫।।**
**শুকত সোধন্ত দুনাই ৰাজা পৰীক্ষিত।**
**দিলা কিবা কলঙ্ক কৃষ্ণক সত্ৰাজিত।।**
**কৈত পাইল স্যমন্তক মণি মহাৰত্ন।**
**কিহেতু কৃষ্ণক কন্যা দিলে কৰি যত্ন।।১৪০৬।।**
**শুক নিগদতি শুনিয়োক পৰীক্ষিত।**
**সূৰ্য্যৰ পৰম ভক্ত সখা সত্ৰাজিত।।**
**তুষ্ট হৈয়া সূৰ্য্যে স্যমন্তক তাঙ্ক দিলা।**
**সত্ৰাজিতে মহামণি কণ্ঠত পিন্ধিলা।।১৪০৭।।**

সূৰ্য্য যেন প্ৰকাশিয়া আসৈ দ্বাৰকাক।
ৰশ্মিয়ে চক্ষুক পীড়ে দেখি প্ৰজাজাক।।
আসন্ত আদিত্য বুলি মনত শঙ্কিয়া।
কৃষ্ণৰ পাশক সৰে যায় লৰৰিয়া।।১৪০৮।।
সভাত খেলন্ত পাশা প্ৰভু পীতাম্বৰ।
আথেবেথে দেয় জান প্ৰজা নিৰন্তৰ।।
নমো নাৰায়ণ শঙ্খ চক্ৰ গদাধৰ।
অৰৱিন্দলোচন গোৱিন্দ দামোদৰ।।১৪০৯।।
তোহ্মাক দেখিবে লাগি ত্ৰিজগত পতি।
আসন্ত আদিত্য হেৰা দেখিয়ো সম্প্ৰতি।।
সৱাৰো চক্ষুক পীড়ি আসৈ ৰশ্মি জালে।
তোহ্মাক অন্বেষ কৰে দশদিগপালে।।১৪১০।।
পুৰাণ পুৰুষ তুমি সনাতন হৰি।।
যদুকুলে অৱতৰি আছা ছদ্ম কৰি।।
তাতেসে আসন্ত সূৰ্য্যে দেখিবে তোহ্মাক।
বোলা হৰি হৰি উদ্ধাৰিয়ো আপুনাক।।১৪১১।।



।।দ্বিতীয় কীৰ্ত্তন।।

ঘোষা ।। গোপাল গোৱিন্দ যদুনন্দন।
কৃষ্ণৰ চৰণে লৈলো শৰণ।।১১৪।।

পদ ।। শুনিয়া হাসি চাইলা চক্ৰপাণি।
নোহন্ত আদিত্য বুলিলা বাণী।
মণিৰ ৰশ্মি হুয়া প্ৰকাশিত।
গৃহক লাগি আসৈ সত্ৰাজিত।।১৪১২।।
সত্ৰাজিত পাছে গৃহক আইলা।
অনেক মাঙ্গল্য বাদ্য বজাইলা।।
দেৱৰ গৃহে পশি প্ৰণিপাতে।
নিবেদিলা মণি বিপ্ৰৰ হাতে।।১৪১৩।।
মণিৰ মহিমা কি কৈবো আৰ।
সুৱৰ্ণ নিতে স্ৰৱৈ অষ্ট ভাড়।।
যি থানে থাকৈ সিটো স্যমন্তক।
নাহিকে দুৰ্ভিক্ষ মাৰিমৰক।।১৪১৪।।
নাহিকে ব্যাধি ব্যাঘ্ৰ সৰ্পভয়।
একো উপসৰ্গ নুপজে তয়।।
দিনেক মণি খুজিলন্ত হৰি।
নিদিলা সত্ৰাজিতে গহ কৰি।।১৪১৫।।

প্ৰসেন নামে তাৰ ভ্ৰাতৃ আছে।
কণ্ঠত মণিক পিন্ধিলা পাছে।
ঘোড়াত চড়ি মহাৰঙ্গ মনে।
মৃগক মাৰি ফুৰৈ বিজুবনে।।১৪১৬।।
দেখি সিংহে তাক নখে বিদাৰি।
ঘোড়ায়ে সহিতে পেল্লাইলা মাৰি।।
কণ্ঠৰ মণিক ছিণ্ডিয়া লই।
চড়িল গিৰি শৃঙ্গে সিংহ গই।।১৪১৭।।
দেখি জাম্বৱন্ত বীৰ বিড়িঙ্গ।
লৈলন্ত মণিক মাৰিয়া সিংহ।।
স্যমন্তক মণি গৰ্ত্তক নিলা।
ওমলাইবে লাগি শিশুক দিলা।।১৪১৮।।
বিচিত্ৰ মণিগোট ধৰি ধাই।
বাটত ফুৰে শিশু ওমলাই।।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
বোলা হৰি হৰি সমস্ত নৰে।।১৪১৯।।



।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।।বনমালী এ জগমোহন ৰাম।
সুখে দুখে মুখে জোনো ছাড়ে ৰাম নাম[১৬০]।।১১৫।।
পদ ।।ভ্ৰাতৃক নেদেখি অনন্তৰে সত্ৰাজিত।
মহাশোকে ক্ৰন্দন কৰিলা বিপৰীত।।
স্যমন্তক পিন্ধি গৈলা বনক ভৈয়াই।
জানিলো মাৰিলে কৃষ্ণে নিৰ্জ্জনত পাই।।১৪২০।।
খুজি নপাই ভাইক মাৰি কৃষ্ণে নিলা মণি।
শুনি সৰ্ব্বলোকে আক কৰে কণাকণি।।
বেকত নকৰে কেহো মাধৱক ডৰে।
পাইলেক কলঙ্ক মোক জানি দামোদৰে।।১৪২১।।
কিমতে দুৰ্যশ গুচাওঁ গুণি ভগৱন্ত।
লগে লৈয়া নগৰীয়া সেনা অপৰ্য্যন্ত।।

---

১৬০। পা. (১) ... যোনো মোৰ মুখে ছাড়ে ৰাম কৃষ্ণ নাম।।
(২) ... যোনো মোৰ মুখে ছাড়ে ৰাম নাম।।
(৩) ... বনমালী জগমোহন ৰাম।
সুখে দুখে মুখে জোনো ছাড়ো ৰাম নাম।
(৪) ... এ বনমালী জগমোহন ৰাম।
যোনো মোৰ মুখে ছাড়ে ৰাম কৃষ্ণ নাম।।

প্ৰসেনৰ পথে চলি যান্ত বনমালী।
প্ৰবন্ধে ঘোড়াৰ সিটো খোজক নিহালি।।১৪২২।
।
কতো দূৰ গৈয়া পাছে দেখিলা মহীত।
প্ৰসেন পড়িয়া আছে ঘোড়ায়ে সহিত।।
সিংহে মাৰি মণি নিলা জানি বনমালী।
উঠিলা পৰ্ব্বতে তাৰ খোজক নিহালি।।১৪২৩।।
মৰি পড়ি আছে সিংহ দেখিলা মুৰাৰি।
জানিলা ভালুকে মণি নিলে আঙ্ক মাৰি।।
দেখি সৰ্ব্বজন ভৈলা মনত নিঃশঙ্ক।
মিছাতে পাইলন্ত কৃষ্ণে দাৰুণ কলঙ্ক।।১৪২৪।।
খোজ গুড়ি ভালুকৰ গৰ্ত্ত পাইলা হৰি।
ঘোৰ অন্ধকাৰে আছে গৰ্ত্তক আৱৰি।।
দেখি সেনাগণ সৱে বাহিৰত থই।
একেশ্বৰে গৰ্ত্তে কৃষ্ণ প্ৰৱেশিলা গই।।১৪২৫।।
তথাত মণিক কৃষ্ণে দেখিলন্ত পাছে।
হাতে লৈয়া ধাই শিশু ওমলান্তে আছে।।
কাঢ়ি লৈবে লাগি হৰি সমীপ চাপিলা।
হেন দেখি ভয়ে ধাই ধাউগেড়ি দিলা।।১৪২৬।।
কোথাৰ মনুষ্য গোটে মণি নেই হৰি।
আৰে ঋক্ষৰাজ লাগ লোৱা ঝান্ত কৰি।।



এহি বুলি ধাই আতি কৰে আৰ্ত্তনাদ।
বোলা হৰি হৰি ছাড়া বিষয় বিষাদ।।১৪২৭।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা ।। ৰাম কৃষ্ণ গোপাল।
ত্ৰাহি হৰি কৃপাল[১৬১]।।১১৬।।
পদ ।। হেন শুনি জাম্বৱন্ত।
ধাইলা মহা বলৱন্ত।।
নিচিনি স্বামীক পাছে।
ধৰিলন্ত যুদ্ধ কাছে।।১৪২৮।।
সামান্য মনুষ্য বুলি
মহাক্ৰোধে গৈলা জ্বলি।।
নজানি প্ৰভাৱ আতি।
লগাইলেক হতাহতি।।১৪২৯।।
দুয়ো হুয়া মহা ক্ৰুদ্ধ।
লগাইলেক ঘোৰ যুদ্ধ।।
দুয়ো মাতঙ্গৰ লীলা।
বৰিষে পৰ্ব্বত শিলা।।১৪৩০।।

১৬১। (১) ৰাম কৃষ্ণ কৃপাল। ত্ৰাহি হৰি গোপাল।।
(২) ৰাম কৃষ্ণ গোপাল। ত্ৰাহি ত্ৰহি কৃপাল।।

কতো বেলি হানে গাছ।
কতো কোপে চাপে কাছ।।
যুজিলন্ত মালবান্ধে।
ধৰি ভৰি ভৰি ছান্দে।।১৪৩১।।
দুইকো দুইৰো নাহি তুষ্টি।
হানৈ বজ্র সমমুষ্টি।।
মাংসৰ কাৰণে যেন।।
যুজন্ত দুগোটা শেন।।১৪৩২।।
কেহো বলে নুহি ক্ষীণ।
যুজন্ত আঠাইশ দিন।।
কৃষ্ণৰ প্ৰহাৰ পাই।
পাছে মহা ঋক্ষৰায়।।১৪৩৩।।
শ্ৰান্ত ভৈলা মহা দুঃখে।
নিশ্বাস বজাইলা মুখে।।
ভাগে যেন কটি স্কন্ধ।
শৰীৰৰ ছিণ্ডে বান্ধ।।১৪৩৪।।
গোড়ে ঘৰ্ম্ম যায় বহি।
ক্ষণেক স্তম্ভিলা ৰহি।।
সমস্ত সমাজে ঢাকি।
হৰি হৰি বোলা ডাকি।।১৪৩৫।।



।। পঞ্চম কীৰ্ত্তন।।

ঘোষা।। ত্ৰাহি দেৱ দামোদৰ　　যাদৱানন্দ
দীন দয়াশীল স্বামী।
কৰাহা নিস্তাৰ　　তোম্হাৰ চৰণে
শৰণ পশিলো আমি।।১১৭।।

পদ ।। কৃষ্ণৰ বিক্ৰম　　দেখি ঋক্ষৰাজ
পৰম বিস্ময় মনে।
স্বামী হেন জানি　　বুলিবে লাগিলা
প্ৰণামি কৃষ্ণ চৰণে।।
জানিলো তোম্হাক　　জগত ঈশ্বৰ
তুমি সনাতন হৰি।
সমস্ত ভূতৰ　　তুমি প্ৰাণবল
জগতকে আছা ধৰি।।১৪৩৬।।
স্ৰষ্টাৰো সে স্ৰষ্টা　　তুমি সৰ্ব্বদ্ৰষ্টা
উদ্ধাৰি ধৰিলা ভূমি।
জীৱৰ নিয়ন্তা　　পৰম আতমা
মৃত্যুৰো অন্তক তুমি।।
জানিলো তোম্হাক　　সেহি ৰঘুনাথ
যিটো ইষ্টদেৱ মোৰ।

সীতাৰ সন্তাপে　জগতৰ বাপে
　কৰিলা পয়াণ ঘোৰ।।১৪৩৭।।
যাৰ মহাক্ৰোধে　কটাক্ষতে গ্ৰাসে
　সাগৰে কল্লোল কৰে।
লঙ্কাক লাগিয়া　মাজে বাট দিলা
　ডৰিয়া আতি সাগৰে।।
জানকীৰ হেতু　বান্ধিলাহা সেতু
　দহিলা লঙ্কা নগৰী।
ৰাৱণৰ মাথ　কাটিলাহা নাথ
　আনিলা সীতা উদ্ধাৰি।।১৪৩৮।।
আগে নিছিনিলো　এৰেসে জানিলো
　তেন্তে তুমি ছিৰীৰাম।
অজ্ঞানীক মোক　প্ৰভু ক্ষমিয়োক
　চৰণে কৰো প্ৰণাম।।
এতেক বুলিয়া　নমি জাম্বৱন্ত
　আছে কৃতাঞ্জলি কৰি।
শুনা সৰ্ব্বজন　নেৰিবা কীৰ্ত্তন
　ডাকি বোলা হৰি হৰি।।১৪৩৯।।



।। ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।। হৰিৰ চৰণ চিন্তিয়ো চিত্ত হৃদয়ে সৰ্ব্বথা।
　মুখে ৰাম বোলা কৰ্ণে শুনা কৃষ্ণ কথা।।১১৮।।
পদ　।। হেন স্তুতি বাণী শুনি দৈৱকী তনয়।
　চাইলা দয়াদৃষ্টি ভকতক কৃপাময়।।
　মাৰ্জ্জিলা অমৃত হাতে সমস্ত শৰীৰ।
　ভৈলন্ত নিৰুজ জাম্বৱন্ত মহাবীৰ।।১৪৪০।।
　মেঘৰ গম্ভীৰ ধ্বনি দিলা সমিধান।
　মণি হেতু ঋক্ষৰাজ আইলো তযু স্থান।।
　তুমি আনি আছা মহামণি স্যমন্তক।
　মিছাতে সমস্তে দেয় আম্মাক কলঙ্ক।।১৪৪১।।
　পৰম ভকত তুমি জানোহো তোম্মাক।
　দিয়া মণি মোক মই নেওঁ দ্বাৰকাক।।
　গুচোক দুৰ্যশ দেখাওঁ লোকত প্ৰত্যয়।
　শুনি আনন্দিত জাম্বৱন্ত মহাশয়।।১৪৪২।।
　তানে কন্যাৰত্ন আছে নাম জাম্বৱতী।
　কৃষ্ণক বিৱাহ দিলা ৰঙ্গে ঋক্ষপতি।।
　লগত যৌতুক আনি দিলন্ত স্যমন্ত।
　পৰম আনন্দ দেখি ভৈলা ভগৱন্ত।।১৪৪৩।।

গৰ্ত্তৰ বাজত যত প্ৰজা আছে ৰহি।
কৃষ্ণক চাহন্তে বাৰদিন গৈল বহি।।
নাসিবাৰ দেখি ভৈলা পৰম দুঃখিত।
নিৰৰ্ত্তিয়া জান দিলা দ্বাৰকা পুৰীত।।১৪৪৪।।
গৰ্ত্তক পশিল মণি হেতু যদুৰায়।
বাৰদিন তথাতে আছিলো বাট চাই।।
উলটি নাসিল কৃষ্ণ কিবা অথন্তৰ।
বোলা হৰি হৰি তৰা সংসাৰ সাগৰ।।১৪৪৫।।

।। সপ্তম কীৰ্ত্তন।।

ঘোষা।। ত্ৰাহি যদুনন্দন দেৱ।
পাৰে পৰি মঞি কৰো সেৱ।।১১৯।।
পদ ।। বসুদেৱ হেন শুনি।
তবধ ভৈলন্ত গুণি।।
ৰুক্মিণী মূৰ্চ্ছিতা আতি।
কান্দন্ত দৈৱকী সতী।।১৪৪৬।।
শোকে যায় প্ৰাণ ফুটি।
ভূমিত পাৰন্ত লুটি।।
পুত্ৰ হৰুৱাওঁ জোনো।
শ্যামল সুন্দৰ তনু।।১৪৪৭।।



পীতবস্ত্ৰে শোভে কায়।
মেঘত বিজুলী প্ৰায়।।
মুখ চন্দ্ৰো নুহি সৰি।
কমললোচন হৰি।।১৪৪৮।।
কৰ্ণত কুণ্ডল দোলে।
বনমালা শোভে গলে।।
ভ্ৰমৰে নছাৰে লোভে।
শিৰত কিৰীটি শোভে।।১৪৪৯।।
কণ্ঠত কৌস্তুভ মণি।
প্ৰভাতৰ সূৰ্য্য জিনি।।
একো অঙ্গে নুহি ৰুজ।
আজানুলম্বিত ভুজ।।১৪৫০।।
কেয়ূৰ কঙ্কণে ৰঞ্জে।
পাদ পঙ্কজক গঞ্জে।।
ৰত্নৰ নূপুৰ বাজে।
মেখলা কটিৰ মাঝে।।১৪৫১।।
কোটি কন্দৰ্পক জিনি।
প্ৰকাশন্ত যদুমণি।।
হেন কৃষ্ণ মোৰ বাপ।
এৰাওঁ কৈত তান তাপ।।১৪৫২।।

যতেক বান্ধৱ জ্ঞাতি।
কৰন্ত বিলাপ আতি।।
সমস্ত নগৰী লোকে।
কৰন্ত বিলাপ শোকে।।১৪৫৩।।
সত্রাজিত ধূমকেতু।
তঞিসে নাশৰ হেতু।।
নাৰীগণে পাৰে গালি।
সত্রাজিত পুত্র খালি।।১৪৫৪।।
কৃষ্ণক কলঙ্ক দিয়া।
এভু পাপী আছ জীয়া।।
দ্বাৰকাপুৰক ছানি।
কৰৈ হাহাকাৰ ধ্বনি।।১৪৫৫।।
কৃষ্ণৰ কিঙ্কৰে ভণে।
শুনিয়োক সৰ্ব্বজনে।।
কৃষ্ণৰ কীৰ্ত্তন কৰি।
ডাকি বোলা হৰি হৰি।।১৪৫৬।।



।।অষ্টম কীৰ্ত্তন।।

ঘোষা।। ও হৰি দীনদয়াল
গোপাল পালিয়া নিয়া।
তোহ্মাৰ নাম মুখে ফুৰো লৈয়া
তোহ্মাৰ চৰণ চিন্তোক হিয়া।।১২০।।

পদ ।। পাছে যদুবংশ যতেক আছে।
কৃষ্ণ আসন্তোক মনত বাঞ্ছে।।
যাৰ যেন শক্য পাৰিলা মানে।
পূজিলা দুৰ্গাক বলি বিধানে।।১৪৫৭।।
মায়াক আৰাধি সাধন্ত বৰ।
সত্বৰে আসন্তোক দামোদৰ।।
পঢ়ি স্তুতি স্তোত্র কৰে মঙ্গল।
সিটো আশীৰ্ব্বাদ ভৈল সাম্ফল।।১৪৫৮।।
ভাৰ্য্যায়ে সহিতে আসিলা হৰি।
গ্রীৱাত স্যমন্ত মণিক ধৰি।।
দেখন্ত সৱে আইলা যদুৰায়।
মৰি উপজিল যেন দুনাই।।১৪৫৯।।
লগতে কন্যাক আসিলা লই।
সমস্ত সুহৃদে বেঢ়িলা গই।।

পৰম ৰঙ্গে কৰে শুভ শুভ।
শিৰত সিঞ্চিলা অক্ষত দূৰ্ব্ব।।১৪৬০।।
পাছে দিব্য সভা যাদৱে পাতি।
অনাইলন্ত সত্ৰাজিতক মাতি।।
যিমতে মণিক পাইলন্ত তথা।
ৰাজ সমাজত কহিলা কথা।।১৪৬১।।
সাক্ষী কৰি হৰি সৱে সভাতে।
দিলা মণি সত্ৰাজিতৰ হাতে।।
হাতত মণি লৈয়া সত্ৰাজিত।
ভৈলন্ত লাজ আতি বিপৰীত।।১৪৬২।।
কৰে অনুতাপ মনে আসুখে।
গৃহক চলি গৈল আধোমুখে।।
আপুনি কৃষ্ণক বিৰোধ কৰি।
ৰাত্ৰিদিনে চিন্তে নিদ্ৰাক এড়ি।।১৪৬৩।।
মই মহামূঢ় পাপী নৃশংস।
মিছাতে কৃষ্ণক দিলো কলঙ্ক।।
কিমতে এৰাইবো লোকৰ শাপ।
কেনে তুষ্ট হোন্ত জগত বাপ।।১৪৬৪।।
কিমতে কৃষ্ণৰ ৰঞ্জিবো চিত্ত।
গুণন্ত এহি বুলি সত্ৰাজিত।।



কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
হৰি হৰি বোলা সমস্ত নৰে।।১৪৬৫।।

।। নৰম কীৰ্ত্তন।।

ঘোষা।। হৰি ৰাম ৰাম ৰাম ৰাম ৰাম হৰি।
ডাকিয়া ঘোষিয়ো শীঘ্ৰ কৰি।।১২১।।

পদ ।। দেওঁ কন্যা বিৱাহ কৃষ্ণক।
দিবো মণি স্যমন্ত যৌতুক।।
তেৱে বা সন্তুষ্ট হোন্ত হৰি।
নেদেখো উপায় আত কৰি।।১৪৬৬।।
হেনমতে নিয়ম কৰিয়া।
মণি সমে কন্যা দিলা নিয়া।।
পায়া সত্যভামাক অচ্যুতে।
কৰিলা বিৱাহ বিধিৰতে।।১৪৬৭।।
ৰূপেগুণে জগততে ধন্যা
খুজিল অনেকে সিটো কন্যা।।
কাহাকো নিদিল সত্ৰাজিত।
কৃষ্ণে পাই ভৈলা কৃতকৃত্য।।১৪৬৮।।
শশুৰক বুলিলা বচন।
নাহিকে মণিত প্ৰয়োজন।।

তোহ্মাতে থাকোক স্যমন্তক।
তুমি সত্রাজিত অপুত্রক।।১৪৬৯।।
তোহ্মাৰ সৰ্ব্বস্ব সৱে মোৰ।
নিয়া মণি এৰা চিন্তা ঘোৰ।।
শুনি সত্রাজিত ৰঙ্গ ভৈল।
স্যমন্তক লৈয়া গৃহে গৈল।।১৪৭০।।
অনন্তৰে জগতৰে নাহ।
কৰি সত্যভামাক বিৱাহ।।
ক্রীড়িলা আনন্দে নাৰায়ণ।
যিটো শুনে স্যমন্ত হৰণ।।১৪৭১।।
এড়ায় কলঙ্ক মহাপাপ।
দূৰ যায় সংসাৰৰ তাপ।।
হোৱৈ সিদ্ধি মনৰ বাঞ্ছিত।
জানি শুনা কৃষ্ণৰ চৰিত।।১৪৭২।।
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
কীৰ্ত্তন নেড়িবা একো নৰে।।
আতপৰে নাহিকে উপায়।
বেদৰো এহিসে অভিপ্রায়।।১৪৭৩।।
মায়াময় পুত্র দাৰা গেহ।
কেতিক্ষণে পৰৈ ইটো দেহ।।



আক নেদেখয় কিনো অন্ধ।
বিষয়ত তথাপি প্রবন্ধ।।১৪৭৪।।
আন চিন্তা সৱে পৰিহৰা।
মিছা মোৰ মোৰ বুলি মৰা।।
অন্তকে কেশত আছে ধৰি।
জানি ডাকি বোলা হৰি হৰি।।১৪৭৫।।

।। স্যমন্তক হৰণ সমাপ্ত।।১৯।।

।। বিংশ খণ্ড।।

## ।। নাৰদৰ কৃষ্ণদৰ্শন।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। কমলোচন ৰাম প্ৰভু ৰঘুপতি।
কি ৰাম হৰি গতি কি ৰাম ৰঘুপতি।।১২২।।

পদ ।। শিশুপাল প্ৰমুখ্যে নৃপতিগণ জিনি।
ভীষ্মক দুহিতা হৰি আনিলা ৰুক্মিণী।।
ৰুক্মক মুণ্ডিলা হৰি পৰম বিক্ৰমে।
অষ্ট মহিষীক বিহা কৰিলা প্ৰথমে।।১৪৭৬।।
গৰুড়ত চড়ি নৰকক দিলা ধাৰ।
তাক মাৰি পাইলা কন্যা ষোড়শ হাজাৰ।।
সৱাকো পঠাইলা প্ৰভু দ্বাৰকাক প্ৰতি।
সত্যভামা সমে পাছে গৈলা অম্ৰাৱতী।।১৪৭৭।।
অদিতিক দিলা নিয়া অমৃত কুণ্ডল।
তোহ্মাক অৰ্চ্চিল আসি দেৱ আখণ্ডল।।
বাসৱে সহিতে হৰি কহি কথা মাত।
খুজিলা ভাৰ্য্যাৰ পদে প্ৰভু পাৰিজাত।।১৪৭৮।



।

ইন্দ্ৰে নিদিবন্ত তাক জানিলা মুৰাৰি।
আনিলন্ত বলে পাৰিজাতক উভাৰি।।
দেখি খেদি আসি ইন্দ্ৰে কৰিলা সমৰ।
বাসৱক লীলায়ে ভঙ্গাইলা দামোদৰ।।১৪৭৯।।
উলটি পলাইল ইন্দ্ৰ তোহ্মাৰ প্ৰহাৰে।
ৰুইলা পাৰিজাত সত্যভামাৰ দুৱাৰে।।
ষোড়শ হাজাৰ কন্যা আনি ভিন্নে ভিন্নে।
দ্বাৰকাত বিৱাহ কৰিলা একেদিনে।।১৪৮০।।
সিটো সৱ দিব্যপত্নী যত বৰনাৰী।
ততেক শৰীৰ ধৰি ক্ৰীড়িলা মুৰাৰি।।
চৌৰাশী অধিক তেৰ হাজাৰ প্ৰমাণ।
সালঙ্কৃতা কৰি নিতে কৰাৱা গোদান।।১৪৮১।।
ইন্দ্ৰদেৱে পুৰস্কাৰ কৰিয়া তোহ্মাক।
দ্বাৰকাক পঠাই দিলা সুধৰ্ম্মা সভাক।।
তাত বসিবাক যাহা প্ৰত্যহে উৎসুকে।
আগত যোগান্ত আনি ৰথক দাৰুকে।।১৪৮২।।
ৰথত চড়িয়া দাৰুকৰ ধৰি হাতে।
সাত্যকি উদ্ধৱ সমে বসন্ত সভাতে।।
গুৰু শুক্ৰ সমে যেন আকাশত শশী।

সভাক ৰঞ্জিয়া প্ৰভু ৰঙ্গে থাকা বসি।।১৪৮৩।
।
দেখিয়া প্ৰণামৈ সিটো সুধৰ্ম্মা সভাক।
যদুগণে আনন্দে চটকি ফুৰৈ তাক।
তোহ্মাৰ প্ৰসাদে নুভুঞ্জিলে কোন ভোগ।
মিলৈ দ্বাৰকাত যত বস্তু দেৱযোগ।।১৪৮৪।।
পঢ়াইলা যাদৱবংশ যতেক কুমাৰ।
তাৰ সংখ্যা কহিবেক শকতি কাহাৰ।।
তাসম্বাৰ শুনিয়ো পঢ়োৱা ওজা যত।
তিনিকোটি চৌৰাশী হাজাৰ একশত।।১৪৮৫।।
ভণিল শঙ্কৰে শুনিয়োক সৰ্ব্বজন।
একচিত্তে কৰা সৱে হৰিৰ কীৰ্ত্তন।
আতপৰে ধৰ্ম্ম আৰ নাহি সংসাৰত।
ৰাম ৰাম ঘুষিয়োক বসি আসনত।।১৪৮৬।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। কেশৱ কৃষ্ণ বিষ্ণু বনমালী।
নিয়ো কৃপাময় সেৱক পালি[১৬২]।।১২৩।।
পদ ।। যোড়শ হাজাৰ কন্যাক ভিন্নে।
কৰিলা বিহা হৰি একে দিনে।।

১৬২। কোনো কোনো ছপা পুথিত দ্বিতীয় ফাকি কথা নাই।



কৃষ্ণৰ আশ্চৰ্য্য মহিমা শুনি।
দ্বাৰকাক গৈলা নাৰদ মুনি।।১৪৮৭।।
দেখিলা ঋষি দিব্যপুৰী পাছে।
সুৱৰ্ণময় গড়ে বেঢ়ি আছে।।
সাগৰ বেঢ়ি ভৈল গড়খাই।
দেখি বিপক্ষৰ ধাতু উৰাই।।১৪৮৮।।
দিব্য সৰোবৰ পুষ্পিত বনে।
পৰিয়া নাদ ত্যজে পক্ষীগণে।।
চম্পা পাৰিজাত সুৰভি বাসে।
নৱ লক্ষ দেৱগৃহ প্ৰকাশে।।১৪৮৯।।
কতো ফটিকৰ কতো ৰজত।
সুৱৰ্ণময় কতো মৰকত।।
সূৰ্য্য সম জ্বলে গৃহৰ কান্তি।
ৰঞ্জে আতি ধ্বজ পতাকা পান্তি।।১৪৯০।।
তাৰ অন্তঃপুৰ দেখিলা পাছে।
প্ৰবন্ধে বিশ্বকৰ্ম্মে নিৰ্ম্মি আছে।।
যোড়শ হাজাৰ দিব্য আৱাস।
সূৰ্য্য সম জ্বলে লঙ্ঘি আকাশ।।১৪৯১।।
তাহাৰ মধ্যে এক গৃহ পশি।
ৰত্নৰ দীপিতি দেখন্ত ঋষি।

প্ৰৱালৰ স্তম্ভ বৈদুৰ্য্য ফলি।
সুৱৰ্ণৰ কাঠিকামী মাণ্ডলি।।১৪৯২।।
ইন্দ্ৰনীল ৰত্নে লগাইল বাৰ।
মাণিক কপাট হীৰাৰ দ্বাৰ।।
ৰত্নৰ চাৰু কুন্দৰুখ জালে।
ধূপ ধূম্ৰচয় বজাই বোম্বালে।।১৪৯৩।।
মেঘ বুলি তাক ময়ূৰগণে।
গৃহত পড়িয়া নাচৈ সঘনে।।
প্ৰকাশে চন্দ্ৰাতপ অসংখ্যাত।
আৰিছে মুকুতা মুৰালি তাত।।১৪৯৪।।
তলত ৰত্নময় সিংহাসন।
বিছাই হংসতুলি বিতোপন।।
তাতে সুতি আছা জগতপতি।
উপাসি আছন্ত ৰুক্মিণী সতী।।১৪৯৫।।
ৰত্নময় দণ্ড চামৰ ধৰি।
স্বামীক বিঞ্চন্ত লাসে সুন্দৰী।।
সমান বয়সী সহস্ৰ দাসী।
লগত যোগানে আছে উপাসি।।১৪৯৬।।



।।তৃতীয় কীৰ্ত্তন।।

ঘোষা।। মাধৱ মুকুন্দ দীন দয়াল।
প্ৰণতপালক তুমি গোপাল।।১২৪।।
পদ ।। চৌপাশে প্ৰকাশে ৰত্ন প্ৰদীপ।
চাপিলা হৰিযে ঋষি সমীপ।।
নাৰদক দেখি উঠিলা হৰি।
প্ৰণামিলা পাৰে শিৰে সাদৰি।।১৪৯৭।।
কৃতাঞ্জলি স্তুতি বুলিলা বাণী।
আপুন আসনে বৈসাইলা আনি।।
লক্ষ্মী পানী দেন্ত ভৃঙ্গাৰ ধৰি।
ধুৱাইলা ঋষিৰ চৰণ হৰি।।১৪৯৮।।
লৈলা পাদোদক শিৰত আনি।
বুলিলা অমৃত মধুৰ বাণী।।
পৱিত্ৰ আজি ভৈলো ঋষিৰাজ।
কৰিয়ো আজ্ঞা সাধো কোনকাজ।।১৪৯৯।।
শুনিয়া নাৰদে মাতিলা হাসি।
তোম্হাৰ চৰণ দেখিলো আসি।।
ব্ৰহ্মা আদি যত পৰম জ্ঞানী।
চিন্তে হিয়ে যাক প্ৰবন্ধে আনি।।১৫০০।।

সংসাৰ কূপে পৰৈ যিটো জন।
তাৰো অৱলম্ব তযু চৰণ।।
হেন পাদপদ্ম চিন্তো সদায়।
তোহ্মাৰ গুণ মুখে ফুৰো গাই।।
তোহ্মাৰ পাৱে নছাড়োক মতি।
দিয়ো এহি বৰ জগতপতি।।
এহি বুলি তৈৰ উঠিলা ঋষি।
দেখিলা পাছে আৰো গৃহ পশি।।১৫০২।।
কৰিয়া কৃষ্ণে হাস পৰিহাস।
ভাৰ্য্যায়ে সহিতে খেলন্ত পাশ।।
কাযতে উদ্ধৱ আছে নিৰেখি।
উঠিলা কৃষ্ণ নাৰদক দেখি।।১৫০৩।।
আসনে বৈসাই ধুৱাইলা ভৰি।
কেতিক্ষণে আইলা পুছন্ত হৰি।।
তুমি সৰ্ব্ব পূৰ্ণকাম সন্ন্যাসী।
অপূৰ্ণকাম আমি গৃহবাসী।।১৫০৪।।
তথাপি বোলা কি কৰিবো আমি।
জন্মক মোৰ সাম্ফলিয়ো স্বামী।।
শুনিয়া নাৰদ বিস্ময় ভৈলা।
তৈৰ উঠি আউৰ গৃহক গৈলা।।১৫০৫।।



দেখন্ত ঋষি তৈতো যদুৰায়।
আছন্ত বসি শিশু ওমলাই।।
দেখিলা পাছে আৰ গৃহ পশি।
স্নানক উদ্যমে আছন্ত বসি।।১৫০৬।।

।।চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। ত্ৰাহি সদাশিৱ শাৰঙ্গপাণি।।১২৫।।
পদ ।। আউৰ ঘৰে গৈয়া দেখন্ত ঋষি।
কৰন্ত গোৱিন্দে হোম হৰিষি।।
ব্ৰহ্মভোজ দেন্ত কতো গৃহত।
ভুঞ্জন্ত আনি অৱশেষ যত।।১৫০৭।।
কতো গৃহে আছা সন্ধ্যা উপাসি।
গায়ত্ৰী জপা মৌন হুয়া বসি।।
ছাড়ন্ত খাণ্ডাবান্ধ কতো ঘৰে।
কতোহো ফুড়ন্ত ৰথ উপৰে।।১৫০৮।।
ঘোড়া লৰড়ান্ত কতো প্ৰবন্ধে।
ফুৰন্ত কৃষ্ণ কতো হস্তীস্কন্ধে।।
কতো ঘৰে আছা খাটত সুতি।
চপয় পড়ি ভাটে কৰৈ তুতি।।১৫০৯।।

উদ্ধৱ প্ৰমুখ্যে মন্ত্ৰী সহিতে।
কৰন্ত মন্ত্ৰণা কতো গৃহতে।।
সহস্ৰ সংখ্যাত ৰমণী সঙ্গে।
কৰন্ত কতো জলক্ৰীড়া ৰঙ্গে।।১৫১০।।
অনেক বিপ্ৰ অনাই দামোদৰে।
কৰন্ত ধেনুদান কতো ঘৰে।।
ভাৰ্য্যাক মাতি পৰিহাস কৰি।
কতো ঘৰে ৰঙ্গে হাসন্ত হৰি।।১৫১১।।
শুনন্তে আছন্ত কৈতো পুৰাণ।
কৰন্ত কৈতো অৰ্থ উপাদান।।
কতো ঘৰে বসি আসন ধৰি।
আত্মাক চিন্তিয়া আছন্ত হৰি।।১৫১২।।
কৰন্ত দ্বন্দ্ব কৈতো লক্ষ্মীপতি।
কৰন্ত কৃষ্ণে কৈতো মিত্ৰৰতি।।
কৈতো আলোচন্ত বলো সহিত।
চিন্তন্তে আছন্ত সন্তৰ হিত।।১৫১৩।।
কতো ঘৰে আতি উৎসৱ কৰি।
কৰন্ত পুত্ৰৰ বিৱাহ হৰি।।
বিহা দেন্ত কন্যা কতো মুৰাৰি।
দুনাই আনন্ত কতো বোহাৰী।।১৫১৪।।



কতো শাশুৰীক পঠায়া জীয়ে।
কান্দন্ত বসি দেৱ সদাশিৱে।।
কৰন্ত কতো গৃহে যজ্ঞকাম।
প্ৰতিষ্ঠান্ত কৈতো কূপ আৰাম।।১৫১৫।।
ঘোটকত চড়ি কৈতো মুৰাৰি।
ফুৰন্ত পৱিত্ৰ মৃগক মাৰি।।
ধৰিয়া বেশ কৈতো ভৰি খুম্পি।
ৰাজ কাজ বুজি ফুৰন্ত চুম্পি।।১৫১৬।।

।। পঞ্চম কীৰ্ত্তন।।

ঘোষা।। গোৱিন্দ গোপাল গৰুড়কেতু।
ভকতৰ ভয় ভঞ্জন হেতু।।১২৬।।
পদ ।। দেখিয়া নাৰদে তুলিলা হাসি।
আমাক প্ৰভু ভুৰুকুৱা আসি।।
তোহ্মাৰ চৰণ সেৱাৰ বলে।
তযু যোগমায়া জানো সকলে।।১৫১৭।।
জানিয়ো প্ৰভু মই মুখ্য দাস।
কৰিয়া তোহ্মাৰ যশ প্ৰকাশ।।
তিনিয়ো লোকে ফুৰো বীণা বাই।
তোমাৰ পৱিত্ৰ চৰিত্ৰ গাই।।১৫১৮।।

মাধৱে বোলন্ত শুনিয়ো মুনি।
যেন ভক্ত তুমি জানো আপুনি।।
লোকক শিখাওঁ ই ধৰ্ম্মভেদ।
নকৰা মুনি আত কিছু খেদ।।১৫১৯।।
বোলন্ত শুকে শুনা পৰীক্ষিত।
মুনিৰ মাধৱে মোহিলা চিত্ত।।
দেখিয়া কৃষ্ণৰ গৃহ সম্পদ।
পৰম বিস্ময় ভৈলা নাৰদ।। ১৫২০।।
কৃষ্ণত আতি সতকাৰ পাই।
লৰিলা তৈৰ পৰা বীণা বাই।।
কৃষ্ণৰ চৰণ চিন্তন্তে যান্ত।
গোৱিন্দৰ গুণ সদায় গান্ত।।১৫২১।।
কৃষ্ণৰ মনুষ্য লীলা চৰিত্ৰ।
জগতকে ইটো কৰৈ পৱিত্ৰ।।
যিটো শুনে ভণে আক সঘনে।
তাৰ ভক্তি হৈবে কৃষ্ণ চৰণে।।১৫২২।।
শুনা সৰ্ব্বজন শঙ্কৰে কহে।
চিৰকাল ইটো দেহা নৰহে।।
হাটে বাটে কৈত মিলে মৰণ।
সদায় নেড়িবা হৰি চৰণ।।১৫২৩।।



নাৰদত বিষ্ণু আছন্ত কই।
বৈকুণ্ঠত মই নথাকো ৰই।।
যোগীৰো হিয়া এড়ি সমুদায়।
থাকো ভকতৰ কীৰ্ত্তন চাই।।১৫২৪।।
জানিয়া সৱে এড়া ভাযভুয।
ভাগ্যেসে ভাৰতে ভৈলা মানুষ।।
আক বৃথা কৰা বিষয় ভোলে।
মাণিকক বিকা কাচৰ মোলে।।১৫২৫।।
মিছাতে পুত্ৰ দাৰা বুলি মৰা।
আপুনি গুণা আইলা কৈৰ পৰা।।
সৱে মায়াময় স্বপ্নৰ সৰি।
জনম সাম্ফলি বোলা হৰি হৰি।।১৫২৬।।

।। নাৰদৰ কৃষ্ণদৰ্শন সমাপ্ত।।২০।।

।। একবিংশ খণ্ড।।

## ।। বিপ্ৰপুত্ৰ আনয়ন।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। মন বোল ৰাম শ্ৰীৰাম জয় জয় ৰাম।।১২৭।।

পদ ।। শুকমুনি বদতি শুনিয়ো পৰীক্ষিত।
এক দিনা যেন ভৈল দ্বাৰকাপুৰীত।।
এক বিপ্ৰপত্নীৰ উপজি পুত্ৰ গুটি।
ভূমিক চুইলেক মাত্ৰ প্ৰাণ গৈল ছুটি।।১৫২৭।।
মৃতক পুত্ৰক বিপ্ৰে কোলে তুলি লই।
কান্দিল অনেক ৰাজদুৱাৰত থই।।
ৰাজাকো ভৰ্ৎসন্ত আতি কৰি অহঙ্কাৰ।
ইটো দুষ্ট দুৰ্জ্জন ক্ষত্ৰিয় কুলাঙ্গাৰ।।১৫২৮।।
কোথেৰ পাপীষ্ঠ ব্ৰহ্মদ্বেষী মন্দকৰ্ম্ম।
শঠবুদ্ধি কৰৈ ইটো অনেক অধৰ্ম্ম।।
পৰম লুভীয়া ৰাজা জগতকে মোযে।
মৰিল তনয় মোৰ ইহাৰেসে দোযে।।১৫২৯।।
এহি বুলি গৈল দ্বিজ গৃহক উলটি।
এহিমতে উপজি মৰিল আৰগুটি।।



তাকো নিয়া পেল্লাইলন্ত ৰাজাৰ দুৱাৰে।
পূৰ্ব্বৰতে নিন্দিলন্ত বচন প্ৰহাৰে।।১৫৩০।।
এহিমতে বিপ্ৰৰ মৰিল পুত্ৰ নৱ।
ভৰ্ৎসন্ত ব্ৰাহ্মণে দুৱাৰত পেল্লাই শৱ।।
আছন্ত অৰ্জ্জুন বসি কেশৱৰ কাছে।
হেন শুনি ব্ৰাহ্মণক মাতিলন্ত পাছে।।১৫৩১।।
কি কাৰণে পুত্ৰ শোকে কান্দা দ্বিজবৰ।
তোহ্মাৰ ৰাজ্যত তেৱে নাহি ধনুৰ্দ্ধৰ।।
যাহাৰ ৰাজ্যত শোকে কান্দে দ্বিজগণ।
নুহিকে ক্ষত্ৰিয় সিটো নটৰ লক্ষণ।।১৫৩২।।
বুজিয়োক বিপ্ৰ আৰে মোৰ কেনে কক্ষা।
তোহ্মাৰ পুত্ৰক মই কৰিবোহো ৰক্ষা।।
ৰাখিবে নোৱাৰো যেৱে শুনা মহাভাগ।
অগনিত প্ৰৱেশি কৰিবো তনুত্যাগ।।১৫৩৩।।
শুনি বিপ্ৰে অৰ্জ্জুনক বুলিলা বচন।
যাক ৰাখিবাক নোৱাৰিলা নাৰায়ণ।।
ৰাম কামদেৱ অনিৰুদ্ধে নাটৈ যাক।
তাত যত্ন কৰা ইটো মিছা গৰ্ব্ববাক।।১৫৩৪।।
অৰ্জ্জুনে বোলন্ত মই নোহো হলায়ূধ।
নোহো বাসুদেৱ কামদেৱ অনিৰুদ্ধ।।

আমাৰ অৰ্জ্জুন নাম দশোদিশে জানে।
গাণ্ডীৱ ধনুক মোৰ জগতে বখানে।।১৫৩৫।।
শঙ্কৰকো তুষি আছো মোৰ পৰাক্ৰমে।
যদি কোপে আটোপে আসন্ত সাজি যমে।।
তাঙ্কো জিনি তোহ্মাৰ পুত্ৰক দিবো আনি।
গৈলন্ত সঞ্জাত দ্বিজে শুনি হেন বাণী।।১৫৩৬।।
অৰ্জ্জুনৰ বচনত হুয়া ভয়হীন।
প্ৰীত হুয়া গৃহত আছন্ত কতো দিন।।
প্ৰসৱৰ কাল আসি মিলিল দুনাই।
ত্ৰাহি ধনঞ্জয় বুলি ব্ৰাহ্মণে চেঞ্চাই।।১৫৩৭।।

।।দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। ৰাখা কি দয়াময় মোক যদুৰায়।
তোহ্মাত ভকতি বিনা বৃথা আয়ু যায়[১৬৩]।।১২৮।।

পদ ।। শুনি পাৰ্থে আথেবেথে গৈল দঢ় হুই।
কৰিলন্ত আচান্ত পৱিত্ৰ জল ছুই।।
ইষ্টদেৱ শঙ্কৰক নমিলা অৰ্জ্জুন।
দিব্য অস্ত্ৰ স্মৰি গাণ্ডীৱত দিলা গুণ।।১৫৩৮।।

১৬৩। কোনো কোনো ছপা পুথিত দ্বিতীয় ফাকি কথা নাই।



টঙ্কাৰিয়া দিব্য অস্ত্ৰচয়ক ঝাকিলা।
অধো উৰ্দ্ধে সিটো সূতিগৃহক ঢাকিলা।।
নাথাকিল সন্ধি চাইলা আঞ্জৰ পাঞ্জৰ।
গৃহক ঢাকিয়া শৰে সাজিলা পিঞ্জৰ।।১৫৩৯।।
সেহি বেলা উপজিল বিপ্ৰৰ কুমাৰ।
পৃথিৱীত পৰিয়া কান্দিলা বাৰম্বাৰ।।
তেখনে অদৃশ্য ভৈল শৰীৰ সহিতে।
নাকলিলা কেৱে তাক আগতে তহিতে।।১৫৪০।।
দেখি পাছে বিপ্ৰে পুত্ৰশোকৰ ঝমক।
কেশৱৰ আগত ভৰ্ৎসিলা অৰ্জ্জুনক।।
মই কেন মূঢ় দেখিয়োক সৰ্ব্বজনে।
কৰিলো সঞ্জাত নপুংসকৰ বচনে।।১৫৪১।।
সবংশে কেশৱে নোৱাৰিলে ৰাখিবাক।
আৰ কোনে পৰিত্ৰাণ কৰিৱে আহ্মাক।
বিধিৰ বিপাকে যিটো দৈৱে ভৈল নাশ।
কিনো মূৰ্খ তই তাক ৰাখিবাক চাস।।১৫৪২।।
ধিক ধনঞ্জয় ধিক গাণ্ডীৱ তোহ্মাৰ।
মিছা কাৰ্য্যে কিসক কৰিলি অঙ্গীকাৰ।।
বিকৰ্থনা অনেক কৰিল দ্বিজবৰ।
শুনি নসহিল অৰ্জ্জুনৰ কলেৱৰ।।১৫৪৩।।

ধনু তুলি ধৰি পাছে মহা বিদ্যা কৰি।
তেখনে আণ্টাইল গৈয়া যমৰ নগৰী।।
পাতপাত কৰি বিচাৰিলা মহাভাগ।
বিপ্ৰৰ পুত্ৰক তৈতো নপাইলেক লাগ।।১৫৪৪।।
ইন্দ্ৰৰ নগৰে গৈয়া বিচাৰিলা পশি।
তৈতো বিপ্ৰপুত্ৰক নপাইলা মহাযশী।।
অগনি বৰুণ বায়ু চন্দ্ৰ নিঋতিৰ।
সবাৰো থানক বিচাৰিলা মহাবীৰ।।১৫৪৫।।
বিতবিত কৰিলন্ত সাতো পাতালক।
তৈতো খুজি নপাইলন্ত বিপ্ৰৰ পুত্ৰক।।
একোস্থানে বিচাৰিবে নথাকিল ঠাই।
উলটিয়া দ্বাৰকাক আসিলা দুনাই।।১৫৪৬।।
ভ্ৰষ্ট ভৈল অঙ্গীকাৰ জানিয়া নিশ্চয়।
অগনিত জাম্প দিবে যান্ত ধনঞ্জয়।।
হেন দেখি সখিক ধৰিলা হৰি আসি।
মৰিবাক নিদিয়া বুলিলা পাছে হাসি।।১৫৪৭।।
দেখাইবো দ্বিজৰ সৱে পুত্ৰক তোহ্মাক।
নকৰিয়ো ঝাস সখি ৰাখা আপুনাক।।
তোহ্মাৰ বিপুল কীৰ্ত্তি থাকিবে লোকত।
মোহোৰ বচনে নকৰিবা প্ৰাণ হত।।১৫৪৮।।



কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
হৰিনাম বিনে আৰ নাহি কাৰো গতি।।
বেদৰ প্ৰমাণ বাণী জানি সৰ্ব্বজন।
বোলা হৰি হৰি কৰি অনেক যতন।।১৫৪৯।।

।।তৃতীয় কীৰ্ত্তন।।

ঘোষা।। শ্ৰীৰাম মাধৱ ৰাঘৱ ৰঘুপতি।।১২৯।।
পদ ।। অৰ্জ্জুনক বুলি হেন বাণী।
দিব্য ৰথে চড়ি চক্ৰপাণি।।
ধৰিল উত্তৰ দিশৰ পথ।
অৰ্জ্জুনে ডাকন্তে যান্ত ৰথ।।১৫৫০।।
সাতোখান পৃথিৱী এড়াইল।
গৈয়া সাতো সাগৰ চড়াইল।।
ধৰি মহা মনোজৰ[১৬৪] গতি।
ভৈলা লোকালোকৰ সিভিতি।।১৫৫১।।
প্ৰৱেশিলা ঘোৰ অন্ধকাৰে।
ঘোৰা আৰ যাইবাক নপাৰে।।
হেন দেখি যোগেশ্বৰ হৰি।
আগক হানিলা চক্ৰ ধৰি।।১৫৫২।।

১৬৪। পা. মনোজয়

মহাৰশ্মিপুঞ্জে পোসৰাই।
আগত আন্ধাৰ ফাৰি যায়।।
যেন ৰাঘৱৰ শৰজাক।
বিদাৰয় ৰাক্ষস সেনাক।।১৫৫৩।।
হাজাৰেক সূৰ্য্য যেন জ্বলৈ।
তাহাৰ পাচত ঘোৰা চলৈ।।
ঘোৰ তম তৰিয়া সত্বৰে।
জ্যোতিপুঞ্জ পাইলা তাত পৰে।।১৫৫৪।।
ৰশ্মি লাগি চক্ষু ফুটে দেখি।
মুদিলা অৰ্জ্জুনে দুয়ো আখি।।
তাক এড়ি জল পাইলা গই।
ঘোৰ উৰ্ম্মি বায়ু উথলয়।।১৫৫৫।।
পাছে ধনঞ্জয় যদুৰাজে।
প্ৰৱেশিলা সেহি জলমাজে।।
দুয়ো গৈয়া দেখিলা প্ৰত্যেক।
স্ফটিকৰ স্তম্ভ হাজাৰেক।।১৫৫৬।।
দিব্যগৃহ প্ৰকাশন্তে আছে।
পশিলা ভিতৰ তাৰ পাছে।।
অনন্তক গৈয়া ভৈলা ভেট।
তুলি আছে হাজাৰেক ফেঁট।।১৫৫৭।।



ফণামণি কৰৈ তিৰিমিৰি।
প্ৰকাশন্ত যেন শুক্ল গিৰি।।
তান শৰীৰত সুখাসনে।
প্ৰকাশন্ত বসি নাৰায়ণে।।১৫৫৮।।
সুন্দৰ শৰীৰ মেঘ শ্যাম।
পীতবস্ত্ৰে আতি অনুপাম।।
প্ৰসন্ন বদন মনোহৰ।
আয়ত লোচন ৰুচিকৰ।।১৫৫৯।।
শিৰত কিৰীটি ৰত্নময়।
তাৰ ৰশ্মি শোভৈ কেশচয়।।
জ্বলে গণ্ড মকৰ কুণ্ডলে।
প্ৰকাশৈ শ্ৰীবৎস বক্ষস্থলে।।১৫৬০।।
কণ্ঠত কৌস্তুভ নৱ সূৰ্য্য।
প্ৰলম্ব বৰ্ত্তুল অষ্টভুজ।।
কেয়ূৰ কঙ্কণে সুশোভিত।
বনমালা আপাদলম্বিত।।১৫৬১।।
পদ দুই পঙ্কজৰ কান্তি।
পাসি ভৈল আঙ্গুলিৰ পান্তি।
জ্বলে আতি নখচন্দ্ৰচয়।
ভকতৰ প্ৰকাশে হৃদয়।।১৫৬২।।

সুনন্দ প্ৰমুখ্যে পাৰিষদে।
চৌপাশে উপাসে নিশবদে।।
চক্ৰ আদি অস্ত্ৰে মূৰ্ত্তি ধৰি।
সেৱা কৰে বিষ্ণুক আৱৰি।।১৫৬৩।।
পুষ্টি আদি ঋদ্ধি দিব্য কাছে।
মাধৱক আৰাধন্তে আছে।।
ভণিল শঙ্কৰে কৃষ্ণপদে।
হৰি হৰি বোলা সভাসদে।।১৫৬৪।।

।।চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। ৰাম বোল ৰাম বোল লোকাই।
ৰামনাম বিনা বান্ধৱ নাই।।১৩০।।

পদ　।। অদ্ভুত ৰূপ দেখি ধনঞ্জয়।
কম্পিল শৰীৰ ভৈলা বিস্ময়।।
আত্মাক কৃষ্ণে দৰশন পাই।
পড়ি প্ৰণামিলা মাথা দৰাঁই।।১৫৬৫।।
অৰ্জ্জুনো দণ্ডৱতে পড়ি আগে।
নমিলা গৈয়া আতি অনুৰাগে।।
বিষ্ণুৰ পৰম মহিমা দেখি।
কৰিলা কৰযোৰ দুয়ো সখি।।১৫৬৬।।



দেখিয়া পাছে দুইকো চক্ৰপাণি।
হাসিয়া হেন বুলিলন্ত বাণী।।
তোমৰা নৰ নাৰায়ণ দুই।
ভৈলা অৱতাৰ মনুষ্য হুই।।১৫৬৭।।
ধৰ্ম্মক দ্বিজক ৰাখিবে লাগি।
ব্ৰহ্মাদেৱে দুইকো নিলন্ত মাগি।।
পৃথিৱীৰ সৱে ভাৰ সংহৰি।
আসা মোৰ ঠাইক সত্বৰ কৰি।।১৫৬৮।।
তোমৰা দুইক দেখিৱাক মন।
আনিলো সৱে দ্বিজপুত্ৰগণ।।
ভৈলো দেখাদেখি এ চিৰকালে।
পৃথিৱীক এড়ি আসা সকালে।।১৫৬৯।।
যদি পূৰ্ণকাম দুয়ো তোমৰা।
সৃষ্টিৰ অৰ্থে আসি তপ কৰা।।
হাসিয়া এহি বুলি চক্ৰপাণি।
ব্ৰাহ্মণৰ দশ ছৱাল আনি।।১৫৭০।।
দিলন্ত কৃষ্ণ অৰ্জ্জুনৰ হাতে।
নমিলা পাছে দুয়ো প্ৰণিপাতে।।
তোহ্মাৰ আজ্ঞাক পালিবো স্বামী।
থাকিয়ো গৃহক লড়িলো আমি।।১৫৭১।।

এহি বুলি কৃষ্ণ অৰ্জ্জুন দুই।
উঠিলা ৰথত আনন্দ হুই।।
ব্ৰাহ্মণৰ সবে পুত্ৰক লৈলা।
পুৰণি পথে দ্বাৰকাক গৈলা।।১৫৭২।।
পাছে ধনঞ্জয় প্ৰতিজ্ঞা পালি।
দিলন্ত দ্বিজৰ দশো ছৱালি।।
মৰা পুত্ৰগণ পায়া ব্ৰাহ্মণে।
পৰম আনন্দ মিলিল মনে।।১৫৭৩।।
সভাৰ্য্যে ওলায়া যেন নাচন্ত।
অৰ্জ্জুন ধন্য বুলি বখানন্ত।।
কৃষ্ণৰ প্ৰসাদে বীৰ বিজয়।
এড়াইল দাৰুণ মৰণ ভয়।।১৫৭৪।।
বিষ্ণুৰ তেজ দেখি ধনঞ্জয়।
ভৈলন্ত মনত আতি বিস্ময়।।
পৌৰুষ পুৰুষৰ কিছু নুই।
কৃষ্ণৰ প্ৰসাদে সমস্ত হুই।।১৫৭৫।।
এহি বুলি বীৰে দঢ়ায়া মতি।
একান্তে কৰিলা হৰি ভকতি।।
এহিমতে হৰি জগতগুৰু।
সম্যকে ভকতৰ কল্পতৰু।।১৫৭৬।।



দুৰ্জ্জন জনৰ চিন্তিয়া মাৰ।
লীলায়ে হৰিলা ভূমিৰ ভাৰ।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
কৰিয়ো কীৰ্ত্তন সমস্ত জনে।।১৫৭৭।।
আতপৰে ধৰ্ম্ম নাহিকে আন।
ব্যাসৰ বচন বেদ প্ৰমাণ।।
হেন জানি সুখে গৃহতে থাকি।
হৰি হৰি বোলা সমাজে ঢাকি।।১৫৭৮।।

।। বিপ্ৰপুত্ৰ-আনয়ন সমাপ্ত।।২১।।

।। দ্বাৱিংশ খণ্ড।।

## ।। দামোদৰ-বিপ্ৰাখ্যান।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।।ৰাম হৰি গোপাল গোৱিন্দ।
যদুমণি মুকুন্দ গোৱিন্দ।।১৩১।।

পদ ।। শুক নিগদতি শুনা কুৰুপতি
কৃষ্ণৰ আৰো চৰিত্ৰ।
আছিল দৰিদ্ৰ বিপ্ৰ দামোদৰ
বৈষ্ণৱ আতি পৱিত্ৰ।।
কৃষ্ণয়েৰে তান মহা মিত্ৰৰতি
পঢ়ন্তে গুৰুগৃহত।
খাইবে খুন্টিবাক একোৱে নাহিকৈ
বস্ত্ৰহীন শৰীৰত।।১৫৭৯।।
আতি পতিব্ৰতা তাহান ব্ৰাহ্মণী
দুঃখে দণ্ডে যুগ যায়।
কাম্পন্তে আসিয়া স্বামীক বুলিলা
মুখৰ মাত নোহ্লায়।।



শুনিয়োক স্বামী মন্দভাগী আমি
সহিবো কত নিকাৰ।
দ্বাৰকাত আছে প্ৰভু নাৰায়ণ
পৰম মিত্ৰ তোহ্মাৰ।।১৫৮০।।
দীন দায়াকৰ জগত ঈশ্বৰ
সাক্ষাতে লক্ষ্মীৰ পতি।
তোহ্মাৰ নিকাৰ দেখিয়া দিবন্ত
অনেক ধন সম্পত্তি।।
তাহান চৰণ চিন্তৈ যিটোজন
আপুনাকো দেন্ত তাক।
নকৰা বিমন পাইবা বহুধন
নবাধিবা মোৰ বাক।।১৫৮১।।
ভাৰ্য্যাৰ বচন শুনিয়া ব্ৰাহ্মণে
দৃঢ় কৰিলন্ত মতি।
কৃষ্ণ দৰশনে মোৰ মহালাভ
যাইবো দ্বাৰকাক প্ৰতি।।
ভাৰ্য্যাক বোলন্ত যি পাৰা সন্দেশ
আনি দিয়া ঝান্টে উঠি।
শুনিয়া ব্ৰাহ্মণী মাগি আনিলন্ত
চাউল চিৰা চাৰিমুঠি।।১৫৮২।।

কানিৰ টুপলি বান্ধি আনি দিলা
ব্ৰাহ্মণে কাষতে লৈলা।
কৃষ্ণৰ চৰণ দেখিবাক মনে
দ্বাৰকাক লাগি গৈলা।।
কৃষ্ণক দেখিবে কত বেলি পাওঁ
মনে গুণি দ্বিজবৰ।
সেনাৰ বাজুক ছড়াই তিনিদ্বাৰ
পাইলা গৈয়া অভ্যন্তৰ।।১৫৮৩।।
যোড়শ হাজাৰ আৱাস প্ৰকাশৈ
বৈকুণ্ঠপুৰ সমান।
যদুগণ যাত পশিবে নপাৰৈ
কৃষ্ণৰ ৰহস্য স্থান।।
তাৰ এক গৃহ পশিলা ব্ৰাহ্মণ
কেহোৱে বাধন্তা নাই।
সব্যা ভাৰ্য্যা সমে সোণাৰ খাটত
সুতি আছা যদুৰায়।।১৫৮৪।।
মিত্ৰক দেখিয়া ভাৰ্য্যাক এড়িয়া
উঠি আসি আথেবেথে।
দুহাতে সাবটি ধৰিলা আনন্দে
তিনিয়ো লোকৰ নাথে।।



সখিক আলিঙ্গি আতি প্ৰীতি পাইল
আনন্দে লোতক ঝৰে।
সোণাৰ খাটত বসুৱাইলা নিয়া
ধৰিয়া আতি সাদৰে।।১৫৮৫।।
আপুনি চৰণ ধুৱাইলা বিপ্ৰৰ
পাদোদক লৈলা শিৰে।
সুগন্ধি চন্দন কুঙ্কুমে সখিৰ
ঘসিলা সৱ শৰীৰে।।
দীপ ধূপ লগাই পূজিলা বিপ্ৰক
কৰ্পূৰ তাম্বুল দিয়া।
সাদৰে চামৰে বিঞ্চন্ত বিপ্ৰক
সব্যা মাধৱৰ প্ৰিয়া।।১৫৮৬।।
দেখিয়া অন্তেষ- পুৰৰ লোকৰ
বিস্ময় ভৈ গৈল পাছে।
ইটো মহাদুঃখী ভিক্ষুক ব্ৰাহ্মণে
কত পুণ্য কৰি আছে।।
ত্ৰৈলোক্যৰ গুৰু লক্ষ্মীৰ নিৱাস
আপুনি সেৱন্ত যাক।
ভাৰ্য্যাক এড়িয়া আঙ্ক আলিঙ্গন্ত
যেহেন শ্ৰেষ্ঠ দাদাক।।১৫৮৭।।

।। দ্বিতীয় কীৰ্ত্তন।।

**ঘোষা।। যাদৱানন্দ দয়াশীল ৰাম।**
**হৰি হৰি দয়াশীল কেশৱ গোপাল[১৬৫]।।১৩২।।**

**পদ ।। পাছে হৰি হাস্য কৰি    সখাৰ হাতত ধৰি**
**সুধিলন্ত কৰি সতকাৰ।**
**গুৰুৰ গৃহৰ তথা    সুমৰা পুৰণি কথা**
**যেন ভৈলা আহ্মাৰ নিকাৰ।।**
**গুৰুপত্নীগণে আসি    আহ্মাক বুলিলা হাসি**
**খড়ি লুড়ি দিয়া শিষ্যগণ।**
**আমি সৱো হেন শুনি    কটিত বান্ধিয়া ভুনি**
**আনন্দে লড়িলো ৰঙ্গ মন।।১৫৮৮।।**
**অৰণ্যৰ পশি সান্ধি    খড়ি লুড়ি বোজা বান্ধি**
**গৃহক চলিলো ৰঙ্গমনে।**
**যাওঁ কথামাতে হাসি    আকস্মিতে তৈতে আসি**
**পাইলে ঘোৰ বাত বৰিষণে।।**

---

১৬৫। (১) যাদৱ দয়াশীল ৰাম।
হৰি দয়াশীল কেশৱ গোপাল।।
(২) যাদৱনন্দ দয়াশীল ৰাম।
হৰি দয়াশীল কেশৱ গোপাল।।



**গৰ্জ্জনতে ভূমি লৰেড়়    ঘনে ঘনে বজ্ৰ পড়ে**
**খাল বাম সম ভৈলা আতি।**
**নাকলিয় একো পথ    সূৰ্য্য পাছে গৈল অস্ত**
**ভৈল ঘোৰ অন্ধকাৰ ৰাতি।।১৫৮৯।।**
**পাছে আমি সৱে শিষ্য    নাকলোঁহো একোদিশ**
**বাত বৃষ্টি পীড়িলে আহ্মাক।**
**কাম্পে তনু তৰতৰি    অন্যোঅন্যে হাতে ধৰি**
**বাট নপাই তৈতে ফুৰো পাক।।**
**মাথাত খড়িৰ বোঝা    যান নযায় একো খোজা**
**ফুৰন্তে ৰজনী গৈল ক্ষয়।**
**নযাওঁ কেহো কাকো এড়ি    কিৰণে আন্ধাৰ ফাড়ি**
**ভৈলা আসি আদিত্য উদয়।।১৫৯০।।**
**সান্দীপনি দ্বিজৰাজে    বিচাৰিলা বনমাজে**
**ভৈলা আসি আহ্মাক প্ৰত্যেক।**
**জাৰে কাম্পে শিষ্য যত    শৰীৰত নাহি তত**
**দেখি খেদ কৰিলা অনেক।।**
**আহ্মাক বোলন্ত বাক    শুনা সৱে শিষ্যজাক**
**মোৰ পদে কিনো দুঃখ ভৈল।**
**প্ৰাণতো এড়িলা আশ    খপিলাহা বনবাস**
**গুৰুঋণ সৱে সুজা গৈল।।১৫৯১।।**

শুনা শিষ্য নিৰন্তৰ তুষ্ট হুয়া দিওঁ বৰ
জানা সৱ শাস্ত্ৰ এতিক্ষণে।
পূৰ্ণ ভৈল মনোৰথ গৃহৰ ধৰিলো পথ
পাছে আমি সৱে শিষ্যগণে।।
আনো দুঃখ নানা মত গুৰুগৃহে পাইলো যত
প্ৰাণসখি সুমৰাহা তাক।
হেন শুনি দ্বিজবৰে কৰযোৰে অনন্তৰে
কৃষ্ণক বুলিলা মৃদুবাক।।১৫৯২।।
শুনিয়োক পৰমব্ৰহ্ম আহ্মাৰ সাম্ফল জন্ম
সমস্ত পাতক ভৈল নাশ।
যিহেতু জগত স্বামী তোহ্মাৰ লগত আমি
গুৰুগৃহে কৰিলো নিৱাস।।
কাম মোক্ষ ধৰ্ম্ম অৰ্থ পাৱৈ আনো মনোৰথ
যিটো চিন্তে তোহ্মাৰ চৰণ।
আপুনি নিৰ্ম্মিলা শাস্ত্ৰ তাকো পঢ়া হুয়া ছাত্ৰ
ইটো কিনো ভৈল বিড়ম্বন।।১৫৯৩।।



।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।। যদুৰায় চৰণে শৰণ দিয়ো।
জগজীৱ সেৱক পালিয়া নিয়ো।।১৩২।।
পদ ।। হেন শুনি হাসি বিপ্ৰত পুছন্ত
সৰ্ব্বজান হৃষীকেশ।
আহ্মাক লাগিয়া আনি আছা যিবা
দিয়োক সখি সন্দেশ।।
ভকতসকলে পূজৈ ফুলে ফলে
তুষ্ট হওঁ তাকে পাই।
অভকতে যদি নানা দ্ৰব্য দেয়
তাতো মোৰ তুষ্টি নাই।।১৫৯৪।।
হেন জানি মিত্ৰ দিয়োক আহ্মাক
যিবা দ্ৰব্য আছা আনি।
পৰম সঙ্কোচ ভৈলা দ্বিজবৰ
কৃষ্ণৰ শুনিয়া বাণী।।
চাউল চিৰামুঠি নেদন্ত কৃষ্ণক
লাজে চপৰায় মাথ।
হেন দেখি পাছে মনত গুণন্ত
তিনিয়ো লোকৰ নাথ।।১৫৯৫।।

ইটো দ্বিজবৰে   পূৰ্ব্বতো আহ্মাক
লক্ষ্মীকামে নৰাধিলা।
ভাৰ্য্যাৰেসে প্ৰীতি   সাধিবাক প্ৰতি
আহ্মাৰ ঠাইক আসিলা।।
মনুষ্য দুৰ্ল্লভ   পৰম সম্পদ
দিবো আজি আহ্ম আমি।
কানিৰ টুপলি   বিচাৰি আনিলা
আপুনি জগতস্বামী।।১৫৯৬।।
ইটো কি বুলিয়া   টুপলি মেলিয়া
সখিক বুলিলা বাক।
ইটো চাউল চিৰা   জগতে সহিতে
তৃপিতি কৰে আহ্মাক।।
এহি বুলি হৰি   এক মুঠি ধৰি
ভুঞ্জিলন্ত আনন্দত।
আউৰ মুঠি ধৰি   খাইবাক খোজন্তে
ধৰিলা লক্ষ্মী হাতত।।১৫৯৭।।
যত লাগে মানে   সৱে সম্পত্তিক
এহি মুঠি দিবে পাৰে।
নখায়োক আৰ   বুলি লক্ষ্মীমাৰে
স্বামীক বুজাইলা ঠাৰে।।



হেন শুনি হৰি   চাউল চিৰা এড়ি
থাকিলা হাসি নমাতি।
দিব্য ভোগ ভুঞ্জি   কৃষ্ণৰ গৃহত
ব্ৰাহ্মণো বঞ্চিলা ৰাতি।।১৫৯৮।।
শয়নক লাগি   সুৱৰ্ণ খাটত
বিছাই দিলা হংসতুলি।
মহাসুখে তাতে   সুতিয়া আছিলা
আজি স্বৰ্গ পাইলো বুলি।।
প্ৰভাততে উঠি   লড়িলা ব্ৰাহ্মণ
কৃষ্ণত মাগি মেলানি।
সখিক ধৰিয়া   মাধৱে অনেক
বুলিলা বিনয় বাণী।।১৫৯৯।।
আগবঢ়াই নিয়া   গৃহক পঠাইলা
ব্ৰাহ্মণ চলিলা সুখে।
কৃষ্ণে নেদিলন্ত   নুখুজিলা ধন
ব্ৰাহ্মণো আপুন মুখে।।
মনত গুণন্ত   দ্বিজত ভকত
কিনো দেৱ বনমালী।
কোথেৰ দৰিদ্ৰ   মঞি পাপী মোক
ধৰিলন্ত আঙ্কোৱালি।।১৬০০।।

আপুনাৰ খাটে নিয়া বসুৱাই
ঘষি ধুৱাইলেক ভৰি।
শ্ৰম দেখি লক্ষ্মী আহ্মাক বিঞ্চিলা
চামৰক কৰে ধৰি।।
তিনিয়ো লোকৰ ঐশ্বৰ্য্যক পাৱৈ
অৰ্চ্চিয়া যাৰ চৰণ।
আহ্মাৰ কুৎসিত সন্দেশকো খাইল
হেন প্ৰভু নাৰায়ণ।।১৬০১।।
দৰিদ্ৰ ব্ৰাহ্মণে ধন পাইলে মোক
পাসৰিবে সমুদায়।
এহি বুলি ধন নেদিলে আহ্মাক
জানিলো কৃষ্ণ গোসাঞি।।
হেন গুণি গান্থি যাহান্তে গৃহৰ
সমীপ পাইলন্ত পাছে।
চন্দ্ৰ সূৰ্য্য সম অনেক বিমান
দেখন্ত তহিতে আছে।।১৬০২।।
দিব্য উপবনে পৰি পক্ষীগণে
সুললিত ৰাৱ তেজে।
দীঘি সৰোবৰ পুষ্পিত উৎপল
প্ৰফুল্ল পঙ্কজে ৰজে।।



দিব্য নৰনাৰী গণ ফুৰৈ তৈতে
পিন্ধি বস্ত্ৰ অলঙ্কাৰ।
দেখিয়া ব্ৰাহ্মণে বিস্ময়ে গুণন্ত
ইটো দিব্যপুৰী কাৰ।।১৬০৩।।
নুহি মোৰ গৃহ কৈক আইলো বুলি
থমকি আছন্ত চাই।
নৰনাৰীগণো বিপ্ৰক বেঢ়িল
দিব্য বাদ্যভণ্ড বাই।।
স্বামী আসিবাৰ শুনিয়া ব্ৰাহ্মণী
গৃহৰ বজাইলা ৰঙ্গে।
সালঙ্কৃতা দাসী সহস্ৰেকে বেঢ়ি
যোগানে লড়িলা সঙ্গে।।১৬০৪।।
দিব্য আভৰণে ভূষিতা সুন্দৰী
যাহান্ত যেন নাচন্তে।
ৰূপ ধৰি লক্ষ্মী যেন বাজ ভৈলা
আপুন থানৰ হন্তে।।
দিব্য পৰিচ্ছদে আগবাঢ়ি আসি
স্বামীক দেখিলা গই।
আনন্দে লোতক বজাই আখি মুদি
থাকিলা থমকি ৰই।।১৬০৫।।

পতিক বুদ্ধিয়ে    নমিলা ব্ৰাহ্মণী
মনে ধৰি আলিঙ্গিলা।
কন্যাগণ মধ্যে    প্ৰকাশন্ত সতী
ভাৰ্য্যাকো দ্বিজে দেখিলা।।
ভৈল মহাপ্ৰীতি    ভাৰ্য্যায়ে সহিতি
এক ঠাই হুয়া পাছে।
পৰম আনন্দে    পশিলা মন্দিৰ
দ্বিজবৰ দিব্য কাছে।।১৬০৬।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। ত্ৰাহি ৰাম নিৰঞ্জন    জীৱেৰ জীৱন
মুকুন্দ ৰাম মুৰাৰি।
তোহ্মাৰ চৰণে    পশিলো শৰণে
নিয়োক মোক উদ্ধাৰি।।১৩৪।।
পদ ।। সুৱৰ্ণ ৰুৱলী    মৰকত স্থলী
স্ফটিকৰ দ্বাৰ বাৰ।
ৰত্নময় স্তম্ভ    গৃহৰ আৰম্ভ
দেখি ভৈলা চমৎকাৰ।।
দুগ্ধ ফেন সম    শয্যাসৰ আছে
সোণাৰ খাটে বিছাই।



সুৱৰ্ণ আসন    ভাজন যতেক
তাৰ সীমা সংখ্যা নাই।।১৬০৭।।
চন্দ্ৰাতপসৱ    টানিয়া আছয়
মুকুতাৰ মালা আঁৰি।
দিব্য কন্যাগণে    আয়াযাত কৰে
শুনি নূপুৰৰ সাৰি।।
ৰত্নৰ অনেক    প্ৰদীপ প্ৰকাশে
নজানয় ৰাত্ৰি দিন।
ইন্দ্ৰতো অধিক    পাইলা সমৃদ্ধিক
গুচিল দাৰিদ্ৰ্য চিন।।১৬০৮।।
কৃষ্ণৰেসে কৃপা    বোলন্ত ব্ৰাহ্মণে
আত নাহি আন হেতু।
ভকতৰ অল্প-    বস্তুক বিস্তৰ
কৰন্ত গৰুড়কেতু।।
আহ্মাৰ সন্দেশ    খাইলা হৃষীকেশ
চাউল চিৰা একমুষ্ঠি।
এতেকতে মোক    মহা সম্পত্তিক
দিলন্ত পৰম তুষ্টি।।১৬০৯।।
তাহান চৰণে    সৌহৃদ্য সখিত্ব
মিত্ৰভাৱ নুগুচোক।

জন্মে জন্মে মঞি    তান দাস হৈবো
    মোক মোহে নলঙ্ঘোক।।
এহি বুলি দ্বিজে    ভুঞ্জিলা পৰম
    ভোগ্যক পত্নী সহিত।
কিছু কিছু কৰি    বিষয় এড়ন্ত
    কৃষ্ণত অৰ্পিয়া চিত্ত।।১৬১০।।
অজিত বিষ্ণুক    ভকতেসে জিনে
    জানি দ্বিজ দামোদৰ।
একচিত্ত মনে    কৃষ্ণৰ চৰণে
    ভৈলন্ত ধ্যান তৎপৰ।।
দৃঢ় ভক্তি কৰি    ছিণ্ডি মোহজৰী
    কৰ্ম্মবন্ধে ভৈলা হীন।
পায়া মহোদয়    দেখি ব্ৰহ্মময়
    কৃষ্ণতে গৈলন্ত লীন।।১৬১১।।
পৰম পুৰুষ    প্ৰভু নাৰায়ণ
    ভকতৰ যেন নিধি।
তাহান চৰণে    ভকতি কৰিলে
    অৱশ্যে হুইৱেক সিদ্ধি।।
মাধৱৰ ইটো    পৱিত্ৰ কথাক
    শুনিবে যাৰ প্ৰবন্ধ।



কৃষ্ণৰ চৰণে    তাৰ ভক্তি বাঢ়ে
    এৰাই সিটো কৰ্ম্মবন্ধ।।১৬১২।।
ভণিল শঙ্কৰে    কৃষ্ণৰ কীৰ্ত্তন
    কৰিয়ো সৱে সমাজে।
ইটো কলিযুগে    আন গতি নাই
    হৰিৰ নামত বাজে।।
বৃথা আয়ু যায়    কৰিয়ো লোকাই
    বৈকুণ্ঠে যাইবাৰ কাম।
মায়াময় ইটো    বিষয় এড়িয়া
    ডাকি বোলা ৰাম ৰাম।।১৬১৩।।

।। দামোদৰ-বিপ্ৰাখ্যান সমাপ্ত।।২২।।

।। ত্ৰয়োৰিংশ খণ্ড।।

## ।। দৈৱকীৰ পুত্ৰ-আনয়ন।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। ৰাম মাধৱ মুৰাৰি।
কৃষ্ণ মুকুন্দ দৈত্যাৰি।।১৩৫।।

পদ ।। শুকমুনি বোলন্ত শুনিয়ো পৰীক্ষিত।
পাপৰ অন্তক ইটো কৃষ্ণৰ চৰিত।।
অনন্তৰে দৈৱকী শুনিয়া হেন বাণী।
গুৰুৰ মৃতক পুত্ৰ কৃষ্ণে দিলা আনি।।১৬১৪।।
হুয়া আতি বিস্ময় গুণন্ত বৰনাৰী।
মোৰো ছয় তনয়ক কংসে আছে মাৰি।।
হৃদয় ব্যাকুল কৰৈ তাসম্বাক স্মৰি।
চক্ষুৰ লোতক আতি পৰৈ সৰসৰি।।১৬১৫।।
মুখৰো নোহ্লায় মাত গদগদ বাণী।
বুলিলা বচন ৰাম গোৰিন্দক আনি।।
শুনিয়োক ৰাম শুনিয়োক দামোদৰ।
জানিলো তোমৰা দুই পৰম ঈশ্বৰ।।১৬১৬।।



স্ৰজন্তাৰো স্ৰষ্টা তুমি পৰম পুৰুষ।
কাৰ্য্যতে লক্ষিলো দুয়ো নুহিকা মানুষ।।
খণ্ডিবাক লাগি পৃথিৱীৰ মহাভাৰ।
মোহোৰ গৰ্ভত আসি ভৈলা অৱতাৰ।।১৬১৭।।
জগত নিৰ্ম্মাণ কৰে তোমাৰেসে মায়া।
জানিয়া শৰণ লৈলো কৰিয়োক দায়া।।
মৰাপুত্ৰ গুৰুক যমৰ পৰা আনি।
দিলাহা দক্ষিণা যেনমতে চক্ৰপাণি।।১৬১৮।।
হেনমতে মোৰো মনোৰথ কৰা সিদ্ধি।
পৰম ঈশ্বৰ দুয়ো বিধাতাৰ বিধি।।
কংসে মাৰিলেক মোৰ পুত্ৰ ছয়গুটি।
তাসম্বাক সুমৰন্তে প্ৰাণ যায় ফুটি।।১৬১৯।।
তোমাৰা প্ৰসাদে যেৱে দেখিবাক পাওঁ।
তেৱেসে দাৰুণ শোক সন্তাপ এৰাওঁ।।
মাৰক মাতিলা ৰাম কৃষ্ণ দুই ভাই।
আনি দিবো পুত্ৰগণ চিন্তা এৰা আই।।১৬২০।।
এহি বুলি ৰাম কৃষ্ণে যোগ মায়া বলে।
এক নিমিষেকে গৈয়া পশিলা সুতলে।।

ত্ৰৈলোক্যমোহন দিব্যৰূপ হৃষীকেশ।
বলিৰ সভাত গই ভৈলন্ত প্ৰৱেশ।।১৬২১।।
দেখৈ দৈত্যপতি আসিলন্ত বনমালী।
আথেবেথে সমাজে উঠিলা গাৰ চালি।।
আনন্দে আকুল ভৈলা কৃষ্ণ দৰশনে।
সবংশে পড়িলা গৈয়া কৃষ্ণৰ চৰণে।।১৬২২।।
জগতৰে আত্মা মোৰ পৰম দৈৱত।
কিনো মোৰ ভাগ্য আসি ভৈলা উপগত।।
পৰম হৰিষে নয়নৰ পৰৈ পানী।
মাথাত কৰিয়া সিংহাসন দিলা আনি।।১৬২৩।।
বলভদ্ৰ সহিতে বসিলা তাতে হৰি।
দুইৰো পাৰ পখালিলা বলি হাতে ধৰি।।
সবংশে শিৰত আনি লৈলা পাদোদক।
দিব্য বস্ত্ৰ ভূষণে অৰ্চ্চিলা মাধৱক।।১৬২৪।।
বহুবিধ সন্দেশ অমৃত ভক্ষ দিলা।
সবান্ধৱে আপুনাক কৃষ্ণতে অৰ্পিলা।।
ভণিল শঙ্কৰে ধৰি কৃষ্ণৰ চৰণে।
ৰাম ৰাম ঘুষিয়োক সভাসদগণে।।১৬২৫।।



।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। স্বামী! মোক পাৰ কৰা    কৰুণাসিন্ধু
সংসাৰ সাগৰে।
আউৰ আন গতি    নাহিকে মাধৱ
বান্ধৱ তোহ্মাত পৰে।।১৩৬।।

পদ ।। পাছে গোৱিন্দক    দেখি দৈত্যেন্দ্ৰৰ
আনন্দে চিত্ত নধৰৈ।
উপজিল ভাৱ    শিহৰিল গাৰ
নেত্ৰৰ লোতক ঝৰৈ।।
দুই হাতে কৃষ্ণৰ    চৰণ ধৰিয়া
তাতে মাথা থাপি থৈলা।
গদগদ বাণী    মুখৰ নোল্লায়
স্তুতি কৰিবাক লৈলা।।১৬২৬।।
প্ৰণামো অনন্ত    মহন্ত বিধাতা
প্ৰণামো কৃষ্ণ চৰণে।
সাংখ্য যোগ যিটো    কৰিলা বিস্তাৰ
ব্ৰহ্মৰূপী নাৰায়ণে।।
তযু দৰশন    যদ্যপি দুৰ্ল্লভ
নুবুজি তোহ্মাৰ লীলা।

আমি তামসিক   অসুৰ জাতিৰ
গৃহতে আসি মিলিলা।।১৬২৭।।
ৰাক্ষস দানৱ   দৈত্য ভূতচয়
পিশাচ প্ৰমথপতি।
তোহ্মাক বিৰোধ   কৰি অপ্ৰয়াসে
পাইলেক পৰম গতি।।
দ্বেষত ভয়ত   যিটো সিদ্ধি পাইলে
তামসিক দৈত্যজাক।
সাত্ত্বিক গুণত   থাকিয়া সততে
দেৱে নপাৱন্ত তাক।।১৬২৮।।
আমাৰ পৰোক্ষ   বান্ধৱ তুমিসি
মাধৱ জানিলো আমি।
হেন জানি মোত   হুয়োক সন্তোষ
তিনিয়ো লোকৰ স্বামী।।
গৃহ অন্ধকূপে   পড়ি আছো নাথ
কিমতে আক এৰাওঁ।
ফল মূল ভুঞ্জি   তোহ্মাৰ চৰণ
চিন্তিয়া যেন বেড়াওঁ।।১৬২৯।।
তথু নাম মোৰ   মুখে নছাড়োক
নেড়োক চিত্তে চৰণ।



হেন মনোৰথ   সাধিয়ো মাধৱ
তোহ্মাত লৈলো শৰণ।।
ঐশ্বৰ্য্য জঞ্জাল   নলাগে আহ্মাক
ছিণ্ডা মোৰ মোহ পাশ।
কৰা প্ৰভু দায়া   জন্মে জন্মে হৈবো
তোহ্মাৰ দাসৰো দাস।।১৬৩০।।
আজ্ঞা কৰিয়োক   জীৱৰ ঈশ্বৰ
সম্প্ৰতি কি কৰো আমি।
হেন শুনি হাসি   বলিক মাতিলা
তিনিয়ো লোকৰ স্বামী।।
মৰীচিৰ ছয়   আছিল তনয়
প্ৰথম মনুৰ দিনে।
ভৈলা সৱে দেৱ   তাসম্বাৰ আগে
নাম শুনা ভিনে ভিনে।।১৬৩১।।
স্মৰ পৰিষ্বঙ্গ   উদ্গীথ পতঙ্গ
ক্ষুদ্ৰভুক আৰো ঘৃণি।
এহি ছয়জন   পৰম পৱিত্ৰ
আছে কাম ক্ৰোধ জিনি।।
যৈসানি ব্ৰহ্মায়ে   নিজ দুহিতাক
ক্ৰীড়া কৰিবাক চান্ত।
দেখি ছয়োজনে   ব্ৰহ্মাক নিন্দিয়া
উপহাস্য কৰিলন্ত।।১৬৩২।।

অসুৰ যোনীক    যাহা বুলি ব্ৰহ্মা
  শাপ দিলা কোপ মনে।
হিৰণ্যকশিপু    দৈত্যৰ তনয়
  ভৈলা আসি ছয়োজনে।।
পাছে দৈৱকীৰ    গৰ্ভতে ছয়োক
  উপজায়া যোগমায়া।
ধৰি কংসৰায়    সৱাকো বধিলা
  অধৰ্ম্ম একো নচায়া।।১৬৩৩।।
সম্প্ৰতি তোহ্মাৰ    কাছতে আছন্ত
  ছয়ো মোৰ জ্যেষ্ঠ ভাই।
তাসম্বাক লাগি    সদায়ে ক্ৰন্দন
  কৰন্ত দৈৱকী আই।।
সৱাহাঙ্কো আজি    দ্বাৰকাক নিবো
  গুচাইবো মাৱৰ শোক।
মোহোৰ প্ৰসাদে    শাপ এড়াই আজি
  ছয়ো যাইবে স্বৰ্গলোক।।১৬৩৪।।
এহিসে কাৰণে    তোহ্মাৰ পাশক
  আসি আছো দৈত্যপতি।
শুনি বলি উঠি    ছয়োকো আগতে
  যোগাইলা কৰি ভকতি।।



কৃষ্ণৰ চৰণ    দুহাতে ধৰিয়া
  শিৰত অৰ্চ্চিলা তুলি।
আজিসে সমস্ত    পাপ দূৰ ভৈল
  জন্ম সাম্ফলিলো বুলি।।১৬৩৫।।
শুনা সৰ্ব্বজন    এৰি আন মন
  স্থিৰ কৰি এক মতি।
কৃষ্ণ নাম বিনা    ইটো কলিযুগে
  নাহি নাহি আন গতি।।
জানিয়া কৃষ্ণৰ    চৰণে শৰণ
  পশিয়ো সুদৃঢ় মতি।
বোলা ৰাম ৰাম    ছাড়ি আন কাম
  লভিবা পৰম গতি।।১৬৩৬।।

।।তৃতীয় কীৰ্ত্তন।।

ঘোষা।। কমললোচন কলুষমোচন।।১৩৭।।
পদ ।। পাছে বলিৰায়ক আশ্বাস কৰি।
সৱাহাঙ্কে লৈয়া উঠিলা হৰি।।
দ্বাৰকাপুৰ পাইলা মহাভাগে।
ছয়ো ভাইক দিলা মাতৃৰ আগে।।১৬৩৭।।

ছয়ো ছৱালক দৈৱকী দেখি।
পৰম আনন্দে চান্ত নিৰেখি।।
নিশ্চয়ে সৱে মোৰ পুত্ৰ বুলি।
লৈলন্ত সৱাকো কোলাত তুলি।।১৬৩৮।।
পুত্ৰৰ স্নেহে স্ৰৱৈ দুয়ো স্তন।
কৰন্ত পুত্ৰৰ মুখে চুম্বন।
উৎসুকে পুত্ৰক পিয়ান্ত ক্ষীৰ।
ঘ্ৰাণন্ত ঘনে ঘনে পুত্ৰশিৰ।।১৬৩৯।।
আনন্দে দৈৱকী যেন নাচন্ত।
ইগুটি থৈয়া আৰ গুটি লন্ত।।
বিষ্ণুৰ মায়ায়ে মোহিত চিত্ত।
দৈৱকী ভৈলা আতি আনন্দিত।।১৬৪০।।
একে দৈৱকীৰ স্তন বিশেষ।
কৃষ্ণৰ আৰো পীত অৱশেষ।।
সন্তোষে তাক পিলা ছয়োজনে।
কৃষ্ণৰ আৰো অঙ্গ পৰশনে।।১৬৪১।।
ঘোৰ ব্ৰহ্মশাপ তাহাক তৰি।
আমি দেৱ হেন তাহাক স্মৰি।।
পিতৃক মাতৃক কৰি বন্দন।
পৰি প্ৰণামিলা কৃষ্ণ চৰণ।।১৬৪২।।



বলোৰ চৰণে কৰিয়া সেৱ।
স্বৰ্গক পাছে যান্ত ছয়োদেৱ।।
চাহি আছে লোক নিজম পড়ি।
ছয়োজনে যায় বিমানে চড়ি।।১৬৪৩।।
দেখিয়া দৈৱকী ভৈলা বিস্ময়।
আসিল মোৰ মৰা পুত্ৰচয়।।
স্বৰ্গকো গৈলা মোৰ স্তন খায়া।
জানিলো সকল বিষ্ণুৰ মায়া।।১৬৪৪।।
বোলন্ত শুকে শুনা পৰীক্ষিত।
কৃষ্ণৰ অদ্ভুত লীলা চৰিত।।
অনন্ত বীৰ্য্যৰ যত মহিমা।
আক কহি কোনে কৰিবে সীমা।।১৬৪৫।।
পৰম মঙ্গল হৰি চৰিত।
জগতৰে ইটো হৰে দুৰিত।।
যিবা জনে আক শুনে শুনাৰে।
কৃষ্ণৰ প্ৰসাদে মোক্ষক পাৰে।।১৬৪৬।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
কৰিয়ো কীৰ্ত্তন সমস্ত জনে।।
কলি যুগে ইটো মহা উপায়।
হৰিনাম লৈলে মুকুতি পায়।।১৬৪৭।।

বেদান্তৰো তত্ত্ব শুকৰ বাণী।
জানি হেলা এৰা সমস্ত প্ৰাণী।।
যেৱে সুখে যাইবে বৈকুণ্ঠপুৰী।
সদায় ডাকিয়া ঘুষিও হৰি।।১৬৪৮।।

।। দৈৱকীৰ পুত্ৰ-আনয়ন সমাপ্ত।।২৩।।

।। চতুৰ্বিংশতি খণ্ড।।

## ।। বেদস্তুতি।।

### ।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। এ হৰি ৰাম হৰি অনন্ত মুৰাৰি।
ভকতবৎসল নিয়ো সেৱক উদ্ধাৰি।।১৩৮।।

পদ ।। জগত সংহৰি সুতি আছা নাৰায়ণ।
প্ৰথম নিশ্বাসে বাজ ভৈলা বেদগণ।।
জগাইলা বিষ্ণুক স্তুতি কৰি ভক্তিভাৱে।
যেন নট ভাটে চক্ৰৱৰ্ত্তীক জগাৱে।।১৬৪৯।।
জয় জয় হৌক হৰি আনন্দ প্ৰকাশ।
সমস্ত জীৱৰ কৰা মায়াক বিনাশ।।
তুমিসি সৱাকে দিয়া চৈতন্য শকতি।
আমি বেদগণ আত প্ৰমাণ সম্প্ৰতি।।১৬৫০।।
দশ দিগপাল সমে জগত সমস্ত।
তোহ্মাতেসে উপজে তোহ্মাতে যায় অস্ত।।
আতেসে সমস্তে ব্ৰহ্ম মন্ত্ৰগণে ৰড়ে।।
যেন যৈতে ভৰি দিলে পৃথিৱীতে পৰৈ।।১৬৫১।।

তুমিসি পৰম তত্ত্ব জানি জ্ঞানীগণে।
ছাড়ৈ পাপ তযু গুণ শ্ৰৱণ কীৰ্ত্তনে।।
আনন্দ ব্ৰহ্মক যিটোজনে ভজে স্বামি।
তাহাৰ মহিমা আৰ কি কহিবো আমি।।১৬৫২।।
মনুষ্য শৰীৰ পায়া যিটো নৰগণ।
নকৰে তোহ্মাৰ যদি শ্ৰৱণ কীৰ্ত্তন।।
বিফলে জনম গৈল ভৈল সৰ্ব্বনাশ।
জীৱন্ততে মৰা সিটো ভাথিৰ নিশ্বাস।।১৬৫৩।।
শৰীৰৰ ছয়চক্ৰ চিন্তে যিটোজন।
তাহাৰো গুচোৱা মৃত্যুভয় নাৰায়ণ।।
হৃদিগত কৰি হৰি সম্প্ৰতি তোহ্মাক।
কৰোহোঁ উপাসা আমি সৱে বেদজাক।।১৬৫৪।।
আপুনি স্ৰজিলা চৰাচৰ দেহা যত।
সমস্ত ঐশ্বৰ্য্য ভাৱে আছা সমস্তত।।
জীৱ অংশে তুমি প্ৰৱেশিলা গাৱে গাৱে।
আৱে আমি তোহ্মাক ভজোহো সৰ্ব্বভাৱে।।১৬৫৫।।
তোহ্মাৰেসে অংশ আমি যত জীৱজাক।
তোহ্মাৰ মায়ায়ে প্ৰভু বান্ধিলে আহ্মাক।।
দিয়ো উপদেশ ভজো তোহ্মাৰ চৰণে।
মায়াৰ বন্ধন চিণ্ডো শ্ৰৱণ কীৰ্ত্তনে।।১৬৫৬।।



জ্ঞান অভ্যাসকো কেহো নেদেখি বিশেষ।
শ্ৰৱণ কীৰ্ত্তনে তৰৈ সংসাৰৰ ক্লেশ।।
তোহ্মাৰ ভক্তৰ সঙ্গ পায়া অনুপম।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ কৰৈ তৃণ সম।।১৬৫৭।।
তুমিসি পৰম প্ৰিয় আত্মা নাৰায়ণ।
তযু পদ পঙ্কজে মজোক মোৰ মন।।
ভাৰতে মনুষ্য জন্ম নুহিকে সেন্থৰে।
তোহ্মাক নভজি আত্মঘাত কৰি মৰে।।১৬৫৮।।
প্ৰেমভাৱে সুদুৰ্ল্লভ তোহ্মাক স্মৰণ।
যেন তেন মতে কৰো শ্ৰৱণ কীৰ্ত্তন।।
সদায়ে থাকোক মোৰ মন তযু পাৱে।
বোলা হৰি হৰি আৰে প্ৰাণ থাকে যাৱে।।১৬৫৯।।

।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। হৰি হৰিয়ো ক্লেশ হৃষীকেশ
করুণাসাগৰ।[১৬৬]
মায়া মহোদধি মাঝে মজিলোহো
মাধৱ মোক উদ্ধৰ।।১৩৯।।

পদ ।। বুদ্ধি অহঙ্কাৰে আৱৰিলে আতি
মহামূঢ় ভৈলো স্বামী।
তোহ্মাৰ অখণ্ড আনন্দ ৰূপক
কিমতে জানিবো আমি।।
দীন দয়াশীল দিয়ো উপদেশ
তোহ্মাৰ চৰণে ধৰো।
শ্ৰৱণ কীৰ্ত্তন স্মৰণ ভক্তিক
সদায় যিমতে কৰো।।১৬৬০।।
মিছা তৰ্কবাদে ভৈলো অন্ধকাৰ
তাতে ভ্ৰমো মন্দমতি।
তযু জ্ঞানপন্থ খুজিয়া নপাওঁ
কৰা হৰি মোৰ গতি।।

১৬৬। পা. (১) হৰি হৰিয়ো ক্লেশ হে হৃষীকেশ
করুণাসাগৰ।



তযু গুণ নাম মুখে নছাড়োক
কৰা কৃপা চক্ৰপাণি।
মাধৱ বামন গোৱিন্দ বোলন্তে
মুকুত হৈৰো কৈসানি।।১৬৬১।।
তুমি সত্য ব্ৰহ্ম তোহ্মাত প্ৰকাশে
জগত ইটো অসন্ত।[১৬৭]
জগততে সদা তুমিও প্ৰকাশা
অন্তৰ্য্যামী ভগৱন্ত।।
এতেকেসে জ্ঞানী গণে অৱশেষি
জগতকে বোলে হৰি।
আৰে জগজীৱ তোহ্মাৰ চৰণ
ভজো হৃদয়ত ধৰি।।১৬৬২।।
যত তপ আছে সমস্তে কৰোক
পৰোক পৰ্ব্বতে উঠি।
সমস্তে তীৰ্থক স্নানিয়া ফুৰোক
বেদক পঢ়োক তুষ্টি।।
যত যজ্ঞ আছে সমস্তে যজোক
কৰোক যোগ অভ্যাস।
হৰিৰ কীৰ্ত্তন নকৰি তথাপি
নেড়ায় মৃত্যুৰ ত্ৰাস।।১৬৬৩।।

১৬৭। পা. জগত ইটো অনন্ত।

নাহি দেহেন্দ্রিয়　　সমস্ত কৰ্ত্তাৰ
　শক্তিক ধৰা একলে।
তুমিসি সৰ্ব্বজ্ঞ　　তুমি সৰ্ব্বকৰ্ত্তা
　তোম্মাক সেৱৈ সকলে।।
যেন চক্ৰৱৰ্ত্তী　　ৰাজাক যোগাৱৈ
　সামৰাজে কৰভাৰ।
ব্ৰহ্মা আদি কৰি　　দেৱৰ ঈশ্বৰ
　তযু পাৱে নমস্কাৰ।।১৬৬৪।।
তোম্মাৰেসে মায়া　　কৰ্ম্মে বন্দী হুয়া
　সংসাৰে উপজো মৰো।
দুঃখ সাগৰত　　ত্ৰাণ কৰা হৰি
　তোম্মাৰ চৰণে ধৰো।।
তুমি অন্তৰ্য্যামী　　সমস্ত লোকৰ
　তুমি মহেশ্বৰ দেৱ।
তুমিসি সৰ্ব্বজ্ঞ　　নৃসিংহ তোম্মাক
　মনে কৰো আমি সেৱ।।১৬৬৫।।
সংসাৰ চক্ৰৰ　　কৰৱতে ছিণ্ডে
　নেৱৈ মহামোহ ভয়।
তোম্মাৰ চৰণে　　পশিলো শৰণে
　ৰক্ষা কৰা কৃপাময়।।



তুমি মহাগুৰু　　তোম্মাৰ চৰণে
　মনে যদি লৱৈ বাস।
তোমাৰ কৃপায়ে　　সৱে সিদ্ধি হৈব
　নলাগৈ জ্ঞান অভ্যাস।।১৬৬৬।।
তুমি আত্মা হেন　　জানিয়া তোম্মাক
　চিত্তে ভজে যিটোজন।
তুচ্ছ পুত্ৰ দাৰা　　বিষয় ভোগক
　নাহি তাৰ প্ৰয়োজন।।
তোম্মাৰ নামক　　মুখে ফুৰৈ গাই
　হিয়ে তযু ৰূপ ধৰি।
শুনে মানে ধ্বনি　　পলায় পাতক
　ডাকি বোলা হৰি হৰি।।১৬৬৭।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।। ৰাম হৰি কৰুণাময় তোম্মাৰ চৰণে ভজো।
　স্বামি দুনাই যেন সংসাৰে নমজো।।১৪০।।
পদ　।। তোম্মাৰ চৰণ চিন্তি　　যথাত ভকত থাকে
　সেহি পুণ্য সেহি তীৰ্থস্থান।
তোম্মাৰ অমৃত কথা　　ধাৰায়ে বহৱৈ যথা
　তাক যিটো জনে কৰৈ পান।।

এড়ায় সংসাৰ ক্লেশ কুৎসিত বিষয় সুখ
তাসম্বাৰ নাহি অভিলাস।
একবাৰ মাত্ৰ তযু চৰণ চিন্তিলে যিটো
তাৰ সুখ নুহি গৃহবাস।।১৬৬৮।।
অসন্ত জগতখান তোহ্মাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশে সদায়।
কৰ্ম্মজড় মনুষ্যৰ মনমগ্ন ভৈল তাতে
বেদৰ নুবুজৈ অভিপ্ৰায়।
তোহ্মাৰ অদ্বৈত ৰূপ পৰম আনন্দ পদ
তাতে মোৰ মগ্ন হৌক চিত্ত।
ভৈলোহো দাসৰ দাস জানি আৰে নৰহৰি
আহ্মাক নেড়িবা কদাচিত।।১৬৬৯।।
মুকুট কুণ্ডল যেন সুবৰ্ণৰে ভিন্ন নুহি
মিছা মাত্ৰ নাম ৰূপ যত।
অহঙ্কাৰ পঞ্চভূত তোহ্মাত পৃথক নুহি
প্ৰভু পৰমাৰ্থ বিচাৰত।।
তোহ্মাৰ কটাক্ষ দৃষ্টি পায়া নৃত্য কৰে মায়া
ভৰি তুলি মৰ্দ্দে মোৰ মাথ।
পৰম আতুৰ হুয়া তোহ্মাত শৰণ লৈলো
মায়াক নিবাৰা জগন্নাথ।।১৬৭০।।



সন্ন্যাসীৰ বেশ ধৰি লোকক বঞ্চিলো ছলে
ভৈলো ভোগ চিন্তায়ে ব্যাকুল।
ৰাত্ৰি দিনে মোহ মোৰ মনৰ নুগুছৈ আতি
নানা বিধ উদ্যমে আকুল।।
অজ্ঞানী লোকৰ মান্য পায়া গৰ্ব্ব বাঢ়ি গৈল
লঙ্ঘিলোহো তোহ্মাৰ আজ্ঞাক।
দীন অনাথক কৃপা কৰাহা পৰমানন্দ
প্ৰভু আৰে ৰাখিয়ো আহ্মাক।।১৬৭১।।
তোহ্মাৰ পৰম জ্ঞান মাধৱ দিয়োক মোক
যিটো খণ্ড সুখ দুঃখ হীন।
নুহি নাৰায়ণ দিয়া শ্ৰৱণ-কীৰ্ত্তন ভক্তি
নোহো যেন বিধিৰ অধীন।।
ব্ৰহ্মায়ো নপান্ত অন্ত তোহ্মাক নজানৈ বেদে
আপুনিও নজানা সমূলি।
এতেকে কেৱলে আমি তোহ্মাৰ চৰণে স্বামী
ভজিলোহো জয় জয় বুলি।।১৬৭২।।
চাৰিবেদ অষ্টাদশ পুৰাণ যতেক শাস্ত্ৰ
পৰম বেদান্ত ভাগৱত।

সনক সনন্দ মুনি      যোগজ্ঞান বিচাৰিয়া
উদ্ধাৰিলা তাৰ সাৰ তত্ত্ব।।
আগম পুৰাণ যত      বেদান্তৰ তাতপৰ্য্য
জানি কৰা ভকতিক সাৰ।
শ্ৰৱণ কীৰ্ত্তন বিনা      আন পুণ্যে নপায় জানা
ইটো ঘোৰ সংসাৰৰ পাৰ।।১৬৭৩।।
শুনিয়োক বুদ্ধজন      জনম মৰণ দুঃখ
তৰিবাক যাৰ ইচ্ছা আছে।
গোৱিন্দৰ নাম গুণ      শ্ৰৱণ কীৰ্ত্তন কৰা
অন্তকে কেশত ধৰি আছে।।
ইহেন মনুষ্য জন্ম      সেন্থৰে নপাইবা আউৰ
চাৰিবেদে কহে নিষ্ঠ কৰি।
মাধৱৰ চৰণৰ      কিঙ্কৰ শঙ্কৰে কহে
সদা ডাকি বোলা হৰি হৰি।।১৬৭৪।।

।। বেদস্তুতি সমাপ্ত।।২৪।।

।। পঞ্চৱিংশ খণ্ড।।

## ।। লীলামালা।।

### ।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। বন্ধু মাধৱ হে!
তুৱা বিনে আছে আৰ তাৰক কে।
বন্ধু মাধৱ হে।।১৪১।।
পদ ।। শুকমুনি ৰাজাত কহন্ত বিদ্যমান।
কৃষ্ণ লীলামালা আৰে শুনা সাৱধান।।
শ্ৰৱণে কীৰ্ত্তনে আৰ বৈকুণ্ঠক যায়।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ সৱে আতে পায়।।১৬৭৫।।
ব্ৰহ্মায়ে প্ৰাৰ্থিলা পৃথিৱীৰ দেখি ত্ৰাস।
লৈলা দৈৱকীৰ উদৰত হৰি বাস।।
গৰ্ভতে বিধাতা তুতি কৰিলন্ত আসি।
দৈৱকী দেৱীক বাক্য বুলিলা আশ্বাসি।।১৬৭৬।।
পাছে উপজিলা নিজ ৰূপে দামোদৰ।
দেখি পিতৃ মাতৃ তুতি কৰিলা বিস্তৰ।।
উপৰি জন্মৰ কথা নাৰায়ণে কৈলা।
কংস ভয়ে বসুদেৱে গোকুলত থৈলা।।১৬৭৭।।

দেখি পুত্ৰমুখ নন্দ আনন্দে বিহ্বল।
তনয়ৰ জাতকৰ্ম্ম কৰাইলা সকল।।
দৈত্যক বধিবে আৰম্ভিলা গোকুলত।
পুতনাৰ চেতন শুষিলা প্ৰথমত।।১৬৭৮।।
শকটৰ তলে থৈলা যশোদা শুৱাই।
পেল্লাইলাহা পাৱে শকটক উভতাই।
তুলিলাহা হামি যশোদাৰ পিয়া স্তন।
গৰ্ভতে দেখিলা দেৱী চৈধ্যয় ভুৱন।।১৬৭৯।।
বিস্ময় হুইয়া আখি মুদিলা সুন্দৰী।
তাত পাছে নিলা চক্ৰৱাতে চুৰি কৰি।।
গলত চেপিয়া ধৰি পেল্লাইলা শিলাত।
মৰি গৈল দুষ্টদৈত্য তোহ্মাৰ লীলাত।।১৬৮০।।
জাতকৰ্ম্ম কৰি গৰ্গ ঋষি থৈলা নাম।
গোকুলত ক্ৰীড়ন্তে ফুৰন্তে কৃষ্ণ ৰাম।।
নাচা বুলি পাঞ্চে গোপী বজায়া চাপৰি।
কৰিলন্ত নৃত্য ভঙ্গী ভাৱে দেৱহৰি।।১৬৮১।।
যশোদা সুধিলা ধৰি কিয় মাটি খাইলি।
নখাওঁ বুলিয়া বেন্ত বাইলা বনমালী।।
গৰ্ভতে দেখিলা দেৱী ভুৱন চৈধ্যয়।
কৰিলন্ত স্তুতি আতি পৰম বিস্ময়।।১৬৮২।।



স্তন পিৱে নপাই কোপে কৃষ্ণ বৰ চাণ্ড।
শিলা হানি দধিৰ ভাঙ্গিলা সৱে ভাণ্ড।।
সেহি অপৰাধে ধৰি বান্ধিলা সুন্দৰী।
লাসে লাসে উডুখল টানি নেন্ত হৰি।।১৬৮৩।।
বৃক্ষত লাগিয়া ভৈল উড়ল পথালি।
অৰ্জ্জুনক উভঞ্জি পেল্লাইলা বনমালী।।
বুলিলেক স্তুতি দুয়ো কুবেৰ নন্দন।
নিজস্থানে গৈলা কৰি কৃষ্ণক বন্দন।।১৬৮৪।।
কোনে ফল লৈবেক পসাৰী দিলে ডাক।
ধান্য লৈয়া যান্ত কৃষ্ণে ফল কিনিবাক।।
কৃষ্ণৰ হস্তত ভৰি দিল ফল বাছি।
সুৱৰ্ণ ৰতনে তাইৰ উপচিল পাচি।।১৬৮৫।।
অনন্তৰে ৰাম কৃষ্ণ গৈলা বৃন্দাবন।
শিশুসৱ সহিতে চাৰিলা বৎসগণ।।
বহুবিধ শিশুলীলা আচৰি প্ৰচুৰ।
লীলায়ে বধিলা তৈতে বৎস বকাসুৰ।।১৬৮৬।।
ঘোৰ সৰ্পৰূপে অঘে আছে বেন্ত বাই।
বৎস বৎসপালক গিলিলে লাগ পাই।।
তাৰ গল ভেণ্টিয়া বঢ়াইলা দেহা হৰি।
কৃষ্ণৰ সাৰূপ্য পাইলা অঘাসুৰ মৰি।।১৬৮৭।।

তাত পাছে ব্ৰহ্মা আসি কৰিলন্ত চুৰি।
মায়া কৰি নিলে সৱে গোৰক্ষ দামুৰি।।
হুয়া গৰু গোৰক্ষ আপুনি প্ৰতি এক।
সৰ্ব্বৰূপে ব্ৰজত বঞ্চিলা বৰিষেক।।১৬৮৮।।
অনন্তৰে ব্ৰহ্মা আসি ভৈলা বিমোহিত।
সৱে দিব্য চতুৰ্ভুজ ৰূপে বিপৰীত।।
হৰিল চেতন একো নাহি হৃদি সিদ্ধি।
পাছে পাৰে পৰি স্তুতি কৰিলন্ত বিধি।।১৬৮৯।।
গৈলা তালবন সৱে গোৱাল সহিতে।
সবান্ধৱে ধেনুকাক বধিলা তহিতে।।
গোপগণে তালক ভূঞ্জিলা কণ্ঠ ভৰি।
শঙ্কৰে ৰচিলা ডাকি বোলা হৰি হৰি।।১৬৯০।।

।।দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। ত্ৰাহি গোৱিন্দ অন্তকে গ্ৰাসে।
নাসৈ নাথ নিন্দ ত্ৰাহি গোৱিন্দ।।১৪২।।

পদ ।। বিষময় হ্ৰদ তাক নজানি।
মৰিল গৰু গোপ পিয়া পানী।।
কটাক্ষে জীয়ায়া দমিলা কালি।
হ্ৰদৰ খেদাইলা তাক নিকালি।।১৬৯১।।



ব্ৰজৰ প্ৰজা বনজুইত ডৰে।
ত্ৰাহি কৃষ্ণ বুলি আৰাৱ কৰে।।
নাহি ভয় বুলি অগ্নিক পিলা।
ব্ৰজক গৈলা গজেন্দ্ৰৰ লীলা।।১৬৯২।।
হৰি কৰি ক্ৰীড়া গোপ সভাতে।
মৰাইলা প্ৰলম্ব বলোৰ হাতে।।
মঞ্জুবনে গৰু গোপ পোড়ন্তে।
আনিলা কৃষ্ণে তাড়ি তৈৰ হন্তে।।১৬৯৩।।
বসন্ত সমে গ্ৰীষ্ম কাল গৈল।
বাৰিষা আসি উপস্থিত ভৈল।।
বলো সমে সৱে গোপক লই।
ক্ৰীড়িলা কৃষ্ণে বৃন্দাৱনে গই।।১৬৯৪।।
আসিল শৰত হৰিষ কৰি।
বৃন্দাৱনে বেণু বজায়া হৰি।।
গোপ সুন্দৰীৰ বস্ত্ৰক লই।
চড়িলা গোৱিন্দ কদম্বে গই।।১৬৯৫।।
পাইলেক বৰ যত গোপবালা।
গোৱিন্দ গৈলা যৈত যজ্ঞশালা।।
গোৱালসকলে খুজিলা অন্ন।
নিদিলে অহঙ্কাৰী বিপ্ৰগণ।।১৬৯৬।।

পত্নীৰ ভকতি দেখিয়া সৰ্ব্ব।
ভাঙ্গিলা তাসম্বাৰ কৰ্ম্ম গৰ্ব্ব।।
ভাঙ্গিলা কৃষ্ণে মখ মহেন্দ্ৰৰ।
পূজিলা গোৱৰ্দ্ধন গিৰিবৰ।।১৬৯৭।।
কৰিলা বৃষ্টি ইন্দ্ৰে ক্ৰোধ কৰি।
ৰাখিলা ব্ৰজ গোৱৰ্দ্ধন ধৰি।।
কৃষ্ণৰ মহিমা দেখিয়া তয়।
ভৈলা গোপ গোপী মহা বিস্ময়।।১৬৯৮।।
গৰ্গৰ বাক্যক সুমৰি নন্দে।
বৰ্ণাইলা কৃষ্ণৰ গুণ আনন্দে।।
কৃষ্ণৰ অদ্ভুত মহিমা দেখি।
সুৰভি ইন্দ্ৰে আসি অভিষেকি।।১৬৯৯।।
গোৰ ইন্দ্ৰ পাতি কৰি প্ৰণাম।
থৈলন্ত কৃষ্ণৰ গোৱিন্দ নাম।।
বৰুণৰ দূতে নিলেক হৰি।
আনিলা নন্দক কৃষ্ণে উদ্ধাৰি।।১৭০০।।
বিষ্ণুবুদ্ধি কৰি নন্দৰ পোক।
দেখিলা বৈকুণ্ঠ ব্ৰজৰ লোক।
চন্দ্ৰাৱলী ৰাত্ৰি শৰত কাল।
আৰম্ভিলা ৰাসক্ৰীড়া গোপাল।।১৭০১।।



বাঢ়িল গৰ্ব্ব দেখি গোপিকাৰ।
ভৈলা অন্তৰ্দ্ধান জগ আধাৰ।।
কান্দিলা কৃষ্ণৰ গুণ বৰ্ণাই।
তনু পুলকিত চেতন নাই।।১৭০২।।
গোপীৰ আতি প্ৰেম ভকতিত।
সবাৰো মধ্যত ভৈলা বিদিত।।
সবাকো আশ্বাসি কৰিলা ক্ৰীড়া।
এড়াইলা গোপীগণে কামপীড়া।।১৭০৩।।
শঙ্খচূড় নামে যক্ষক মাৰি।
ৰাখি আনিলন্ত গোপৰ নাৰী।।
খেদি আসিলেক অৰিষ্টে ধাই।
লীলায়ে মাৰিলা মাধৱে পাই।।১৭০৪।।
কংসত নাৰদে কহিলা পাছে।
তোৰ প্ৰাণ বৈৰী ব্ৰজত আছে।।
শুনিয়া কেশীক কংসে পাঠিলা।
তাঙ্কো মাৰি কৃষ্ণে যমক দিলা।।১৭০৫।।
বুলিলা কংসে অক্ৰূৰক আনি।
ব্ৰজক যাহা তুমি মহামানী।।
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে।
হৰি হৰি বোলা সমস্ত জনে।।১৭০৬।।

।।তৃতীয় কীৰ্ত্তন।।

ঘোষা।। ভাৱক ভাই ভজ ভগৱন্ত।
কৰিবে হৰিসে দুঃখৰ অন্ত।।১৪৩।।

পদ ।। নাৰদ পাছে গোকুলক আসি।
নমিলা কৃষ্ণৰ গুণ প্ৰকাশি।।
কংসে পাঞ্চিলেক আসি অক্ৰূৰ।
সন্ধ্যা সময়ে পশি গোপপুৰ।।১৭০৭।।
আকুল হুয়া আতি প্ৰেমভাৱে।
কৃষ্ণ কৃষ্ণ বুলি পৰিলা পাৱে।।
খুড়া বুলি কৃষ্ণে সাৰটি ধৰি।
কৰিলা সৎকাৰ আতি সাদৰি।।১৭০৮।।
কংসৰ শুনিয়া নন্দে আদেশ।
লড়িলা শকটে গোপ নিঃশেষ।।
গোপিকাক ৰাম কৃষ্ণে আশ্বাসি।
সুৱৰ্ণৰ ৰথে চড়িলা আসি।।১৭০৯।।
অক্ৰূৰে সত্বৰে ডাকিলা ৰথ।
কান্দে গোপী চাই কৃষ্ণৰ পথ।।
মধ্যাহ্ন সন্ধ্যা কৰিবাক প্ৰতি।
মজিলা যমুনাত দানপতি।।১৭১০।।



দেখিলা অনন্ত সহস্ৰ ফেঁট।
কোলাত কৃষ্ণক পাইলন্ত ভেট।।
কৰিলন্ত স্তুতি পৰি অক্ৰূৰ।
প্ৰৱেশিলা পাছে মথুৰাপুৰ।।১৭১১।।
গোপগণ সঙ্গে ৰঙ্গে মুৰাৰি।
ভ্ৰমন্তে দেখিলা মথুৰানাৰী।।
কন্দৰ্প কোটি যাক নাহি তুল।
শাৰী শাৰী নাৰী বৰিষে ফুল।।১৭১২।।
বধিলা ধোবাক চৰৰ অস্ত্ৰে।
বেশকাৰে আসি ভূষিলা বস্ত্ৰে।।
পিন্ধাইলা চন্দন কুঁজী সাদৰি।
তাইৰ কুঁজ সম কৰিলা হৰি।।১৭১৩।।
পিন্ধাইলা মালী অঙ্গে মঞ্জুমালা।
দিলা সুদামাক বৰ গোপালা।।
ভাঙ্গিলা কংসৰ ধনুক ধৰি।
ৰখীয়া সেনাক বধিলা হৰি।।১৭১৪।।
বঞ্চিলা ৰাতি নগৰৰ মাঝে।
প্ৰভাতে শুনন্ত দুন্দুভি বাজে।।
গৈলন্ত খেদিয়া নন্দ কুমাৰ।
কুৱলয়াপীড়ে ভেণ্টিলে দ্বাৰ।।১৭১৫।।

ভূমিত পাড়ি কাড়ি লৈলা দন্ত।
কৰিলা কোবাই হস্তীৰ অন্ত।।
স্কন্ধত গজদন্ত অনুপাম।
পশিলা ৰঙ্গশালা কৃষ্ণৰাম।।১৭১৬।।
চৌপাশে উপাসে গোপ কুমাৰে।
দেখিলা কৃষ্ণক দশ প্ৰকাৰে।।
বলো মুষ্টিকক কৃষ্ণে চাণূৰ।
মাৰি মাল দুইকো কৰিলা চূড়।।১৭১৭।।
আসিলা খেদি আৰো যত মাল।
কৰিলা ৰাম কৃষ্ণে তাৰো কাল।।
নাচিলা কৃষ্ণে সমাজৰ মাজে।
পাৱে ৰুণ ঝুণ নূপুৰ বাজে।।১৭১৮।।
দেখিয়া গৰজে কংস বিশাল।
উচ্ছ্ৰিত মঞ্চত চড়ি গোপাল।।
কেশত ধৰি তাৰ ঘণ্টা লাড়ি।
পাড়িলা ভূমিত উপৰে পড়ি।।১৭১৯।।
মৰিল কংস জগতৰ ভৰে।
পাইলেক সাৰূপ্য সিটো কৃষ্ণৰে।।
পিতৃ মাতৃ দুইৰো বন্ধন ছোড়ি।
কৰিলা তুতি দুইকো কৰ যোড়ি।।১৭২০।।



আনি উগ্ৰসেন পাতিলা ৰাজা।
পাছে আশ্বাসিলা যাদৱ প্ৰজা।।
নন্দকো সৎকাৰ কৰিলা আতি।
পঠাইলা প্ৰবোধিয়া বুলি মাতি।।১৭২১।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
কৃষ্ণকথা শুনা সমস্ত জনে।।
কৃষ্ণ লীলামালা ইহাৰ নাম।
সংসাৰ তৰা বুলি ৰাম ৰাম।।১৭২২।।

।।চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। ৰাম স্বামী মাগোহো শৰণ হেৰা আমি।
তোহ্মাক নভজি প্ৰভু ভৈলো অধোগামী।।১৪৪।।
পদ ।। পাছে উগ্ৰসেনক নৃপতি পাতি হৰি।
নন্দকো কৰিলা শান্ত বচনে সাদৰি।।
যেনমতে মানো বসুদেৱ দৈৱকীক।
তুমি পোষ্টা পিতৃ দেখো তাহাতো অধিক।।১৭২৩।।
অনন্তৰে নৱগুণ দিলা গৰ্গঋষি।
পাছে গুৰু গৃহে বাসা কৰিলা হৰিষি।।
জানিলা চৌষষ্ঠি কলা পাছে পদ্মপাণি।
দিলা গুৰু দক্ষিণা মৃত পুত্ৰক আনি।।১৭২৪।।

মথুৰাক আসি কৃষ্ণে পঠাই উদ্ধৱক।
কৰাইলা আশ্বাস পাছে যশোদা নন্দক।।
গোপী সমস্তক বাক্য সন্দেশ পঠাই।
সান্ত্বনা কৰিলা কৃপাময় যদুৰায়।।১৭২৫।।
কুবুজাক ক্ৰীড়ি কৃষ্ণ জগত ঈশ্বৰ।
প্ৰৱেশিলা গোৱিন্দ গৃহত অক্ৰূৰৰ।।
অৰ্চ্চিলন্ত দানপতি পায়া মাধৱক।
পাণ্ডৱৰ পাশক পঠাইলা অক্ৰূৰক।।১৭২৬।।
জৰাসন্ধ ভয়ে পাছে প্ৰভু যদুৰাজে।
নিৰ্ম্মিলা দ্বাৰকাপুৰী পয়োনিধি মাজে।।
নিলা তৈকে মথুৰাৰ প্ৰজা যোগবলে।
মাৰিলাহা জৰাসন্ধ সেনাক সকলে।।১৭২৭।।
বধিলা যৱন মুচুকুন্দক দেখাই।
কৰিলন্ত স্তুতি পাছে মুচুকুন্দ ৰায়।।
দিলন্ত প্ৰসাদ তাঙ্ক পৰম ভকতি।
মুচুকুন্দে লভিলন্ত ভগৱন্ত গতি।।১৭২৮।।
জৰাসন্ধ ভয়ে নৰচেষ্টাক দেখাই।
পশিলা পলাই দ্বাৰকাত দুয়ো ভাই।।
ৰুক্মিণী পঠাইলা গোপ্য প্ৰেমপত্ৰ লিখি।
আতি সকৰুণ ভৈলা কৃষ্ণে তাঙ্ক দেখি।।১৭২৯।।



বিপক্ষ নৃপতিসকলক জিনি ৰণে।
ৰুক্মকো মুণ্ডিলা চক্ৰ ধৰি নাৰায়ণে।।
দ্বাৰকাত পাতি সভা দেৱতো অধিক।
কৰিলা বিবাহ মহোৎসৱে ৰুক্মিণীক।।১৭৩০।।
ভৈলা কামদেৱ ৰুক্মিণীৰ গৰ্ভে জাত।
হৰিলা সম্বৰে তাক কৰিলা নিপাত।।
ভাৰ্য্যায়ে সহিতে দুনাই দ্বাৰকাক আইলা।
পুত্ৰ দেখি ৰুক্মিণীৰ শৰীৰ জুড়াইলা।।১৭৩১।।
মণি হেতু জাম্বৱন্ত জিনি যদুপতি।
স্যমন্তক সমে পাইলা কন্যা জাম্বৱতী।।
সত্ৰাজিতো দিলে সত্যভামাক ভয়ত।
মণিক যৌতুক দিলা কন্যাৰ লগত।।১৭৩২।।
থৈলা সত্ৰাজিততে মাধৱে মণি পুনু।
তাক কাটি মণি পাছে নিলা শতধনু।।
অক্ৰূৰত মণি থৈয়া ঘোৰায়ে পলাইল।
তাক চক্ৰে কাটি কৃষ্ণে মণিক নপাইল।।১৭৩৩।।
দ্বাৰকা এড়িয়া পাছে পলাইল অক্ৰূৰ।
আনিলেক কৃষ্ণে তাক দুনাই যদুপুৰ।।
স্যমন্তক মণি লৈয়া দেখায়া জ্ঞাতিত।
এড়াইলা দুৰ্যশ পাছে প্ৰভু বিপৰীত।।১৭৩৪।।

মিত্রবৃন্দা কালিন্দীক পাছে যদুনাহ।
ভদ্রা সত্যা লক্ষ্মণাক কৰিলা বিৱাহ।।
এহি অষ্ট মহিষী কৃষ্ণৰ প্রিয় জায়া।
বোলা হৰি হৰি তৰা সংসাৰৰ মায়া।।১৭৩৫।।

।।পঞ্চম কীৰ্ত্তন।।

ঘোষা।।হেৰ হেলায় গৱাইলো হৰি ইহেন জনম।
নভৈল ভকতি মঞি পাতকী পৰম।।১৪৫।।
পদ ।। নৰকক মাৰি ৰূপে গুণে মহা ধন্যা।
ষোড়শ হাজাৰ প্রভু পাইলা দিব্য কন্যা।।
স্বৰ্গৰো আনিলা হৰি পুষ্প পাৰিজাত।
দ্বাৰত ৰুৱাইলা সত্যভামাৰ সাক্ষাত।।১৭৩৬।।
ৰুক্মিণীক কৰিলাহা প্রেমে পৰিহাস।
ভৈলন্ত ভয়তে দেৱী প্রাণতো নৈৰাশ।।
চতুৰ্ভুজ হৈয়া হৰি তুলি আঙ্কোৱালি।
ৰুক্মিণীক আশ্বাস কৰিলা বনমালী।।১৭৩৭।।
বুলিলন্ত কৃষ্ণে যত নিন্দা আপুনাক।
ওলটায়া ৰুক্মিণী বুলিলা তুতিবাক।।
ভৈলা অনুৰাগ প্রভু চৰণত আতি।
ভৰিল দ্বাৰকা কেশৱৰ পুত্র নাতি।।১৭৩৮।।



কৃষ্ণৰ সমান ৰূপ একৈক ভাৰ্য্যাত।
দশ দশ পুত্র এক জীউ ভৈলা জাত।।
বহুবিধ কৰি লীলা জগতৰে নাহে।
ৰুক্মক মৰাইলা অনিৰুদ্ধৰ বিৱাহে।।১৭৩৯।।
ঊষাক ক্রীড়িলা কৃষ্ণ নাতি অনিৰুদ্ধ।
বাণক ৰাখিবে লাগি ৰুদ্রে দিলা যুদ্ধ।।
লীলায়ে ভঙ্গাইলা শঙ্কৰক ঘোৰ ৰণে।
চক্রে বাণবাহুক ছেদিলা নাৰায়ণে।।১৭৪০।।
যুদ্ধত নোৱাৰি স্তুতি কৰিলন্ত হৰে।
নৃগ নৃপতিক উদ্ধাৰিলা তাত পৰে।।
ক্রীড়িলন্ত বলভদ্রে গোকুলক যাই।
যমুনাক আঝুৰিলা লাঙ্গল ভেজাই।।১৭৪১।।
চক্রে ধৰি খেদি গৈলা বাৰাণসী থান।
সুদক্ষিণ পৌণ্ড্রকৰো কৃষ্ণে লৈলা প্রাণ।।
ৰৈৱত গিৰিত ক্রীড়া কৰি হলধৰ।
সমৰে মাৰিলা দুষ্ট দ্বিৱিদ বানৰ।।১৭৪২।।
ধৰিলা শাম্বক কুৰুবীৰগণে চাপি।
খুজিলেক ৰামে গৈয়া নিদিলা তথাপি।।
হস্তিনাপুৰক কোপে ওভতাওঁ বুলি।
লাঙ্গল ভেজায়া বলো ধৰিলন্ত তুলি।।১৭৪৩।।

কৃষ্ণৰ গৃহস্থ ধৰ্ম্ম দেখি ঘৰে ঘৰ।
পৰম বিস্ময় মন ভৈলা নাৰদৰ।।
কেৱলে ঈশ্বৰ মাত্ৰ দেখি দেৱঋষি।
কৃষ্ণ গুণ গায়া চলি গৈলন্ত হৰিষি।।১৭৪৪।।
নিশাত কৰন্ত কৃষ্ণে শয্যাত শয়ন।
কণ্ঠত আলিঙ্গি সুতি থাকে পত্নীগণ।।
ৰজনীৰ শেষজানি ৰাৱে পক্ষীচয়।
নাৰীগণো হোৱৈ কৃষ্ণ বিৰহত ভয়।।১৭৪৫।।
কুকুৰা আৰাৱ কৰে তাকো পাৰে গালি।
উঠি নিত্যকৃত্য পাছে কৰি বনমালী।।
চৌৰাশী অধিক তেৰ হাজাৰ প্ৰমাণ।
ঘৰে ঘৰে প্ৰতিদিনে কৰন্ত গোদান।।১৭৪৬।।
দাৰুকে যোগান্ত ৰথ চড়ি গৈয়া তাত।
সাত্যকি উদ্ধৱ সমে বসন্ত সভাত।।
চতুৰ্ভিতি বেঢ়ি পাত্ৰমন্ত্ৰী সভাসদ।
দেৱকাৰ্য্য সাধিবাক আসিলা নাৰদ।।১৭৪৭।।
জৰাসন্ধে বান্ধি আছে নৃপতি বহুত।
কৃষ্ণত শৰণ মাগি পঠাই দিলা দূত।।
সেহি বেলা যুধিষ্ঠিৰে পঠাইলন্ত মাতি।
মন্ত্ৰীগণ সমে কৃষ্ণে আলোচিলা আতি।।১৭৪৮।।



উদ্ধৱ সহিতে কৃষ্ণ গৈলা ইন্দ্ৰপ্ৰস্থ।
পূৰিলন্ত পঞ্চ পাণ্ডৱৰ মনোৰথ।।
কৃষ্ণৰ কিঙ্কৰে কহে দুঃখ তেৱে তৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি।।১৭৪৯।।

।।ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।। পিয়ো পিয়ো ৰাম নাম অমৃত।
বৃথা কথা কই নমৰ চিত্ত।।১৪৬।।

পদ ।। যুধিষ্ঠিৰ ৰাজা কৃষ্ণক পাই।
অৰ্চ্চিলন্ত আতি দুনাই দুনাই।।
ৰাজাক কৃষ্ণে নমি প্ৰণিপাতে।
মৰাইলা মাগধ ভীমৰ হাতে।।১৭৫০।।
মেলায়া ভকত নৃপতিচয়।
দেখাইলা নিজ ৰূপ কৃপাময়।।
প্ৰসন্নমুখ পঙ্কজৰ জ্যোতি।
কৌস্তুভ কণ্ঠে গলে গজমতি।।১৭৫১।।
মকৰ কুণ্ডলে উজ্জ্বল গণ্ড।
প্ৰকাশে চাৰু চাৰি ভুজ দণ্ড।।
কিৰীটি ৰত্ন শিৰে কৰে কান্তি।
উৰঃস্থলে জ্বলে শ্ৰীবৎস পান্তি।।১৭৫২।।

শ্যাম তনু তাতে পীত বসনে।
বিজুলী ৰঞ্জে যেন নৱ ঘনে।।
কটি-তটে কাঞ্চি ৰত্নৰ জ্বালা।
আপাদলম্বী গলে বনমালা।।১৭৫৩।।
চৰণ পঙ্কজে মঞ্জীৰ ঘোষ।
মিলাবৈ ভক্তৰ মনে সন্তোষ।।
সন্মুখে দেখি হেন হৃষীকেশ।
সমস্তে এড়াইলা বন্ধন ক্লেশ।।১৭৫৪।।
আনন্দে দ্ৰৱিল সৱাৰো চিত্ত।
লোতক ঝৰে তনু ৰোমাঞ্চিত।।
আছিল মৰি দুনাই যেন জীল।
আলিঙ্গিয়া যেন নয়নে পিল।।১৭৫৫।।
চাহন্তে গৈল অনুৰাগ চৰি।
প্ৰণামিলা আতি চৰণে পৰি।।
হৰিষতে যেন পাইলা মুকুতি।
কৰিলা কৃষ্ণক অনেক স্তুতি।।১৭৫৬।।
মাগিলা পৰম ভকতি দান।
সৱাকে কৰিলা কৃষ্ণে সন্মান।।
তুষিয়া পঠাই দিলা নিজ ঘৰ।
ৰাজসূয়ে আসি যোগাইলা কৰ।।১৭৫৭।।



কৰি ৰাজসূয় যজ্ঞ নৃপতি।
অৰ্চ্চিলা কৃষ্ণক মহাভকতি।।
নিন্দিলে দেখি শিশুপাল বীৰ।
কাটিলা কৃষ্ণে চক্ৰ হানি শিৰ।।১৭৫৮।।
তাৰ তেজ-পুঞ্জ আসিল লৰি।
মিলিলা কৃষ্ণৰ চৰণে পৰি।।
সাৰূপ্য পায়া ভৈলা পাৰিষদ।
বিস্ময় দেখি লোক নিশবদ।।১৭৫৯।।
পৰম মানী দুৰ্য্যোধন ৰায়।
ভ্ৰমিলা সভাৰ সম্পত্তি চাই।।
তুলিলা বস্ত্ৰ পানী বুলি স্থলে।
স্থল হেন মানি পৰিলা জলে।।১৭৬০।।
দ্ৰৌপদী সমে নাৰীগণে আসি।
চাপৰি বজায়া তুলিলা হাসি।।
ভীমৰ উপহাস্যে কুৰুৰাজ।
মৰণ সমান ভৈ গৈল লাজ।।১৭৬১।।
মৃতক যেন ভৈলা কুৰুপতি।
কৃষ্ণৰ কটাক্ষে ভ্ৰমিল মতি।।
তোলাই ইটো কোপ কুৰু ৰাজাৰ।
হৰিবো সমস্ত ভূমিৰ ভাৰ।।১৭৬২।।

লাগোক বিৰাদ কুৰু পাণ্ডুৱে।
নমাতি থাকিলা বসি মাধৱে।।
পাণ্ডুৱৰ হাতে সমৰ জিনি।
মৰাইলা অষ্টাদশ অক্ষৌহিণী।।১৭৬৩।।
হৰত বৰ পায়া শাল্ব ৰাজা।
মাৰিবাক গৈল যাদৱ প্ৰজা।।
আকাশতে চলে শৌভ নগৰ।
যদুবীৰ গণে দিলা সমৰ।।১৭৬৪।।
হস্তিনাপুৰ হন্তে আসি পাই।
কাটিলা শাল্বক যাদৱৰায়।।
ভাঙ্গিলা শৌভক ক্ষেপিয়া চক্ৰ।
বধিলা বিদুৰথ দন্তবক্ৰ।।১৭৬৫।।
তীৰ্থত স্নানিয়া ফুৰন্তে ৰাম।
সূতক বধি কৰি মন্দকাম।।
বল্লল দৈত্যক মাৰি তহিত।
কৰিলা সূতবধ প্ৰায়শ্চিত্ত।।১৭৬৬।।
দেখিয়া তুষ্ট ভৈলা ঋষিগণ।
উগ্ৰশ্ৰৱা পাইলা ব্ৰহ্ম আসন।।
কহিলা মহাভাগৱত কথা।
বোলা হৰি হৰি নমৰা বৃথা।।১৭৬৭।।



।।সপ্তম কীৰ্ত্তন।।

ঘোষা।। গোপীনাথ তুৱা পাৱে নভৈল ভকতি।
ইজন্মতো মাধৱ গৈলোহো অধোগতি।।১৪৭।।
পদ ।। দ্বাৰকাক গৈলন্ত দৰিদ্ৰ দামোদৰ।
অৰ্চ্চিলন্ত কৰি কৃষ্ণে পৰম সাদৰ।।
গুৰুগৃহে বাস কথা কৈলা মনতুষ্টি।
খাইলা তান লৈয়া চাউল চিৰা একমুঠি।।১৭৬৮।।
এতেকে ঐশ্বৰ্য্য পাইল ইন্দ্ৰৰো দুৰ্ল্লভ।
হেনসে ঈশ্বৰ কৃষ্ণ ভৃত্যৰো সুলভ।।
সৰ্ব্বগ্ৰাস সূৰ্য্যৰ গ্ৰহণ আসি ভৈলা।
সমস্তে নৃপতি গণ কুৰুক্ষেত্ৰে গৈলা।।১৭৬৯।।
সপুত্ৰ বান্ধৱে যদুগণ গৈলা তথা।
কৈলা ৰাজাগণ অন্যোঅন্যে কৃষ্ণ কথা।।
কৃষ্ণৰ যতেক পত্নী দ্ৰৌপদী সহিতি।
কহিলন্ত কৃষ্ণ কথা পৰম পীৰিতি।।১৭৭০।।
নাৰদ প্ৰমুখ্যে মুনিগণ আইল তয়।
অৰ্চ্চিলন্ত তাসম্বাক কৃষ্ণ কৃপাময়।।
পিতৃৰ কৰাইলা মহাযজ্ঞ মহোৎসৱ।
বান্ধৱক তুষি ভূষি পঠাইলা মাধৱ।।১৭৭১।।

নন্দ যশোদাক মান্য কৰিলা একান্ত।
জ্ঞানদানে গোপীক কৰিলা উপশান্ত।।
কহিলা পিতৃত পাছে কৃষ্ণে মহাজ্ঞান।
মৃতক পুত্ৰক দৈৱকীক দিলা দান।।১৭৭২।।
অৰ্জ্জুনক আনি বিহা দিলা সুভদ্ৰাক।
ভক্তক দেখিবে লাগি গৈলা মিথিলাক।।
শ্ৰুতদেৱ জনকৰ পূৰি মনোৰথ।
কৈলা উপদেশি প্ৰেম ভকতিৰ পথ।।১৭৭৩।।
ভকতিক পুছিলা নাৰদ মাধৱত।
নাৰায়ণে কহিলা বেদৰ সাৰ তত্ত্ব।।
সংসাৰক তাৰৈ ভকতিসি জানি মনে।
কৈলা স্তুতি বেদ শিৰোৰত্ন মন্ত্ৰগণে।।১৭৭৪।।
হৰি ভকতিত পাই পৰম মুকুতি।
দিবে মাত্ৰ পাৰে আন দেৱতা ভুকুতি।।
ভৃগু ঋষি আসি কৰি পৰীক্ষা পূৰ্ব্বত।
কৈলা কৃষ্ণগুণ মুনিগণৰ আগত।।১৭৭৫।।
মহাকালপুৰ পশি কৃষ্ণ কৃপাময়।
আনিলন্ত বিপ্ৰৰ মৃতক পুত্ৰচয়।।
অৰ্জ্জুনৰ অঙ্গীকাৰ কৰিলা সাফল।
হেন নাৰায়ণ দেৱ ভকত বৎসল।।১৭৭৬।।



ষোড়শ সহস্ৰ অষ্টাধিক একশত।
কৃষ্ণৰ মহিষী সৱে পৰম ভকত।।
শুনিয়োক কৃষ্ণৰ যতেক পুত্ৰৰাশি।
একষষ্ঠি হাজাৰ লক্ষেক আৰো আশী।।১৭৭৭।।
তাসম্বাৰ পুত্ৰ নাতি ভৈলা অপৰ্য্যন্ত।
তাক কহি কোনে আৰে কৰিবেক অন্ত।।
যদুকুলে কেশৱ আপুনি অৱতৰি।
গঙ্গাক কৰিলা অল্প কীৰ্ত্তনত কৰি।।১৭৭৮।।
শত্ৰু মিত্ৰ উদাসীনে দিলা নিজ পদ।
ভাৰ হৰি মহন্তৰ খণ্ডিলা আপদ।
নুহিকে আশ্চৰ্য্য ইটো কৰ্ম্ম মাধৱৰ।
সিকালত বেকত আছিলা দামোদৰ।।১৭৭৯।।
আকেসে আশ্চৰ্য্য দেখো শুনা পৰীক্ষিত।
নাম মাত্ৰ লৈলে তৰি ইটো বিপৰীত।।
আৰো যাইবে নলাগে নৃপতি তপোবন।
গৃহে গতি পায় কৰি শ্ৰৱণ কীৰ্ত্তন।।১৭৮০।।
এহিমানে দশম স্কন্ধৰ কৃষ্ণলীলা।
শুকমুনি ৰাজা পৰীক্ষিতক কহিলা।।
শঙ্কৰে ৰচিলা ধৰি কৃষ্ণৰ চৰণ।
লীলামালা কথা ইটো কৃষ্ণৰ কীৰ্ত্তন।।১৭৮১।।

**শুনা বুধজন কেনে সুখে আছা বসি।**
**কালে আসি পাইলে চোৰা মনে বিমৰিষি।।**
**ইহেন মনুষ্য জন্ম বৃথা যায় আয়ু।**
**কেতিক্ষণে ছুটে জানা ইটো প্ৰাণ বায়ু।।১৭৮২।।**
**জানি হৰি ভকতিত সৰে দিয়া মতি।**
**হৰি কথা শ্ৰৱণত দৃঢ় কৰা ৰতি।।**
**কলিত কীৰ্ত্তন বিনে গতি নাহি আৰ।**
**ডাকি হৰি হৰি বোলা তেৰেসে নিস্তাৰ।।১৭৮৩।।**

।। লীলামালা সমাপ্ত।।২৫।।

।। ষষ্ঠৰিংশ খণ্ড।।

## ।। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণ।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। মাধৱ পদ্মনাভ ভগৱন্ত।
নাৰায়ণ নৰসিংহ অনন্ত।।১৪৮।।

পদ ।। বোলন্ত শুকে শুনা পৰীক্ষিত।
এহিমতে কৃষ্ণে বলো সহিত।।
সমস্ত দৈত্যৰ চিন্তিয়া মাৰ।
লীলায়ে হৰিলা ভূমিৰ ভাৰ।।১৭৮৪।।
গুণন্ত জগতৰ পতি পাছে।
দুঃসহ মহা যদুবংশ আছে।।
ত্ৰৈলোক্য বিজয়ী একৈক বীৰ।
নুগুছিল কিছু ভাৰ ভূমিৰ।।১৭৮৫।।
যিহেতু সৱাৰো মঞি আশ্ৰয়।
কাহাতো হন্তে নাহি পৰাজয়।।
কন্দল লগাই তাসম্বাৰ মেলে।
পৃথিৱীৰ ভাৰ হৰিবো হেলে।।১৭৮৬।।
এহি গুণি পাছে যাদৱ কুলে।
দিয়াইলা প্ৰভু বিপ্ৰশাপ ছলে।।
মিলিল বিমঙ্গল দ্বাৰকাত।
সৱাৰো মনে কৰে উতপাত।।১৭৮৭।।
ব্ৰহ্মাক আৱৰি ত্ৰিদশজাক।
আসিল পাছে সৱে দ্বাৰকাক।।
কৃষ্ণৰ দৰশন অভিলাষে।
ৰহিলা বিমান জুৰি আকাশে।।১৭৮৮।।
মহা সমৃদ্ধি দেখি দ্বাৰকাৰ।
বিস্ময় ভৈলা আতি দেৱতাৰ।।
কৃষ্ণক পাছে দৰশন পাই।
অদ্ভুত ৰূপক আছিলা চাই।।১৭৮৯।।
তৃপিতি নাহি চান্ত একদৃষ্টি।
কৰন্ত শিৰে পাৰিজাত বৃষ্টি।।
কৃতাঞ্জলি কৰি এক যুকুতি।
তৈৰে পৰা সৱে কৰন্ত স্তুতি।।১৭৯০।।
নমো নমো কৃষ্ণ তযু চৰণে।
যাহাক পৰম ভকতজনে।।
হৃদয়ত চিন্তৈ কৰি প্ৰবন্ধ।
অপ্ৰয়াসে তৰৈ সংসাৰ বন্ধ।।১৭৯১।।

ত্ৰিগুণা মায়াক কৰি আশ্ৰয়।
আত্মাত স্ৰজা যত জীৱচয়।।
স্ৰজন পালন কৰা আপুনে।
নপাৰে লাগ একো দোষ গুণে।।১৭৯২।।
তোহ্মাৰ শুনিয়া গুণ চৰিত্ৰ।
যিমতে হোৱয় লোক পৱিত্ৰ।।
জ্ঞান দান তপ বেদ আচাৰে।
সিমতে শুদ্ধি কৰিবাক নাৰে।।১৭৯৩।।
তোহ্মাৰ ইসব লীলা চৰিত।
আক শুনৈ ভণৈ যিটো কলিত।।
অনেক পুৰুষ কৰি উদ্ধাৰ।
সংসাৰক সুখে হোৱয় পাৰ।।১৭৯৪।।
যোড়শ সহস্ৰ পত্নীসকলে।
অনেক ভাৱ দৰশায়া চলে।।
মনক মথিবে নোৱাৰৈ যাৰ।
হেন কৃষ্ণ পাৰে নতি আহ্মাৰ।।১৭৯৫।।
কৃষ্ণক আগত দেখি প্ৰত্যেক।
কৰিলন্ত স্তুতি আৰো অনেক।।
নকৈলো পদ বিস্তৰক ডৰে।
বোলা হৰি হৰি সমস্ত নৰে।।১৭৯৬।।



।। দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। শিৰ শাৰঙ্গধাৰী মধুসূদন দৈত্যাৰি।।১৪৯।।

পদ ।। আকাশত থাকি ব্ৰহ্মা বোলে স্তুতি বাণী।
মাতন্ত কৃষ্ণক শুনা প্ৰভু চক্ৰপাণি।।
খণ্ডিবাক লাগি পৃথিৱীৰ মহাভাৰ।
দৈৱকীৰ গৰ্ভে আসি ভৈলা অৱতাৰ।।১৭৯৭।।
দুষ্ট ৰাজাগণক মাৰিলা কৰি লীলা।
সন্তক ৰাখিলা প্ৰভু ধৰ্ম্মক থাপিলা।।
সমস্ত লোকৰ কৰি পাপৰ প্ৰলয়।
দশোদিশ প্ৰকাশৈ তোহ্মাৰ যশচয়।।১৭৯৮।।
যদুকুলে অৱতৰি আছা দামোদৰ।
পঞ্চিশ অধিক ভৈল শতেক বৎসৰ।।
দেৱকাৰ্য্য লাগে মানে সাধিলা সকলে।
কুলকো নাশিলা প্ৰায় বিপ্ৰশাপ ছলে।।১৭৯৯।।
পৃথিৱীক এৰি আৰে আসা নিজ স্থান।
আমি সব কিঙ্কৰক কৰা পৰিত্ৰাণ।।
মাধৱে বোলন্ত শুনিয়োক প্ৰজাপতি।
পৃথিৱীক এৰিবে আহ্মাৰো আছে মতি।।১৮০০।।

কিন্তু যেৰে যাওঁ যদুকুল নসংহৰি।
আৰ ভৰে দুনাই তল যাইবে বসুন্ধৰী।।
আগে আমি ইটো যদুকুল কৰি ক্ষয়।
তেৰেসে চলিবো ব্ৰহ্মা তোহ্মাৰ নিলয়।।১৮০১।।
শুনি ব্ৰহ্মা প্ৰণামিয়া কৰি কৃতাঞ্জলি।
ত্ৰিদশে সহিতে নিজস্থানে গৈলা চলি।।
দ্বাৰকাত অনেক মিলাবৈ উতপাত।
প্ৰত্যক্ষে দেখাৰে যেন প্ৰজাৰ বিঘাত।।১৮০২।।
বুলিলন্ত বাণী কৃষ্ণে বংশক শুনাই।
প্ৰভাসক যাইবো আমি এৰি ইটো ঠাই।।
আহ্মাৰ বংশত হুয়া আছে ঋষিশাপ।
ঘোৰ উতপাত দেখি মিলে হৃদিতাপ।।১৮০৩।।
আজি যাইবো প্ৰভাসক কৰিয়ো উদ্যোগ।
তৈতে স্নানি চন্দ্ৰে এড়াইলন্ত যক্ষ্মাৰোগ।।
দক্ষশাপ গুচিল পাইলন্ত পূৰ্ণকলা।
হেন জানি যদুগণ তৈকে লাগি চলা।।১৮০৪।।
সবংশে আমিয়ো গৈয়া তৈতে কৰি স্নান।
বিপ্ৰক ভোজন কৰাই দেওঁ মহাদান।।
দানে পুণ্যে হুই ঘোৰ দুৰ্গতি নিস্তাৰ।
যেন মহানাৱে সাগৰত কৰৈ পাৰ।।১৮০৫।।



কৃষ্ণৰ বচন শুনি যত যদুগণ।
তীৰ্থক যাইবাক সৰে কৰিলা যতন।।
লৰৰা-লৰৰি কৰি ভৈলা কাছপাৰ।
ৰথত তুলিলা আনি সমস্তে সম্ভাৰ।।১৮০৬।।
নিশান কোবাই সৰে এক স্থান ভৈল।
বাল বৃদ্ধ স্ত্ৰী মাত্ৰ নগৰত ৰৈল।।
ভণিল শঙ্কৰে কৃষ্ণ চৰণত ধৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি।।১৮০৭।।

।। তৃতীয় কীৰ্ত্তন।।

ঘোষা।। পৰমানন্দ ৰাম জোনো ছাড়হু মোক।
হৰি জোনো তেজি যাহা মোক।।১৫০।।

পদ ।। যাইবে যদুগণ কাছে ভক্ত উদ্ধৱৰ পাছে
বিমঙ্গল দেখি কাম্পে কায়।
কৃষ্ণৰ বচন শুনি মনে বিমৰিষি গুণি
বুজিলন্ত সৰে অভিপ্ৰায়।।
বিৰলত হৰিদাস কৃষ্ণৰ চাপিয়া পাশ
শিৰে প্ৰণামিলা পাৱ ছুই।
অন্তৰ্গতে তনু তাৰে মাধৱক নম্ৰভাৱে
বুলিলন্ত কৃতাঞ্জলি হুই।।১৮০৮।।

যাদৱ বংশক তুমি সংহৰি এৰিবা ভূমি
অৱশ্যে জানিলো আক আমি।
সি কাৰণে ঋষিশাপ ব্যৰ্থ নকৰিলা বাপ
তুমি হুয়া জগতৰ স্বামী।।
তোহ্মাৰ চৰণ এৰি নিমিষেক প্ৰভু হৰি
থাকিবে নপাৰো একো স্থান।
তুমি এৰিলাত মোৰ মিলিবে সন্তাপ ঘোৰ
অৱশ্যে ছাড়িবে মোৰ প্ৰাণ।।১৮০৯।।
তুমি জপ তপ পুণ্য তুমি বিনা দেখো শূন্য
দিনতে আন্ধাৰ ত্ৰিজগত।
অনেক কাৰ্পূণ্য কৰো দুয়ো চৰণত ধৰো
লৈয়া যায়ো আহ্মাক লগত।।
সম্যকে অমৃতময় তোহ্মাৰ চৰিত্ৰচয়
তাক মাত্ৰ শুনৈ যিটো নৰে।
তাহাৰ উপজৈ ভাৱ নছাড়ৈ তোহ্মাৰ পাৱ
আন বিষয়কো পৰিহৰে।।১৮১০।।
শয়নে ভোজনে স্নানে তোহ্মাৰ ৰহস্য স্থানে
সদাসেৱা কৰি থাকো আমি।
তুমি জীৱ তুমি প্ৰাণ তুমি বিনে নাহি আন
কিমতে বৰ্ত্তিবো আৱে স্বামী।।



অৱশেষ উপহাৰ ছাড় বস্ত্ৰ অলঙ্কাৰ
তোহ্মাৰেসে পিন্ধো সৰ্ব্বদায়।
তোহ্মাৰ উচ্ছিষ্ট খায়া তৰিবো দুস্তৰ মায়া
হেনসে আছিল অভিপ্ৰায়।।১৮১১।।
যোগীগণে শ্ৰম কৰি প্ৰবন্ধে সমাধি ধৰি
সৱে কৰ্ম্মবন্ধ কৰি ক্ষীণ।
তেজিয়া সংসাৰ নয় দেখৈ সৱে ব্ৰহ্মময়
তেৱেসে তোহ্মাত যায় লীন।।
আমি যত গৃহবাসী কৰ্ম্মপথে ভ্ৰমো আসি
ভজিলোহো চৰণে তোহ্মাৰ।
তোহ্মাক হিয়াত স্মৰি তোহ্মাৰ কীৰ্ত্তন কৰি
তোহ্মাৰ কথায়ে হুইবো পাৰ।।১৮১২।।
চৰণ ছত্ৰক ইটো উপাসিয়া থাকৈ যিটো
সিটো এড়াই সংসাৰৰ তাপ।
হেন পাদপদ্ম এড়ি ক্ষণেকো নিজীৱো হৰি
নিয়ো লগে জগতৰে বাপ।।
অনেক কাৰ্পূণ্য কৰি কৃষ্ণৰ আগত পড়ি
জুড়িলন্ত উদ্ধৱে ক্ৰন্দন।
দেখি দুঃখ ভকতৰ আশ্বাসিলা দামোদৰ
উদ্ধৱক বুলিলা বচন।।১৮১৩।।

স্বৰূপ জানিলা তুমি এড়িবাক চাওঁ ভূমি
সংহৰিলো পৃথিৱীৰ ভাৰ।
দেৱৰো সাধিলো কাজ তোহ্মাত নাহিকে বাজ
কুলৰো চিন্তিবো মহামাৰ।।
সাত দিন অৱসানে সমস্তে দ্বাৰকা মানে
সাগৰৰ জলে যাইবে তল।
আমি এড়িলাত ভূমি ঐত নাথাকিবা তুমি
লোকত মিলিবে বিমঙ্গল।।১৮১৪।।
পীড়িবে দুৰ্জ্জন কলি সত্বৰে যায়োক চলি
এড়া বন্ধু বান্ধৱৰ স্নেহ।
মঞি আত্মা হেন জানি আহ্মাক বান্ধৱ মানি
দেখা ভিন অপুনাৰ দেহ।।
যত দেখা যত শুনা যতেক মনত গুণা
সৱে মায়াময় স্বপ্নসম।
সমস্তে জগতে হৰি জানিবা নিশ্চয় কৰি
গুচায়ো বুদ্ধিৰ ইটো ভ্ৰম।।১৮১৫।।
জ্ঞানযোগ কৰ্ম্মযোগ পৰম ভকতি যোগ
সমস্তে কহিলা উদ্ধৱত।
সাংখ্যযোগ যত আছে উদ্ধৱে জানিলা পাছে
মাধৱৰ পাদ প্ৰসাদত।।



দুনাই পুটাঞ্জলি ধৰি কৃষ্ণক প্ৰণাম কৰি
বুলিলন্ত হুয়া নম্ৰ কায়া।
জানিলো তুমিসি সঞ্চা আন যত সৱে মিছা
তথাপি দুস্ত্যজ মোহমায়া।।১৮১৬।।
বিষয়ৰ দুঃখ জানি তথাপিতো একো প্ৰাণী
নেড়ৈ দুনাই তাকে ভুঞ্জি মৰৈ।
গলত বান্ধিয়া পাঘে কাটিবাক নেন্ত ছাগে
যেন নিৰ্লজ্জতা আতি কৰৈ।।
অনেক ভৰ্ৎসনি পায় উচ্ছিষ্ট ভুঞ্জিবে যাই
যেন আতি কুকুৰ নিৰ্গতে।
কহিয়োক স্বৰূপত ইটো ঘোৰ বিষয়ত
বিৰকতি হোৱৈ কেনমতে।।১৮১৭।।

।। চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। নৰহৰি কি এ ৰাম নিস্তাৰিয়া নিয়ো নাৰায়ণ।
মাথাত ধৰিবো তুলি তোহ্মাৰ চৰণ।।১৫১।।
পদ ।। উদ্ধৱক সম্বোধি মাতন্ত কৃষ্ণে পাছে।
কৰ্ম্মবন্ধ এড়াইবে প্ৰবন্ধ যাৰ আছে।।
বৈষ্ণৱৰ সঙ্গ সিটো লৈবে প্ৰথমত।
মোহোৰ চৰিত্ৰ শুনিবেক ভকতত।।১৮১৮।।

মোৰ নাম কীৰ্ত্তন কৰিবে সৰ্ব্বক্ষণে।
হৃদয়ত মোৰ ৰূপ চিন্তিবে যতনে।।
মোৰ যশ গায়া যিটো কৰৈ গীত নৃত্য।
নাহি তাৰ ভয় সিটো ভৈল কৃতকৃত্য।।১৮১৯।।
শুনিয়ো উদ্ধৱ আৰো ৰহস্য ভকতি।
কৰিবা অভ্যাস তুমি স্থিৰ কৰি মতি।।
সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সৱাকো মানিবা তুমি বিষ্ণুবুদ্ধি কৰি।।১৮২০।।
ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল একজ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্ব্বজন।।১৮২১।।
বিশেষত মনুষ্যগণত যিটো নৰে।
বিষ্ণুবুদ্ধিভাৱে সৰ্ব্বদায়ে মান্য কৰে।।
ঈৰিষা অসূয়া তিৰস্কাৰ অহঙ্কাৰ।
সৱে নষ্ট হোৱৈ তেৱে তাৰক্ষণে তাৰ।।১৮২২।।
দেখি সখিগণে জোনো হাসৈ আসি বেঢ়ি।
মই সাধু ইটো চোৰ হেন লজ্জা এৰি।।
কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সৱাকো পৰি কৰিবা প্ৰণাম।।১৮২৩।।



সমস্ত ভূততে বিষ্ণুবুদ্ধি নোহে যাৱে।
কায়বাক্যমনে অভ্যাসিবা এহিভাৱে।।
বিষ্ণুময় দেখৈ যিটো সমস্তে জগত।
জীৱন্তে মুকুত হোৱৈ অচিৰ কালত।।১৮২৪।।
সকল প্ৰাণীক দেখিবেক আত্মসম।
উপায় মধ্যত ইটো আতি মুখ্যতম।।
মোৰ ইটো ধৰ্ম্মৰ অল্পৰো নাহি হানি।
যিহেতু সাক্ষাতে মই কৈলো তত্ত্ববাণী।।১৮২৫।।
দাম্ভিক শঠত নকহিবা ইটো তত্ত্ব।
সদা উপদেশ দিবা বৈষ্ণৱ জনত।।
স্ত্ৰী শূদ্ৰো কৰৈ যদি আমাত ভকতি।
তাহাত কহিবা ইটো জ্ঞান মহামতি।।১৮২৬।।
আক ভক্তি কৰি পঢ়ে যিটো জ্ঞানীলোক।
মহাশুদ্ধ হুয়া জ্ঞানদীপে দেখৈ মোক।।
জানিলা উদ্ধৱ আৱে দিলো উপদেশ।
তোম্ভাৰ কি শোক মোহ গুচিল নিঃশেষ।।১৮২৭।।
ব্ৰহ্মা হৰ হলায়ুধ লক্ষ্মী প্ৰিয় জায়া।
পৰম সুন্দৰ মোৰ দেখা ইটো কায়া।।
সৱাতো অধিক মোৰ তুমি প্ৰিয়তম।
নাহি আন বান্ধৱ উদ্ধৱ তুমি সম।।১৮২৮।।

ভকতেসে মোৰ হৃদি জানিবা নিশ্চয়।
ভকতজনৰ জানা আমিসে হৃদয়।।
মঞি বিনা ভকতে নিচিন্তে কিছু আন।
ভকতত পৰে মই নিচিন্তোহো আন।।১৮২৯।।

।। পঞ্চম কীৰ্ত্তন।।

ঘোষা।। কমলাপতি হোক গতি ৰাম।
মোৰ মতি তোহ্মাৰ চৰণে[১৬৮]।।১৫২।।

পদ ।।উদ্ধৱে কৃষ্ণৰ শুনি বাণী।
কৃতাঞ্জলি ভৈলা মহামানী।।
মাতিবে নোৱাৰি আছা ৰহি।
চক্ষুৰ লোতক পৰৈ বহি।।১৮৩০।।
স্নেহত আকুল ভৈল মন।
ধৈৰ্য্য ধৰি ভৈলা সন্ধুক্ষণ।।
আগবাঢ়ি গৈলা ধীৰে ধীৰে।
কৃষ্ণৰ চৰণ ছুই শিৰে।।১৮৩১।।
বুলিলা কৰিয়া নমস্কাৰ।
গুচাইলা মোহ অন্ধকাৰ।।

১৬৮। পা. কমলাপতি হৌক গতি।
ৰাম মোৰ মতি তোহ্মাৰ চৰণে।।



সূৰ্য্যৰ কাছত যিটো থাকে।
তাক কি আন্ধাৰে আৰ ঢাকে।।১৮৩২।।
কিনো কৃপা ভৃত্যক কৰিলা।
বিজ্ঞান প্ৰদীপ মোক দিলা।।
প্ৰভু এড়ি তোহ্মাৰ পাৰক।
কোনজনে ভজিবে আনক।।১৮৩৩।।
ছিণ্ডিলা সুদৃঢ় মোহপাশ।
বিষয়ত কৰিলা উদাস।।
দূৰ ভৈল বান্ধৱৰ স্নেহ।
দেখো ভিন্ন আপুনাৰ দেহ।।১৮৩৪।।
নমো নমো যোগেশ্বৰ হৰি।
ভৃত্যক শিখাৱা ভাল কৰি।।
মুক্ত অৱস্থাতো মোৰ মন।
নেৰেঁ যেন তোহ্মাৰ চৰণ।।১৮৩৫।।
মাধৱে বোলন্ত এহি হৌক।
বদাৰিকাশ্ৰমক যায়োক।।
অলকানন্দাক দৰশনে।
এড়িবে সমস্ত পাপগণে।।১৮৩৬।।
পিন্ধিবাহা বাকলি বসন।
বন্যফল কৰিবা ভোজন।।

থাকিবাহা ইন্দ্রিয়ক দমি।
হৈবা শান্ত মনক নিয়মি।।১৮৩৭।।
আম্মাক স্মৰিবা বাক্যমনে।
মোৰ ৰূপ চিন্তিবা যতনে।।
সংসাৰৰ বন্ধে হৈবা হীন।
তেৱে চিত্ত মোতে যাইব লীন।।১৮৩৮।।
যিটো জ্ঞান শিখাইলো তোম্মাক।
বিচাৰিয়া অভ্যাসিবা তাক।।
পাইবা তাৰ অল্পতে প্ৰমাণ।
এতিক্ষণে এৰা ইটো স্থান।।১৮৩৯।।
তৰিবাহা সংসাৰৰ ক্লেশ।
দিবাহা লোকক উপদেশ।।
ভণিল শঙ্কৰে কৃষ্ণ পদে।
হৰি হৰি বোলা সভাসদে।।১৮৪০।।

।।ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।।ত্ৰাহি হৰি জগন্নাথ।।১৫৩।।
পদ ।।হেন যেৱে বুলিলা মাধৱে।
কৰযোড়ে উঠিলা উদ্ধৱে।।



বান্ধৱৰ স্নেহে ভৈলা হীন।
কৰিলা কৃষ্ণক প্ৰদক্ষিণ।।১৮৪১।।
পড়ি প্ৰণামিলা মহাবীৰ।
কৃষ্ণৰ চৰণে থৈয়া শিৰ।।
স্নেহে ভৈল আকুল স্বভাৱ।
লোতকে তিয়াইলা দুয়ো পাৱ।।১৮৪২।।
আজি এড়ো প্ৰভুৰ চৰণ।
এহি বুলি জুড়িলা ক্ৰন্দন।।
যদ্যপি জানিলা মহাজ্ঞান।
তথাপিতো ছাড়ে যেন প্ৰাণ।।১৮৪৩।।
ভৈলন্ত বিহ্বল আতি স্নেহে।
যাইবাক খোজন্তে হৃদি দহে।।
কৃষ্ণক এড়িবে নপাৰন্ত।
চৰণত পড়িয়া কান্দন্ত।।১৮৪৪।।
হৃদিতাপ কৰন্ত উদ্ধৱে।
চলা চলা বোলন্ত মাধৱে।।
কৃষ্ণৰ সুদৃঢ় আজ্ঞা জানি।
উঠি আখি মুচি মহামানী।।১৮৪৫।।
প্ৰভুৰ পাদুকা শিৰে বান্ধি।
প্ৰণামি লড়িলা কান্দি কান্দি।।

আগক নবাঢ়ে আৰ ভৰি।
কৰন্ত প্ৰণাম দুনাই পড়ি।।১৮৪৬।।
উঠি যান্ত ভৰি পাঞ্চ ছয়।
আৰকা পৰন্ত মহাশয়।।
কৃষ্ণৰ চৰণ এড়ি যান্ত।
নযায় ভৰি উলটি চাহন্ত।।১৮৪৭।।
ধৰিবাক নৱাৰন্ত চিত্ত।
দণ্ডৱতে পৰন্ত ভূমিত।।
দুনাই উঠি কৰন্ত গমন।
কৃষ্ণৰ বিয়োগে দহে মন।।১৮৪৮।।
কৃষ্ণে যিটো শিখাইলন্ত জ্ঞান।
কৰিলা হৃদয়ে তাক ধ্যান।।
কৃষ্ণৰ খৰম মাথে লৈয়া।
দ্বাৰকাৰ বাজ ভৈলা গৈয়া।।১৮৪৯।।
যাদৱ বংশক কৃষ্ণে আনি।
বুলিলা মাধৱে হেন বাণী।।
দেখা কেন ঘোৰ উতপাত।
দ্বাৰকাত মিলিবে বিঘাত।।১৮৫০।।
স্ত্ৰী বাল বৃদ্ধ আছে যত।
থাকোক ৰহিয়া দ্বাৰকাত।।



প্ৰভাসক চলি যাওঁ আমি।
স্নান দান কৰো জলে নামি।।১৮৫১।।
দানেসে দুৰ্গতি সৱে হৰে।
ঐৰ আসা অন্তৰো সত্বৰে।।
শুনি বাল বৃদ্ধ তিৰী যত।
সৱে আসি ৰৈলা দ্বাৰকাত।।১৮৫২।।
যতেক পুৰুষ বলিয়াৰ।
নাৱে ভৈলা সাগৰৰ পাৰ।।
ৰথে চড়ি গৈলা প্ৰভাসক।
অৰ্চ্চিলন্ত দেৱ ব্ৰাহ্মণক।।১৮৫৩।।
কৃষ্ণকথা শুনা সৰ্ব্বজনে।
উদ্ধাৰিবে কৃষ্ণৰ কীৰ্ত্তনে।।
মোক্ষ পাইবা গৃহবাসে থাকি।
জানি হৰি হৰি বোলা ডাকি।।১৮৫৪।।

।।সপ্তম কীৰ্ত্তন।।

ঘোষা।।মন শ্ৰীৰাম কৃষ্ণ হৰি বুলিয়ো যতনে।
ধৰিয়ো একান্ত চিত্তে কৃষ্ণৰ চৰণে।।১৫৪।।
পদ ।।ভৈল কালগ্ৰস্ত সৱে যত যদুজাক।
গণ্ডগোল কৰি পিলে বাৰুণী সুৰাক।।

মাধৱৰ মায়ায়ে কৰিলা বুদ্ধিহত।
মদ্য লাগি ভৈল সৱে পৰম উন্মত্ত।।১৮৫৫।।
উঠিল দুঃসহ[১৬৯] ক্ৰোধ হৰিল চেতন।
অন্যোঅন্যে কৰে সৱে অনেক গৰ্জ্জন।।
অস্ত্ৰ শস্ত্ৰ ধৰি সৱে ৰণত প্ৰবুদ্ধ।
আপুনাৰ মাজত লগাইলে ঘোৰ যুদ্ধ।।১৮৫৬।।
টঙ্কাৰিয়া ধনুক বৰিষৈ শতধাৰে।
গদা মুদ্‌গৰ অসি পৰশু প্ৰহাৰে।।
সাম্ব কামদেৱৰ লাগিল ঘোৰযুদ্ধ।
কৰৈ ঘোৰ সমৰ সাত্যকি অনিৰুদ্ধ।।১৮৫৭।।
সুভদ্ৰ সংগ্ৰামজিতে কৰে হুলস্থূল।
সুমিত্ৰ সুৰথে দুয়ো কৰন্ত তুমুল।।
উল্মুকে নিশঠে ভৈল দুৰ্ঘোৰ কন্দল।
শতজিত সমে যুজে ভানু মহাবল।।১৮৫৮।।
অক্ৰূৰে সহিতে কৃতবৰ্ম্মা মহাবীৰ।
কৰন্ত সমৰ কোপে কম্পিত শৰীৰ।।
ভৈল সৱে উন্মত্ত চেতন নাহি গাত।
বৰিষন্ত নিশিত শায়ক অসংখ্যাত।।১৮৫৯।।

১৬৯। পা. উঠিল পৰম



পৰিঘ পট্টিশ অসি কৰন্ত প্ৰহাৰ।
অন্যোঅন্যে শত্ৰুবুদ্ধি চিন্তৈ মহামাৰ।।
তৰ্জ্জয় গৰ্জ্জয় কতো কৰে হতাহতি।
মাধৱৰ মায়ায়ে মোহিত ভৈলা আতি।।১৮৬০।।
ভোজ বৃষ্ণি অন্ধক সাত্ত্বত যদুবংশ।
বিষ্ণুৰ মায়ায়ে সৱে ভৈল বুদ্ধি ভ্ৰংশ।।
হুয়া আতি বিস্মৃতি পিতৃক পুত্ৰে মাৰে।
শশুৰে জামাইক ভাই ভ্ৰাতৃক প্ৰহাৰে।।১৮৬১।।
শ্যালকে ভিনীসি মাৰে আৰ্য্যকক নাতি।
খুড়ায়ে ভাতিজে কটাকটি কৰে আতি।।
মিত্ৰে মিত্ৰে কৰৈ যুদ্ধ ভাগিনে মাতুলে।
সুহৃদ সোদৰে যেন নচাৰৈ বাতুলে।।১৮৬২।।
ঢুকুৰাইলা অস্ত্ৰ ধনু ভাঙ্গিল কোবত।
প্ৰহাৰৈ মাদুৰি ধৰি পৰম ক্ৰোধত।।
শৰীৰত পৰৈ যেন বজ্ৰৰ সন্ধান।
বিমূৰ্চ্ছিত হুই যদুগণে ছাড়ে প্ৰাণ।।১৮৬৩।।
পাছে ৰামকৃষ্ণে উঠি হাতক উচ্চাই।
মাজে পশি সৱাকো বাধন্ত দুয়োভাই।।
দেখি যদু বীৰগণো ক্ৰোধে খেদি গৈল।
শত্ৰুবুদ্ধি তাসম্বাক মাৰিবাক লৈল।।১৮৬৪।।

খঙ্গি ৰাম মাধৱো মাদুৰি লৈলা তুলি।
অনেক যাদৱী সেনা মাৰিলা সমুলি।।
বিপ্ৰশাপে অন্যোঅন্যে বংশ ভৈলা ছন।
বাংশৰ অগনি যেন পোৰে বাংশবন।।১৮৬৫।।
সাগৰৰ তীৰক ঢাকিল মৰা শৰে।
এৰেসে গুচিল ভাৰ জানিলা মাধৱে।।
পাছে বলভদ্ৰ গৈলা সাগৰৰ তীৰ।
যোগ চিন্তি এড়িলন্ত মনুষ্য শৰীৰ।।১৮৬৬।।
কৃষ্ণৰ অদ্ভুত লীলা শুনা সৰ্ব্বজন।
প্ৰাণ থাকে মানে কেহো নেৰিবা কীৰ্ত্তন।।
হেন জানা অন্তকে কেশত আছে ধৰি।
এড়ায়ো যমৰ দায় ডাকি বোলা হৰি।।১৮৬৭।।

।।অষ্টম কীৰ্ত্তন।।

ঘোষা।। ৰাম হৰি বোলা মুখে।[১৭০]
সংসাৰ তৰিয়ো সুখে।।১৫৫।।
পদ ।।দেখিলা কৃষ্ণে ৰাম মহাভাগ।
কৰিলা যোগবলে তনু ত্যাগ।।

১৭০। পা. হৰি হৰি বোলা মুখে।



মাধৱো পাছে প্ৰভাসৰ জলে।
স্নান কৰি গৈলা অশ্বত্থ তলে।।১৮৬৮।।
মাটিত বসিয়া ভৈলন্ত চুপ।
ধৰিলা দিব্য চতুৰ্ভুজ ৰূপ।।
দেহাৰ জ্যোতি জ্বলৈ দিশপাশ।
বিধুম বহ্নিৰ যেন প্ৰকাশ।।১৮৬৯।।
নৱমেঘ যেন শ্যাম আকৃতি।
তাতে পীত বস্ত্ৰে কৰৈ দীপিতি।।
বদন পঙ্কজ আছে প্ৰকাশি।
নুগুচৈ সদায় ঈষত হাসি।।১৮৭০।।
প্ৰকাশৈ কপালে অলকা পান্তি।
পদ্মক নিন্দে নয়নৰ কান্তি।।
কিৰীটি শিৰে সম নাহি তুলে।
কৰ্ণত মকৰ কুণ্ডল দোলে।।১৮৭১।।
আজানুলম্বী চাৰু চাৰি হাত।
কেয়ূৰ কঙ্কণে প্ৰকাশৈ তাত।।
আঙ্গুলিগণক দেখন্তে তুষ্টি।
ৰত্নময় পিন্ধি আছে আঙ্গুষ্ঠি।।১৮৭২।।
কম্বুকণ্ঠে আতি কৌস্তুভ জ্বলে।
মুকুতাৰ হাৰ শোভৈ উৰঃস্থলে।।

গলত বনমালা কৰৈ কান্তি।
হিয়াত প্ৰকাশৈ শ্ৰীবৎস পান্তি।।১৮৭৩।।
কান্ধে নৱগুণ উত্তৰী পীত।
ৰত্নৰ মেখলা জ্বলৈ কটিত।।
নূপুৰ ৰঞ্জে পাদ পদ্ম দুই।
ভকতে যাক দেখি সুখী হুই।।১৮৭৪।।
যতেক অস্ত্ৰ চক্ৰ আদি কৰি।
চৌপাশে উপাসন্ত মূৰ্ত্তি ধৰি।।
দক্ষিণ উৰুত থৈয়া চৰণ।
বসি আছা হৰি ধৰি আসন।।১৮৭৫।।
মৃগ মুখাকাৰ দেখিয়া ভৰি।
মাৰিল ব্যাধে শৰ লক্ষ্য কৰি।।
সন্ধানে কৃষ্ণৰ পাৱক ভেদি।
পড়িল বুলি ব্যাধ আইলা খেদি।।১৮৭৬।।
দেখি বসি আছা জগন্নিৱাস।
পেল্লাইলা ধনু হুয়া মহাত্ৰাস।।
ডৰিল জীৱ ভৈল যেন মৰা।
কৃষ্ণৰ আগত পড়িল জৰা।।১৮৭৭।।
শুনা সৰ্ব্বজনে হৰি চৰিত।
আতপৰে ধৰ্ম্ম নাহি কলিত।।



কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
বোলা হৰি হৰি সমস্ত নৰে।।১৮৭৮।।

।।নৱম কীৰ্ত্তন।।

ঘোষা।।প্ৰণামো ৰাম প্ৰভু পদ্মপাণি।।১৫৬।।

পদ ।।অনেক বিনয় কৰিলা ব্যাধ।
ক্ষমিয়ো হৰি মোৰ অপৰাধ।।
অধম পাপী মই দামোদৰ।
নজানি তোহ্মাক কৰিলো শৰ।।১৮৭৯।।
মনুষ্য লোকত যত অজ্ঞান।
যাহাক স্মৰণে কৰে নিৰ্য্যাণ।।
হেন মাধৱৰ দ্ৰোহ আচৰি।
কেনে জীওঁ এভো নযাওঁ মৰি।।১৮৮০।।
চাহিবে নলাগে কাটিয়ো মোক।
পাপীৰ মোৰ প্ৰায়শ্চিত্ত হোক।।
আউৰ যেন মই অধম পাপ।
নকৰো মহন্তক উপতাপ।।১৮৮১।।
শঙ্কৰ ব্ৰহ্মা আদি দেৱগণ।
যাহাৰ মায়ায়ে মোহিত মন।।

নজানন্ত যাৰ মহিমা আতি।
জানিবো কিবা আমি অন্ত্যজাতি।।১৮৮২।।
মাধৱে বোলন্ত শুনিয়ো জৰা।
উঠিয়ো সত্বৰে ভয় নকৰা।।
কৰিলি আহ্মাৰ বাঞ্ছা সফল।
মোৰ বোলে আৱে স্বৰ্গক চল।।১৮৮৩।।
শুনিয়া মাধৱক ভয়ে হীন।
কৰিলা তিনিবাৰ প্ৰদক্ষিণ।।
প্ৰণামিয়া পাছে বিমানে চড়ি।
সশৰীৰে গৈলা স্বৰ্গক লড়ি।।১৮৮৪।।
কৃষ্ণৰ সাৰথি পাছে দাৰুকে।
ৰথে চড়ি চাই ফুৰৈ নিচুকে।।
কৃষ্ণৰ বিচাৰ কৰি প্ৰবন্ধে।
পাইলন্ত গৈয়া তুলসীৰ গন্ধে।।১৮৮৫।।
সন্মুখ হুয়া দেখিলন্ত পাছে।
মূৰ্ত্তি ধৰি অস্ত্ৰ চৌপাশে আছে।।
প্ৰকাশৈ দেহা যেন পূৰ্ণশশী।
অশ্বত্থ তলত আছন্ত বসি।।১৮৮৬।।
বজাইলা লোতক আকুল ভাৱে।
পড়িলা দাৰুক কৃষ্ণৰ পাৱে।।



কান্দিলা হুমাহুমি অধোমুখে।
মাতিলা পাছে মহা মনোদুখে।।১৮৮৭।।
তোহ্মাৰ চৰণ নেদেখি স্বামী।
গুচিল চক্ষু অন্ধ ভৈলো আমি।।
নজানোহো একো বিদিশ দিশ।
নাহি সুখ শান্তি জগতঈশ।।১৮৮৮।।
যেন চন্দ্ৰ বিনা ৰাতি আন্ধাৰ।
তুমি মুখ্য প্ৰভু প্ৰাণ আহ্মাৰ।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে।।১৮৮৯।।

।।দশম কীৰ্ত্তন।।

ঘোষা।। হৰি গোৱিন্দ জয় কৃষ্ণ গোপাল ৰাম।।১৫৭।।

পদ ।।এহিমতে দাৰুকে বোলন্তে পাছে ৰথ।
আকাশে ধৰিলা বেগে বৈকুণ্ঠৰ পথ।।
পাছতে লড়িলা চক্ৰ আদি অস্ত্ৰচয়।
দেখিয়া দাৰুক ভৈলা পৰম বিস্ময়।।১৮৯০।।
তবধ নয়নে চাই আছে উপৰক।
মাধৱে বুলিলা পাছে বাক্য দাৰুকক।।

চলিয়োক দাৰুক সত্বৰে দ্বাৰকাক।
বান্ধৱত কহা গৈয়া আহ্মাৰ বাৰ্ত্তাক।।১৮৯১।।
অন্যোঅন্যে জ্ঞাতিগণ মৰিল সমস্ত।
প্ৰত্যক্ষে দেখিলা বলভদ্ৰো গৈলা অস্ত।।
শৰঘাৰে ভৈলো আমি মৃতক সমান।
পিতৃক মাতৃক গৈয়া তুমি দিয়া জান।।১৮৯২।।
দ্বাৰকাত আউৰ নথাকিবা একো নৰে।
মঞি এড়িলাত আসি বুড়াইবে সাগৰে।।
সবন্ধু বান্ধৱে সাগৰত হৈবা পাৰ।
নেড়িবাহা বৃদ্ধ পিতৃ মাতৃক আহ্মাৰ।।১৮৯৩।।
আসিব অৰ্জ্জুন সখি দেখিবাক মোক।
তান লগে যাইবা দ্বাৰকাৰ যত লোক।।
ৰাখি নিবা পথে ধনঞ্জয় মহাৰথ।
বঞ্চিবাহা তুমি সৱে গৈয়া ইন্দ্ৰপ্ৰস্থ।।১৮৯৪।।
তুমি আচৰিবা ভাগৱত ধৰ্ম্মচয়।
জ্ঞাননিষ্ঠ হুয়া সৱে এড়িবা বিষয়।।
মায়াৰ ৰচনা ইটো জগতকে জানি।
পাছে মোক পাইবা তুমি কৈলো সত্যবাণী।।১৮৯৫।।
শুনিলা দাৰুকে পাছে কৃষ্ণৰ আদেশ।
কৰযোড়ে উঠিলা মনত মহা ক্লেশ।।



প্ৰদক্ষিণ প্ৰভুক কৰিলা সাতবাৰ।
দুনাই দুনাই পড়িয়া কৰন্ত নমস্কাৰ।।১৮৯৬।।
শিৰত আছিলা ধৰি দুখানি চৰণ।
লোতকে চল্লল আখি কৰন্ত ক্ৰন্দন।।
চলিলোহো মঞি প্ৰাণপ্ৰভুক উপেক্ষি।
ইজন্মত ভৈলো পৰিচ্ছেদ দেখাদেখি।।১৮৯৭।।
এহি বুলি লড়িলা কৃষ্ণৰ পাৰ এড়ি।
হা কৃষ্ণ বুলিয়া পাড়ন্তে যাই গেড়ি।।
অনন্তৰে যতেক আছিল দেৱজাক।
তহিতে মিলিল আসি আৱৰি ব্ৰহ্মাক।।১৮৯৮।।
সিদ্ধমুনি বিদ্যাধৰ কিন্নৰ চাৰণ।
পাৰ্ব্বতী সহিতে আসিলন্ত ত্ৰিনয়ন।।
কৃষ্ণৰ নিৰ্য্যাণ দেখিবাক অভিলাষে।
বিমানে বেঢ়িয়া আসি বহিলা আকাশে।।১৮৯৯।।
মাধৱৰ চৰিত্ৰ শুনিয়ো সৰ্ব্বজন।
নেড়িবা সদায় কেহো কৃষ্ণৰ কীৰ্ত্তন।।
কলিযুগে আনধৰ্ম্ম নাহি আতপৰে।
হেন জানি হৰি হৰি বোলা নিৰন্তৰে।।১৯০০।।

।।একাদশ কীৰ্ত্তন।।

ঘোষা।।কৃষ্ণ নাথ যাদৱ মাধৱ মধুৰিপু।।১৫৮।।

পদ ।।মাধৱক চাই দেৱগণে।
কৰিলা প্ৰণাম ৰঙ্গমনে।।
ৰূপ দেখি চান্ত এক দৃষ্টি।
কৰন্ত আনন্দে পুষ্পবৃষ্টি।।১৯০১।।
কৰযোড়ে আতি ভক্তি ভাৱে।
জুমাজুমি কৃষ্ণ গুণ গাৱে।।
কতো হৰি কীৰ্ত্তন কৰন্ত।
তাৰ ছেৰে কতোহো নাচন্ত।।১৯০২।।
বাজৈ যন্ত্ৰ আকাশক ছানি।
কৰৈ দেৱে দুন্দুভিৰ ধ্বনি।।
ঘনে ঘনে পুষ্প বৰিষন্ত।
জয় কৃষ্ণ বুলি জঙ্কাৰন্ত।।১৯০৩।।
শুনি হৰি উপৰক চাইল।
ব্ৰহ্মাক আগতে ভেট পাইল।।
আন সব দেৱতাক দেখি।
মুদিলন্ত কৃষ্ণে দুয়ো আখি।।১৯০৪।।
পাছে যোগ ধাৰণা ধৰিলা।
আপুনাক আত্মাতে থাপিলা।।



নিমিষেকে নৰচেষ্টা এড়ি।
বৈকুণ্ঠত প্ৰৱেশিলা হৰি।।১৯০৫।।
যেন মেঘে বিজুলী ছটাক।
নৱাৰিল কেৱে লক্ষিবাক।
কৃষ্ণৰ গতিক সব দেৱে।
সেহিমতে নলক্ষিল কেৱে।।১৯০৬।।
যিটো দেহা ধ্যানৰ আলয়।
দেখি হোন্ত আপুনি বিস্ময়।।
হেন তনু ভৈলা অন্তৰ্দ্ধান।
বিজুলী ছটাক যেন থান।।১৯০৭।।
শ্ৰীধৰ্ম সত্য ধৃতি যত।
সৱে গৈল কৃষ্ণৰ লগত।।
হেন দেখি যত দেৱগণে।
সৱাৰো বিস্ময় ভৈলা মনে।।১৯০৮।।
কৃষ্ণৰ অদ্ভুত যোগ গতি।
দেখি সৱে প্ৰশংসিলা আতি।।
স্বকী স্বকী স্থানে চলি গৈলা।
শুকমুনি নৃপতিত কৈলা।।১৯০৯।।
ৰাজা আত বিস্ময় নকৰা।
মৰা পুত্ৰ অন্তকৰো পৰা।।

গুৰুক দক্ষিণা আনি দিলা।
স্বদেহে ব্যাধকো স্বৰ্গে নিলা।।১৯১০।।
ব্ৰহ্ম অস্ত্ৰে দহন্তে তোহ্মাক।
ৰাখিলন্ত ধৰিয়া গদাক।।
হেন হৰি দেৱ আদি মূল।
নৰাখিলা ইটো যদুকুল।।১৯১১।।
মনুষ্যত নাই স্বস্থ গতি।
অন্তকালে সৱে বিসঙ্গতি।।
হেনসে দেখাই দেৱহৰি।
গৈলা লড়ি কুলক সংহৰি।।১৯১২।।
ইটো লীলা কৃষ্ণৰ চৰিত।
কৰয় কীৰ্ত্তন যিটো নিত।।
তাৰ হুইবে বৈকুণ্ঠত বাস।
হেন জানি তেজিয়ো আলাস।।১৯১৩।।
হৰিৰ কীৰ্ত্তন সদা কৰা।
বৃথা কথা কহিয়া নমৰা।।
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
হৰি হৰি বোলা নিৰন্তৰে।।১৯১৪।।



।।দ্বাদশ কীৰ্ত্তন।।

ঘোষা।। মন মাধৱ ৰাম।
ৰাম জপ অৱিশ্ৰাম।।১৫৯।।

পদ ।।শুকমুনি বদতি শুনিয়ো পৰীক্ষিত।
পাপৰ অন্তক ইটো কৃষ্ণৰ চৰিত।।
এহিমতে মাৰিলে যতেক যদুজাক।
অনন্তৰে দাৰুক গৈলন্ত দ্বাৰকাক।।১৯১৫।।
গোৱিন্দৰ বিয়োগে বিহ্বল আতি দুঃখে।
চাই আছে নৰনাৰী কৰি উৰ্দ্ধমুখে।।
বসুদেৱ উগ্ৰসেনো আছে দুঃখভাৰে।
পড়িল দাৰুক গৈয়া দুহান্তৰো পাৰে।।১৯১৬।।
চক্ষুৰ লোতকে তিয়াইলন্ত দুইৰো ভৰি।
কান্দিলা অনেক ৰাম কৃষ্ণক সুমৰি।।
দাৰুকক বেঢ়িয়া সোধন্ত নাৰী নৰে।
কি ভৈল সাৰথি কথা কহিয়ো সত্বৰে।।১৯১৭।।
মুচিলন্ত আখি আতি গদগদ মাত।
কহিলা দাৰুকে পাছে সকল বৃত্তান্ত।।
কি কহিবো কথা মোৰ দহয় হৃদয়।
অন্যোঅন্যে যদুগণ গৈল যমালয়।।১৯১৮।।

নবৈল জনৈক নিৰন্তৰে ভৈলা হত।
হেন শুনি অগ্নি যেন লাগিল গাৱত।।
ক্ৰন্দনৰ উৰ্মি উথলিল আতি বড়।
প্ৰভাসক লাগি সৱে দিলেক লৰৰ।।১৯১৯।।
গালত চাপৰ মাৰৈ শোকে শ্ৰুতি নাই।
হা পতি পুত্ৰ বুলি গেৰিয়ান্তে যায়।।
এহিমতে গৈয়া সৱে দেখিলন্ত পাছে।
প্ৰভাসৰ তীৰক মৃতকে বেঢ়ি আছে।।১৯২০।।
মৰা পতি পুত্ৰ সোদৰৰ গলে ধৰি।
কান্দে নাৰীগণে আতি আৰ্ত্তৰাৱ কৰি।।
মহাশোকে বসুদেৱ দৈৱকী ৰোহিণী।
বলভদ্ৰ কৃষ্ণক চাহন্তে ফুৰে তিনি।।১৯২১।।
নপাইলন্ত লাগ খুজি কৰিয়া বিচাৰ।
হৰাইল চেতন শোকে দেখে অন্ধকাৰ।।
তিনিয়ো তেজিল প্ৰাণ কৃষ্ণ কৃষ্ণ বুলি।
মাটিত উফৰি পড়ি মৰিল সমূলি।।১৯২২।।
ক্ৰন্দন এড়িয়া নাৰীগণ অসংখ্যাত।
স্বামীক আলিঙ্গি আৰোহিলন্ত চিতাত।।
ৰেৱতী প্ৰমুখ্যে আছে যত নাৰীগণ।
ৰামক আলিঙ্গি প্ৰৱেশিলা হুতাশন।।১৯২৩।।



কৃষ্ণ মাতৃগণে বসুদেৱক আৱৰি।
চিতাত উঠিয়া সৱে গৈলন্ত সৈতাৰি।।
ৰতি আদি মাধৱৰ পুত্ৰবধু যত।
গৈলা সৱে স্বকী স্বকী স্বামীৰ লগত।।১৮২৪।।
ৰুক্মিণী প্ৰমুখ্যে অষ্ট মহিষী কৃষ্ণৰ।
নপাইল বিচাৰি মাধৱৰ কলেৱৰ।।
প্ৰৱেশিলা বহ্নিত স্বামীক কৰি ধ্যান।
কৃষ্ণক চিন্তিয়া সৱে এড়িলন্ত প্ৰাণ।।১৯২৫।।
এহিমতে এৰি যেৱে গৈলা দামোদৰে।
ক্ষণেকতে দ্বাৰকাক বুৰাইল সাগৰে।।
নৰহিল কিছু তল গৈল সামৰাজে।
ৰুক্মিণী দেৱীৰ মুখ্য মন্দিৰত বাজে।।১৯২৬।।
নেৰন্ত যাহাক মধুসূদনে ক্ষণেক।
অদ্যাপিও সাগৰত দেখিয় প্ৰত্যেক।।
সূৰ্য্য সম জ্বলে সিটো কৃষ্ণৰ আলয়।
যাক দৰশনে কৰৈ পাপৰ প্ৰলয়।।১৯২৭।।
কৃষ্ণৰ নিৰ্য্যাণ শুনিয়োক সৰ্ব্বজনে।
তৰিবা সংসাৰ আৰ শ্ৰৱণ কীৰ্ত্তনে।।
গৃহতে থাকিয়া সুখে মহাপুণ্য সাঞ্চা।
বোলা হৰি হৰি যম যাতনাক বঞ্চা।।১৯২৮।।

।।ত্ৰয়োদশ কীৰ্ত্তন।।

ঘোষা।। ৰামে হোক মতি
ৰাম চৰণে গতি।।১৬০।।[১৭১]

পদ ।।অৰ্জ্জুনে শুনিল হেন কৃষ্ণৰ প্ৰয়াণ।
ভৈলন্ত বিহ্বল শোকে নাহি শ্ৰুতি জ্ঞান।।
মহামৰ্ম্মে কৃষ্ণক সুমৰি কুন্তীসুত।
হা প্ৰাণ কৃষ্ণ বুলি কান্দিলা বহুত।।
কহি আছে মাধৱে গীতাত যিটো জ্ঞান।
প্ৰবন্ধে হিয়াত তাক কৰিলন্ত ধ্যান।।
চিৰকালে চিত্তক কৰিয়া বীৰে স্বস্থ।
প্ৰেতকাৰ্য্য জ্ঞাতিৰ কৰাইলা মহাৰথ।।১৯৩০।।
অনুক্ৰমে দিয়াইলন্ত পিণ্ড জলাঞ্জলি।
কৃষ্ণৰ আদেশ পাছে শুনি মহাবলী।।
স্ত্ৰী বাল্য বৃদ্ধক কৰিয়া বীৰে স্বস্থ।
সৱাকো লগতে লৈয়া গৈলা ইন্দ্ৰপ্ৰস্থ।।১৯৩১।।
তহিতে থৈলন্ত নিয়া যত যদুচয়।
পাছে যুধিষ্ঠিৰক দেখিয়া ধনঞ্জয়।।
চৰণত নিঢালে পৰিলা অধোমুখে।
সমিধান নেদন্ত মনত মহাদুঃখে।।১৯৩২।।

১৭১। পা. এ ৰামে হৌক মতি, ৰাম চৰণে গতি।।



আকুল হৃদয় ভৈলা দেখি যুধিষ্ঠিৰ।
ভ্ৰাতৃত পুছন্ত পাছে কৰি চিত্ত স্থিৰ।।
বান্ধৱৰ বাৰ্ত্তাক অৰ্জ্জুন মোত কহ।
কুশলে কি আছে সিটো সুৰ মাতামহ।।১৯৩৩।।
মমা বসুদেৱ কিবা আছন্ত কল্যাণে।
ভালে কি আছয় তান পত্নীগণ মানে।।
সাম্ব কাম অনিৰুদ্ধ ভালে কি আছন্ত।
সময়ত তেসম্বে কি মোক সুমৰন্ত।।১৯৩৪।।
গোৱিন্দৰো বাৰ্ত্তা বাপ কহিয়ো আম্মাত।
সুখে কি আছন্ত কৃষ্ণ দেৱ দ্বাৰকাত।।
যদুবীৰগণ যাৰ বাহুক আশ্ৰয়।
পৰম আনন্দে সৱে নিৰ্ভয়ে ক্ৰীড়য়।।১৯৩৫।।
সত্যভামা সতী যাৰ চৰণ সেৱাত।
দ্বাৰতে ৰুৱাইলা শচীৰ পাৰিজাত।।
হেন প্ৰাণ কৃষ্ণৰ সত্বৰে কহ কথা।
কিয় হেন ভৈল বাপ তোম্মাৰ অৱস্থা।।১৯৩৬।।
চিৰকাল প্ৰৱাসত কিবা পাইলি দুঃখ।
তনু তোৰ নিস্তেজ মলিন দেখো মুখ।।
প্ৰাৰ্থকক নেদিলাহা প্ৰতিশ্ৰুত দান।
নকৰিলা প্ৰাণীক ভয়ত পৰিত্ৰাণ।।১৯৩৭।।

অতিথিক নেদি কিবা কৰিলা ভোজন।
সিজিলা পাতক কিবা অগম্যাগমন।।
অধমে জিনিলে কিম্বা আসন্তে পথত।
কিসক মিলিল বাপ দুঃখ হেনমত।।১৯৩৮।।
কহিয়োক বাপু এৱে দুঃখৰ কাৰণ।
বুলিবে খোজন্তে নোল্লায় মুখত বচন।।
চক্ষুক মলচি পাছে শোকক তন্তাই।
কাঢ়িল নিশ্বাস বীৰে নৃপতিক চাই।।১৯৩৯।।
সৌহৃদ্য সখিত্ব সুমৰিয়া মাধৱৰ।
বোলন্ত অৰ্জ্জুনে ৰাজা শুনা অথন্তৰ।।
ভণিল শঙ্কৰে কৃষ্ণ চৰণত ধৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি।।১৯৪০।।

।।চতুৰ্দ্দশ কীৰ্ত্তন।।

ঘোষা।।গোপাল হৰি কৰো প্ৰণাম।
নেড়োক মুখে ৰামকৃষ্ণ নাম।।১৬১।।
পদ ।।কিবা সোধা ৰাজা মোৰ অৱস্থা।
সৰ্ব্বনাশ ভৈলে কি কৈবো কথা।।
বন্ধুৰূপী কৃষ্ণে ভৈলো বঞ্চিত।
কিমতে আৰে সম্বৰিবো চিত্ত।।১৯৪১।।



যাহাক আশ্ৰয়ে দ্ৰুপদ ঘৰে।
জিনিলো ৰাজাগণ একেশ্বৰে।।
মৎস্যক ভেদি পাইলো দ্ৰৌপদীক।
হেন কৃষ্ণ বিনে জীৱন ধিক।।১৯৪২।।
দহিলো খাণ্ডৱ যাৰ সহায়।
ভঙ্গাইলো বাসৱক সমুদায়।।
অদ্ভুত সভা সাজি দিলে ময়।
কৰিলো ৰাজসূয় যাগ তয়।।১৯৪৩।।
এড়িয়া গৈলা হেন কৃষ্ণে মোক।
কিসক জীওঁ নগৈ যম লোক।।
হৰক যুজিলো যাহাক গয়।
দিলা অস্ত্ৰ হৰে হুয়া বিস্ময়।।১৯৪৪।।
যাহাৰ প্ৰসাদে ভৈলো স্বৰ্গগামী।
ইন্দ্ৰৰো অৰ্দ্ধাসন পাইলো আমি।।
এড়িয়া গৈলা হেন যদুৰায়।
কেনে জীওঁ প্ৰভু প্ৰাণ নযায়।।১৯৪৫।।
যাহাৰ তেজে বৃকোদৰ বীৰে।
দুঃশাসন হিয়া কুঠাৰে ছিৰে।।
প্ৰতিজ্ঞা সাম্ফলি পিলা ৰুধিৰ।
ভাঙ্গিলা উৰু কুৰু নৃপতিৰ।।১৯৪৬।।

বান্ধৱ বুলি ত্ৰিজগত পতি।
কৰিলো সাৰথি মই কুমতি।।
ব্ৰহ্মা আদি যত ত্ৰিদশগণে।
সদায় সেৱন্ত যাৰ চৰণে।।১৯৪৭।।
দেৱৰো দেৱ হেন প্ৰভু হৰি।
মাতন্ত মোক পৰিহাস কৰি।।
ওবা পাৰ্থ ওবা সখি অৰ্জ্জুন।
কতেক কহিবো প্ৰভুৰ গুণ।।১৯৪৮।।
ভ্ৰমন্তে ভুঞ্জন্তে কৃষ্ণৰ সঙ্গে।
নানা উপালম্ভ কৰিলো ৰঙ্গে।।
সহিলন্ত তাক যেন বান্ধৱে।
বঞ্চিত ভৈলোহো হেন মাধৱে।।১৯৪৯।।
কিবা সোধা ৰাজা আহ্মাৰ কথা।
কোননো নভৈল মোৰ অৱস্থা।।
ৰাখিয়া আনো কৃষ্ণপত্নীজাক।
গোৱালে কাঢ়ি নিলে তাসম্বাক।।১৯৫০।।
স্ত্ৰীক যেন জিনিলেক মোকে।
প্ৰাণ ফুটি যায় এহিসে শোকে।।
কৃষ্ণৰ বিয়োগে দগধ মন।
মাতিবে নোৱাৰো হৰায় চেতন।।১৯৫১।।



অৰ্জ্জুন এহি বুলি মৌন ভৈলা।
কৃষ্ণৰ চৰণ চিন্তিবে লৈলা।।
বিষয় বিষে ভৈল বিৰকতি।
কৃষ্ণ পাদপদ্মে নছাড়ে মতি।।১৯৫২।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
কৃষ্ণ কথা শুনা সমস্ত জনে।।
যেৱে সুখে যাইবা সংসাৰ তৰি।
সদায় ডাকি বোলা হৰি হৰি।।১৯৫৩।।

।।পঞ্চদশ কীৰ্ত্তন।।

ঘোষা।। গোপাল গোৱিন্দ ৰাম কৃষ্ণ হৰি গতি।
কি ৰাম হৰি গতি কি ৰাম হৰি গতি।।১৬২।।
পদ ।।এহিমতে কৃষ্ণক চিন্তন্তে মহাবীৰ।
বাঢ়িল ভকতি মল গুচিল বুদ্ধিৰ।।
পাসৰি আছিল যিটো শিখিবাৰ তত্ত্ব।
দুনাই ভৈল অৰ্জ্জুনৰ মনত বেকত।।১৯৫৪।।
ভৈলা ব্ৰহ্ম সম্পত্তি এৰাইলা শোক ভয়।
মনত আছিল মানে গুচিল সংশয়।।
মায়ায়ে এৰিল লিঙ্গশৰীৰ ভাগিল।
আপুনাৰ আত্মা পৰমাত্মাতে থাপিল।।১৯৫৫।।

ভকতিৰ বলে জ্ঞান লভিলা নিৰ্গুণ।
জীৱন্তে মুকুত হুই ৰহিলা অৰ্জ্জুন।।
কুন্তী শুনিলন্ত পাছে কৃষ্ণৰ নিৰ্য্যাণ।
কৃষ্ণতে অৰ্পিয়া চিত্ত ছাড়িলন্ত প্ৰাণ।।১৯৫৬।।
কৃষ্ণৰ নিৰ্য্যাণ শুনি ৰাজা যুধিষ্ঠিৰ।
শোক মোহ এড়ি চিত্ত কৰিলন্ত স্থিৰ।।
হৰি এৰিলাত কলি প্ৰৱেশিলা জানি।
পৰীক্ষিত তোম্মাক পাতিলা ৰাজা আনি।।১৯৫৭।।
এড়িলা বিচিত্ৰ বস্ত্ৰ ৰত্ন অলঙ্কাৰ।
পিন্ধিলা বাকলি ৰাজা ভৈলা নিৰাহাৰ।।
মৌন ব্ৰত ধৰিয়া মুকুত কৰি কেশ।
ভৈল যেন জড় আতি পিশাচৰ বেশ।।১৯৫৮।।
কৃষ্ণপদপঙ্কজক ধৰি হৃদয়ত।
হৰিভক্তি দহিলে মনৰ মল যত।।
বিষ্ণুৰ ধ্যানত পৰে আন গতি নাই।
পাইলন্ত পৰম গতি পাছে পাঞ্চো ভাই।।১৯৫৯।।
কৃষ্ণপদপঙ্কজ হৃদয়ে কৰি স্থিৰ।
ধৰিলা উত্তৰ পথ ৰাজা যুধিষ্ঠিৰ।।
দ্ৰৌপদী দেখিলা এৰিলন্ত পঞ্চপতি।
কৃষ্ণৰ চৰণে পাছে স্থিৰ কৰি মতি।১৯৬০।।



কৃষ্ণকেসে সুমৰে কৃষ্ণক কৰে ধ্যান।
হা প্ৰাণ কৃষ্ণ বুলি ছাড়িলন্ত প্ৰাণ।।
পাছে পৰীক্ষিত তুমি পালিলাহা মহী।
ধৰ্ম্মক ৰাখিলা বলে কলিক নিগ্ৰহি।।১৯৬১।।
তোম্মাৰ ৰাজ্যত ভৈলা সত্যৰ ব্যৱস্থা।
দশোদিশে কহয় তোম্মাৰ গুণ কথা।।
কৃষ্ণৰ নিৰ্য্যাণ শুনিয়োক সৰ্ব্বজনে।
তৰিবা সংসাৰ ঘোৰ শ্ৰৱণে কীৰ্ত্তনে।।১৯৬২।।
ইহপৰলোকে হৰি চৰণেসে গতি।
হেন জানি কৰা সৱে হৰিত ভকতি।।
হেন জানা অন্তকে কেশত আছে ধৰি।
এৰায়ো যমৰ দায় ডাকি বোলা হৰি।।১৯৬৩।।

।।ষোড়শ কীৰ্ত্তন।।

ঘোষা।।ৰাম গোপাল কৃপাময় নিৰঞ্জন হৰি।
ভকতৰ নিয়ো নাথ দুঃখক সংহৰি।।১৬৩।।
পদ ।।নৃপতিত শুকে পাছে কহন্ত কাহিনী।
গৈলন্ত উদ্ধৱ পায়া কৃষ্ণত মেলানি।।
বিদুৰে সহিতে যেন কৰিলা আলাপ।
শুনিয়ো নৃপতি দুনাই উদ্ধৱ বিলাপ।১৯৬৪।।

তীৰ্থ কৰি ফুৰন্তে বিদূৰ মহাভাগ।
যমুনাতীৰত উদ্ধৱক পাইলা লাগ।।
পূৰ্ব্বশিষ্য গুৰুৰ কৃষ্ণৰ অনুচৰ।
দেখি তাক আতি প্ৰীতি ভৈলা বিদুৰৰ।।১৯৬৫।।
আলিঙ্গি ধৰিলা নয়নৰ বহে জল।
পুছিলন্ত যদু কুৰু কুলৰ কুশল।।
পুৰাণ পুৰুষ ৰাম কৃষ্ণ অৱতৰি।
সুখে কি আছন্ত পৃথিৱীৰ ভাৰ হৰি।।১৯৬৬।।
বসুদেৱ ভিনীসিৰ কহিয়ো কল্যাণ।
আমাৰ সুহৃদ নাহি তাহান সমান।।
প্ৰদ্যুম্নৰ বাৰ্ত্তা বাপ কহিয়ো সম্প্ৰতি।
সুখে কি আছন্ত উগ্ৰসেন শুদ্ধমতি।।১৯৬৭।।
সাম্ব কাম অনিৰুদ্ধ আছন্ত কুশলে।
বৈষ্ণৱ অক্ৰূৰ কিবা আছে অৱিকলে।।
আনন্দে কি আছন্ত সাত্যকি ধনুৰ্দ্ধৰ।
দেৱকীৰ বাৰ্ত্তা আৰে কহিয়ো সত্বৰ।।১৯৬৮।।
চাৰু গদ আদি কৰি কৃষ্ণৰ তনয়।
আছে যদুগণ কিবা পূৰ্ব্ব অভ্যুদয়।।
কৃষ্ণ ধনঞ্জয় দুইকো কৰিয়া আশ্ৰয়।
সুখে কি আছন্ত যুধিষ্ঠিৰ মহাশয়।।১৯৬৯।।



ভীম ধনঞ্জয় সহদেৱ নকুলৰ।
সৱাৰো বাৰ্ত্তাক বাপ কহিয়ো সত্বৰ।।
কৰো অনুশোচ ধৃতৰাষ্ট্ৰক সম্প্ৰতি।
নিজ পাপে গৈল জীৱন্ততে অধোগতি।।১৯৭০।।
দেশৰ ডাকিলা মোক পুত্ৰৰ বিৱাদে।
তীৰ্থ কৰি ফুৰো মঞি কৃষ্ণৰ প্ৰসাদে।
যাৰ যশ কীৰ্ত্তনে জগত আতি তৰে।
বাৰ্ত্তা কহা সখি হেন কৃষ্ণৰ সত্বৰে।।১৯৭১।।
পুছিলা বিদুৰে যেৱে কৃষ্ণৰ কুশল।
মাধৱক স্মৰি ভৈলা উদ্ধৱ বিহ্বল।।
পাঞ্চ বৰিষতে যিটো ভোজনক এড়ি।
শিশুলীলা কৰিয়া পূজন্ত মাত্ৰ হৰি।।১৯৭২।।
কৃষ্ণৰ সেৱাতে আৰে বৃদ্ধ আসি ভৈলা।
কহিবে নপাৰি কথা মৌন হুয়া ৰৈলা।।
দুইদণ্ড চিন্তিলন্ত কৃষ্ণৰ চৰণ।
হৰিভক্তি অমৃতত মগ্ন ভৈল মন।।১৯৭৩।।
শিহৰিল লোম ভৈল সৰ্ব্বাঙ্গ পুলক।
চক্ষুমুদি আছে স্ৰৱে ধাৰায়ে লোতক।।
মাধৱৰ স্নেহৰসে মগ্ন ভৈল মন।
বোলা হৰি হৰি সমজ্যাৰ যত জন।।১৯৭৪।।

।।সপ্তদশ কীৰ্ত্তন।।

ঘোষা।।বনমালী ৰাম মোৰ প্ৰাণ গৈল কোন স্থান।
জীৱেৰ জীৱন কৃষ্ণ বিনে নাই আন।।১৬৪।।

পদ ।।কথমপি কৃষ্ণৰ চৰণ এড়ি মন।
বজাইলা উদ্ধৱে পাইল গাৱত চেতন।।
হাতে মলচিয়া চক্ষু চিত্ত স্থিৰ কৰি।
তেজিলন্ত নিশ্বাস কৃষ্ণৰ লীলা স্মৰি।।১৯৭৫।।
কৃষ্ণৰ বিৰহ অগ্নি দগ্ধ কৰৈ মন।
কান্দন্তে দিলন্ত বিদুৰক সমিধান।।
কিবা কথা সোধা সখি দেখো অন্ধকাৰ।
কৃষ্ণসূৰ্য্য অস্ত গৈল প্ৰাণ যে আহ্মাৰ।।১৯৭৬।।
কালসৰ্পে দংশিলেক সুহৃদসকল।
কি কহিবো সখি আৰ আহ্মাৰ কুশল।।
যাদৱ বংশৰ কিনো মিলিল অভাগ।
নাজানিলো কৃষ্ণক হাততে পায়া লাগ।।১৯৭৭।।
ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।
মৎসে যেন বোলে ইয়ো এক জলচৰ।।
সেহিমতে ঈশ্বৰক পায়া যদুগণ।
মনে মানিলন্ত এন্তে জ্ঞাতি একজন।।১৯৭৮।।



ভূষণৰ ভূষণ পৰম অঙ্গচয়।
যাক দেখি হোন্ত হৰি আপুনি বিস্ময়।
অপুণ্য প্ৰাণীক দিয়া অল্প দৰিশন।
লগতে নিলন্ত যেন লোকৰ লোচন।।১৯৭৯।।
দেখিয়ো কৃষ্ণৰ কেন কৰ্ম্ম বিড়ম্বন।
বসুদেৱ গৃহত অজৰ উপজন।।
যাৰ কটাক্ষতে হোৱৈ জগত বিনাশ।
কংস ভয়ে লৈলা তেহো গোকুলত বাস।।১৯৮০।।
বসুদেৱ দৈৱকীক বুলিলা প্ৰণামি।
কংস ভয়ে ব্ৰজত বঞ্চিলো গৈয়া আমি।।
হে পিতৃ মাতৃ মোৰ মৰষিয়ো দোষ।
ইহাক সুমৰি মনে মিলৈ অসন্তোষ।।১৯৮১।।
হেনয় কৃষ্ণৰ যিটো গাইলে নামগুণ।
পাসৰিবে ইটো দুনাই কোন নিদাৰুণ।।
ৰাজসূয় যজ্ঞত দেখিলো নেত্ৰ ভৰি।
যেন সিদ্ধি পাইলে শিশুপালে দ্বেষ কৰি।।১৯৮২।।
কৃষ্ণ মুখপদ্মক কৰন্ত নেত্ৰে পান।
অৰ্জ্জুনৰ শৰে কাটে ছাড়ে সুখে প্ৰাণ।।
পাৱৈ পৰম্পদ ব্ৰহ্মাদিয়ো যাত গহ।
হেনয় প্ৰভুৰ কোনে সহিবে বিৰহ।।১৯৮৩।।

উগ্ৰসেন ৰাজাক বৈসায়া সিংহাসনে।
কৰযোড়ে আপুনি বোলন্ত নাৰায়ণে।।
আজ্ঞা কৰা মহাৰাজ কোন কৰ্ম্ম কৰো।
ইহাক সুমৰি সখি আতিশয় মৰো।।১৯৮৪।।
কৃষ্ণগুণ সুমৰন্তে হেৰাই চেতনা।
মাৰিবাক লাগি স্তন দিলেক পুতনা।।
তথাপি পাইলেক তাই জননীৰ গতি।
কিনো কৃপাময় নাৰায়ণ প্ৰাণপতি।।১৯৮৫।।
হেননো স্বামীক এৰি কিনো মহা অন্ধ।
আনক ভজিবে লাগি কৰিবে প্ৰবন্ধ।।
যত দৈত্য আসে মাধৱক ক্ৰোধ কৰি।
তাহাকো উত্তম গতি দেন্ত ছিৰীহৰি।।১৯৮৬।।
যিটো প্ৰেমভাৱে ভজে হেন ভগৱন্ত।
তাহাৰ মহিমা কহি কোনে পাৰে অন্ত।।
হেন পূৰ্ণব্ৰহ্মক হাততে পায়া লাগ।
হৰুৱাইলো সখি দেখা মোহোৰ অভাগ।।১৯৮৭।।
সুমৰি সুমৰি যিটো স্বামীৰ চৰণ।
কহিবে নোৱাৰো কথা দগ্ধ কৰে মন।।
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্ব্বলোক।
হৰি হৰি বোলা সদা পাতক ছাড়োক।।১৯৮৮।।



।।অষ্টাদশ কীৰ্ত্তন।।

ঘোষা।। গোপাল প্ৰাণ গৈলা কোন থান।
গোপাল প্ৰাণ।।১৬৫।।

পদ ।।শুনা সখি যেন ভৈল অৱস্থা।
পূৰ্ব্বাপৰ কহো কৃষ্ণৰ কথা।।
খণ্ডিবাক লাগি ভূমিৰ ভাৰ।
দেৱকী গৰ্ভে ভৈলা অৱতাৰ।।১৯৮৯।।
বসুদেৱে ভয়ে গোকুলে থৈলা।
কৰিলা কৃষ্ণে তৈতে শিশুলীলা।।
গোপশিশু সমে বাছুৰি চাৰি।
ভ্ৰমন্ত যমুনা তীৰে মুৰাৰি।।১৯৯০।।
কংসে পাঠৈঞ যত আসে দানৱ।
লীলায়ে মাৰন্ত তাক মাধৱ।।
ইন্দ্ৰৰ মখকো কৰিলা ভঙ্গ।
বৰষিলে ইন্দ্ৰে কৰিয়া খঙ্গ।।১৯৯১।।
মন্দৰ তুলি পাছে ভগৱন্তে।
ৰাখিলা ব্ৰজক বৃষ্টিত হন্তে।।
শৰত কালে চন্দ্ৰাৱলী পাই।
কৰিলা ৰাসক্ৰীড়া যদুৰায়।।১৯৯২।।

বলো সমে আসি মথুৰাপুৰ।
মাৰিলা তৈতে দুষ্ট কংসাসুৰ।।
পঢ়িবে লাগি গৈলা হুয়া ছাত্ৰ।
সান্দীপনি গুৰু পঢ়াইলা শাস্ত্ৰ।।১৯৯৩।।
মৃতক পুত্ৰক দক্ষিণা দিলা।
অষ্ট মহিষীক হৰি বিহাইলা।।
নৰক মাৰি ৰূপে গুণে ধন্যা।
পাইলা আৰো ষোল হাজাৰ কন্যা।।১৯৯৪।।
সৱাতো দশ দশ পুত্ৰ জাত।
ভৈল বল বীৰ্য্যে জগতে খ্যাত।।
দ্বিবিদ মাগধ সম্বৰ বাণ।
শাল্ব পৌণ্ড্ৰকৰ লৈলন্ত প্ৰাণ।।১৯৯৫।।
পাণ্ডৱৰ হাতে সমৰজিনি।
মৰাইলা অষ্টাদশ অক্ষৌহিণী।।
উত্তৰা গৰ্ভে ভৈলা উতপতি।
পৰীক্ষিত পাণ্ডুবংশ সন্ততি।।১৯৯৬।।
দ্ৰৌণীৰ অস্ত্ৰে দহিলেক গাক।
ৰাখিলন্ত কৃষ্ণে ধৰি গদাক।।
কৃষ্ণৰ মহা অনুগ্ৰহ পাই।
ভুঞ্জিলা ৰাজ্য যুধিষ্ঠিৰ ৰায়।।১৯৯৭।।



অনেক বৎসৰ আছে মাধৱ।
যাদৱগণৰ বঢ়াই উৎসৱ।।
গৃহত পাছে ভৈলা বিৰকতি।
গুণন্ত মনত জগতপতি।।১৯৯৮।।
আছৈ যদুগণ দুষ্মহ বীৰ।
নুগুছিল কিছু ভাৰ ভূমিৰ।।
দিয়াইলা বিপ্ৰশাপ প্ৰভু চলে।
সৱাকো নিলা প্ৰভাসৰ জলে।।১৯৯৯।।
স্নান কৰি সৱে দিলেক দান।
কৰিলা বাৰুণী সুৰাক পান।।
কৃষ্ণৰ মায়াত চেতন হৰিল।
অন্যোঅন্যে যুজি সৱে মৰিল।।২০০০।।
মাধৱো পাছে স্নান কৰি জলে।
বসিলা আসনে অশ্বত্থতলে।।
মোক আদেশিলা জগত নাহা।
তুমি বদৰিকাশ্ৰমক যাহা।।২০০১।।
তথাপি এড়িবে নোৱাৰো স্বামী।
আঁৰ হুয়া ৰৈলো পাছতে আমি।।
কৃষ্ণৰ বিৰহ সহিবে কোনে।
বোলা হৰি হৰি সমস্তজনে।।২০০২।।

।।ঊনবিংশ কীৰ্ত্তন।।

ঘোষা।। কাহা গৈলা মোৰ গোপাল স্বামী।[172]
কৃষ্ণ বিনে জীৱো কিমতে আমি।।১৬৬।।

পদ ।। কৃষ্ণক নেদেখি আকুল মতি।
বিচাৰি পাছে পাইলো প্ৰাণপতি।।
নিৰ্ম্মল শ্যাম তনু সুকুমাৰ।
কণ্ঠত কৌস্তুভ মুকুতা হাৰ।।২০০৩।।
চাৰিখান ভুজ ভূষণে জ্বলে।
আপাদলম্বী বনমালা গলে।।
অৰুণ লোচন মুখ প্ৰসন্ন।
প্ৰকাশন্তে আছে পীত বসন।।২০০৪।।
কুণ্ডলে কৰ্ণে কৰৈ জলমল।
কিৰীটি ৰত্নৰ শিৰে উজ্জ্বল।।
নূপুৰে ৰঞ্জে পাদপদ্ম কোষ।
যাক দেখি মিলৈ মনে সন্তোষ।।২০০৫।।
দাহিন পদে বাম উৰু থাপি।
আসনে বসিছা জগত ব্যাপি।।
শিশু অশ্বত্থত আউজি গাৰ।
দেখিলো প্ৰভু পূৰ্ণানন্দ ভাৰ।।২০০৬।।

১৭২। পা. কাহে গৈলা হৰি মোৰ গোপাল স্বামী।



তহিতে মৈত্ৰেয় মিলিল আসি।
মোক দেখি কৃষ্ণে তুলিলা হাসি।।
কান্দিবে লাগিলো প্ৰভুক চাই।
প্ৰবোধিলা মোক যাদৱৰায়।।২০০৭।।
জানিলো উদ্ধৱ তোম্ভাৰ চিত্ত।
পূৰিবো তোম্ভাৰ মন বাঞ্ছিত।।
আছিলা বসু পূৰ্ব্ব জনমত।
পূজিলা মোক তুমি ভালমত।।২০০৮।।
মোহোৰ কৃপায়ে লভিলা পাৰ।
আউৰ জন্ম দুনাই নাহি তোম্ভাৰ।।
সুদৃঢ় ভকতি জ্ঞান বৈৰাগ।
ইজন্মত আসি লৈলেক লাগ।।২০০৯।।
হেন কৃপা বাক্য শুনি স্বামীৰ।
স্নেহে শিহৰিল সৱ শৰীৰ।।
বহয় লোতক নেত্ৰৰ ঝৰি।
বুলিলো পাছে কৃতাঞ্জলি কৰি।।২০১০।।
চিন্তৈ যিটো জনে তযু চৰণ।
নিসিজৈ তাৰ কোন প্ৰয়োজন।।
তথাপি একো বাঞ্ছা নাই মোৰ।
তোম্ভাৰ চৰণ সেৱাত পৰ।।২০১১।।

**তুমি পূৰ্ণব্ৰহ্ম[১৭৩] জগতে খ্যাত।**
**তথাপি মোক মাতা মন্ত্ৰণাত।।**
**সোধা কথা যেন সামান্য জন।**
**ইহাক স্মৰি মোহ হোৱে মন।।২০১২।।**
**ব্ৰহ্মাক দিলা যিটো জ্ঞান স্বামি।**
**জানিবে যেৱে যোগ্য হওঁ আমি।।**
**কহিও তেৱে তাক ভগৱন্ত।**
**পাওঁ প্ৰভু যেৱে দুঃখৰ অন্ত।।২০১৩।।**
**হেন শুনি হৰি কৃপায়ে হাসি।**
**কহিলা ৰহস্য জ্ঞান প্ৰকাশি।।**
**পৰম প্ৰসাদ দিলন্ত স্বামী।**
**নমিলো পাছে প্ৰদক্ষিণে আমি।।২০১৪।।**
**আসিলো ঐক হুয়া কৃতকৃত্য।**
**কৃষ্ণৰ বিৰহে আতুৰ চিত্ত।।**
**তোহ্মাক এড়িয়া মঞি অভাগী।**
**যাইবো বদৰিকাশ্ৰমক লাগি।।২০১৫।।**
**তোহ্মাত জ্ঞান কহিবাক প্ৰতি।**
**বুলিলা মৈত্ৰেয়ক যদুপতি।।**
**বিদুৰে সমে হেন কথা কই।**
**আনন্দে তীৰত আছিলা ৰই।।২০১৬।।**

১৭৩। পা. পূৰ্ণজ্ঞান



**কথাতে পোহাইল সমস্ত ৰাতি।**
**বিদুৰো ভৈলা আনন্দিত আতি।।**
**কৃষ্ণৰ কীৰ্ত্তি শুনা সৰ্ব্বলোক।**
**তৰিবা যেৱে ইটো দুঃখ শোক।।২০১৭।।**
**অন্তকে আসি ধৰিলেক পৰা।**
**জানিয়া আন আলজাল এৰা।।**
**কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।**
**হৰি হৰি বোলা সমস্ত নৰে।।২০১৮।।**

।। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণ সমাপ্ত।।২৬।।

।। সপ্তৱিংশ খণ্ড।।

## ।। ভাগৱত-তাৎপৰ্য্য।।

### ।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত।
নাম ধৰ্ম্ম কৰিলা বিদিত।।১৬৭।।

পদ ।।সত্য যুগে প্ৰথমত　ব্ৰহ্মা আদি দেৱ যত
হৰিনাম কৰিলা গুপুত।
কিনো কৃপাময় হৰি　নামক বেকত কৰি
কলি পাপ কৰিলা লুপুত।।
যিটো মহা ম্লেচ্ছজাতি　সিয়ো শুদ্ধ হোৱৈ আতি
মুখে মাত্ৰ হৰিনাম লয়।
কলিৰ ভয়ত গৈয়া　নামত শৰণ লৈয়া
ৰহিল সমস্ত ধৰ্ম্মচয়।।২০১৯।।
ইটো কলিকাল ঘোৰ　পাপৰ নাহিকে ওৰ
আত হিত চিন্তিলা প্ৰজাৰ।
জগতৰে পাপ হৰৈ　স্মৰণে নিস্তাৰ কৰৈ
হেন নাম কৰিলা প্ৰচাৰ।।

দোষৰ সাগৰ কলি　আত হৰিনাম লই
ধৰ্ম্ম অৰ্থ পাৱৈ মোক্ষ কাম।
সমস্তকে দায়াতৰে　আৰে দেৱ দামোদৰে
বিদিত কৰিলা হৰিনাম।।২০২০।।
মন্ত্ৰ তন্ত্ৰ যজ্ঞ যত　তপ তীৰ্থ কোটি শত
হৰিনাম অধিক সবাতে।
কিনো ভাগ্য কিনো ভাগ্য　হেন হৰিনাম লাগ
পাইলা লোক মুখত সাক্ষাতে।।
যিটো নাম নেৰৈ মুখে　পাইলে মোক্ষ মহাসুখে
জানা কৃষ্ণ তুষ্ট ভৈলা তাৰ।
গুৰু ভৈল জগতৰে　কৰিলেক সিটো নৰে
কোটি কোটি পুৰুষ উদ্ধাৰ।।২০২১।।
পাতক শুখান বন　হৰিনাম হুতাশন
ক্ষেণেকতে দহি কৰৈ ছন্ন।
হেন নাম প্ৰচাৰিলা　পাতকীক নিস্তাৰিলা
পৰম কৃপালু নাৰায়ণ।।
দেৱৰো ঈশ্বৰ হৰি　তান্ত মহাযত্ন কৰি
লৈয়ো এক শৰণ সাক্ষাত।
যাৰ ইচ্ছা মোক্ষ পাইবে　নলাগে দূৰক যাইবে
আছা হৰি সবাৰো হিয়াত।।২০২২।।

কৃষ্ণৰ কিঙ্কৰে কহে হৰি নামে পাপ দহে
ৰামনাম সৱাতো অধিক।
যিটো জনে নাম স্মৰৈ সকল পাতক হৰৈ
অনায়াসে পাৱৈ মুকুতিক।।
জগত নিস্তাৰ হেতু কৰিলা গৰুড়কেতু
ইবাৰ বিদিত হৰিনাম।
আয়ু যায় আলেজালে কেতিক্ষণে ধৰে কালে
নিৰন্তৰে বোলা ৰাম ৰাম।।২০২৩।।

।।দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।। মাধৱ বান্ধৱ উদ্ধাৰা বাপ।
কতনো সহিবো সংসাৰ তাপ।।১৬৮।।
পদ ।।বোলন্ত শুকে শুনা নৃপবৰ্য্য।
বাড়য় স্কন্ধৰ যি তাতপৰ্য্য।।
কৃষ্ণ বিনে নাই অপৰ দেৱ।
জানিয়া কৃষ্ণক কৰিয়ো সেৱ।।২০২৪।।
যাহাৰ আছে পুণ্য অসংখ্যাত।
সিসে পাতে কাণ কৃষ্ণ কথাত।।
সেহিসে কৃষ্ণক বোলৈ আপোন।
শুনিয়ো কৃষ্ণ দেৱতাৰ গুণ।।২০২৫।।



ভকতে যত লৱৈ গুণ নাম।
তাহাৰ মালা গান্থি অনুপাম।।
পিন্ধন্ত কণ্ঠত কৰি উৎসৱ।
হেনসে ভকত বন্ধু মাধৱ।।২০২৬।।
যি জনে যায় হৰিনাম সেৱি।
পাছত ফুৰৈ যত দেৱ দেৱী।।
যতেক তীৰ্থে তাক তুতি কৰৈ।
তাৰ বায়ু পাপ সমস্ত হৰৈ।।২০২৭।।
যিজনে ফুৰৈ নাম উচ্চাৰি।
তাৰ পাছে পাছে ভ্ৰমন্ত হৰি।।
বৎসক স্নেহে যেন ধেনু ধায়।
ভজিয়ো জানি হেন হৰি পায়।।২০২৮।।
একজনে যদি নাম উচ্চৰে।
শুনে মানে পাপ সৱাৰো হৰে।।
হেনসে আশ্চৰ্য্য দেৱতা হৰি।
যাহাৰ নাম লৈলে মাত্ৰ তৰি।।২০২৯।।
অনিচ্ছাতো যিটো বিষ্ণুক কহে।
তাহাৰো সমস্ত পাতক দহে।।
প্ৰেমে ভজে যিটো কৃষ্ণৰ পাৱ।
কহিবো তাহাৰ কত প্ৰভাৱ।।২০৩০।।

সংসাৰ গৰ্ত্তে পৰি আছৈ লোক।
মোহত অন্ধ নেড়ায় দুঃখ শোক।।
কাল ভুজঙ্গে দংশি লৱৈ প্ৰাণ।
কৃষ্ণ বিনে কোনে কৰিবে ত্ৰাণ।।২০৩১।।
যতেক দেখা খোজ সমুদায়।
হস্তীৰ খোজত সবে লুকায়।।
এহিমতে যত বিশ্ব সমস্ত।
কৃষ্ণতে জানা সবে যায় অস্ত।।২০৩২।।
আতি পাতকীও কৰি হৰিষ।
ধিৱাৱৈ কৃষ্ণক এক নিমেষ।।
ভৈল পুণ্যশালী সিয়ো বিচিত্ৰ।
পৱিত্ৰকাৰীকো কৰে পৱিত্ৰ।।২০৩৩।।
সম্পদকো জানা নুহি সম্পদ।
জানা আপদকো নুহি আপদ।।
পৰম সম্পদ হৰি ভকতি।
আপদ জানা হৰি বিৰকতি।।২০৩৪।।
মহাপাপী আতি অধম জাতি।
তাকো নামে কৰে পৱিত্ৰ আতি।।
হেনসে নাম ধৰ্ম্ম শিৰোমণি।
পাপ অৰণ্যৰ যেন অগনি।।২০৩৫।।



কলিত পৰম উপায় নাম।
একেদায়ে সিজৈ ত্ৰিতয় কাম।।
উপজৈ পুণ্য পাপ হোৱৈ দূৰ।
মিলৈ মহামোক্ষ সুখ প্ৰচুৰ।।২০৩৬।।
কলিত লোকৰ মলিন মতি।
নোপজয় আন পুণ্য সম্প্ৰতি।।
নামেসে মৰণ সম্বল কলিত।
নামেসে পৰম ধৰ্ম বিত।।২০৩৭।।
হেনজানি তেজি বিষয় ধান্ধা।
হৰিৰ নামক গলত বান্ধা।।
কতপুণ্যে পাই মনুষ্য তনু।
ইহাক বিফল নকৰা পুনু।।২০৩৮।।
মোহ নিদ্ৰা এড়ি লোৱা চেতন।
কৃষ্ণৰ সেৱাত কৰা যতন।।
সত্বৰে কৰা পৰলোক কাম।
ঘুষিয়ো নিৰন্তৰে ৰাম ৰাম।।২০৩৯।।

।। ভাগৱত-তাৎপৰ্য্য সমাপ্ত।।২৭।।

# ওপৰঞ্চি

সহস্ৰনাম-বৃত্তান্ত
উৰেষা-বৰ্ণন
ধ্যান-বৰ্ণন
(তৃতীয় কীৰ্ত্তন)

।। পৰিশিষ্ট-১।।

## ।। সহস্ৰনাম-বৃত্তান্ত।।

।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। কি কৰিলো কি কৰিলো ভকতি নকৰি।
অন্তকে পাইলেক আসি[১৭৪] ৰক্ষা কৰা হৰি।।১।।
পদ ।। নকৰিলো শিৰে মাধৱক নমস্কাৰ।
ইটো মাথা গোট মোৰ ভৈল মহাভাৰ।।
কৰ্ণ দুই আছন্তে নুশুনিলো হৰি কথা।
দোগোটা গৰ্ত্তৰ ভাৰ বহিলোহো বৃথা।।১।।
জিহ্বা মোৰ আছন্তে নলৈলো ৰামনাম।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম।।
নেদেখিলো নয়নে প্ৰভুৰ যেন ৰূপ।
সম্যকে জানিলো দুয়ো আখি অন্ধকূপ।।২।।
যেন চিত্ৰ বিচিত্ৰ মৈৰাৰ ভাসে পাখি।
হৰিৰূপ নেদেখিলো পাইলো তেহ্ন আখি।।
হৰিপদ তুলসীৰ নলৈলোহো ঘ্ৰাণ।
জীৱন্তে মৰিলো নাসা ভাঠিৰ সমান।।৩।।

১৭৪। পা. প্ৰভু

পিন্ধিলোহো বাহুত অনেক অলঙ্কাৰ।
প্ৰভুৰ পূজাক নকৰিলো একবাৰ।।
কৃষ্ণকৃত্য নকৰিলো ভৈলোহো বৰ্ব্বৰ।
ইটো হস্ত বাহু মৃতক শৰৰ।।৪।।
পাৰ দুই আছন্তে নগৈলো ক্ষেত্ৰস্থান।
মোৰ পাৰ ভৈল বৃক্ষ শিফাৰ সমান।।
হা হা দয়াময় মোৰ কি কৰিলা গতি।
এভো তুৱা নাম লৈতে হৌক মোৰ মতি।।৫।।
কৰ্ম্মদোষে যিবা জন্ম হোৱৈ সংসাৰত।
তাতো নছাড়োক চিত্ত তুৱা চৰণত।।
সদায়ে ঘোষোক ৰামনাম মোৰ মুখে।
সংসাৰ সাগৰ তেৰে তৰো মহাসুখে।।৬।।
সকল জগত তযু মায়ায়ে মোহিত।
তোহ্মাৰ চৰণে প্ৰভু কেৰে নেদে চিত্ত।।
পুত্ৰ দাৰা নিহলে বান্ধিলে দুয়ো ভৰি।
মৰন্তে আছন্ত তবু নোবোলওঁ হৰি।।৭।।
দুৰ্ল্লভ মনুষ্য জন্ম ভাৰতত পাইলো।
তোহ্মাক নেসেৰি বৃথা জনম গোৱাইলো।।
নিচিন্তিলো একবাৰ তোহ্মাৰ চৰণ।
তৰু বন জীয়ে যেন আহ্মাৰ জীৱন।।৮।।



বিষয়ত ভোল হুয়া কৰিলোহো ভোগ।
তাৰ ফলে শৃগাল শ্বানৰ ভৈলো যোগ।।
ভৱ তৰিবাক যোগ্য লভিলো শৰীৰ।
বিষয় বাতাসে পায়া কৰিলে অস্থিৰ।।৯।।
কৰে টলবল দেহা কেনে হুইবো পাৰ।
এভো দাস বুলি মোক কৰিয়ো উদ্ধাৰ।।
সুকবি শেখৰ তুৱা দাসৰ যে দাস।
কাতৰ কৰোহো দিয়ো চৰণত বাস।।১০।।

।।দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।।ৰাম জগবন্ধু ত্ৰাহি গোপাল।
দাস উদ্ধাৰিয়ো দীনদয়াল।।২।।
পদ ।।কৃষ্ণৰ চৰণে কৰি প্ৰণাম।
পদ্মপুৰাণৰ সহস্ৰ নাম।।
আমি বিৰচিবো কীৰ্ত্তন আৰ।
শুনি পাতকৰ হুয়ো নিস্তাৰ।।১১।।
হৰিনামে পাই সংসাৰ পাৰ।
সমস্ত শাস্ত্ৰৰ এহিসে সাৰ।।
পুৰাণ ভাৰত আগম যত।
বেদ বেদান্তৰো এহিসে তত্ত্ব।।১২।।

শুনিয়ো হৰিনাম কেন ভাল।
সম্যকে পাতকৰ যমকাল।।
যতেক ব্ৰত দান যজ্ঞ কৰ্ম্ম।
সিজান্ত হৰিনামে মহাধৰ্ম্ম।।১৩।।
কৰান্ত বিষয়ত বিৰকতি।
মিলান্ত কৃষ্ণত প্ৰেম ভকতি।।
মায়াবন্ধ ছোড়ি জ্ঞানক দেন্ত।
অন্তকালে বিষ্ণুপদক নেন্ত।।১৪।।
কৃষ্ণত নৰ যেৱে গৈল লীন।
তেৱেসে হৰিনাম উদাসীন।।
এহি সাত কাম গণি লৈয়োক।
জানিয়া হৰিনাম ভাৰিয়োক।।১৫।।
নিন্দুকৰ নিন্দা নুশুনি কাণে।
হৰিৰ নাম লৈবা সাৱধানে।।
স্বৰ্গখণ্ড পদ্মপুৰাণ চাই।
বুলিলো নিশ্চয় আমি বুজাই।।১৬।।
চাৰিয়ো বেদৰ তত্ত্ব উদ্ধাৰি।
থৈলন্ত হৰিনাম সাৰ কৰি।।
সকল জগত হৈবে মুকুত।
সিহেতু মাধৱে কৰি গুপুত।।১৭।।



থাপিলা হৰিনাম ঠাৱে ঠাৱে।
বৈষ্ণৱগণেসে বিচাৰি পাৱে।।
মুকুতিকো এৰি নাৰদ ঋষি।
হৰিনাম লৈয়া আতি হৰিষি।।১৮।।
ফুৰন্ত মাধৱৰ গুণ গাই।
বোলন্ত হৰি বিনে গতি নাই।।
দুষ্টচিত্তো যদি বোলয় হৰি।
সিওজনে মহাপাতকে তৰি।।১৯।।
বৈকুণ্ঠে যাইতে ভৈলা কাছপাৰ।
কোটি পুৰুষকো কৰি উদ্ধাৰ।।
হেন হৰিনাম নলৱৈ নৰে।
আত্মঘাত কৰি মিছাতে মৰে।।২০।।
পাৰ্ব্বতীত হৰে কহিলা আক।
ব্ৰহ্মায়ো কহিলন্ত দেৱতাক।।
হৰিনাম বিনে নাহিকে আন।
পুৰাণে বিচাৰি দেখা প্ৰমাণ।।২১।।
সুকবি শেখৰে কহে নিশ্চয়।
কেহো নকৰিবা আত সংশয়।।
জানিয়া মিছা আন যত কাম।
সদায়ে ঘুষিয়োক ৰাম ৰাম।।২২।।

।।তৃতীয় কীৰ্ত্তন।।

ঘোষা।। হৰি গোৱিন্দ অৰৱিন্দলোচন ৰাম।
মোৰ মুখে নছাড়োক ৰামকৃষ্ণ নাম।।৩।।

পদ ।।আছিলা নাৰদ ঋষি ব্ৰহ্মাৰ সভাত।
বিচাৰিলা অনেক শাস্ত্ৰৰ অৰ্থ তাত।।
পিতৃমুখে বেদৰ আছিলা অৰ্থ শুনি।
পাছে পৃথিৱীক লাগি আসিলন্ত মুনি।।২৩।।
বিষ্ণুত ভকত ঋষি বিষ্ণুতেসে ধ্যান।
সদায়ে বিষ্ণুত পৰে নভাষন্ত আন।।
হাতে বীণা ধৰি মাধৱৰ গুণ গান্ত।
মাধৱৰ গুণ নাম লোকত শুনান্ত।।২৪।।
ফুৰন্ত পৱিত্ৰ কৰি তিনিয়ো লোকত।
অনন্তৰে চলি গৈলা ঋষি সমাজত।।
নৈমিষাৰণ্যত আছে ঋষিৰ সমাজ।
ৰঙ্গে তৈতে প্ৰৱেশ ভৈলন্ত ঋষিৰাজ।।২৫।।
দেখিলা ব্ৰাহ্মণসৱে নাৰদ আসিলা।
গাৱ চালি আসন আনিয়া তাঙ্ক দিলা।
আতিশয় হৰিষে কৰিলা নমস্কাৰ।
হেন প্ৰশ্ন কৰিলন্ত জগততে সাৰ।।২৬।।



বিনা দান ব্ৰত যজ্ঞ তীৰ্থকো নাচৰি।
সমস্তে পাতক তৰৈ কোন কৰ্ম্ম কৰি।।
সুখে পুৰুষৰ কেনমতে হোৱৈ গতি।
কহিয়ো ৰহস্য কথা আহ্মাত সম্প্ৰতি।।২৭।।
আৰো এক প্ৰশ্ন আমি কহিবো তোহ্মাত।
কিহেতু শঙ্কৰে তপ কৰন্ত সাক্ষাত।।
আপুনি ঈশ্বৰ তিনি জগততে সাৰ।
তান কাক চিন্তিবাক আছে অধিকাৰ।।২৮।।
মুখে কিবা জপন্ত ধিয়ান্ত কিবা মনে।
কহিয়োক গুৰু আৰু শুনো ৰঙ্গমনে।।
হেন শুনি নাৰদৰ মনে ৰঙ্গ ভৈলা।
পৰম ৰহস্য কথা কহিবাক লৈলা।।২৯।।
ভাল কথা তুমিসৱে পুছিলা সাম্প্ৰত।
এহি কথা পাৰ্ব্বতী পুছিলা শঙ্কৰত।।
যোগ ধ্যানে শঙ্কৰ আছন্ত কৈলাসত।
দেখিলন্ত পাৰ্ব্বতী শিৱৰ ঘোৰ ব্ৰত।।৩০।।
নাহিকে বসন গাৱে দিশ পৰিধান।
ভস্মধূলাসকলে অঙ্গৰ ভৈল ম্লান।।

শিৰে আতি প্ৰকট বিকট জঁটাভাৰ।
গাৱে সৰ্পগণ দেখিবাক চমৎকাৰ।।৩১।।
হৰিনাম জপন্ত চিন্তন্ত অহৰ্নিশি।
হেন দেখি পাৰ্ব্বতীও পুছিলা হৰিষি।।
স্বামী তুমি সকল দেৱৰ মুখ্য দেৱ।
তোহ্মাক সমস্ত দেৱগণে কৰৈ সেৱ।।৩২।।
তোহ্মাক সেৱন্ত সদা চন্দ্ৰ সূৰ্য্য বিধি।
তযু বৰদানে সমস্তৰে ভৈল সিদ্ধি।।
তোহ্মাৰ নাহিকে জন্ম মৰণ সংস্কাৰ।
তযু মহিমাৰ কেহো নপাৰন্ত পাৰ।।৩৩।।
হেন দেৱে কাহাক ধিওৱা নিৰন্তৰ।
কি কাৰণে তপ কৰা আপুনি ঈশ্বৰ।।
কিবা মন্ত্ৰ জপা তুমি কহিয়ো আহ্মাত।
পৰম কৌতুকে মই পুছিলো তোহ্মাত।।৩৪।।
তোহ্মাৰ পৰম প্ৰিয়তম ভাৰ্য্যা আমি।
ৰহস্য কথাক কহিয়োক মোক স্বামী।।
দ্বিজ কবিশেখৰে কহিলা হেন সাৰ।
হৰিনাম লৈয়া সৱে হুয়োক নিস্তাৰ।।৩৫।।



।।চতুৰ্থ কীৰ্ত্তন।।

ঘোষা।। হে কৰুণাসিন্ধু ভকতবন্ধু কৰিয়ো নিস্তাৰ।
কেনে হঞো সংসাৰৰ পাৰ।।৪।।
পদ ।।পাৰ্ব্বতীৰ বাক্য শুনি হৰ।
পাচে হেন দিলন্ত উত্তৰ।।
শুনিয়ো পাৰ্ব্বতী মোৰ বাণী।
ভাল তুমি পুছিলা কাহিনী।।৩৬।।
ইটো কথা পৰম গুপুত।
কহিবাক নুহিকে যুগুত।।
তুমি মোৰ প্ৰাণপ্ৰিয় জায়া।
তাতেসে কহিবে মোৰ দায়া।।৩৭।।
সত্য যুগ আছিল পূৰ্ব্বত।
সৱে ভৈল হৰিৰ ভকত।।
সৱাৰো ভৈলেক শুদ্ধমতি।
কৃষ্ণৰেসে চৰণত ৰতি।।৩৮।।
হৰি পাদপদ্মে হৃদি থৈয়া।
ফুৰৈ মাধৱৰ নাম লৈয়া।।
শুনৈ কৃষ্ণকথা মাত্ৰ কাণে।
হৰিপূজা কৰৈ সাৱধানে।।৩৯।।

জানি হৰি নামেসে নিস্তাৰ।
হৰিনাম লৈয়া হোৱে পাৰ।।
ইহলোকে ভুঞ্জয় ভুকুতি।
পৰলোকে লভয় মুকুতি।।৪০।।
যিটো গতি ইন্দ্ৰ আদি দেৱে।
নপাৱন্ত কৰ্ম্ম কৰি কেৱে।।
সিটো গতি পাবৈ হৰি স্মৰি।
কিছু আন পুণ্যক নাচৰি।।৪১।।
মোৰ বাক্য শুনি দেৱগণ।
সমস্তৰে বুদ্ধি ভৈল ছন।।
আগম পুৰাণ বেদ শুনি।
নিশ্চয় নপান্ত মনে গুণি।।৪২।।
সকল শাস্ত্ৰৰ ভিন্ন মত।
নপাৱন্ত কেৱে তাৰ তত্ত্ব।
দেৱগণে নপাৱন্ত পাৰ।
মনুষ্যে জানিবে কিবা তাৰ।।৪৩।।
দেয় তুলাপুৰুষ দানক।
অশ্বমেধ যজয় অনেক।।
বাৰাণসী প্ৰয়াগত স্নান।
গয়াত পিতৃক পিণ্ডদান।।৪৪।।



কৰৈ কায়ক্লেশ ঘোৰ ব্ৰত।
বেদপাঠ নছাড়ৈ সতত।।
তপ জপ ধৰ্ম্ম ভূতদায়া।
আনো সৱে পুণ্য আচৰিয়া।।৪৫।।
যোগ ধ্যান ব্ৰত তত্ত্ব জানি।
নপাবৈ গতিক একো প্ৰাণী।।
হৰিনাম লবৈ মাত্ৰ মুখে।
সিটো গতি পাবৈ মহাসুখে।।৪৬।।
থাকৈ পুত্ৰ দাৰা সমন্বিতে।
পৰহিংসা কৰয় সততে।।
নধৰয় ব্ৰহ্মচৰ্য্য ব্ৰত।
নজানয় একো জ্ঞান তত্ত্ব।।৪৭।।
এড়িলেক আপোনাৰ ধৰ্ম্ম।
নকৰৈ বেদৰ যত কৰ্ম্ম।।
কেৱলে কৃষ্ণৰ নাম লবৈ।
মুকুতিক মহাসুখে পাবৈ।।৪৮।।
কিনো হৰিনামৰ মহিমা।
কোনে কহি পাইবে তাৰ সীমা।।
আতপৰে ধৰ্ম্ম নাহি আন।
ৰামনাম সদা কৰা পান।।৪৯।।

।।পঞ্চম কীৰ্ত্তন।।

ঘোষা।।ৰাম কৃপা কৰা গোপাল ভজিলো তুৰা পাৰে।
সংসাৰ সাগৰ তৰো তুৰা নাম নাৰে।।৫।।

পদ ।।পাৰ্ব্বতীত শঙ্কৰে কহিলা নিষ্ঠ কৰি।
হৰিৰ নামেসে জানা সংসাৰক তৰি।।
সৰ্ব্বক্ষণে হৰিগুণ নামক ভাৰিবা।
হৰিনাম বিনা চিত্ত আনত নিদিবা।।৫০।।
সিজে পুণ্যচয় হৰিনামৰ লগত।
পাসৰিলে লাগ লৱৈ পাতক সমস্ত।।
যত পুণ্যচয় হৰিনামৰ কিঙ্কৰ।
তাক পাসৰিলে পাপ হোৱৈ বহুতৰ।।৫১।।
পাচে দেখিলন্ত ব্ৰহ্মা আদি দেৱগণে।
মনুষ্যৰ পাপ নাই বিষ্ণুক স্মৰণে।।
যতেক মনুষ্য কেৱে নুপূজৈ দেৱক।
হৰি স্মৰি ভৈল সৱে হৰিৰ সেৱক।।৫২।।
মনত গুণন্তদেৱে কৰি হৃদিখেদ।
কেনমতে হৰিৰ ভকতি হোৱৈ ছেদ।।
আহ্মাক নুপূজৈ কেৱে পৃথিৱী মণ্ডলে।
আহ্মাক ছড়ায়া সৱে বৈকুণ্ঠক চলে।।৫৩।।



নপাওঁ যজ্ঞভাগ আমি দেৱ ভৈলো কিক।
আহ্মাৰ দেৱতা পদ আছে ধিক ধিক।।
আৰে হেন বোলো সৱে দেৱগণ আসা।
সৱে মিলি মাধৱক কৰোহো উপাসা।।৫৪।।
শঙ্কৰে বোলন্ত মই কৃষ্ণতো অধিক।
হৈবো বুলি মনে কৰো তানে ভকতিক।।
যতেক ত্ৰিদশ কোটি দেৱ আছে মানে।
বিষ্ণুক পূজিবে লাগিলেক থানে থানে।।৫৫।।
ৰহোক আহ্মাৰ ভিক্ষা মনুষ্য লোকত।
দিয়োক জীৱিকা প্ৰভু ভৈলোহো ভকত।।
যজ্ঞভাগ ভুঞ্জিবাক নপাওঁ আমি কেৱ।
ৰাখিয়ো জীৱিকা তযু পাৱে কৰো সেৱ।।৫৬।।
ত্ৰিদশৰ ভকতিত তুষ্ট ভৈলা হৰি।
আগতে দিলন্ত দেখা দিব্যৰূপ ধৰি।।
পৰম মধুৰ মূৰ্ত্তি কোটি সূৰ্য্য সম।
মুখে মৃদু হাস্য জগতৰে মনোৰম।।৫৭।।
চতুৰ্ভুজ শঙ্খ-চক্ৰ-গদা-পদ্মপাণি।
দেৱক সম্বোধি হেন বুলিলন্ত বাণী।।
তুষ্ট ভৈলো আমি কৰিবোহো উপকাৰ।
আপুনি মনুষ্য হৈয়া হৈবো অৱতাৰ।।৫৮।।

তোমৰাসৱক পূজা কৰিবো বিশেষ।
তেৱেঁসে পূজিবে নৰে পায়া উপদেশ।।
দেৱক পূজিবো যজ্ঞ কৰিবো বহুত।
তেৱে মোৰ নামধৰ্ম্ম হৈবেক গুপুত।।৫৯।।
এহি বুলি ত্ৰিদশক ভকত বৎসলে।
বহুবিধ ৰূপ ভৈলা পৃথিৱী মণ্ডলে।।
ৰঘুকুলে ৰামচন্দ্ৰ ভৈলা অৱতাৰ।
যজ্ঞ কৰি দেৱৰ সাধিলা উপকাৰ।।৬০।।
শ্ৰাদ্ধে পিতৃগণক কৰিলা মন তোষ।
ব্ৰাহ্মণকো দান দিয়া কৰিলা সন্তোষ।।
দ্বাপৰ যুগত যদুকুলে অৱতৰি।
কৃষ্ণৰাম ৰূপে পৃথিৱীৰ ভাৰ হৰি।।৬১।।
দেৱ ব্ৰাহ্মণক পূজা কৰিলা অশেষ।
সকল জগতে লৈল কৃষ্ণ উপদেশ।।
কৃষ্ণৰ প্ৰসাদে ভৈল দেৱৰ সম্পত্তি।
বোলা হৰি হৰি আৰে হৌক সদগতি।।৬২।।

।।ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।। ভাই ৰামনাম জপ ভাই ৰামনাম জপ।
ইহাৰ সমান নুহি তন্ত্ৰ মন্ত্ৰ তপ[১৭৫]।।৬।।
পদ ।।শুনিয়ো পাৰ্ব্বতী মঞি পূজিলো হৰিক।
মনে হেন হৈবে সাধো কৃষ্ণতো অধিক।।

১৭৫। পা. তন্ত্ৰ মন্ত্ৰ জপ



বহুবিধ ভকতি কৰিলো বাহিৰত।
সদায় নুগুচৈ মোৰ কপট চিত্তত।।৬৩।।
কহিলো পাৰ্ব্বতী হৃদয়ৰ কথা ভাঙ্গি।
নুগুচিল অহঙ্কাৰ মাধৱক লাগি।।
যদ্যপি কৰিলো মই কপট ভকতি।
তথাপিতো তুষ্ট ভৈলা ত্ৰিজগত পতি।।৬৪।।
কিনো দয়াময় প্ৰভু ভকত বৎসল।
কপট সেৱাত মোৰ কৰিলা কুশল।।
দিব্যৰূপে দেখা মোক দিলন্ত মাধৱে।
চাহিলো নয়ন ভৰি পৰম উৎসুকে।।৬৫।।
দণ্ডৱতে প্ৰণামিলো কৃষ্ণৰ চৰণ।
পাছে নাৰায়ণে মোক বুলিলা বচন।।
মোত কৰি তোহ্মাতে অধিক হৈবে মান।
যেনমতে হৈবে তাৰ কহিবো কাৰণ।।৬৬।।
তোহ্মাক পূজিবো মই পৃথিৱীক গৈয়া।
তযু যশ বঢ়াইবো তোহ্মাতে বৰ লৈয়া।।
দ্বাপৰ যুগত আদি ত্ৰেতাৰ অন্তত।
অৱতাৰ হৈবোহো আপুনি জগতত।।৬৭।।
আহ্মাৰ বচনে তুমি হেন কৰিয়োক।
শাস্ত্ৰ কৰি মনুষ্যৰ লোভ বঢ়ায়োক।।

আগমত দেখায়োক সংসাৰৰ সুখ।
তাক দেখি হোৱৈ যেন আহ্মাত বিমুখ।।৬৮।।
আহ্মাৰ ভকতি পন্থ সবে হৌক ছন।।
আন দেৱ পূজাত সবাৰো হৌক মন।।
আগম দেখায়া কৰা আহ্মাক গুপুত।
তেবেসে প্রজাৰ পুষ্টি হৈবেক বহুত।।৬৯।।
মাধৱৰ বাক্য হেন শুনিলোহো আমি।
পাছে ভয় হুয়া হেন বুলিলো প্রণামি।।
সহস্রেক ব্রহ্মবধ যদি কৰৈ নৰে।
তোহ্মাৰ সেৱায়ে তাকো তৰিবাক পাৰে।।৭০।।
যদিবা তোহ্মাক প্রভু কৰে অহঙ্কাৰ।
সিটো পাতকৰ আৰে নেদেখো নিস্তাৰ।।
শত কোটি কল্প মানে নৰকত পচৈ।
কদাচিটো সিটো মহাপাতক নুগুচৈ।।৭১।।
কি কৰি পৱিত্র মঞি হৈবো নাৰায়ণ।
সেই উপদেশ দিয়া পাতকনাশন।।
যদি হেন তোহ্মাক আগমে কৰো ছন।
তেবে মোৰ হুইবেক পাতক অমোচন।।৭২।।
মাধৱে বোলন্ত শুনা শঙ্কৰ সম্প্রতি।
মোৰ নাম লৈলে পাপ যাইবে অধোগতি।।



সহস্রেক নামে মোৰ পাতক তৰিবা।
সবাতো অধিক তুমি মোৰ প্রিয় হৈবা।।৭৩।।
কৰৈ মোৰ নামে তিনিলোকক পৱিত্র।
মুকুতি পদক দেই আত কোন চিত্র।।
মোৰ নাম লৈলে মোৰ চৰণক পাৱে।
পৰম ঐশ্বৰ্য্য দেওঁ যাক যিবা ভাৱে।।৭৪।।
জানিবা শঙ্কৰ মোৰ বাক্য নুহি মিছা।
মোৰ নাম লৈলে পাইবা মনে যেন ইচ্ছা।।
সহস্রেক নাম পাছে আহ্মাৰ আগত।
কহিলা সকলে হৰি কৰিয়া বেকত।।৭৫।।
শুনিলো প্রভুৰ মুখে সহস্রেক নাম।
ধৰিলো নিশ্চয় কৰি পূৰ্ণ ভৈল কাম।।
সেহি সহস্রেক নাম জপো মঞি মনে।
কহিলো ৰহস্য তুমি ভাৰ্য্যাৰ কাৰণে।।৭৬।।
ৰত্নাকৰ কন্দলি কহিলা যেন সাৰ।
ৰামনাম বিনা নাই সংসাৰ নিস্তাৰ।।
জানিয়া যতনে মাধৱৰ নাম ধৰা।
ৰামনাম ভাৱিয়া সংসাৰ সুখে তৰা।।৭৭।।

।। সহস্রনাম-বৃত্তান্ত সমাপ্ত।।২।।

।। পৰিশিষ্ট-২।।

## ।। উৰেষা-বৰ্ণন।।

### ।। প্ৰথম কীৰ্ত্তন।।

ঘোষা।। জয় জয় জগন্নাথ প্ৰণামো ৰাম।।৭।।

পদ ।। নমো নামো জগন্নাথ ভকতৰ নিধি।
হৰিক স্মৰণে আৰম্ভৰ হৌক সিদ্ধি।।
উৰেষাৰ কীৰ্ত্তনক শুনিয়ো লোকাই।
শঙ্কৰে ৰচিলা ব্ৰহ্ম পুৰাণক চাই।।৭৮।।
মুনিগণে ব্ৰহ্মাত পুছিলা প্ৰণিপাত।
ক্ষেত্ৰৰ মহিমা আৰে কহিয়ো আহ্মাত।।
কিবা হেতু ইন্দ্ৰদ্যুম্ন ৰাজা শুদ্ধচিত্তে।
কৰিলন্ত অশ্বমেধ উৰেষাপুৰীতে।।৭৯।।
বন্ধাইল অদ্ভূত দৌল আশ্চৰ্য্য মহিমা।
ৰাম কৃষ্ণ সুভদ্ৰাৰ সজাইলা প্ৰতিমা।।
কিবা হেতু দৌলত থাপিলা নৰেশ্বৰ।
সমস্তে বৃত্তান্ত কহিয়োক সৃষ্টিকৰ।।৮০।।
ব্ৰহ্মায়ে বোলন্ত শুনা মুনিগণ যত।
আছিল অৱন্তীপুৰী মালৱ দেশত।।



তাহাৰ মহিমা মই কি কৈবো সম্প্ৰতি।
ইন্দ্ৰৰ নগৰ যেন দুতি অম্ৰাৱতী।।৮১।।
সেহি নগৰত ইন্দ্ৰদ্যুম্ন মহাৰাজা।
ধৰ্ম্মপথে থাপিলন্ত পৃথিৱীৰ প্ৰজা।।
দানী মানী সত্যবাদী সৰ্ব্ব গুণাকৰ।
প্ৰতাপে আদিত্য যেন ভোগে পুৰন্দৰ।।৮২।।
পৃথিৱীত নাহি ৰাজা তাহান সমান।
যজিল বিবিধ যজ্ঞ দিলা মহা দান।।
সুৱৰ্ণ মাণিক গ্ৰাম গজ বাজী ৰথ।
নিৰন্তৰে বিপ্ৰৰ পূৰিলা মনোৰথ।।৮৩।।
এহিমতে পৃথিৱীক পালন্ত নৃপতি।
দিনেক তাহান হেন উপজিলা মতি।।
কোন কৰ্ম্মে আৰে আৰাধিৱো জগন্নাথ।
এহি বুলি শাস্ত্ৰ বিচাৰিলা নৰনাথ।।৮৪।।
আগম পুৰাণ বেদ বেদান্ত যতেক।
গুৰু মুখে জানিলন্ত তত্ত্বক প্ৰত্যেক।।
মুকুতি ইচ্ছায়ে এড়িলন্ত ভ্ৰান্তি জ্ঞান।
কিমতে আৰাধো হৰি মনে কৰে ধ্যান।।৮৫।।
নাহিকে নিস্তাৰ আউৰ মাধৱত পৰে।
শঙ্খ চক্ৰ গদা পদ্ম যাৰ চাৰি কৰে।।

পদ্মপত্ৰ সম চাৰু লোচন আয়ত।
গলে বনমালা শোভৈ কৌস্তুভ কণ্ঠত।।৮৬।।
শিৰত কিৰীটি কৰে কঙ্কণ কেয়ূৰ।
মকৰ কুণ্ডল জ্বলে পাৱত নূপুৰ।।
শ্যামল শৰীৰ পীত বস্ত্ৰে কৰৈ কান্তি।
হিয়াত প্ৰকাশৈ আতি শ্ৰীবৎসৰ পান্তি।।৮৭।।
হেন মাধৱক আৱে আৰাধো কিমতে।
এহি বুলি বাঝ ভৈলা নগৰৰ হন্তে।।
ভণিল শঙ্কৰে কৃষ্ণচৰণত ধৰি।
সমজ্যাৰ সৰ্ব্বজনে বোলা হৰি হৰি।।৮৮।।

।।দ্বিতীয় কীৰ্ত্তন।।

ঘোষা।।ত্ৰাহি জগন্নাথ আমি অজ্ঞানী অনাথ[১৭৬]।।৮।।
পদ ।।ৰাজা যান্ত মন্ত্ৰী পাত্ৰ পুৰোহিত।
চতুৰঙ্গ দলে লাগ লৈলেক ত্বৰিত।।
অসংখ্যাত ৰথ যূথেযূথে যায় চলি।
বাৰু খাণ্ডা ধৰি ধাৱে যত মহাবলী।।৮৯।।

১৭৬। পা. ত্ৰাহি ত্ৰাহি জগন্নাথ।
আমি অজ্ঞানী অনাথ।।



সীমাসংখ্যা নাহি লগে লড়ে যত ঘোড়া।
প্ৰমত্ত হস্তীৰ কোনে কহিবেক ওৰা।।
কৰ্ণে তাল মাৰে শুনি ঘণ্টাৰ আস্ফাল।
প্ৰজাৰ ভিৰত যেন যায় ভূমিচাল।।৯০।।
অন্তেষপুৰত যত নাৰীগণ মানে।
ৰাজাৰ লগত যায় বহুবিধ যানে।।
দিব্য বস্ত্ৰ ভূষণে ভূষিত কৰি তনু।
বেঢ়ি বীৰগণ যায় কৰে ধৰি ধনু।।৯১।।
বাজে বাদ্য বিৱিধ টবল টমকিল[১৭৭]।
যতেক বৃত্তিয়া মানে লগতে লড়িল।।
তেলী মালী শিলাকুটী বণিয়া সূতাৰ।
চৰ্ম্মকাৰ চঁড়াল[১৭৮] কমাৰ কুম্ভকাৰ।।৯২।।
চিত্ৰকাৰ কংসাৰ কুন্দাৰ বৈদ্য যত।
অনেক কায়স্থ যায় ৰাজাৰ লগত।।
নট ভাট নৰ্ত্তকী গায়ন অপৰ্য্যন্ত।
বিপ্ৰগণ নৃপতিৰ লগত চলন্ত।।৯৩।।
পৃথিৱীত যতেক বৃত্তিয়াগণ আছে।
চৌত্ৰিশ জাতিয়ো যায় নৃপতিৰ পাছে।।

১৭৭। পা. তবল ঢমকিল
১৭৮। পা. চমাৰ

পিতৃ আগ কৰি যেন চলে পুত্ৰচয়।
এহিমতে গৈল ইন্দ্ৰদ্যুম্ন মহাশয়।।৯৪।।
পাইলন্ত দক্ষিণ সাগৰৰ গৈয়া তীৰ।
ঢউগণ নাচে যেন অগাধ গম্ভীৰ।।
হৰিৰ শয়ন স্থান নদনদী পতি।
যাক দৰশনে পায় পৰম মুকুতি।।৯৫।।
আছে ভয়ঙ্কৰ মৎস্য কচ্ছপ বহুল।
কুম্ভীৰ মগৰ মৎস্যে কৰৈ হুলস্থূল।।
সৰ্ব্ব পাপহৰ ৰম্যকৰ তীৰ্থৰাজ।
দেখিয়া বোলন্ত ৰাজা ঐত মোৰ কাজ।।৯৬।।
কৰিলা নিৰাস পায়া মনোহৰ স্থানে।
দেখিয়া তহিত পৃথিৱীৰ গুণমানে।।[১৭৯]
বহুবিধ বৃক্ষ ফলে ফুলে সুশোভিত।
নানাবিধ পক্ষী ৰাৱ তেজৈ সুললিত।।৯৭।।
বিচিত্ৰ বিৰিধ মৃগগণ চৰৈ তাতে।
অনেক দন্তাল আছে নন্দন বনতে।।
চাৰু সৰোবৰক পঙ্কজে আছে ৰঞ্জি।
ৰাজহংসে ভূঞ্জে তাত মৃণাল উভঞ্জি।।৯৮।।

১৭৯। পা. দেখৈ যত কৃত পৃথিৱীৰ গুণমানে।



পৰ্ব্বত যতেক আছে দেখি মনোহৰ।
উচ্চ শিখৰৰ পৰা বহয়ৈ নিৰ্ঝৰ।।
তেজৈ নাদ কোকিলে ময়ূৰে কাঢ়ৈ ৰাৱ।
বৃক্ষে পথুকক যেন দেয় হাতবাৱ।।৯৯।।
দীৰ্ঘে দশ যোজন পথালি পাঞ্চ সীমা।
কি কহিবো সিটো মহা ক্ষেত্ৰৰ মহিমা।।
পৰম আশ্চৰ্য্যময় মনোহৰ থান।
ইন্দ্ৰদ্যুম্ন নৃপতি দেখিলা বিদ্যমান।।১০০।।
দুনাই মুনিগণে পাছে পুছিলা ব্ৰহ্মাত।
পূৰ্ব্বত প্ৰতিমা কিয় নাছিল তথাত।।
কৰিয়ো সংশয় ছেদ প্ৰভু প্ৰজাপতি।
বোলা হৰি হৰি পাপ যাউক অধোগতি।।১০১।।

।।তৃতীয় কীৰ্ত্তন।।

ঘোষা।।ৰাম ৰাম বোলা তাৰে।
যমে নতু[১৮০] ধৰে যাৰে।।১।।
পদ ।।ব্ৰহ্মায়ে বোলন্ত শুনিয়ো কথা।
যি কাৰ্য্যে প্ৰতিমা নাছিল তথা।।

১৮০। পা. নতু যমে

পূৰ্ব্বত মেৰুৰ শিখৰে হৰি।
বসিয়া আছন্ত আনন্দ কৰি।।১০২।।
প্ৰণামি জানুশিৰে লক্ষ্মী মাৰে।
কৰিলন্ত প্ৰশ্ন স্বামীৰ পাৰে।।
কোন কৰ্ম্মভূমি মনুষ্য লোকে।
সদায়ে আক নেৰৈ দুঃখে শোকে।।১০৩।।
কোন কৰ্ম্মে পাৰে সংসাৰ পাৰ।
কহিয়ো মোত কিবা ধৰ্ম্ম সাৰ।।
কৰুণা আছে দাসী বুলি যদি।
গুচায়ো আমাৰ সংশয় ছেদি।।১০৪।।
মাধৱে বোলন্ত শুনিয়ো প্ৰিয়া।
আম্হাৰ কথাত কৰিয়ো হিয়া।।
আছে মহাক্ষেত্ৰ কৈলো তোম্হাত।
পুৰুষোত্তম নামে প্ৰখ্যাত।।১০৫।।
সংসাৰক তৰৈ তাত নিৱাসে।
হোৱয় সিদ্ধি আতি অপ্ৰয়াসে।।
কীৰ্ত্তনতে যাৰ পাপ পলাই।
তিনিও লোকে তাৰ সম নাই।।১০৬।।
নজানৈ তাক দেৱ সিদ্ধ মুনি।।
গুপুত কৰিয়া আছো আপুনি।।



আজিসে তোম্হাত কৰো বেকত।
শুনা সাৱধানে তাৰ মহত।।১০৭।।
ব্ৰহ্মাক মহাপ্ৰলয়ৰ অন্তে।
স্ৰজিলো নাভিকমলৰ হন্তে।।
উপজি মোতে পাছে সৃষ্টিকৰে।
স্ৰজিল চৰাচৰ নিৰন্তৰে।।১০৮।।
জগত নিৰ্ম্মিয়া কৰিলা ধ্যান।
তেখনে তান ভৈলো বিদ্যমান।।
সজল মেঘ শৰীৰৰ কান্তি।
হিয়াত প্ৰকাশৈ শ্ৰীবৎসপান্তি।।১০৯।।
তনুক ৰঞ্জে আতি পীত বস্ত্ৰ।
হাতত চক্ৰ ধৰি আছে অস্ত্ৰ।।
কমললোচন মুখ প্ৰসন্ন।
দেখি ব্ৰহ্মা উঠি দিলা আসন।।১১০।।
অক্ষতে অৰ্ঘ্যে পূজি প্ৰজাপতি।
কৰিলা আম্হাক অনেক স্তুতি।।
ব্ৰহ্মাক পাছে দিলো সমিধান।
কি কাৰ্য্যে আম্হাক কৰিলা ধ্যান।।১১১।।
হেন শুনি ব্ৰহ্মা মাতিলা পাছে।
কোন মুখ্য সাধ্য লোকৰ আছে।।

**বিনা যজ্ঞ যোগ ব্ৰত নিয়ম।**
**নকৰি তপ তীৰ্থ পৰিশ্ৰম।।১১২।।**
**পাইবেক মহাসিদ্ধি অপ্ৰয়াসে।**
**কহিয়ো আহ্মাত জগনিৱাসে।।**
**কোন বা উত্তম ক্ষেত্ৰ তোহ্মাৰ।**
**বোলা হৰি হৰি তৰা সংসাৰ।।১১৩।।**

।।চতুৰ্থ কীৰ্ত্তন।।

**ঘোষা।।গোপাল গৰুড়কেতু প্ৰণামো চৰণে।**
**নিয়োক নিস্তাৰি হৰি পশিলো শৰণে।।১০।।**
**পদ ।।হেন শুনি দিলো পাছে ব্ৰহ্মাক উত্তৰ।**
**মোহোৰ[১৮১] ক্ষেত্ৰৰ কথা শুনা সৃষ্টিকৰ।।**
**জগততে কৰি মঞি যিহেতু উত্তম।**
**সি কাৰণে নাম মোৰ পুৰুষোত্তম।।১১৪।।**
**ভৈলো সিটো ক্ষেত্ৰে মঞি আপুনি সাক্ষাত।**
**পুৰুষোত্তম নামে ক্ষেত্ৰ তাতেসে প্ৰখ্যাত।।**
**বিনা যজ্ঞ দান তপ যোগৰ যুগুতি।**
**চাৰিও বৰ্ণক দেয় ভুকুতি মুকুতি।।১১৫।।**

১৮১। পা. ব্ৰহ্মাৰ



**সিটো মহাক্ষেত্ৰ দশ যোজন প্ৰকট।**
**দক্ষিণ সাগৰ তীৰে আছে সিদ্ধ বট।।**
**যাৰ ছায়া পৰশনে হোৱৈ মহোদয়।**
**দৰশন মাত্ৰে ব্ৰহ্মহত্যা হোৱৈ ক্ষয়।।১১৬।।**
**প্ৰদক্ষিণ কৰি যিটো কৰৈ নমস্কাৰ।।**
**মোৰ থান পাৱৈ কৰি পুৰুষ উদ্ধাৰ।।**
**প্ৰলয়তো নাহি সিটো বটৰ বিনাশ।**
**সেই থানে বটৰ উত্তৰ দিশপাশ।।১১৭।।**
**দিব্য দৌল আছে তাৰ কি কৈবো মহিমা।**
**বৈদুৰ্য্যৰ আছে তাত আহ্মাৰ প্ৰতিমা।।**
**অপ্ৰয়াসে তাকে চাই পাৱৈ মহোদয়।**
**পাপী নৰো[১৮২] চলি যায় বিষ্ণুৰ নিলয়।।১১৮।।**
**হেন দেখি[১৮৩] যম ৰাজা কৰিলা গমন।**
**বটৰ নিকটে মোক পাইলা দৰশন।।**
**প্ৰণামিয়া শিৰে বুলিলন্ত স্তুতিবাণী।**
**নমো নমো জগন্নাথ দেৱ চক্ৰপাণি।।১১৯।।**
**নমো নমো জ্যোতিঃফল দেৱ সনাতন।**
**সৰ্ব্বব্যাপী পুৰুষ পৰম নিৰঞ্জন।।[১৮৪]**

১৮২। পা. পাপীসৱো
১৮৩। শুনি।
১৮৪। পা. সৰ্ব্বব্যাপী প্ৰকৃতিৰ পৰ নিৰঞ্জন।।

বহুবিধ স্তুতি কৰি কৰন্ত প্ৰণাম।
মঞি বোলো যম কহ সাধো কোন কাম।।১২০।।
যম ৰাজা বোলে ইটো ক্ষেত্ৰ মাজে সাৰ।
ইন্দ্ৰনীলময় আতে প্ৰতিমা তোহ্মাৰ।।
পাপী বা অপাপী তাক অপ্ৰয়াসে চাৰে।
তোহ্মাৰ প্ৰসাদে স্থান শ্বেতদ্বীপে পাৰে।।১২১।।
মোৰ অধিকাৰ ভৈল সকলে লুপুত।
হেন জানি প্ৰতিমাক কৰিয়ো গুপুত।।
পাছে ময়ো যমৰায়ৰ বচনত থাকি।
পুতি থৈলো প্ৰতিমাক বালুকায়ে ঢাকি।।১২২।।
পাছে ইন্দ্ৰদ্যুম্নে তৈতে অশ্বমেধ যজি।
কৃষ্ণ বলভদ্ৰ সুভদ্ৰাৰ মূৰ্ত্তি সাজি।।
দিব্য দৌল বান্ধি যেনমতে পূজিলন্ত।
লক্ষ্মীত কহিলা হৰি সকল বৃত্তান্ত।।১২৩।।
ব্ৰহ্মাত পুছিলা মুনিসকলে দুনাই।
ক্ষেত্ৰে গৈয়া কি কৰিলা ইন্দ্ৰদ্যুম্ন ৰায়।।
কহিয়ো হৰিষে শুনোহো পাছ কথা।
বোলা ৰাম ৰাম জন্ম নকৰিয়ো বৃথা।।১২৪।।



।।পঞ্চম কীৰ্ত্তন।।

ঘোষা।। হৰি ৰাম হৰি ৰাম ঘুষিয়ো ভাই।
পাপ সাগৰে আন গতি নাই।।১১।।

পদ ।।বোলন্ত ব্ৰহ্মা শুনা সমুদায়।
ক্ষেত্ৰক পাইল ইন্দ্ৰদ্যুম্ন ৰায়।।
দেখিল স্থান আতি অনুপাম।
আছন্ত তীৰ্থ মহানদী নাম।।১২৫।।
লোকৰ কৰিয়া পাপ উপান্ত।
দক্ষিণ সাগৰক বহি যান্ত।।
গঙ্গাৰ সমান তীৰ্থ বিশেষ।
দুয়ো কুলে আছে অনেক দেশ।।১২৬।।
হৃষ্টপুষ্ট লোক তৈত সদায়।
বসনে ভূষণে ভূষিত কায়।।
বেদবিদ বিপ্ৰ আছে অপাৰ।
প্ৰত্যহে অগ্নিহোত্ৰ সিজৈ তাৰ।।১২৭।।
সদায় নুগুচৈ শাস্ত্ৰ আলাপ।
বেদধ্বনি শুনি পলাৱৈ পাপ।।
ক্ষেত্ৰত আছয় যত নাৰীগণ।
সৱাৰো গাৰে শোভৈ আভৰণ।।১২৮।।

আয়ত লোচন পদ্মৰ পাসি।
নুগুচৈ মুখত ঈষত হাসি।।
ৰূপে বিদ্যাধৰী সম সাক্ষাত।
কৰন্ত লয়লাসে আয়াযাত।।১২৯।।
অনেক তপস্বী তপ আচৰৈ।
সন্ন্যাসীসৱে বসি ধ্যান কৰৈ।।
ব্ৰহ্মচাৰীসৱো ভ্ৰমন্ত তথা।
ক্ষেত্ৰৰ কহিবো কত ব্যৱস্থা।।১৩০।।
পৰম দুৰ্ল্লভ ক্ষেত্ৰক পাই।
গুণন্ত পাছে ইন্দ্ৰদ্যুম্ন ৰায়।।
ঐত আৰাধিবো বিষ্ণুক আমি।
পৰমপুৰুষ জগতস্বামী।।১৩১।।
তাহান পৰম ক্ষেত্ৰ প্ৰকট।
তহিতে আছে কল্পবৃক্ষ বট।।
যাক পূজি পাৱৈ জন্মৰ সীমা।
নাহিকে বিষ্ণুৰ ঐত প্ৰতিমা।।১৩২।।
বান্ধিবো দৌল কৰি মহাযত্ন।
একস্থান কৰি সুৱৰ্ণ ৰত্ন।।
যজিবো যজ্ঞ দিয়া মহাদান।
হোৱন্ত হৰি যেন বিদ্যমান।।১৩৩।।



থাপিবোহো দৌলে তাঙ্ক আপুনি।
এহিমতে ৰাজা মনত গুণি।।
আনিয়া দৈৱজ্ঞ বিপ্ৰ প্ৰধান।
নিৰ্ণয় কৰিলা দৌলৰ থান।।১৩৪।।
শুভ দিন শুভ যোগ বিচাৰি।
থৈলন্ত পূৰ্ণ কুম্ভ শাৰী শাৰী।।
বৰাইলা মাঙ্গল্য বাদ্য অনেক।
বেদক ঘোষন্ত বিপ্ৰ যতেক।।১৩৫।।
পূজিয়া পৱিত্ৰ কৰিয়া থান।
দিলন্ত ৰাজা পাছে অৰ্ঘ্য দান।।
মিলিল উৎসৱ ক্ষেত্ৰক ভৰি।
পলাওক পাপ বোলা হৰি হৰি।।১৩৬।।

।।ষষ্ঠ কীৰ্ত্তন।।

ঘোষা।।জয় গোৱিন্দ দয়াশীল জয় জগন্নাথ।
মাধৱ প্ৰণামো ভূমিত থৈয়া মাথ।।১২।।
পদ ।।অনন্তৰে ইন্দ্ৰদ্যুম্ন ৰাজা ৰাজেশ্বৰ।
কলিঙ্গপতিক মাতি দিলন্ত উত্তৰ।।
বিন্ধ্য পৰ্ব্বতক যাহা ৰাজাগণ লই।
ভদ্ৰতৰ শিলাক শকটে আনা বই।।১৩৭।।

দৌল সাজি দেৱতাক থাপিবো সম্প্ৰতি।
হেন শুনি চলি গৈল কলিঙ্গ নৃপতি।।
মন্ত্ৰীক মাতিয়া পাছে ৰাজা আদেশয়।
চাৰিও দিশক লাগি পাঞ্চা দুতচয়।।১৩৮।।
আনোক হাঙ্কাৰি ৰাজাগণ নিৰন্তৰ।
চতুৰঙ্গ সেনা লৈয়া আসোক সত্বৰ।।
ৰাজৰ আদেশ কহি পৰ্য্যটিল দূত।
চাৰিও দিশৰ ৰাজা আসিল বহুত।।১৩৯।।
হেন দেখি ইন্দ্ৰদ্যুম্ন মহা তুষ্টমন।
সৱ নৃপতিক চাহি বুলিলা বচন।।
ইটো মহাক্ষেত্ৰ ভূমি মুকুতি কাৰণ।
আতে অশ্বমেধে যজিবোহো নাৰায়ণ।।১৪০।।
বান্ধি দৌল দেৱ থাপিবোহো যেন বিধি।
কেনমতে মোৰ ইটো কাৰ্য্য হোৱৈ সিদ্ধি।।
তুমিসৱ হোৱা আৱে সহায় আম্মাৰ।
হৈবো বুলি সৱেও কৰিলা অঙ্গীকাৰ।।১৪১।।
সুৱৰ্ণ মাণিক মণি মুকুতা অপাৰ।
গজ বাজী ৰথ যতেক সম্ভাৰ।।
ভক্ষ্য ভোজ্য যজ্ঞত লাগিবে যত যত।
দিল ৰাজাগণে ইন্দ্ৰদ্যুম্নৰ আগত।।১৪২।।



দেখি ৰাজা ৰত্নময় যজ্ঞৰ সম্ভাৰ।
আনিলন্ত বিপ্ৰ ঋষি তপস্বী অপাৰ।।
উপাধ্যায় আচাৰ্য্য সদস্য পাত্ৰঝাক।
দেখি পুৰোহিতক বুলিলা ৰাজা বাক।।১৪৩।।
বিপ্ৰ ঋষিগণ সমে চলিয়োক তুমি।
নিৰ্ম্মিয়োক সৱে গৈয়া মহাযজ্ঞ ভূমি।।
শুনি পুৰোহিত গৈয়া অনেক যতনে।
সাজিলন্ত বেদীখণ্ড সুৱৰ্ণ ৰতনে।।১৪৪।।
ৰত্নময় প্ৰাসাদ সজাইলা একশত।
সুৱৰ্ণ ৰচিত স্তম্ভ লগাইল গৃহত।।
ঠাই ঠাই পোতাইলন্ত বৃহত তোৰণ।
মণি মুকুতাৰ মালা কৰি আভৰণ।।১৪৫।।
ব্ৰাহ্মণক লাগি গৃহ সজাইল অপাৰ।
ভক্ষ্য ভোজ্য পঞ্চামৃত মিলাইল সম্ভাৰ।।
অনেক নৃপতি ব্ৰাহ্মণৰ ধৰৈ আল।
স্বৰ্গক লঙ্ঘিল গৈয়া বাদ্যৰ ঘণ্টাল।।১৪৬।।
সুৱৰ্ণ বিনাই আন নাহিকে ভাজন।
দেখি ইন্দ্ৰদ্যুম্নৰ আনন্দ ভৈল মন।।
আৰম্ভিল যজ্ঞ যেন বিধি ব্যৱহাৰ।
হৰি হৰি বুলি তৰা দুৰ্ঘোৰ সংসাৰ।।১৪৭।।

।।সপ্তম কীৰ্ত্তন।।

ঘোষা।।হৰি গোৱিন্দ কৃষ্ণ জয় জগন্নাথ।।১৩।।
পদ ।।যজন্ত বেড়ি যত ব্ৰহ্মঋষি।
কৃষ্ণক অৰ্চ্চন্ত ৰাজা হৰিষি।।
কৰিলন্ত হোম কোটি প্ৰমাণ।
ৰথ গজ বাজী দিলন্ত দান।।১৪৮।।
কোটি কোটি ৰথ গ্ৰাম নগৰ।
দাসী দাস ধেনু বৃষ বিস্তৰ।।
যেহি লাগে খোজে যতেক প্ৰজা।
নাহিকে নেদো নোবোলন্ত ৰাজা।।১৪৯।।
পুৰিল মনোৰথ সমস্তৰ।
হৃষ্টপুষ্ট ভৈল সমস্তে নৰ।
সকল ঋষিক বোলন্ত বাণী।।
প্ৰত্যেক্ষ যাৰে নোন্ত চক্ৰপাণি।।১৫০।।
প্ৰৱৰ্ত্তাৱা তৰে যজ্ঞ আমাৰ।
এহি বুলি দান দেন্ত অপাৰ।।
কোনে কৰিবেক দানৰ সীমা।
যজ্ঞৰ পৰম দেখি মহিমা।।১৫১।।
বিস্ময় ভৈল সুৰাসুৰ নাগে।
উৎসৰ্গি ঘোড়া পাছে মহাভাগে।।



পুত্ৰগণ মাতি দিলা আদেশ।
যজ্ঞৰ হয় ৰাখা দেশে দেশ।।১৫২।।
থানে থানে ৰচি সুৱৰ্ণ ৰত্নে।
বিষ্ণুৰ দৌলক সজাইল যত্নে।।
কৰিল কৰ্ম্ম যত ৰাজসুত।
বান্ধিল দৌল আতি অদভুত।।১৫৩।।
ৰাজায়ো দৌলক সুসাঙ্গ কৰি।
চিন্তন্ত সদায়ে নিদ্ৰাক এড়ি।।
কিমতে বিষ্ণুৰ দেখা সাক্ষাত।
বিষ্ণুৰ প্ৰতিমা পাইবো কোথাত।।১৫৪।।
কিমতে আৰে আৰাধিবো হৰি।
প্ৰতিমা থাপো দৌলে কেন কৰি।।
একোমতে তুষ্টি নাহিকে মন।
নকৰে নৃপতি স্নান ভোজন।।১৫৫।।
পৰম চিন্তায়ে আকুল ভৈলা।
বিষ্ণুক পাছে অৰ্চিবাক লৈলা।
পঞ্চৰাত্ৰবিধি কৰিয়া পূজা।
কৰন্ত স্তুতি ইন্দ্ৰদ্যুম্ন ৰাজা।।১৫৬।।
নমো বাসুদেৱ মোক্ষ কাৰণ।
সংসাৰত মোক কৰা তৰণ।।

নমো মাধৱক দৰাঁয়া মাথ।
ত্ৰাহি ত্ৰাহি বিষ্ণু জগতনাথ।।১৫৭।।
ত্ৰাহি নৰসিংহ দৈত্যসংহাৰী।
যিমতে আনিলা ভূমি উদ্ধাৰি।।
সেহিমতে মোক কৰা উদ্ধাৰ।
বৰাহ বিষ্ণুক নতি আহ্মাৰ।।১৫৮।।
বলদেৱ আদি মূৰ্ত্তি যতেক।
গৰুড় প্ৰমুখ্যে অঙ্গ[১৮৫] অনেক।।
সৱাকো কৰো মঞি নমস্কাৰ।
হৰি হৰি বুলি হুয়ো নিস্তাৰ।।১৫৯।।

।।অষ্টম কীৰ্ত্তন।।

ঘোষা।। হৰি ত্ৰাহি কৰুণাসিন্ধু।
গোৱিন্দ জগতবন্ধু।।১৪।।
পদ ।।মায়াতেসে দেখয় বিৱিধ পৰিচ্ছেদ।
স্বৰূপত তোহ্মাৰ নাহিকে কিছু ভেদ।।
চৈতন্যস্বৰূপ ব্যাপি এক নিৰঞ্জন।
তোহ্মাক বুলিবে দ্বৈত কোন অজ্ঞজন।।১৬০।।

১৮৫। পা. অংশ



নিশ্চল নিৰ্ম্মল সূক্ষ্মৰূপ যিটো স্বামী।
দেৱে যাক নজানন্ত কেনে জানো আমি।।
অপৰ তোহ্মাৰ ৰূপ যাৰ ভূজ চাৰি।
পীত বস্ত্ৰে শোভে শঙ্খ চক্ৰ গদাধাৰী।।১৬১।।
পিন্ধি আছা ৰত্নময় কুমুতাৰ হাৰ।
হিয়াত শ্ৰীবৎস গলে বনমালা যাৰ।।
সেহিসে মূৰ্ত্তিক আৰাধন্ত দেৱগণে।
তাকেসে ভকতজনে চিন্তে সৰ্ব্বক্ষণে।।১৬২।।
বিষয়সাগৰে মজো কমললোচন।
ভকত অভয়দাতা কৰিয়ো মোচন।।
তুমি ব্যতিৰেকে আন নেদেখো কাৰণ।
শ্ৰীমধুসূদন প্ৰভু হুয়োক প্ৰসন্ন।।১৬৩।।
নানাবিধ ব্যাধি জড়া শোকে মোক পীড়ে।
কৰ্ম্মপাশে বদ্ধ ভৈলো লোভ মোহ নেড়ে।।
সংসাৰসাগৰে জল বিষয়ৰ ক্লেশ।
ইন্দ্ৰিয় আৱৰ্ত্ত গ্ৰাহ ভৈল ৰাগদ্বেষ।।১৬৮।।
শোকতৃষ্ণাউৰ্মিক দেখন্তে চমৎকাৰ।
অত্যন্ত চঞ্চল অণুমাত্ৰো নুহি সাৰ।।
মায়ায়ে মোহিল হেন সংসাৰত আতি।
চিৰকালে ভ্ৰমো প্ৰভু হুয়া নানা জাতি।।১৬৫।।

লভিলোহো জন্ম প্ৰভু অসংখ্য প্ৰমাণ।
পঢ়িলোহো বেদশাস্ত্ৰ অনেক পুৰাণ।।
অসন্তোষ সন্তোষকো লভিলো অপাৰ।
ক্ষয় বৃদ্ধি উদয়কো পাইলো বাৰম্বাৰ।।১৬৬।।
সংযোগ বিয়োগ শত্ৰু-মিত্ৰ বান্ধৱৰ।
দেখিলো সংসাৰে পিতৃ-মাতৃক বিস্তৰ।।
সুখ দুঃখ অনুভৱ ভৈল অসংখ্যাত।
পাইলো পুত্ৰ ভ্ৰাতৃ জ্ঞাতি অনেক ইহাত।।১৬৭।।
বিষ্ঠা মূত্ৰে পচিলো নাৰীৰ উদৰত।
গৰ্ভবাস দুঃখ প্ৰভু পাইলো নানামত।।
জানিলোহো দুঃখ শিশু যুৱা বৃদ্ধকালে।
মৰণপীড়াক প্ৰভু জানিলোহো ভালে।।১৬৮।।
যমপুৰে যেন দুঃখ পাইলো সমস্তকে।
জানিলো যাতনা যেন চৌৰাশী নকৰে।।
কৃমি কীট হস্তী ঘোৰা মৃগ বৃক্ষ পক্ষী।
গৰু উট মহিষ পশুক যত দেখি।।১৬৯।।
দ্বিজ শূদ্ৰ ধনী দুখী তপস্বী যতেক।
ৰাজা ৰাজভৃত্য আনো মনুষ্য অনেক।।
সৰাৰো গৃহত বাৰে বাৰে ভৈলো জাত।
অনেকৰ ভৈলো প্ৰভু ভৃত্য অসংখ্যাত।।১৭০।।



হওঁ কতো দৰিদ্ৰ ঈশ্বৰ অধিকাৰী।
কতো মোক মাৰৈ কতো ময়ো আছো মাৰি।।
মঞি আনি কাটো কতো মোক ধৰি কাটে।
ভণিল শঙ্কৰে ৰাম ৰাম বোলা ঝাণ্টে।।১৭১।।

।।নৰম কীৰ্ত্তন।।

ঘোষা।। ও হৰি প্ৰভু জগন্নাথ
নিস্তাৰ কৰা দাৰুণ সংসাৰে।
কৃষ্ণৰ চৰণ ছাড়ি আন গতি
নেদেখো হামাৰে।।১৫।।

পদ ।।পিতৃ মাতৃ ভ্ৰাতৃ ভাৰ্য্যাৰ সংযোগে
কতোহো মিলৈ সন্তোষ।
তাহাৰ বিয়োগে কতো শোকে কন্দো
পায়া কতো অসন্তোষ।।
দেৱ মনুষ্যত পশু পতঙ্গত
জগত মধ্যত স্বামী।
চৈধ্যয় ভুৱনে হেন থান নাহি।
যৈক নতু যাওঁ আমি।।১৭২।।
কতো নৰকত থাকো কদাচিত
স্বৰ্গক কৰোহো গতি।

মনুষ্যলোকত থাকো কতোবেলা
পশুৰো হওঁ সঙ্গতি।।
জলযন্ত্ৰ চক্ৰে জৰীবদ্ধ হুয়া
খণ্ড ঘট যেন মতে।
কতো উৰ্দ্ধগতি কতো অধ যাই
কতোহো থাকো মধ্যতে।।১৭৩।।
কৰ্ম্মে বদ্ধ হুয়া সংসাৰ চক্ৰত
এহিমতে ভগৱন্ত।
ভ্ৰমো চিৰকাল কদাচিতো মঞি
দুঃখৰ নেদেখো অন্ত।।
শোক মোহ তৃষ্ণা আকুল কৰয়
ভৈলো আতি অচেতন।
কিবা কৰো আৰে একোকে নজানো
তোম্হাত লৈলো শৰণ।।১৭৪।।
তোম্হাৰ ভকত হওঁ যেৰে মঞি
জগন্নাথ কৃপা কৰা।
সংসাৰসাগৰে মজিলো মাধৱ
আমাক প্ৰভু উদ্ধাৰা।।
তুমি ব্যতিৰেকে নাহি বন্ধু আন
যি মোৰ চিন্তা কৰয়।



তুমি হেন যদি নাথ পাওঁ প্ৰভু
কহিতো নাহিকে ভয়।।১৭৫।।
তুমি জগদ্ধাতা তোম্হাৰ চৰণে
ভকতি নভৈল যাৰ।
তাৰ কুল শীল[১৮৬] বিদ্যা ব্যৰ্থ সৱে
কি কৰে জীৱন ছাৰ।।
যিটো মোহ হুয়া তোম্হাক নিন্দয়
অসুৰ স্বভাৱ পাই।
উপজি উপজি নৰকত পড়ে
তাহাৰ নিস্তাৰ নাই।।১৭৬।।
যৈতে যৈতে গৈয়া জন্ম লভো মঞি
আপুন কৰ্ম্মৰ গতি।
তৈতে তৈতে হৰি তোম্হাৰ চৰণে
থাকোক দৃঢ় ভকতি।।
দেৱাসুৰ নাগে তোম্হাক আৰাধি
পাইলেক পৰম সিদ্ধি।
জানিয়া তোম্হাক নুপূজিবে কোনে
তুলি ভকতৰ নিধি।।১৭৭।।
স্তুতি কৰিবাক নাৱাৰে তোম্হাক
ব্ৰহ্মা আদি দেৱজাক।

---

১৮৬। পা. তাৰ কুল ক্ৰিয়া

মনুষ্য বুদ্ধিয়ে কেনমতে মঞি
কৰিবো স্তুতি তোম্মাক।।
যিটো মূঢ়ভাৱে কৰিলোহো স্তুতি
তাকো ক্ষমিয়োক মোক।
যদি অপৰাধ কৰৈ তথাপিতো
ক্ষমা কৰৈ সাধু লোক।।১৭৮।।
হেন জানি প্ৰভু হুয়োক প্ৰসন্ন
তোম্মাৰ ভকত আমি।
ভক্তিভাৱে যিটো কৰিলোহো স্তুতি
সাঙ্গ হৌক সৱে স্বামি।।
প্ৰভু বাসুদেৱ তোম্মাৰ চৰণে
কৰো মঞি নমস্কাৰ।
আন কাম এড়ি বোলা হৰি হৰি
পুৰুষ হৌক উদ্ধাৰ।।১৭৯।।

।।দশম কীৰ্ত্তন।।

ঘোষা।। হৰি গোৱিন্দ দয়াময় মুৰাৰি ৰাম।
মুখে মোৰ নছাড়োক কৃষ্ণ বিষ্ণু নাম।।১৬।।
পদ ।।ব্ৰহ্মায়ে বোলন্ত শুনিয়োক মুনিগণ।
ভৈলন্ত গৰুড়ধ্বজ স্তোত্ৰত প্ৰসন্ন।।



দিলন্ত ৰাজাক মনবাঞ্ছিত সকল।
কাৰুণ্য স্তোত্ৰৰ আৰে শুনা যেন ফল।।১৮০।।
হৰিক পূজিয়া যিটো নিতে কৰৈ স্তুতি।
তাহাৰ হৈবেক জানা অৱশ্যে মুকুতি।।
ত্ৰিসন্ধ্যাত পঢ়ে যিটো স্তোত্ৰ শ্ৰেষ্ঠতৰ।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ পাৱৈ নিৰন্তৰ।।১৮১।।
যিবা পঢ়ে যিবা শুনে শুনাৱৈ আনক।
পাপ ছাড়ি সিও যায় বিষ্ণুৰ স্থানক।।
যিটো দুষ্ট শঠে কৰৈ বেদক লুপুত।
তাত নকহিবা স্তোত্ৰ পৰম গুপুত।।১৮২।।
বিষ্ণু ভকতক আক দিবা উপদেশ।
কহিলো কাৰুণ্যস্তৱ তোম্মাত নিঃশেষ।।
দেৱ মাধৱক ধ্যান কৰৈ যিটো নিত।
বিষ্ণুত প্ৰকাশৈ যেন অগনিত ঘৃত।।১৮৩।।
মহাযজ্ঞ বিদ্যাদানে কোন কাৰ্য্য কৰৈ।
মহাউগ্ৰতপ কৰি মিছাতেসে মৰৈ।।
জগতৰ গুৰু মোক্ষদাতা নাৰায়ণ।
তাহান নকৰৈ যিটো শ্ৰৱণ কীৰ্ত্তন।।১৮৪।।
সি সি ধন্য সি সি শুদ্ধ সেহিসে পণ্ডিত।
যজ্ঞ তপ গুণে[১৮৭] সি সি শ্ৰেষ্ঠ অখণ্ডিত।।

১৮৭। পা. তাৰ কুল ক্ৰিয়া

সি সি সত্যবাদী দাতা জ্ঞাতা জগতত।
যাহাৰ ভকতি আছৈ কৃষ্ণ চৰণত।।১৮৫।।
হেন স্তুতি কৰি ইন্দ্ৰদ্যুম্ন মহাৰায়।
ভূমিত পৰিল বস্ত্ৰ কুশক বিছাই।।
মহাচিন্তাৰিষ্ট হুয়া কৰিল শয়ন।
কেনমতে হৈব মোৰ কৃষ্ণদৰশন।।১৮৬।।
হেন মনে চিন্তি নিদ্ৰা গৈল নৃপবৰ।
স্বপ্নত ৰাজাক দেখা দিলা দামোদৰ।।
জগত গুৰুক ৰাজা দেখিলা সাক্ষাতে।
আঠ অস্ত্ৰ ধৰি আছা আঠখান হাতে।।১৮৭।।
শঙ্খ চক্ৰ গদা পদ্ম চাৰু বাৰ্ব্ব অসি।
সাৰেং বাণ[১৮৮] ধৰি আছা গৰুড়ত বসি।।
যেন নীল বৈদুৰ্য্য শৰীৰে কৰে কান্তি।
হৃদয় মধ্যত জ্বলে শুক্ল লোম পান্তি।।১৮৮।।
পীত বস্ত্ৰে শোভৈ তনু কটিত মেখলা।
কণ্ঠত কৌস্তুভ শোভৈ গলে বনমালা।।
কিৰীটি কুণ্ডল হাৰ কেয়ূৰ কঙ্কণ।
সৰ্ব্বাঙ্গে প্ৰকাশৈ মহাৰত্নৰ ভূষণ।।১৮৯।।
নূপুৰে ৰঞ্জিয়া আছে পাদপদ্ম দুই।
যাক দেখি ধ্যানত ভকত সুখী হুই।।

১৮৮। পা. সাৰঙ্গক



প্ৰসন্ন বদনে জ্বলে কমললোচন।
যাক দৰশনে হোৱে পাতকমোচন।।১৯০।।
যুগান্তৰ সূৰ্য্য যেন আছন্ত প্ৰকাশি।
ৰাজাক বুলিলা হেন বাণী হৰি হাসি।।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
বোলা হৰি হৰি সৱে হৌক সদগতি।।১৯১।।

।।একাদশ কীৰ্ত্তন।।

ঘোষা।।জয় হৰি গোপাল।
জগন্নাথ কৃপাল।।১৭।।

পদ ।।সাধু সাধু মহাৰাজ।
সাৰ্থক তোমাৰ কাজ।।
যজ্ঞ দানে ভক্তিভাৱে।
তুষিলা আমাৰ পাৱে।।১৯২।।
কৰা অনুশোচ বৃথা।
জানিলো তোমাৰ কথা।
প্ৰতিমা থাপিবা ঐত।
শুনা তাক পাইবা যৈত।।১৯৩।।
ৰজনী প্ৰভাতে বীৰ।
যাইবা সাগৰৰ তীৰ।।

বৃক্ষক দেখিবা পাছে।
জল থল মাজে আছে।।১৯৪।।
ঢউ লাগি সাগৰৰ।
নকম্পন্ত তৰুবৰ।।
হাতত পৰশু লৈয়া।
একলে দেখিবা গৈয়া।।১৯৫।।
ছেদিবা নিঃশঙ্কমতি।
প্ৰতিমা সাজিবা তৈতি।।
নিচিন্তিবা মহাৰথ।
হৈব সিদ্ধি মনোৰথ।।১৯৬।।
ৰাজাক প্ৰবোধ কৰি।
অন্তৰ্দ্ধান ভৈলা হৰি।।
দেখি স্বপ্ন বিপৰীত।
ভৈল ৰজা সচকিত।।১৯৭।।
বিষ্ণুমন্ত্ৰ জপ কৰি।
হৰিক মনত ধৰি।।
ৰজনী কৰিয়া ক্ষয়।
উঠি পাছে মহাশয়।।১৯৮।।
সাগৰত কৰি স্নান।
দিলন্ত বিৰিধ দান।।



নিত্যকৰ্ম্ম সাঙ্গ কৰি।
হাতত পৰশু ধৰি।।১৯৯।।
হৰিক স্মৰিয়া বীৰ।
লড়ি গৈলা ধীৰে ধীৰ।।
নাহিকে সাৰথি ৰথ।
একেশ্বৰে মহাৰথ।।২০০।।
পাইলা তীৰ সাগৰৰ।
দেখিলন্ত তৰুবৰ।।
নাহি তাৰ নাম জাতি।
থূলন্তৰ উচ্চ আতি।।২০১।।
মঞ্জাঠিৰ বৰ্ণ সম।
দেখি আতি মনোৰম।।
পড়িয়া জলৰ কাছে।
যেন সুখে সুতি আছে।।২০২।।
বিষ্ণুৰ বৃক্ষক পাই।
আনন্দিত মহাৰায়।
কৃষ্ণৰ কিঙ্কৰে ভণে।
হৰি বোলা সৰ্ব্বজনে।।২০৩।।

।।দ্বাদশ কীৰ্ত্তন।।

ঘোষা।।ভাই ৰাম কহ ৰাম কহ ৰামমন্ত্ৰ সাৰ।
তপ জপ যজ্ঞ যোগে সিদ্ধি নাহি আৰ।।১৮।।
পদ ।।তীক্ষ্ণতৰ পৰশু উচায়া হাত উড়ি।
ছেদিলন্ত আনন্দে বৃক্ষৰ আগ গুড়ি।।
দুই ফাল কৰিবাক চাহন্তে নৃপতি।
আসিলন্ত হৰি বিশ্বকৰ্ম্মায়ে সহিতি।।২০৪।।
দিব্য গন্ধমালা পিন্ধি ধৰি বিপ্ৰৰূপ।
ৰাজাক বোলন্ত ঐত কি কৰাহা ভূত।।
কি কাৰ্য্যে ছেদিলা ইটো মহা তৰুবৰ।
নিৰ্জ্জন স্থানত কেনে থাকা একেশ্বৰ।।২০৫।।
শুনিয়া নৃপতি তাসম্বাক চাইলা পাছে।
যেন চন্দ্ৰ সূৰ্য্য দুয়ো প্ৰকাশন্তে আছে।
নমস্কাৰ কৰি ৰাজা বুলিলা বচন।
শুনিয়োক দুয়ো গুৰু মোৰ প্ৰয়োজন।।২০৬।।
মাধৱক আৰাধিবে মোৰ ভৈল মতি।
সাজিবোহো দাৰুময়ী প্ৰতিমা সম্প্ৰতি।।
স্বপ্নত আদেশ মোক দিলা নাৰায়ণ।
কহিলো তোমাৰ আগে স্বৰূপ বচন।।২০৭।।



হেন শুনি বিপ্ৰৰূপধাৰী চক্ৰপাণি।
তুষ্ট হুয়া নৃপতিক বুলিলন্ত বাণী।।
ধন্য ধন্য ৰাজা বুদ্ধি উত্তম তোম্ভাৰ।
সংসাৰ সাগৰে আত কিছু নাহি সাৰ।।২০৮।।
যেন জল বুদবুদ তিলে হোৱৈ ছন্ন।
বিষ্ণু আৰাধিতে তযু সম্পজিল মন।।
কিনো ভাগ্যৱতী সসাগৰা বসুমতী।
যাহাৰ পালক ভৈলা আপুনি নৃপতি।।২০৯।।
আসিয়োক ঐক এৰি সাগৰৰ তীৰ।
তৰুতলে আমি সৰে থাকো মহাবীৰ।।
এহেন্তে ব্ৰাহ্মণ বিশ্বকৰ্ম্মা সমগুণী।
এখনে দিবন্ত সাজি প্ৰতিমা আপুনি।।২১০।।
হেন শুনি এড়ি ৰাজা সাগৰৰ তট।
তৰুতলে ৰৈলা চাপি বিপ্ৰৰ নিকট।।
পাছে বিশ্বকৰ্ম্মাক বুলিলা হৰি বাণী।
সাজি তিনি প্ৰতিমা এখনে দিয়া আনি।।২১১।।
কৃষ্ণ বলভদ্ৰ আৰ সুভদ্ৰা ভগিনী।
যাৰ যেন লক্ষণ নিৰ্ম্মিয়ো ভিনি ভিনি।।
শুনি বিপ্ৰৰূপী বিশ্বকৰ্ম্মা গৈলা লড়ি।
তিনিৰো প্ৰতিমা তেতিক্ষণে দিলা গঢ়ি।।২১২।।

প্ৰথমে নিৰ্ম্মিলা বলভদ্ৰ শুক্লকায়।
আৰকত আখি ফণা শিৰত শুহায়।।
গাৱে নীল বস্ত্ৰ কৰ্ণে এগোটা কুণ্ডল।
এক হাতে গদা আউৰ হাতত মূষল।।২১৩।।
কৃষ্ণক নিৰ্মিলা তনু মেঘসম জ্বলে।
পদ্মসম লোচন শ্ৰীবৎস বক্ষঃস্থলে।।
গাৱে পীত বস্ত্ৰ অস্ত্ৰ চক্ৰ আছে কৰে।
যাক দৰশনে জগতৰে পাপ হৰে।।২১৪।।
সাজিলা সুভদ্ৰা তনু সুৱৰ্ণ গৌৰাঙ্গ।
ৰত্নময় অলঙ্কাৰে প্ৰকাশে সৰ্ব্বাঙ্গ।।
দিব্য বস্ত্ৰে আবৃত উন্নত তন দুই।
বোলা হৰি লাগোক পাপৰ মুণ্ডে জুই।।২১৫।।

।।ত্ৰয়োদশ কীৰ্ত্তন।।

ঘোষা।।কমলাকান্ত কৰা কৃপা কৰুণাসাগৰ।।১৯।।
পদ ।।ক্ষণেকতে সাজিল প্ৰতিমা।
দেখি ৰাজা পৰম মহিমা।।
বুলিলাহা বিস্ময়ে বচন।
নোহো নৰ তোৰা দুয়োজন।।২১৬।।



কিবা তোৰা দুয়ো সূৰ্য্য শশী।
ব্ৰহ্মা ৰুদ্ৰ কিবা আছা আসি।।
নজানোহো স্বৰূপ সাক্ষাত।
কৈয়ো সত্যে শৰণ তোহ্মাত।।২১৭।।
শুনি বিষ্ণু বুলিলা বচন।
নোহো ব্ৰহ্মা ৰুদ্ৰ আন জন।।
মঞি হৰি জগত ঈশ্বৰ।
মোতে আছে যত চৰাচৰ।।২১৮।।
বেদান্ততো মোকেসে কহৱৈ।
মোক স্মৰি পাতক দহৱৈ।।
তুষ্ট হুয়া দেখা দিলো আগে।
লৈয়ো বৰ ৰাজা যেহি লাগে।।২১৯।।
স্বপ্নতো নেদেখৈ পাপী মোক।
তুমি মোৰ মহাভক্ত লোক।।
যতেক পূজিলা নাহি লেখা।
তাতেসে তোমাক দিলো দেখা।।২২০।।
শুনি ৰাজা তনু লোমাঞ্চিত।
কৰৈ স্তুতি পড়িয়া ভূমিত।।
লক্ষ্মীকান্ত তোহ্মাক প্ৰণাম।
তনু যাৰ জ্বলৈ মেঘশ্যাম।।২২১।।

কৰে শঙ্খ চক্ৰ পদ্ম গদা।
তুমি শ্ৰীৰ নিৱাস সৰ্ব্বদা।।
সুতি থাকা ভুজঙ্গ শয্যাত।
তুমি ব্ৰহ্ম ব্যাপক সাক্ষাত।।২২২।।
তুমি সূক্ষ্ম নিৰ্ম্মল নিৰ্গুণ।
সৃষ্টি স্থিতি লয়ত নিপুণ।।
মোক্ষপদ জগত ঈশ্বৰ।
কৰো পড়ি প্ৰণাম বিস্তৰ।।২২৩।।
দুনাই দুনাই কৰো নমস্কাৰ।
কৰা প্ৰভু আমাক উদ্ধাৰ।।
তুমি দিয়া ভুকুতি মুকুতি।
কৰো সেৱা এহিসে যুগুতি।।২২৪।।
দুনাই ৰাজা পৃথিৱীত পৰি।
বিষ্ণুক বোলন্ত কৰ যুৰি।।
ঋষিগণ দেৱাসুৰ বল।
যত যোগী সন্যাসীসকল।।২২৫।।
যিটো পদ সদা কৰৈ ধ্যান।
ইচ্ছা তাক তৈতে দিয়া স্থান।।
মাধৱে বোলন্ত এহি হোক।
অন্তকালে পাইবা গৈয়া মোক।।২২৬।।



নকৰিবা সংশয় ইহাত।
নিষ্ঠ কৰি বুলিলো তোম্হাত।
কৃষ্ণৰ কিঙ্কৰে এভু ভণে।
হৰি হৰি বোলা সৰ্ব্বজনে।।২২৭।।

।। চতুৰ্দ্দশ কীৰ্ত্তন।।

ঘোষা।।কৃষ্ণ মুৰাৰি ৰাম কৰো পৰিয়া প্ৰণাম।
মোৰ মুখে নছাড়োক হৰি হেন নাম।।২০।।
পদ ।।নৱ শতাধিক দশ হাজাৰ বৎসৰ।
অখণ্ডে ভুঞ্জিয়ো ইটো ৰাজ্য নৃপবৰ।।
পাছে মোৰ পৰম পদক পাইবা তুমি।
থাকিবে তোমাৰ কীৰ্ত্তি যাৱে থাকে ভূমি।।২২৮।।
যাৱে চন্দ্ৰ সূৰ্য্য থাকৈ সপত সাগৰ।
ভ্ৰমিবে তোম্হাৰ যশ ত্ৰৈলোক্য ভিতৰ।।
যজ্ঞ-অৱশেষ যত জল অনুপাম।
হুইবে তীৰ্থ ইন্দ্ৰদ্যুম্ন-সৰোবৰ নাম।।২২৯।।
আত স্নান কৰিয়া যাইবেক ইন্দ্ৰ থানে।
একৈশ পুৰুষ উদ্ধাৰিবে পিণ্ডদানে।।
অপেস্বৰা গন্ধৰ্ব্বে কৰিবে নৃত্যগীত।
চৈধ্য ইন্দ্ৰ পড়ে মানে থাকিবে তহিত।।২৩০।।

হ্ৰদৰ নৈঋত কোনে আছে সিদ্ধ বট।
দিব্য মণ্ডপেক আছে তাহাৰ নিকট।
বহুবিধ পুষ্পবনে সদায় আবৃত।
পতাকা তোৰণ ধ্বজদণ্ডে অলঙ্কৃত।।২৩১।।
আষাঢ়ৰ শুক্লা পঞ্চমীত আমাসাক।
সেহি মণ্ডপতে ৰথ থৈয়া বেশ্যাজাক।
উৎসৱে বিঞ্চিবে চামৰক কৰে ধৰি।
যতি সিদ্ধ সন্ন্যাসী থাকিবে তুতি কৰি।।২৩২।।
আহ্মাক দেখিয়া যিটো প্ৰণামে তহিত।
মহাৰঙ্গে বঞ্চিবেক বিষ্ণুৰ পুৰীত।।
দিব্য দশ হাজাৰ বৎসৰ থাকি তৈত।
চতুৰ্ব্বেদী ব্ৰাহ্মণ হৈবেক আসি ঐত।।২৩৩।।
হৈবেক শ্ৰীমন্ত কোটি ধনৰ ঈশ্বৰ।
ৰজাক সম্বুধি এহিমতে দিয়া বৰ।।
বিশ্বকৰ্ম্মে সহিতে ভৈলন্ত অন্তৰ্হিত।
দেখি নৃপতিৰ তনু ভৈল লোমাঞ্চিত।।২৩৪।।
কৃতকৃত্য ভৈল দেখি হৰিৰ মহিমা।
ৰথে তুলি লৈয়া গৈলা তিনিৰো প্ৰতিমা।।
অনেক মাঙ্গল্য বাদ্যভাণ্ড বাৰৈ ছানি।
বিপ্ৰগণে আগত কৰন্ত বেদধ্বনি।।২৩৫।।



বিচিত্ৰ পৱিত্ৰ স্থানে প্ৰতিমা থৱাইলা।
শুভ তিথি শুভ ক্ষণে প্ৰতিষ্ঠা কৰাইলা।
দিলা দান দক্ষিণা ঋত্বিজ আচাৰ্য্যক।
ৰত্ন ধন ধান্য দিলা আনো ব্ৰাহ্মণক।।২৩৬।।
এহিমতে প্ৰতিষ্ঠা কৰিয়া বিধিৰত।
থাপিলা প্ৰতিমা নিয়া বিচিত্ৰ দৌলত।।
উত্তৰত কৃষ্ণ বলভদ্ৰ দক্ষিণত।
সুভদ্ৰাক থৈলা নিয়া দুহানো মধ্যত।।২৩৭।।
পূজিলন্ত গন্ধে ধূপে নানা উপহাৰে।
সুৱৰ্ণ মুকুতা মণিবস্ত্ৰ অলঙ্কাৰে।।
দিলন্ত আসন গ্ৰাম নগৰ অশেষ।
দাসী দাস উৎসৰ্গিয়া দিলন্ত বিশেষ।।২৩৮।।
জগন্নাথ থাপি ৰাজা পূৰি মনোৰথ।
ভুঞ্জিলন্ত অকণ্টক ৰাজ্য মহাৰথ।।
অন্তকালে এড়ি ইটো উত্তম সম্পদ।
সুখে পাইলা বিষ্ণুৰ পৰম যিটো পদ।।২৩৯।।
ব্ৰহ্মায়ে বোলন্ত শুনিয়োক মুনিগণ।
কহিলো ক্ষেত্ৰৰ ইটো যতেক লক্ষণ।।
বুলিয়োক আন কিবা শুনিবাক বাঞ্ছা।
বোলা হৰি হৰি যাৰ বৈকুণ্ঠক ইচ্ছা।।২৪০।।

।। পঞ্চদশ কীৰ্ত্তন।।

ঘোষা।। ও ভাই ভাবিয়ো ৰাম চিন্তিয়ো ৰাম
ৰামনাম জোনো ছাড়া।
ৰামকৃষ্ণ নাম অস্ত্রক ধৰিয়া
পাপ বিপক্ষক তাড়া।।২১।।

পদ ।। দুনাই মুনিগণে ব্ৰহ্মাত পুছন্ত
কহিয়ো ক্ষেত্রৰ বিধি।
কোন সময়ত ক্ষেত্রত যাত্রাক
কৰিলে হৈবেক সিদ্ধি।
কৃষ্ণ দৰশনে কোন ফল হোবৈ
তাকো কহিবাক লাগে।
হেন শুনি ব্ৰহ্মা কহিবে লাগিলা
ঋষি-সমূহৰ আগে।।২৪১।।
কুৰুক্ষেত্রে গৈয়া নিৰাহাৰ হুয়া
পৰম তপে যুগুত।
ইন্দ্রিয়ক দমি একপদে থাকে
বৰিষ শত অযুত।।
যিটো জ্যৈষ্ঠ মাস শুক্লা দ্বাদশীত
কৃষ্ণৰ মুখকমল।



দেখে উপৱাসে সিটো নৰে পাৱে
তাহাতো অধিক ফল।।২৪২।।
পঞ্চ তীৰ্থ কৰি যিটো দ্বাদশীত
কৃষ্ণমুখ দেখে যাই।
অপ্রয়াসে সিটো বিষ্ণুপুৰী পাৱে
দুনাই পতন নাই।।
হেন জানি যত্নে জ্যৈষ্ঠত যাত্রাক
কৰিবা সমস্ত নৰে।
পঞ্চ তীৰ্থ কৰি বিষ্ণুক দেখিবা
ধৰ্ম্ম নাহি আত পৰে।।২৪৩।।
বিদূৰতে থাকি যিটো প্ৰতিদিনে
কৃষ্ণৰ কীৰ্ত্তন কৰে।
আতি অপ্রয়াসে বিষ্ণুপুৰী পাৱে
শুদ্ধ হুয়া সিও নৰে।।
কৃষ্ণৰ যাত্রাক কৰে যিটো নৰে
পৰম ভকতিভাৱে।
সমস্ত পাতক দূৰ কৰি সিও
বিষ্ণুৰ পুৰীক পাৱে।।২৪৪।।
মাধৱৰ ধ্বজ- দণ্ডক যি নৰে
দেখয় দৌল উপৰে।

ভূমিত পৰিয়া প্ৰণাম কৰিয়া
পাপ সাগৰক তৰে।।
আত পৰে শুনা পঞ্চ তীৰ্থ বিধি
যেন ফল স্নান দানে।
ভণিল শঙ্কৰে শুনা সৱে নৰে
হৰি বোলা সাৱধানে।।২৪৫।।

।। ষোড়শ কীৰ্ত্তন।।

ঘোষা।। হৰি ৰাম হৰি ৰাম ৰঘুনাথ হে।
ৰাম ৰাম নছাড়োক মুখে না হে।।২২।।

পদ ।। মাৰ্কণ্ডেয় হ্ৰদে গৈয়া উত্তৰক মুখ দিয়া
হেন মন্ত্ৰ কৰিবে উচ্চাৰ।
শুদ্ধ হুয়া ক্ৰোধ জিনি বুৰ দিয়া বাৰ তিনি
শুনিয়োক যেন মন্ত্ৰ তাৰ।।
সংসাৰ সাগৰে মগ্ন পাপগ্ৰস্ত অচেতন
মোত পৰে নাই দুৰাচাৰ।
প্ৰভু ভগনেত্ৰহাৰী ত্ৰাহি ত্ৰাহি ত্ৰিপুৰাৰি
তোহ্মাৰ চৰণে নমস্কাৰ।।২৪৬।।



নমো শিৱ মহা শান্ত সমস্ত পাপৰ অন্ত
স্নান কৰো মাৰ্কণ্ডেয় হ্ৰদে।
মোৰ যত পাপচয় নিৰন্তৰে হোক ক্ষয়
প্ৰণাম কৰোহো তযু পদে।।
নাভি মাত্ৰ জলে নামি বিধিৰতে দেৱ ঋষি
তিলোদকে কৰিব তৰ্পণ।
স্নান অৱসানে পাছে শিৱৰ দৌলেক আছে
তাক লাগি কৰিব গমন।।২৪৭।।
তিনি প্ৰদক্ষিণ কৰি পূজি মূল মন্ত্ৰ পঢ়ি
শিৱৰ লিঙ্গক একমতি।
পৰিয়া প্ৰণাম কৰি উঠি পুটাঞ্জলি ধৰি
কৰিব হৰক হেন তুতি।।
নমো নমো ত্ৰিনয়ন শিৰে শশী বিভূষণ
প্ৰভু বিৰূপাক্ষ মহাদেৱ।
তুমি বিনা নাহি আন কৰা মোক পৰিত্ৰাণ
তোমাৰ চৰণে কৰো সেৱ।।২৪৮।।
কহিলো তহিৰ কথা হেন মন্ত্ৰ পঢ়ি তথা
দশ অশ্বমেধ ফল পাইব।
শিৱলোকে ভোগ ভুঞ্জি পাছে শিৱযোগ যজি
শিৱৰ শৰীৰে লীন যাইব।।

অনন্তৰে কল্পবৃক্ষ বটৰ মূলক গৈয়া
প্ৰদক্ষিণ কৰি তিনিবাৰ।
পৰম ভকতিভাৱে পূজিব বটৰ পাৱে
হেন মন্ত্ৰ কৰিব উচ্চাৰ।।২৪৯।।

।। সপ্তদশ কীৰ্ত্তন।।

ঘোষা।। প্ৰণামো পৰম পুৰুষ ৰাম।
নুগুচোক মুখে মাধৱ নাম।।২৩।।

পদ ।। নমো ব্ৰহ্মৰূপী প্ৰলয়গামী।
আছা মহেন্দ্ৰৰ উপৰে তুমি।।
প্ৰণাম কৰো বট তৰুবৰ।
প্ৰলয় কালতো তুমি অমৰ।।২৫০।।
তুমিসি হৰিৰ মুখ্য আশ্ৰয়।
প্ৰণামো বট পাপ কৰা ক্ষয়।।
প্ৰণামিয়া হেন মন্ত্ৰ উচ্চৰি।
বটক নৰে প্ৰদক্ষিণ কৰি।।২৫১।।
তেতিক্ষণে ছাড়ে সমস্তে পাপ।
যিমতে জীৰ্ণ চোঞ্চা এৰে সাপ।।
বটৰ সিটো ছায়া পৰশনে।
ব্ৰহ্ম হত্যা নষ্ট হোৱৈ তেখনে।।২৫২।।



আন পাতকৰ কি কৈবো কথা।
স্বৰূপ বচন নাহি অন্যথা।।
ৰাজসূয় অশ্বমেধৰ ফল।
বট দৰশনে পাৱে সকল।।২৫৩।।
উদ্ধৰি বংশ ব্ৰহ্মলোকে যাই।
এক কল্প মানে পতন নাই।।
গৰুড় আছন্ত কৃষ্ণ সম্মুখে।
তাঙ্ক নমস্কাৰ কৰিব সুখে।।২৫৪।।
সমস্ত পাপক কৰিয়া দূৰ।
অপ্ৰয়াসে পাৱৈ বিষ্ণুৰ পুৰ।।
দেখিয়া বট গৰুড়ৰ আগে।
দৌলত পাছে প্ৰৱেশিৱে লাগে।।২৫৫।।
ৰামক তিনি প্ৰদক্ষিণ কৰি।
প্ৰণামিব হেন মন্ত্ৰ উচ্চৰি।।
নমো হলধৰ ৰেৱতীপতি।
ভকত বৎসল কৰো প্ৰণতি।।২৫৬।।
নমো হলধৰ বলীত শ্ৰেষ্ঠ।
প্ৰলম্ব বৈৰী নমো কৃষ্ণ জ্যেষ্ঠ।।
বলোক এহিমতে তুতি কৰি।
বিষ্ণুপুৰী পাৱে পাতক তৰি।।২৫৭।।

কল্পেক মহাভোগ ভুঞ্জি তৈত।
বেদবিদ হুয়া উপজৈ ঐত।।
মহাসুখে জানি জ্ঞান যুগুতি।
পৰম দুৰ্ল্লভ পাৱৈ মুকুতি।।২৫৮।।
কৃষ্ণক পূজিব পাছে সাদৰি।
দ্বাদশ অক্ষৰ মন্ত্ৰ উচ্চৰি।।
সিটো মন্ত্ৰে পাৱৈ যিমত গতি।
নপাৱয় যোগী জ্ঞানী সম্প্ৰতি।।২৫৯।।
জানিয়া হেন মন্ত্ৰ উচ্চৰিয়া।
গন্ধপুষ্প ধূপ নৈৱেদ্য দিয়া।।
কৃষ্ণক অৰ্চ্চিয়া কৰিবে তুতি।
বোলা হৰি হৰি হৌক মুকুতি।।২৬০।।

।।অষ্টাদশ কীৰ্ত্তন।।

ঘোষা।। এ ৰাম নিৰঞ্জন ৰাম নিৰঞ্জন।
ৰাম নিৰঞ্জন হৰি[১৮৯]।।২৪।।
পদ ।। জয় কৃষ্ণ জয় জয় জগন্নাথ
সৰ্ব্ব পাপবিনাশন।

১৮৯। পা. এ ৰাম নিৰঞ্জন ৰাম নিৰঞ্জন।
ৰাম নিৰঞ্জন হৰি ৰাম নিৰঞ্জন হৰি।।



জয়তি চাণূৰ কেশীৰ অন্তক
জয় কংসনিসূদন।।
জয় পদ্মপত্ৰ- সদৃশ লোচন
ধৰি আছা চক্ৰ গদা।
জয় নীল মেঘ- সম শ্যাম জয়
সৰ্ব্ব সুখদাতা সদা।।২৬১।।
জয় জগতৰ পূজ্য জয় ভৱ
নাশন সন্তৰ গতি।
জয় ভকতৰ বাঞ্ছা ফলদাতা
জয় নাথ লোকপতি।।
দুৰ্ঘোৰ সংসাৰ আত নাহি সাৰ
অপাৰ সাগৰ যেন।
কামক্ৰোধগ্ৰাহে সদায় আকুল
দুঃখচয় ভৈল ফেন।।২৬২।।
বিষয় উদকে পলম্পি আছয়
মহামোহে আত পাক।
ৰোগে ভৈল ঢউ ইহাতে মজিলো
উদ্ধাৰা প্ৰভু আহ্মাক।।
এহিমতে তুতি কৰিয়া কৃষ্ণক
দেৱৰ ঈশ্বৰ হৰি।

মহাবাহু মহা বক্ষঃস্থলে আছা
শঙ্খ চক্ৰ গদা ধৰি।।২৬৩।।
ভূষণে ভূষিত গলে বনমালা
পদ্মপত্ৰ সম আখি।
দণ্ডৱতে পড়ি প্ৰণাম কৰিবে
হেনয় কৃষ্ণক দেখি।।
এহিমতে পড়ি কৃষ্ণক প্ৰণাম
কৰৈ যিটো ভক্তিভাৱে।
অশ্বমেধ যজ্ঞ সহস্ৰৰ ফল
তাৰক্ষণে সিটো পাৱে।।২৬৪।।
সমস্তে তীৰ্থত যজ্ঞত দানত[190]
ব্ৰতত যি ফল পাৱৈ।
ব্ৰহ্মচাৰী গৃহী বানস্থ সন্ন্যাসী
চাৰিও সি ফল পাৱৈ।।
কৃষ্ণ দৰশনে সেহি ফল পাৱৈ
কি কৈবো আউৰ বিস্তৰ।
কৃষ্ণক দেখিয়া প্ৰণাম কৰিলে
হৈবেক মোক্ষ লোকৰ।।২৬৫।।
কোটি কল্পে যত পাপ আছে কৰি
সিও তেতিক্ষণে এৰে়।

---

১৯০। পা. যজ্ঞ জ্ঞান তপে



এৰৈশ পুৰুষ উদ্ধাৰি বিমানে
বিষ্ণুৰ পুৰীক লড়ে।।
তিনি শত কল্প ভোগ্য ভুঞ্জে তৈত
যেন চতুৰ্ভুজ হৰি।
দুনাই শ্ৰেষ্ঠ দ্বিজ কুলত উপজৈ
গুণে নাহি তাক সৰি।।২৬৬।।
সৰ্ব্বভূত হিত- ৰত শান্ত দাতা
সত্যবাদী সৰ্ব্বজান।
অন্তকালে সিও মুকুতিক পাৱৈ
লভিয়া বৈষ্ণৱী জ্ঞান।।
তাত পাছে মন্ত্ৰে সুভদ্ৰাক পূজি
প্ৰণামি কৰিব তুতি।
নমো ব্ৰহ্মগামী দেৱীক প্ৰণামো
দিয়োক মোক মুকুতি।।২৬৭।।
কমললোচনী নমো কাত্যায়নী
কৰা মোক পৰিত্ৰাণ।
বলোৰ ভগিনী সুভদ্ৰাক নমি
পাৱৈ বিষ্ণুলোকে স্থান।।
এক কল্প মানে দেৱে যেন ক্ৰীড়ে
পাছে বিপ্ৰ হোৱৈ আসি।

অন্তকালে সিও মুকুতিক পাৱৈ
বৈষ্ণৱ যোগ[১৯১] অভ্যাসি।।২৬৮।।

।। ঊনৱিংশ কীৰ্ত্তন।।

ঘোষা।। ৰাম গোপাল ত্ৰাহি প্ৰভু পশিলো শৰণে।
কত নিৱেদিবো দুখ তোহ্মাৰ চৰণে।।২৫।।
পদ ।। বলো কৃষ্ণ সুভদ্ৰাক নমি ভক্তিভাৱে।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ সমস্তকে পাৱে।।
কৃতকৃত্য হুয়া পাছে দৌলৰ বজাইব।
বিষ্ণুৰ থানক নমি আউৰ স্থানে যাইব।।২৬৯।।
যৈতে আছে ইন্দ্ৰনীলময় বনমালী।
গুপুত কৰিয়া তাঙ্ক ঢাকি আছে বালি।।
সেহি ঠাইতো গৈয়া তাঙ্ক নমস্কাৰ কৰি।
বিষ্ণুপুৰী পাৱৈ নৰে পুৰুষ উদ্ধাৰি।।২৭০।।
তহিতে আছন্ত নৰসিংহ-ৰূপ হৰি।
মহা ভক্তিভাৱে তাঙ্ক নমস্কাৰ কৰি।।
নাহিকে সংশয় এড়াই পাতকসকল।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ পাৱৈ চাৰি ফল।।২৭১।।

১৯১। পা. জ্ঞান



অনন্তক নমে গৈয়া মহাভক্তিভাৱে।
পাপ ছাড়ি পৰম পদক সিও পাৱে।।
মঞি ইন্দ্ৰে পূজিলোহোঁ ৰামে বিভীষণে।
হেন অনন্তক আৰ নুপূজিবে কোনে।।২৭২।।
শ্বেত গঙ্গাজলে বিধিৰতে স্নান কৰে।
পাছে শ্বেত মাধৱক দেখৈ যিটো নৰে।।
মৎস্য মাধৱক গৈয়া হোৱৈ দৰশন।
অন্তকালে কৰৈ শ্বেতদ্বীপক গমন।।২৭৩।।
পাছে চলি যাইব যৈত আছে স্বৰ্গদ্বাৰ।
আলিঙ্গিয়া কাষ্ঠক কৰিব নমস্কাৰ।।
দেখি উগ্ৰসেন গৈয়া সাগৰৰ তীৰ।
বিষ্ণুক চিন্তিব তৈত চিত্ত কৰি থিৰ।।২৭৪।।
জলত নামিয়া পাছে অঙ্গন্যাস কৰি।
পঢ়িব কৱচ মনে নাৰায়ণ স্মৰি।।
মঞি নাৰায়ণ শঙ্খ চক্ৰ গদাপাণি।
হেন চিন্তি উচ্চাৰিব ইটো মন্ত্ৰ বাণী।।২৭৫।।
তুমি অগ্নি সমস্ত ভূততে শ্ৰেষ্ঠ তুমি।
জীৱৰো ঈশ্বৰ অমৃতৰো জন্মভূমি।।
নাথ তীৰ্থৰাজ কৰো তোহ্মাক প্ৰণাম।
হৰিয়ো পাতক দিয়া অভিমত কাম।।২৭৬।।

হেন উচ্চাৰিয়া বিধিৰতে স্নান কৰে।
তেৱেঁসে স্নানৰ সৱে ফল পাবৈ নৰে।।
অন্তৰ্জলে নামি কৰি অঘ মৰিষণ।
তীৰত উঠিয়া পাচে পিন্ধিব বসন।।২৭৭।।
সন্ধ্যা আচৰিব কৰি সূৰ্য্যক বন্দন।
তিলে জলে বিধিৰতে কৰিব তৰ্পণ।।
শৰীৰত থৈয়া তিল পিতৃক তৰ্পয়।
ৰুধিৰ মাংসক সৱে পিতৃক অৰ্পয়।।২৭৮।।
জলে থাকি জলাঞ্জলি নিদিব ভূমিত।
থলে থাকি জলত নেদিব কদাচিত।।
জলত থাকিয়া কৰৈ থলত তৰ্পণ।
ব্যৰ্থ হুই তাৰ নপাৰন্ত পিতৃগণ।।২৭৯।।
দিব জলাঞ্জলি পৃথিৱীত পাড়ি কুশ।
মহা তুষ্ট হোন্ত তেৱে যতেক পুৰুষ।।
ক্ষেত্ৰৰ মহিমা কহে কৃষ্ণৰ কিঙ্কৰে।
বোলা হৰি ভষ্ম হোক পাপ নিৰন্তৰে।।২৮০।।



।। ৰিংশ কীৰ্ত্তন।।

ঘোষা।। ৰঙ্গে ফাকু খেলে চৈতন্য বনমালী।
দুয়োহাতে ফাল্গু-গুড়া সিঞ্চন্ত মুৰাৰি।।২৬।।

পদ ।। আছে যত নদী নদ তীৰ্থ পৃথিৱীত।
জ্যৈষ্ঠ মাসে আসে শুক্লা দশমী তিথিত।।
প্ৰত্যেকে থাকন্ত তৈত আসি দিন সাত।
স্নান দান কৰিলে অক্ষয় হোবৈ তাত।।২৮১।।
দশ পাপ হৰৈ পদে দশহাৰা নাম।
তাত দেখৈ যিজনে সুভদ্ৰা কৃষ্ণ ৰাম।।
সমস্ত পাতক তাৰ হৰৈ মষিমূৰ।
অন্তকালে মহাসুখে পাবৈ বিষ্ণুপুৰ।।২৮২।।
উত্তৰাৰ্ক দক্ষিণাৰ্ক দিনা যিটো নৰে।
ৰাম কৃষ্ণ সুভদ্ৰাক দেখন্ত সাদৰে।।
প্ৰণাম কৰন্ত পড়ি হুয়া শুদ্ধমতি।
সিও বিষ্ণুলোকক আনন্দে কৰৈ গতি।।২৮৩।।
ফাল্গুনীত গোৱিন্দক তুলিয়া দৌলত[১৯২]।
দৌলযাত্ৰা কৰৈ মহোৎসৱে সিবেলাত।।
তাত গোৱিন্দক যত্নে দেখৈ যিটোজনে।
গোৱিন্দৰ পুৰে সিও বঞ্চে ৰঙ্গমনে।।২৮৪।।

---

১৯২। পা. ফাল্গুনত গোৱিন্দক তুলিয়া দৌলত

বিষুদিনা বিধিৰতে পঞ্চ তীৰ্থ কৰি।
শুদ্ধমনে দেখয় সুভদ্ৰা ৰাম হৰি।।
সিওজনে সমস্ত যজ্ঞৰ ফল পাইব।
পাতক নিস্তৰি বিষ্ণুভুৱনক যাইব।।২৮৫।।
বৈশাগ মাসৰ শুক্লা তৃতীয়া তিথিত।
কৰাবৈ চন্দনযাত্ৰা আতি বিপৰীত।।
চন্দনে ভূষিত কৰি কৃষ্ণৰ শৰীৰ।
তাঙ্ক দেখি যাইব নৰ বিষ্ণুৰ মন্দিৰ।।২৮৬।।
মিলৈ জ্যৈষ্ঠ মাসে জ্যেষ্ঠা ৰাশি ঋক্ষযোগে।
ক্ষেত্ৰক যাইবেক নৰ পৰম উদ্যোগে।।
উদ্ধাৰি এৰৈশ কুল তাসম্বে সহিতে।
মহাৰঙ্গে বঞ্চৈ সিটো বিষ্ণুৰ পুৰীতে।।২৮৭।।
যেৰে মহা জ্যেষ্ঠা মিলে নক্ষত্ৰ সংযোগ।
ক্ষেত্ৰক যাইবেক নৰে পৰম উদ্যোগ।।
ৰাম কৃষ্ণ সুভদ্ৰাক দেখিব যতনে।
দ্বাদশ যাত্ৰাৰ ফল লভিব তেখনে।।২৮৮।।
প্ৰয়াগ প্ৰমুখ্যে তীৰ্থ আছে যত মানে।
যেন ফল পাৱৈ তাসম্বাত স্নান দানে।।
সূৰ্য্য গ্ৰহণৰো যত পুণ্য নিৰন্তৰে।
পাৱৈ মহাজ্যৈষ্ঠীত কৃষ্ণক দেখি নৰে।।২৮৯।।



মহাসুখে এক শত কুলক উদ্ধাৰি।
বিষ্ণুলোকে ভুঞ্জৈ ভোগ্য কল্প সংখ্যা কৰি।।
দুনাই দ্বিজ হুয়া কৰে বিষ্ণুত ভকতি।
বিষ্ণু-যোগ লভি সাধে পৰম মুকুতি।।২৯০।।
ব্ৰহ্মায়ে বোলন্ত শুনিয়োক মুনিগণ।
কহিলো তোমাত সৱে ক্ষেত্ৰৰ লক্ষণ।।
বুলিয়োক আৰ কিবা শুনিবাক বাঞ্ছা।
বোলা হৰি হৰি যাৰ বৈকুণ্ঠক ইচ্ছা।।২৯১।।

।। একৰিংশ কীৰ্ত্তন।।

ঘোষা।। জয় জগন্নাথ জগন্নাথ জগন্নাথ হৰি।
নমো ৰাম জগন্নাথ জগন্নাথ হৰি।।২৭।।

পদ ।। ব্ৰহ্মায়ে বোলন্ত ইন্দ্ৰদ্যুম্ন নৃপতিক।
জানিবা উৰেষা সৰ্ব্ব তীৰ্থতে অধিক।।
ক্ষেত্ৰৰ মহিমা মানে কহিলো সকল।
শুনা জগন্নাথ নামকীৰ্ত্তনৰ ফল।।২৯২।।
জগন্নাথ নাম ইটো পৰম ৰহস্য।
তাক সদা লৱৈ যিটো কৰি মন বশ্য।।
সিটোজনে অপ্ৰয়াসে ছিণ্ডৈ কৰ্ম্মবন্ধ।
হাততে মুকুতি তাৰ নলাগৈ প্ৰবন্ধ।।২৯৩।।

শিৱত সাক্ষাতে কহি আছন্ত শ্ৰীহৰি।
নাহি আন ধৰ্ম্ম জগন্নাথ নাম সৰি।।
জগন্নাথ নাম যিটো সুমৰে সতত।
ক্ষমিব তাহাৰ নিতে অপৰাধ শত।।২৯৪।।
জগন্নাথ নামৰ মহিমা কৈবো কত।
মহাপ্ৰসাদৰ আৰে শুনিয়ো মহত।।
যত ফল পাৱৈ যজ্ঞ হোম তপ দানে।
যেন ফল পাৱৈ তুলাপুৰুষ প্ৰদানে।।২৯৬।।
যেন ফল লভৈ ভুঞ্জাই ব্ৰাহ্মণ কোটিক।
পাৱৈ মহাপ্ৰসাদ ভক্ষণে ততোধিক।।
পিতৃশ্ৰাদ্ধ দিনা আনি বিষ্ণুৰ অন্নক।
ভক্তিভাৱে দেয় যিটো পিতৃক দেৱক।।২৯৭।।
অন্ন পিণ্ড দেয় যিটো তিল মিশলাই।
কোটি কল্প মানে তৃপ্তি হোন্ত পিতৃ খাই।।
মহাপ্ৰসাদত যত্নে এড়িবা বিচাৰ।
নাহি কিঞ্চিতেকে যেন ব্ৰহ্মত বিকাৰ।।২৯৮।।
বিষ্ণুৰ নৈৱেদ্য যত অন্ন পিঠাপনা।
ভক্ষ্যাভক্ষ্য তাহাৰ বিচাৰে যিটোজনা।।
হোৱৈ মন্দৰোগী তাক ভাৰ্য্যা পুত্ৰে এৰৈ।
নাহিকে নিস্তাৰ ঘোৰ নৰকত পড়ৈ।।২৯৯।।



অন্ত্যবৰ্ণে হীনবৰ্ণে যিটো অন্ন ছোৱৈ।
তাক ভুঞ্জি সমস্ত পাতকে মুক্ত হোৱৈ।।
ছোৱা-গঞ্জা বুলি যিটো অন্ন নখায় মোৰ।
বিপদে পাৱয় তাক কৰো দণ্ড ঘোৰ।।৩০০।।
নাহি কাল নিয়ম ব্ৰতত দোষ নাই।
পাইলে মাত্ৰে খাইবে অন্ন তেৱে মোক্ষ পাই।।
হৃদয়ত ৰূপ হৰিনাম যাৰ মুখে।
বিষ্ণুৰ নৈৱেদ্য উদৰত ভৰে সুখে।।৩০১।।
পাদোদক নিৰ্ম্মাল্য মস্তকে থাকে যাৰ।
বোলা হৰি হৰি সেই বিষ্ণু অৱতাৰ।।
ভণিক শঙ্কৰে কৃষ্ণচৰণত ধৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি।।৩০২।।

।। উৰেষা-বৰ্ণন সমাপ্ত।। ২।।

।। পৰিশিষ্ট-৩।।

## ।। ধ্যান-বৰ্ণন।।

।। (তৃতীয় কীৰ্ত্তন)*।।

ঘোষা।। মাধৱ মুকুন্দ ৰাম।
ঘুষিয়ো হৰিৰ নাম।।২৮।।

পদ ।। সংসাৰ সাগৰে তৰা।
কৃষ্ণৰ চৰণে ধৰা।।
দেখিয়ো হৃদয় মাঝে।
জিনি কাম কোটি সাজে।।৩০৩।।
চন্দ্ৰক জিনয় কান্তি।
দশন মুকুতা পান্তি।।
কিৰীটি ৰত্নৰ জ্বলে।
বনমালা শোভৈ গলে।।৩০৪।।
নয়ন কমল-দল।
ভ্ৰুৱ যুগ নিৰমল।।

* মহাপুৰুষ মাধৱদেৱৰ ভণিতাযুক্ত এই কীৰ্ত্তনটি কোনো কোনো পুথিত সন্নিবিষ্ট হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই 'মস্তকৰ পৰা পাদ পৰ্য্যন্তে নমাইবে মনক দুনাই দেখন্তে।।' (পদ ১৭১)ত ইঙ্গিত কৰা মতে ই ভজনৰ ক্ৰমৰ লগত খাপ খায়। "এইটো মাধৱদেৱৰ ৰচনাৰ অনুপযুক্ত নহয়, গতিকে তেওঁ ৰচনা কৰা অসম্ভৱ নহয়" বুলি ড০ মহেশ্বৰ নেওগ প্ৰমুখ্যে কোনো কোনো পণ্ডিতেও মন্তব্য কৰিছে। সেয়ে কেউদিশ বিৱেচনা কৰি কীৰ্ত্তনটি ওপৰঞ্চিত ঠাই দিয়া হৈছে।



নয়ন পঙ্কজ জৌতি।
উৰে লুলে গজমৌতি।।৩০৫।।
কুটিল কুন্তলচয়।
কিৰীটি সুৱৰ্ণময়।
তিলক কপালে জ্বলে।
কৰ্ণত কুণ্ডল দুলে।।৩০৬।।
নাসা তিলফুল সম।
কম্বুকণ্ঠ মনোৰম।।
শ্যামল সুন্দৰ বৰ।
পীত বস্ত্ৰ মনোহৰ।।৩০৭।।
পেখিতে মদনে লাজে।
বহল হৃদয় মাঝে।।
মণিময় হেম হাৰ।
ঝিলিমিলি পেচন্দাৰ।।৩০৮।।
দাহিনে শ্ৰীবৎস পান্তি।
অমূল্য ৰত্নৰ কান্তি।।
বামে লক্ষ্মী বিতোপনী।
কণ্ঠত কৌস্তুভ মণি।।৩০৯।।
চাৰু চতুৰ্ভুজ সম।
সুবলিত মনোৰম।।
কেয়ূৰ কঙ্কণ জ্বলে।
আৰকত কৰ তলে।।৩১০।।

শঙ্খ চক্র পদ্ম গদা।
ধৰিয়া আছন্ত সদা।।
সুদীৰ্ঘ আঙ্গুলিচয়।
চম্পাৰ পাকৰি নয়।।৩১১।।
ৰত্নৰ আঙ্গুষ্ঠিচয়।
নখ চন্দ্ৰ প্ৰকাশয়।।
সুন্দৰ উদৰে দেখা।
আৰকত তিনি ৰেখা।।৩১২।।
নাভি সৰোৰুহ কান্তি।
ৰত্নৰ কিঙ্কিণী পান্তি।।
সিংহ বন্ধ মধ্যদেশ।
সুন্দৰ মধুৰ বেশ।।৩১৩।।
বহল নিতম্ব তয়।
কটি কাঞ্চী ৰত্নময়।।
উৰু কৰীকৰসম।
জানু জঙ্ঘা মনোৰম।।৩১৪।।
পদ দুই পদ্মকোষ।
শুনি নূপুৰ ঘোষ।।
চাৰু আঙ্গুলিৰ পান্তি।
নখ চন্দ্ৰে কৰৈ কান্তি।।৩১৫।।
দশো আঙ্গুলিৰ মাজে।
উঝণ্টি ৰত্নৰ সাজে।
জঙ্ঘাত হোড়ৰ জ্বলে।



অৰুণ চৰণ তলে।।৩১৬।।
ধ্বজ বজ্ৰ পদ্ম যৱ।
দেখি চিহ্ন মহোৎসৱ।।
হেনৰূপে দামোদৰ।
হৃদয়ৰ অভ্যন্তৰ।।৩১৭।।
আছন্ত জগত বাপ।
দৰশনে হৰে তাপ।।
তত্ত্ব বাণী হেন জানি।
চিন্তিয়োক চক্ৰপাণি।।৩১৮।।
বৃথা কথা পৰিহৰা।
হৰি-গুণ-নাম ধৰা।।
ক্ষণিক অথিৰ কায়।
প্ৰাণ কেতিক্ষণে যায়।।৩১৯।।
তথাপি চেতন নাই।
কেনে আছা বাট চাই।।
জ্ঞানশূন্য মতিহীন।
কহয় মাধৱ দীন।।৩২০।।
কলি যুগে গতি নাম।
জানি তেজা আন কাম।।
কৰি মন উপশাম।
ডাকি বোলা ৰাম ৰাম।।৩২১।।

।।ধ্যান-বৰ্ণন সমাপ্ত।।৩।।

।।পৰিশিষ্ট সমাপ্ত।।